# স্মৃতি-তীৰ্থ

কৰ্ম্মবীৰ
নবীনচন্দ্ৰ বৰদলৈ দেৱৰ
জীৱন সোঁৱৰণ

ASSAM GOVT. PUBLIC LIBRARY
Date
Book No. 678.D
SHILLONG.

নলিনী বালা দেৱী

চপলা বুক ষ্টল
অসমৰ বৃহত্তম পুস্তক প্ৰতিষ্ঠান
শিলং

১৯৩১

প্ৰথম সংস্কৰণ
মহালয়া ১৮৭০
প্ৰকাশক
উপেন্দ্ৰ কুমাৰ চাংকাকতী
উজান বজাৰ
গুৱাহাটী
অসম
পৰিবেশক
চপলা বুক ষ্টল
শিলং
অসম
মুদ্ৰাকৰ
গোবিন্দ পদ ভট্টাচাৰ্য্য
শৈলেন প্ৰেছ
৪ সিমলা ষ্ট্ৰীট
কলিকতা
লেখিকাৰ সৰ্ব্বস্বত্ব সংৰক্ষিত
মূল্য—চাৰি টকা আঠ অনা।

Date
No. 1183



# উছর্গা

যি জনৰ নির্দ্দেষিত ত্যাগময় মহা
মন্ত্রত দীক্ষিত হৈ—পূজাৰীয়ে দেশ-
মাতৃৰ পূজাৰেদীত জীৱণৰ শেষ কুসুম-
পাহিৰে অর্ঘ্য সজাই গল—সেই সত্য
আৰু অহিংসাৰ মূর্ত্ত প্রতীক, জাতিৰ
জনকৰ পদতলত শিষ্যৰ জীৱন পাত্র
স্মৃতিতীর্থ উৎসর্গিত হল।

# পাতনি

অসমৰ সুসন্তান শ্ৰদ্ধেয় ৺নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াৰ জীৱন চৰিত এখন, তেখেতৰ অতি চেনেহৰ বৰ জীয়ৰী শ্ৰীমতী নলিনীবালা দেৱী আইদেউৱে ৰচনা কৰিছে। তেওঁ কিতাপ খনৰ নাম দিছে 'স্মৃতি-তীৰ্থ'। প্ৰকৃততে তীৰ্থ স্থানলৈ গলে যেনেকৈ মন পৱিত্ৰ আৰু ভাৱেৰে পূৰ্ণ হৈ যায়, বৰদলৈ ডাঙৰীয়াৰ স্মৃতিয়ে ও তেনেকৈ আমাক অনুপ্ৰাণিত কৰে। লেখিকাই তেওঁৰ দেউতাকৰ প্ৰতি যি মৰম আৰু গভীৰ শ্ৰদ্ধাৰ ভাব লৈ জীৱন চৰিত খন লেখিছে, তাৰ দ্বাৰাই কিতাপ খন অতি হৃদয়গ্ৰাহী আৰু প্ৰেৰণা মূলক হৈছে।

পৃথিৱীত যুগে যুগে কোটি কোটি মানুহ জন্ম গ্ৰহণ কৰিছে, তাৰ মাজত অতি কম সংখ্যক লোকৰ হে জীৱন কাহিনী লেখিব লগীয়া হয়। যি সকল লোকৰ মহৎ আদৰ্শ আমাকে সৎ প্ৰেৰণা দিয়ে বা যি সকলে জন-সেবা কৰি সমাজৰ ডাঙৰ কল্যাণ কৰিব পাৰিছে, তেনে অসাধাৰণ লোক সকলৰ জীৱনৰ কাহিনী চৰ্চ্চা কৰি মানুহে মহত্ব লাভ কৰে। ৺বৰদলৈ ডাঙৰীয়াও যে এজন অসাধাৰণ লোক আছিল তাত কোনো সন্দেহ নাই।

ইংৰাজী ১৯২০ চনলৈকে 'অসম এচোচিয়েশ্বন' খনেই অসমৰ প্ৰবীণ ৰাজনৈতিক প্ৰতিষ্ঠান আছিল। ভাৰতৰ জাতীয় কংগ্ৰেছ যদিও বহুবছৰ আগৰে পৰা ভাৰতৰ ৰাজনৈতিক উন্নতিৰ বাবে বিশেষ চেষ্টা কৰি আহিছিল, তথাপি অসমৰ আগৰ নেতা সকলে কংগ্ৰেছত যোগদান কৰি, বৃটিচ গৱৰ্ণমেণ্টৰ বিৰাগৰ ভাজন হওয়াটো সেই কালত অসমীয়া লোকৰ পক্ষে হিতজনক নহব বুলি ভাবিছিল। সকলো প্ৰকাৰে অসমীয়া জাতি তেতিয়া

পিচ পৰা অৱস্থাত আছিল। আৰু অসমীয়াৰ উন্নতিৰ বাবে ৰজা ঘৰীয়া অনুগ্ৰহ বিশেষ প্ৰয়োজনীয় বুলি বোধ হৈছিল।

সেই যুগত স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীযা আৰু ৰায় বাহাদুৰ জগন্নাথ বৰুৱা ডাঙৰীয়া, এই দুজনেই ৰাজনৈতিক ক্ষেত্ৰত অসমৰ প্ৰমুখ্য নেতা আছিল। প্ৰধানতঃ তেখেত সকলৰ চেষ্টাতেই অসম এচোচিয়েশ্যনৰ স্থষ্টি হৈছিল।

ইংৰাজী ১৯১৫ চনৰ ডিচেম্বৰ মাহত ডিব্ৰুগড়ত অসম এচোচিযেশ্যনৰ যি অধিবেশন হয়, তাত নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়া সভাপতি হৈছিল। আমি বহুতেই তেখেতৰ লগতে ডিব্ৰুগড়লৈ গৈছিলোঁ। ৰাজনৈতিক বিষযত উৎসাহ থকা অসমৰ বিভিন্ন ঠাইৰ, ডেকা বুঢ়া বহুত লোক সেই সভাত সমবেত হৈছিল। বৰদলৈ ডাঙৰীয়াই সেই কালত কলিকতাত ওকালতি কৰিছিল। তেখেতৰ অভিভাষণ খন নতুন ভাবৰ উদ্দীপনা পূৰ্ণ আছিল আৰু সকলোৰে মনত নতুন উৎসাহৰ স্থষ্টি কৰিছিল। সেই সমযৰ পৰাই অসমৰ ৰাজনৈতিক ক্ষেত্ৰত নতুন জাগৰণ আৰম্ভ হৈছিল বুলিব পাৰি। এই নতুন জীৱনৰ প্ৰেৰণাদাতা প্ৰধানতে ৺বৰদলৈ ডাঙৰীয়া আছিল।

ইংৰাজী ১৯১৫ চনৰ পৰা ১৯২০ চনৰ মাজলৈকে ‘অসম এচোচিয়েশ্যনৰ কাম বৰ বেগেৰে চলিছিল। প্ৰথমতে গোলাঘাটৰ ৰায বাহাদুৰ ৺ঘনশ্যাম বৰুৱা ডাঙৰীয়া ইয়াৰ চেক্ৰেটৰী হৈ কিছুকাল স্থচাৰুৰূপে কাম চলায়। ইংৰাজী ১৯১৭ চনত বৰদলৈ ডাঙৰীয়া ইযাৰ চেক্ৰেটৰী মনোনীত হয়। তেজপুৰৰ ৺চন্দ্ৰনাথ শৰ্ম্মা তেওঁৰ লগত সহকাৰী সম্পাদক আছিল। এই সময়ত ভাৰতত নতুন শাসন পদ্ধতি চলোৱাৰ যি প্ৰস্তাব ভাৰতগৱৰ্ণমেণ্টে প্ৰকাশিত কৰিছিল, সেই প্ৰস্তাৱ মতে, অন্য উন্নতিশীল প্ৰদেশৰ দৰে শাসন অসমত নচলাই, পিচপৰা প্ৰদেশৰূপে ( non-regulated province ) গণ্য কৰিবলৈ অভিপ্ৰায় কৰিছিল। এই প্ৰস্তাৱৰ বিৰুদ্ধে ‘অসম

এচোচিয়েশ্যনে' তীব্র আন্দোলন চলায় আৰু বৰদলৈ ডাঙৰীয়াই একান্ত ভাবে এই আন্দোলনত যোগ দিযে। বিলাতৰ জয়েণ্ট পার্লিযামেণ্টৰী কমিটীৰ আগত অসমৰ হকে কথা কবলৈ, অসমৰ প্রতিনিধিৰূপে বৰদলৈ ডাঙৰীযাক আৰু ডিব্রুগড়ৰ শ্রীযুত প্রসন্ন বৰুৱাক বিলাতলৈ পঠোৱা হয। বিশেষকৈ বৰদলৈ ডাঙৰীযাৰ যত্নৰ ফলতে, পৰবর্ত্তী শাসন সংস্কাৰত অসমে অন্যান্য উন্নতিশীল প্রদেশৰ শাৰীত স্থান পালে।

এই সময়ত ভাৰতত কংগ্রেছৰ আন্দোলন বৰ প্রখৰ ভাবে চলিছিল। ৰাজনৈতিক ক্ষেত্রত ডেকা উকিল চন্দ্রনাথ শর্ম্মা সদায় আগ ৰহুৱা আছিল, আৰু তেওঁ কংগ্রেছৰ অধিবেশনত প্রাযে উপস্থিত থাকিছিল। ইংৰাজী ১৯১৯ আৰু ১৯২০ চনত বৰদলৈ ডাঙৰীযাই অমৃতসৰ কংগ্রেছ আৰু কলিকতাত বহা কংগ্রেছৰ বিশেষ অধিবেশনত উপস্থিত থাকি কর্ম্মত যোগ দান কৰিছিল।

নাগপুৰ কংগ্রেছত তেখেতৰ চেষ্টাতে অসম প্রদেশ কংগ্রেছৰ নিয়মাৱলীতো এখন বেলেগ কংগ্রেছ প্রদেশ বুলি গণ্য হয়। তাৰ আগেয়ে কংগ্রেছৰ নিয়মাবলী মতে অসমক বঙ্গদেশৰ অন্তর্ভূক্ত ৰূপেহে ধৰা হৈছিল।

ইংৰাজী ১৯২০ চনৰ চেপ্তেম্বৰত গুৱাহাটীত অসম এচোচিযেশ্যনৰ এখন বিশেষ অধিবেশন বহে। তাত ডেকা দলৰ চেষ্টাত কংগ্রেছে গ্রহণ কৰা মতে মহাত্মা গান্ধীৰ উদ্ভাবিত অসহযোগ আন্দোলনত যোগ দিবলৈ 'অসম এচোচিয়েশ্যনত' সিদ্ধান্ত কৰে। তেতিয়াৰে পৰা কংগ্রেছৰ কার্য্য পদ্ধতি অসমত ব্যাপক ভাবে চলিবলৈ ধৰে আৰু 'অসম এচোচিযেশ্যন' খন অসম কংগ্রেছৰ গর্ভত প্রায় লীন হোৱাৰ নিচিনা হল। বৰদলৈ ডাঙৰীয়া যদিও প্রথমতে অসহযোগ আন্দোলনৰ সপক্ষে নাছিল, তথাপি অসমৰ প্রধান লোক সকলৰ ভিতৰত প্রথমে তেখেতেই, চন্দ্রনাথ শর্ম্মাৰ উত্থাপিত এই আন্দোলনত যোগ দি একান্ত মনে এই আন্দোলন চলাবলৈ ধৰে।

বৰদলৈ ডাঙৰীয়াইৰ প্ৰবোচনাতে পিছত তৰুণৰাম ফুকন ডাঙৰীয়াইয়ো আন্দোলনত যোগ দিয়ে।

তেওঁলোকৰ প্ৰভাব উৎসাহ কৰ্ম্মকুশলতা আৰু স্বাৰ্থত্যাগৰ বাবে, আৰু তেওঁলোকৰ সহকৰ্ম্মী লোকসকলৰ অক্লান্ত পৰিশ্ৰমৰ ফলত, যি অসমত আগেয়ে ৰাজনৈতিক আন্দোলনৰ অতি ক্ষীণ সোঁত বৈছিল, সেই অসমেই অসহযোগ আন্দোলনত, সকলো প্ৰদেশতকৈ প্ৰাধান্য লাভ কৰিব পাৰিলে।

ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামত অসমে প্ৰথমে যোগ দিয়াৰ গুৰিত বৰদলৈ ডাঙৰীয়াৰ প্ৰভাব বিশেষ মুখ্যৰূপে আছিল। ইং ১৯১৫ চনৰ পৰা তেখেতৰ জীৱনৰ শেষলৈকে অসমৰ ৰাজনীতি ক্ষেত্ৰত, বিচক্ষণ নেতৃত্ব, একান্ত কৰ্ম্মপৰায়ণতা, স্বাৰ্থত্যাগ আৰু কষ্টবৰণ অসাধাৰণ ৰকমৰ আছিল।

তেখেতে কৈছিল—ভাৰতবৰ্ষত স্বাধীনতাৰ মন্দিৰ স্থাপন কৰিবলৈ মনীষী তলত পোত খাই থকা মন্দিৰৰ প্ৰথম শিলৰ গাথনিৰ দৰে আমাৰ জীৱণ উচ্ছৰ্গ কৰি যাম। আমাৰ জীৱণক ভিত্তি কৰিয়েই ভবিষ্যতৰ ভাৰতবৰ্ষত স্বাধীনতাৰ সোণৰ মন্দিৰ গঢ়ি উঠিব।

আমি যদি আজি মাতৃ পূজাৰ প্ৰথম বলিৰূপে প্ৰাণদান কৰো, এই প্ৰাণদান বিফল নহয়। জননীৰ মুক্তি যজ্ঞত—জীৱনৰ সুখ, শান্তি, বিশ্ৰাম সকলো বলিদান কৰি মাতৃপূজাৰ প্ৰসাদ স্বৰূপে নিৰ্য্যাতন, কাৰাবাস, দাৰিদ্ৰ্য বৰণ কৰিবলৈ প্ৰস্তুত থাকিব লাগিব। আমাৰ প্ৰতিজ্ঞা হব দেশৰ মুক্তি, দেশৰ মুক্তি নোহোৱালৈকে আমাৰ বিশ্ৰাম নাই।”

বৰদলৈ ডাঙৰীয়াৰ চৰিত্ৰৰ বিশেষত্ব আছিল তেখেতৰ স্বাভাবিক সৰলতা; আনলৈ সহানুভূতি আৰু মৰম, দানশীলতা, তীব্ৰ দেশপ্ৰেম,

গভীৰ জাতীয়তাবোধ, আৰু কৰ্ত্তব্যপৰায়ণতা। তেখেত যেনে কোমল হৃদয়ৰ ভাবপ্ৰৱণ লোক আছিল, তেনে দৃঢ় সঙ্কল্প পৰায়ণো আছিল। তেখেতৰ পৰা মই নিজে যি মৰম পাইছিলো, তাৰ স্মৃতি মোৰ মনত সদায় উজ্জ্বল হৈ থাকিব। মই যে এবাৰ অসমৰ ব্যৱস্থাপক সভাৰ সভ্য হৈছিলো, সেইটোও তেখেতে সৰ্ব্বপ্ৰথমে মোক দৃঢ় ভাবে সমৰ্থন কৰাৰ বাবেহে ঘটিছিল। ১৯২৬ চনত কংগ্ৰেছৰ অধিবেশনৰ বাবে গুৱাহাটীৰ পাণ্ডুত যি আয়োজন কৰা হৈছিল, তাত পানী আৰু প্ৰদীপ যোগান বিভাগৰ দায়িত্ব মোৰ ওপৰতে আছিল। কোনো কোনো সময়ত এনে হৈছিল যে কলিকতাৰ পৰা কোনো বস্তু আহি পাইছে, অথচ তাৰ মূল্য দিবলৈ কংগ্ৰেছৰ ভৰালত ধন নাই। এনে অৱস্থাত কেবাবাৰো মই নিৰুপায় হৈ বৰদলৈ ডাঙৰীয়াৰ ওচৰ চাপিছোঁ, অৰু তেখেতে তৎক্ষণাত নিজৰ ধন কংগ্ৰেছৰ কামত খৰছ কৰিবলৈ দিছে। অথচ তেতিয়া তেখেতৰ আৰ্থিক স্বচ্ছলতা যথেষ্ট নাছিল, আৰু তেখেতে কংগ্ৰেছৰ বাবে প্ৰতিশ্ৰুতি দিয়া টকা পৰিশোধ কৰাৰ উপৰিও, প্ৰায় এবছৰ মানৰ পৰা কংগ্ৰেছৰ অধিবেশনৰ বাবে আনকাম এৰি দেহে মনে খাটিব লগীয়া হৈছিল। সেহত কংগ্ৰেছৰ টকা অকুলান হোৱাত, কংগ্ৰেছৰ ধাৰৰ দায়িত্বও তেখেতৰ আৰু কেবা জনো কংগ্ৰেছ-কৰ্ম্মীৰ মাটি ঘৰ পৰ্য্যন্ত নীলামত বিক্ৰী হব লগীয়া হৈছিল।

যি সকল দেশ সেৱকৰ মহৎ ত্যাগ আৰু দাৰুণ কষ্ট ভোগৰ ফলত এতিয়া ভাৰতবাসীয়ে স্বাধীনতা সম্পদ পাইছে, ৺নবীন চন্দ্ৰ বৰদলৈ ডাঙৰীয়া সেই সকলৰ ভিতৰত এজন প্ৰধান দেশ সেৱক। এই বাবে ভাৰতবাসীয়ে আৰু বিশেষ কৈ অসমৰ লোক সকলে তেখেতৰ প্ৰতি চিৰ-কাললৈ কৃতজ্ঞ আৰু শ্ৰদ্ধাবান থাকিব লাগিব।

বৰদলৈ ডাঙৰীয়াৰ চৰিত্ৰত তেওঁৰ পূৰ্ব্বপুৰুষ আৰু পিতৃ মাতৃৰ প্ৰভাৱ

কিমান আছিল, আৰু তেখেতৰ বাল্য কালৰ শিক্ষাই তেখেতৰ চৰিত্ৰ গঠনত কিমান সহায়ক হৈছিল তাৰ বিশদ বিবৰণ 'স্মৃতিতীৰ্থত' পোৱা যায়। মোৰ এইটো দৃঢ় আশা যে এই কিতাপ খনিৰ পৰা, অসমীয়া ৰাইজ বিশেষ ৰূপে উপকৃত হব। আৰু উঠি অহা লৰা ছোৱালী বিলাকৰ চৰিত্ৰ গঠনত এই কিতাপ খনিয়ে সহায়ক ৰূপে বাট দেখুৱাব॥

ইতি—

শ্ৰীকামাখ্যাৰাম বৰুৱা

# নিবেদন

১৯৩৬ চনৰ ১৬ ফেব্ৰুৱাৰীৰ দিনা পূজনীয় পিতৃদেৱ ৺ নবীনচন্দ্ৰ বৰদলৈ দেৱ স্বৰ্গাৰোহণ কৰে। তেখেতৰ বিয়োগত দেশ জুৰি শোক সভা পাতি; তেখেতৰ স্মৃতি ৰক্ষাৰ্থে ৰাইজে এটি নবীন মেমোৰিয়েল ফণ্ড্ স্থাপন কৰে। সেই সভাতেই তেখেতৰ এখন বিস্তৃত জীৱনীৰ কথাও ৰাইজে পৰিকল্পনা কৰিছিল। লগে লগে ৺বনমালী বৰ্ম্মনে চমু জীৱনী "নবীন স্মৃতি" লেখি ৰাইজৰ আগত উলিয়ায়। তাৰ পিচত আজি বাৰ বছৰ কাল অতীত হ'ল; সময়ৰ সোঁতত ৺বৰদলৈ দেৱৰ জীৱনৰ ঘটনাৱলীও লাহে লাহে পাহৰণীৰ এন্ধাৰত ম্লান হৈ আহিল।

যদিও তেখেতৰ জীৱন কাহিনী অসমৰ জাতীয় জাগৰণৰ, প্ৰত্যেকটি জটিল সমস্যাৰ বৈচিত্ৰতাৰে বিজৰিত আছিল; তথাপি কোনো দেশ বাসীয়ে এই বিষয় হাতত নোলোৱা দেখি, তেখেতৰ মৃত্যু সময়ত ওলোৱা, বাতৰি কাকতৰ পৰা, আৰু তেখেতৰ নিজৰ ডায়েৰী আৰু বয়োবৃদ্ধ আত্মীয় স্বজনৰ পৰা কিছুমান সংগ্ৰহ মোৰ হাতত গোটাই ছিলো।

১৯৩৮ চনত মই "তেজপুৰত" থাকোতে শ্ৰদ্ধেয় স্বৰ্গীয় পদ্মনাথ গোহাঞী বৰুৱা ডাঙৰীয়াই, স্বৰ্গীয় পিতৃদেৱৰ চমু জীৱনী অলপমান মোকে লেখি দিবলৈ ধৰিলে। তেখেতে কৈছিল—"বহুত আবেদন নিবেদন কৰি মই বৰদলৈৰ জীৱনী কাৰো পৰা আজিলৈকে নাপালো, এতেকে তুমিয়েই যি পাৰা লেখি দিয়া" মই বহুত আপত্তি কৰিলো, তথাপি তেখেতে মোক বাৰে বাৰে অনুৰোধ কৰাত, মই এটি চমু জীৱনী প্ৰবন্ধ লেখিবলৈ বাধ্য হ'লো। কিন্তু তাত এটা ভুল বৈ গ'ল। গান্ধীজীয়ে

যি খন কংগ্ৰেছৰ নীয়মাৱলী পিতৃ ববদলৈ দেৱ আৰু বঙ্গস্বামী "আয়েঙ্গাৰক" লেখিবলৈ দিছিল, সেই খন গত বৰ্ষে কংগ্ৰেছলৈকেহে অপৰিবৰ্ত্তিত আছিল ; তাৰ পিচত ভালে মান সলনি হ'ল। মোৰ প্ৰবন্ধটোত ভুলক্ৰমে আজিলৈকে অপৰিবৰ্তিত হৈ আছে বুলি লেখা হ'ল। সেই ভুলটি নতুন ছপা সংস্কৰণত শুধৰাই লবলৈ গোছাঞ্জী বৰুৱালৈ লেখা হৈছিল।

পিতৃদেৱৰ জীৱন সোঁৱৰণ লেখিবলৈ হাতত লৈ ম্লান অতীতৰ কথা বোৰ ভাবিবলৈ ধৰিলো ; পাহৰণীৰ এন্ধাৰত মৰহি যোৱা স্মৃতিৰ ছবি বোৰ ইটিৰ পিচত সিটি আহি, মোৰ মনত এটি করুণ সুৰৰ কপনি তুলিলে। দুধাৰি চকুলো বৈ গল, ওপৰলৈ চাই হাত জোৰ কৈ কলোঁ। পিতৃদেৱ! তোমাৰ পবিত্ৰ স্মৃতি, ই মোৰ মহাতীৰ্থ! যদিও অযোগ্যা মই, তথাপি তোমাৰ পবিত্ৰ স্মৃতি ৰেখা লৈ—তোমাৰ সোঁৱৰণীৰ তুলিকা হাতত ললোঁ। তোমাৰ শ্ৰাদ্ধৰ অধিকাৰী পুত্ৰ! তোমাৰ অভাগী কন্যাৰ তোমাৰ সোঁৱৰণীৰ "তৰ্পণ" কৰিবলৈ অধিকাৰ আছে। তোমাৰ পবিত্ৰ সোঁৱৰণ! ই যে জাতীয় জাগৰণৰ অৰুণোদয়। শত শত শহীদৰ মুক্তি ব্ৰতৰ জীৱণ অৰ্ঘ্যৰে পূণ্যোজ্জল! মোৰ জীৱনৰ স্মৃতিতীৰ্থ!—"স্মৃতিতীৰ্থ" নামেৰেই এই সোঁৱৰণী ৰচনা কৰিলো ; আৰু প্ৰথম অধ্যায়টি শেষ কৰিলোঁ।

মোৰ পিতৃদেৱৰ সান্নিধ্যত কটোৱা কাল খিনি জীৱনৰ এটি সুপবিত্ৰ সঞ্চয়। ঘটনা বৈচিত্ৰত মোৰ জীৱণৰ সৰহ খিনি সময়, পিতৃদেৱে শেষ নিঃশ্বাস পেলোৱা লৈকে—তেখেতৰ জীৱণৰ লগতে, মোৰ সুখ দুখ আনন্দ বিষাদ—সকলো জৰিত হৈ পৰিছিল। তেখেতৰ জীৱণৰ ঘটনা বোৰ—মোৰ জীৱণৰ প্ৰতি পাকে মেৰ খাই আছে।

সেই বাবেই মোৰ নিজৰ সম্পূৰ্ণ অক্ষমতাৰ কথা জানিও, এই গুৰুতৰ

কামটো হাতত লবলৈ বাধ্য হ'লো। মই জানো, অসমৰ জাতীয় জাগৰণৰ গুৰুতৰ বিষয় বোৰৰ সম্পূৰ্ণ বিবৰণ দিবলৈ মই সমৰ্থ নহওঁ; কিন্তু পিতৃদেৱৰ জীৱনৰ লগত বিজৰিত পৰিস্থিতি বিলাকৰ এটি চমু আভাষ দিবলৈ হে মই চেষ্টা কৰিছো। এই থিনি আভাষ দিবলৈও; মই পিতৃদেৱৰ মৃত্যুৰ সময়ত তেখেতৰ প্ৰতি দেশৰ সুপুত্ৰ সকলে দিয়া শ্ৰদ্ধাঞ্জলীৰ পৰা সংগ্ৰহৰূপে গ্ৰহণ কৰি, জীৱণ সোঁৱৰণখনি সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিছো। মোৰ অকালতে বিদায় লোৱা লৰা (পৱিত্ৰ) মাথনে বাতৰি কাকত বোৰ গোটাই নোথোৱা হলে তেখেতৰ বিষয়ে কোনো তথ্য সংগ্ৰহ কৰা মোৰ সম্ভৱ নহল হেতেন। শ্ৰীযুত পদ্মধৰ চলিহা ডাঙৰীয়াৰ হাতত থকা পিতৃদেৱৰ নিজা ডায়েৰী থিনি পোৱাত, ঘটনা বোৰৰ বিষয়ে সত্যত উপনীত হই ৰাইজৰ আগত উলিয়াবলৈ যত্ন কৰিলোঁ। সেই ডায়েৰী থিনি তেখেতৰ স্কুলীয়া জীৱণৰ পৰা আৰম্ভ কৰি ১৯২২ চনৰ জেললৈ যোৱালৈকে লেখা আছিল। তাৰ উপৰি ব'ৰ ত'ৰ পৰা গোটোৱা তথ্যত হয়তো বহুত অসম্পূৰ্ণতা ৰৈ যাব পাৰে, পিতৃদেৱৰ বন্ধু আৰু অভিজ্ঞ সহকৰ্ম্মি সকললৈ—মই কৰযোৰে অনুৰোধ জনাওঁ—তেখেত সকলে যেন, মোৰ ভুল ভ্ৰান্তি—অসম্পূৰ্ণতা যি ৰৈ গৈছে, সেই বিষয়ে মোক ক্ষমা কৰে। আৰু মৰম চকুৰে চায়—এয়ে মোৰ ৰাইজলৈ বিনীত প্ৰাৰ্থনা—

শেষত শ্ৰদ্ধেয় শ্ৰীযুত কামাখ্যাৰাম বৰুয়া ডাঙৰীয়াই পাতনি খন লেখি দিয়াত তেখেতক মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

উদীয়মান সাহিত্যিক শ্ৰীমান পদ্মধৰ বৰাই আৰু শ্ৰীমান ভুবন হাজৰিকাই কিতাপ খনিৰ প্ৰুফ চাই সহাই কৰা বাবে তেওঁলোকক আন্তৰৰ সৈতে ধন্যবাদ জানালোঁ।

ৰাইজৰ সেৱিকা
শ্ৰীনলিনী দেৱী

# কংগ্ৰেছ সোণালী জয়ন্তী

## জাতীয় পতাকা অভিবাদনত

নীল আকাশত জোনৰ দৰে
ভাৰতৰ পতাকা উৰ
প্ৰতি ঘৰে ঘৰে অতি পয়োভৰে
বিজয় পতাকা উৰ
কোটি সন্তানৰ প্ৰেমৰ চানেকী
তিনি বৰণীয়া উৰ
সহস্ৰ লাঞ্ছনা অপমান ঠেলি
বিজয় জয়ন্তী উৰ
তোৰ যে তলত আজি ভাৰতৰ
সন্তানৰ সমাবেশ
কত অপমান কত অত্যাচাৰ
লাঞ্ছনাৰ নাই শেষ
তথাপি ওখত মূৰ্ত্ত স্বাধীনতা
ত্ৰিৰঙ্গী লাহৰী উৰ
প্ৰাণপণ কৰি উৰাই ৰাখিম
উৰ ঔ লাহৰী উৰ
শত বজ্ৰাঘাত মেঘৰ গাজনি

ধুমুহা বতাহ ঘোৰ
মুৰ পাতি লৈ থাক উৰি উৰি
মুৰ নেদোৱাবি তোৰ।
স্বাধীন ভাৰত ! স্বাধীন ভাৰত
বতাহত বাজে সুৰ
ভাৰত সন্তান জীয়াই থাকোতে
ই সুৰ নপৰে ওৰ
কুমাৰী কাস্মীৰ সুদূৰ প্ৰাচ্য
সুদূৰ লঙ্কা পুৰ
ডঙ্কা বাজিছে স্বাধীন ভাৰত
উৰ অ' লাহৰী মোৰ
হব স্বাধীন ভাৰত, হব স্বাধীন ভাৰত
উৰ অ' লাহৰী উৰ ॥

ৰচিত ১৯৩২ চনত কৰ্ম্মবীৰ ( নবীনচন্দ্ৰ )

# সূচীপত্ৰ

## প্ৰথম অধ্যায়


| বিষয় | | পৃষ্ঠা |
|---|---|---|
| স্মৃতিতীৰ্থ তৰ্পন | ... | ৩ |
| জাতীয় জাগৰণত অসম | ... | ৬ |
| অসহযোগ আন্দোলন | ... | ৯ |
| ছাত্ৰসকলৰ স্কুলকলেজ বৰ্জ্জন | ... | ১০ |
| নাৰী জাগৰণ | ... | ১২ |
| প্ৰথম কংগ্ৰেছ অফিচ | ... | ১৪ |
| তিলক স্বৰাজ ভৰাললৈ বৰঙনী | ... | ২০ |
| অসমত খিলাফৎ | ... | ২১ |
| মহাত্মাজীৰ অসম ভ্ৰমণ | ... | ২২ |
| স্বৰাজ আশ্ৰমৰ পথত | ... | ২৯ |
| যোৰহাট জেইলত | ... | ৩৬ |


## দ্বিতীয় অধ্যায়


| | | |
|---|---|---|
| ঘৰুৱা জীৱন | ... | ৩৭ |
| বংশ পৰিচয় | ... | ৪১ |
| জন্ম আৰু শৈশব | ... | ৪২ |
| স্কুলীয়া জীৱন | ... | ৪৯ |
| কলেজৰ ছাত্ৰ ৰবদলৈ | ... | ৫১ |
| বিবাহ আৰু শিক্ষা জীৱন | ... | ৫৬ |

নৰিয়া পাটিত বৰদলৈ ... ৫৮
বৰপেটাৰ ভূমিকম্প ... ৬৩
বিবাহিত জীৱন ... ৬৯
কৰ্ম্ম জীৱনৰ পাতনি ... ৭৫
পিতৃদত্ত আশীৰ্ব্বাদী মালা ... ৮৪
কলিকতাত নবছৰ ... ৮৭
জীৱনৰ এৰি অহা বাটত ... ৯২

## তৃতীয় অধ্যায়

অসম এচোছিয়েশ্যনত বৰদলৈ ... ১০৩
অসমৰ ওপৰত বৃটিছৰ কূট কৌশল ... ১১৪
ছাউথবৰা কমিটিৰ আগত সাক্ষ্যদান ...
জাতি আৰু প্ৰদেশ ... ১১৭
বিলাতত বৰদলৈ ... ১১৮
আজিৰ অসম ... ১২৯
অমৃতসৰ কংগ্ৰেছত (গান্ধীযুগ) ... ১৩১
কলিকতা কংগ্ৰেছৰ বিশেষ অধিবেশনত ... ১৩৪
নাগপুৰ কংগ্ৰেছ আৰু অসহযোগ আন্দোলন ... ১৩৬
প্ৰথম কাৰাবাসত ... ১৩৯
কাৰামুক্তি ... ১৪৪
অসমলৈ কংগ্ৰেছ মহাসভা নিমন্ত্ৰণ ... ১৪৮
অসম কাউন্সিলত স্বৰাজ্য দলপতি বৰদলৈ ... ১৫৩
বাইচ চনৰ ৰেইলওয়ে ধৰ্ম্মঘট ... ১৫৮
ভাৰতীয় ব্যৱস্থা পৰিষদত বৰদলৈ ... ১৬৬

## চতুৰ্থ অধ্যায়


| | | |
|---|---|---|
| ছাত্ৰ সম্মিলনত | ... | ১৭৮ |
| মহাত্মাজীৰ অনশন উপলক্ষে বক্তৃতা | ... | ১৮৪ |
| কংগ্ৰেছৰ সোণালী জয়ন্তী | ... | ১৮৫ |
| সোণালী জয়ন্তী উপলক্ষে গোৱাল পাৰাত বক্তৃতা | ... | ১৮৬ |
| অসমীয়া কবি সাহিত্যিক বৰদলৈ | ... | ১৯১ |
| নবীন অসমলৈ নবীনচন্দ্ৰৰ বাণী | ... | ১৯৮ |
| বৰদলৈদেৱৰ ব্যক্তিত্ব | ... | ২০৩ |
| বৰদলৈদেৱৰ চৰিত্ৰ আলোচনা | ... | ২১০ |


## পঞ্চম আৰু শেষ অধ্যায়


| | | |
|---|---|---|
| বিবিধ জনহিতকৰ কামত বৰদলৈ | ... | ২২৫ |
| বৰদলৈদেৱৰ মটৰ দুৰ্ঘটনা | ... | ২৩৭ |
| শেষ শয্যাৰ স্মৃতি | ... | ২৩৯ |
| অভূত পূৰ্ব্ব শৱযাত্ৰা | ... | ২৫১ |
| চিঠি টেলিগ্ৰাম শোকসভা | ... | ২৫৫ |
| পৰিশিষ্ট | ... | ২৬৬ |

"জীৱণ জ্যোতিয়ে যাৰ পোহৰালে পৰপাৰ

জনমেৰে মৰণক জয় কৰি গ'ল

যি জনাৰ আত্মদান—মাথোঁ এটি সামগান

প্ৰতিধ্বনী কৰি কৰি প্ৰাণে প্ৰাণে ৰ'ল।"

"গনেশ গগৈ"

যি দেশক পৃথিবীৰ পুৱাৰ প্ৰথম অৰুণ অৰ্ঘ্যৰে উদ্ভাষিত কৰি তোলে প্ৰকৃতি ৰাণীয়ে, যি দেশ এদিন সাহিত্য-ভাস্কৰ্য্য, জাতীয়তা বীৰত্বত আৰু শিল্পকলাত আছিল ভাৰতৰ মুকুট মণি। যি ঠাইক সুউচ্চ গিৰী মালাৰে সুবেষ্টিত কৰি জগতৰ কলুষ পৰশৰ পৰা আঁতৰাই ৰাখিছে; মঠ মন্দিৰৰ আকাশ চোৱা সোনৰ কলচিয়ে যত আজিও অতীত স্বাধীনতাৰ মূৰ্ত্ত সাক্ষী স্বৰূপে জগতৰ আগত ওখ শিৰ তুলি মহিমা ঘোষণা কৰি আছে, বুকুৰ মাজেৰে বিশাল ব্ৰহ্মপুত্ৰ নদ বৈ গৈ দুপাৰৰ পৰ্ব্বতৰ পাদ-পীঠ আজিও পখালি আছে, পৰ্ব্বতৰ কন্দৰে কন্দৰে আশ্ৰমৰ পৱিত্ৰ ৱেদীৰ পৰা য'ত এদিন উঠিছিল ঋষি কণ্ঠৰ "ওঁংকাৰ" ধ্বনিৰে হোম শিখা— যি দেশত লাছিত চিলাৰায়ৰ বীৰত্বৰ অক্ষয় কীৰ্ত্তি ৰাশি 'শৰাই ঘাট' "মোমাই কটা গড়ে" আজিও অভীত কীৰ্ত্তি ঘোষণা কৰি আছে, সেই চিৰ পবিত্ৰ ভূমি প্ৰাগজ্যোতিষৰ লৌহিত্যৰ উত্তৰ তীৰত, পৰাধিনতাৰ গ্লানিত অৱসাদিত অচেতন অসমৰ নিদ্ৰিত যুগ ১৭৯৭ শকৰ ভাতৃদ্বীতিয়াৰ শুভ তিথিত জনমিছিল অসমৰ জাগৰণৰ প্ৰথম পূজাৰী অসমৰ "নবীন"।



কৰ্ম্মবীৰ ৺নবীনচন্দ্ৰ বৰদলৈ

# স্মৃতি তীর্থ

## প্ৰথম অধ্যায়

### "তৰ্পণ"

আজি বিষাদ সাগৰৰ পাৰত বহি অতীতৰ পাত বোৰ এটি এটি কৈ লুটিয়াই গৈছো, কত কথা মনত পৰিছে, —মনত পৰিছে এটি আনন্দময় স্মৃতি, এটি উৎসৱ পটৰ দৃশ্য, এটি বীৰত্ব ব্যঞ্জক ৰূপ, এখনি পৱিত্ৰ তেজোদীপ্ত মুখৰ কেই আষাৰ মান কথা।

তেতিয়া পুৱাৰ বেলিয়ে গোটেই পৃথিবী খনিক সোনোৱালী সাজ পিন্ধাইছে, গছে পাতে সুৰুযৰ সোনালী ৰঙৰ জেউতি চৰিছে, গৰম দিনৰ পুৱাৰ ফিৰ্ ফিৰিয়া বতাহে মনত এটি উৎসাহৰ ভাৱ আনি দিছে। বাহিৰ চোতালত সহস্ৰ কণ্ঠৰ জয় ধ্বনিয়ে ঘৰ খন কপাই তুলিলে। গোটেই খন খলকি গল; "মহাত্মা গান্ধী কি জয়" "ভাৰত মাতা কি জয়"। লৰালৰি কৈ বাহিৰলৈ ওলাই গৈ দেখোঁ, মুৰত গান্ধী টুপী পিন্ধা প্ৰায় পাঁচশ স্বেচ্ছাসেৱক শাৰী শাৰী কৈ, হাতত তিনি বৰনীয়া পতাকা লৈ, আমাৰ ঘৰৰ আগফালৰ পথাৰ খনত দুশাৰী হৈ ঠিয় হৈছে। মাজত কোন সি জন? যাৰ জলদ গম্ভীৰ কণ্ঠই পুৱাৰ আকাশ প্ৰতিধ্বনিত কৰি সহস্ৰ হিয়াত মুক্তি

মন্ত্র জগাই তুলিছে ; সেই তেজোদ্দীপ্ত বাণী আজিও হৃদয়ত ধ্বনিত হৈ আছে।

“মোৰ চেনেহী জননী জনম ভূমিৰ সেৱক সকল! তোমালোকে আজি কিয় সমবেত হৈছাহি জানানে? আমাৰ আইৰ পূজাৰ কাৰণে। হে পূত প্ৰাণ পূজাৰী সকল! তোমালোকে আজি ইয়াত সমবেত হৈছাহি ঘৰৰ সকলো সুখ বিলাসৰ পৰিবেষ্টন ত্যাগ কৰি জননীৰ মুক্তিৰ হকে সহস্ৰ দুখ, শত নিৰ্য্যাতন, অপমান, অনশন, কাৰাবাস, আনকি দৰকাৰ হলে প্ৰাণ পৰ্য্যন্ত বিসৰ্জ্জন দিবলৈ সাজু হৈছাহঁক। আমাৰ মুক্তি-মন্ত্ৰ ত্যাগ, আমি এই ত্যাগৰ বাটেৰেই আমাৰ জননীৰ মুক্তি অভিযানলৈ আগ বাঢ়িব লাগিব।

আমাৰ মুক্তি-গুৰু মহামানৱ মহাত্মা আহিছে অসম পৰিদৰ্শন কৰিবলৈ, অসমীয়া অহিংস ব্ৰতত পূৰ্ণ ব্ৰতী হৈছেনে নাই সেইটো আমাৰ জীৱনৰ মহান্ বীৰ ব্ৰতেৰে পৰিচয় দিয়াৰ সময় আহিছে। আমি আজি অসমীয়া জাতিয়ে দেখুৱাব লাগিব, আমি ভাৰতৰ মাজত পিচ পৰা দেশ নহয়, চিৰ স্বাধীন অসমৰ সন্তানৰ ধমনিত এতিয়াও বীৰৰ ৰক্ত প্ৰৱাহমান।

অসমীয়া ৰনুৱাই এদিন হাঁহি হাঁহি যুজত জাপ দিছিল, আজি আকৌ অসমীয়া জাতিয়ে দেশৰ মুক্তি যুজত দুখ নিৰ্য্যাতন বন্দুকৰ গুলী, বুকুপাতি লবলৈ সাজু হ’ব লাগিব। এই ত্যাগৰ পথেই আমাৰ দেশৰ মুক্তিপথ, অস্ত্ৰ আমাৰ অহিংসা, ধৈৰ্য্য আৰু সহিষ্ণুতা আমাৰ বীৰত্ব, প্ৰেম আমাৰ পাশুপাত

অস্ত্ৰ, সহায় আমাৰ নাৰায়ণ। আমি এই প্ৰেমৰ পাশুপাত অস্ত্ৰেৰেই, আমাৰ শত্ৰুৰ হৃদয় দুৰ্গ জয় কৰিব লাগিব।

আমাৰ ভাৰতবৰ্ষত—স্বাধীনতাৰ মন্দিৰ স্থাপন কৰিবলৈ, গৈ মাটিৰ তলত মানুহৰ চকুৰ আঁৰত লুকাই থকা মন্দিৰৰ প্ৰথম শিলৰ গাঁথনিৰ দৰে আজি আমি আমাৰ জীৱন উছৰ্গা কৰিযাম। আমাৰ জীৱনক ভিত্তি কৰিয়েই ভবিষ্যতৰ ভাৰতবৰ্ষত স্বাধীনতাৰ সোনৰ মন্দিৰ গঢ়ি উঠিব। আমি যদি আজি মাতৃ পুজাৰ প্ৰথম বলিৰূপে প্ৰাণ দান কৰোঁ, এই জীৱনদান বিফল নহয়! দেশ জননীৰ মুক্তি যজ্ঞত, জীৱনৰ সুখ শান্তি বিশ্ৰাম সকলো বলিদান কৰি—মাতৃপুজাৰ প্ৰসাদ স্বৰূপে নিৰ্য্যাতন দাৰিদ্ৰ্য, কাৰাবাস, আদি বৰণ কৰিবলৈ আমি প্ৰস্তুত থাকিব লাগিব। আমাৰ প্ৰতিজ্ঞা হব, দেশৰ মুক্তি! দেশৰ-মুক্তি নোহাৱালৈকে আমাৰ বিশ্ৰাম নাই।

"মন্ত্ৰং বা সাধয়েৎ শৰীৰং বা পাতয়েৎ" সন্তানৰ প্ৰায়শ্চিত্ত নহলে জননীৰ মুক্তি অসম্ভৱ"। আকৌ সহস্ৰ কণ্ঠৰ জয়ধ্বনি! পতাকাৰ তলত নত শিৰে—প্ৰস্তুত সহস্ৰ সুকুমাৰ সেৱক দল! কি মনোৰম দৃশ্য, তাৰ পিচত সেই বীৰমূৰ্ত্তিক সেনাপতিৰ দৰে আগত লৈ—সহস্ৰ সেৱক দলে হাতত পতাকালৈ গোটেই নগৰ পৰিভ্ৰমণ কৰিলে॥

## জাতীয় জাগৰণত অসম

১৯২০ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশনত মহাত্মা গান্ধীৰ অসহযোগ প্ৰস্তাৱ গৃহীত হয়। এই প্ৰস্তাৱ ভাৰতৰ সকলো-প্ৰদেশে গ্ৰহণ কৰে। কলিকতা কংগ্ৰেছলৈ অসমৰ প্ৰতিনিধি স্বৰূপে (পিতৃ) স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈ আৰু অসমৰ সুপুত্ৰ স্বৰ্গীয় চন্দ্ৰনাথ শৰ্ম্মা গৈছিল। শৰ্ম্মা ডাঙৰীয়াই আগৰনুৱা হৈ উৎসাহেৰে অসহযোগ প্ৰস্তাৱ গ্ৰহণ কৰি অসমলৈ উলটি আহি ওকালতি বৰ্জ্জন কৰিলে।

৺বৰদলৈ দেৱে তেতিয়াও অসহযোগ আন্দোলনত যোগ দিয়াৰ সপক্ষে নাছিল। শৰ্ম্মা ডাঙৰীয়াৰ উদগনিত বৰদলৈ দেৱেও যোগ দিয়ে।

"নাগপুৰ কংগ্ৰেছত" বৰদলৈদেৱে পূৰ্ণ ভাবে সহযোগ কৰে আৰু তেখেতৰ চেষ্টাতেই "অসম প্ৰদশ" কংগ্ৰেছৰ তালিকা ভুক্ত হয়; আৰু অসমক এখন সুকীয়া কংগ্ৰেছ প্ৰদেশ হিচাবে স্বীকাৰ কৰা হয়। ইয়াৰ আগতে অসম প্ৰদেশ খন বঙ্গদেশৰ শাসনৰ তালিকা ভুক্ত হিচাবে আছিল।

এই সময়তে যোৰহাটত বহা "অসম এচোছিয়েশ্যনৰ" অধিবেশনত অসমেও অসহযোগ প্ৰস্তাব গ্ৰহণ কৰে। অসমৰ স্বাধীনতাৰ আন্দোলনত প্ৰথমে ৺চন্দ্ৰনাথ শৰ্ম্মাই আৰু বৰদলৈদেৱে আত্মনিয়োগ কৰি—আন্দোলন ব্যাপকভাবে পৰিচালনা কৰিবলৈ ধৰে। শৰ্ম্মা ডাঙৰীয়াৰ অতিৰিক্ত

পৰিশ্ৰমত তেখেতৰ দুৰ্ব্বল শৰীৰ ভাঙি পৰে আৰু অকালতে দেশৰ অক্লান্ত কৰ্ম্মী শৰ্ম্মা ডাঙৰীয়াৰ জীৱন লীলা শেষ হয়।

"নাগপুৰ কংগ্ৰেছৰ" পৰা বৰদৈলদেৱ অসমলৈ উলটি আহি—যোৰহাটত বহা অসম এচোছিয়েশ্যনত যোগ দিয়ে।

গুৱাহাটীত বহা ছাত্ৰ সম্মিলন বৰদলৈদেৱে আইন ব্যৱসায় বৰ্জ্জন কৰিম বুলি প্ৰতিশ্ৰুতি দিয়ে, আৰু তেখেতৰ বহুল আয়যুক্ত আইন ব্যৱসায় স্থগিত কৰে। লগতে ছাত্ৰ সকলক স্কুল কলেজ এৰি দেশৰ কামত আত্মনিয়োগ কৰি আন্দোলন সফল কৰি তুলিবলৈ অনুৰোধ কৰে।

কলিকাতাত পঢ়ি থকা তেখেতৰ বৰ লৰা উমেশচন্দ্ৰ বৰদলৈক কলেজ এৰি অসহযোগ আন্দোলনত যোগ দিবলৈ মাতি পঠিয়াই।

দেউতাকৰ চিঠি পাই কলেজ এৰি আহি তেওঁ দেশ সেৱাত যোগ দিয়েহি। সৰু লৰা অপূৰ্ব্ব বৰদলৈয়ে আৰু ভাগিন কনকে স্কুল এৰি আহি আন্দোলনত যোগ দিয়ে।

কলিকত্তাত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনত অসহযোগ প্ৰস্তাব গ্ৰহণ কৰাত, ভাৰতৰ প্ৰত্যেক প্ৰদেশত এটি জাতীয় জাগৰণে দেখা দিয়ে। অৱসাদ গ্ৰস্থ ভাৰতবাসীয়ে যেন নৱ যুগৰ সন্ধানী পোহৰ দেখা পাই, দুগুণ উচাহে উৎসাহিত হৈ উঠিল। চাওঁতে চাওঁতে অসহযোগৰ ধুমুহা গোটেই ভাৰতবৰ্ষ বিয়পিবলৈ ধৰিলে।

ডিচেম্বৰ মাহৰ নাগপুৰ কংগ্ৰেছত—অমৃতসৰৰ “জালিৱান-ওৱালা” বাগৰ হত্যাকাণ্ডৰ প্ৰতিবাদ স্বৰূপে—মহাত্মা গান্ধীয়ে স্বেচ্ছাচাৰী বৃটিশ গৱৰ্ণমেণ্টৰ লগত অসহযোগৰ প্ৰস্তাৱ কৰে। আৰু কংগ্ৰেছেও পৰিপূৰ্ণ ভাবে অসহযোগ প্ৰস্তাৱ গ্ৰহণ কৰে। তেতিয়াৰে পৰা আগৰ কংগ্ৰেছ মহা সভাৰ ৰূপ সলনি হয়; আৰু কংগ্ৰেছ মহাসভা সাম্ৰাজ্য শক্তিৰ বিৰুদ্ধ বাদী স্বৰূপে সম্পুৰ্ণ জাতীয় অনুষ্ঠানত পৰিণত হয়।

ইয়াতেই আগৰ পুৰণি কংগ্ৰেছৰ নিয়মাৱলী সলনি কৰাৰ প্ৰয়োজন ঘটে। মহাত্মা গান্ধীয়ে কংগ্ৰেছৰ নতুন নিয়মাৱলী প্ৰস্তুত কৰিবলৈ—কংগ্ৰেছৰ সম্পাদক ৰঙ্গস্বামী আয়েঙ্গাৰ আৰু অসমৰ নবীনচন্দ্ৰ বৰদলৈৰ ওপৰত ভাৰ দিয়ে।

অসমীয়াৰ মহাসৌভাগ্য, যে চিৰদিন অৱহেলিত দুখুনী অসম আইৰ এজন সন্তানে—সৰ্ব্বভাৰতীয় কংগ্ৰেছ মহাসভাৰ এটি গধুৰ দায়ীত্বৰ ভাগ পালে। ইয়াৰ আগলৈকে ভাৰত মহাসভাত অসমীয়াৰ ঠাই নাছিল, জগৎ সভাত অসমীয়াৰ মাত নাছিল সুসভ্য ভাৰতবৰ্ষৰ পুব প্ৰান্তত যে এটি বুৰঞ্জীবিখ্যাত জাতীয়ে বাস কৰে—অসমীয়া যে শিক্ষা, সভ্যতাত সভ্য জগতত ঠাই পোৱা উপযুক্ত, এই ধাৰণা ভাৰত বাসীৰ অজ্ঞাত আছিল।

ভাৰতৰ সুসভ্য সমাজৰ ধাৰণা আছিল অসম এখন পাহাড়ী জঙ্ঘলী বৰ্ব্বৰৰ দেশ। স্বাধীনতা হেৰুৱালেও অসমীয়া জাতিৰ পুৰণি কৃষ্টি পুৰণি সভ্যতা, পুৰনি প্ৰাগ্‌জ্যোতিষৰ বিত্তাৰ গৌৰৱৰ মাজত আজিও লুকাই আছে। আহোম ৰাজত্বৰ বীৰত্বৰ কীৰ্ত্তি

কাহিনী অজ্ঞাতসাৰে কালৰ গৰ্ভত ধীৰে ধীৰে লীন হৈ গৈছিল। অসমৰ সৌভাগ্যক্ৰমে—এই সন্ধিক্ষণত অসমদেশ জাতীয় মহাসভা কংগ্ৰেছৰ তালিকাত স্বকীয়া কংগ্ৰেছ প্ৰদেশ ৰূপে ভুক্ত হল। এই জাতীয় জাগৰণত অসমেও ভাৰতৰ লগত মুক্তি যুজত সমানে খোজ মিলাই, স্বাধীনতাৰ বাটত আগবাঢ়ি যাবলৈ প্ৰস্তুত হল। মুক্তি যুজত অসমেও অসহযোগ প্ৰস্তাব গ্ৰহণ কৰিলে। নবীনচন্দ্ৰ বৰদলৈ দেৱৰ উদ্যোগতে অসম প্ৰাদেশিক কংগ্ৰেছ অনুষ্ঠান প্ৰতিষ্ঠিত হয়; আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ নিৰ্দ্দেশত এই প্ৰাদেশিক কংগ্ৰেছ অনুষ্ঠানৰ নেতৃত্বত অসমে ভাৰতৰ স্বাধীনতা আন্দোলন প্ৰবৰ্ত্তন কৰে।

## অসহযোগ আন্দোলন

১৯২১ চনৰ জাতীয় জাগৰণ, অসমৰ এটি গৌৰৱময় অধ্যায়, এটি বৰ্ণনাতীত কাহিনী, এবছৰৰ ভিতৰত অসম কি দৰে জাগি উঠিল, কি পৰিপূৰ্ণ চেতনা লৈ মুক্তিপথত আগ বাঢ়িল ভাবিলে বিস্ময় মানিব লাগে।

১৯২০ চনৰ পৰা বৰদলৈদেৱে অসমত অসহযোগ আন্দোলনৰ সম্পূৰ্ণ নেতৃত্বৰ ভাৰ ললে। বৰদলৈ দেৱৰ প্ৰাণস্পৰ্শী আহ্বানে—আৱেগময় বক্তৃতাই দেশৰ ৰাজহাড় লৰাই দিলে। দেশৰ জাতীয় উদ্দিপনা জাগি উঠিল। দেশে এটি

অভিনৱ বাতৰি শুনিলে—আগত স্বাধীনতা ! শিকিলে অহিংস যুদ্ধৰ বিস্ময়কৰ প্ৰণালী !

বৰদলৈদেৱে নিজৰ বহুল আয়যুক্ত আইন ব্যবসায় এৰি দৰিদ্ৰ্য বৰণ কৰি লৈ—জন্মভূমি অসমক ত্যাগমন্ত্ৰত দীক্ষিত কৰিবলৈ দেহে কেহে লাগি গল। নিজে আইন ব্যবসায়, বিলাতি বৰ্জ্জন আৰু ধুমপান এৰি-দেশবাসীকো মহৎ ত্যাগৰ পথেৰে দেশ সেৱাৰ ভাগ লবলৈ আহ্বান জনালে।

বৰদলৈদেৱৰ আহ্বানত অসমৰ জনাজাত উকিল সকলে নিজৰ জীৱিকা আইন ব্যবসায় এৰি—দলে দলে অসহযোগ আন্দোলনত ব্ৰতী হবলৈ ধৰিলে। নিচেই অলপদিনৰ ভিতৰতে গোটেই অসম ব্যাপী তুমুল আন্দোলনৰ সৃষ্টি হল। ১৯২১ চনত বৰদলৈদেৱৰ অনুৰোধত দেশভক্ত "তৰুণ ৰাম ফুকন" ডাঙৰীয়াইও তেখেতৰ আইন ব্যবসায় এৰি অসহযোগত ব্ৰতী হলহি। তেতিয়াৰে প্ৰা দুয়োজন নেতাৰ অপূৰ্ব্ব উদ্দিপনা পূৰ্ণ আহ্বানত প্ৰচাৰ কাৰ্য্য অসম্ভব ৰূপে বাঢ়ি উঠিল।

## ছাত্ৰসকলৰ স্কুল কলেজ বৰ্জ্জন

১৯২১ চনৰ জানুৱাৰী মাহত গোটেই ভাৰতজুৰি ছাত্ৰ সমাজৰ মাজত স্কুল-কলেজ বৰ্জ্জনৰ এটি ঢল আহিল। এই ঢল আহি অসমতো বিয়পি পৰিল। ৺চন্দ্ৰনাথ শৰ্ম্মা দেৱে প্ৰত্যেক নগৰলৈ গৈ—ছাত্ৰসকলক স্কুল-কলেজ এৰি দেশ মাতৃৰ

সেৱা কৰিবলৈ আহ্বান জনালে। সেই সময়ত—অসমীয়া নেতা সকল এই ঢলৰ বাবে সাজু নাছিল। তেওঁলোকৰ কোনো কোনোৱে ছাত্র সকলে স্কুল-কলেজ এৰাৰ বিৰোধিতা কৰিছিল।"

"এবছৰৰ ভিতৰত স্বৰাজ হ'ব"—এই বিশ্বাস কৰি ৺লক্ষ্মীধৰ শৰ্ম্মাই এবছৰৰ কাৰণে ছাত্র সকলক স্কুল-কলেজ এৰিবলৈ অনুৰোধ কৰিছিল—"

প্রথমতে নেতা সকলে ছাত্র সকলৰ স্কুল কলেজ এৰাৰ বিৰোধিতা কৰিছিল যদিও, শেষত ভাৰতজুৰি ছাত্র সকলৰ স্কুল-কলেজ বৰ্জ্জননীতি মানিবলৈ বাধ্য হ'ল। আৰু তেখেত সকলেই ছাত্র সকলক স্কুল কলেজ এৰি এবছৰৰ কাৰণে দেশ সেৱাৰ ভাগ লবলৈ আহ্বান জনালে। কাৰণ মহাত্মা গান্ধীয়ে কৈছিল—যে "উকীল সকলে ওকালতি, চাকৰীয়াল সকলৈ চাকৰী, আৰু ছাত্র সকলে স্কুল কলেজ এৰি আন্দোলন চলালে এবছৰৰ ভিতৰত স্বৰাজ আহিব।"

সেই সময়ত সৰ্ব্বসাধাৰণৰ মনত এই বিশ্বাস দৃঢ় হৈ পৰিছিল। অসমৰ ছাত্র সকলেও দলে দলে স্কুল কলেজ বৰ্জ্জন কৰি আন্দোলনত যোগ দিবলৈ ধৰিলে, আৰু এটা সুগঠিত নিয়মানুৱৰ্ত্তী স্বেচ্ছাসেৱক দলৰ সৃষ্টি কৰিলে। জাতীয় যুজৰ সেনাৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। সাময়িক ভাবে অসমত হিন্দু মুছলমানৰ সমবেত কৰ্ম্মীৰ অভাব একেবাৰে নাইকিয়া হ'ল। জাতিৰ আশা ভৰসাৰ থল, মাকবাপেকৰ আলাসৰ লাড়ু, সুকুমাৰ বয়সৰ ছাত্র সকলে—দেশৰ আহ্বানত বাপেক মাকৰ অবাধ্য

হৈয়ো ঘৰৰ লগত বহুতেই সম্বন্ধ চিঙি দেশৰ সেৱা কৰিবলৈ আগ বাঢ়ি আহিল।

অনাহাৰে, অনিদ্ৰাৰে, এডুখৰি দগধা খদ্দৰ পিন্ধি আৰু এডুখৰি গাত লৈ—বোকা পানী হাবি বন শুদা ভৰিৰে খোজ-কাঢ়ি মহাত্মাৰ মুক্তিবানী প্ৰচাৰ কৰিবলৈ ধৰিলে। ছাত্ৰ সকলে সৰহ ভাগেই ঘৰ এৰি. কংগ্ৰেছৰ কেম্প্ বিলাকত আশ্ৰয় লব লগা হৈছিল, কাৰণ সেই সময়ত—দেশৰ এভাগ মানুহৰ মনত নতুন মুক্তিৰ আন্দোলনত যোগ দিয়াটো এটি অপৰাধ জনক কাম বুলি ধাৰণা আছিল—আৰু অবিশ্বাসৰ ভাব আছিল। কাৰণ গবৰ্ণমেণ্টৰ বিৰুদ্ধাচৰণ কৰি স্বাধীনতা পাব পাৰি এই কথা মানুহৰ মনত ঠাই নাপাইছিল।

## নাৰীজাগৰণ

ভদ্ৰ সমাজৰ চাৰি তৰপীয়া পৰ্দ্দাৰ আঁৰত মনুষ্যত্ব আৰু চেতনা শক্তি বিলুপ্ত হৈ যোৱা—অন্তঃপুৰৰ মহিলা সকলৰো আত্মচৈতন্য জাগি উঠিল। দেশৰ মুক্তিব্ৰতৰ অসীম স্পৃহা লৈ পুৰুষৰ সহ কৰ্ম্মিনী ৰূপে মূৰৰ দীঘল ওৰনী পেলাই নাৰী সকলেও জাতীয় আন্দোলনৰ কৰ্ম্মক্ষেত্ৰত ঠিয় দিলেহি। মহাত্মাৰ মুক্তি বানীয়ে এন্ধাৰ কোঠালী পোহৰাই সৰগীয় পোহৰে অন্তঃপুৰৰ বন্ধ দুৱাৰ মোকলাই দি চিৰ অৱৰুদ্ধা মহিলা সকলক মুক্তিৰ বাট দেখুৱালে।

ইয়াৰ আগতে ঘৃণনীয় অৱৰোধ প্ৰথাই অসমৰ নাৰী সমাজক পঙ্গু কৰি ৰাখিছিল। তেতিয়া ভদ্ৰ মহিলা সকলে ঘৰৰ আগ চোতাললৈ ওলাব নোৱাৰিছিল। বাহিৰলৈ ফুৰিবলৈ যাব লগা হ'লে দুটা "বৰজাপীৰ" আঁৰত একাঠি ওৰনী লৈহে যাব পাৰিছিল। ঘোৰাগাড়ীত গলে দুৱাৰ খিলিকী বন্ধ কৰি যাব লাগে। বিয়াত পানী তুলিবলৈ যাওঁতে "চৌধুলীৰ" ভিতৰত জাকমহিলা সোমায় পানী তুলিবলৈ যোৱা হয়। এই "চৌধুলী" বস্তুটো এখন ছাল নোহাৱা আঠুৱা— আঠুৱাত কৈ ভালে মান ডাঙৰ; চাৰিও পিনে বাঁহ বান্ধি দিয়া হয়, সেই খন মানুহে কান্ধত লৈ যায়। আৰু, তাৰ ভিতৰত সোমায় মহিলা সকলে নাম গাই গাই পানী তুলিবলৈ যায়।

কেতিয়াবা যাত্ৰা থিয়েটাৰ চাবলৈ হলে—ঘন বাঁহৰ চিকৰ পৰ্দ্দাৰ আঁৰত মহিলা সকলৰ কাৰণে বেলেগ ব্যৱস্থা কৰা হয়। চিকৰ আঁৰৰ পৰা মহিলা সকলে, ৰং ধেমালিৰ আনন্দ উপভোগ কৰে। এনে ধৰণৰ ভাৰতীয় পৰ্দ্দা প্ৰথাৰ বিৰুদ্ধে মহাত্মা গান্ধীৰ মুক্তি চেষ্টাই অসমৰ মহিলা সমাজক গৃহকাৰাৰ পৰা বাহিৰৰ মুকলি আকাশৰ পোহৰ দি মুক্তি দিলে।

সেই দিনাৰে পৰা অসমৰ নাৰী সমাজে পালে উদাৰ আকাশৰ মুকলি বতাহ—দেৱাশিষ স্বৰূপ মুক্তিৰ আশীৰ্ব্বাদ, আৰু দেশৰ মুক্তি চিন্তাৰ পৱিত্ৰ মন্ত্ৰত দীক্ষা। আকাশ কপাই ধ্বনিত হ'ল—নাৰী পুৰুষৰ সমবেত কণ্ঠৰ আৱেগময় পৱিত্ৰ মাতৃ বন্দনা—"বন্দেমাতৰম্" জয় ভাৰত মাতাকী জয়। মহাত্মা গান্ধী

কী জয়! অৱনত ভাৰতৰ পিচপৰা অসমৰ বুকত জাগৰণৰ প্ৰথম পুৱাৰ অৰুণ অৰ্ঘ্য—প্ৰথম মিলিত মাতৃ বন্দনা নিবেদিত হ'ল দেশ মাতৃৰ চৰণত। অতীতৰ সেই সৰগীয় স্মৃতি, সেই মনোৰম দৃশ্য, অসমৰ মুক্তিৰ সপোন—জাতীয় জীৱণৰ প্ৰথম পুৱাৰ মুক্তি উষাৰ সোনালী কিৰণ বিলাই অসমৰ নাৰী জীৱণ সাৰ্থক কৰি তুলিলে॥

## প্ৰথম কংগ্ৰেছ অফিচ

অসমৰ প্ৰথম কংগ্ৰেছ অফিচ স্থাপন হয়, গুৱাহটী নগৰত বৰদলৈদেৱৰ ঘৰৰ হাউলীৰ ভিতৰত নিজৰ চ'ৰা ঘৰটোতে। ওকালতিৰ পুথি পাজি সামৰি—ৰীতি মতে অফিচ বহিবলৈ ধৰিলে। বৰদলৈদেৱ আছিল অসম কংগ্ৰেছ কমিটীৰ প্ৰধান সম্পাদক। সভাপতি আছিল ফুকন ডাঙৰীয়া।

বৰদলৈ দেৱৰ সুদক্ষ পৰিচালনাত—অসমৰ প্ৰত্যেক জিলাতে কংগ্ৰেছ অফিচ স্থাপিত হ'ল। তেতিয়া আকৌ এটি সমস্যাই দেখা দিলে অৰ্থৰ প্ৰয়োজনীয়তা। অত বিলাক স্বেচ্ছাসেৱকক আহাৰ দিব লাগে, প্ৰচাৰক সকলক বাট খৰচ দিব লাগে দেশত পুজি নাই, কৰ্ম্মীসকল নিঃসম্বল।

আৰম্ভ হ'ল ভিক্ষা! কংগ্ৰেছৰ মেম্বাৰ ভৰ্ত্তি কৰি চাৰি অনা বৰঙনী লবলৈ নিয়ম হ'ল। আৰু ঘৰে ঘৰে গান গাই গাই ভিক্ষা আৰম্ভ হ'ল কিছু মান টিঙৰ টেমা কাটি কংগ্ৰেছৰ

ভৰালৈ সাহায্যৰ কাৰণে, স্বেচ্ছাসেৱক সকলক গাঁৱে গাঁৱে ভিক্ষা মাগিবলৈ পঠিওৱা হ'ল। বিলাতি বৰ্জ্জন, স্বদেশী প্ৰচাৰ, মাদক দ্ৰব্য এৰি ঘৰে ঘৰে সূতা কাটি কাপোৰ বৈ লবলৈ উৎসাহ দিয়া আৰু আন্দোলনৰ প্ৰচাৰৰ বাবে দলে দলে সেৱক সকলক পঠিওৱা হল।

১৯২০—২১ চনৰ প্ৰচাৰ কাৰ্য্য অতি সুকঠিন আছিল; হোজা গাঁৱলীয়া মানুহক ইংৰাজ হেন ৰাম ৰাজৰ বিৰুদ্ধাচৰণ কৰিবলৈ কোৱাত—ৰাইজে প্ৰথমে বলিয়াৰ বকনি যেন হে শুনিছিল, মানুহে সেৱক সকলৰ কথা বিশ্বাস কৰিবলৈ টান পাইছিল। অজলা, গাঁৱলীয়া ৰাইজৰ মাজত প্ৰচাৰ কৰিবলৈ যাওঁতে কত সেৱকে যে মাৰ কিল গালি শপণি খাইছে তাৰ লেখ জোখ নাই।

ফুকন, বৰদলৈ আদি নেতা সকলেও বহুত ঠাইত অসহনীয় অপমান সহিব লগা হৈছিল।

মহিলা প্ৰচাৰিকা দলৰ পৰা কামৰূপ অঞ্চলত শ্ৰীযুতা স্নেহলতা দেবী বৰুৱা, শ্ৰীযুতা ধৰ্ম্মদা দেবী শ্ৰীযুতা গিৰীজা দেবী আদি কৰি মহিলা সকলে প্ৰচাৰ কাৰ্য্যত আত্ম নিয়োগ কৰিছিল। শ্ৰীযুতা বৰদলৈ ডাঙৰীয়ানীয়ে আৰু কেই গৰাকী মান মহিলাৰে সৈতে—ডিব্ৰুগড়ৰ গাঁৱত প্ৰচাৰ কৰিবলৈ যাওঁতে—ৰাইজে টাঙোন লৈ মাৰিবলৈ খেদি আহিছিল।

গান্ধীৰ ভলণ্টিয়াৰ আহিছে বুলি শুনিলেই গীৰিহঁতে প্ৰথমেই সোতা বাঢ়নী কিল টাঙোন, গালি সপনিহে যাচে। ভলণ্টিয়াৰ

দেখিলেই গাঁৱলীয়া লোকে কয় "ক'ৰ এই কিটা আহিল আকৌ, আমাৰ ৰজাক ভাঙি, গান্ধীক ৰজা পাতিবলৈ—মাৰ ইহঁতক।" এনেকুৱা ঘটনাও সেই যুগত বিৰল নাছিল।

এই দৰে বহুত সময়ত দৃঢ় মতি সেৱক সকলে, সকলে অপমান সহি, তেতিয়াৰ অবুজন অশিক্ষিত গাঁৱলীয়া ৰাইজক জগাই তুলিবলৈ প্ৰাণ পাত কৰিব লগা হৈছিল।

পুৰনি কালৰে পৰা আজিলৈকে অক্লান্ত কৰ্ম্মী ত্যাগী শ্ৰীযুত ভুবন চন্দ্ৰ ভূঞাই (কঁহাৰ কাই) কৈছিল—"এদিন কামৰূপৰ এখন গাঁৱত ৰৰদলৈ দেৱে লগত ভলন্টিয়াৰ কেজনমান লৈ প্ৰচাৰ কামত গৈছিল। বহুত গাওঁ ঘুৰি ঘুৰি, মিটিং কৰি আহোঁতে নিশা ভালে মান হ'ল। আলি কাষৰে দোকান এখনত সোমায় ৰাতিটোৰ বাবে আশ্ৰয় বিচাৰিলে ; ৰৰদলৈ দেৱৰ মুৰত এটা জাপি, গাত এটা খদ্দৰৰ কুৰ্ত্তা ছোলা, আঠুত পৰা খদ্দৰৰ ধুতি পিন্ধা বেশ দেখি—দোকানিয়ে বুজিলে, এই বোৰ গান্ধীৰ ভলন্টিয়াৰ "ইহঁত ভাল কামলৈ নাহে," দোকানিয়ে হাত দাঙি খেদি আহিল! কলে; "ওলা! ওলা! মোৰ দোকানৰ পৰা, মোৰ দোকানত ঠাই নাপাব।" কি কৰিব উপায় নাই, ৰৰদলৈ দেৱে বহুত কাকুতি মিনতি কৰি পিৰালীতে পৰি থাকিবলৈ বিচাৰিলে। ভাবিলে পিৰালীতে বুকলি খেৰ অলপ মান আছে,—তাতে পৰি থাকিব, দোকানিক ক'লত, দোকানীয়ে চকু পকাই ধৰিলে। "থাক থাক্ পিৰালীতে পৰি, মোৰ খেৰত হলে হাত নিদিবি।"

কি কৰিব উপায় নাই ; ভৰিৰ বিষ উঠিছে, আন ঠাইলৈ যাবলৈও উপায় নাই ; ৰাতিটো কোনোমতে মাটিতে পৰি থাকিল। ৰাতি পুৱা কেইমাইল মান আঁতৰত মৌজদাৰৰ ঘৰলৈ গৈ খোৱা বোৱা কৰি ঘৰমুৱা হ'ল।

পিচত দোকানীজনে সেই ৰাতিৰ আলহীজন বৰদলৈদেৱ বুলি জানিব পাৰি, ভৰিত পৰি কান্দি কাটি ক্ষমা প্ৰাৰ্থনা খুজিছিল। আৰু শেষত তেওঁ এজন দেশৰ কৰ্ম্মী হৈ পৰিছিল"

এনে ধৰণৰ বহুত ঘটনা ভুক্তভোগী সকলৰ মনত আছে। পৰাধীনতাৰ ৰাগীত চেতন হেৰোৱা অবুজন জনসমাজক জগাই তোলাৰ প্ৰচাৰ কাৰ্য্য, আজিৰ দিনৰ লগত আকাশ পাতাল প্ৰভেদ আছিল।

নানা বাধা বিঘিনী ইতিকিং আৰু বৃটিছ বিষয়া সকলৰ শত্ৰুতাৰ মাজেৰে অতি সাৱধানে এই আন্দোলন গঢ়ি তুলিব লগা হৈছিল। দৃঢ়মতি নেতাৰ আদৰ্শত সেৱক সকলেও অচল অটল ভাবেৰে শান্ত সহিষ্ণুতাৰে নিস্বাৰ্থ ভাবে সেৱাৰ মাজেৰে, অবুজন ৰাইজক বুজাই প্ৰকৃত তথ্যৰ সন্ধান দিবলৈ কৃতকাৰ্য্য হৈছিল। সেই দিনৰ প্ৰচাৰক সকলৰ শিল কাঁইটেৰে ভৰি ৰাঙলী কৰি মহাত্মাৰ মুক্তি বাণী প্ৰচাৰ কৰি ফুৰা দৃশ্য সচাঁকৈয়ে মৰ্ম্মস্পৰ্শী হৈছিল। আজি কালিৰ দৰে তেতিয়া যান বাহনৰ সুচল নথকাত, সেৱাৰ কাৰ্য্য সেৱক সকলে খোজ কাঢ়ি কাঢ়ি কৰি ফুৰিব লগা হৈছিল।

সেই দিনৰ অসীম দুখ আৰু অপৰিসীম ত্যাগস্বীকাৰ কৰি

যি সকলে কাম কৰিছিল, সেই সকলক বাহিৰে ভিতৰে দুখ দাৰিদ্ৰ্যই বেৰি ধৰিছিল। সেৱকদলৰ বহুত ছাত্ৰই চিৰ দিনৰ কাৰণে উচ্চশিক্ষাৰ বাটত হেঙাৰ তুলি দি স্বাধীনতাৰ হকে কতনো দুখ নিৰ্য্যাতনকে ভোগ নকৰিলে।

সেই দিনত খদ্দৰ সৰহ পৰিমাণে নথকাত কিছুমান ডাঠ ওৱাৰ্দ্ধা খাদ্দৰ আমদানী কৰি অনা হৈছিল, সেৱক সকলে ব্ৰতী হোৱাৰ লগে লগেই আগৰ কাপোৰ এৰি সেই ডাঠ খদ্দৰ পিন্ধিব লগা হৈছিল। সেৱক সকলৰ কাৰণে প্ৰায় দুশ মান গান্ধী টুপি আমি ঘৰতে চিলাই কৰি দিছিলোহঁক।

ছাতি বিলাক বিলাতি কাপোৰেৰে তৈয়াৰী—সেই বাবে কংগ্ৰেছ সেৱকসকলে মূৰত জাপি লৈ ফুৰিছিল। এদিনৰ এটি দৃশ্য মনত পৰে। বৰদলৈদেৱ আৰু ফুকনদেৱে, পিঠিত খাদৰৰ বোজা লৈ ফাঁচীবজাৰত কাপোৰ বেচি ফুৰিছিল। মানুহক বিলাতি নিকিনি খদ্দৰ কিনিবলৈ হাতজোৰ কৈ অনুৰোধ কৰিছিল। মাৰোৱাৰীবোৰে বাধ্য হৈ বিলাতি বেচিবলৈ এৰিব লগা হৈছিল। কোন এনে আত্মজ্ঞান নোহোৱা মানুহ আছে? বজাৰৰ মাজত দুজন সুন্দৰ থুলন্তৰ ফটিকমণি হেন ভব্যপুৰুষে, আঠুমুৰীয়া খদ্দৰ পিন্ধি পিঠিত খদ্দৰৰ বোজা লৈ বেচি ফুৰিছে, আৰু সেই খদ্দৰ নিকিনি কোণে বিলাতি কিনিব পাৰে?

বেপাৰী সকলে তলমূৰ কৰি বেপাৰ বন্ধ কৰিব লগা হল।

আৰু এদিনৰ দৃশ্য—কংগ্ৰেছৰ পুজিৰ কাৰণে সেৱক-সকলক

লৈ ঘৰে ঘৰে গান গাই গাই ভিক্ষা কৰি ফুৰা—আঠুলৈ পৰা ধুতি পিন্ধি মূৰত গান্ধী টুপী, হাতত তিনি বৰণীয়া পতাকা লৈ মাতৃ পূজাৰ সেৱাৰ আনন্দত হৰষিত মনেৰে ওলাই যোৱা সেই দেৱোপম মূৰ্ত্তি!

অসংখ্য সেৱকৰ লগত—পাঁচ বছৰীয়া পুতলীয়েও ককাকৰ লগত তাৰ শিশু জীৱনেৰে দেশসেৱাৰ ভাগ লৈছিল। সিও ককাকৰ লগত কণ্ঠ মিলাই গান গাই ভিক্ষা কৰি ফুৰিছিল।

মোৰ—অকালতে সৰি যোৱা ফুল কলি এটিৰ মধুৰ স্মৃতিৰ সৌৰভ অতীতৰ জাতীয় জাগৰণৰ গৌৰবোজ্জ্বল স্মৃতিৰ মাজতে মিহলি হৈ আছে মোৰ মানস পটত। পুতলীৰ কণ্ঠস্বৰ বৰ সুৱলা আছিল, আৰু তাৰ ভাৱ প্ৰকাশৰ ভঙ্গী আছিল নিখুত, চকুহুটিত আছিল এটি মনোমোহা তেজোব্যঞ্জক দৃষ্টি! যলৈকে যায় শিশু সেৱক পুতলীৰ কোঁচ ভৰি আহে সোন ৰূপ! সেৱক সকলে পুতলীক গেৰুৱাপাগ এটি পিন্ধাই ভিক্ষা কৰিবলৈ যাওঁতে লগত লৈ যায়। কাৰণ অকন মানি লৰাটীয়ে গান গাই ভিক্ষা কৰিলে, ভিতৰৰ মহিলা সকলে মৰমতে হাতৰ খাৰু মনি ধনবান দিয়ে।

পুতলীৰ শিশুকণ্ঠত বাজি উঠে—

—"কোন কত আছ, জনমভূমিৰ ভকত সন্তান
আজি আইৰ পূজা হব, আহ লৈ আহ কোনেকি কৰিবি দান
যাৰ আছে সোন, যাৰ আছে ৰূপ, আঁজলী ভৰাই আন
যাৰ একো নাই দিয়ক মাথোন ব্যথিত হৃদয় দান"

কোনেও তাক বিমুখ নকৰে। সৰহ কৈ ভিক্ষা পোৱাৰ আশাতে সেৱকসকলে তাক কোলাত লৈ মূৰৰ ওপৰত জাপি ধৰি ৰ'দ নলগাকৈ লৈ যায়। পাচবছৰ বয়সতে পুতলীয়ে অসমৰ কেইবাখনো জিলাতে দেশৰ হকে যথেষ্ট ধন তুলি দি তাৰ পাচবছৰীয়া জীৱনৰ দেশৰ সেৱা কৰি গ'ল—।

## তিলক স্বৰাজ ভৰাললৈ বৰঙনী

১৯২১ চনৰ মাৰ্চ্চ মাহত "বেজৱাদাত" নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ ওৱাকিং কমিটী বহে। ৩০ জুনৰ ভিতৰতে "তিলক স্বৰাজ ভৰাললৈ" গোটেই ভাৰতবৰ্ষৰ গাওঁবোৰত দহ লাখ সদস্য •ভুক্ত কৰি একোটি টকাৰ বৰঙনী তোলাৰ বাবে প্ৰস্তাব এটি গৃহীত হয়। আৰু কৰ্ম্মী সকলক এটি তালিকা দিয়ে। প্ৰাদেশিক কমিটীক, প্ৰাথমিক জিলা কমিটী সংগঠিত কৰিবলৈও আদেশ দিয়ে।

অসমৰ কংগ্ৰেছ কৰ্ম্মী সকলৰ ওপৰতো এক লাখ টকা বৰঙনী তোলা আৰু চল্লিচ হেজাৰ সদস্য ভৰ্ত্তি কৰিবলৈ ভাৰ পৰিল।

৩০ জুন তাৰিখৰ কাম শেষ কৰি, অসমৰ আগতে পতা কংগ্ৰেছ কমিটী বোৰক আকৌ নতুন ভাবে সংগঠিত কৰিলে।

এই সভাত অসমৰ সকলো জিলাৰ প্ৰতিনিধি সকলে যোগ দিছিল। বৰদলৈদেৱৰ ঘৰৰ উকিল খানাতে এই সভা বহে। তাত ফুকনদেৱক সভাপতি, বৰদলৈদেৱক সাধাৰণ

সম্পাদক বচা হৈছিল। নতুন নিয়ম মতে কংগ্ৰেছ কমিটী গঠিত হোৱাৰ পিচত, এই কমিটীৰ পৰা-নিখিল ভাৰত কংগ্ৰেছ কমিটীলৈ পাঁচজন সদস্য নিৰ্ব্বাচিত হৈছিল। বৰদলৈ, ফুকন, চন্দ্ৰ নাথ শৰ্ম্মা শ্ৰীযুক্ত কনক শৰ্ম্মা আৰু, শ্ৰীযুত কুলধৰ চলিহা। এই পাঁচ জন প্ৰতিনিধিয়ে নিখিল ভাৰত কংগ্ৰেছ কমিটীত যোগ দান কৰি মহাত্মাজীক অসমলৈ নিমন্ত্ৰণ জনাই আহে।

## অসমত খিলাফৎ

"১৯২০ চনত নিখিল ভাৰত জমিয়েত উল উলেমা ই হিন্দে কোৰাণ সম্মত ভেটিত, "তৰ্ক ই মোৱালতৰ" (অহিংস অসহযোগৰ) ফতোৱা জাৰি কৰে। সেই সময়ত নিখিল ভাৰতীয় কেন্দ্ৰীয় খিলাফৎ কমিটীৰ কন্‌ফাৰেন্সেও এই অসহযোগৰ সিদ্ধান্ত লয়"। গুৱাহাটীত সেই সময়ত মৌলবী তৈয়বউল্লা চাহাব, মৌঃ মুহিবুদ্দিন আহম্মদ, নুৰলহক, ইত্যাদি মুছলমান ডেকা সকলে প্ৰধান কৰ্ম্মীৰূপে জাতীয় জাগৰণৰ ভাগ লৈছিল।

অসমৰ প্ৰাদেশিক নিয়মতন্ত্ৰখন ৰচনা কৰিছিল—মৌঃ তৈয়বউল্লা চাহাব, শ্ৰীযুত কালিপ্ৰসাদ বৰুৱা, শ্ৰীযুত সুৰেশচন্দ্ৰ ভট্টাচাৰ্য্য, আৰু মৌঃ মুহিবুদ্দিন আহম্মদ ডাঙৰীয়া সকলে। এফালে কংগ্ৰেছ আন ফালে "খিলাফৎৰ" অসহযোগৰ প্ৰচাৰ যুটীয়া ভাবে চলোৱাৰ ফলত অসমৰ হিন্দু-মুছলিমৰ সম্মিলিত

শক্তিত অসমৰ আকাশ বতাহ স্বাধীনতাৰ ৰাগীত মতলীয়া হৈ উঠিল। এই জাগৰণৰ ফলত বৃটিছ শাসনৰ বিৰোধী ভাব ৰাইজৰ মনত স্পষ্টভাবে জাগি উঠিল। ভবিষ্যতৰ স্বৰাজ লাভৰ সুখ সুবিচাৰৰ আশাত বৃটিছ শাসনৰ দুখ দুৰ্গতি মানুহৰ মনত স্পষ্ট হৈ উঠিল"।

## মহাত্মাজীৰ অসম ভ্ৰমণ

১৯২১ চনৰ আগষ্ট্ মাহত মহাত্মা গান্ধী প্ৰথম অসম ভ্ৰমণ কৰিবলৈ আহে। প্ৰতি ষ্টেশনে ষ্টেশনে বিৰাট জনতা! মানুহৰ মন আনন্দত উত্ৰাৱল। বৰদলৈ ফুকন দুয়ো দলে বলে আমিন গাঁৱলৈ গৈ—মহাত্মাজীক আগ বঢ়াই আনিলে। মহাত্মাজী পাণ্ডুঘাট পালেহি। বিৰাট জনতাৰ মুহুঃমুৰ্হুঃ জয়ধ্বনিৰে গুৱাহাটী নগৰ খলক লাগিল। মহাত্মাজী ভৰলু-মুখৰ তৰুণৰাম ফুকন ডাঙৰীয়াৰ ঘৰত আলহী হ'ল।

মহাত্মাজীয়ে বৰদলৈদেৱৰ লগত অসমৰ বিষয়ে কথা বতৰা হৈ বৰ সন্তুষ্ট হ'ল! অসমৰ বিষয়ে প্ৰত্যেক কথাতে বৰদলৈদেৱৰ অভিজ্ঞতা দেখি—মহাত্মাজীৰ লগত অহা কৃষ্ণনাথে কৈছিল "নবীন বৰদলৈৰ অসম দেশৰ সকলো কথা আঙুলি মূৰতেই আছে। মহাত্মাৰ সকলো প্ৰশ্নৰ উত্তৰ তেওঁ পতপতকৈ দি গৈছিল, মোৰ আৰু পুথি পাজি ঘাটি, মহাত্মাই বিচৰা বিবৰণ উলিয়াব লগা নহল। নবীনচন্দ্ৰ বৰদলৈয়ে যি ভাবে অসম

সম্বন্ধীয় সকলো জানিব লগীয়া বিষয় আয়ত্ব কৰিছে, তেনে ভাবে আয়ত্ব কৰা প্ৰায় দেখা না যায়।”

মহত্মাজীয়ে কিছুসময় ফুকন ডাঙৰীয়াৰ ঘৰত বিশ্ৰাম ললে। আবেলি ফুকন ডাঙৰীয়াৰ ঘৰৰ আগৰ পথাৰত বিৰাট ৰাজহুৱা সভা বহিল। সেই সভাত বৰদলৈদেৱে বক্তৃতা দিছিল “ৰাইজ সকল! আজি যদি অসমীয়া ৰাইজে বিলাতি বস্ত্ৰৰ যজ্ঞপাতি মহাত্মাক দেখুৱাব পাৰে; তেনে হলে মহাত্মা বোধ কৰো এটাইতকৈ বেচি সুখী হব;”

সেই বস্ত্ৰ যজ্ঞৰ আৰম্ভনী কৰে প্ৰথমেই ফুকন ডাঙৰীয়াৰ বহুমূলীয়া সৌখীন চাহাবী পোছাকেৰে। গৰু গাড়ীৰে এগাড়ী বিলাতি পোছাক তেখেতে প্ৰথম আহুতিস্বৰূপে অগ্নি সংযোগ কৰে। পিচত বৰদলৈদেৱৰ ঘৰৰ এগাড়ী বিলাতি পাটৰ কাপোৰ আৰু বৰদলৈৰ চাহাবী পোছাক আহুতি দিয়া হয়।

দুইজনৰ বহুমূলীয়া চাহাবীচুট পৰ্ব্বত আকাৰ কৰি জুই লগোৱাৰ পিচত—বিৰাট জনতাই বিপুল উত্তেজনাৰে গাৰ ছোলা কাপোৰ, ছাতি জুই লৈ দলিয়াই দিবলৈ ধৰিলে। মহাত্মাজীয়ে অসমীয়া জাতিৰ এই অদ্ভুত আচৰণ দেখি স্তম্ভিত হল, আৰু আনন্দত অধীৰ হৈ পৰিল। ফুকনডাঙৰীয়াৰ ঘৰৰ আগ ছোতালত চাহাবী পোছাকৰ জুই, তিন দিনলৈ উমাই উমাই জলিছিল।

মহাত্মাজীয়ে গুৱাহাটীৰ “কুমাৰ ভাস্কৰ” নাট্যমন্দিৰত মহিলা সমাজক বাণী শুনায়। পুষ্পমালা পতাকা উকলী

শঙ্খ ধ্বনিৰে আদৰি আনি, মহাত্মাজীক ৰেদীত বহুওৱা হৈছিল। মহাত্মাজীয়ে দেশৰ মুক্তি যজ্ঞত মহিলা সকলৰ কৰ্ত্তব্য আৰু সহযোগিতাৰ কথা বুজাই কৈছিল। মহিলা সমাজত সকলোৱে হিন্দী বক্তৃতা ভালকৈ বুজিব নোৱাৰাৰ বাবে, মহাত্মাজীৰ প্ৰত্যেক শাৰী বক্তৃতা দেশভক্ত ফুকনডাঙৰীয়াই লাইনে লাইনে মুখে মুখে অনুবাদ কৰি অসমীয়াত কৈ গৈছিল। লগে লগে মুখে মুখে হু বহু অনুবাদ কৰিব পৰা ক্ষমতা বোধ কৰো—ভাৰতত ফুকনদেৱৰ বাজে আন কাৰো নাছিল। তেখেতৰ এই অদ্ভুত ক্ষমতা দেখি মহাত্মা আৰু আন সকলোৱেই তবধ মানিছিল।

মহিলা সমাজৰ পৰা কেইবা গৰাকী শিপিণীয়ে হাতে কটা মিহি সূতাৰে বোৱা চেলেং মহাত্মাজীক উপহাৰ দিয়ে। শ্ৰীযুতা ঘনকান্তি দেবী ফুকনণীয়ে হাতে কটা অতি মিহি সূতাৰ মুগাৰ ফুলবচা চেলেং এখন মহাত্মাজীক উপহাৰ দিয়ে। অসমীয়া শিপিনীৰ কাপোৰ বোৱা শিল্পৰ সুন্দৰ নিদৰ্শন দেখি, মহাত্মাজী উলাহত আপোন পাহৰা হৈ পৰে।

সেই দিনাই মহাত্মাজীয়ে কংগ্ৰেছ অফিচ পৰিদৰ্শন কৰে, আৰু বৰদলৈদেৱৰ "শান্তি-ভৱনত" চৰণ-ধূলি পেলায়। বৰদলৈৰ ঘৰৰ হাউলীত অগণন নৰ-নাৰী, শ-শ স্বেচ্ছাসেৱকৰ উদুলী মুদুলীৰ মাজেৰে উৰুলি শঙ্খধ্বনিৰে ধূপ-দীপ জালি ফুলৰ মালাৰে, মহাত্মাজীক আদৰি আনি, "শান্তি-ভৱনৰ" ওপ মহলাৰ সোঁ মাজৰ কোঠালীতে বহুওৱা হ'ল। মহাত্মাজীৰ

লগত আহিছিল, মৌলানা মহম্মদ আলি, যমুনালাল বাজাজ আজাদ শোভানী, অলপ পিচত মিচেচ্ মহম্মদ আলিও আহিছিল।

তেতিয়া আমি ভাল কৈ হিন্দী নজনাৰ কাৰণে কথাবাৰ্ত্তা পাতিবলৈ বৰ অসুবিধা ভোগ কৰিছিলোঁ,। মহাত্মা আৰু অভ্যাগত সকলক, অলপ ফল আৰু গাখীৰেৰে অভ্যৰ্থনা কৰা হ'ল। মহাত্মাজীক মাজত লৈ নেতা সকল শাৰী হৈ বহিল। অসংখ্য জনতাৰ ভৰত "শান্তি-ভৱন" কঁপি গল। পুৰুষ মহিলাৰে ঘৰ বাহিৰ উপচি পৰিল।

বগা পাথৰৰ থালত ফল আৰু আঙ্গুৰৰ ৰস আনি শ্ৰীযুতা মাতৃদেবীয়ে মহাত্মাজীক গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে। মহাত্মাজীয়ে এটি আঙ্গুৰ মুখত লৈ তেখেতৰ অনুৰোধ ৰক্ষা কৰিলে। সৰু লৰাছোৱালী বোৰক নিজ হাতেৰে ফল বোৰ ভগাই দিলে। পুতলীক কোলাত বহুৱাই আঙ্গুৰ খুৱাবলৈ ধৰিলে। পুতলীয়ে আৰু পৰিত্ৰই মহাত্মাজীক গান গাই শুনালে—

গান গাইছিল—ৰবীন্দ্ৰনাথ ঠাকুৰৰ

"হও ধৰমেতে বীৰ, হও কৰমেতে ধীৰ !
হও উন্নত শিৰ নাহি ভয়······

মুকুন্দদাসে গোৱা গীত—

"সাবধান! সাবধান! আসিছে নামিয়া ন্যায়েৰি দণ্ড ৰুদ্ৰ দীপ্ত মূৰ্ত্তিমান—

পুতলীৰ গানশুনি মহাত্মাজীয়ে মূৰত হাত বুলাই মৰম কৰিলে। মৌলানা মহম্মদ আলিয়ে, পুতলীৰ চকুৰ ঠাৰ আৰু আঙুলীৰে ঠাৰ দি গোৱা গানশুনি কলে "তু-মেৰে সাচ্ছা ভাই হো—"

সেই সুন্দৰ অতীতৰ মহা মহোৎসৱৰ মাজত মহামানৱৰ আগমনৰ পুণ্য স্মৃতিৰ লগতে করুণ স্মৃতিৰ ৰেখা এটি মোৰ জীৱনৰ এৰি অহা দিনবোৰৰ মাজত জিলিকি ৰ'ল।

মহাত্মাজী ফুকনদেৱৰ ঘৰলৈ উলটি গল। তেখেতৰ সঙ্গী সকলক আৰু কংগ্ৰেছ কৰ্ম্মী সকলক বৰদলৈদেৱৰ ঘৰত চাহ জলপান খুৱাই অভ্যৰ্থনা কৰিলে। মহাত্মাজীয়ে সেইবাৰ গোটেই অসমৰ জিলা কেইখন ভ্ৰমণ কৰে। অসমীয়া ৰাইজৰ সৰল ব্যৱহাৰত মহাত্মাজী মুগ্ধ হয়। অসমীযা নাৰীৰ লাহ বিলাহ নোহোৱা সাধাৰণ সাজপাৰ আৰু সৰলতাসনা মুখ দেখি মহাত্মাজীয়ে অসমক অতি মৰমৰ চকুৰে চায়।

তেজপুৰৰ নৈ পাৰৰ গণেশ ঘাটত বহি "মনোৰম অসম" ( Lovely Assam ) নাম দি এটি প্ৰৱন্ধ লেখি ইয়ং ইণ্ডিয়াত ছপা কৰে। সেই প্ৰবন্ধত তেখেতে লেখিছিল—"অসমীয়া তিৰোতাই কাপোৰত পৰীৰ ৰাজ্যৰ সপোন ফুল বাচে" এই প্ৰবন্ধটিয়ে অসমীয়া নাৰী সমাজৰ গৌৰৱপূৰ্ণ ঐতিহ্য দেশ বিদেশত জানাজাত কৰিছিল।

মহাত্মাজী অসমলৈ অহাৰ পিচতেই, অসমত বহুতো উকিলে ওকালতি এৰি গাঁৱলীয়া পঞ্চায়ত গঠন কৰাত মন দিলে।

অসহযোগ আন্দোলন দোপত দোপে বাঢ়িবলৈ ধৰিলে। সেই দিনৰ আনন্দ অনুভূতি আজিও মনত পৰে, মানুহৰ প্ৰাণত ইমান আনন্দৰ প্ৰেৰণা ক'ৰ পৰা আহিছিল ? আহিছিল স্বাধীনতাৰ আনন্দ, মাতৃৰ মুক্তি যজ্ঞৰ প্ৰেৰণা।

"সেই সময়ত অসমত কংগ্ৰেছে এনে শক্তি লাভ কৰিছিল, যে বৃটিছ শাসক শ্ৰেণীৰ মনত এটা বিস্ময়ৰ ভাব হৈছিল। যি ঢেকিয়াল ফুকনে এদিন মানৰ আক্ৰমনৰ পাচত বৃটিছ অহাত তেওঁলোকক সাদৰ অভ্যৰ্থনা জনাই চিঠি দিছিল, সেই ঢেকিয়াল ফুকনৰ বংশধৰ এজনে বৃটিছ শাসনৰ বিৰোধিতা কৰাত তেওঁলোক আচৰিত হোৱাটো স্বাভাবিক।

যি ৺মাধবচন্দ্ৰ বৰদলৈয়ে বৃটিছৰ এজন ৰাজভক্ত কৰ্ম্মচাৰী ৰূপে অসমত খেতিয়ক সকলৰ খাজানা বন্ধকৰা আন্দোলন দমন কৰিবলৈ সকলো দিহা লৈছিল সেই বৰদলৈৰ পুতেক নবীন চন্দ্ৰৰ এই বিৰোধিতাত তেওঁ বিলাক আচৰিত হৈছিল। সেই বাবেই নবেম্বৰ মাহৰ ৩০ তাৰিখে তেওঁলোক দুয়োজনকে গ্ৰেপ্তাৰ কৰি অসমৰ এই নতুন অনুষ্ঠানটো ধ্বংস কৰিবলৈ তেওঁলোক কৃত সংকল্প হ'ল। এইদৰে অসমৰ নতুন অনুষ্ঠানটোও বৃটিছ দমন নীতিৰ বিৰুদ্ধে থিয় দিব লগীয়া হ'ল।"*

আন্দোলনৰ তীব্ৰতা বৃদ্ধি হোৱাৰ লগে লগে সুসংগঠিত

---

* শ্ৰীযুত অমিয় দাস—স্বাধীনতা সংখ্যা অসমীয়া—

ৰাইজৰ কোনো কোনো ঠাইত খাজনা বন্ধ কৰিবলৈও ঠিক কৰা হ'ল। এই ক্ষেত্ৰত "বকোয়েই" প্ৰধান। অসমৰ জন জাগৰণ যেন এটি প্ৰহেলিকাৰ দৰে হৈ উঠিল। লৰা বুঢ়া তিৰোতা কাৰো মনত ক্লান্তি নাই, দুখ ভাগৰেও কাকো নিৰাশ কৰিব নোৱাৰিছিল। সকলোৰে মনত এটি নতুন উৎসাহ নতুন কৰ্ম্ম শক্তিয়ে যেন অসমক মুক্তি পথলৈ আগ বঢ়াই নিছিল।

## এণ্টি অসহযোগ আৰু দমননীতি

আন ফালে জাতীয়তাবাদী শক্তিৰ সক্ৰিয় ফল দেখি বৃটিছ প্ৰভু সকল সন্ত্ৰস্ত হৈ উঠিল। লগতে প্ৰভুভক্ত কৃপাপ্ৰাৰ্থী কৰ্ম্মী সকলৰ সহযোগত, "এন্টিননকো-অপাৰেশন" পাৰ্টি গঠন কৰি অসহযোগ আন্দোলনৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য চলাবলৈ ধৰিলে। চোৰাংচোৱাৰ সংখ্যাও বাঢ়িল, তাৰ ফলতে দমন নীতিয়েও উৎকট ৰূপ ল'লে। প্ৰথমেই আন্দোলনৰ গুৰিয়াল হিচাবে ফুকন, বৰদলৈক গ্ৰেপ্তাৰ কৰিলে। সেই সময়ৰ চীফ্ কমিচনাৰে কৈছিল "আজি অসমৰ ৰয়েল টাইগাৰ দুজন বন্দী হ'ল।" গৱৰ্ণমেণ্টৰ কৃপাপ্ৰাৰ্থী সকলৰ অনুগ্ৰহত অসহযোগ আন্দোলনৰ ওপৰত শাস্তিৰ পৰিমাণ লঘু হওক চাৰী গুৰু হে হৈছিল। এই সকলৰ সহায়তেই আন্দোলন মষিমুৰ কৰিবলৈ বৃটিছ গৱৰ্ণমেণ্ট দৃঢ় সংকল্প হ'ল। আৰু ব্যাপক ভাবে দমন নীতি চলাবলৈ ধৰিলে।

## স্বৰাজ আশ্ৰমৰ পথত—

১৯২১ চনৰ ২১ নবেম্বৰত অসমৰ কংগ্ৰেছ আৰু খিলাফৎ স্বেচ্ছাসেৱক সঙ্ঘ বিলাক সংশোধিত ফৌজদাৰী আইনৰ ১৬ ধাৰা মতে বে-আইনী বুলি ঘোষিত হোৱাত প্ৰাদেশিক আৰু জিলা কংগ্ৰেছ কমিটী বিলাক খানাতাল্লাচ হয়। গোটেই ভাৰতৰ স্বেচ্ছাসেৱক সঙ্ঘ বিলাক এই সময়তে এই আইনৰ দ্বাৰাই বে-আইনী বুলি ঘোষিত হোৱাত—২৩ আৰু ২৪ নবেম্বৰৰ দিনা "বম্বেত" কংগ্ৰেছ ওৱাকিং কমিটী বহি সকলো প্ৰাদেশিক কমিটীকে নিজ নিজ প্ৰদেশত থকা স্বেচ্ছাসেৱক সঙ্ঘ বিলাক একে ভাবে গঠন কৰিবলৈ আৰু ভলণ্টিয়াৰ সকলে চহি কৰিব লগীয়া প্ৰতিজ্ঞা পত্ৰৰ নমুনা প্ৰত্যেক প্ৰাদেশিক কংগ্ৰেছ কমিটী বিলাকলৈ পাঠিয়াইছিল।

ইফালে অসমৰ সেৱকসঙ্ঘ বিলাক বেআইনী ঘোষিত হোৱাৰ পাচতেই গুৱাহাটীত ফুকনডাঙৰীয়া আৰু নবীন চন্দ্ৰ বৰদলৈদেৱক; ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১০৮ ধাৰা মতে গ্ৰেপ্তাৰ কৰে।

পূজাৰ বন্ধৰ আগতে ধুবুৰীত এটা বক্তৃতা দিয়াৰ বাবে তৰুণ ৰামফুকন ডাঙৰীয়াৰ ওপৰত ১০৮ ধাৰাৰ নোটিচ দিয়া হয়। মোকৰ্দ্দমাৰ দিনৰ দিনা ধুবুৰিত হাজিৰ হবলৈ ফুকন দেৱ ওলাল। ফুকনদেৱৰ ঘৰৰ আগত থকা পথাৰত বিৰাট সভা বহিল, মানুহে বিৰদি সন্ধি পাবলৈ উপায় নাই। ফুকনদেৱে

সেইদিনা অলপ কথা কৈছিল—যদিও তেওঁৰ কথাই মানুহৰ প্ৰানত দ সাঁচ বহুৱাইছিল। সেই সভাত নবীনবৰদলৈয়ে যি বক্তৃতা দিলে—তেনে বক্তৃতা আৰু মই তেওঁৰ পৰা শুনা নাছিলো। সভা ভাগিল—ঘৰলৈ আহিলো, কলেজ এৰি অসহযোগ আন্দোলনত যোগ দিয়াই থিৰ কৰিলো।"*

বিচাৰত এইবাৰ্ ফুকন ডাঙৰীয়াক খালাচ দিয়া হয়। কেইদিন মানৰ পিচত—আকৌ বে-আইনী আন্দোলনৰ নেতা হিচাবে ফুকন, বৰদলৈৰ ওপৰত গ্ৰেপ্তাৰী পৰওয়ানা বাহিৰ হয়।

নবেম্বৰৰ ৩০ তাৰিখে পুৰা অক্ৰূৰৰ ৰথৰ দৰে অশ্বযান আহি সশস্ত্ৰ পুলিচ বাহিনীৰে সৈতে "শান্তিভৱনৰ" আগত উপস্থিত হলহি।

বৰদলৈয়ে দেখি হাঁহি মাৰি ক'লে আপোনালোকে অলপ অপেক্ষা কৰক, মই ভিতৰৰ পৰা মাত লগাই আহোঁ। ভিতৰলৈ আহি ককায়েকক সেৱা কৰি কলে! "ককাই দেউ! মই যাওঁ; 'মোক গ্ৰেপ্তাৰ কৰিলে, সোৱা পুলিচ আহি ৰৈ আছে। ভুলু, অপু, (উমেশ, অপূৰ্ব্ব) থাকিল, সিঁহঁতো অলপতে ধৰা পৰিব।"

ভনীয়েক শ্ৰীযুতা ধৰ্ম্মদা দেবীৰ হাতত হীৰাপতোৱা আঙঠি-টো আৰু সোনৰ ঘৰীটো দি বিদায় লৈ গাড়ীত উঠিল গৈ।

---

* ৺হেমচন্দ্ৰ বৰুৱা (অসম সেৱক)—

শুনিবলৈ পালোঁ, সেই গাড়ীতেই, ফুকন ডাঙৰীয়াকো তুলিলৈ গৈছে। বিচাৰত বৰদলৈদেৱৰ দেড়বছৰ আৰু ফুকনদেৱৰ এবছৰ বিনা-শ্ৰম কাৰাদণ্ড বিহিত হ'ল।

ইয়াৰ পিচত দিনে দিনে অসমৰ প্ৰত্যেক জিলাৰ প্ৰধান প্ৰধান কৰ্ম্মী সকলক গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। বৰদলৈদেৱৰ কাৰাবাসৰ কিছুদিনৰ পাচতেই তেখেতৰ ডাঙৰ-লৰা উমেশবৰদলৈও গ্ৰেপ্তাৰ হ'ল। বিচাৰত তেওঁৰ ছমাহ সশ্ৰম কাৰাদণ্ড হয়। গ্ৰেপ্তাৰৰ দিনা উমেশৰ ১০৪ ডিগ্ৰী জ্বৰ আছিল। সেই জ্বৰ লৈ তেওঁ ঠানালৈ গল, একেলগে, শ্ৰীযুত কৃষ্ণ বৰুৱাকো গ্ৰেপ্তাৰ কৰি লৈ গ'ল। তেওঁক গ্ৰেপ্তাৰ কৰাত তেওঁৰ বিধবা মাকে, মূৰৰ ওৰণী পেলাই বাহিৰলৈ ওলাই আহিল। আৰু কলে, "দেশত যি বোৰ মানুহ আছিল সেইবোৰ জেলত সোমাল; আৰু কাৰ আগত ওৰণী লম? যি বোৰ গৈছে সেই বোৰৰ ঠাই আমিয়েই পুৰাম" সেই দিনাৰ পৰা তেখেতে প্ৰচাৰ কাৰ্য্যত গাঁৱে গাঁৱে ফুৰিবলৈ ধৰিলে।

গুৱাহাটীৰ "কুমাৰভাস্কৰ নাট্য মন্দিৰত" আমি এখন সুতা কটা স্কুল খুলিছিলো, তেখেতক তাৰ প্ৰধান ভাৰ দিয়া হৈছিল, সেই স্কুল খন ভালে মান দিন চলিছিল।

এই সময়ত গৱৰ্ণমেণ্টৰ দমন নীতিৰ প্ৰয়োগত দলে দলে কৰ্ম্মী সকল গ্ৰেপ্তাৰ হবলৈ ধৰিলে। অসমৰ ঘৰে ঘৰে হাঁহাকাৰৰ ৰোল উঠিল। এদিন শুনিবলৈ পালোঁ, শ্ৰীযুত ৰোহিনীকুমাৰ চৌধুৰী, শ্ৰীযুত বিষ্ণুৰাম মেধি, শ্ৰীযুত গৌৰীকান্ত তালুকদাৰ,

শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধুৰী, মৌলবী তৈয়বউল্লা চাহাব আৰু শ্ৰীযুত নিধিৰাম তালুকদাৰক হাতী বন্ধা জৰীৰে সাঙুৰি বান্ধি— তেজপুৰলৈ লৈ গৈছে।

—অসমৰ প্ৰত্যেক জিলাৰ প্ৰধান কৰ্ম্মী সকলক গ্ৰেপ্তাৰ কৰি বিনাশ্ৰম, সশ্ৰম কাৰাদণ্ডত দণ্ডিত কৰিবলৈ ধৰিলে। স্বেচ্ছা সেৱক বোৰৰ সৰহ ভাগৰেই, সশ্ৰম কাৰাদণ্ড হৈছিল। কত বেতৰ কোব, ধান বনা, ঘাণিত গৰুৰ বদলি লগাই তেল পেৰা, শিল ভঙা কামত খুনী কয়দীৰ দৰে, জঘন্য ব্যৱহাৰ আৰু নিষ্ঠুৰ যন্ত্ৰনা দিয়াৰ ফলত কত হেজাৰ হেজাৰ কুমলীয়া লৰাৰ স্বাস্থ্য আৰু জীৱন হানি হ'ল। সেই কাৰাদণ্ডতেই শ্ৰীযুত অম্বিকাগিৰী ৰায় চৌধুৰীক, দুবছৰ সশ্ৰম কাৰাদণ্ড দিছিল। তেখেতক তেজপুৰ জেইলত না না নিৰ্য্যাতন দিয়ে। তেখেতক কাগজ কলম দিয়াৰ বাধা আছিল। আৰু শিল ভাঙিবলৈ দিয়া হৈছিল। আৰু সেই শিল ভাঙোতে তেখেতে মুখে মুখে সঙ্গীত ৰচনা কৰিছিল—

"তই ভাঙিব লাগিব শিল
নোৱাৰো বুলিলে নহব যে ভাই
খিলতে পৰিব কিল—"

কাৰাগাৰ ভৰি পৰিল। বয়সস্থ দলৰ প্ৰায় বিলাকেই ধৰা পৰিল। গুৱাহাটীৰ প্ৰধান কৰ্ম্মী সকলো বিলাক ধৰা পৰিল। থাকিল মাত্ৰ সৰু সৰু স্বেচ্ছাসেৱকৰ দলটো। দমন নীতিৰ

বিৱৰণ বিলাক ছপাব'লৈ শ্ৰীযুত লক্ষ্মীনাথ দাস, আৰু ৺প্ৰেমদা বৰুৱা আৰু শ্ৰীমান অপূৰ্ব্ব বৰদলৈয়ে অতি পৰিশ্ৰম কৰি, হাতেৰে কাটি এটি "লিথো" যন্ত্ৰ তৈয়াৰ কৰে।

সেই "লিথো" যন্ত্ৰত ছপা হৈ দিনে দিনে হেজাৰ হেজাৰ কংগ্ৰেছ বুলেটিন ওলাবলৈ ধৰিলে, তাতে গৱৰ্ণমেণ্টৰ কাৰ্য্য-কলাপ আৰু কুকীৰ্ত্তি বিলাক ছপা হবলৈ ধৰিলে। সেই কংগ্ৰেছ বুলেটিনৰ সম্পাদক আছিল শ্ৰীযুত শিশিৰকুমাৰ বৰুৱা। পুলিচ লাগিল সেই "লিথো" যন্ত্ৰৰ পিচত ; গতিকে সেই যন্ত্ৰটি লুকুৱাই লৈ ফুৰিব লগা হ'ল। সেই যন্ত্ৰটি লুকুৱাবলৈ কত যত্ন কত ফন্দি কৰা হৈছিল, সেই সময়ৰ কৰ্ম্মী সকলেহে তাৰ বৰ্ণনা দিব পাৰিব। পুলিচে আকস্মিকভাৱে ঘৰে ঘৰে খানাতাল্লাচ কৰি ফুৰাত, সেই যন্ত্ৰটো লুকুওৱাৰ ভাৰ লৈছিল, সৰু সৰু লৰাবোৰে। মানুহৰ বাৰীৰ মাজত নৰ্দ্দমাত সোমাই যন্ত্ৰটি লুকুৱাই লৈ ফুৰিছিল। কাৰণ যন্ত্ৰটি ধৰা পৰিলে, বুলেটিন ছপোৱা মুদা মৰিব।

আমি কংগ্ৰেছ অফিচৰ কাগজ পত্ৰ বিলাক কত ধৰনেৰে যে লুকুৱাইছিলো, সেই বোৰ কথা লৈ মনত পৰিলে, এখন স্বাধীন ৰাজ্যই শত্ৰুৰ হাতৰ পৰা আত্মৰক্ষা কৰিবলৈ যত্ন কৰা যেন লাগে।

সেই দুখ, সেই প্ৰিয়জনৰ বিচ্ছেদ, নিৰ্য্যাতন, অভাৱ, হাঁহাকাৰৰ মাজতো—এটি আগত স্বাধীনতাৰ আনন্দই দেশ-বাসীক উদ্বোদ্ধ কৰি কৰ্ত্তব্য পথত অক্লান্ত কৰ্ম্ম প্ৰেৰণা দিছিল।

ঘৰে ঘৰে সূতা কটা, দিনে ৰাতিয়ে যঁতৰৰ মাত, লৰা ছোৱালী পুৰুষ মহিলা সকলোৰেই, স্বদেশী ভাবত অনুপ্ৰাণিত, হাঁহি মুখে দুখ বৰণৰ আনন্দ প্ৰাণে প্ৰাণে! প্ৰিয় জনক দেশৰহকে কাৰাগাৰলৈ পঠিয়াই গৌৰৱেৰে হিয়া উপচি পৰিছিল।

জাতীয় জাগৰণৰ সেই শুভমূহুৰ্ত্তত যি সকলে দেশৰ মুক্তিযজ্ঞত সহযোগ কৰিছিল—সেই সকলে জীৱনত কেতিয়াও পাহৰিব নোৱাৰে, সেই দুখ মিহলি ত্যাগৰ মাজেৰে আগত মুক্তিৰ আনন্দ।

এই দৰে এটি বছৰৰ ভিতৰত ত্যাগৰ গৌৰৱত সুপ্ত অসম জাগি উঠিল।

## যোৰহাট জে'লত

বৰদলৈ ফুকনক যোৰহাট জে'ললৈ স্থানান্তৰিত কৰিলে। তাতো দলে দলে কংগ্ৰেছ কৰ্ম্মী সকল গোট খাবলৈ ধৰিলে। যোৰহাট জে'ল স্বৰাজ আশ্ৰমত পৰিণত হ'ল।

বৰদলৈদেৱে গুৰুৰূপে আশ্ৰমবাসী সকলক পুৱাতে স্তোত্ৰ পাঠ ঈশ্বৰৰ প্ৰাৰ্থনা, সদগ্ৰন্থ পাঠ, গীতা ভাগৱত, কোৰাণ, বাইবেল ইত্যাদি বাখ্যা কৰি সৎচৰ্চ্চাত—কাৰাবাসৰ দুখ পাহৰাই আশ্ৰমৰ পূণ্যময় ত্যাগ কঠোৰ জীৱনৰ শিক্ষা দিবলৈ

ধৰিলে। দেশসেৱক সকলৰ স্বাধীনতাকামী প্ৰাণত সেই শিক্ষা, সেই উদ্দীপনাপূৰ্ণ নিৰ্ভয় বাণীয়ে, বৰদলৈদেৱৰ সহবন্দী কাৰাআশ্ৰমবাসী সকলৰ মনত এটি দ সাঁচ বহুৱালে সেই সকলক জীৱনৰ খলা বমা পটত খোজ দিবলৈ ত্যাগময় শান্তি সহিষ্ণুতাময় আশ্ৰম জীৱনৰ আৰ্হি দেখুৱালে। এই বিষয়ে আজীৱন নীৰৱ দেশসেৱক, ত্যাগী পুৰুষ শ্ৰদ্ধেয় ৺কৃষ্ণনাথ শৰ্ম্মা দেৱে লেখিছিল—

"এই অভাজনৰ যোৰহাট জে'লত বৰদলৈদেৱৰ লগত একেটা খোটালীতে প্ৰায় চাৰি পাঁচ মাহ কাল কটোৱাৰ সৌভাগ্য ঘটিছিল। কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়াই দৈনিক পুৱা কাৰাগাৰৰ ভিতৰতে সকলো অসহযোগী বন্দী সকলক গোটাই লৈ—

"মাতাচ পাৰ্ব্বতী দেবী পিতা দেবো মহেশ্বৰঃ
বান্ধবা শিব ভক্তাশ্চ ; স্বদেশো ভুৱন ত্ৰয়ম্"—

এই স্তোত্ৰটি পাঠ কৰি সদায় কাৰাগাৰৰ ভিতৰত আমাৰ আগত জাতীয় যুদ্ধক ধৰ্ম্ম যুদ্ধৰ লগত তুলনা কৰি—"যথা ধৰ্ম্ম স্তথা জয় ;" মূল মন্ত্ৰেৰে অসহযোগী বন্দী সকলক—স্বৰাজ লাভৰ মুখ্য দুৱাৰ কাৰাগাৰৰ লঘু লাঞ্ছনা সহ্য কৰিবলৈ প্ৰতিজ্ঞা কৰাই লৈছিল। পিতামহ স্বৰূপ বৰদলৈ ডাঙৰীয়াই অসমীয়া জাতিক কংগ্ৰেছৰ মাজেদিয়েই মুক্তিৰ পথলৈ আগ বঢ়াই নিছিল"

জাতীয় জীৱনৰ জাগৰণ! মনত পৰিছে আজি জন্মভূমিৰ

মুক্তি চেষ্টাত বীৰ-পুত্ৰ সকলৰ আত্মত্যাগৰ তেজোময় জ্বলন্ত ছবি। মাতৃভূমিৰ মুক্তিৰ কাৰণে শত শত ত্যাগী সন্তানে অনশন অপমান পৰিয়ালৰ কঠোৰ দৰিদ্ৰতা উপেক্ষা কৰি হাঁহি মুখে নিয়তিক পৰিহাঁস কৰি মুক্তিব্ৰত শিৰত তুলি লোঁৱা—সুদূৰ অতীতৰ পৱিত্ৰ স্মৃতি! আজি জীৱনৰ বিষাদ জলধিৰ পাৰত বহি মোৰ মানস পটত ভাহি উঠিছে, সেই পুণ্যময় অতীতৰ স্মৃতিতীৰ্থ।

# দ্বিতীয় অধ্যায়

## ( ঘৰুৱা জীৱন )

**বৰদলৈদেৱৰ বংশ পৰিচয়—**

অতীতৰ পুৰণি কথাবোৰ মনত পৰিলে সাধু কথা যেন লাগে, পিতৃ বৰদলৈদেৱৰ লৰালি জীৱনৰ কথা বুঢ়ী আইৰ মুখে শুনা, আমাৰ পুৰণি নিজ ঘৰ উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডত আছিল। এতিয়াও সেই পুৰণি ভেটিত পিতৃ বৰদলৈদেৱৰ ককাক্ কল্পনাথৰ প্ৰতিষ্ঠিত 'বাসুদেৱ' বিগ্ৰহ আছে।

পিতৃ নবীনচন্দ্ৰ বৰদলৈদেৱৰ ককাক্ কল্পনাথ বৰদলৈৰ পৰিয়ালৰ সৰু কালতে মানৰ অত্যাচাৰত লটি-ঘটি হয়, পুৰণি পিতৃভেটি শিৱসাগৰত ৰুদ্ৰখড়ি বৰদলৈৰ বংশৰ আদি বাস আছিল। মানৰ অত্যাচাৰত মান ভগণীয়া কল্পনাথৰ দেউতাক ৺ৰত্নেশ্বৰে কুলদেৱতা বাসুদেৱক ডিঙিত আঁৰি লৈ লৰা-তিৰোতাৰে গুৱাহাটী পাইহি, কিন্তু বাৰবছৰীয়া পুতেক কল্পনাথক মানে ধৰিনি মান দেশ পোৱাই গৈ।

কল্পনাথ অতি ধুনীয়া আৰু বুধিয়ক লৰা আছিল। মানদেশৰ পৰা বাৰবছৰীয়া কল্পনাথে আচৰিত ভাবে পলাই আছি গুৱাহাটী ওলাইহি। গুৱাহাটীৰ ওচৰৰ কোনোবা এখন ঠাইত এজন চাহাবে, তেওঁক লগ পাই গুৱাহাটীলৈ লৈ

আছে, আৰু সেই চাহাব জনৰ যত্নতেই তেওঁ পৰিয়ালৰ মাজলৈ উভতি আহে। সেই চাহাব জনে তেওঁক বৰ মৰম কৰিছিল, আৰু পঢ়িবলৈ উপদেশ দিছিল, পিচত সেই চাহাব জনৰ অফিচতে তেওঁ কামত সোমায়। কল্পনাথে অতি সোনকালে নিজৰ অৱস্থা টনকিয়াল কৰি পেলায়, আৰু বহুত খাট-পাম কিনি, বন্দী বেটি লৈ চকুত লগা হৈ পৰে। বিশেষকৈ কল্পনাথ অতি ধুনীয়া চেহেৰাৰ মানুহ আছিল। দহ জনৰ মাজত জাকত জিলিকা ৰূপৰ আকৰ্ষণতে তেওঁ সকলোৰে মৰমৰ পাত্ৰ হব পাৰিছিল।

সেই সময়ত উত্তৰ গুৱাহাটী প্ৰতাপশালী নগৰ আছিল, ৰজা ঘৰীয়া বিষয়াবিলাক গুৱাহাটীৰ উত্তৰ খণ্ডত বাস কৰিছিল। ৺কৃষ্ণৰাম ভৰালী বৰুৱা সেই সময়ত উত্তৰ গুৱাহাটী অঞ্চলত প্ৰতাপী লোক আছিল। কৃষ্ণৰাম ভৰালী বৰুৱা নিজে নিঃসন্তান। তেখেতৰ ভায়েকৰ দুগৰাকী ভতিজা জীয়ৰী— পদ্মাৱতী আৰু চন্দ্ৰাৱতীক কল্পনাথবৰদলৈলৈ বিয়া দিয়ে। প্ৰথমা পত্নী পদ্মাৱতী অতি ধীৰ শান্ত, সুশীলা আৰু ধৰ্ম্ম পৰায়ণা আছিল। দ্বিতীয়া চন্দ্ৰাৱতী সুৱণী আৰু সুচতুৰা আছিল। প্ৰথম গৰাকীৰ সন্তান ৺মাধবচন্দ্ৰ বৰদলৈ পিতাক কল্পনাথৰ দৰেই গুৱনী আৰু সুপুৰুষ আছিল। ৺মাধবচন্দ্ৰৰ আৰু এজন ভায়েক আছিল ৺ললিতচন্দ্ৰ। চন্দ্ৰাৱতীৰো দুজন পুত্ৰ আছিল, ৺বলোচন্দ্ৰ আৰু ৺হৰচন্দ্ৰ।

ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ আধুনিক শিক্ষাত



ৰায় বাহাদুৰ ৺মাধবচন্দ্ৰ বৰদলৈ
( কৰ্ম্মবীৰৰ পিতৃ )



৺সোমেশ্বৰী দেবী
( কৰ্ম্মবীৰৰ মাতৃ )

শিক্ষিতহে চৰকাৰৰ ঘৰৰ উচ্চ বিষয়াৰ বাব পাইছিল। তেখেত জোনাকী যুগৰ এজন সাহিত্যসেৱী পুৰুষ বুলি জনাজাত। তেখেত মাকৰ দৰেই অতি ধীৰ বিবেচক, গম্ভীৰ আৰু অমায়িক স্বভাৱৰ আছিল। সৰুৰে পৰা নানা বাধা বিঘিনী অতিক্ৰম কৰি তেখেতৰ অদম্য বিদ্যানুৰাগৰ গুণত সেই দিনতো তেখেতে উচ্চ শিক্ষা লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেখেতে এণ্ট্ৰেন্স, এফ, এ, পাচ কৰি ওকালতি পঢ়ে! প্ৰথমে কেৰাণী কাম কৰে পিচত মাষ্টৰী আৰু তাৰ পাচত ল 'পাচ' কৰি উকিল হয়। নিজ প্ৰতিভাৰ বলতে তেখেতে মেজিষ্ট্ৰেট আৰু একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰৰ পদো পাইছিল। বৰপেটাৰ ভূমিকম্পৰ সময়ত প্ৰশংসনীয় কামৰ পুৰস্ক'ৰ স্বৰূপে চৰকাৰে তেখেতক 'ৰায়বাহাদুৰ' উপাধি দিয়ে। ৺মাধবচন্দ্ৰবৰদলৈ পৰোপকাৰী আৰু ন্যায়পৰায়নতাৰ গুণৰ বাবে সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হব পাৰিছিল। তেখেতে কোনো দিনে শত্ৰুৰো অন্যায় চিন্তা নকৰিছিল, আৰু নিজেও আনৰ অন্যায় সহিব নোৱাৰিছিল। তেখেত নিজে ইমান খিতাপী মানুহ হৈয়ো—সমানৰ সমাজত কৈ দুখীয়াৰ ঘৰে ঘৰে গৈ বিপদে আপদে খবৰ কৰি ফুৰি ভাল পাইছিল। দুখীয়া সমাজে নিৰ্ভয়ে তেখেতৰ ওচৰ চাপিবলৈ সাহ কৰিছিল, কাৰণ তেখেত আছিল অতি নিৰহঙ্কাৰ স্বভাৱৰ মানুহ। মোৰ মনত আছে—তেখেতে দৰমহা পাবৰ দিনা সিকি আধলি কিছুমান ভঙাই আনি ঘৰৰ বোৱাৰী জীয়ৰী বোৰক টকা আৰু লৰা ছোৱালী বোৰক, চাকৰ

বোৰক বয়স চাই সিকি আধলি কৈ দি বৰ ৰং পাইছিল। মোৰ মনত পৰাৰ পৰা প্ৰতি মাহে তেখেতক এই দৰে দিয়া দেখিছিলো। ৺মাধবচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই সেই সময়ত গবৰ্ণমেণ্টৰ ৰাজ বিষয়া সকলৰ ভিতৰত সৰ্ব্বোচ্ছ স্থান অধিকাৰ কৰিছিল, আৰু সেই সময়ৰ সৰ্ব্বোচ্ছ হাৰে ৮০০্ টকা দৰমহা পাইছিল। তেখেতে স্বোপাৰ্জ্জিত অৰ্থেৰেই অতুল ঐশ্বৰ্য্যৰ অধিকাৰী হৈ উঠিছিল। নিজৰ পত্নীক তেখেতে এইদৰে কৈছিল "মোৰ লৰাইঁতে যদি কেতিয়াবা কাৰো অন্যায় কৰি এটা পাইও মোৰ ঘৰত সুমুৱাই সেই দিনাই মোৰ ঘৰত জুই সোমাব, আৰু সকলো সম্পত্তি নষ্ট হৈ যাব।" তেখেতে অন্যায় পথেৰে ধন উপাৰ্জ্জন কৰাটো বৰ ঘিণ কৰিছিল।

তেখেতৰ সহায়ত বহুত দুখীয়া ছাত্ৰই পঢ়িছিল। ঘৰৰ আগফালে এটি দীঘলীয়া ছাত্ৰঘৰ আছিল, সেই ঘৰটোত বহুত দুখীয়া ছাত্ৰই তেখেতৰ ভিতৰৰ পাগত খাই সেই ছাত্ৰঘৰত থাকি পঢ়িবলৈ পাইছিল। অসমৰ ভিতৰত তেতিয়া মাত্ৰ গুৱাহাটীতে কলেজ হৈছিল সেই বাবে কলেজৰ ছাত্ৰসকল বেচিভাগেই তেখেতৰ ঘৰত আছিল।

মাধবচন্দ্ৰ বৰদলৈ "একষ্ট্ৰা এছিষ্টেণ্ট" কমিচনাৰ থকা কালত বৰপেটাত তেখেতৰ কোনোবা এজন লৰাই দুষ্টালি কৰি এজন ব্যৱসায়ীৰ বস্তু নষ্ট কৰিছিল, ব্যৱসায়ী জনে গোচৰ কৰাত তেখেতে লৰাৰ ওপৰত মোকৰ্দ্দমা কৰিবলৈ ব্যৱস্থা দিছিল আৰু খৰছ দিছিল। তেখেতে কৈছিল—"হাকিমৰ লৰা

বুলি অহঙ্কাৰী লৰাই বুজক সি কেনে হাকিমৰ লৰা।" তেখেতৰ খং সহজে দেখা নাযায়; সদায় হাঁহি মুখেৰে সকলোকে মধুৰ ব্যৱহাৰ কৰিছিল, যেতিয়া খং উঠে শত্রু মিত্র সকলোকে সমানে বিচাৰ কৰে। এদিন তেখেতৰ এজন লৰাই কাৰবাক কঠুৱা মাত মাতিছিল, তেখেতে তাকে শুনি কৈছিল—"বোপাই! এই যে তোৰ মাতষাৰ ইমান কঠুৱাকৈ মাত; তই ভাবি চাবিছোন জগতত এই মাতষাৰৰ বাহিৰে কাক কি দিব পাৰ?"

তেখেত অতি বিলাসী পুৰুষ আছিল, সদায় ধুনীয়া সাজ পাৰ পিন্ধি ভাল পাইছিল। তেখেত সঙ্গীতজ্ঞও আছিল— ভাল চেতাৰ বজাব জানিছিল। ৰাজকীয় জীৱনৰ মাজতো তেখেতে অসমীয়া ভাষাৰ উন্নতিৰ অৰ্থে আত্মনিয়োগ কৰি, সযত্নৰে সংগ্রহ কৰি "অসমীয়া ৰামায়ণ" আৰু "দীপিকাছন্দ" আদি পুথি উদ্ধাৰ কৰি ছপা কৰি উলিয়ায়। অসমীয়া ৰামায়ণৰ যিখন তেখেতে পাতনি লেখিছিল, সেই পাতনিত অতীতৰ গৌৰৱময় নিদৰ্শনৰ চিন এনে সুন্দৰ ভাৱে বৰ্ণোৱা হৈছিল, যে সেই খন কলিকতা বিশ্ববিদ্যালয়ে এটি প্ৰৱন্ধ ৰূপে গ্ৰহণ কৰে। সেই পাতনি খনেই বহু প্ৰশংসিত হৈ তেখেতৰ সাহিত্য প্ৰতিভাৰ বিকাশ কৰে।

## মাতৃ ৺সোমেশ্বৰী দেবী

৺মাধবচন্দ্ৰ বৰদলৈয়ে কলীয়া বৰদলৈৰঘৰৰ ৺দেহীৰাম বৰদলৈ পাটগিৰীৰ কন্যা সোমেশ্বৰীদেবীক বিয়া কৰায়।

সোমেশ্বৰী দেবীৰ সকতে মাক ঢুকায়। তেখেতক সেই দিনতো, ঘৰতে পণ্ডিতে পঢ়াইছিল। তেখেত অতি মেধাবী আৰু তীক্ষ্ণ বুদ্ধি সম্পন্না আছিল। তেতিয়াৰ নিয়ম মতে পুৰণি শাস্ত্র গীতা ভাগৱত নাম ঘোষা ইত্যাদি বুজিব আৰু লেখিব পৰা লৈকে শিক্ষকে পঢ়াইছিল। তেখেতৰ অদ্ভুত মুখস্থ শক্তি, প্ৰায় বিলাক তেখেতৰ কণ্ঠস্থ আছিল। পাতৰ কাপোৰত গুণাৰ ফুল বচা ৰেজিৰেকাপোৰত কাচিপৰ কাম কৰাত তেখেত অতি পাকৈত শিপিণী আছিল। আৰু দেউতাকৰ পৰা তেখেতে কবিৰাজী বিদ্যাও কিছু শিকিছিল, বিশেষকৈ নাড়ী জ্ঞানত তেখেতে অদ্ভুত কৃতিত্ব দেখুৱাইছিল। তেখেত অলপ খঙাল প্ৰকৃতিৰ মানুহ আছিল। কিন্তু বুদ্ধি পৰামৰ্শ সাহ আৰু অধ্যৱসায় অসাধাৰণ ব্যক্তিত্বত তেখেতে সমাজত এখন সন্মানিত আসন লব পাৰিছিল। ৺মাধববৰদলৈৰ চাৰিজন লৰা আৰু ৮ গৰাকী ছোৱালীয়ে জন্ম গ্ৰহণ কৰে।

৺মাধৱচন্দ্র বৰদলৈয়েও দেউতাকৰ দৰে দুগৰাকী পত্নী বিয়া কৰয়ে। দ্বিতীয়া পত্নী ৺সেউতী দেবীয়ে দুটি ছোৱালী সন্তান থৈ ভৰ বয়সতে স্বৰ্গী হয়।

## জন্ম আৰু শৈশৱ—

উত্তৰ গুৱাহাটীৰ পুৰণি ভেটিতেই মাধবচন্দ্ৰ বৰদলৈৰ দ্বিতীয় পুত্ৰ পিতৃদেৱ ৺নবীনচন্দ্ৰ বৰদলৈৰ ১৭৯৭ শঁকৰ ১৩ কাতি দেওবাৰ ভাতৃ দ্বিতীয়াৰ দিনা জন্ম হয়। নবীনচন্দ্ৰ জন্ম

হওঁতে দেউতাক ঘৰত নাছিল। ছদিনৰ দিনা ধান তলিয়া গাঁৱৰ পণ্ডিত এজনে ৺নবীনচন্দ্ৰৰ জন্ম পত্ৰিকা গণনা কৰিলে। আৰু কলে জাতকৰ "গণ্ডযোগ।" দেউতাক মাধবচন্দ্ৰই তেতিয়া দক্ষিণ গুৱাহাটীত থাকি ওকালতি কৰিছিল। লৰা জন্ম হোৱা শুনি ঘৰলৈ যাবলৈ ওলাইছিল, এনেতে ঘৰৰ পৰা তেওঁক আহিবলৈ নিষেধ কৰি পঠিয়ালে। কাৰণ "গণ্ডযোগ পালে ছমাহলৈ পিতাকে পুত্ৰমুখ চাব নাপায়।

ইপিনে ককাক ৺দেহীৰাম বৰদলৈয়ে নাতিয়েকক চাবলৈ ভাৰভেটি লৈ উত্তৰ গুৱাহাটীত উপস্থিত হলগৈ। শুনিলে নাতিয়েকৰ গণ্ডযোগ। তেখেত প্ৰসিদ্ধ জ্যোতিষী আছিল। তেখেতে ততালিকে লগ্ন স্থিৰ কৰি ৺নবীনচন্দ্ৰৰ জন্ম পত্ৰিকা কৰি পেলালে। পণ্ডিতৰ ভুল গণনা দেখি তেখেতৰ বৰ খঙ উঠিল, পণ্ডিতক বিচৰাই পঠিয়ালে—আৰু জীয়েকক কলেগৈ "আই তোৰ এই ল'ৰা খেৰৰ ঘৰত জন্মিছে, ই কিন্তু সদায় অট্টালিকাত বাস কৰিব, আৰু সমগ্ৰ দেশত এজন স্বনামধন্য পুৰুষ হ'ব। বংশত সূৰ্যৰ দৰে উজ্জ্বল হ'ব আৰু দীৰ্ঘায়ু হব।

হাতত সোণৰ মোহৰলৈ পুত্ৰ মুখ চাবলৈ জোঁৱায়েকক মাতি পঠিয়ালে। দেউতাকে ৰং মনেৰে হাতত সোণৰ মোহৰ লৈ পুত্ৰ মুখ চালেহি। নাম দিলে "নবীনচন্দ্ৰ" ঘৰত মাতিছিল "নান্নু" বুলি। নবীনচন্দ্ৰবৰদলৈদেৱ সকতে অতি শান্ত প্ৰকৃতিৰ নিজু ল'ৰা আছিল বুলি মাকে কৈছিল। কেতিয়াও ডাঙৰ কৈ নাকান্দিছিল, উচুপি পেন্ পেনাই থাকে। কাৰো লগত

দন্দ কাজিয়া নকৰে ; আপোন মনেৰে গুণ্ গুণ্ কৈ গান গাই গাই উমলি ফুৰে। বৰদলৈদেৱে নিজে কৈছিল—তেখেতে বুঢ়ীমাকক বৰ ভাল পাইছিল, আৰু বুঢ়ীমাকৰ লগতে সদায় শুইছিল। পুৱতী নিশাৰে পৰা বুঢ়ীমাকে বৰগীত গায়—

উঠৰে উঠ বাপু! গোপাল হে
নিশি পৰভাত ভৈল
কমল নয়ন বুলি ঘনে ঘন
যশোৱা ডাকিবে লৈল—ইত্যাদি

তেখেতে শুনি বৰ ভাল পাইছিল, আৰু নিজেও বুঢ়ীমাকৰ পৰা বৰগীত গাবলৈ শিকিছিল। সেইবাবেই তেখেতৰ অসমীয়া গীত মাত ঘোষা বৰগীত বৰ প্ৰিয় আছিল। তেখেতৰ গুৰু গম্ভীৰ কণ্ঠৰ বৰগীত—ঘোষাৰ সুৱলা সুৰ আজিও কানত বাজি থকা যেন লাগে। আমি যেতিয়া নিচেই সৰু আছিলো তেতিয়া লৰাছোৱালীক সিচুকাওতে গোৱা বৰগীত—

কি ৰূপ, দেখাইলা শ্যাম
কদম্ব মূলে
মদনমোহন বনমালা
জ্বলে গলে হে—
আগো মাই, তোহাৰ তনয় যদুমণি ;

বৰগীতৰ শুৱলা আৱেগময় গম্ভীৰ কণ্ঠৰ সেই সুৰৰ কপনি আজিও কানত প্ৰতিধ্বনিত হয়।

## চৰিত্ৰ বিকাশ

সৰুৰ পৰাই পিতৃ নবীনচন্দ্ৰ বৰদলৈদেৱৰ স্বভাৱ আছিল কৰ্ম্ম নিপুণ। অবাবত সময় নষ্টকৰা তেখেতৰ স্বভাৱ নাছিল, সৰুৰে পৰা তেখেতৰ এই স্বভাৱ বৈশিষ্টতাই মানুহৰ দৃষ্টি আকৰ্ষণ কৰে। পঢ়াশুনা খেল ধেমালি আদিত দিনটো ব্যস্ত হৈ থাকে ; সৰু সুৰা কথালৈ তেখেতে মনকান নকৰিছিল। খেলাত তেখেতৰ বৰ ৰাপ। ফুটবল খেলি গধূলি হাত ভৰি ঘূণ লগাই আহে। ব্ৰহ্মপুত্ৰৰ দাঁতিতে উত্তৰ গুৱাহাটীত তেখেত সকলৰ ঘৰ আছিল। লৰালি কাল খিনি ব্ৰহ্মপুত্ৰত সাতুৰি নাতুৰী ডাঙৰ হবলৈ সুযোগ পোৱাত, বৰদলৈদেৱে খুব সাতুৰিব আৰু, নাও বাব জানিছিল। ব্ৰহ্মপুত্ৰৰ বালিত চৰি থকা ঘোৰা বোৰত উঠি বালিত চেকুৰাই, ঘোৰাত উঠিবলৈ শিকে। পিচত দেউতাকে লৰাইতৰ কাৰণে ডাঙৰ ঘোৰাত উঠা শিকিবলৈ সুবিধা দিছিল। সেই বাবে বৰদলৈদেৱৰ এটাই কেউজন ককাইভাই ভাল "ঘোৰ চোৱাৰ" চিকাৰী আৰু নাও মৰা সাতোৰাত পাকৈত।

আজি কালিৰ অসমীয়া নগৰীয়া লৰাই পঢ়াশুনা বল খেলাৰ বাহিৰে, চিকাৰ কৰা, নাও মাৰিবলৈ শিকা, ঘোঁৰাত উঠা সাঁতোৰা এইবোৰ শিক্ষালৈ মনকান নকৰে। আগৰ কালৰ অসমীয়া লৰা এই বিলাক প্ৰত্যেক বিষয়তে পাকৈত আছিল।

এদিনৰ কথা। কেইজনমান ভদ্ৰলোকে "কেৰম" গুটি

খেলিছে। এনেতে বৰদলৈদেৱ উপস্থিত হল। এজনে মাতিলে, "আহক বৰদলৈ; এখেল খেলক হি! বৰদলৈদেৱে তপৰাই উত্তৰ দিলে! বুজিছে মই এই বিলাক খেল খেলি ভাল নেপাওঁ। মটা মানুহে এনেদৰে টুকুৰিয়াই থকা খেল খেলি সময় নষ্ট কৰা মই সমুলি দেখিবও নোৱাৰো। যি বোৰত শক্তিৰ চৰ্চ্চা হয় সেইবোৰ খেল হে মই ভাল পাঁও। মোক দিয়ক ফুটবল খেলিবলৈ, পল খেলিবলৈ, মই সেই বোৰত আপত্তি নকৰো।"

পিতৃ বৰদলৈদেৱৰ নিচেই সৰুকাল ডোখৰ দেউতাকে বাহিৰত থাকি চাকৰি কৰিব লগীয়া হোৱাত, অকল মাকৰ শিক্ষাতে, তেখেতৰ সৰ্ব্বতোমুখী প্ৰতিভা বিকাশ হবলৈ সুবিধা পাইছিল। শুচি শুদ্ধাচাৰিণী মাতৃৰ পৰাই শিশুকালতে পুত্ৰৰ কোমল হিয়াত কৃষ্ণভক্তিৰ সঞ্চাৰ হবলৈ ধৰিলে। গৃহ-বিগ্ৰহ বাসুদেৱৰ পূজা নোহোৱালৈকে গৃহিণীয়ে জলগ্ৰহণ নকৰে। স্নেহত কোমল, শাসনত কঠোৰ চৰিত্ৰৱতী পূজনীয়া মাকৰ আজ্ঞা গোটেই পাৰিয়ালে ৰাণীৰ দৰে সসন্মানেৰে পালন কৰিছিল। কাৰণ তেখেতৰ ব্যক্তিত্ব আছিল অসাধাৰণ বুদ্ধি পৰামৰ্শ সৎসাহ, নেৰানেপেৰা চেষ্টা, একাগ্ৰতা, ব্যক্তিত্বৰ ক্ষমতা মহীয়সী মাকৰ পৰাই পিতৃ বৰদলৈদেৱে অধিকাৰীসূত্ৰে পোৱা গুণ।

মাকৰ চিৰকলীয়া আদেশ আছিল, নিজৰ লৰা ছোৱালী, পিচত, নাতিনীৰ ওপৰতো গধূলি পঢ়াশুনা কৰাৰ আগতে

তিনি আধ্যা কীৰ্ত্তন ঘোষা, ৰামায়ণ বা মহাভাৰত সুৰলা কৈ জাত লগাই গাই তেখেতক শুনাব লাগিব। এই নিয়ম সকলোৱেই পালন কৰি আহিছিল। পঢ়াৰ লগে লগে ৰামায়ণ মহাভাৰতৰ গল্প বিলাক সুন্দৰকৈ আৰু পৰিপাটীকৈ লৰা ছোৱালীক তেখেতে বুজাই দিছিল। লৰা ছোৱালী বোৰে পঢ়াৰ লগে লগে "ৰামায়ণ" "মহাভাৰতৰ" বিষয়ে এটি সহজ শিক্ষা হৈ যায়। সেই শিক্ষাই গোটেই জীৱনতে কাম কৰে। পিচত আৰু বেলেগে পঢ়িবৰ আৱশ্যক নহয়। বৰদলৈদেৱে এদিন কৈছিল।

"মই সাত বছৰ বয়সত প্ৰায় এমাহে যেতিয়া—"ৰামায়ণ" শেষ কৰোঁ। আইয়ে সেইদিনা খুব ধুমধামেৰে সবাহ পাতি মানুহক জলপান খুৱাইছিল"

তেখেতৰ পৰা আৰু এদিন আমি শুনিবলৈ পাইছিলো।

ভাৰতীয় শিশুৰ সকলো শিক্ষাৰ আগতে—"ৰামায়ণ আৰু মহাভাৰত শিক্ষা হ'ব লাগে। ৰামায়ণ মহাভাৰতৰ আদৰ্শ-পূৰ্ণ চৰিত্ৰৰ চিত্ৰবোৰ শিশুৰ কোমল মনত আঁকি দিব নোৱাৰিলে ভাৰতীয় শিশুৰ শিক্ষা সম্পূৰ্ণ নহয়। "ৰামায়ণত" ৰামৰ পিতৃভক্তি, লক্ষণৰ ভাতৃপ্ৰেম, সীতাৰ সত্যাগ্ৰহপূৰ্ণ সতীত্ব, উৰ্ম্মিলাৰ নীৰৱ ত্যাগ, এনে দৃষ্টান্ত বোৰে, শিশু চৰিত্ৰত নিপুণ ৰেখা পাত কৰে।

"মহাভাৰতো" এখনি অপূৰ্ব্ব গ্ৰন্থ, যি খনি গ্ৰন্থত সম্পূৰ্ণ ভাবে ভাৰতীয় সংস্কৃতিয়ে বিকাশ লাভ কৰিছে। এই দুখনি

গ্ৰন্থত, অতীত ভাৰতৰ গৰিমাপূৰ্ণ সংস্কৃতি যেনে ভাবে বৰ্ণিত হৈছে, তেনে ভাবে আন কোনো গ্ৰন্থত দেখা নাযায়। মহাভাৰত পঢ়িলে সহজভাবেই চকুত পৰে, অতীত ভাৰতৰ ৰাজনীতি আৰু সমাজ জীৱনৰ চিত্ৰ। ধৰ্ম্মৰ প্ৰতি তেখেতৰ দৃষ্টি সদাই মুকলি আৰু উদাৰ আছিল। নৈতিক হিন্দু হিছাবে স্বধৰ্ম্মৰ প্ৰতি তেখেতৰ অনুৰাগ আছিল। নিতৌ নিয়মমতে তেখেতে নিজৰ সন্ধ্যা আহ্নিক কৰিছিল। কিন্তু তেখেতৰ স্বধৰ্ম্মৰ এই অনুৰাগে অন্য ধৰ্ম্মৰ প্ৰতি তেখেতক বিৰাগী কৰি তোলা নাছিল। তেখেতৰ ওচৰত "কোৰাণ" এখনি পৱিত্ৰ গ্ৰন্থ আছিল। জেলত থাকোতে তেখেতে সদায় "কোৰাণ" পাঠকৰা কথা আমি জানো। হাতেমতাই গ্ৰন্থও তেখেতে অনুবাদ কৰিছিল। "বাইবেলৰ" বহুতো নীতি বচন শুনোৱা আজিও মনত পৰে। ধৰ্ম্মৰ বিচাৰত তেখেত উদাৰ মতাবলম্বী হলেও নাস্তিক নাছিল। সকলো ধৰ্ম্মকে তেখেতে শ্ৰদ্ধা কৰিছিল। আজিৰ যুগত আমি যি জন জগতৰ শ্ৰেষ্ঠ মানৱ "মহাত্মা গান্ধীজীক" লগ পাইছো, সেই জনৰ জীৱনৰ ইতিহাসে আমাক চিনাকি দিয়ে যে তেখেতৰ অভিনৱ চৰিত্ৰ বিকাশৰ মূলতেই গীতা ৰামায়ণ কোৰাণ বাইবেল মহাভাৰতৰ ধৰ্ম্ম আৰু নীতি জ্ঞান।

মনুষ্যত্বৰ মূৰ্ত্ত-প্ৰতীক ধৰ্ম্মগ্ৰন্থবিলাকৰ শিক্ষাৰ মোল আজিৰ দিনত অসমীয়া শিশুৱে নাপাই বুলিলে বঢ়াই কোৱা নহয়। ভাৰতবৰ্ষৰ আন আন প্ৰদেশত এই অমূল্য পুথিবোৰ স্কুলৰ



ছাত্ৰ ৺বৰদলৈ

পাঠ্যত ঠাই পাইছে। কিন্তু অসমৰ স্কুলৰ পাঠ্যত এতিয়াও এই অমূল্য পুথিবোৰে ঠাই পোৱা নাই। ভবিষ্যত অসমৰ শিক্ষাৰ প্ৰণালী পৰিবৰ্ত্তনৰ লগে লগে এই পুথিবোৰৰ মোল বাঢ়িব বুলি ভাবো। বৰদলৈদেৱৰ জীৱনৰ বিকশিত অৱস্থাতে ভাৰতৰ এই পুৰণিগ্ৰন্থ দুখনিয়ে যথেষ্ট প্ৰভাব বিস্তাৰ কৰিছিল যেন অনুমান হয়।

## "স্কুলীয়াজীৱন"

স্কুলীয়া জীৱনৰে পৰা বৰদলৈদেৱৰ চৰিত্ৰৰ এটি বেলেগ বিশেষত্বই সকলোকে আকৰ্ষণ কৰে। সেইটি হৈছে, তেখেতৰ যুক্তি পূৰ্ণ মতামতৰ দৃঢ়তা। তেখেতৰ যুক্তি পূৰ্ণ আৰু ন্যায়ৰ পক্ষপাতিত্বৰ দৃঢ়তা দেউতাকেও পেলাবলৈ টান পাইছিল। সমনীয়া ভাইককাই সকলে, বৰদলৈদেৱক নোশোধাকৈ বা অমতে কোনো কাম নকৰিছিল। সৰু কালৰে পৰা তেখেতে দুখীয়া সুখীয়া কাৰো প্ৰতি অন্যায় অবিচাৰ কৰা সহিব নোৱাৰিছিল।

দেউতাক ৺মাধৱচন্দ্ৰ বৰদলৈ বদলি হৈ সপৰিয়ালে তেজপুৰলৈ গল। তেজপুৰত ভালে দিন থাকিব লগা হোৱাত তেজপুৰত মাটি কিনি—তেখেতে বঙলা সজায়। এতিয়া তেজপুৰৰ মাধৱ বোডৰ কাষৰ ই, এ, চি থকা বঙলাটো ৺মাধৱ

বৰদলৈয়েই সজা। বঙলাটোৰ আগেদি যোৱা আলিটো ৺মাধবচন্দ্ৰ বৰদলৈৰ নামেৰে মাধব ৰোড নাম দিয়া হৈছে।

তেজপুৰৰ সেই বঙলাতেই নবীনচন্দ্ৰবৰদলৈ দেৱৰ শৈশৱ কাল ওৰপৰে। তেজপুৰৰ হাই স্কুলৰ পৰাই তেখেতে এণ্ট্ৰেন্স্ পাচ কৰে। তেজপুৰ হাই স্কুলৰ লিটাৰেৰী ক্লাবৰ বৰদলৈদেৱ সম্পাদক আছিল। সেই সময়ত অসমত বঙালী ভাষাৰ মহা পয়োভৰ।

ইংৰাজ সকলৰ লগত বঙালী বাবু সকল কেৰাণী হৈ অসমলৈ আহিবলৈ ধৰে! শেষত সেই সকলেই চৰকাৰৰ ঘৰৰ উচ্চ বিষয় বাব পাই, শিক্ষিত নামেৰেও পৰিচিত হৈ পৰে। কাৰণ সেই সময়ত অসমত উচ্চ শিক্ষাৰ বহুল প্ৰচলন হোৱা নাছিল; বঙালী লোক সকলক অসমীয়া মানুহে আলহী ভাৱি উদাৰ মনেৰে সাৱটি লৈ সকলো সুযোগ আৰু সহায় দি আপোন কৰি লবলৈ বিচাৰিছিল। আৰু বঙালী ভাষাৰে কথা কৈ গৌৰৱ অনুভৱ কৰিছিল। বঙালী ভাষা হেনা হুচা কৈ কৈও অসমীয়া মানুহে ৰং পাইছিল। অসমীয়া সমাজতো বাহুল্য ভাবে শাৰী পিন্ধা প্ৰচলন হৈ পৰিছিল। স্কুলৰ পাঠ্য পুথি বিলাকো তেতিয়া বঙালী আছিল। বঙালী কৰ্ম্মচাৰী সকলৰ সুবিধাৰ কাৰণে আদালতৰ নথি পত্ৰ বোৰ আৰু ফৰ্ম, ওকালতনামা, সকলোৱেই তেতিয়া বঙালী ভাষাৰে চলিছিল। লগে লগে অসমীয়া আমোলা সকলেও—বঙালী বাবু সকলৰ অনুকৰণত নামৰ আগত বাবু লেখিবলৈ ধৰিলে।

এই বিলাক বিজতৰীয়া ধুনলৈ অসমীয়া সমাজে ক্ৰমাত গা এৰি দিছিল। অসমীয়া জ্ঞানী সমাজে তেতিয়ালৈকে এই বোৰ কথালৈ চকু দিয়া নাছিল।

কিন্তু এই বোৰ কথাত পোন্ধৰ বছৰ বয়সীয়া ৺নবীন বৰদলৈৰ চোকা চকু পৰিল! তেখেত স্কুলীয়া ছাত্ৰ হৈয়ো অসমীয়া সমাজৰ এই আসোঁৱাহ গুছাবলৈ উঠি পৰি লাগিল, নিজে গবৰ্ণমেন্টলৈ লিখা লিখি কৰিবলৈ ধৰিলে। পিচত জ্ঞানী সমাজে গমি চাই উচিত ভাবি ইয়াৰ প্ৰতিকাৰ কৰিলে। বৰদলৈ দেৱৰ লেখা লেখিত ৺লক্ষ্মীনাথ বেজ বৰুৱায়ো এই কথাত হয়ভৰ দিয়ে। শেষত সৰহ ভাগ অসমীয়া ৰাইজে এই কথা সমৰ্থন কৰিলে। অসমীয়া সকলক "বাবু"ৰ ঠাইত শ্ৰীযুত লেখিবলৈ অনুৰোধ জনাই বৰদলৈদেৱে লেখা মতেই, তেতিয়াৰে পৰা সকলো অসমীয় ৰাইজে শ্ৰীযুত লেখিবলৈ ধৰিলে।*

## কলেজীয়া জীৱন।

কলিকতাৰ "ছেণ্টজেভিয়াৰচ" কলেজৰ পৰা আই, এ আৰু প্ৰেছিডেন্সী কলেজৰ পৰা বি, এ, পাছ কৰি বৰদলৈদেৱে

* বৰদলৈদেৱৰ ডায়েৰীৰ পৰা উদ্ধৃত।

বি, এল, আৰু এম্, এ, পঢ়িবলৈ লয়। এম, এ, ত কৃতকাৰ্য্য হব নোৱাৰিলে, বি, এল পাছ কৰিয়ে তেখেতে ছাত্ৰ জীৱনৰ সামৰনী পেলাই।

আই, এ পঢ়া কালত ছেণ্টজেভিয়াৰচ কলেজৰ ওখ মনা পাদুৰী অধ্যাপক সকলৰ সংস্পৰ্শত তেখেতে উচ্চ বিষয়ৰ আলোচনা কৰিবলৈ সুযোগ পায়। ইউৰোপীয়ান কাল্‌চাৰৰ বিষয়ে মনোযোগ দি সেই বিষয়ে পঢ়া শুনা কৰে, এই বিলাক আলোচনা আৰু অধ্যয়নৰ ফলত তেতিয়াৰে পৰা তেখেতৰ মনত এটি স্বাধীন চিন্তাধাৰাই ঠাই লয়।

পঢ়া কালত তেখেতে কেইবা গৰাকীও বিশিষ্ট বন্ধু লাভ কৰে। পণ্ডিত হৰিনাথ দে, আৰু বিহাৰৰ দুজন বন্ধু চন্দ্ৰশেখৰ লাল, পৰমেশ্বৰ পাল, বিভূতি ভূষণ বৌত্ত, প্ৰবোধ চন্দ্ৰ পাল, ইত্যাদি বিদেশী বন্ধুৰ বাহিৰেও, অসমীয়া সহপাঠী সকলৰ ভিতৰত শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন, ৺সূৰ্যকান্ত বৰুৱা, ৺চন্দ্ৰকান্ত আগৰৱালা, ৺গোপালচন্দ্ৰ ভূঁঞা, শ্ৰীযুত ৰজনীকান্ত শৰ্ম্মাৰে বৰদলৈদেৱে একে লগে পঢ়িছিল।

কলিকতাৰ কলেজত পঢ়া কালত বৰদলৈদেৱৰ উৎসাহত উৎসাহিত হৈ এমুঠি অসমীয়া লৰাই হেজাৰ হেজাৰ বঙালীৰ মাজত অসমীয়া জাতিৰ মৰ্য্যাদা অটুট ৰাখি সাহসী অসমীয়া বুলি নাম ৰাখিব পাৰিছিল। সেই সময়ত অসমীয়া লৰাৰ সাহ পিত দেখি স্থানীয় ছাত্ৰ সকলে ভয় কৰি চলিছিল। কলিকতাত পঢ়া কালতে বৰদলৈদেৱে আন আন খেলৰ

বাহিৰেও "মুষ্টিযুদ্ধ" শিকিছিল। সেই সময়ৰ লৰাৰ মাজত ভাল "বক্সাৰ" বুলি নাম কৰিছিল।

এবাৰ স্থানীয় ছাত্র সকলৰ লগত অসমীয়া ছাত্র সকলৰ কাঁজিয়া হয়; বৰদলৈ সহা বিধৰ লৰা নাছিল, তেওঁ কিবা এটি ওলোটা পোতক তুলিলে; শেষত স্থানীয় ছাত্র সকলে ষড়যন্ত্র কৰি বৰদলৈৰ পিচত ভাড়াটীয়া গুণ্ডা লগাই দিয়ে।

"শ্যামা গুণ্ডা" নামৰ এজন বিখ্যাত গুণ্ডা বৰদলৈৰ পিচত লাগিল, এদিন অকলে পঢ়ি থকা অৱস্থাত নিজৰ কোঠালীতেই অতৰ্কিত ভাবে শ্যামা গুণ্ডাই বৰদলৈক আক্রমণ কৰে। বৰদলৈ দেৰে ততালিকে পেচ্ দি গুণ্ডাৰ হাতৰ 'পৰা মুকলি হৈ গুণ্ডাৰ নাকত এটা ঘোচা মাৰে; ঘোচা খাই গুণ্ডা মাটিত পৰি যায় আৰু অচেতন হৈ পৰে। নাকেৰে তেজ ববলৈ ধৰে। এই ঘটনাই স্থানীয় ছাত্র সকলক পেপুৱা লগালে। তেতিয়াৰে পৰা স্থানীয় ছাতৰ সকলে, অসমীয়া লৰাৰ লগত লাগিবলৈ সাহ নকৰা হ'ল। শক্তিবান আৰু সাহসী বুলি অসমীয়া লৰাৰ এটা নাম বৈ গল।

কলিকতাত পঢ়া কালতে বৰদলৈদেৱে সঙ্গীত আৰু বাঁহী বজাবলৈ শিকে। তেখেতে কিছুমান অসমীয়া সঙ্গীত ৰচনা কৰে। কলেজ এৰি আহিবৰ সময়ত বিদায় সভাত এটি সঙ্গীত ৰচনা কৰি গাইছিল; সেই গীতটিয়ে সমনীয়া লৰা বহুতৰে চকুপানী উলিয়াইছিল। গীতটি আছিল—

আজি বছৰৰ শেষে ভাৱৰীয়া বেশে
বিদায় মাগিছো ভাই
বহু দুখে সুখে প্ৰীতি ভৰা বুকে
মৰম চেনেহ পাই।

৺বৰদলৈ দেৱৰ সহপাঠী বন্ধু শ্ৰদ্ধেয় শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাই লেখিছিল "নবীনচন্দ্ৰ বৰদলৈৰ লগত যোৰহাটত একে লগে পঢ়িছিলো। সেই সময়ত নবীন বৰ ধুনীয়া আৰু মানুহৰ মৰম লগা আছিল। তেওঁৰ সমূলি একো দুষ্টালি নাছিল। ১৮৯২ চনৰ ফেব্ৰুৱাৰী মাহত মই যোৰহাটৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা দিবলৈ ডিবুৰুলৈ যাওঁ, নবীনেও তেজপুৰৰ পৰা এণ্ট্ৰেন্স দিবলৈ যায়। কাৰণ তেওঁৰ দেউতাক কেই বছৰমানৰ আগতে তেজপুৰলৈ বদলি হৈ যায়। ডিবুৰুত তেওঁক লগ পাই বৰ ৰং লাগিল। আমাৰ লগত পৰীক্ষা দিছিল, গুৱাহাটীৰ ৺অন্নদা কুমাৰ বৰুৱা, নন্দীশ্বৰ বৰুৱা, যোৰহাটৰ সাহজাহান আলি। এণ্ট্ৰেন্স পাচ কৰি কলিকতাত একেলগেই পঢ়িবলৈ যাওঁ, আৰু একেটা মেছতে নবীন আৰু নবীনৰ ককায়েক প্ৰবোধ দাদা, তিনিও একেটা চাকিৰ তলতে একেখন মেজতেই পঢ়িছিলো।

এদিন আমি কথা বান্ধিলো, যে আমি ইংৰাজিতেহে কথা হম ; যেয়ে এই নিয়ম ভাঙিব, সেয়ে এক পইছা কৈ জৰিমনা দিব। এখন বহীত নিয়ম ভঙাই প্ৰতি লেখি থোৱা

হয়। এই দৰে পইছা ভৰি আমাৰ আমনি লাগিল সেই নিয়ম বদ কৰি পেলোৱা হল।

শিয়ালদহ স্টেছনৰ ওছৰতে আমি এখন ফুটবল ফিল্ড্ লৈছিলো। মিছনৰ পাদৰী চাহাব কেইজন মানেও আমাৰ লগত খেলিবলৈ আহিছিল। বৰদলৈ তাৰ এজন ভাল ফেলুৱৈ আছিল। সেইবাৰ আমি এফ এ পাচ কৰোঁ। এফ, এ, পাচ কৰি নবীনে "প্ৰেছিডেন্সিত" পঢ়িবলৈ ললে। মই "চেন্টজেভিয়াৰচত" পঢ়িবলৈ ললোঁ। প্ৰেছিডেন্সিত পঢ়োতে তেওঁৰ দুজন সহপাঠিৰে বিশেষ বন্ধুত্ব হৈছিল, এজন সুবিখ্যাত পণ্ডিত চাৰ হৰিনাথ দে, ইজন বিহাৰৰ—তেওঁৰ নাম "পৰমেশ্বৰ লাল" পিচত নবীন বৰদলৈয়ে হাইকোৰ্টত ওকালতি কৰোতে তেওঁ বেৰিষ্টাৰ হৈ আহি, কলিকাতাত বেৰিষ্টাৰী কৰিছিল, কলিকতাত দুয়ো আকৌ লগ পাই, বৰদলৈক আইন ব্যৱসায়ত বহুত সহায় কৰিছিল।

নবীন বৰদলৈ সকলোৰে পৰা বৰ ওখ মনৰ, মহৎ স্বভাৱৰ মানুহ আছিল। তেওঁৰ জীৱনৰ সৰু সুৰা ঘটনা এটালৈ মোৰ মনত পৰে। ১৮ নম্বৰ আমহাৰ্ষ্ট ষ্ট্ৰীটত আমি মেছ কৰি থাকোতে, কিবা এটা সামান্য কথাত তেওঁৰে মোৰে দন্দ্ লাগিল, গুৰি কথাত দোষ আছিল আচলতে তেওঁৰে গাত, মোৰ গাত একো দোষ নাছিল। সেই বাবে দুয়ো কিছুদিন মাত বোল নকৰাকৈ আছিলো। এনেতে হঠাৎ মোৰ পিতৃ বিয়োগ ঘটিল। তেতিয়া তেওঁ এদিন আহি মোক সাবট মাৰি ধৰিলে আৰু কবলৈ ধৰিলে, "ভাই! তোমাৰ

বিপদত মই বৰ বেজাৰ পাইছো, সেইদিনাৰ কাজিয়াৰ বাবে মোক ক্ষমা কৰিবা। দোষ মোৰ গাত হে, তোমাৰ গাত নহয়। মোৰ ওপৰত বেজাৰ এৰি পেলোৱা” সেই সময়ত তেওঁৰ সৰল হিয়াৰ ছঁয়াটি মুখ দাপোনত জিলিকি উঠিছিল। মোৰ চকুপানী ওলাল; তেওঁৰো চকুত চকু পানী। তেওঁলৈ মোৰ ভক্তি জন্মিল।”

## বিবাহ আৰু শিক্ষা জীৱন

বুঢ়ী মাক স্বৰ্গীয়া পদ্মাৱতী দেৱী উজনি খণ্ডত নাতি লৰালৈ ছোৱালী চাবলৈ যায়। ডিবুৰুত দুগৰাকী, ছোৱালী দুই নাতি লৈ চাই ঠিক কৰি আহে। উজনিৰ চাহ খেতিয়ক ৺মালভোগ বৰুৱাৰ সৰু মাজিউ জীয়ৰী শ্ৰীযুতা হেমন্ত কুমাৰী দেৱীক মাজু নাতি ৺নবীনচন্দ্ৰ বৰদলৈ লৈ, আৰু ৺মালভোগ বৰুৱাৰ ভনীয়েকৰ সৰু জীয়েৰক বৰ নাতি শ্ৰীযুত প্ৰবোধচন্দ্ৰ বৰদলৈ লৈ খুজি মেলি ঠিক কৰি আহে। আগৰ দিনৰ বুঢ়া লোক সকলে ছোৱালীৰ লক্ষণ কাৰণ চাই লৰালৈ ছোৱালী খুজি বিয়া কৰাইছিল। সেই মতেই দুয়োটি ছোৱালী সুলক্ষন দেখি তিনি মাহৰ অগা পিচাকৈ দুই নাতিয়েকৰ বিয়া পাতে। তেতিয়াৰ দিনত লৰাৰ ওঠৰ কুৰি বছৰ, ছোৱালীৰ দহ এঘাৰ বছৰেই বিয়াৰ বয়স আছিল। গতিকে দুই ভায়েকৰ ওঠৰ কুৰি আৰু ছোৱালী দুয়োটিৰ এঘাৰ বছৰতেই বিয়া হৈছিল। লৰাই

ছোৱালী চাই বিয়া কৰোৱা তেতিয়াৰ দিনত নিয়ম নাছিল। মাক বাপেক গুৰুজনে জাঁতি গুৰি, বংশ মৰ্য্যাদা, ৰাশি চক্ৰ মিলাই লক্ষণ কাৰণ চাই ছোৱালী খোজে; লৰায়ো ছোৱালী নেদেখা কৈয়ে বিয়া কৰায়। সেই নিয়ম মতেই তেখেত সকলে বিয়া কৰাইছিল।

ডিবুৰুৰ ভনীয়েক অন্নদা দেৱীৰ ঘৰত থাকি ( শিৱৰাম বৰদলৈৰ পত্নী ) ধুমধামেৰ বিয়া হৈ যায়। সেই দিনৰ দৰাৰ সাজ আছিল অসমীয়া ধৰণৰ। অসমৰ দা-ডাঙৰীয়া সকলৰ ধৰণৰ সাজ পাৰ আছিল দৰাৰ সাজ পাৰ। মূৰত গুণাৰ কাম কৰা অসমীয়া পাগুৰী, গাত কাৰ্চিপৰ বা গোমচেংঙৰ দীঘল এঙা ছোলা হাতত গাম খাৰু, কাণত "লোকাপাৰ" ডিঙিত সাতসৰি, বা মালামণি, পাতৰ চুৰীয়া, গুণাৰ ফুলবচাচেলেং. এই ধৰণে অসমীয়া দৰাই সাজ পাৰ পিন্ধিছিল। পিতৃ বৰদলৈ দেউৰে মুখেই শুনা—তেখেত সকলে হেনো অসমীয়া দৰাৰ সাজ পিন্ধি বিয়া কৰাইছিল। বিয়াৰ বিষয়ে তেখেতে কৈছিল বিয়া কৰাবলৈ যোৱা মানে নব যৌৱনৰ অধিশ্বৰ তৰুণ পুৰুষে সেই দিনা জীৱনৰ পূৰ্ণ অধিকাৰী হবলৈ পৰম পৱিত্ৰ জয় যাত্ৰালৈ আগ বাঢ়ে মানুহ জীৱনৰ বাঞ্চিত জয়যাত্ৰাও ৰাজ বেশেহে শোভাপায়, নাইবা নিজৰ জাতীয় সাজপাৰ বীৰ বেশ পিন্ধি বিয়া কৰাবলৈ যাব লাগে। অসমৰ জাতীয় সাজ পাৰৰ "পাগ" এটি অপৰিহাৰ্য্য সাজ, সদায় নিপিন্ধিলেও অন্ততঃ বিয়াৰ দিনা দৰা হওঁতে পিন্ধিব লাগে। বঙ্গদেশৰ বিয়াৰ

দৰা কইনাকো বিয়াৰ দিনা টোপৰ, মুকুট পিন্ধাই। কিন্তু আমাৰ আজি কালিৰ অসমীয়া দৰা সকলে, নিজৰ সাজ পাৰতো এৰিলেই,—বঙালীবাবুৰ সাজপাৰ হে ললে। বঙালী বাবুটিৰ দৰে সাজি পাৰি, মুখত ৰুমাল খন লৈ এজনে ধৰিনি দৰাটিক আলফুল কৈ বহুৱাব লাগে। এনে ধৰণৰ দৰাৰ সাজ মই সমূলি ভাল নাপাও। অসমীয়া দৰাৰ সাজত এটি জাতীয় বিশেষত্ব ৰাখিবলৈ যত্ন কৰিব লাগে। বৰদলৈদেৱৰ দুয়ো ভাই ককাইয়ে বিয়া কৰাই আকৌ পঢ়িবলৈ কলিকতালৈ গল। এফ, এ, পৰীক্ষা দিয়াৰ আগেতেই বৰদলৈদেৱে বিয়া কৰাই।

---

## নৰীয়া পাটিত বৰদলৈ

কলিকতাত পঢ়া কালতে নবীনবৰদলৈৰ বৰ শকত নৰীয়া হয়। টান বিধৰ টাইফয়েড জ্বৰত বৰদলৈদেৱৰ জীৱন সঙ্কটাপন্ন হৈ উঠে। সেই মেছতে স্বৰ্গীয় কনকলাল বৰুৱা ডাঙৰীয়াও আছিল। কনকলাল বৰুৱা আৰু ককায়েক প্ৰবোধচন্দ্ৰ বৰদলৈৰ শুশ্ৰুষা আৰু ডাক্তৰ ছাৰ নীলৰতন সৰকাৰৰ চিকিৎসাত বৰদলৈদেৱ সেই যাত্ৰা কোনো মতে ৰক্ষা পৰিল।

তেতিয়াৰ দিনত কলিকতা আজি কালিৰ দৰে অহা যোৱাৰ সুচল নাছিল, জাহাজেৰে গৈ সাত-আঠ দিনে কলিকতা

পাইছিল। অসমীয়া লৰা কলিকতাত পঢ়িবলৈ গৈ বেমাৰ পৰিলে মাক বাপেকৰ ধাতু নোহোৱা হয়।

বৰদলৈদেৱৰ পৰিয়াল বিলাক তেতিয়া বৰপেটাত আছিল, নকৈ বিয়া কৰাই থৈ গৈ তেখেত শকত নবীয়াত পৰাত, দেউতাক, মাকহঁতৰ, আৰু ইপিনে শহুৰেকৰ ঘৰতো অতি চিন্তাৰ বিষয় হৈছিল। কলিকতাৰ পৰা ডিবুৰুলৈ দহ দিনৰ বাট চিঠি পত্ৰ ও দহ বাৰ দিনে হে পোৱা যায়। সেই বাবে, দেউতাকে আৰু শহুৰেকে দিনৌ একোখন টেলিগ্ৰাম কৰি খবৰ লব লগা হৈছিল। আশঙ্কা উদ্বিগ্নতা লৈ পদুলী মুখলৈ চাই চাই দেড়মাহ কাল কটোৱাৰ পিচত দুয়ো ঘৰেই দুশ্চিন্তাৰ হাত সাৰিলে। বৰদলৈ দেৱ ক্ৰমাৎ আৰোগ্য হল।

শহুৰেকৰ ঘৰত সদ্য বিবাহিতা বাৰ বছৰীয়া পত্নীৰ মনৰ অৱস্থা কি হৈছিল, তেখেতে নিজে এদিন কৈছিল শ্ৰীযুতাৰ মাজু বায়েক ৺শৰৎকুমাৰী দেবী এবছৰৰ আগতে মাথোন বাৰ বছৰ বয়সত বিধবা হৈছে ; বায়েকৰ বৈধব্য অৱস্থাই, তেখেতক অস্থিৰ কৰি তুলিছিল। বায়েকৰ বিধবা বেশ, কঠোৰ নীতিৰ বান্ধোন দেখি শ্ৰীযুতাই সদায় মনে মনে কান্দিছিল। বাইদেউ কৰ বৈধব্যৰ বিভীষিকাই, তেখেতৰ লৰালি জীৱনৰ চঞ্চলতা পাহৰাই নিজৰ ভৱিষ্যত জীৱনলৈ সতৰ্ক হবলৈ যেন এটি ইঙ্গিত দিছিল। তেখেতে কৈছিল, "মই সেই দেড়মাহকাল, মনে মনে গোঁসাই ঘৰত পৰি পৰি মাথোন কান্দিছিলো, কাৰণ মই বাইদেউক দেখি মোৰ অৱস্থা উপলব্ধি কৰিব পাৰিছিলো।

সেই বাবে মই দিনে ৰাতিয়ে ঈশ্বৰক প্ৰাৰ্থনা কৰিছিলো।" এই খিনিতে শ্ৰীযুতাৰ বাইদেউক ৺শৰৎ কুমাৰী দেবীৰ জীৱনৰ বিষয়ে এবাৰ উল্লেখ কৰিলো।

জগতৰ এই মানৱ সমাজৰ অৰণ্যত কত ফুল ফুটে, নীৰবে জীৱন সুৰভি বিলাই মানুহৰ চকুৰ আঁৰত পাহি সৰি, পৰি জাহি যায়। কোনে তাৰ সন্ধান ৰাখে ?

৺শৰৎকুমাৰী দেবী বাৰ বছৰ বয়সতে বিধবা হয়। স্বামী বিয়োগৰ খবৰ আহিল, বাহিৰত হুলস্থুল লাগিল, শিশু কন্যাৰ অকাল বৈধব্যৰ খবৰ নাই ৺দেউতাক মূৰ্চ্ছা গ'ল। ইপিনে শৰৎকুমাৰীয়ে কোঠালিত দুৱাৰ বন্ধ কৰি, গাৰ অলঙ্কাৰ এপদ এপদ কৈ সোলোকাই পেলালে। সেই দিনৰ পৰা সেই অকন মানি ছোৱালী জনীয়ে, যি কঠোৰ ব্ৰত অৱলম্বন কৰিলে—মাক বাপেক গুৰুজন সকলে কত কান্দি কাটি বঢ়াই বুজাই ও শৰৎকুমাৰীক সেই কঠোৰ ব্ৰতৰ পৰা লৰচৰ কৰাব নোৱাৰিলে। শৰৎকুমাৰী অতি ধীৰ গম্ভীৰ আৰু দৃঢ় মনৰ ছোৱালী আছিল। তেখেতৰ মনৰ অসীম জ্ঞান স্পৃহাৰ পৰিচয় পোৱা যায়। ঘৰতে তেখেতে নানা শাস্ত্ৰ অধ্যয়ণ কৰিবলৈ ধৰিলে। দেউতাকে ছোৱালীৰ শাস্ত্ৰ চৰ্চ্ছালৈ হেঁপাহ দেখি, প্ৰতি মাহে নানান মূল্যবান গ্ৰন্থ অনাই দিবলৈ ধৰিলে। তেখেতে নানা যোগ শাস্ত্ৰ অধ্যয়ণ কৰিছিল আৰু যৌগীক সাধনা কৰিছিল। তেখেতৰ লিখা কবিতা আৰু প্ৰৱন্ধ সেই সময়ৰ পুৰণি "আলোচনীত" মাহেকীয়া কাকতত প্ৰকাশ হৈছিল, সেই

বিলাক অতি উচ্ছাঙ্গৰ প্ৰবন্ধ আৰু কবিতা বুলি সুধী সমাজে সলাগিছিল।

বৰদলৈদেৱৰ নবীয়া ভাল হৈ অলপ উঠিব পৰা হওঁতেই, তেখেতক জাহাজেৰে বৰপেটালৈ লৈ অহা হয়। ঘৰত কেই দিন মান গা টঙাই, আকৌ এফ, এ, পৰীক্ষা দিবলৈ তেখেত কলিকতালৈ যাব লগা হয়। আৰামী চকিত বহি পৰীক্ষা দি তেখেতে দ্বিতীয় বিভাগত পাছ কৰে। এফ, এ পাছ কৰাৰ পাছত, দেউতাকে বৰদলৈক বিলাতলৈ পঠিয়াবলৈ মন কৰিছিল। দেউতাক—মাধবচন্দ্ৰ বৰদলৈদেৱৰ অন্তৰঙ্গ ইংৰাজ বন্ধু মিঃ আৰ চি মেকৰেৰ ( I. C. S ) নবীন বৰদলৈক বিলাতলৈ পঠিয়াবলৈ দেউতাকক পৰামৰ্শ দিছিল লণ্ডনত "মেকৰেৰ" নিজা ঘৰত ৰাখি পঢ়িবলৈ সুবিধা কৰি দিব খুজিছিল। কিন্তু বৰদলৈদেৱ বেমাৰ পৰি পৰীক্ষাৰ ফল ভাল কৰিব নোৱাৰাৰ কাৰণে; বিলাতলৈ যোৱাৰ আশা পৰিত্যাগ কৰিলে। কলিকতালৈ গৈ প্ৰেছিডেন্সি কলেজত বি, এ পঢ়িবলৈ ললে গৈ।

গৰমৰ বন্ধ, পূজাৰ বন্ধ, আৰু বৰদিনৰ বন্ধত, প্ৰবসুৱা দুয়ো ভাই ককাই ঘৰলৈ উলটি আহে। ঘৰ ভৰা পৰিয়ালৰ ৰং ধেমালিৰে ঘৰ উপচি পৰে। বৰদলৈদেৱৰ চাৰি ভাই ককাই, আঠ গৰাকী বাই-ভনী। ঘৰৰ দুই বোৱাৰী ঘৰলৈ আহিছে। মাক, মাহিমাক, আশ্ৰিত পৰিয়াল বন্দী বেটি আলহী অতিথিৰে চাৰি কুৰি পৰিয়ালৰ ঘৰ।

তাতে বৰপেটাত সদায় চিকাৰৰ ধুম আছেই। তেতিয়াৰ

দিনত বৰপেটাৰ চাউল খোৱাৰ সিটো পাৰে, খুব হাবি আছিল, আৰু খুব পছু চিকাৰৰ ঠাই আছিল। বৰপেটাৰ মানুহ বোৰ পছু চিকাৰত বৰ পাকৈত। মাধব বৰদলৈৰ এজনী চিকাৰী মাইকী হাতী আছিল তাইৰ নাম আছিল যাত্ৰা বৰদলৈদেৱৰ দুই-ভাই কলিকতাৰ পৰা আহিলেই ঘৰত চিকাৰৰ ধুম পৰি যায়। ভাই-ককাই চাৰিও জনেই ভাল চিকাৰী! নবীন বৰদলৈ আৰু বিপিন বৰদলৈ দুয়োজনেই বেচিৰ ভাগ চিকাৰ কৰে। প্ৰতি দিনেই বৰপেটাৰ পৰা দল বান্ধি চিকাৰী বোৰ নৈ পাৰ হৈ চিকাৰলৈ যায়। দিনে দহ বাৰটা কৈ পছু মাৰি হাতীত বান্ধি লৈ আহে আৰু গোটেই গাওঁ খনে ভগাই খায়। সেই সময়ত বৰপেটা মাছ গাখীৰ সব নানা তৰহৰ বস্তুৰে বৰ ভোগালী ঠাই আছিল।

মাজু ভায়েক বিপিনচন্দ্ৰই অকল পছু মাৰিয়েই নেৰিছিল; তেওঁ ভাল বাঘ চিকাৰীও আছিল। তেওঁ কেইবাটাও ডাঙৰ বাঘ মাৰিছে। এদিন বৰদলৈ আৰু বিপিনবৰদলৈ দুয়োজনেই বাঘ চিকাৰলৈ গ'ল। বহুত বিচাৰি বাঘ নাপাই বিৰিঙানীৰ মাজে মাজে উলটি আহি আছে; এনেতে অলপ দূৰৈত বিৰিঙা লৰি উঠিল; বিপিনবৰদলৈয়ে কলে সেইটো নিশ্চয় বাঘ পছুৱে এই দৰে বিৰিঙা নলৰাই! বাঘৰ নাম শুনি নবীন বৰদলৈয়ে, বাঘ মাৰিবলৈ ব্যস্ত হৈ উঠিল; তেতিয়ালৈকে বৰদলৈয়ে এটাও বাঘ মাৰিব পৰা নাই, অথচ ভায়েকে কেইবাটাও বাঘ মাৰিলে সেই বাবে তেখেতে ভায়েকৰ

হাক মুগুনি বিৰিঙাৰৈ লক্ষ্য কৰি গুলি এৰিলে, বাঘৰ পিচ তপিনাত গুলি লাগিল, বাঘটো আছিল ঢেকিয়া পতিয়া খুব ডাঙৰ বাঘ; সি হাতীৰ মূৰৰ ফালৰ হাওদালৈ জাপ মাৰিলে; ততালিকে বৰদলৈয়ে তাৰ কপালত কেইবাটাও গুলি লগাব পাৰিলে, আৰু বাঘ পৰিল। দৈবক্ৰমে বাঘৰ কপালত গুলি নলগা হেতেন, সেই দিনা, দুই ভায়েকৰ জীৱন-ৰক্ষা পৰা টান হল হয়। যেই হওক সেই দিনা বৰদলৈদেৱে বাঘটো মাৰি, মনৰ হাবিয়াস পুৰাবলৈ সুবিধা পালে। বাঘটো হাতীত বান্ধি ঘৰলৈ লৈ আহিল।

## বৰপেটাৰ ভুমিকম্পৰ মাজত।

অসমত ১৮৯৭ চনত এটা প্ৰবল ভূমিকম্প হয়। আবেলি তিনি মান বজাত ভয়ানক জোকাৰনিৰে প্ৰৱল ভূঁইকম্পৰ অনুভৱ হবলৈ ধৰিলে। একেৰাহে প্ৰায় কুৰি মিনিটমান প্ৰৱল জোকাৰনিত মাটিত বৰ বৰ ফাট মেলি তলৰ পৰা ফোৱাৰাৰ দৰে বালি মাৰিবলৈ ধৰিলে। এই ভূঁইকপৰ ফল বৰপেটা বাসীয়ে অলপ বেচি পৰিমানে ভূগিছিল বুলি শুনো। চাউল খোৱা নৈ খন জোকাৰনীত ক্ৰমাৎ ওফন্দি পৰি গোটেই বৰপেটা বুৰাই পেলাইছিল। বৰ বৰ গছ বোৰ উঘলি পৰিবলৈ ধৰিলে, মাটিত ভৰি নোবোৱা হল প্ৰজাৰ হাঁহাকাৰৰ ৰোল উঠিল। মাটিত বৰ বৰ ফাট মেলি ওপৰলৈ বালিৰ

ফুটনি উঠিবলৈ ধৰিলে, চাওঁতে চাওঁতে ঘৰ বোৰ জহি খহি গল। সেই সময়ত ৺মাধবচন্দ্ৰ বৰদলৈ মহকুমাধিপতি হৈ বৰপেটাত আছিল। তেখেতে সেই মুহূৰ্ত্তত আদালতৰ পৰা নামিছে মাথোন, এনেতে ওপৰৰ পৰা পকা বেৰ খন তেখেত বহা চকী খনৰ ওপৰতে খহি পৰিল। সকলো প্ৰজাক কাছাৰী ঘৰৰ আগৰ ওখ আলিটোত গোট খাবলৈ তেখেতে আদেশ দিলে। ইপিনে বৰ বৰ নাও বোৰ গোট খুৱাই বান্ধি, তাত লৰা ছোৱালী আৰু তিৰোতা মানুহ বোৰক তুলি প্ৰাণ ৰক্ষাৰ উপাই কৰিলে।

নিজৰ পৰিয়াল বোৰকো দুখন নাৱত তুলিলে। জোকাৰনী অলপ সাম কাটিলত, সকলো মানুহ থিত লাগিল সকলো পৰিয়াল গোটখালে, তেতিয়া খবৰ হল নবীনচন্দ্ৰ ঘৰত নাই, তেখেত মাউত আৰু এজন চিকাৰীৰে সৈতে হাতীলৈ চিকাৰলৈ গৈছে। ঘৰত কান্দোনৰ ৰোল উঠিল। সকলোৱে থিৰ কৰিলে, আজি এই প্ৰলয়ৰ ৰুদ্ৰ গ্ৰাসে নবীনক গ্ৰাসিলে। চাউলখোৱা নৈ খন সাগৰসংকাশ হৈছে, ইপাৰ সিপাৰ নেদেখি। প্ৰকাণ্ড প্ৰকাণ্ড ঢৌ জোকাৰনীৰ কোবত ঢৌ বোৰ কোবাল হৈ পৰিছে। মাটিৰ চিন নাই। প্ৰলয়ৰ পানীয়ে পৃথিবী খনক যেন গ্ৰাস কৰিলে। এনে অৱস্থাত কোন নদীৰ সিপাৰে কোনোবা অৰণ্যত তিনটি প্ৰাণী ৰক্ষা পৰিছেনে চাগৈ ?

ঘৰত হাঁহাকাৰ, প্ৰজাৰ হাঁহাকাৰ ! ঘৰে ঘৰে লৰা ছোৱালী

হেৰাইছে, কাৰো ঘৰ দুৱাৰ তল গৈছে, কাৰো ধন সম্পত্তিৰে সৈতে বাপতি সাহোন বৰপেৰা বৰফাটলৰে সোমাই কোন পাতাল পুৰী পাইছেগৈ কাৰো বা ভৰিৰ তলতে ফাট মেলি ভৰি সোমাই গৈ ভৰি ভাগিছে। গৰু, মহ, পোহনীয়া জন্তু বোৰ পথাৰৰ পৰা পানীৰ সোঁতত ভাঁহি গৈছে। লগে লগে গৰখীয়া লৰা বোৰো প্ৰায় ভাগেই উটি গৈছে। চাৰিও ফালে হাঁহাকাৰ আৰ্ত্তনাদ, শুনিলেও গাৰ নোম শিঁয়ৰি উঠে। ৺মাধচন্দ্ৰ বৰদলৈয়ে সকলোকে সান্তনা দিছে, তেখেতৰ মুখত মাত্ৰ একেষাৰ কথা, "ভয় নাই! ভয় নাই, গোবিন্দই ৰক্ষা কৰিব।"

নিৰাশাৰ মাজতো মানুহে আশাৰে বুক বান্ধে, দেউতাক ৺মাধবচন্দ্ৰই সুদূৰ অৰণ্যৰ বিপন্ন তিনটি প্ৰাণীৰ কিবা সঙ্কেট পাবৰ আশাত, "মহোদৰ দাস" নামৰ ভদ্ৰ লোক এজনক মাজে মাজে একো জাঁই বন্দুক মাৰি থাকিবলৈ আদেশ দিলে। তেখেতে পোন্ধৰ কুৰি মিনিটে বন্দুক মাৰিবলৈ ধৰিলে।

এই মহা প্ৰলয়ত নবীন বৰদলৈৰ জীৱন ৰক্ষা কৰিলে ঘৰুৱা চিকাৰী হাতীজনীয়ে। তাই হেনো শুঁৰেৰে মাটি টান ঢিলা চাই সুঙি সুঙি, টান মাটি পালে সন্তৰ্পণে জাপ মাৰি দিয়ে, ঢিলা মাটি দেখিলে পিচুৱাই আহে, ঠাউনী নাপালে পানীত সাতুৰি আহে, এই দৰে অতি সন্তৰ্পনে তাই ঘৰৰ পিনে আগুৱাই আহিবলৈ ধৰিলে। বাট-পথ দ বামৰ চিন নাই গোটেই খন সাগৰ সংকাশ। ইপিনে গধূলিৰ আন্ধাৰে চাৰিও

পিনে ঢাকি ধৰিছে তাৰ মাজে মাজে প্ৰভুভক্ত হাতী জনীয়ে, গৰাকীৰ প্ৰাণ ৰক্ষা কৰি আনিলে। নিশা বাৰ মান বজাত ভালে মান দূৰৈৰ পৰা বন্দুকৰ শব্দ শুনিবলৈ পোৱা গল। ঘৰৰ ফালৰ বন্দুকৰ শব্দ শুনি, ঘৰৰ আটঙ্ক বুজিব পাৰি, নবীন বৰদলৈয়ে তিনি জাই বন্দুক মাৰি তিনি ও ভালে থকাৰ সঙ্কেট দিলে।

বন্দুকৰ শব্দ শুনি দেউতাকে কলে, ৺গোবিন্দই বাছাক ৰক্ষা কৰিছে, ভয় নাই। মাক প্ৰায় মূৰ্চ্ছাৰ দৰে হৈ আছিল, তাতে তেখেতৰ ভৰি এখন মাটিৰ ফাটত সোমাই, ভগাৰ দৰে হৈছিল। ঘৰৰ সকলোৰে মনলৈ সান্ত্বনা আহিল, অলপ সময়ৰ পিচত তিতি বুৰি তিনিও জন ঘৰ ওলালহি। ভায়েক ককায়েক দেউতাক মাক সকলোৱে হেৰোৱা মাণিক ওলোটাই পাই, আন্দোলা আন্দোলি কৰি কান্দিবলৈ ধৰিলে।

সেই ৰাতিটো মহাদুৰ্যোগৰ মাজত নাৱৰ বুকত মহ দাঁহৰ কামোৰত সাপ বাঘৰ ভয়ত চকু মুমুদাকৈ গোটেই পৰিয়ালে কটালে।

ৰাতি পুৱাল। দেউতাক ৺মাধবচন্দ্ৰই নিজৰ পৰিয়াল আৰু প্ৰজাৰ সুখ সুবিধা খোৱা লোৱাৰ দিহা কৰিবলৈ লাগি গল। চহৰৰ আটাইবোৰ নাও গোটাই তাত লৰা ছোৱালী আৰু তিৰোতা সকলৰ থকাৰ আৰু খোৱাৰ ব্যৱস্থা কৰি দিলে।

তিনি মাহ পানীৰ ওপৰত নাৱত বৰপেটা বাসীৰ লগতে বৰদলৈৰ গোটেই পৰিয়ালে কটালে। তিনিখন ডাঙৰ বেপাৰী

নাৱঁত থকা আৰু খোৱাৰ ব্যৱস্থা কৰিছিল। ডাঙৰৰ অসুবিধা হৈছিল যদিও ডেকা গাভৰু সৰা ছোৱালী বোৰে বৰ ৰং পাইছিল। নাৱত উঠি বৰশী বাই, ভুৰ খেলি তেওঁলোকে বৰ ৰং পাইছিল। পানী শুকাল, কিন্তু মাধব বৰদলৈৰ বঙলা আৰু থকাৰ উপযোগী হৈ নাথাকিল। ভূইকঁপৰ জোকাৰণীতে তেনেই ভাগি চিগি গল। স্থানীয় লোকেল বোৰ্ডৰ অফিচৰ গুদাম ঘৰ দুটা কিছু ভালে আছিল, সেই গুদাম ঘৰ দুটাত সত্ত হতে কিছু দিন থাকিবলৈ লৈ, বৰ্ত্তমান চাউল খোৱা নৈৰ পাৰৰ S. D. O. ৰ চাং বঙলাটো মাধব বৰদলৈয় সজায়, তালৈ উঠি যায়। নবীন বৰদলৈদেৱ সেই বাৰ এফ, এ পাচ কৰি, বি, এ পঢ়িবলৈ কলিকতালৈ যায়। আৰু সেই বিপত্তিৰ মাজত লোকেল বোৰ্ডৰ গুদাম ঘৰত মোৰ (নলিনীদেবী) জন্ম হয়। বৰ পেটাত থকা কালতে S. D. O. ৰ বঙলাত মোৰ সৰু ভনী ৺মৃণালিনীৰ জন্ম হয়।

পিতৃ বৰদলৈদেৱৰ তেতিয়াও ছাত্ৰ জীৱনৰ শেষ পৰা নাছিল। মৃণালিনীৰ জন্মৰ পিচতে, তেখেতে এম্ এ আৰু ল পঢ়িবলৈ, আকৌ কলিকতালৈ যায়।

তাৰ পিচৰ বছৰত দেউতাক গুৱাহাটীলৈ বদলি হৈ আহে। গুৱাহাটীলৈ আহি মাধব বৰদলৈয়ে প্ৰথমে পানবজাৰৰ সৰস্বতী বাবুৰ ঘৰ ভাড়া কৰি দুবছৰ থাকে। পিচত মাটি কিনি গুৱাহাটীৰ উজান বজাৰৰ জোৰ পুখুৰীৰ পাৰত নিগাজীকৈ ঘৰ দুৱাৰ সজাই বাস কৰে। গুৱাহাটীৰ পুৰণি ঘৰত মোৰ ভাই

উমেশ আৰু অপূৰ্ব্বৰ জন্ম হয়। এই সময়ৰে পৰা পিতৃ দেৱৰ প্ৰৱস্তুৱা জীৱনৰ ওৰ পৰে, আৰু তেখেতে গুৱাহাটীত আইন ব্যৱসায় কৰিবলৈ লয়।

## ই, এ, চি পদ প্ৰত্যাক্ষান

চৰকাৰৰ ঘৰৰ পৰা ই, এ চি পদ পিতৃ বৰদলৈদেৱক যচা হৈছিল, তেখেত ই, এ চি হবলৈ অসম্মত হয়। দেউতাকে অন্তৰত অলপ দুখ পালে, কাৰণ তেখেতৰ লৰা ই, এ, চি হোৱাটো তেখেতৰ বাঞ্চনীয় আছিল। দেউতাকে বেজাৰ পোৱা দেখি বৰদলৈদেৱে দেউতাকক বুজাই কলে!

"দেউতা, মই স্বাধীন ভাবেৰেই উপাৰ্জ্জন কৰিবলৈ বিচাৰো, আপুনি বেজাৰ নাপাব। আপুনি আশীৰ্ব্বাদ কৰক মোৰ স্বাধীন ব্যৱসায়তেই উন্নতি হব। আপুনি জানে মই বৰ কথা সহিব নোৱাৰো, চাহাবৰ তলত চাকৰী কৰিলে সিহঁতৰ বৰ কথা মই সহিব নোৱাৰিলে বৰ বেয়া কথা হব। আপোনাৰ আশীৰ্ব্বাদ পালেই মোৰ সকলো মঙ্গল হব।" দেউতাকে লৰাৰ মন বুজি একো নকলে।

ঢাকাত বহা ভাৰতীয় শিল্প সম্মিলনীলৈ ( Indian Industrial Conference) বৰদলৈদেৱ প্ৰতিনিধি স্বৰূপে গৈছিল, তাৰ পৰা উভতি অহাত চৰকাৰে আকৌ দ্বিতীয়বাৰ ই, এ, চি পদ

যাচে কিন্তু তেখেতে এই বাবো তাক প্ৰত্যাক্ষান কৰে। বৰদলৈ দেৱৰ স্বাধীন চেতিয়া মনে চাকৰী কৰিব নোৱাৰিব বুলি জানিয়েই তেখেতে ছুখাৰে উচ্ছ বিষয়ৰ পদ পায়ো প্ৰত্যাক্ষ্যান কৰি, স্বাধীন আইন ব্যৱসায় কৰিবলৈ আৰম্ভ কৰিলে।

## বিবাহিত জীৱন

পিতৃ বৰদলৈদেৱৰ বিবাহিত জীৱন অতি সুখৰ আৰু শান্তিপূৰ্ণ আছিল। স্বামী স্ত্ৰী ছুয়োজনে জীৱনৰ শেষ কাললৈকে অতি মিলাপ্ৰীতিৰে সাংসাৰিক জীবন অতিবাহিত কৰিলে। তাৰ কাৰণ পত্নীৰ স্বামীৰ ওপৰত পৰিপূৰ্ণ আত্মনিৰ্ভৰতা আৰু একান্ত বিশ্বাস। শ্ৰীযুতা মাতৃৰ গাম্ভীৰ্য্য পূৰ্ণ শান্ত স্বভাৱৰ গুণতে পিতৃ বৰদলৈদেৱৰ ঘৰখনি "শান্তি ভৱনত" পৰিণত হৈছিল। বোধ কৰো সেই বাবেই বৰদলৈদেৱে নিজৰ ঘৰটিৰ নাম "শান্তি ভৱন" ৰাখিছিল।

স্বামীৰ কথা বা মতৰ ওপৰত, তেখেতে কোনো দিনে নিজা মত প্ৰকাশ কৰিবলৈ ভাল নাপাই। শ্ৰীযুতাৰ স্বভাৱ ধীৰ গম্ভীৰ আৰু বিলাস বিহীন। গৃহস্থালীৰ কামত তেখেতৰ আজৰি নাই। ৰন্ধা বঢ়াত তেখেত পাকৈত ৰান্ধনী ; তেখেতৰ লখিমী হাতৰ ৰন্ধা বস্তুৰ সোৱাদ যি পাইছে তেওঁ পাহৰিব নোৱাৰে। শিপিণী কামত তেখেত নিপুণ শিপিণী, তেখেতৰ

হাতৰ গুণাৰ, নিঃসন্ধিকৈ ঘৰ ফুল বছা পাতৰ কাপোৰে দিল্লীৰ প্ৰদৰ্শনীত উচ্ছ প্ৰশংসা পূৰ্ণ প্ৰথম পুৰস্কাৰ পায়। তেখেতৰ সকলো কামেই নিমজ আঁৰ নোহোৱা।

তেৰ বছৰ বয়সত তেখেতক শান্তি বিয়া কৰাই আনে। সেই বয়সতে তেখেত শহুৰৰ ঘৰলৈ আহি গুৰুজন আত্মীয় আলহী আদিৰ সেৱাত বোৱাৰী কালৰ দীঘলীয়া জীৱন ঘৰ ভৰা পৰিয়ালৰ মাজত অতিবাহিত কৰিলে। বিৰক্তি কাক বোলে তেখেতে নাজানে; নীৰৱে শান্ত সহিষ্ণুতাৰে সকলো কঠোৰ কৰ্ত্তব্য কাম তেখেতে নিখুত ভাবেৰে কৰি যায়। শাহু শহুৰ, দেওৰ ননদ, পৰিয়ালৰ সেৱা শুশ্ৰূষা কৰি স্বামীৰ সংসাৰৰ সকলো দায়ীত্ব বহন কৰি, নিজৰ পাৰদৰ্শিতাৰ চিনাকী দি, সকলোৰে শ্ৰদ্ধা আৰু সম্মানৰ পাত্ৰ হব পাৰিছিল। শহুৰেকে সকলো দায়ীত্বপূৰ্ণ কামতেই মাজু বোৱাৰীক হে ভাৰ দিয়ে। সেই দিনৰ দুশ মানুহক ভোজ ভাত খুউৱা, গৃহস্থী মানুহৰ এটা সংসাৰ ধৰ্ম্মই আছিল। তাতে মাধবচন্দ্ৰ বৰদলৈৰ সংসাৰত এনেয়ে চাৰি কুৰি মানুহ; বৰ হাকিমৰ ঘৰৰ (মাধববৰদলৈৰ ঘৰক বৰহাকিমৰ ঘৰ বোলে) ভোজ-ভাত মাহে মাহে লাগিয়েই থাকে। সেই বিলাক ভোজ ভাতৰ উৎকৃষ্ট ৰন্ধা বঢ়াৰ ভাৰ শাহুৱেকৰ দৰে মাজু বোৱাৰীয়েহে লব পাৰিছিল। বাৰ মাহত তেৰটা পাৰ্ব্বণ, পূজা সেৱা, সকলোতে মাজু বোৱাৰীৰ গাতে ভিতকৰা ভাৰ পৰে। ঘৰৰ বোৱাৰী সকলৰ ভাত খাওঁতে দিনৰ তিনি বাজে। সকলোকে

দি থৈ আজৰি হৈ ৰান্ধনীয়ে ভাত খাওঁতে বেলি ভাটি দিয়ে। অথচ তেখেতৰ কৰ্ত্তব্য ময় জীৱনৰ দীঘলীয়া সময়ৰ ভিতৰত সমান ভাবে তেখেতে সুখে দুখে নীৰব সহিষ্ণুতা ৰক্ষা কৰি আহিছে। বিৰক্তিৰ ভাব তেখেতৰ মুখত দেখিবলৈ পোৱা নাযাই।

শ্ৰীযুতাই ডিবুৰুৰ প্ৰথম ছাত্ৰ বৃত্তি ছোৱালী স্কুলত পঢ়ে। সেই সময়ত ডিবুৰুতেই প্ৰথম অসমীয়া ছোৱালীৰ স্কুল স্থাপিত হয়। আৰু সেই স্কুলত শ্ৰীযুতাৰ বাই ভনী তিনি গৰাকী কুসুমকুমাৰী, শৰৎকুমাৰী, শ্ৰীযুতা হেমন্ত কুমাৰী, আৰু স্বৰ্গীয়া দুৰ্গাপ্ৰভা বড়া শ্ৰীযুতা কুন্তী ফুকননী, এই সকলেই সেই দিনত শিক্ষিতা বুলি অসমীয়া সমাজত পৰিচিত আছিল।

বিবাহিত জীৱনত আধুনিক শিক্ষাত শিক্ষিত স্বামীৰ উৎসাহ পূৰ্ণ নতুন নতুন বঙালী সাহিত্য কাব্য উপন্যাস উপহাৰ পাই শ্ৰীযুতাৰ শিক্ষা আৰু সাহিত্য জ্ঞানৰ ক্ষেত্ৰ বহল হবলৈ সুবিধা পাইছিল।

আমাৰ লৰালি কালত মাতৃদেবীয়ে আমাক কাব্য পাঠ কৰিবলৈ শিকাইছিল, তেখেতে অতি সুন্দৰ কৈ কাব্য পাঠ কৰিব পাৰে। ৺মাইকেল মধুসূদন দত্তৰ, বহু কাব্যৰ অংশ তেখেতৰ মুখস্থ আছে, সৰুতে আমাক তেখেতে সাধু কওঁতে কাব্যৰ পৰা দুই একাকি গাই দৃষ্টান্ত স্বৰূপে কোৱা আজিও মনত আছে। সেই সৰু কালিতে মাতৃৰ আজ্ঞাত মুখস্থ কৰা কেফা কিমান আজিও পাহৰা নাই। তাৰে এফা কি কথা আছিল মাইকেলৰ মেঘনাদ বধ কাব্যৰ—

প্ৰভুৰামচন্দ্ৰৰ লগত যুদ্ধ কৰি বলৈ ওলাওঁতে মেঘনাদৰ পত্নী প্ৰমীলাৰ উক্তি :—

পৰ্ব্বত গৃহছাড়ী বাহিৰায় যবে নদী
সিন্ধুৰ উদ্দেশ্যে ,
কাৰ সাধ্য ৰোধে তাৰ গতি ?
দানব নন্দিনী আমি ৰক্ষ কুল বধু
ৰাবণ শ্বশুৰ মম মেঘনাদ স্বামী
বল সখী ! আমি কি ডৰাই কভূ ভিখাৰী ৰাঘবে ?

কাব্যৰ পৰা বাছি বাছি সাকুৰা পদ কিছুমান আমাক মূখস্থ কৰাইছিল। সংসাৰৰ কামৰ পৰা যি কণ সময় আহৰি পায় ; সেই কণ সময় তেখেতে গীতা ভাগৱত, ৰামায়ণ, মহাভাৰত, আৰু আন কাব্য সাহিত্য পাঠ কৰি কটাই।

তেখেতে প্ৰথম জীৱনত বহু গ্ৰন্থ উপহাৰ পাইছিল আৰু সযত্নেৰে থৈ দিয়াৰ ফলত, আমাৰো লৰা কালত বহু গ্ৰন্থ পঢ়িবলৈ সুবিধা হৈছিল। ককা শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈ পিতৃদেৱৰ মোমায়েক—তেখেত তেতিয়া আমাৰ ঘৰতে আছিল। তেখেত এজন কাব্য প্ৰিয় আৰু কথাৰ ভড়াল। তেখেতক পাই আমাৰ লৰালি জীৱন কি যে ৰংঙেৰে গৈছে ভাবিলে হিয়া আনন্দেৰে ভৰি পৰে। গধূলি হলে তেখেতৰ চাৰিও পিনে বোৱাৰী, জীয়ৰী, লৰা ছোৱালীয়ে তেখেতক বেঢ়ি ধৰে, তেখেতে নানা ধৰণৰ গল্প সাধু কেতিয়াবা কাব্য পাঠ, কেতিয়াবা গান, হাঁহী ইত্যাদিৰে ঘৰ খনত ৰং ধেমালিৰ সোঁত বোৱাই থাকে।

শ্ৰীযুতা মাতৃ ঘৰৰ মাজু বোৱাৰী যদিও, তেখেতেই বৰ বোৱাৰীৰ স্থান অধিকাৰ কৰিছিল। কাৰণ বৰদেউতা প্ৰবোধচন্দ্ৰ বৰদলৈৰ প্ৰথমা পত্নীৰ অকাল মৃত্যু হোৱাত, শ্ৰীযুতাই বৰবোৱাৰীৰ শ্ৰেষ্ঠত্ব আৰু মৰ্য্যাদা অধিকাৰ কৰিব পাৰিছিল।

প্ৰথম সন্তান মই, মোক বিয়া দিয়াৰ পিচত তেখেতৰ বৰ শকত নৰীয়া হৈছিল, শৰীৰ ৰক্ত শূন্য হৈ বহুদিন তেখেত শয্যাশায়ী হৈ আছিল, ইমান বেমাৰ ভোগাৰ ভিতৰতো, কোনো দিনে এষাৰি অভিযোগ, অশান্তি কৰা আমি শুনিবলৈ পোৱা নাই।

দেশৰ কামত আত্ম নিয়োগ কৰি স্বামী সৰ্ব্বস্বান্ত হল, সংসাৰৰ দৰিদ্ৰতা চৰম সীমা পালেগৈ। নিজৰ গহনা আদিও বিক্ৰী কৰিব লগাত পৰিছিল যদিও, এদিনো তেখেতে স্বামীৰ ওপৰত কোনো অভিযোগ অভিমান কৰা নাই। গুৱহাটী কংগ্ৰেছৰ ধাৰত যেতিয়া ঘৰ মাটি নীলামত যোৱাৰ ব্যৱস্থা হল, তেতিয়া বৰদলৈদেৱে কলে। "এইবাৰ বোধ কৰো গছৰ তলত ঠিয় হব লাগিব ঘৰ মাটি ৰাখিব নোৱাৰিম" উত্তৰত তেখেতে একোকে নকলে, নিৰ্ব্বাক হৈ শুনি থাকিল। কিছু সময়ৰ পিচত কলে "ঈশ্বৰৰ যদি সেয়ে ইচ্ছা হয় হব" বৰদলৈদেৱে যদি তেখেতৰ পৰামৰ্শ বিচাৰে, তেখেতে কয় "আপুনি যদি ভাল দেখিছে, নিশ্চয়ই ভাল হব মই নো আপোনাত কৈ বেছি জানোনে?"

তেখেতৰ স্বামী ভক্তি এটি আদৰ্শ বস্তু আছিল। দীঘলীয়া দিন সংসাৰৰ শত ঘাট-প্ৰতিঘাটৰ মাজতো তেখেত সকলৰ অলপো মনোমালিন্য আমি দেখা পোৱা নাই। স্বামীৰ ওপৰত অকপট নিৰ্ভৰময় প্ৰেম, এনে নিষ্ঠা আজি কালি দেখিবলৈ পোৱা টান। স্বামী এবেলাৰ বাটলৈ ওলাই গলেও, তেখেতে এটি সেৱা কৰিহে বিদায় দিয়ে।

পিতৃ বৰদলৈদেৱৰ বিশাল ব্যক্তিত্বময় উদ্দাম বহুমুখী কৰ্ম্মব্যস্ত আউলীয়া জীৱনৰ মাজত অন্তৰ্ব্বাহিনী ফল্গু নদীৰ দৰে সাধ্বী শান্তিৰূপিনী পত্নীৰ নীৰৱ প্ৰেমৰ স্মৃতিটিয়ে ৰসাল কৰি নৰখা হেতেন, বৰদলৈৰদেৱৰ বহুমুখী দীপ্ত প্ৰতিভা হয়তো বিকাশ নাপালে হেতেন। সাধ্বী পত্নীৰ দ্বিধাহীন আত্মসমৰ্পণৰ প্ৰেৰণাই বৰদলৈদেৱক সকলো কঠিন কৰ্ম্ম ক্ষেত্ৰতে অন্তৰত শক্তি যোগাইছিল।

জীৱনৰ পৰিপূৰ্ণ ভোগবিলাসৰ সময়তো ভগবৎ ভক্তি পৰায়ন ত্যাগ সংযমত শুচিব্ৰতা পত্নীৰ সান্নিধ্যই স্বামীক সকলো ক্ষেত্ৰতে কৰ্ত্তব্যপৰায়ণ কৰি ৰাখিব পাৰিছিল। শ্ৰীযুতাই বোৱাৰী কালৰে পৰা পূজা সেৱা ব্ৰত উপবাস কৰি প্ৰকৃত কুললক্ষ্মীৰ ধৰ্ম্ম পালন কৰিছিল। জীৱনৰ মাজ ভাগতে এই অভাগী বৰ জীয়েকৰ অকাল বৈধব্যৰ শোকৰ আঘাটত তেখেতৰ জীৱন একেবাৰে সংসাৰ বিমুখ কৰি ত্যাগৰ পথেৰে আগ বঢ়াই নিলে। মাতৃয়ে সধবা অৱস্থাতে বিধবা কন্যাৰ লগতে মাছ মাংস, ভোগ বিলাস সকলো ত্যাগ কৰি নিৰামিষ আহাৰ

কৰিবলৈ ললে। ৰান্ধনীৰ ৰন্ধা খোৱা সেই দিনৰ পৰা এৰি জীয়েকৰ নিৰামিষ ৰান্ধি নিজেও নিৰামিষ আহাৰ ললে। মাতৃৰ এই অনুচিত ত্যাগে মোক অতি কাতৰ কৰিছিল কিন্তু তেখেতক এই ব্ৰতৰ পৰা মই কোনো মতেই বিৰত কৰিব নোৱাৰিলো।

মই দীক্ষা লোৱাত মাতৃদেবীয়েও পিতৃদেৱৰ আজ্ঞা লৈ মন্ত্ৰ দীক্ষা ললে। পিতৃদেৱ তেতিয়াও অদীক্ষিত হৈয়েই থাকিল। মাতৃদেবীয়ে নিয়মিতভাবে ধ্যান ধাৰণাত মনোনিবেশ কৰিলে। সংসাৰত থাকিও স্বামী সেৱা কৰিও, সংসাৰৰ ভোগ বিলাসলৈ পিঠি দি নিৰ্লিপ্ত জীবন-যাপন কৰিবলৈ ধৰিলে। ভাবিলে আচৰিত লাগে, ঐশ্বৰ্য্যৰ মাঝত থাকিও তেখেতে কোনো দিনে বিলাসিতাক গ্ৰহণ নকৰিলে। চিৰশান্ত সমাহিত অন্তৰেৰে আজিও মোৰ পতিপ্ৰাণা মাতৃয়ে মণিহীনা ফণীৰ দৰে জগতৰ চকুৰ আঁৰত নীৰৱে আত্মগোপন কৰি, ভগবানৰ চৰণ সাৰোগত কৰি শেষ দিনলৈ বাট চাই দিন গণিছে।

## কৰ্ম্মজীৱনৰ পাতনি

কলিকতাৰ ছাত্ৰ জীৱন সামৰি ইংৰাজী ১৯০৩ চনৰ পৰা গুৱাহাটীৰ নিজ ঘৰত বৰদলৈদেৱে আইন ব্যৱসায় আৰম্ভ কৰে। প্ৰথম দিনাই হেনো তেখেতে এটা মোকৰ্দ্দমা জিকি ৫১৲ টকা ফিজ পায়। ক্ৰমাত গুৱাহাটীত আইন ব্যবসায়ত বৰদলৈদেৱ

এজন নাম জ্বলা উকিল হৈ উঠিল। আৰু উপাৰ্জ্জনৰ প্ৰচুৰতাও বাঢ়িবলৈ ধৰিলে।

গুৱাহাটীত স্থায়ীভাবে আইন ব্যৱসায় কৰাৰ লগে লগে অৱসৰ সময়ত তেখেতে স্থানীয় অভাৱ অভিযোগ বোৰলৈ চকু দি, সমাজৰ এজন হিতৈষী লোক হিচাবে পৰিচিত হৈ পৰিল।

সেই সময়ত অসমৰ দেশ-হিতৈষী নেতা স্বৰূপে নামনি অঞ্চলৰ গুৱাহাটী নগৰত স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ ওচৰত বুদ্ধি পৰামৰ্শ সৎ আলোচনা পাবলৈ অসমীয়া ৰাইজ ওচৰ চাপিছিল, কাৰণ সেই দিনৰ কংগ্ৰেছৰ লগত যোগাযোগ ৰাখি, তেখেত স্বৰ্গীয় জগন্নাথ বৰুৱা আৰু ঘনশ্যাম বৰুৱা ডাঙৰীয়াইহে অসমৰ সকলো সমস্যাৰে গুৰি ধৰিছিল। ডেকা তৰপৰ ভিতৰত তেতিয়ালৈকে, তেখেত সকলৰ কৰ্ম্মৰ আচনি লবলৈ কোনো আগ বঢ়া নাছিল। আগৰ নেতা সকলৰ দেশ সেৱাৰ বিচক্ষণ দূৰদৰ্শিতাপূৰ্ণ কামৰ ওচৰত অসমীয়া ৰাইজ চিৰকাল ঋণী হৈ থাকিব।

৺নবীনচন্দ্ৰ বৰদলৈদেৱে কৰ্ম্ম জীৱনত সোমাই, সকলো বিষয়তে ৺মাণিক বৰুৱা ডাঙৰীয়াৰ লগত পৰামৰ্শ আৰু সৎ উপদেশৰ বাবে ওচৰ চাপিবলৈ ধৰিলে। ৺বৰদলৈদেৱে আধুনিক জীৱন ধাৰালৈ লক্ষ্য কৰি, বৰ্ত্তমান দেশৰ প্ৰগতি পথেৰে সমাজ জীৱন গঢ়ি তুলিবলৈ চেষ্টা কৰিলে।

সেই সময়ত গুৱাহাটীত কোনো সৎ আলোচনাৰ ঠাই বা

অনুষ্ঠান নাছিল। স্থানীয় ভদ্ৰলোক আৰু ডেকা লৰাবোৰে এলাহেৰে অকামিলা ভাবেৰে গধূলি সময় খিনি কটাব লগা হৈছিল। ৺বৰদলৈদেৱে এই বিষয়ে মন কৰি, অসমীয়া থিয়েটাৰ ঘৰ এটি সাজিবলৈ যত্ন কৰিলে। প্ৰথমে নিজৰ মাটিতেই ৰাইজৰ ধন তুলি এটি থিয়েটাৰ ঘৰ সাজে, আৰু—বাৰোৱাৰী দুৰ্গা পূজা পাতিবলৈ দিহা কৰে। স্থানীয় ডেকা লৰা খিনিক উৎসাহিত কৰিবলৈ তেখেতে "সাবিত্ৰী সত্যবান" থিয়েটাৰ এখন পাতে। সেই সময়েতে তেখেতে এখন "জয়মতী" নাটক ৰচনা কৰি, সেই নতুন ষ্টেজত অভিনয় কৰে। সেই নাট ঘৰটিতে এটি অসমীয়া ক্লাব স্থাপন হয়। সেই ক্লাবটি স্থাপিত হোৱাত স্থানীয় ভদ্ৰলোক সকল আৰু ডেকা লৰা দলৰ, তাচ পাশা খেল গান বাজনা চৰ্চ্চা কৰিবলৈ, গধূলিৰ জিৰণি আৰু মেলৰ ঠাই হৈ পৰিল !

প্ৰতি বছৰে ধূমধামেৰে বাৎসৰিক বাৰোৱাৰী দুৰ্গা পূজা, ফাগুৱাৰ দোল পূজা আদিৰ লগে লগে, থিয়েটাৰ হবলৈ ধৰিলে। পূজা থিয়েটাৰৰ আনন্দত বিশেষ কৈ গুৱাহাটীৰ উজানবজাৰ অঞ্চল ৰং ধেমালিত উখল মাখল লাগি পৰে। আৰু তেতিয়াৰে পৰা এই পূজা উৎসবক কেন্দ্ৰ কৰি, অসমীয়া ৰাইজ এটি মিলাপ্ৰীতি আৰু সহানুভূতিৰ ভাবত এক গোট হৈ পৰিল। ইয়াৰ আগতে উজান বজাৰ অঞ্চলত ঘৰুৱা হিচাবে পৰ্ব্বতীয়া গোসাঁইৰ ঘৰত, আৰু স্বৰ্গীয় লক্ষ্মীপ্ৰসাদ বৰুৱাৰ ঘৰতহে গোঁসানী পূজা হৈছিল। নিজৰ নাট ঘৰ নথকাত

অসমীয়া মানুহে পানবজাৰৰ বঙালী থিয়েটাৰ চাইয়েই মন পতিয়াইছিল।

এই পূজা আৰু নাটঘৰ চিৰস্থায়ী হৈ পৰিল, কেবাবছৰৰ পিচত ৰাইজে ধন তুলি বৰ্ত্তমান "কুমাৰ ভাস্কৰ" নাট্য মন্দিৰ সজায়। কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ মাটি খিনিও বৰদলৈ-ডাঙৰীয়াৰ নিজা "লীজ" স্বত্তত আছিল ; পিচত তেখেতে ৰাজহুৱা নাট্যমন্দিৰ স্থাপনৰ অৰ্থে "লীজ" স্বত্ত ৰাইজক এৰি দিয়ে।

সেই সময়ত বঙ্গ বিভাগ লৈ বঙ্গ দেশত স্বদেশী আন্দোলনৰ ঢউ উঠিছে। অৰবিন্দ ঘোষ, বাৰীণ ঘোষক দীপান্তৰ, কানাইলালক ফাঁচি দিছে। বঙ্গদেশৰ তুমুল স্বদেশী আন্দোলনত দেশত জাতীয় ভাব জাগি উঠিছে। বঙ্গ কবিৰ কত স্বদেশ প্ৰেমৰ জয়গান বাজি উঠিছে। সেই স্বদেশী গানৰ ঢৌৱে অসমতো খলক লগালেহি।

মণিপুৰী গান, যাত্ৰা গান, সকলোৰে মুখে মুখে। ভাবোদ্দীপক স্বদেশী গান, আৰু বঙ্গদেশৰ যুৱক সকলৰ বীৰত্ব পূৰ্ণ আত্মত্যাগে ভাৰতীয় জীৱনৰ এটি জাতীয় জাগৰণৰ প্ৰথম সূচনা জগাই তোলে। বঙ্গদেশৰ জাতীয় আন্দোলনৰ ভাবে বৰদলৈদেৱৰ স্বদেশ প্ৰেমিক হিয়াত এটি আলোড়ন তুলিছিল যেন লাগে। দেশৰ এটি কল্যাণ ব্ৰতৰ মুক্তিবাণী যেন তেখেতে শুনিবলৈ পালে। বঙ্গদেশৰ ত্যাগী সাহসী যুবক সকলৰ করুণ আত্মদানৰ কাহিনীয়ে তেখেতৰ দৰদী হৃদয় কিমান বিহ্বল কৰি তুলিছিল, সেইটো পিচত গম পোৱা গৈছিল।

বঙ্গৰ সন্ত্ৰাসবাদী সকল অসমতো তলে তলে বিয়পি পৰাৰ লগে লগে, বৰদলৈদেৱে গোপনে বহু ক্ষেত্ৰতে সহায় আৰু সহানুভূতিৰ সংযোগ ৰাখিছিল।

সেই সময়ত অসম দেশ আধুনিক সঙ্গীত চৰ্চ্চাত তেনেই পিচ পৰা বুলিব পাৰি। বৰদলৈদেৱৰ মনত এটি ধাৰণা হল, যে সঙ্গীতৰ মাজেদিহে দেশত প্ৰকৃত প্ৰাণ শক্তি সঞ্চাৰ হয়। স্থানীয় ডেকা লৰা দলটোক গোট খুৱাই, গধূলি নিজৰ চৰা ঘৰতে এটি গানৰ আখৰা পাতে। দুটি কৈবৰ্ত্ত লৰাক "চোকোৰা" পাতি নাচ শিকাই আৰু ওস্তাদ সকলে গান বাজনা কৰে। মোৰ মনত আছে, সেই দলৰ ভিতৰত ৺মীন বৰদলৈয়ে খুব ভাল বেহেলা বজাইছিল। তেখেতে অসমীয়া থিয়েটাৰৰ চিন বিলাকো আঁকিছিল। আৰু তেখেতৰ ককায়েক শ্ৰীযুত ডিম্ব বৰদলৈয়ে প্ৰতিমা সাজিছিল।

গধূলিৰ গানৰ আখৰাত সৰহ ভাগেই স্বদেশী গান গোৱা হৈছিল। সেই সময়ত ভাল অসমীয়া গান নথকাত সৰহ ভাগ বঙালী স্বদেশী গান গোৱা হৈছিল। বৰদলৈদেৱে অসমীয়া গানৰ অভাৱ অনুভৱ কৰি, নিজে কিছুমান অসমীয়া গীত ৰচনা কৰিছিল। সঙ্গীতাচাৰ্য্য স্বৰ্গীয় লক্ষ্মীৰাম বৰুৱা ডাঙৰীয়াই, জোনাকী যুগৰ সাহিত্যিক সকলৰ পৰা সংগ্ৰহ কৰি, "সঙ্গীত কোষ" ছপা কৰি উলিয়াই কিছু পৰিমাণে অসমীয়া আধুনিক সঙ্গীতৰ অভাৱ দূৰ কৰে।

সেই দিনত ডেকা দলৰ ভিতৰত উৎসাহী কৰ্ম্মী আৰু

দেশহিতৈষী হিচাবে বৰদলৈদেৱ উজানবজাৰৰ প্ৰাণস্বৰূপ হৈ পৰিছিল। ৰোগ শোক দৰিদ্ৰতা অভাৱ অভিযোগ উৎসৱ আনন্দ শ্মশান যাত্ৰা, সকলো ক্ষেত্ৰতে বৰদলৈৰ সংযোগ আছেই। বুদ্ধি পৰামৰ্শৰ কাৰণে ধনী দুখীয়া নিৰ্ব্বিশেষে সকলোৱেই দ্বিধাহীন ভাবে বৰদলৈদেৱৰ ওচৰ চাপিছিল। তেখেতেও ৰাইজৰ কোনো কামতেই হেলা নকৰিছিল, সৰল আন্তৰিকতাৰে, আৰু উদাৰ প্ৰাণেৰে সকলোৰে সুখ দুখৰ ভাগ লবলৈ আৰু পাৰ্য্যমানে সহায় কৰিবলৈ আগ বাঢ়িছিল।

দুখীয়া ছাত্ৰৰ পঢ়িবলৈ খৰছ নাই, বৰদলৈৰ ওচৰ চাপেহি। দুখীয়া অনাথা বিধবাৰ ঘৰ ভাগি গৈছে, বৰদলৈৰ ওচৰ চাপেহি। কোনো ৰাজহুৱা কামৰ বিঘিনী ঘটিছে, সিও বৰদলৈয়ে মীমাংসা কৰিব। সাতোলা বিষয়া সকলক নৈ বিল ডাকি দিব লাগিব সিও বৰদলৈদেউতাৰ ওচৰত গোছৰ। কাৰো ধনৰ অভাৱত ৰোগৰ চিকিৎসা হোৱা নাই, খবৰ পালেই, ততালিকে বৰদলৈদেৱে নিজৰ ধন ভাঙি চিকিৎসাৰ দিহা লগাই দিব। উৎসৱে আনন্দে দুখে শোকে বৰদলৈদেৱে পূৰ্ণ সহযোগ ৰাখি, দেশবাসীক মনেপ্ৰাণে সহায় কৰিছিল।

বিশেষকৈ হৰিজন সম্প্ৰদায়ৰ বৰদলৈ দেউতাৰ ওপৰত অসীম বিশ্বাস আৰু ভক্তি আছিল। তেওঁ বিলাকৰ অভাব অভিযোগ দন্দ হাই সকলোৰে গোছৰ দুপৰ নিশাও বৰদলৈদেউতাৰ ওচৰ পাইহি। নিশা টোপনিৰ পৰা উঠি গৈয়ো-তেওঁলোকৰ দন্দ খৰিয়াল ভাঙি দিব লগা হয়। কোনো

কোনো সময়ত গিৰীয়েক ঘৈনীয়েকে দন্দ কৰি, দুয়ো আহি কান্দি কাটি বৰদলৈ দেউতাৰ ভৰিতপৰি গোচৰ কৰেহি। তেখেতে উঠি গৈ শোধপোচ কৰি গিৰীয়েকক খং কৰি চুলি জোকোৰা দুটামান দি তাৰ দণ্ডৰ জাল একুৱাই কয়," বদমাচ্ তিৰোতা মানুহক মাৰিবলৈ তোৰ লাজ নালাগেনে? এই বিলাক ঘটনাত ৰাতি দুপৰতো ঘৰ ঘৰোৱাহে সাৰ পাই ৰং চাব লগা হয়। ঘৈনীয়েকেও গিৰীয়েকে চুলি জোকোৰা খোৱা দেখি, মনে মনে ৰং পাই কান্দিবলৈ এৰি অকৌ হালেই সুৰ সুৰ কৰে ঘৰলৈ খোজ লয়।

বৰদলৈদেৱ বৰ খঙাল মানুহ বুলি সকলোৰে জানে কিন্তু সেই খঙাল মানুহ জনৰ ভিতৰত যে দুখীয়াৰ দুখত পমি যোৱা এখনি সুকোমল অন্তৰ লুকাই আছে, এই কথাও তেখেতৰ সংশ্ৰবলৈ আহিলে, সকলোৱেই বুজিব পাৰিছিল।

সেই বাবেই শিক্ষিত অশিক্ষিত, ধনী দুখীয়া সকলোৱেই, নিজৰ আত্মীয়ৰ দৰে তেখেতৰ ওচৰত হিয়া উদঙাই দিবলৈ আগ বাঢ়ি আহিছিল। তথাপি এখনি মৰমিয়াল অন্তৰৰ আঁৰত এটি সাধাৰণ ব্যক্তিত্বও সকলোৱে অনুভব কৰিব পাৰিছিল। সেই ব্যক্তিত্বৰ ওচৰত কোনো অন্যায় ভাব মনত ৰাখি কোনেও মুখ তুলি কথা কবলৈ সাহ নকৰিছিল। তেখেতৰ টিঙ্গিচ্ কৰে খং উঠিলে যাকে তাকে দবিয়াই হুকিয়াই সাং কৰে। চাকৰ নাকৰৰ পিঠিত ঢকাটো চৰটো সোধায়, পিচভেই আকৌ খং শাম কাটে; আকৌ চাকৰৰ পিঠিত হাত

বুলাই কয় “মদমাচ, মজা পালি ?” এই বুলি মাৰৰ বকচিচ্‌ স্বৰূপে টকাটো আধলিটো সিহঁতক দিয়ে। চাকৰ বোৰৰ মাৰ খাই বকৃচিচ্‌ পোৱা এটা স্ফুৰ্ত্তি হৈ পৰিছিল। পিচলৈ তেখেতৰ অন্যায় বুজিব পাৰিলে। মন আৰু কোমল হৈ পৰিল, পৰৰ দুখ দেখিলে, কোনোৱে খাবলৈ পোৱা নাই শুনিলে, তেখেতৰ চকু চল্‌চলিয়া হৈ উঠে—মানুহে খাবলৈ নোপোৱা কথাটো তেখেতে সহিব নোৱাৰে।

নিজৰ কোনো বস্তুলৈ তেখেতৰ মোহ নাই ; অতি হেপাহ কৈ লোৱা বস্তু এটাও, কোনোবাই খুজিলে তৎক্ষণাত দি দিয়ে। তাৰ বাবে সময়ে সময়ে তেখেত পিতৃ, মাতৃ, পৰিয়ালৰ বিৰাগ ভাজন হব লগা হয়।

তেখেতে নিজে পঢ়া কালৰে পৰা গোপনে দুখীয়া ছাত্ৰক সহায় কৰিছিল, নিজৰ আৱশ্যকৰ উপৰিও কিছু বেচিকৈ টকা দেউতাকৰ পৰা খুজি আনি দুখীয়া ছাত্ৰক সহায় কৰে। এই কথা দেউতাকে গম পাইছিল, কিন্তু তেখেতে নিজে পৰোপকাৰত সমৰ্থন কৰা বাবে, লৰাক এই সৎ কাৰ্য্যত নিৰুৎসাহ কৰা নাছিল।

পিচত নিজে উপাৰ্জ্জন কৰাত প্ৰকাশ্য ভাবেই, এনে ধৰণৰ সৎ কাৰ্য্যত তেখেতে মুক্ত হস্তে দান কৰিছিল। এই স্বভাৱৰ কাৰণেই ৺বৰদলৈদেৱে গোটেই জীবন প্ৰচুৰ উপাৰ্জ্জন কৰিও, জীবিতাবস্থাত ঋণৰ হাত সাৰিব নোৱাৰিলে।

তেখেতে ঘৰতে হোমিওপ্যাথিক ঔষধ ৰাখি দুখীয়া দৰিদ্ৰক

ঔষধ দান কৰিছিল। পিচত তেখেতে নানা ৰাজহুৱা কামত ব্যস্ত থাকিব লগা হোৱাত কিতাপ আৰু দৰব আনি দি দৰিদ্ৰ ৰোগীক ঔষধ দান কৰিবলৈ মোক উপদেশ দিছিল।

ল কলেজত, কটন কলেজত পঢ়িবলৈ অহা প্ৰব্ৰস্থুৱা বোৰ্ডিংত থকা ছাত্ৰ সকলৰ, বেমাৰ এজাৰ হলে তেখেতে অতি আন্তৰিকতাৰে সৈতে খবৰ বাতৰি লৈ যত্ন শুশ্ৰূষাৰ দিহা কৰি দিয়ে। কলিকাতাত থকা কালতো কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ সকলৰ সেই দৰে, আপদে বিপদে সদায় সহায় কৰিছিল। বৰদলৈদেৱৰ জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে ছাত্ৰ সকলৈ এটি আন্তৰিক স্নেহ আছিল। ছাত্ৰ সকলেও বিশ্বাস আৰু নিৰ্ভৰতা লৈ নিঃশঙ্কোচে তেখেতৰ ওচৰ চাপি পৰামৰ্শ উৎসাহ বিচাৰিছিল।

গুৱাহাটীত আইন ব্যৱসায় কৰাৰ লগে লগে তেখেতে নানা ধৰণেৰে সমাজৰ সেৱা কৰে। সেই কাল ডোখৰ তেখেতৰ ভৰ ডেকা বয়স, প্ৰচুৰ উপাৰ্জ্জন, ঐশ্বৰ্য্য ভোগ বিলাসৰ মাজত আনন্দ আৰু প্ৰতিপত্তিৰ সময়। ঘৰ ভৰা পৰিয়াল মাক, বাপেক ভাই ককাই, আলহী অতিথি বন্দী, বেটিৰে প্ৰায় গাৰি কুৰি পৰিয়ালে ঘৰ খন সদায় উৎসৱ আনন্দত বৌ বৌৱাই আছিল।

তেতিয়ালৈকে ৺বৰদলৈদেৱৰ ঘৰত কোন দুখ শোকৰ পৰশ পৰা পাছিল। এনে অৱস্থাতে তেখেতৰ পিতৃ বিয়োগ ঘটে। মাক ভাগে খিনি ঘৰুৱা দায়ীত্বৰ ভাৰ তেখেতৰ ওপৰও পৰে।

# পিতৃ বিয়োগত পিতৃদত্ত আশীৰ্ব্বাদী মালা

দেউতাক ৺মাধবচন্দ্ৰ বৰদলৈদেৱৰ চিলেটলৈ বদলি হোৱাত সুযোগ্য পুত্ৰ বৰদলৈদেৱৰ হাতত ঘৰৰ ভাৰ গতাই তেখেত কৰ্ম্ম স্থানলৈ যায়। চিলেটত থকা কালতে তেখেতৰ শৰীৰ অসুস্থ হয়, আৰু ঘৰতে কেইবা জনে পৰিয়াল হানি হয়। ( ককা দেউতা ) ৺মাধবচন্দ্ৰ বৰদলৈদেৱৰ দ্বিতীয় পত্নী স্বৰ্গীয়া সেউতী দেৱী স্বৰ্গী হোৱাত, ছুটি লৈ ঘৰলৈ আহে, আৰু ঘৰৰ পৰিয়াল বোৰক লৈ "তেজপুৰলৈ" যায়। তেজপুৰত সৰহ দিন থাকিব নোৱাৰিলে; ক্ৰমাত তেখেতৰ অসুস্থতা বাঢিবলৈ ধৰিলে; তেখেতৰ বহুমূত্ৰ ৰোগ আছিল, সেয়ে বেচি হৈ শয্যাশায়ী কৰিলে।

ককাদেউতাৰ ( ৺মাধবচন্দ্ৰ বৰদলৈদেৱৰ ) ক্ৰমে অন্তিম সময় ওচৰ চাপিল। ঘোৰ নিশা ঘৰত হুলস্থুল লাগিল আমি লৰা ছোৱালী বোৰে সাৰ পালো; লৰি গৈ ককাদেউতাৰ কপালত হাত দি চালো, দেখিলো ঘামিছে, ভাবিলো ককাদেউতাৰ বোধকৰো জ্বৰ এৰিছে। আইতাই তেখেতৰ কাষতে বহি শ্ৰীকৃষ্ণ শত নাম, গুণ মালা ভটিমা গাইছে, চকুৰ পানী মুচি আছে। এনেতে ককাদেউতাই ( মাধবচন্দ্ৰ ) দুডাল মালা খুজিলে; এডাল চন্দনৰ মালা, আৰু এডাল তুলসীৰ মালা দিয়া হ'ল; তেখেতে মালা দুডাললৈ বহু সময় জপ কৰিলে। ককাদেউতাৰ চাৰিও কাষে লৰা ছোৱালী বোৰে

তেখেতক বেঢ়ি ধৰিছে, এই দৃশ্যটো আজিও মনত আছে। এই দৃশ্য দেখি, আইতাই (সোমেশ্বৰী দেৱী) গজেন্দ্ৰ উপাখ্যানৰ পদ মাতিছে, ককাদেউতাই প্ৰথমে পিতৃদেৱক (নবীনচন্দ্ৰ) মূৰত ধৰি আশীৰ্ব্বাদ কৰি চন্দনৰ মালা ডালি মূৰত দিলে। পিচত তেখেতৰ বৰ নাতিনী এই অযোগ্যাক আশীৰ্ব্বাদ কৰি তুলসীৰ মালা ডালি মূৰত দিলে। পত্নীৰ হাত খনি টানি নি তেখেতৰ (পুত্ৰ) বৰদলৈ দেৱৰ হাতত তুলি দি, এটি তৃপ্তিৰ হাঁহি মাৰি বাহিৰলৈ নিবলৈ ইঙ্গিত কৰিলে। সম্পূৰ্ণ সজ্ঞান অৱস্থাত জপ কৰি থাকোতেই তেখেত স্বৰ্গী হয়। তেতিয়া পুৱাৰ আকাশ খন ৰাঙলী হৈ পৃথিবী ৰঙাই তুলিছিল।

বৰপুতেক (প্ৰবোধচন্দ্ৰ) চৰকাৰী কামত যোৰহাটত আছিল, সময়মতে আহি নোপোৱাত দেউতাকৰ শ্ৰাদ্ধাদি সকলো কাম পিতৃ বৰদলৈদেৱেই সমাধান কৰিলে। পিতাকক হেৰুৱাই মাতৃভক্ত পুত্ৰই সেই দিনাৰে পৰা মাতৃ পূজাকে জীৱনত সাৰ কৰি ললে। পিতৃ বৰদলৈ দেৱৰ দৰে মাতৃভক্তি সাধাৰণতে দেখিবলৈ পোৱা নাযায়। গাধুই উঠি তেখেতে প্ৰথমেই গায়ত্ৰী জপ কৰি দেউতাকৰ খৰম জোৰত সেৱা কৰে, তাৰ পিচত মাকৰ ভৰি দুটিত ধৰি সেৱা এটি কৰিহে ভাত খাবলৈ বহে। এই নিয়মৰ মাক জীয়াই থকা দিনলৈকে এদিনলৈও ব্যতিক্ৰম নঘটিল। তেখেতৰ মাকলৈ বৰ মৰম আছিল। গধূলি হলেই ফুৰি চাকি আহি মাকৰ বিছনাত বহি মাকৰ ভৰি হাত মোহাৰি

দিয়ে। কেতিয়াবা বা কেচুৱা লবাৰ দৰে মাকৰ বুকতেই শুই পৰে। মাকৰঅসুখ হলে নিজেই শুশ্ৰূষা কৰে। মাকৰ প্ৰায়েই অসুখ হৈ থাকে, সেই বাবে তেখেতে দেউতাক ঢুকুৱাৰ এবছৰৰ ভিতৰতে তীৰ্থ যাত্ৰা কৰিলে।

গয়াত পিণ্ড দান কৰি গঙ্গাত পিতাকৰ অস্থি লগাই তীৰ্থাদি ভ্ৰমণ কৰে। পুত্ৰৰ অগাধ ভক্তিত মাকৰ হৃদয়ৰ মন্দাকিনী ধাৰাৰ দৰে শুভাশীষে পুত্ৰৰ শিৰত সদায় কল্যাণ বৰষিছিল, সেই বাবেই বোধ কৰো পিতৃ বৰদলৈদেৱ সকলো ক্ষেত্ৰতে সৰ্ব্বজয়ী আছিল।

পিতাদেৱেক স্বৰ্গী হোৱাৰ পিচত সংসাৰৰ ভালে খিনি দায়ীত্বভাৰ বৰদলৈদেৱৰ ওপৰত পৰে। তেখেতৰ বৰ ককায়েক প্ৰবোধ চন্দ্ৰ বৰদলৈ ডাঙৰীয়াই ভায়েক নবীন বৰদলৈৰ ওপৰতে সংসাৰৰ দায়িত্ব এৰি দিছিল। তেখেতে ঘৰুৱা জঞ্জাল লবলৈ আৰু সংসাৰৰ চিন্তা কৰিবলৈ বৰ ভাল নাপাইছিল। সৰু ভায়েক গিৰীশচন্দ্ৰ বৰদলৈদেৱৰ, তেতিয়াও পঢ়া শুনা শেষ হোৱা নাছিল। তেখেতে গৱৰ্ণমেণ্টৰ পৰা এটি বৃত্তি পাই ইঞ্জিনিয়াৰিং পঢ়িবলৈ বিলাতলৈ যাব লগা হ'ল। ১৯০৯ চনত মোক বিয়াদি পিতৃ বৰদলৈ কলিকতালৈ যাত্ৰা কৰে। গুৱাহাটীৰ আইনব্যৱসায় এৰি কলিকতা হাইকোৰ্টত আইন ব্যৱসায়লৈ মন মেলে। প্ৰথমে অকলে গৈ কলিকতা হাইকোৰ্টত আইন ব্যৱসায় আৰম্ভ কৰে।



আইন ব্যৱসায়ত কলিকতাত ৺বৰদলৈ



শ্ৰীযুক্তা হেমন্তকুমাৰী দেবী
( সহধৰ্ম্মিণী )

## কলিকতাত ন বছৰ

১৯০৯ চনত পিতৃদেৱ নবীনচন্দ্ৰ অসমৰ পৰা প্ৰথম কলিকতা হাইকোৰ্টৰ এডভোকেট হয়। পিতৃদেৱক চাৰ আশুতোষ মুখাৰ্জ্জী আৰু হাইকোৰ্টৰ জজ বেৰিষ্টাৰ সকলে বৰ ভাল পাইছিল? ঘটনাক্ৰমে প্ৰেচিডেন্সি কলেজত পঢ়া সহপাঠি কেই জন মানক তেখেতৰ সহকৰ্ম্মী হিছাবে পোৱাত পিতৃদেৱে সোনকালেই আইন ব্যৱসায়ত উন্নতি কৰিবলৈ ধৰিলে। ৺জষ্টিচ হাচান্ খাঁ তেখেতৰ বিশিষ্ট বন্ধু আছিল। কলিকতাত উকিল হৈ থকা কালত তেখেতে "ৰিপন কলেজত" অধ্যাপনাও কৰে। প্ৰথমে ৩নং বৈঠকখানা ৰোডত ঘৰ ভাৰা কৰি থাকে। মাকৰ অসুখৰ কাৰণে কলিকতালৈ নি চিকিৎসা কৰাই কিছুদিন মাকক কলিকতাতে ৰাখি পিচত হেৰিচন ৰোডত ডাঙৰ ঘৰ এটা ভাৰা লৈ শ্ৰীযুতাকে আৰু ঘৰৰ পৰিয়াল বোৰক লৈ যায়। মই তেতিয়া শিৱসাগৰত। মোৰ ভনী মৃণালিনীকো পিচ বছৰ বিয়া দিয়ে। মৃণালিনীৰ বিয়াৰ পিচৰে পৰা শ্ৰীযুতা মাতৃৰ স্বাস্থ্য বৰ বেয়া হৈ পৰে, তেখেতৰ চিকিৎসাৰ কাৰণেই পিতৃদেৱে সকলোকে কলিকতালৈ লৈ যায়। লৰা ছোৱালীৰ শিক্ষাৰ ব্যৱস্থা কৰি দিয়ে। ৺মৃণালিনীৰ শিক্ষাৰ কাৰণে "ৰমাৱতী বোস এম্ এ, ক" গৃহ-শিক্ষয়িত্ৰী ঠিক কৰি দিয়ে। তেখেতৰ যত্নত অল্প দিনতে ছাত্ৰীৰ বিশেষ উন্নতি হয়। চি, আৰ দাসৰ ভনীয়েক মিস্ দাসৰ ওচৰত

৺মৃণালিনীৰ বহুত উচ্চাঙ্গৰ সঙ্গীত বাদ্য আদি শিকিবলৈ সুবিধা হয়। মৃণালিনীৰ স্বভাৱ সুন্দৰ সুকণ্ঠই সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। সেই সময়ৰ বঙালী সমাজত সুগায়িকা বুলি মৃণালিনীৰ নাম পৌছিল। ধীৰ গম্ভীৰ প্ৰকৃতি আজলী স্বভাৱৰ আছিল মৃণালিনী ভনীটি মোৰ, নীৰলে ফুলি উঠা কোমল ফুল পাহিয়ে ভালকৈ পাহি মেলিবলৈ নৌ পাওঁতেই, নিঠুৰ কালৰ আঘাতত অকালতে মৰহি গল। থৈ গল তিনটি মাউৰা সন্তান। পুলিন, ননি, আৰু বীণা।

পিতৃদেৱে ডাঙৰ লৰা, উমেশক-হেয়াৰ স্কুলত, আৰু সৰু লৰা অপূৰ্ব্বক "চেণ্ট্ পলচ" স্কুলত নাম লগাই দিলে। সেই সময়ত পিতৃদেৱৰ জীৱনৰ প্ৰধানতম সফলতাৰ সময়। কলিকতাৰ আইন ব্যৱসায়ত তেখেতৰ প্ৰচুৰ উপাৰ্জ্জন হৈছিল। সেই বাবেই মাককে আদি কৰি গোটেই পৰিয়াল বোৰকে নি কলিকতাত ৰাখিব পাৰিছিল। নিজৰ পৰিয়ালৰ বাহিৰেও কেইবাজনো হিন্দু মুছলমান ছাত্ৰ তেখেতৰ পৰিয়াল ভুক্ত হৈ আছিল। তলৰ তালাটোত ছাত্ৰ সকলক থাকিবলৈ দিছিল। ৺কেশৱকান্ত গোস্বামীৰ পৰিয়াল এটিও তেখেতৰ আশ্ৰয়ত আছিল। কলিকতাত থকা কালত পিতৃদেৱৰ বেৰিষ্টাৰ বন্ধু কেইজন মানৰ লগত এটি বেয়া অভ্যাসে লগ লয়। তেখেতে "ৰেচ্" খেলিবলৈ লয়। সেই সময়টো যেন পিতৃদেৱৰ জীৱনত আন এটা অধ্যায় পুৰা চাহাবী ধৰণত ফিট্‌ফাট্ হৈ থাকে, দিনে কেইবাবাৰো "চুট" বদলোৱা,

পাৰ্টি দিয়া, ৰেচ খেলা গাড়ী ঘোৰা দৌৰাই ববদলৈ চাহাব নামে জনা জাত হৈ পৰিছিল। এই ধৰণৰ বিলাসিতা আৰু "ৰেচ্" খেলা শ্ৰীযুতা মাতৃয়ে ভাল নেপাইছিল, আৰু সদায় "ৰেচ" খেলা এৰিবলৈ অনুৰোধ কৰিছিল।

শ্ৰীযুতাই সদায় এখন শ্ৰীমদ্‌ভগবদ্দগীতা পাঠ কৰিছিল, পিতৃদেৱকো এই গীতা খনি পাঠ কৰিবলৈ অনুৰোধ কৰে। পিতৃদেৱে বাহিৰত খুব চাহাবীয়ানা কৰিলেও, তেখেতৰ নিত্য কৰ্ম্ম সন্ধ্যা গায়ত্ৰী সদায় নিয়মতে কৰিবলৈ এৰা নাছিল, এতিয়াৰ পৰা এক অধ্যায় "গীতা" নিতৌ পাঠ কৰিবলৈ ধৰে।

"গীতা" পাঠ কৰাৰ লগে লগে, তেখেতৰ মনৰ গতিও আচৰিত ভাবে আন ফালে ঢাল খাবলৈ ধৰিলে। তেখেতে লাহে বিলাহে "ৰেচ্" খেলা এটি এটি কৈ এৰি পেলালে। গীতা পাঠ তেখেতৰ জীৱনৰ সাধনা হৈ পৰিল। তেতিয়াই তেখেতে "কৃষ্ণলীলা" লেখিবলৈ আৰম্ভ কৰে। দুখন গীতা কিনি দুই জীয়েকক উপহাৰ দিয়ে। কোমল মতি জীয়েক হঁতে তেতিয়া গীতাৰ মোল নুবুজিছিল। তথাপি জীৱনৰ খলা বমাত আগ বাঢ়োতে পিতৃদত্ত আশীৰ্ব্বাদ স্বৰূপে; মোৰ এই শোক দগ্ধ দুৰ্ব্বহ জীৱনত শান্তি পথৰ সন্ধান দি ভগবদ্গীতাই বাট দেখুৱাইছে।

পিতৃদেৱে মাছ মাংস খোৱাও এৰিছিল। পিচত চকুৰ অসুখ হোৱাত ডাক্তৰৰ আদেশত আকৌ খাবলৈ লয়। পিতৃদেৱ কলিকতাত থকা কালতেই ঘৰত কেইবা জনো

পৰিয়ালৰ মৃত্যু হয়। তিনি গৰাকী ভনীয়েক আৰু এগৰাকী বৌয়েক (প্ৰবোধচন্দ্ৰ বৰদলৈৰ পৰিবাৰ) মৃত্যু হয়। ঘৰত এটি অশান্তিয়ে ছাঁ পেলায়। তাৰ পিচত চেনেহী মাকৰ প্ৰায়েই অসুখ হবলৈ ধৰিলে। মাকে মৰমৰ পুতেকক ওচৰত থাকিবলৈ মাতি পঠিয়ালে, মাকৰ আহ্বান পিতৃদেৱে উপেক্ষা কৰিব নোৱাৰিলে। বহুল আয় যুক্ত হাইকোৰ্টৰ আইন ব্যৱসায় এৰি থৈ কলিকতৰ বাস উঠাই গুৱাহাটীলৈ ঘূৰি আহিল। গুৱাহাটীৰ নিজ ঘৰতে নিগাজী হৈ বহি ওকালতি আৰু নানা দেশহিতকৰ কামত মন দিবলৈ ললে।

ঘৰলৈ উলটি অহাৰ লগে লগে আন এটি ঘটনাই পিতৃদেৱৰ জীৱনৰ গতি ওলোটাই দিয়ে।

১৯১৭ চনত দাৰুণ আঘাটে পিতৃদেৱৰ কোমল হৃদয় ভাঙি পেলাই চিৰ বিলাসী উৎসৱময় জীৱনটি শোকৰ ভাৰেৰ জৰ্জ্জৰিত কৰি জীৱনৰ সোঁত বৈৰাগ্য পথৰে বোৱাই দিলে। সেই আঘাট এই অভাগী ৰৰজীয়েকৰ (নলিনীদেৱী) অকাল বৈধব্য। অতি' আকস্মিক ভাবেৰে চৌব্বিশ ঘণ্টাৰ ভিতৰত চেনেহৰ বৰ জোৱায়েক (স্বৰ্গীয় ৺জীবেশ্বৰ চাংকাকতি) দুৰ্গাপূজাৰ মহাষ্টমীৰ দিনা তেত্ৰিচ বছৰ বয়সত ইহলীলা সামৰে। জোৱায়েকৰ প্ৰিয়দৰ্শন ৰূপ, মধুৰ ব্যৱহাৰ অমায়িক আৰু জন প্ৰিয় স্বভাৱৰ বাবে পিতৃদেৱৰ অতি চেনেহৰ পাত্ৰ আছিল। তেখেত আছিল অতি অনুভূতি শীল অন্তৰৰ মৰমিয়াল মধুৰ স্বভাৱৰ মানুহ। সেই সময়ত

শিৱসাগৰত সুকণ্ঠ সুগায়ক আৰু জনপ্ৰিয় নামেৰে জনাজাত হৈ পৰিছিল। তেখেতৰ সংশ্ৰৱলৈ আহিলে অতি কম মানুহেহে তেখেতক ভাল নোপোৱাকৈ থাকিব পাৰিছিল।

## শান্তিভৱন প্ৰতিষ্ঠা

বৰ জোৱায়েকৰ বেমাৰৰ বাতৰি শুনি পিতৃদেৱ লৰালৰিকৈ শিৱসাগৰলৈ গৈছিল। কিন্তু আগ দিনাই জোৱায়েকৰ জীৱন-লীলা শেষ হয়। এই ঘটনাই তেখেতৰ জীৱনত আনি দিলে এটি অদ্ভুত পৰিবৰ্ত্তন। পিতৃহীন শিশু পাঁচোটিৰে সৈতে এই অভাগী জীয়েকক আনি প্ৰতিপাল কৰিবলৈ ভাৰ ল'লে।

নাতি নাতিনীৰে সৈতে পিতৃদেৱৰ পৰিয়ালৰ সংখ্যা বাঢ়ি গ'ল ; আৰু পুৰণি ঘৰত থাকিবলৈ নাটনি হোৱাত বৰ্ত্তমান "শান্তিভৱন" সাজিবলৈ ললে। এই ঘৰটো সাজোতে তেখেতৰ আৰ্থিক অৱস্থা ভাল নাছিল। এই ঘৰৰ কাম শেষ হওঁতে প্ৰায় পাঁচ বছৰ মান লাগিছিল ঘৰটো সজাৰ কাম সকলো বিলাক অসমীয়া মিস্ত্ৰীবিয়ে কৰিছিল।

ঘৰৰ কাম আধা মান হওঁতেই মাকৰ নৰীয়া টান হোৱাত, লৰালৰিকৈ কোনো মতে দুটা কোঠালী থাকিব পৰা কৰি মাকক ঘৰলৈ আনি ঘৰ ললে। ঘৰ লবৰ দিনা ঘৰৰ সোঁ মজিয়াত বৰ পীৰা পাৰি মাকক বহুৱাই ফুল চন্দন দি মাকৰ

চৰণ পূজা কৰি "শান্তিভৱন" প্ৰতিষ্ঠা কৰে। কিছুদিন পিচত "শান্তিভৱনতে" মাক স্বৰ্গী হয়। অশ্বক্লান্তৰ পাদ পীঠত বিষ্ণুপদৰ ওচৰত ৺পিতাকৰ শ্মশানতে মা'কৰো অন্ত্যেষ্টিক্ৰিয়া সমাধা কৰে। মাকক হেৰুৱাই মাতৃভক্ত পিতৃদেৱৰ হিয়া ভৰা মাতৃ ভক্তিৰ প্ৰবল সোঁত—দেশ জননীৰ সেৱাৰ ফালে ঢাল খায়। তেতিয়াৰে পৰা দেহে কেহে স্বদেশৰ উন্নতিৰ চিন্তাত তেখেতে মন প্ৰাণ ঢালি দিয়ে।

## এৰি অহা জীৱনৰ সোঁৱৰণী

শৈশৱৰ সোনালী সপোন এটি জীৱনৰ সুপৱিত্ৰ অধ্যায়। তাত শিশুৱে পায় অনাবিল আনন্দ, তৃপ্তিময় শান্তি, পিতৃ মাতৃৰ অমৃতময় মধুৰতাৰে ভৰা প্ৰেমৰ সোৱাদ

মনত পৰিছে আজি সকলো স্মৃতি ৰেখাৰ মাজত উজ্জ্বল সুন্দৰ পিতৃস্নেহৰ মধুৰ আনন্দ। পিতৃদেৱৰ হিয়া পমা মৰম আৰু তেখেতৰ সেই মৰম সনা সাতসৰিলৈ মনত পৰিলে চকুৰ পানী সৰি পৰে।

পিতৃদেৱে লৰাছোৱালীক কেতিয়াও মাৰধৰ বা তাৰণা নকৰিছিল। সদায় মৰমত পমি চোৱা মাতেৰে মাতিছিল। অথচ তেখেতৰ স্নেহৰ শাসন ইমান কঠোৰ আছিল কিবা কথাত দেউতাই বেজাৰ পাব, এইয়ে আছিল আমাৰ লৰা-ছোৱালী বোৰৰ প্ৰধান ভয়। আনৰ ডাবি হুকিলৈও কান

নকৰোহঁক, কিন্তু দেউতাৰ টান এষাৰ কথা শুনিবলৈ বৰ ভয় লাগিছিল। কেতিয়াবা বৰ কৈ চিয়ঁৰ মাৰি মাতিলেই আমাৰ লৰাছোৱালী বোৰৰ ভয়তে জীৱ উৰি যায়।

পিতৃদেৱৰ আমি চাৰিটি সন্তান, আমি ছুই বাই ভনী, আৰু ছুটি ভাই। সৰু ভাই অপূৰ্ব্বক পিতৃদেৱে বৰ মৰম কৰিছিল। সি অলপ আদৰুৱা আছিল পিতৃদেৱে নিজ হাতেই তাৰ সকলো পৰিচৰ্য্যা কৰিছিল আমাক দেউতাই বৰ আদৰত ডাঙৰ কৰিছিল। তেখেতে লোৰাছোৱালীক মাৰকিল কৰি কেতিয়াও মনত আঘাট নিদিছিল। অথচ যত্নেৰে চকু দিছিল। কিবা দোষ পালে, গধূলি পৰত মৰমেৰে মাতি আনি মিঠাকথাৰে শুধৰাই দিয়ে। হিয়াত লাগিযোৱা তেখেতৰ কোমল কথাবোৰে আমাৰ শিশু মনত ইমান খোলপাৰ লগাইছিল যে তেখেতৰ উপদেশ বোৰ আমি চিৰদিনলৈ মনত ৰাখিছিলো। সেই বিষয়ত মন সদায় সতৰ্ক হবলৈ শিকিছিল।

পিতৃদেৱে কোনো বিষয়তে লৰা ছোৱালীকে নিৰুৎসাহ ভাৱ নেদেখুৱায়। যি কোনো কামতে দুগুণ উৎসাহ দি কামটো সম্পূৰ্ণ নোহোৱা লৈকে নেৰে। নানা উৎসাহ বাণী পাই আমি লৰা ছোৱালী বোৰে মৰি মুজি কামত লাগি থাকো। নিজৰ দৰে আনেও সকলো কামতে কৃতকাৰ্য্য হলে তেখেতে বৰ ৰং পায় আওহেলা কৰি কাম পিচলৈ পেলাই থলে তেখেতে বৰ বেথা পায়। আমাক কেতিয়াও আনৰ আগত বেয়া বুলি লাজ নিদিয়ে। দোষ দেখিলে নিজেই মৰমৰে শুধৰাই

দিয়ে। গধূলি হলেই আমাক লগত লৈ "অৰগেন্" ঈশ্বৰৰ উপাসনা সংগীত গায়। গধূলি সময় খিনি ঘৰখন উৎসৱময় হৈ থাকিলে পিতৃদেৱে বৰ ভাল পায়। গধূলি পিতৃদেৱে ফুৰি চাকি আহি আমাক নানা দেশ বিদেশৰ গল্প কয়। বিশেষ কৈ মই হলে "ৰাজস্থানৰ" কাহিনী বিলাক শুনি বৰ ভাল পাইছিলো। সেই তেজোদীপ্ত কাহিনী বিলাক পিতৃদেৱৰ কোৱা ভঙ্গিৰে সৈতে এতিয়াও ছবিৰ দৰে মনত পৰে। মোৰ কল্পনা প্ৰৱণ শিশু প্ৰকৃতিয়ে কোন স্বপ্ন ৰাজ্যলৈ যেন মোক লৈ যায়। সোনালী শৈশৱৰ প্ৰতিটি স্মৃতিৰ মাজত, এটাইতকৈ মধুৰ হৈ উঠে মোৰ মৰমৰ দেউতাৰ সানিধ্যৰ সোৱাদ।

মই সৰুতে বৰ ৰুগীয়া আছিলো। বেমাৰ এজাৰ হলে পিতৃদেৱ ওছৰত থাকিলে মই বেমাৰৰ দুখ পাহৰি গৈছিলো। তেখেতে মোক বুকত লৈ প্ৰায়ে নাম গান সংস্কৃত স্তোত্ৰ পাঠ কৰি শুনাইছিল, আৰু সেইবোৰ শুনি মই সকলো কষ্ট পাহৰি গৈছিলো।

পিতৃদেৱতাৰ কেইটি মান বাণীয়ে অমোঘ মন্ত্ৰ শক্তিৰ দৰে চিৰকাল মোৰ জীৱনৰ ওপৰত অসীম প্ৰভাৱ বিস্তাৰ কৰি সান্ত্বনা আৰু জীৱন বাটৰ সহায়ৰূপে পথ প্ৰদৰ্শকৰ কাম কৰিছে।

পিতৃদেৱ নিজে সুগায়ক আৰু সুকণ্ঠী আছিল। আমাৰ চাৰিটা ভাই ভনীক বৰ যত্নেৰে তেখেতে সংগীত শিকাইছিল। আমি যি সময়ত গান শিকিছিলো, সেই সময়ত অসমীয়া ভদ্ৰ

সমাজৰ তিৰোতাৰ সমাজৰ ভিতৰত সঙ্গীতৰ প্ৰচলন নাছিল। প্ৰথম আমি ছুয়োজনী বাই ভনীক পিতৃদেৱে গীত বাদ্য শিক্ষা দিয়ে।

পিতৃদেৱৰ গুণেই হওক বা দোষেই হওক তেখেতে ছোৱালীক স্কুলত পঢ়া পছন্দ নকৰিছিল। তেখেতৰ ধাৰণা আছিল, যে ছোৱালীয়ে স্কুলত পঢ়িলে ঘৰৰ আদৰ্শপূৰ্ণ নৈতিক চৰিত্ৰ গঠনত সুবিধা নাপায়; সেই বুলি তেখেত স্ত্ৰী শিক্ষাৰ বিৰোধী নাছিল। আদৰ্শপূৰ্ণ উচ্চ শিক্ষাৰ তেখেত অতি পক্ষপাতি আছিল। আমাৰ স্কুলত পঢ়িবলৈ অতি হেপাহ থকা স্বত্বেও আমি পঢ়িবলৈ নাপালো কিন্তু আমাক অতি যত্নেৰে উপযুক্ত গৃহশিক্ষক ৰাখি শিক্ষাৰ ব্যৱস্থা কৰিছিল। হাইস্কুলৰ হেড মাষ্টৰ শ্ৰীযুত যজ্ঞেশ্বৰ বৰুৱা, ৺নিশিকান্ত সেন কাৰ্জ্জনহলৰ লাইব্ৰেৰীয়ান ৺গোপালকৃষ্ণ দেক আমাৰ শিক্ষক ৰাখি দিছিল। তেখেতৰ স্বভাৱ আছিল প্ৰাচ্য প্ৰতীচ্যৰ এটি অদ্ভুত সংমিশ্ৰন। পাশ্চাত্য শিক্ষাৰ প্ৰতি অনুৰাগী হলেও, তেখেতে ভাৰতীয় সংস্কৃতিপূৰ্ণ শিক্ষাক শ্ৰদ্ধাৰ চকুৰে চাইছিল। তেখেতে বিচাৰিছিল—সীতা সাবিত্ৰীৰ আদৰ্শৰে ভাৰতীয় ছোৱালীৰ নৈতিক জীৱন গঢ়ি উঠক। পাশ্চাত্য শিক্ষাৰ নিৰ্ভীক আৰু সাহসী মনোবৃত্তিক তেখেতে প্ৰশংসা কৰে। সেই দিনৰ স্ত্ৰী শিক্ষাৰ অশেষ বাধা বিঘিনিৰ মাজতো তেখেতে আমাক শিক্ষা দিবলৈ অতি যত্ন কৰিছিল।

তেতিয়া মোৰ নিচেই কম বয়স বোধ কৰো ছয় সাত বছৰ

মান হে হ'ব। সৰুতে মোৰ বৰ কৈ কৃমি বিকাৰ হৈ টোপনি নহা বেমাৰ হৈছিল। নিশা টোপনি নাহি ছটফটাই থকা শুনিলে পিতৃদেৱে মাতি নি লগত শুৱাই, আৰু ঈশ্বৰক প্ৰাৰ্থনা কৰিবলৈ শিকায়। গভীৰ নিশা নিস্তব্ধতাৰ মাজত ঈশ্বৰৰ শান্তিময় সুন্দৰ ৰূপৰ পৰিকল্পনাত মই উত্‌লা হৈ উঠিছিলো। অসীম করুণাময় গভীৰ ভাৱৰ মনোহৰ মহিমাৰ কথাই মোৰ শিশু বয়সৰ কোমল মনত তেতিয়া অসংখ্য ভাৱৰ ঢৌ তুলিছিল। মই আপোন পাহৰা হৈ ভাবি ভাবি পিতৃদেৱৰ বুকত কেতিয়াবা মনে মনে শুই পৰো—কব নোৱাৰো।

ৰাতি নৌ পুৱাওঁতেই দোকমোকালিতে আকৌ সাৰ পাওঁ। তেখেতে আকৌ পুৱাৰ গীত গাই গাই মোক প্ৰাৰ্থনা কৰিবলৈ শিকায়।

প্ৰাতঃ সময়ে যশোৱা জননী
মুখ চুম্বিত শ্যাম জগাৱনেকো।
প্ৰাতঃ সময় জাগৰে হৃদয়
স্মৰৰে ভৱ তাৰণে—ইত্যাদি—

এই সুন্দৰ সঙ্গীত বিলাকৰ অৰ্থ বুজাই দিয়ে,—গাবলৈ শিকায়। কেই দিনমান এই দৰে প্ৰাৰ্থনা আৰু সঙ্গীত গাই শুওৱাৰ পিচত মোৰ টোপনি নহা অসুখ ভাল হৈ আহিল।

গধূলি জোনাক নিশা ঘৰৰ পকা চোতালত পাটি পাৰি আমাক লৈ আমাৰ বুঢ়ী আইয়ে মহাভাৰতৰ সাধু কথা কয়।

পিতৃদেৱ ফুৰি আহিলে আমি গান গাওঁ,—জোনাক নিশাৰ স্নিগ্ধ নীলিম আকাশলৈ চাই চাই। এতিয়াও মনত আছে সেই সৰু কালিতে গোৱা সঙ্গীত—

কি গাহিব আমি কি শুনাইব
আজি এ আনন্দ ধামে—
পুৰবাসী জনে এনেছি ডেকে
তোমাৰ অমৃত নামে

অসীম আকাশ নীল শতদল
তোমাৰ কিৰণে সদা ঢল ঢল
তোমাৰ অমৃত সাগৰ মাজে
ভাসিছে অবিৰাম।

এই গানটো পিতৃদেৱে শুনি বৰ ভাল পাইছিল, নীলা আকাশলৈ চাই চাই এই গানটো গাই কি ভাবাবেগত যে কোমল শিশু হৃদয় ভৰি উঠিছিল, আজি তাক বৰ্ণাব নোৱাৰো। সেই বিলাক পাহৰিব নোৱাৰা সোনালী শৈশৱৰ এৰি অহা ইতিহাস মোৰ মৰমৰ পিতৃদেৱৰ স্মৃতিৰ লগত বিজৰিত হৈ থকা ঘটনা। পিতৃদেৱক ভাল পাওঁ, সেই বাবে প্ৰত্যেকটো বস্তুৱেই ভাল পাওঁ। তেখেতৰ হাতে লিখা কবিতাৰ পুথি এখনি দেৰাজৰ পৰা উলিয়াই সদায় পঢ়ো। 'চিৰ প্ৰৱসুৱা', 'শিশুৰ হাঁহি' এই কেইটা কবিতা বৰ ভাল পাইছিলো।

সেই বাবে মুখস্থ কৰি লৈছিলো। পিতৃদেৱৰ কবিতা পঢ়ি পঢ়ি মোৰ কবিতা লেখিবলৈ ইচ্ছা হল।

পিতৃদেৱৰ উৎসাহ বাণীয়ে মোৰ জীৱনৰ প্ৰত্যেকটো কামতে আগ বাঢ়িবলৈ সাহ দিছিল।

আজি অতীতৰ সোঁৱৰণীৰ লগে লগে মোৰ জীৱনৰ করুণ কাহিনী এটিও উদঙাই ধৰিব লগীয়া হ'ল। এদিনৰ কথা, মোৰ কুৰি বছৰ বয়স। বৈধব্যৰ নিৰাভৰণ বেশ লৈ ঘৰ ভৰা পৰিয়ালৰ মাজত যেতিয়া মই ঠিয় হলো, ঘৰত হাঁহাকাৰৰ ৰোল উঠিল।

মোৰ ( বুঢ়ী আই ) আইতাই কলে। "আই, মই তোৰ এই বেশ চাব নোৱাৰো। তই ঘৰত সদায় পাতৰ বিহা মেখেলা পিন্ধি থাকিবি।" পিতৃদেৱে কলে, "নহয় আই, কিয় পাতৰ বিহা মেখেলা পিন্ধিব? মোৰ আইক মই ইমান দিনে মনৰ জোখাৰে বচা বচা অলঙ্কাৰ আৰু সাজ পাৰেৰে সজ্জাই চাই ভাল পাইছিলো, আজিৰ পৰা ভাল পাম অন্তৰে বাহিৰে "মহাশ্বেতা"ৰ দৰে শুভ্ৰৰূপ চাবলৈ," শোক দগ্ধ পিতৃদেৱৰ গভীৰ ব্যক্তিত্বৰ পৰা ওলোৱা সেই মুহূৰ্ত্তৰ কথা কিটাই মোৰ সুদীৰ্ঘ সন্তপ্ত জীৱনত এটি পৱিত্ৰ ৰক্ষা কবচৰ দৰে অদ্ভুত ক্ৰিয়াৰ সৃষ্টি কৰিলে। মৃত্যুৰ সময়লৈকে সেই মহামন্ত্ৰই মোৰ কানত-প্ৰতিধ্বনিত হৈ থাকিব। সেই মহাবাণীৰ চাৰিটি আখৰে মোৰ জীৱন জুৰি এখনি শান্তি সৰগ ৰচনা কৰিলে। দিলে এটি অমৃত পথৰ গোপন সন্ধান,

সন্তানক পিতৃয়ে ইয়াতকৈ আৰু ডাঙৰ সম্পদ কি দিব পাৰে ?

আৰু এদিনৰ কথা মোৰ সৰু লৰা পুতলীৰ আকস্মিক মৃত্যুত মই যেতিয়া বিহ্বল হৈ পৰিছিলো পিতৃদেৱ তেতিয়া ছিলেট জে'লত। বৈধব্য জীৱনৰ শেষ সম্বল পোনা পাচোটিক লৈ জীৱনৰ দীঘলীয়া বাটত আগ বাঢ়িবলৈ, বুকুত বল বান্ধি লৈছিলো মাথোন ; এনেতে মুমলীয়া 'পুতলীৰ' বিচ্ছেদে শোকে মোৰ জীৱন আকুল কৰি পেলালে। মহাশূন্যতাই মোক আৱৰি ধৰিলে। সংসাৰ মোৰ এন্ধাৰ যেন লাগিছিল। সান্তনাৰ বাট মই বিচাৰি নেপাইছিলো। পুতলী পিতৃদেৱৰ বৰ আদৰৰ ধন আছিল। পিতৃদেৱে ছিলেট জে'লৰ পৰা নিজৰ সন্তাপ পাহৰিও সন্তপ্তা কন্যালৈ যি বোৰ অমূল্য উপদেশ পূৰ্ণ চিঠি দিছিল, সেই চিঠি বিলাকৰ প্ৰত্যেকটি বাণীয়েই মহা ভাগৱতৰ দৰে মোৰ শোক বিহ্বল প্ৰাণৰ দহন বহু পৰিমাণে শান্ত পেলাইছিল। সেই চিঠি বিলাকৰ বাণীয়ে মোৰ দৰে বহুতো সন্তপ্তা মাতৃপ্ৰাণত শান্তিৰ পৰশ বুলাব পাৰিব যেন ভাবি, তেতিয়াৰ মাহেকীয়া আলোচনী "চেতনাত" ছপাবলৈ দিছিলো। সেই চিঠি বিলাকৰ এৰাবি কথাই মোৰ হৃদয়ত এটি নতুন চিন্তাধাৰা বোৱাই দিছিল। "তোমাৰ পুতলীৰ মুখখনি জগতৰ প্ৰত্যেক শিশুৰ মুখত দেখিবলৈ চেষ্টা কৰিবা" এই এৰাবি মহাবাণীয়ে মোৰ জীৱনত বহু সান্তনাৰ পথ দেখুৱাইছে। দীঘলীয়া দিন এই মন্ত্ৰ সাধনা কৰিবলৈ চেষ্টা কৰাৰ ফলত, মোৰ দ্বিতীয়

পুত্ৰ "৺পবিত্ৰৰ" অকাল মৃত্যুত মই ধৈৰ্য্য ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিলো। মোৰ ৺পবিত্ৰৰ সকলো সমনীয়া লৰাৰ মুখতে মই যেন ৺পবিত্ৰৰ কমনীয় কোমল মুখৰ ভাবটি দেখিবলৈ পাওঁ। তেতিয়াৰে পৰা মোৰ বুভুক্ষু মাতৃপ্ৰাণে লৰাবোৰৰ সানিধ্য বৰ ভাল পোৱা হল। তেওঁলোকৰ পবিত্ৰ নিৰ্ম্মল অন্তৰ, প্ৰাণখোলা কথা, সংসাৰৰ কুটিল স্বাৰ্থই পৰশ নকৰা নিঃস্বাৰ্থ উদ্যোগ, আৰু শঙ্কাহীন কৰ্ম্মৰ সানিধ্যই মোৰ হৃদয় মাতৃস্নেহেৰে ওপচাই অকালত হেৰুৱা সন্তানৰ বিচ্ছেদ দুখ পাহৰাই পেলায়।

পিতৃদেৱে নিজৰ ভাই ককাই বাই ভনী সকলোকে বৰ স্নেহ কৰিছিল। বৰ ককায়েকক অতি ভক্তি কৰিছিল, আৰু ভাই ভনী সকলৰ প্ৰতি তেখেতৰ অকৃতিম স্নেহৰ বিনিময়ে তেখেতে ভাই সকলৰ ভক্তি আৰু স্নেহৰ পাত্ৰ হব পাৰিছিল।

বালবিধবা ভনীয়েক শ্ৰীযুতা ধৰ্ম্মদা দেবী ককায়েকৰ এটাইত কৈ স্নেহৰ পাত্ৰী আছিল। বিধবা ভনীয়েকৰ মনৰ শান্তি আৰু সুখলৈ পিতৃদেৱে সদায় চকু দিছিল। ঘৰৰ চাকৰ-বাকৰ, বন্দী-বেটী, পৰিয়ালৰ ভিতৰত পিতৃদেৱ আছিল সকলোৰে সাহ আৰু সান্তনাৰ থল।

আৰু এদিনৰ এষাৰি কথা—সেই দিনা আছিল ৺সৰস্বতী পূজা। লৰাবোৰে ঘৰতে ৺সৰস্বতী পূজা পাতিছে, পূজাৰী বেলিকৈ অহাত ৺পিতৃদেৱৰ বৰ খং উঠিল, আৰু পূজাৰীক বৰকৈ খং কৰিলে পিচত তেখেতৰ খং সাম কাটিলত অনুতপ্ত প্ৰাণেৰে তেখেতে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছিল, প্ৰভু! মোৰ

অভিশপ্ত জীৱন, তুমি মোৰ এই অপৰাধ ক্ষমা কৰা। এই কথাষাৰি তেখেতৰ ডায়েৰিৰ পৰা পাইছিলো। এইয়ে আছিল তেখেতৰ চৰিত্ৰৰ মহত্ব !

পিতৃদেৱে বিলাত প্ৰৱাসৰ ডায়েৰিত, তেখেতৰ ভাৰতীয় তিৰোতাৰ আদৰ্শৰ বিষয়ে এই দৰে এঠাইত কৈছিল :—

"সভ্যতা তোমাৰ চৰণত নমস্কাৰ ; ইউৰোপীয় সকলে ভাবে আমাৰ ভাৰতীয় তিৰোতা সকলক আমি তলা চাবি মাৰি ভিতৰত থৈ দিওঁ। ইয়াত কৈ ভ্ৰান্তিমূলক কথা বোধকৰো আৰু নাই। তিৰোতাক যিমান পাৰা শিক্ষা দিয়া যিমান পাৰা তেওঁলোকৰ মানসিক উন্নতিৰ উপাই কৰা ; কিন্তু ভাৰতবাসী হিন্দু মুছলমান ভাই সকল, সাবধান ! নিজৰ আত্মসম্মান চিৰকাললৈ ভাৰত সাগৰত ডুবাই দিয়াৰ দৰে, তোমালোকৰ দেবী স্বৰূপা গৃহলক্ষ্মী সকলৰ আত্মসম্মান বোধ যেন ডুবাই নিদিয়া। আজিও তোমাৰ মাৰা, ভনীয়েৰা, সহধৰ্ম্মিণীয়ে ধৰ্ম্মজগতত শ্ৰেষ্ঠ সকলৰ আগত মূৰ দোঁৱাই থাকে। গৰীব দুখীয়াৰ দুখ দেখিলে কান্দে নিঃস্ব প্ৰতিবেশী সকলক মাতৃ-স্বৰূপে পালন কৰে, বহু পুৰুষৰ উপাস্য দেৱতাৰ আগত ভক্তি প্ৰণত মস্তকে পবিত্ৰ ভাবেৰে চিৰবাঞ্ছিত সকলৰ কল্যাণ কামনা কৰে। আজিও তোমালোকৰ ঘৰে ঘৰে তেওঁলোকৰ কল্যাণত অসীম ঐহিক আকাঙ্ক্ষাৰ উত্তপ্ত মৰুভূমিৰ সৃজন হোৱা নাই। আজিও তুমি প্ৰভু সকলৰ পদাঘাত পোৱাৰ পাছতে নিজৰ দাৰিদ্ৰ্য প্ৰপীড়িত পজাটিত শান্তি দয়া আৰু কাৰুণ্য বিচাৰি

পোৱাহি। আজিও গধূলি গধূলি তোমাৰ সৰল উদাৰ ভাবেৰে হিয়াৰ তলিৰ পৰা ওলোৱা হৰিনাম কীৰ্ত্তন ঘোষা ইত্যাদি শুনিবলৈ পাই ক্ষন্তেকৰ কাৰণেও তোমাৰ পৰাধীন দেশৰ দৈনিক গোলামীৰ ভাব অলপ পাতল যেন পোৱা। সাৱধান! এই অমূল্য মাণিক যেন প্ৰতীচ্যৰ কাচখণ্ডৰ লগত বিনিময় নকৰা।"

# তৃতীয় অধ্যায়

"মন্দিৰৰ শিখৰত সোণৰ কলচী থাপি
শোণিতেৰে পুৰ কৰি পূজা উপচাৰ
আই! আই! বুলি তোৰ চৰণ সাৱটি ধৰি
শেষ কৰি গুছি গ'ল পূজা আপোনাৰ"

৺গণেশ গগৈ

## অসম এচোছিয়েশ্যন

### বৰদলৈদেৱৰ ৰাজনৈতিক জীৱনৰ সূচনা

অসমৰ স্বাধীনতা বেলি মাৰযায় ১৮২৬ চনত। উৱাদিহ নোপোৱা অসমীয়া জাতিয়ে স্বাধীনতাৰ লগে লগে দাসত্বময় দায়ীত্ব হীন জীৱনৰ আত্মনিৰ্ভৰতাও হেৰুৱালে। ক্ৰমাৎ বিদেশীৰ হেঁচাত সুৱদি অসমীয়া ভাষাৰ অস্তিত্বও লুপ্ত হ'বলৈ ধৰিছিল। হয়তো অত দিনে অসমৰ নাম, অসমৰ ভাষা অটল তলত বুৰ গৈ হেতেন।

সেই সন্ধি ক্ষণত বিধতাৰ কৃপাত কেইজন মান দেশৰ কৃতী

পুৰুষৰ যত্নত অসম এচোছিয়েশ্যনৰ জন্ম হয়। ১৯০৩ চনৰ পৰা ৺ৰায়বাহাতুৰ জগন্নাথ বৰুৱা বি, এ, দেশ হিতৈষী ৺মানিকচন্দ্ৰ বৰুৱা এই সকলৰ যত্নতেই, সন্মিলিত অসমৰ জাতীয় সভা স্বৰূপে অসম এচোছিয়েশ্যনৰ প্ৰতিষ্ঠা হয়। তেতিয়াৰে পৰা পিচপৰা পদদলিত এচুকত পৰি থকা অসমৰ এষাৰ মাত মাতিবলৈ, হুটা অভাব অভিযোগ জনাবলৈ, ভাল বেয়া আলোচনা কৰিবলৈ জাতীয় অনুষ্ঠান হিসাবে "অসম এচোছিয়েশ্যনেই গোটেই অসমৰ ধৰণী হৈ পৰিল। অনাৰেবল ৺ঘনশ্যাম বৰুৱা, ৺পদ্মনাথ গোহাঁই বৰুৱা, ৺মাণিক বৰুৱা এই সকলৰ অপৰিসীম চেষ্টাত অসম এচোছিয়েশ্যন এটি শক্তিশালি অনুষ্ঠান হৈ পৰিছিল।

সেই সময়ত অসমৰ শিক্ষিত সমাজে অসম এচোছিয়েশ্যনৰ যোগেৰেই জাতীয় ভাৱৰ নতুন ভেটি গঢ়িবলৈ যত্ন কৰিছিল। অসমীয়া সাহিত্য আৰু ভাষাক বিদেশীৰ গঢ়াহৰ পৰা উদ্ধাৰ কৰাৰ যত্নত দেহে কেহে লাগিছিল। সেই যুগৰ সাহিত্যিক সকলৰ একানপতিয়া যত্নত, অসমীয়া ভাষাৰ উন্নতি তীব্ৰতৰ ভাবেই আগ বাঢ়িছিল। কাৰণ সেই যুগ আছিল বৃটিছ শাসনৰ উদ্বেগ বিহীন যুগ।

নবীনচন্দ্ৰ বৰদলৈ আদিৰে পৰা "অসম এচোছিয়েশ্যনৰ" এজন প্ৰধান কৰ্ম্মী আছিল। ১৯১৫ চনৰ ডিব্ৰুগড় অধিবেশনত বৰদলৈদেৱৰ গাত সভাপতিৰ ভাৰ পৰে। সেই অধিবেশনত সভাপতি বৰদলৈয়ে যি অভিভাষণ দিছিল, সেই অভিভাষণ খনে

অসমত এটা নতুন জাগৰণৰ ভাব আনি দিয়ে আৰু ডেকা দলক দিয়ে এটি স্বাধীন চিন্তাৰ প্ৰেৰণা। এই সময়ৰ পৰাই অসমত ৰাজনৈতিক জাগৰণে দেখা দিয়ে।

## যুগান্তকাৰী অভিভাষণ

১৯১৪ চনৰ দ্বিতীয় মহাসমৰ পিচৰ পৰাই ভাৰতবৰ্ষত এটি পৰিবৰ্ত্তনৰ সূত্ৰপাত হয়। মহাসমৰত ভাৰতে ধনে জনে বৃটিছ গবৰ্ণমেণ্টকে সহায় কৰিছিল। যুদ্ধ জয়লাভ কৰাৰ পিচত বৃটিছ গৱৰ্ণমেণ্টে ভাৰতৰ পুৰস্কাৰ স্বৰূপে স্বাধীনতাৰ কথা ভাবিব বুলি ভাৰতবাসীয়ে আশা পোষণ কৰিছিল। বঙ্গ বিভাগৰে পৰা বঙ্গদেশতো বিপ্লৱৰ সৃষ্টি হৈ আছিল। এতিয়াৰে পৰা ভাৰতৰ জাগৰণৰ লগে লগে গোটেই ভাৰত জুৰি এটি স্বাধীনতাৰ আকাঙ্ক্ষা বাঢ়িবলৈ ধৰিলে। মিছেছ এনি বেছান্তে হোমৰুল ( Hom Rule ) বা স্বায়ত্ব শাসন আন্দোলন আৰম্ভ কৰে। আগৰ আবেদন নিবেদনৰ যুগৰ ভাবধাৰাপূৰ্ণ কংগ্ৰেছ মহা সভাত এই আন্দোলনৰ ভাবে ঠাই লৈ কংগ্ৰেছতো নানা ভাবে পৰিবৰ্ত্তন আনিবলৈ ধৰিলে। বঙ্গ দেশত "দেশবন্ধু চিত্তৰঞ্জন দাসে এই আন্দোলনত দলেবলে যোগ দান কৰে। ঠায়ে ঠায়ে বঙ্গদেশত বিপ্লৱী দলৰ কাৰ্য্য কলাপ প্ৰকাশ পায়। "বালেচৰৰ" বুঢ়ী গঙ্গাৰ পাৰত সুগঠিত বিপ্লৱী দলৰ সৈতে পুলিচৰ এটি খণ্ড যুদ্ধৰ দৰেই সঙ্ঘৰ্ষ হয়। যুদ্ধৰ সুযোগ লৈ

বিপ্লবী দলে গোপন বিপ্লব চলাবলৈ সুবিধা কৰি লৈছিল। ভাৰত জুৰি এটি নতুন জাগৰণৰ স্বাধীন আকাঙ্ক্ষাৰ ভাৱ ফুটি উঠে। এই নতুন জাগৰণৰ ভাবে অসমৰ ডেকা দলকো অনুপ্ৰাণিত কৰে।

সেই সময়ৰ কংগ্ৰেছত দুই এজন অসমীয়াই যোগ দিছিল যদিও সেই সময়ত অসমৰ কাৰ্য্য পন্থা কোনো ৰাজনৈতিক ভাবৰ নাছিল। কংগ্ৰেচত অসমৰ অভাব অভিযোগ দেখুওৱাৰ বাহিৰে আন একোনাছিল। বৰদলৈদেৱে কলিকতালৈ যাবৰে পৰা কংগ্ৰেছৰ লগত যোগাযোগ ৰাখিছিল। আৰু প্ৰথম মহাযুদ্ধত বৃটিছ গৱৰ্ণমেণ্টক অসমৰ পৰা নানা ৰকমে সহায় কৰিছিল। এতিয়াৰে পৰা ক্ৰমাৎ জাতীয় জাগৰণৰ ভাবধাৰাই বৰদলৈদেৱক অনুপ্ৰাণিত কৰিবলৈ ধৰে।

সেই বাবেই ১৯১৫ চনৰ বৰদলৈদেৱৰ অভিভাষণে অসমৰ ৰাজনীতিত এটা নতুন যুগ অনা বুলি বহুতে কৈছিল। কাৰণ তেখেতৰ ভাষাত এই নৱজাগৰণৰ ভাবটো ফুটি ওলোৱাত ইংৰাজ বিষয়া সকলৰ মনত এনে এটি ধাৰণা হল যে অসমতো এটা নতুন ভাবে ঠাই ললেহি। আৰু এনে এটি আভাষ পোৱা গল যে, অসম ভাৰতৰ এচুকত পৰি থাকিলেও সমস্ত ভাৰতব্যাপী চলা জাতীয় আন্দোলনৰ পৰা একাষৰীয়া হৈ থাকিব নোৱাৰে। সেই সময়ৰ কলিকতা আৰু শ্ৰীহট্টৰ কাগজ বিলাকে বৰদলৈদেৱৰ বক্তৃতাৰ বহুল প্ৰশংসা কৰিছিল। আৰু বৰদলৈদেৱৰ বক্তৃতাই নতুন ৰাজনৈতিক জ্ঞানৰ পোহৰে পোহৰাই তুলিলে

বুলি লেখিছিল। শ্ৰীহট্টৰ কাগজ এখনে এনেদৰে লেখিছিল (Ringing Political Consciousness) এই সময়ৰ পৰা বৰদলৈদেৱৰ ৰাজনৈতিক জীৱনৰ আৰম্ভনী বুলি কব পাৰি। এই বক্তৃতাৰ প্ৰভাবতে অসমৰ ডেকা দলৰ মাজত এটি স্বাধীন আত্ম-প্ৰতিষ্ঠাৰ ভাবে দেখা দিলে। দেশৰ গতানুগতিক ভাব ধাৰায় সেই সময়ৰ পৰাই ৰূপ সলায়। বৰদলৈদেৱৰ অভিভাষণ খনিয়ে এটি যুগান্তকাৰী ভাব ধাৰাৰ সৃষ্টি কৰিলে। সেই সময়তেই "অসম এচোছিয়েশ্যন" নতুন কৈ সংগঠিত হ'ল আৰু আগৰ গতানুগতিক কৰ্ম্মপন্থাৰো সলনি হ'ল।

## ছাত্ৰ সন্মিলনৰ জন্ম

আনফালে ছাত্ৰ সকলৰ মাজত কৰ্ম্মশক্তিৰ নতুন চাঞ্চল্যই দেখা দিলে। আৰু সেই উদ্যোগতে "ছাত্ৰ সন্মিলনৰ জন্ম হ'ল। ছাত্ৰ সকলে তেতিয়াৰে পৰা সুসংগঠিত কৰ্ম্মশক্তি দেশমাতৃকাৰ সেৱাত লগাবলৈ যত্ন কৰে। অসমৰ ছাত্ৰ সন্মিলৰ উদ্যোগত উচ্চ ভাব পূৰ্ণ প্ৰবন্ধ আদিৰে "সন্মিলন প্ৰবন্ধাৱলী" নামৰ সন্মিলন সংখ্যা উলিয়ায়। অসম এচোছিয়েশ্যনৰ একনিষ্ঠ কৰ্ম্মী শ্ৰীযুত কামাখ্যাৰাম বৰুৱা ডাঙৰীয়াই আদিৰে পৰা এই সন্মিলন পৰিচালনাৰ ভাৰ লয়। নবীনচন্দ্ৰ বৰদলৈদেৱ সাধাৰণ সম্পাদক আৰু ৺চন্দ্ৰনাথ শৰ্ম্মা

ডাঙৰীয়া সহকাৰী সম্পাদক আছিল। ৺যোগেন্দ্ৰনাথ বৰুৱা এই অনুষ্ঠানৰ প্ৰধান কৰ্ম্মী আছিল।

১৯১৬ চনত অসমৰ বয়োবৃদ্ধ গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াৰ সভাপতিত্বত গুৱাহাটীত অধিবেশন বহে। এই অধিবেশনত নবীনচন্দ্ৰ বৰদলৈদেৱৰ সুদক্ষ পৰিচালনাত অসমত প্ৰথম স্বেচ্ছাসেৱক দল গঠিত হয়।

১৯১৬ চনৰ পৰা ১৯২০ চনলৈকে অসম এচেছিয়েশ্যনৰ নিয়ম প্ৰণালী আৰু কাৰ্য্য পদ্ধতি সম্পূৰ্ণৰূপে পৰিৱৰ্ত্তিত হয়। ১৯১৬ চনতে নতুন কৈ ঘঁাহকৰৰ প্ৰৱৰ্ত্তন হ'লত—ইয়াৰ তীব্ৰ সমালোচনা হবলৈ ধৰিলে আন ফালে অসম চৰকাৰৰ কানি নীতিৰো তীব্ৰ সমালোচনা হবলৈ ধৰিলে। অসম কাউন্সিলত ৺ফণীধৰ চলিহা ডাঙৰীয়াই "চৰকাৰৰ কানি নীতিৰ নিন্দা কৰাত চীফ কমিচনাৰ "বীটছনবেলে" তেওঁক অপমান কৰিছিল। সেই অপমানৰ প্ৰতিবাদ স্বৰূপে তেখেতে কাউন্সিলৰ পৰা পদত্যাগ কৰিলে। আনফালে মণ্টেগু চেম্‌ছফোৰ্ড শাসন সংস্কাৰৰ পৰা অসমক বাদ দিবলৈ শাসক শ্ৰেণীৰ যি ষড়যন্ত্ৰ চলিছিল, সেই ষড়যন্ত্ৰ ব্যৰ্থ কৰিবলৈ অসমীয়াই এটা কাৰ্য্যকৰী নীতি গ্ৰহণ কৰিব লগীয়া হ'ল। এই অপমানৰ প্ৰতিৱাদ স্বৰূপে তৰুনৰাম ফুকন ডাঙৰীয়ায়ো কাউন্সিলৰ সদস্য পদ ত্যাগ কৰে।

১৯১৯ চনত এই "অসমএচোছিয়েশ্যনৰ" যোগেৰেই অসমক নতুন শাসন সংস্কাৰৰ ভুক্ত নকৰাৰ প্ৰতিবাদ কৰিবলৈ নবীনচন্দ্ৰ

বৰদলৈক আৰু শ্ৰীযুত প্ৰসন্ন কুমাৰ বৰুৱাক প্ৰতিনিধি স্বৰূপে বিলাতলৈ পাঠিয়াই।

"অসম এচেছিয়েশ্যনৰ" প্ৰাণ স্বৰূপ ৺চন্দ্ৰনাথ শৰ্ম্মা ডাঙৰীয়াই এমাহৰ ভিতৰতে অক্লান্ত ভাবে খাটি কেইবা হাজাৰো টকা তুলি পাৰ্লামেণ্টলৈ অসমৰ প্ৰতিনিধি পাঠিয়াবলৈ ব্যৱস্থা কৰি দিলে। নবীনচন্দ্ৰ বৰদলৈ আৰু শ্ৰীযুত প্ৰসন্ন বৰুৱাক ইমান লৰা লৰিকৈ প্ৰতিনিধি স্বৰূপে বিলাতলৈ পঠিওৱাৰ ব্যৱস্থা কৰিব পৰাটো অসমৰ জাতীয় জীৱনৰ এটা ডাঙৰ ঘটনা। আৰু নৱ জাগৰিত অসমৰ এটি ডাঙৰ গৌৰৱ।

১৯১৯ চনৰ চেপ্তেম্বৰ মাহত নবীনচন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন কুমাৰ বৰুৱা বিলাতলৈগৈ অসমৰ শ্বেতাঙ্গ চাহ খেতিয়ক সকলে শাসক শ্ৰেণীৰে কৰা কূট কৌশল ব্যৰ্থ কৰি অসমক নতুন শাসন সংস্কাৰ ভূক্ত কৰিবলৈ সমৰ্থ হ'ল।

২১ জুলাই তাৰিখে গুৱাহাটী কাৰ্জ্জন হলত এখন বিৰাট সভাপতি নবীনচন্দ্ৰ বৰদলৈক ৰাইকে বিদায় সম্ভাষণ জনাইছিল।

## প্ৰৱাসৰ পথত বৰদলৈদেৱৰ উক্তি

"ঘৰত সেই সময়ত ছজন মান ইনফ্লুয়েঞ্জাত ভুগিব লাগিছে। ৰোগী বিলাকক সম্ভাষণ কৰা মিছা, তথাপি

শ্ৰীযুত বৰুৱা নিজ খৰচতে বিলাতলৈ গৈছিল।

গুৰুজনক প্ৰণাম কৰি, কুলদেৱতাৰ ওচৰত কাতৰে স্বদেশৰ মঙ্গল কামনা কৰি—গৃহিনীক মাত লগাই—ভনী-জীয়ৰিক সাদৰ সম্ভাষণ জনাই—স্নেহময় প্ৰণাম আৰু শুভ ইচ্ছা লৈ ঘৰৰ পৰা বাৰটা বজাত ওলাই আহিলো। বাট ওলাওঁতেই দেখো শ্ৰদ্ধেয় শ্ৰীযুত কৃষ্ণচন্দ্ৰ চৌধুৰী ডাঙৰীয়াই—তেখেতৰ ৰথ খনি লৈ মোলৈ বৈ আছে। তাতে উঠি ষ্টেশন পালোঁগৈ। ষ্টেশনত আমাৰ দেশৰ ভবিষ্যত আশাৰ স্থল কৃতবিদ্য ডেকা সকলে বৰ আদৰেৰে বৰ উৎসাহেৰে বিদায় দিলে। এজন বন্ধুৱে অতি চেনেহেৰে এটোপোলা নাচপতি দি গলহি। তেওঁৰ অমৃত মধুৰ দান বেলত যেতিয়া কাটি খাওঁ, মোৰ বোধ হৈছিল যেন এনে ফল সেই জীৱনত কেতিয়াও খোৱা নাই। বোধ কৰো তেওঁৰ স্নেহৰ মাধুৰ্য্য ৰসৰ লগত মিল খাইহে তাক ইমান মধুৰ কৰিছিল। মই যেতিয়া "সাণ্টাহাৰত" ভাৰতৰ সুপুত্ৰ বাগ্মীবৰ বিপিন চন্দ্ৰ পালক—সেই ফল বেচি ভাগেই উপহাৰ দিওঁ তেতিয়া মনত হৈছিল, প্ৰেমৰ পবিত্ৰ নিষ্কাম দান দেৱতাত হে লাগে।

বন্ধু সকলৰ আনন্দ ধ্বনিৰ মাজত ট্ৰেন এৰি দিলে। সৰু ভাই গিৰীশে মোক বঙিয়াৰৈলৈকে আগবঢ়াই থৈ গলহি। লাহে লাহে ট্ৰেন এৰি দিলে, মোৰ বন্ধু সকলৰ স্বদেশ প্ৰেমৰ পৱিত্ৰ জ্যোতিৰে উজ্জ্বল মুখ বোৰ লাহে লাহে লাহে নেদেখা হল। এনেতে মোৰ "কবীৰৰ" কথা এটি মনত পৰিলহি। কবীৰে কৈছিল—মানুহ ওপজোতে ওচৰত থকা মানুহ বোৰে হাঁহে,

আৰু তেওঁ নিজে কান্দে। কিন্তু তেওঁ নিজে এনেভাবে—জীৱন গঢ়িব লাগিব, যেন মৰোতে আন সকলোৱে কান্দে, আৰু নিজে হাঁহি হাঁহি বিদায় লব পাৰে।

আজি মোৰ এক ৰকম পুনৰ্জ্জন্ম, আজি মোক বন্ধু সকলে হাঁহি হাঁহি বিদায় দিলে, আৰু মই ভয় ভাৱনাত আৰু বিচ্ছেদৰ যাতনাত একেবাৰে আধামৰা হৈ ৰলোঁ। প্ৰভুৱে কৰায় যেন মোৰ মৃত্যুৰ দিনা—জন্মভূমিৰ সুবিমল জ্যোতিৰ্ম্ময়ী মূৰ্ত্তি চকুৰ আগত দেখি থাকোতেই মোৰ চকু মুদ খায়। ঘৰৰ পৰা ওলাই আহি আজি জীৱনৰ আবেলি বেলাত দেখা পাওঁ, যে বিলাতলৈ আৰু বিশ বছৰৰ আগয়ে গলে যেনে লাগিল হেতেন, আজি আৰু তেনে নহয়। ঘৰৰ পৰা যিমান আতঁৰি আহিছো সিমানে মোৰ মনত পৰিছে একাকি বঙালি কবিতা—

"সুখ সভ্যতা ৰমণীৰ প্ৰেম বন্ধুৰ কোলাকুলি
সব ফেলে দিয়ে এই মহাব্ৰত মাথায় লয়েছি তুলি
এখনো তাদেৰ ভুলিতে পাৰিনে মাঝে মাঝে পৰে মনে
চিৰ জীৱনেৰ সুখ বন্ধন সেই গৃহ মাঝে টানে"

সাণ্টাহাৰত শ্ৰীযুত বিপিন চন্দ্ৰ পালৰ লগত কথা বাৰ্ত্তা পাতি জানিব পাৰিলো, তেখেতো বিলাতলৈ যাব। কলিকতা ষ্টেশন পালোঁহি। খবৰ পালোঁ যে পণ্ডিত মদন মোহন মালব্য বৰ বজাৰত আছেহি আজিয়েই তেওঁ যাব। লৰা লৰি কৈ গা পা ধুই কানি কাপোৰ সলাই—মালব্যজীক

দেখা কৰিবলৈ গলোঁ। তেখেতৰ লগত দেখা হ'ল। তেখেতে মোক সাদৰ অভ্যৰ্থনা কৰিলে, আমাৰ দুখ বিলাক শুনিলে। গৱৰ্ণমেণ্টৰ ভাৰতৰ মেপখনৰ ৰঙা বগা ৰহস্য শুনি—তেখেতে কলে যে "বাস্তৱিকে মেপখন ( Misleading ) ভ্ৰমাত্মক, আৰু যি বিলাক হেতুত ভাৰত শাসন কৰ্ত্তাই আমাক একে ধৰণৰ গৱৰ্ণমেণ্ট দিবলৈ মন কৰা নাই বা ভাৰতৰ আন ঠাইত দিয়া বিষয় বিলাক অসমক দিবলৈ মানা কৰিছে, সেই বিলাক যুক্তি একেবাৰে অসাৰুৱা"।

অসমৰ পৰা বেলেগ প্ৰতিনিধি পঠিওৱাটো তেঁও বৰ ভাল হৈছে বুলি কলে; আন ঠাইৰ পৰা নগলেও অসমৰ পৰা প্ৰতিনিধি নিশ্চয় যাব লাগে বুলি কলে, আৰু তেখেতে বহুত উপদেশ দি মোক সাদৰেৰে বিদায় দিলে।

তাৰ পৰা মই "হাইকোৰ্টলৈ" গৈ বি, চক্ৰবৰ্ত্তীক দেখা কৰাত তেখেতেও সেই একে কথাকে কলে।

আবেলি পাঁচ বজাত খবৰ পালো—যে মোৰ জীৱনৰ সুদীৰ্ঘ কাল একেৰাহে বন্ধুপ্ৰেমেৰে জড়িত কৈ মুগ্ধ কৰি থোৱা দেশভক্ত শ্ৰীপৰমেশ্বৰলাল আহি "ভৱানীপুৰত" আছেহি। খবৰ পাই তৎক্ষণাৎ শ্ৰীযুত ৰাজেন চৌধুৰীৰ মটৰেৰে তেওঁক চালোঁগৈ। তেওঁ বৰ ৰুগ্ন, ব্যাধি বহুবিধ—নৰিয়া শকত। তেওঁক চাই শোকে দুখে পৰিশ্ৰমে গধূলি হোটেললৈ উলটিলো।

২৭ জুলাই আজি শ্ৰীযুত ভোলানাথ বৰুৱা ডাঙৰীয়াৰ ঘৰত প্ৰাতঃ ভোজন। তেখেত কাতৰ, তথাপি কষ্ট কৰি আহি

মোৰ লগত খাবলৈ বহিলহি। তেখেতে মোক বহুত বহুমূলীয়া উপদেশ দিলে। কথাবার্ত্তাৰ ভিতৰত বকৰা ডাঙৰীয়াই এষাৰ কথা কৈছিল—সেই কথাষাৰ এতিয়াও মোৰ কানত ধ্বনিত হৈ আছে। "অসমক মই ভাল পাওঁ।" মই ভাল পাওঁ এই কথাষাৰ কৈ ডাঙৰ কথা নাই—"মোৰ আৰু বেচি দিন নাই, এতিয়া মই ইয়াকে কওঁ, যে "অসমক মই ভাল পাওঁ" তেখেতে আৰু কলে যে অসম এচোছিয়েশ্যনৰ পুঁজিলৈ ১০০০০৲ দহ হাজাৰ টাকা দান কৰিব। আৰু অসমত এখন দৈনিক বা সাপ্তাহিক বাতৰি কাকত চলাওঁতা কোনোবা ওলালে তেখেতে আৰু ১০০০০৲ টকা দান কৰিব। তেখেতে আৰু কলে যে এখন দৈনিক কাগজ নহলে মানুহৰ ৰাজনীতি শিক্ষা হব নোৱাৰে।"

এই খিনিতে মোৰ ৰবিঠাকুৰৰ গীত এফাকিলৈ মনত পৰিল—

"ওমা দিন ফুৰাল সন্ধ্যাকালে কীদীপ জালিয়া যাব" ঘোৰ বিপদত, বেমাৰত দুখ দৈন্য দাৰিদ্র্যত, আইৰ কোমল মাত মধুৰ আস্বাদ, আৰু প্ৰাণ শীতলকাৰীকোলা সন্তানৰ ভৰসা। সেই দৰে জীৱন সায়াহ্নত আজি আইৰ বহুদিনৰ পৰা বিদেশত থকা অভিমানী সন্তানৰ মুখৰ পৰা ওলোৱা মধুৰ কথাষাৰিয়ে "অসমক মই ভাল পাওঁ" মোৰ প্ৰাণত অকস্মাৎ মধুৰ মলয়াৰ বা এছাটি বোৱাই দিলে। অসীম কৰুণা আৰু ভক্তিৰে মোৰ হৃদয় দ্ৰবীভূত হৈ পৰিল। তেতিয়া মোৰ প্ৰভু ৰামচন্দ্ৰৰ

সেই অমৰ কথাষাৰিৰ সাৰ্থকতা যেন অলপ অনুভূতিলৈ আহিল "জননী জন্মভূমিশ্চ স্বৰ্গাদপী গৰীয়সী"—

জন্মভূমি ? তুমি স্বৰ্গতকৈও গৰীয়সী ॥

কলিকতাৰ ইণ্ডিয়া ক্লাবত ৺নবীনচন্দ্ৰবৰদলৈক তেওঁৰ সমনীয়া বন্ধু আৰু উকীল সকলে মিলি এটি ভোজ দিছিল। শ্ৰীঅপূৰ্ব্ব মুখাৰ্জ্জী আৰু নীতিশ লাহিড়ীয়ে তেখেতৰ মঙ্গল কামনা কৰি কেই আষাৰ মান কৈছিল আৰু আনন্দধ্বনিৰে বিদায় দিছিল। বঙ্গীয় জনসভাই বাবু বিপিনচন্দ্ৰ পাল আৰু ৺নবীনচন্দ্ৰ বৰদলৈক ফুলৰ মালা পিন্ধাই সম্বৰ্দ্ধনা কৰিছিল। মিঃ বি, চক্ৰবৰ্ত্তী, বসন্ত কুমাৰ বসু আৰু মৌলানা আক্ৰাম খাঁই অসম শাসন সংস্কাৰৰ বিষয়ে যেন বৰদলৈ দেৱে কৃতকাৰ্য্য হৈ আহে, এই বিষয়ে শুভ কামনা কৰিছিল। ইণ্ডিয়ান এচোছিয়েশ্যন হলত—কলিকতা প্ৰবাসী অসমীয়া সকলে বৰদলৈ আৰু বৰুৱাক, ফুলৰ মালাৰে বিভূষিত কৰি, শুভ কামনা আৰু আনন্দ ধ্বনিৰে বিদায় দিয়ে। একে জাহাজতে লোকমান্য তিলক ছাৰ শঙ্কৰ নায়াৰ, হাছান ইমাম, বিপিন পাল, আদিয়েও যাত্ৰা কৰিছিল ॥

## অসমৰ ওপৰত বৃটিছৰ কূট কৌশল।

অসমৰ চীফ কমিশ্যনাৰ "ছাৰ বীটচন বেলৰ" নোটত অসমক ৰিফৰ্মৰ পৰা বাদ দি ফ্ৰন্টিয়াৰ প্ৰভিন্সৰ দৰে ৰাহিৰ কৰি

থবলৈ বৃটিছগৱৰ্ণমেণ্টে গোপন অভিসন্ধি কৰিছিল। "কুপলেণ্ডৰ" ৰিপোৰ্টতো সেই অভিসন্ধিয়েই প্ৰকাশ পাইছে।

পূব সীমান্তত অসম দেশক বৃটিছগৱৰ্ণমেণ্টৰ পূৰ্ব্ব প্ৰান্তৰ ৰক্ষা কবচৰ দৰে ফ্ৰণ্টিয়াৰ প্ৰদেশ কৰি ৰখাৰ উদ্দেশ্য চিৰ কলীয়া। স্বাধীনতাৰ দুৱাৰ মুখতো লীগৰ সহায়ত অসমক সমষ্টি গঠনৰ বাধ্য বাধকতাত সুমাই নিগাজী কৰাৰ গোপন উদ্দেশ্যও সেই একেটাই আছিল। কিন্তু উদ্বুদ্ধ অসমে প্ৰত্যেক বাৰেই বৃটিছ নাগপাশৰ পৰা নিজক মুক্ত কৰি আহিছে। স্বাধীনতাৰ বাটত অসমৰ অগ্ৰগতিয়ে এটি ঐতিহ্যময় গৌৰৱ বহন কৰি আহিছে। ভাৰতৰ জাগৰণৰ লগে লগে যদিও অসমে সমানে খোজ মিলাই আগ শাৰীত ঠাইলৈ আগবাঢ়িছে, তথাপি প্ৰত্যেক বাৰেই অসমৰ বাটৰ হেঙাৰ বোৰ আছিল, দুৰভিসন্ধি পূৰ্ণ আৰু আউলীয়া।

অসমৰ প্ৰথম খোজৰ হেঙাৰৰ বাধা উঘালিবলৈ, অসম দৃঢ় প্ৰতিজ্ঞ হ'ল। অসমৰ ঘাই অনুষ্ঠান অসম এচোছিয়েশ্যনৰ যোগেৰে ১৯১৮ চনত কলিকতাৰ "ছাউথবৰা কমিটীৰ আগত সাক্ষ্য দিবলৈ, অসমৰ পৰা কেইবাজনো প্ৰতিনিধি যাত্ৰা কৰে। অসমক নতুন শাসন সংস্কাৰৰ পৰা বঞ্চিত কৰি থোৱাত, অসমে সেই দিনা বিপদ বুজিব পাৰি, এই বিপদৰ পৰা উদ্ধাৰ পাবলৈ সাজু হ'ল। অসমৰ প্ৰতিনিধি সকলে অসমক নতুন শাসন সংস্কাৰত ভুক্ত কৰিবলৈ ছাউথবৰা কমিটীৰ আগত এখন আবেদন পত্ৰ দাখিল কৰে। এই সাক্ষ্য দান কৰিবলৈ

যাওঁতেও সাক্ষী সকলে বিশেষ আহুকাল পাব লগা হৈছিল। প্ৰতিনিধি সকল আছিল—৺গঙ্গাগোবিন্দ ফুকন, ৺ঘনশ্যাম বৰুৱা, ৺পদ্মনাথ গোহাঞী বৰুৱা, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, ৺নবীনচন্দ্ৰ বৰদলৈ, ৺তৰুণৰাম ফুকন, শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা।

শ্ৰীযুত অমিয় কুমাৰ দাসে এই সময়ত বৰদলৈ দেৱৰ বিষয়ে এই দৰে লেখিছিল—"সেই যাত্ৰাত কলিকতাৰ" হেৰিছন ৰোডৰ মেচ এটাত বৰদলৈৰ লগত অসমীয়া লৰা বোৰৰ দেশৰ কথা আলোচনা হয়। তেতিয়া লোকমান্য তিলকৰ ভাৰত-বাসীলৈ প্ৰাণৰ আহ্বান "হোমৰুললীগৰ" আদৰ্শলৈ আছিল অসমীয়া ডেকা সকলৰ বৰ হেঁপাহ; বৰদলৈদেৱ গৈছিল "ছাউথবৰা" কমিটীৰ আগত শাসন সংস্কাৰ সম্বন্ধে সাক্ষ্য দিবলৈ; লগত ঘনশ্যাম বৰুৱা। আমাৰ লগৰ এজন ডেকাই বুঢ়া তৰণীয়া নেতা সকলক নিন্দা কৰি কলে! আপোনালোকে কৰিছে কি? আমাৰ দেশখন জগাই তুলিবলৈ কাৰবাৰ নকৰেনে?

ঘপৰাই বৰদলৈয়ে উত্তৰ দিলে—ডেকাহঁত। তোমালোকে কৰিছা কি? বঙালী ডেকাহঁতৰ দৰে কাৰাদণ্ড বুকুপাতি লবলৈ আগ বাঢ়িবানে? চোঁৱা! বঙালী ডেকা হঁতে অন্তৰীণ বা বহিষ্কাৰ কৰালৈ ভয় কৰা নাই; তেওঁ লোকৰ অনুকৰণ কৰি দেশ সেৱা কৰিবলৈ আগ বাঢ়িবানে? এই দৰে ঘপৰাই স্পষ্ট কথাৰে মানুহৰ হৃদয় জয় কৰিব পৰা শক্তি আছিল তেখেতৰ"।

## জাতি আৰু প্ৰদেশ

"১৯১৯ চনৰ মণ্টেগুচেমচ্‌ফোৰ্ড শাসন সংস্কাৰ একো ডাঙৰ ৰাজনৈতিক সুবিধা দান নহয়। বৰং ই ভাৰতৰ জাতীয় আকাঙ্ক্ষাৰ পক্ষে অসন্তোষ জনক বুলি—জাতীয়তাবাদী ভাৰতে ইয়াৰ বিৰুদ্ধে আন্দোলন কৰে। তথাপি কৰ্ম্মবীৰ নবীন চন্দ্ৰই অসমক সেই শাসন তন্ত্ৰ ভুক্ত নকৰা কাৰণে গৰ্জ্জি উঠিল, কাৰণ সেই শাসন সংস্কাৰ যিমানেই নগণ্য নহওক অসমক সেই খিনি পাবৰো উপযুক্ত নহয় বুলি অৱমাননা কৰি ভাৰতৰ পৰা আঁতৰাই ৰাখিবৰ ব্যৱস্থা হৈছে। অসমৰ প্ৰতি অৱমাননা নবীনচন্দ্ৰই সহ্য কৰে কেনেকৈ ?

অসমক কোনেও তাচ্ছিল্য কৰা, অসমৰ প্ৰতি অবিচাৰ কৰা তেখেতে কোনো মতেই সহিব নোৱাৰিছিল।

এই অবিচাৰৰ প্ৰতিকাৰ কৰিবলৈ নবীনচন্দ্ৰ বিলাতলৈ যাওনা হৈছে। লোকমান্য তিলক ছাৰ শঙ্কৰনায়াৰ ৰঙ্গস্বামী আয়েঙ্গাৰ বঙ্গনেতা বিপিন পাল প্ৰভৃতি ভাৰতীয় নেতা সকল একে জাহাজতে, মণ্টেগু শাসন সংস্কাৰৰ প্ৰতিবাদ কৰিবলৈ যাওনা হৈছে। দেখাত কেনে খাপ নোখোৱা কথা। লোকমান্য তিলকে বৰদলৈদেৱক শুধিলে "আপুনিতো এজন জাতীয়তা বাদী নেতা। আমি জাতীয়তা বাদী সকল আজি যি শাসনতন্ত্ৰ সমূলি সন্তোষ জনক নহয় বুলি অগ্ৰাহ্য কৰিবলৈ ওলাইছো, আপুনি অসমৰ কাৰণে, সেই শাসন তন্ত্ৰ আনিবলৈ ইমান ব্যগ্ৰ কিয় ?"

কৰ্ম্মবীৰ বৰদলৈয়ে উত্তৰ দিলে "ভয় নকৰিব লোকমান্য। আমিও আপোনালোকৰ লগে লগেই যাম। আমি জাতীয় যুজত ভাৰতৰ আন প্ৰদেশত কৈ পিচ নপৰো। অসম ভাৰতৰ আন প্ৰদেশ বিলাকৰে সৈতে একেলগেই হয় উঠিব, নহয় পৰিব। (Assam will rise or fall together with the rest of India ).

কিন্তু কথা হৈছে বৃটিছ গৱৰ্ণমেণ্টে অসমক ভাৰতৰ অন্যান্য প্ৰদেশৰ পৰা আঁতৰাই ৰাখিব খুজিছে। আমি প্ৰথমতে আপোনালোকৰ সৈতে সমান ঠাই পাওঁ, তাৰ পিচত আপনা-লোকৰ লগে লগেই যাম। জাতীয় যুদ্ধৰ অন্যতম বঙ্গনেতা বিপিন চন্দ্ৰ পালে বৰদলৈ ডাঙৰীয়াক তেখেতৰ উদ্দেশ্য সিদ্ধিত সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিলে।"

## বিলাতত বৰদলৈ

জয়েণ্ট পাৰ্লীয়ামেণ্টৰী কমিটীৰ আগত সাক্ষ্য দিবলৈ গৈ বৰদলৈদেৱে যি যুজ দিবলগা হৈছিল, সেইটো এটা ঐতিহাসিক ঘটনাৰ দৰে। ভাৰতবৰ্ষৰ পৰা সেই একে ৰকমৰ ডেপুটেশ্যন-১৯টা গৈছিল। তাৰ ভিতৰত অসমৰ ডেপুটেশ্যন-টোৱেই সফল হয়। এটাইকৈ অসমৰ সমস্যাই আছিল জটিল আৰু চৰকাৰৰ কূট স্বাৰ্থ বিজৰিত।

---

অসমীয়া—১৯৩৬ চন ফেব্ৰুৱাৰী—"কৰ্ম্মবীৰ বৰদলৈ।"

তেওঁ বিলাক গৈ পাবৰ পিচদিনাই জয়েণ্ট পাৰ্লীয়ামেণ্টৰী কমিটীৰ আগত সাক্ষ্য দিয়ে গৈ। চেক্ৰেটৰী অব ষ্টেটে, এই সাক্ষ্যৰ সমালোচনা কৰি, অসমৰ দাবী মঞ্জুৰ কৰিব নোৱাৰি বুলি জনায়। বৰদলৈদেৱৰ বিপক্ষৰ. ওছৰত পৰাজিত হৈ উলটি অহা বিধৰ মানুহ নহয়। অশেষ পুৰুষাৰ্থ কৰি, তেওঁলোকে "মণ্টেগুক" ভিতৰুৱাকৈ দেখা কৰিবলৈ সমৰ্থ হয়। বৰদলৈ-দেৱৰ অপৰাজেয় ব্যক্তিত্ব, অখণ্ডনীয় যুক্তি আৰু তেজী বাগ্মিতাৰ ওছৰত মিঃ মণ্টেগুয়ে, পৰাজয় স্বীকাৰ কৰে' আৰু তেওঁৰ ভুল স্বীকাৰ কৰিবলৈও বাধ্য হয়। আৰু বৰদলৈৰ ওছৰত "মিঃ মণ্টেগুৱে" ক্ষমা প্ৰাৰ্থনা কৰিব লগীয়া হয়।

বৃটিছ পাৰ্লীয়ামেণ্ট্ কমিটীত অসমক এখন পিচ পৰা প্ৰদেশ বুলি প্ৰমাণ কৰিবলৈ কৰা বৃটিশগৱৰ্ণমেণ্টৰ কূট কৌশলৰ বিৰুদ্ধে যুজিবলৈ বৰদলৈদেৱে কিমান বেগ পাব লগা হৈছিল, সেই কথা ভাবিলে বিস্ময়েৰে মন ভৰি উঠে।

অসমৰ দাবী মঞ্জুৰ নকৰাত ভাৰতগৱৰ্ণমেণ্টৰ নৰম ডিস্পাচ মতে আবেদন পত্ৰ দাখিল কৰাৰ উপৰিও পাৰ্লীয়ামেণ্ট মহাসভাৰ সভ্য "মিঃ ৱেজউডক" আৰু কংগ্ৰেছ ডেপুটেশ্যনৰ মেম্বাৰ বালগঙ্গাধৰ তিলকক অফিচত লগ ধৰি, অসম যে পিচ পৰা দেশ নহয়, এই বিষয়ে প্ৰমাণ দি বুজাই, তেওঁ লোকক পতিয়ন নিয়াব লগা হৈছিল।

কাৰণ ইমান দিনে ভাৰতীয় কংগ্ৰেছেই "অসমক" পিচপৰা প্ৰদেশ বুলি অৱহেলা কৰি আহিছিল। বৰদলৈ দেৱৰ প্ৰথম

কাম হ'ল, অসম প্ৰদেশ সুসভ্য আৰু উন্নত প্ৰদেশ বুলি, ভাৰতীয় কংগ্ৰেছ সভাৰ মনত বিশ্বাস জন্মোৱা। আৰু কংগ্ৰেছ মহাসভাৰ দ্বাৰাই পাৰ্লীয়ামেণ্টৰী কমিটীক, অসমক স্বকীয়া কংগ্ৰেছ প্ৰদেশ বুলি মানি লবলৈ জোৰ কৰোৱা। ইপিনে পাৰ্লীয়ামেণ্টৰী সদস্য সকলৰ মনত অসমৰপ্ৰতি ভুল ধাৰণাৰ দূৰ কৰি ভাল ধাৰণাৰ সৃষ্টি কৰা।

যেই হওক অসমী আইৰ ওপৰত ভাগ্যদেৱতা সুপ্ৰসন্ন আছিল, প্ৰতিনিধি বৰদলৈ আৰু বৰুৱাই ভাৰতগৱৰ্ণমেণ্টৰ নবম ডিস্পাচ খন সমালোচনা কৰি লিখিত জবান বন্দী দিবলৈ অনুমতি পালে। আৰু এই খন জবান বন্দীত, অসমে কংগ্ৰেছৰ দাবী অনুসৰণ কৰি, ভাৰতৰ আন আন প্ৰদেশৰ লগত লগ লাগিলহি। বঙ্গভুক্তি শাসনৰ পৰা আঁতৰি অসম এখন স্বকীয়া কংগ্ৰেছ প্ৰদেশ হিচাবে স্বীকৃতি পালে। আৰু কংগ্ৰেছ তালিকা ভুক্ত হবলৈও অনুমতি পালে। অসমৰ ডেপুটেশ্যনৰ বাবে কংগ্ৰেছৰ পৰা অসমক পৃথক ব্যৱহাৰ কৰাৰ প্ৰতিবাদ কৰি এটা স্বকীয়া জবানবন্দী দাখিল কৰা হ'ল। মিঃ মণ্টেগুৱে তেওঁৰ আগৰ মন্তব্য কাৰ্য্যবিৱৰণীৰ পৰা তুলি লব বুলি বৰদলৈদেৱক প্ৰতিশ্ৰুতি দিলে।

ইয়াৰ বাহিৰেও ৰায় বাহাদুৰ ৺ফনীধৰ চলিহা ডাঙৰীয়াক চীফ্ কমিশনাৰে খোলা কাউন্সিলত অপমান কৰাৰ কথা, চৰকাৰে বিশ্বাস যোগ্য নহয় বুলি উবাই দিয়াৰ বাবে অসমত যি বিক্ষোভৰ সৃষ্টি হৈছিল সেই ঘটনাৰ সকলো কাগজপত্ৰ

উলিয়াই দি বৰদলৈদেৱে পাৰ্লীয়ামেণ্টৰী চেক্রেটৰীৰ আগত এটা উচিত উত্তৰ খুজিলে। তেতিয়া চেক্রেটৰীয়ে নিজৰ ভুল বুজিব পাৰি বৰদলৈৰ ওচৰত ক্ষমা প্রার্থনা কৰিলে।

অমৃতবাজাৰ পত্রিকাত বঙ্গনেতা বিপিনচন্দ্র পালে লেখিছিল :—

"অসমৰ-ডেপুটেশ্যন সম্পর্কে এষাৰ নিলিখি মই নোৱাৰো। আপুনি জানে মিঃ নবীনচন্দ্র বৰদলৈ মিঃ প্রসন্নকুমাৰ বৰুৱাৰে সৈতে অসমৰ দাবী জনাবলৈ ইয়ালৈ আহিছে। জইণ্ট কমিটীৰ ওচৰত অসমৰ দাবী উপস্থিত কৰি কংগ্রেছৰ ডেপুটেশ্যনক সাধাৰণ ভাবে সহায় কৰিবলৈ তেওঁ যত্ন কৰিছে। আৰু মই এইটো নকৈ নোৱাৰো যে মিঃ বৰদলৈয়ে বৰ সাহসেৰে সৈতে, অসমৰ দাবী উপস্থিত কৰিলে। আৰু আন আন প্রদেশৰ দৰে ভাৰতগৱৰ্ণমেণ্টৰ "নবম ডিস্পাচ" খন সমালোচনা কৰি, এখন লিখিত জবানবন্দী দিবলৈ অনুমতি পালে। মিঃ মণ্টেগুৱে অসম ডেপুটেশ্যনৰ এটা কথাৰ সমালোচনা কৰিছিল। এইটো উৰা বাতৰি ( Gossipes ) আৰু বিশ্বাস কৰিব নোৱাৰি বুলি কৈছিল। কিন্তু শেষত তেওঁ ভুল স্বীকাৰ কৰিবলৈ বাধ্য হল, আৰু প্রতিনিধি দুজনৰ আগত ক্ষমা প্রার্থনা কৰিলে। ৰিপোর্টৰ ভুল শুধৰাব বুলিও শেষতকলে। মোক বিদায় দিওঁতে মিঃ বৰদলৈকো আমাৰ বঙ্গীয় জনসভাত উৎসন্ন পাতি বিদায় দিছিল।"

বিলাত প্ৰৱসুৱা বিষ্ণানন্দ দুৱৰাই "আসামবিলাসিনী" কাকতত এই দৰে লেখিছিল :—

"মই শ্ৰীযুত সত্যমূৰ্ত্তি আৰু বঙ্গস্বামী আয়াৰৰ লগত অসমৰ ডেপুটেশ্যনৰ বিষয়ে কথা হৈছিলো। অসমৰ ডেপুটেশ্যনে যি দৰে সাক্ষ্য দিছে তাৰ তেওঁলোকে শলাগ লৈছে। অসমৰ প্ৰতিনিধি দুগৰাকীয়ে গোটেই ইংলণ্ডৰ বন্ধুৱা সভা সমিটীত যোগ দিছে আৰু বক্তৃতাও দিছে। অসমৰ সম্পৰ্কে তেওঁলোকে এটা ভাল ধাৰণাৰ সৃষ্টি কৰিব পাৰিছে। ভাৰতবৰ্ষৰ আন আন প্ৰদেশৰ নেতা সকলে, অসম সম্পৰ্কে যি ভুল ধাৰণা লৈ আছিল, এতিয়া সেই ধাৰণা গুচিল। সামাজিক আৰু ৰাজনৈতিক হিচাবে অসম পিচপৰা বুলি যি ধাৰণা সৰ্ব্বসাধাৰণৰ মনত প্ৰচলিত আছিল, এতিয়া সেই ধাৰণা গল। ভগবানলৈ ধন্যবাদ যে আমাৰ অসমৰ ডেপুটেশ্যনৰ কাৰ্য্য কলাপৰ ফলত আমি মূৰ ওখকৈ খোজ কাঢ়িব পাৰিম। অসমৰ প্ৰতিনিধি দুজনে, লণ্ডনৰ বহুত ডাঙৰ ডাঙৰ মানুহৰ লগত দেখা শুনা কৰিছেহি। মিঃ ফনীধৰ চলিহাৰ ঘটনাও কৰ্ত্তৃপক্ষই পুনৰ বিবেচনা কৰিব বুলি মোৰ বিশ্বাস।" অসমৰ সন্মান ৰক্ষা আৰু অসমক বিপদ মুক্ত কৰিবলৈ যি আশা বুকত বান্ধি বৰদলৈদেৱ বিলাতলৈ গৈছিল, সেই আশা ঈশ্বৰে পূৰ্ণ কৰাত বিজয় গৌৰবৰ আনন্দ লৈ আকৌ নিজ জনমভূমি অসমৰ কোলালৈ বৰদলৈ বকৰা উলটি আহিল। ভাৰতৰ অগ্ৰগতিৰ বাটত খোজ মিলাবলৈ অসমক প্ৰস্তুত কৰিবলৈ

আকৌ দুগুণ উছাহেৰে বৰদলৈদেৱে ককালত টঙালি বান্ধি ললে।

## ১৯১৯ চনত গুৱাহাটী কাৰ্জ্জন হলত বৰদলৈদেৱৰ অভ্যৰ্থনা

নবীনচন্দ্ৰবৰদলৈ বিলাতৰ পৰা পালেহি। তেখেতৰ অভ্যৰ্থনাৰ অৰ্থে গুৱাহাটী কাৰ্জ্জন হলত এখন বিৰাটসভাৰ আয়োজন হৈছিল। ৰাইজে বিপুল আনন্দধ্বনিৰে ফুলৰ মালা পিন্ধাই বৰদলৈদেৱক অভ্যৰ্থনা জনায়।

ৰাইজৰ আনন্দধ্বনি আৰু হাত চাপৰিৰ মাজত বৰদলৈদেৱ ঠিয়দি কয়, "মোৰ মনত আজি কি আনন্দ লাগিছে, মই তাক বুজাই কবলৈ অক্ষম। মই আজি হে বুজিছো জন্মভূমি কি এটা বস্তু! বিদেশত হাজাৰ আনন্দত থাকক, সোনৰ অট্টালিকাত বাস কৰক, তথাপি সেই ভগা পজাটিলৈ মনত এটা টান থাকিবই। সঁচাকৈয়ে বিদেশত যদিও সুখত আছিলো, তথাপি, "ব্ৰহ্মপুত্ৰৰ" বা এচাটি যেতিয়া গাত লাগিল, তেতিয়াহে প্ৰাণত শান্তি পালোঁ।

এই যে স্বদেশৰ প্ৰতি টান, ই এটি ঐশ্বৰিক ভাব, যি বিলাক মহৎ স্বাৰ্থ ত্যাগৰ—দৃষ্টান্ত দেখোঁ, সি ইয়াৰ বিকাশ মাথোন। মই বিলাতলৈ গৈ কি দেখিলোঁ—সেই বিষয়ে পিচত

কম—এতিয়া আমি নিজৰ কথালৈ আহোঁ। আমি ইয়াৰ পৰা গৈ জয়েণ্ট কমিটীত সাক্ষী দিওঁ গৈ। তাতে এখনি লেখা আপত্তি দাখিল কৰিবলৈও অনুমতি পাওঁ।

ইয়াৰ দৰে ভাৰতৰ সকলো কাগজ পত্র একে ঠাইতে পোৱা টান দেখি, আমি সদায় ইণ্ডিয়া অফিচলৈ আহিব লগা হৈছিল। এই দৰে প্ৰায় এমাহ বাট কুৰি বাই, ভাৰতগবৰ্ণমেণ্টৰ ৯ম ডিস্পাচ খন সমালোচনা কৰি এখন আবেদন দিয়া হল। তাৰ বাহিৰেও কংগ্ৰেছ ডেপুটেশ্যনলৈ টানি লিখি, তাৰ পৰাও অসমৰ হৈ বেলেগে আপত্তি জনোৱা হয়।

এই বিলাক কামত ব্যস্ত থাকিব লগীয়া হোৱাত কংগ্ৰেছ ডেপুটেশ্যনৰ লগত, বিলাতৰ নানা ঠাইৰ সভা সমিটীত যোগ দিবলৈ বিশেষ সুবিধা নাপালো। মাথোন-ছুখন মিটিং অত উপস্থিত আছিলো। আৰু এখন মিটিং অত অসমৰ বিষয়ে মই কেই আষাৰ মান কৈছিলো।

তাৰ বাহিৰে "মণ্টেগু চাহাবক" দেখা কৰি ৺ফনীধৰ চলিহা ডাঙৰীয়াৰ ঘটনাটো যে তেওঁ বিশ্বাসযোগ্য নহয় বুলি কৈছিল, তাৰ এটা উচিত উত্তৰ বিচাৰিছিলো। আৰু সেই বিষয়ৰ কাগজপত্র বিলাক তেওঁৰ আগত উলিয়াই দিয়াত কলে! "এতিয়া মোৰ ভুল বুজিব পাৰিছো, মই ক্ষমা প্ৰাৰ্থনা কৰিলে আপুনি সুখী হব জানো?" মই কলো অকল সেয়ে নহয় আপুনি জয়েণ্ট কমিটীত কোৱা কথা খিনি তুলি লব লাগিব। তেওঁ কলে "দেখা যাব।"

তাৰ বাহিৰেও পাৰ্লিয়ামেণ্ট মহা সভাৰ সভ্য "মিঃ ৱেজউড্" কংগ্ৰেছ ডেপুটেশ্যনৰ মেম্বাৰ বাল গঙ্গাধৰ তিলকক অফিচত লগ ধৰি অসময়ে পিচপৰা নহয় সেই বিষয়ে বুজাবলৈ চেষ্টা কৰা হৈছিল।

মই বিলাতত গৈ কি ধাৰণা লৈ আহিলো সেই বিষয়ে অলপ কম। বিলাতৰ প্ৰত্যেকটো মানুহে বুজে যে সাম্ৰাজ্য খনৰ ওপৰত তাৰ এটা স্বত্ব আছে। কল কাৰখানা, তেল খনি আদিত কাম কৰা মানুহ বিলাকে যেতিয়া বুজিলে যে, সিহঁতে দুখ কৰি, লাখ লাখ টকা উপাৰ্জ্জন কৰে, অথচ মহাজন সকলে ঠেঙৰ ওপৰত ঠেং তুলি থাকিয়েই টকা গোটাবলৈ পায়। সিহঁতে দুখে কষ্টে দুবেলা দুমুঠি খাই থাকিবলৈ পাই মাথোন। মহাজন সকলৰ ধন আছে সঁচা! কিন্তু কাম কৰোতা মানুহ, কল চলাওঁতা শ্ৰমিক নহলে, কল কাৰখানা লয় নাপাবনে?

এই বিলাক দেখি শুনি শ্ৰমজীবি বোৰে এটা ভীষণ আন্দোলন লগাইছে। সকলো বনুৱা একগোট হোৱাত ভীষণ হুলস্থুল লাগি পৰিছে। এই ঘটনাই ইংলণ্ডত তোলপাৰ লগালে, অগত্যা গৱৰ্ণমেণ্ট বনুৱাহঁতৰ প্ৰস্তাৱত মান্তি হবলৈ বাধ্য হ'ল। সেই সম্বন্ধে ক'ব লাগিলে কব লাগিব যে আমি ইউৰোপীয় বিলাকক যেনে অবাস্তব বুলি ভাবো তেনে নহয়। বৰং তেওঁ লোক আমাতকৈ বহুত গুণে বাস্তব। দেশৰ কাৰণে প্ৰাণ পৰ্য্যন্ত দিবলৈ তেওঁলোক সদায় সাজু। আৰু আমি

মুখত সদায় কওঁ, মানুহ মাত্রেই নাৰায়ণ। কিন্তু সেই কথা আমি উপলব্ধি কৰিবলৈ একেবাৰেই অসমৰ্থ।

কিন্তু মই কওঁ, বিলাতৰ প্ৰত্যেক মানুহেই মানুহক প্ৰকৃত নাৰায়ন বোধে ব্যৱহাৰ কৰা যেন পাওঁ। তেওঁ লোকৰ প্ৰত্যেকৰে এই খিনি ভাবিবলৈ শক্তি আছে, ঈশ্বৰৰ ৰাজ্যত মানুহ, তেওঁ মনুষ্য জীৱনৰ স্বত্ব বিলাক পাবৰ অধিকাৰী।

মই এজন মানুহ। এই আত্মসম্মান ভাব ডাঙৰ সৰু সকলোৰে হৃদয়ত আছে দেখিয়েই ইংলণ্ডে আজি ইমান উন্নতি কৰিব পাৰিছে। বাটৰ বাটৰুৱা নাই বা মাল কঢ়িওৱা ভাৰী এটাকো ভদ্ৰ ব্যৱহাৰ কৰিলে, সি তোমাৰ সকলো কাম কৰিব, কিন্তু তাক অলপ তুচ্ছ তাচ্ছিল্য কৰিলে—তাৰ আত্ম সম্মানৰ ওপৰত হাত দিলে তুমি যদি লৰ্ডো হোঁৱা, তথাপি সি তোমাক সুখেৰে নেৰে। ছোলাৰ আস্তিন কোঁচাই শুধিব "তুমি কোনহে? এনে ভাবে কথা কবলৈ সাহ পোৱা?"

সেই দেখিয়েই ইয়াৰ পৰা উলটি যোৱা আমাৰ প্ৰভু সকলে বিলাতত গৈ বৰ অসুবিধা পায়। তেখেত সকলেতো ইয়াত প্ৰায়েই "চুৱাৰকা বাচ্ছা," নোবোলাকৈ কাকো কথাকে নকয়। উলটি গলেও তেওঁলোকৰ সেই অভ্যাসটি থাকি যায়। বিলাতত তেওঁলোকে চাকৰ নাকৰ পোৱা এটা বিষম সমস্যা হৈ পৰে। আনকি ইয়াৰ পৰা উলটি যোৱা ছাহাবেৰে Anglo Indian বুলি এটা সম্প্ৰদায়েই হৈ গৈছে। মোৰ লগত এনে বিধৰ এজন Anglo Indianৰ দেখা হৈছিল, তেওঁ

কৈছিল, "মিঃ বৰদলৈ, ইণ্ডিয়াত থাকিবলৈ বৰ ভাল, মোৰ ইচ্ছা হয় আকৌ ইণ্ডিয়ালৈ উলটি যাওঁ।"

মই শুধিলো কিয়? তেওঁ কলে ইয়াৰ চাকৰ বোৰ বৰ অসভ্য, ইণ্ডিয়াৰ দৰে ইয়াত সুবিধা নহয়। এই কথাষাৰৰ তেওঁ কি অৰ্থ কৰিছিল সেইটো অৱশ্যে বুজিবলৈ বাকী নাথাকিল।

সি যি হওক আমাৰ দেশৰ মানুহৰ যে আত্মসন্মানবোধ কম সেইটো হুই কৰিব নোৱাৰি। কম নহবই বা কিয়? মই যেনিবা চাকৰৰ অলপ দোষতে চৰপাত দিয়েক শোধালো, পিচ দিনা সি বজাৰৰ পইচা চুৰ কৰিবই। সি ভাবিব দেউতাইনো আৰু কি কৰিব? ধৰা পৰিলে দুটা চৰ চাপৰ মাৰিব সেয়েহে।"

আমাৰ আত্মসন্মান আছে কৰ পৰা? কিন্তু চাকৰ নাকৰক যদি ভদ্ৰভাবে চলোৱা যায়, তেন্তে সিহঁতে কেতিয়াও কোনো নীচ কাম কৰিবলৈ সাহ নকৰে। মনত এটা ভয় থাকিব, জানো গৰাকীয়ে বেয়া পায়। আৰু এই যে বগা কলাৰ পৃথক ভাবটো, মই বিলাতত এইটো ক'তো নেদেখিলোঁ। ইয়াৰ স্থিতি কেৱল আমাৰ দেশত হে। ৰুচিয়ালৈ সৈন্য পঠিওৱাত ইংলণ্ডৰ বনুৱা সকলে তীব্ৰ প্ৰতিবাদ কৰে, ফলত গৱৰ্ণমেণ্টে ৰুচিয়াৰ পৰা সৈন্য ওলোটাই আনিবলৈ বাধ্য হয়।

এতিয়া দেখা গৈছে যে গোটেই পৃথিবীময় শ্ৰমজীবি সম্প্ৰদায়ৰ মাজত এটা একতাৰ ভাব দেখা গৈছে। কেতিয়াবা যদি পৃথিবীত শান্তি হয়, সি হব বহল একতাৰ ভাবৰ পৰা"

বিলাতত বৰদলৈ প্ৰৱন্ধত শ্ৰীযুত অমিয় কুমাৰ দাসে লেখিছিল —"বিলাতত বৰদলৈদেৱে বক্তৃতা আৰম্ভ কৰিছিল—গ্ৰেট-বৃটেইনৰ ৰাষ্ট্ৰনায়ক "চেমাৰৰ" দুশাৰী কথা উল্লেখ কৰি "কেই বছৰ মান পূৰ্ব্বতে ভাৰতবৰ্ষই ইংলণ্ডক শ্ৰদ্ধা কৰিছিল, কিন্তু আজি এনেকুৱা কোনোবা মানুহ আছেনে যি ইংলণ্ডক শ্ৰদ্ধা কৰে ?

ইংলণ্ডৰ ৰাণী "বোডেছিয়াৰ" ওপৰত কৰা ৰোমান বাহিনীৰ অত্যাচাৰৰ কথা সোঁৱৰাই দি তেওঁ ক'লে "Rome shall Perish" বুলি ৰাণী বোডেছিয়াই কৈছিল। বৃটিছ ধ্বংস হৈ যাওক বুলি মই ইচ্ছা নকৰো, তেওঁলোকৰ হৃদয়ৰ পৰিবৰ্ত্তন হওক" এই দৰেই স্পষ্ট ভাষাৰে নিভিক যুক্তি দেখুৱাই, বৰদলৈ দেৱে সুদূৰ লণ্ডনত নিজৰ দেশৰ প্ৰাপ্য দাবী জনাই বিজয় গৌৰৱ লৈ উলটি আহিব পাৰিছিল।

দেশ প্ৰেম আছিল তেওঁৰ অন্তৰৰ মূল উপাদান! দেশ সেৱা আছিল তেওঁৰ জীৱনৰ ধ্যান! দেশ সেৱা কৰিবলৈ আছিল তেওঁৰ প্ৰাণত এটা ব্যাকুল বাসনা, অদম্য সাহ আছিল তেওঁৰ তেজৰ মূল উপাদান, এই উপাদানেৰে গঠিত তেজ বৈছিল তেওঁৰ শিৰে শিৰে। কি হব কি নহব তালৈ নাভাবি ক্ষন্তেকতে কৰ্ত্তব্য স্থিৰ কৰি, জুই একুৰাত জাপ দি পৰিবলৈ সাহ আছিল তেওঁৰ, অন্তৰ খন আছিল অতি বহল, এই বহল অন্তৰ খনত কপটতাৰ সংকীৰ্ণতাৰ ঠাই নাছিল, আজি তেওঁৰ ব্যক্তিত্ব সুঁৱৰি মনলৈ আহিছে এই বোৰ কথা"



বিলাতত কৰ্ম্মবীৰ ৺বৰদলৈ আৰু শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা

## আজিৰ অসম

আজিৰ অসমী আই, তোৰ ঠাই ভাৰতৰ প্ৰত্যেক প্ৰদেশৰ সমান শাৰীত কৈয়ো ওখ বুলি ধৰিব লাগিব। আজিৰ অসমে স্বাধীনতাৰ সিংহাসনত বহিবলৈ আগ বাঢ়ি গৈছে। অসম বুলিলে আজি পৃথিবীয়ে সচকিত ভাবেৰে চাই কত সেই অসম? পৰ্ব্বত মালাৰে পৰিবেষ্টিতা বিশাল ব্ৰহ্মপুত্ৰ মহানদৰ দুপাৰ শুৱাই অসমৰ মনমোহা দিব্যৰূপ। বিদেশীৰ লুভিয়া চকুৰ কূট নীতিৰ বেৰাজাল ভেদি শোষণৰ কৌশল ভাঙি, আজিৰ অসমে মহামানৱৰ "মনোৰম অসম" নাম লৈ জগতৰ চকুৰ আগত মনোমোহা ৰূপ ডাঙি ধৰিছে! অতীতৰ মুনিজনৰ তপস্যাৰ কামৰূপা সিদ্ধিস্থান, তয়েই "নবীনৰ" স্বপ্নস্বৰ্গ চিৰ আৰাধিতা সোণৰ অসম।

যি দিনা তোক বিদেশী বণিকে কূটকৌশলৰ ষড়যন্ত্ৰত পেলাই, অতীতৰ গৌৰৱ মহিমা লুপ্ত কৰি পৰাধীনতাৰ শিকলিডালেৰে নিকপ্ কপিয়াকৈ বান্ধি ভাৰতী আইৰ বুকুৰ পৰা চিৰি, আচুতীয়াকৈ তোৰ বুকত ৰণথলিৰ মোহৰ্ মাৰিবলৈ, বিচাৰিছিল; সেই দিনা সাত সাগৰ পাৰ হৈ গৈ তোৰ কৃতী পুত্ৰই বিদেশীৰ কূট কৌশল ব্যৰ্থ কৰি, শিকলি বান্ধৰ পৰা মোকোলাই আনি—ভাৰতী অইৰ জীয়ৰী সকলৰ লগত সমান আসনত বহুৱালে। জগৎ বাসীয়ে বিস্ময়েৰে চাই আছিল, সেই দিনা তোৰ অভূতপূৰ্ব্ব মুক্তি! আই তোক তোৰ প্ৰিয়

পুত্ৰই যি সিংহানত বহুৱাই, স্বাধীনতাৰ জয় যাত্ৰাৰ পথত আগ বঢ়াই দি গৈছে ; এই সিংহাসনতে বহি তই পাবি চিৰ ইপ্সিত স্বাধীনতাৰ জয় গৌৰৱ।

এই আসনতে বহি যুগ যুগান্তৰ ধৰি আগত শত শত নবীনৰ প্ৰাণৰ ৰঙা জবাৰে তোৰ চৰণ ৰঞ্জিত কৰি সজাই তুলিব। যি দিনা তোৰ বুকুত স্বাধীনতাৰ ত্ৰিৰঙা নিচান উৰি তোৰ স্বাধীনতাৰ বিজয় গৌৰৱ ঘোষণা কৰিব স্বাধীন ভাৰতৰ স্বাধীন নামেৰে জগতৰ আগত তোৰ চিনাকী হব, সেই দিনা তৃপ্ত হ'ব অতীতৰ শত শত বীৰ চহীদৰ তৃষিত অমৰ আত্মা সিদ্ধি হব অপূৰ্ণ সাধনা, নবীন, তৰুণৰ অপূৰ্ণ স্বপ্নই লব নৱ ৰূপ, দিব নতুন প্ৰেৰণা!

# জাতীয় কংগ্ৰেছ

## গান্ধী যুগ আৰু জাতীয় সপ্তাহ

### অমৃতসৰ কংগ্ৰেছত

১৯১৯ চনত জালিয়ানাৱালাবাগৰ নিষ্ঠুৰ স্মৃতি মণ্ডিত "অমৃতসৰত" কংগ্ৰেছৰ অধিবেশন বহে। এই সময়ত ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত পঞ্জাবৰ হত্যাকাণ্ডই দেশবাসীৰ মনত বিপুল উত্তেজনা আৰু বিক্ষোভৰ সৃষ্টি কৰিছিল। জাতীয় জাৰনত "জালিয়ানাৱালাবাগৰ" হত্যাকাণ্ড এটা প্ৰচণ্ড আঘাত।

তাৰ প্ৰতিক্ৰিয়াৰ চঞ্চলতাই ভাৰতবৰ্ষক এটি মুক্তি পথৰ সক্ৰিয় পন্থালৈ আগ বঢ়াই লৈ যায়। এই ঘটনাত পঞ্জাব বাসী লৈ সহানুভূতি আৰু সান্তনা জনাবলৈ সেই বাৰ "অমৃতসৰত" কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশন বহিল। এই অধিবেশনতে ভাৰতবাসীয়ে স্বেচ্ছাকৃত ভাবে মহাত্মা গান্ধীৰ হাতত নেতৃত্ব অৰ্পণ কৰিলে। তেতিয়াৰে পৰা ভাৰতত গান্ধী যুগ আৰম্ভ হল বুলিব পাৰি।

"অমৃতসৰ" কংগ্ৰেছতেই পুৰণি ৰাজনীতিৰ ঠাইত এটি বিপৰীত পৰিবৰ্ত্তনৰ ভাবে দেখা দিযে। পঞ্জাবত হাজাৰ হাজাৰ ভাৰতীয়ৰ তেজৰ আহুতি স্বাধীনতা সংগ্ৰামৰ প্ৰথম বলিদানে সাম্ৰাজ্যবাদৰ প্ৰতি ভাৰতবাসীৰ এটি তিক্ত মনোভাবৰ সৃষ্টি

কৰে। সেই দিনৰ পৰা ভাৰতে শতাব্দীৰ পৰাধীন যুগৰ স্বপ্ন বিহ্বল ৰাগীৰ পৰা জাতীয় জাগৰণৰ চঞ্চলতাৰ বিপুল স্পন্দন অনুভৱ কৰিবলৈ ধৰিলে। প্ৰথম মহাযুদ্ধত ধনে জনে সহায় কৰাৰ প্ৰতিদান স্বৰূপে ভাৰতে পালে ১৯১৮ চনৰ ১৫ জুলাইত ৰাউলাট আইন আৰু ১৯১৯ চনৰ ১৩ এপ্ৰিলৰ জালিয়ানাৱালাবাগৰ হত্যাকাণ্ড। এই অমানুষিক হৃদয় বিদাৰক ঘটনাত ভাৰতৰ শুপ্ত আত্মা জাগি উঠিল। ভাৰতে বুজিলে হয় মুক্তি নহয় মৃত্যু। কুমাৰীকাৰ পৰা হিমালয়লৈকে ভাৰতৰ জন জাগৰণৰ প্ৰথম দীপশিখাৰূপে ৬ এপ্ৰিল তাৰিখে সাম্ৰাজ্যবাদৰ বিপক্ষে ভাৰতবাসীয়ে প্ৰথম হৰতালে পালন কৰে।

মহামানৱ মহাত্মা গান্ধীৰ আবিৰ্ভাব হয়। মহাত্মাৰ কণ্ঠত বাজি উঠিল "৬ এপ্ৰিলত হিন্দু মুছলমানৰ ঐক্য শক্তিৰ সত্যাগ্ৰহৰ শুভ বাণী। ১৩ এপ্ৰিল আমি পাহৰি যোৱা অসম্ভৱ, এই দিনতে ভাৰতৰ নিৰপৰাধ চহীদ সকলৰ বুকৰ তেজ একেটি স্মৃতিৰে বৈ গৈ, সমগ্ৰ পঞ্জাবক তীৰ্থ ক্ষেত্ৰত পৰিণত কৰিছিল।"

মহাত্মাৰ নিৰ্দ্দেশ মতে ৬ এপ্ৰিলৰ পৰা ১৩ এপ্ৰিললৈকে এই সপ্তাহটোক জাতীয় সপ্তাহৰূপে ভাৰতবাসীয়ে নিষ্ঠাৰে পালন কৰি আহিছে। এই সময়ৰ পৰাই মহাত্মা গান্ধীয়ে ভাৰতৰ মুক্তি সংগ্ৰামৰ গুৰিয়াল হৈ অভিনৱ পন্থাৰে ভাৰতক মুক্তি পথলৈ আগ বঢ়াই নিয়ে।

১৯১৯ চনৰ চাৰি ফেব্ৰুৱাৰীৰ দিনা মহাত্মা গান্ধীয়ে ঘোষণা

কৰে যে ৰাউলাট বিল আইনত পৰিণত কৰিলে দেশবাসীয়ে সত্যাগ্ৰহ কৰিব। কিন্তু শোষক সম্প্ৰদায়ে দেশবাসীৰ অসন্তোষ সত্যাগ্ৰহৰ সঙ্কল্প একোলৈকে কান নকৰি ১৯১৯ চনৰ ৩ মাৰ্চ্চত সেই বিল আইনত পৰিণত কৰে।

ভাৰতৰ জনমতক উপেক্ষা কৰি সাম্ৰাজ্যবাদী শক্তিয়ে "ৰাউলাট বিল" আইনত পৰিণত কৰাৰ ফলত, গোটেই ভাৰতবৰ্ষত অশান্তি আৰু অসন্তোষৰ অগ্নিশিখা জ্বলি উঠিল। ভাৰতৰ মহা মহা মনীষী সকলে সেই দিনা বুজিব পাৰিলে যে পৰাধীন ভাৰতৰ মুক্তি নাই। ৰাউলাট আইনৰ নাগপাশে ভাৰতৰ জাতীয় জীৱনৰ সৰ্ব্বনাশ সাধন কৰিব।

মহাপুৰুষ পণ্ডিত মালব্যজীয়ে আৰু বিষ্ণুদত্ত শুক্লই এই আইনৰ প্ৰতিবাদ স্বৰূপে, বৰলাটৰ ব্যৱস্থাপক সভাৰ সদস্য পদ ত্যাগ কৰে। মহাত্মা গান্ধীয়ে প্ৰথমে মাদ্ৰাজৰ পৰা ঘোষণা কৰে, ৩০ মাৰ্চ্চ তাৰিখে "সত্যাগ্ৰহ" আৰম্ভ হব। পিচত সত্যাগ্ৰৰ তাৰিখ পৰিবৰ্ত্তন কৰি—৬ এপ্ৰিল ধাৰ্য্য কৰে। আৰু এই তাৰিখেই সত্যাগ্ৰহৰ সূচনা হিচাবে ভাৰতব্যাপী হৰতাল পালন হয়, আৰু ২৪ ঘণ্টা উপবাস আৰু জনসভাৰ অনুষ্ঠান কৰি "ৰাউলাট" আইন উঠাই লোৱাৰ দাবী জনাবলৈ নিৰ্দ্দেশ দিয়ে।

সত্যাগ্ৰহৰ তাৰিখৰ পৰিৱৰ্ত্তনৰ বাতৰি দিল্লীত যথা সময়ত নোপোৱাত, ৩০ মাৰ্চ্চ তাৰিখেই দিল্লীত হৰতাল কৰা হয়, আৰু জনতাক পুলিচে গুলিয়াই। পুলিচৰ গুলিত জনতা

বিক্ষুব্ধ হৈ উঠি পুলিচক আক্ৰমণ কৰিবলৈ উদ্যত হয়। স্বামী শ্ৰদ্ধানন্দই জনতাৰ সমুখত বুকুপাতি গুলি লবলৈ ঠিয় হয়, আৰু জনতাক শান্ত কৰে। এই অমৃতসৰ কংগ্ৰেছত অসমৰ কংগ্ৰেছ প্ৰতিনিধি আৰু সাবজেক্ট কমিটিৰ সদস্যৰূপে স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈদেৱে যোগ দিছিল। তেতিয়াৰে পৰা অসমেও জাতীয় সপ্তাহ পালনৰ ব্ৰত ললে। ৬ এপ্ৰিল আৰু ১৩ এপ্ৰিল তাৰিখে বৰদলৈদেৱে উপবাস আৰু প্ৰাৰ্থনাত কটাই জনসভাত যোগ দি জাতীয় সপ্তাহৰ উদ্দেশ্য বুজাবলৈ যত্ন কৰে।

## দিল্লী কংগ্ৰেছত

অসমৰ প্ৰতিনিধি হিচাবে নবীনচন্দ্ৰ বৰদলৈয়ে দিল্লীকংগ্ৰেছত যোগ দিয়ে। বি, কে চক্ৰবৰ্ত্তীয়ে ভাৰতক স্বায়ত্বশাশন দিব লাগে বুলি, এটা প্ৰস্তাব ডাঙি ধৰে. প্ৰস্তাবটো সমৰ্থন কৰিবলৈ, বৰদলৈদেৱে ভীষণ বাধা অতিক্ৰম কৰি আগবাঢ়িব লগা হৈছিল।

## কলিকতা কংগ্ৰেছ

১৯২০ চনৰ চেপ্তেম্বৰ মাহত লালা লাজপত ৰায়ৰ সভাপতিত্বত বহা অধিবেশনত মহাত্মা গান্ধীয়ে অসহযোগ প্ৰস্তাৱ ডাঙি ধৰে। পণ্ডিত মদনমোহন মালব্য, দেশবন্ধু চিত্তৰঞ্জন দাস, ডাঃ এনি বেছান্ত, আৰু বিপিনচন্দ্ৰ পালে এই প্ৰস্তাবৰ বিৰোধিতা কৰা স্বত্বেও—বিপুল ভোটাধিক্যত মহাত্মাজীৰ

অসহযোগ প্ৰস্তাব গৃহীত হয়। কলিকতা কংগ্ৰেছতে কংগ্ৰেছৰ নতুন ইতিহাসৰ সূচনা হয়। কংগ্ৰেছৰ পৰা ইউৰোপীয় সকললৈ শ্ৰদ্ধা দূৰ হোৱাৰ লগে লগে—দাৰুণ বিৰক্তিয়ে সেই ঠাই অধিকাৰ কৰে।

১৯১৭ চনৰ পৰা কংগ্ৰেছ মহাসভা জাতীয় দলৰ হাতলৈ আহিলেও ১৯২০ চনলৈকে মহাত্মা গান্ধীয়ে নেতৃত্ব নোলোৱালৈকে, কংগ্ৰেছ মহাসভা শিক্ষিত সম্প্ৰদায়তে আৱদ্ধ হৈ আছিল। কংগ্ৰেছ নামৰ যে এখন জাতীয় মহাসভা আছে, গাঁৱলীয়া ৰাইজে এই বিষয়ে একো ভূ নাপাইছিল। ১৯২০ চনৰ কলিকতা মহানগৰীৰ কংগ্ৰেছ অধিবেশনতে বিস্তৃত ভাবে কংগ্ৰেছে জনসাধাৰণৰ প্ৰতিনিধিত্বৰ ভাৰ লয়।

এই অধিবেশনত মহাত্মাজীয়ে অসহযোগ প্ৰস্তাব ডাঙি ধৰোতে এই পথেই ভাৰতৰ মুক্তিৰ পথ বুলি উল্লেখ কৰে। কংগ্ৰেছৰ নিয়মাৱলী সংশোধিত হৈ, সাম্ৰাজ্যবাদৰ বিৰোধি ৰূপ লৈ কেন্দ্ৰীয় শক্তিৰূপে বৰ্ত্তমান কংগ্ৰেছ মহাসভাত পৰিণত হয়।

এই অধিবেশনত আলোচ্য বিষয় আছিল—

১। পঞ্জাবৰ অত্যাচাৰৰ প্ৰতিকাৰ

২। খিলাফৎ সমস্যা সম্পৰ্কে—হিন্দুমুছলমানৰ সমবেত আন্দোলন

৩। মণ্টেগু চেমচ্‌ফোৰ্ড শাসন সংস্কাৰৰ অসাৰত্ব—

৪। অসহযোগ আন্দোলন

ব্যৱস্থা পৰিষদত ফৌজদাৰী বিল গৃহীত হয়।

অসমৰ প্ৰতিনিধি হিচাবে কলিকতা কংগ্ৰেছত, বৰদলৈদেৱে যোগ দিয়ে আৰু অসমক স্বকীয়া কংগ্ৰেছ প্ৰদেশ হিচাবে স্বীকাৰ কৰিবলৈ, কলিকতা কংগ্ৰেছত এটা প্ৰস্তাব কৰে। তেখেতে অসহযোগ আন্দোলনৰ বিপক্ষেহে ভোট দিছিল। কাৰণ অসমে তেতিয়াও স্বকীয়া স্বীকাৰোক্তি পোৱা নাছিল।

## নাগপুৰ কংগ্ৰেছত—

কলিকতা কংগ্ৰেছত বৰদলৈদেৱে দিয়া প্ৰস্তাবটো অনুসৰি নাগপুৰ কংগ্ৰেছত অসমক বেলেগ কংগ্ৰেছ প্ৰদেশ বুলি স্বীকাৰ কৰা হল। তেতিয়াৰ পৰাহে সম্পূৰ্ণভাবে চিৰউপেক্ষিত অসমে কংগ্ৰেছ মহাসভাত ঠাই পালে। ইমান দিনে অসম স্বকীয়া কংগ্ৰেছ প্ৰদেশ হিচাবে কংগ্ৰেছত স্বীকাৰ নোপোৱাত অসমৰ মুক্তিৰ কোনো উপায় নাছিল।

১৯১৯ চনৰ কূট কৌশলৰ ৰাহুমুক্ত অসম নবীনচন্দ্ৰ বৰদলৈদেৱৰ আপ্ৰাণ চেষ্টাত এইবাৰ কংগ্ৰেছ মহাসভাত স্বকীয়া স্বীকাৰোক্তি পায়। অসমে এতিয়াৰে পৰা মুক্তি আৰু প্ৰগতিৰ বাটত স্বকীয়া আৰু স্বচ্ছন্দ গতিৰে জাগৰণৰ পিনে আগ বাঢ়িল। নাগপুৰ অধিবেশনতে দেশবন্ধু চিত্তৰঞ্জন দাস

মহাত্মা গান্ধীৰ মতানুৱৰ্ত্তী হয় আৰু অসহযোগ আন্দোলন সমৰ্থন কৰে।

এই অধিবেশনতে কংগ্ৰেছৰ মূল নীতি আকৌ সলনি হয়, আৰু স্থিৰ হয় যে "সকলো প্ৰকাৰ বৈধ্য আৰু নিৰূপদ্ৰৱ উপায়ে" ভাৰতবৰ্ষৰ জনসাধাৰণৰ কাৰণে, স্বৰাজ লাভ কৰাটোৱেই ভাৰতবৰ্ষৰ জাতীয় কংগ্ৰেছৰ উদ্দেশ্য। কংগ্ৰেছৰ মূল নীতিত প্ৰথমতে যি নিয়মতান্ত্ৰিক আৰু গঠনতান্ত্ৰিক কথা কোৱা হৈছিল, তাৰ ঠাইত বৈধ্য আৰু নিৰুপদ্ৰৱৰ উপায়ৰ কথা সংযোজিত কৰা হয়। স্বৰাজৰ ব্যাখ্যা কৰি কোৱা হয় যে সম্ভৱ হলে বৃটিছ সাম্ৰাজ্যৰ ভিতৰত থাকি প্ৰয়োজন হলে সাম্ৰাজ্য ত্যাগ কৰিও স্বৰাজ লাভ কৰিব লাগিব।—এই অধিবেশনতে মহাত্মা গান্ধীয়ে কংগ্ৰেছত তেওঁৰ অসহযোগ আন্দোলনৰ কৰ্ম্মপন্থা গ্ৰহণ কৰিবলৈ সম্মত কৰায়।

## অসমত অসহযোগৰ সুচনা—

অসমত ই এটা ঐতিহাসিক ঘটনাৰ দৰে স্মৰণীয় হৈ থাকিব। নতুন শাসন সংস্কাৰৰ পৰা অসমক বাদ দি থোৱাত, পালিয়ামেণ্টলৈ প্ৰতিনিধি পঠিয়াই অসমে শাসন-সংস্কাৰ ভুক্ত হবলৈ কৰা আয়োজন দেখি, এদিন ভাৰতীয় নেতা সকলে তবধ মানিছিল; সেই অসমে আজি আকৌ সেই শাসন সংস্কাৰক নেওচি বৃটিছ গৱৰ্ণমেণ্টৰ বিৰুদ্ধবাদীৰূপে,

অসমৰ পূৰ্ণ স্বাধীনতা লাভৰ আকাঙ্খ্যাত, জাতীয় যুজৰ মুক্তি আন্দোলনত যোগ দিলে। আৰু অসমৰ জাতীয় সভা অসম-এচোছিয়েশ্যনেই পঞ্জাবৰ অন্যায় অত্যাচাৰৰ প্ৰতিবাদ স্বৰূপে কাউন্সিল বৰ্জ্জন কৰিলে।

গুৱাহাটীত বহা অসম এছোছিয়েশ্যনেৰ অধিবেশনত অসমেও অযহযোগৰ প্ৰস্তাব সম্পূৰ্ণ ভাবে গ্ৰহণ কৰিলে। সেই সময়ত মঙ্গলদৈৰ পৰা শ্ৰীযুত কুমুদৰাম বৰা, গুৱাহাটীৰ পৰা শ্ৰীযুত কালিৰাম বৰ্ম্মণ আৰু তেজপুৰৰ পৰা ৺চন্দ্ৰনাথ শৰ্ম্মাই কাউন্সিললৈ নিৰ্ব্বাচিত হৈও পদত্যাগ কৰি প্ৰস্তাবৰ সম্মান ৰক্ষা কৰিলে—এই বাতৰিয়ে অসমীয়া ৰাইজৰ মাজত এটা নতুন কৰ্মপ্ৰেৰণাৰ সৃষ্টি কৰে—জাতীয় জাগৰণৰ আগ সুচনা জনায়।

## বৰদলৈদেৱৰ বিবৃতি--

"মই নিজে এজন ৰাজভক্ত পৰিয়ালৰ আৰু নিজেও ৰাজভক্ত আছিলোঁ। পিন্ধা উৰা, চলন সকলোতে মই চাহাবী ধৰণে চলিছিলো। ১৯১৮ চনৰ মহাযুদ্ধত বহুত ৰকমে গৱৰ্ণমেণ্টক সহায় কৰিছিলোঁ। কিন্তু যেতিয়া মই জালিয়ানাৱালাবাগৰ নিষ্ঠুৰ অত্যাচাৰৰ কথা শুনিলো, বিশ্বকবি ৰবীন্দ্ৰনাথৰ নাইট উপাধি বৰ্জ্জনৰ কথা শুনিলো, মই তেতিয়া চাহাবী চলন, ফুৰণ,

এৰি পেলালোঁ। ( A slave is a slave always ) "দাস সদায় দাসেই"

বৰদলৈদেৱে অসহযোগ প্ৰস্তাৱ গ্ৰহণ কৰিলে। মণ্টেগু চেমচফোৰ্ড শাসন সংস্কাৰৰ অসাৰত্ব প্ৰমাণ কৰি, অসমেও ভাৰতৰ লগত মুক্তি আন্দোলন গ্ৰহণ কৰিলে। তেতিয়াৰে পৰা সুদীৰ্ঘ দিন জাতীয় যুজৰ আগ ভাগ লৈ অসমে সদায় আগ শাৰীত ঠাই পাই আহিছে। সেই এন্ধাৰ দিনৰ কুঁৱলী ভেদি মুক্তিৰণৰ মাজেৰে এখোজ এখোজ কৈ স্বাধীনতাৰ সিংহ দুৱাৰৰ পিনে আগ বাঢ়ি গৈ আছে।

## প্ৰথম কাৰাবাসত

নবীন বৰদলৈ আৰু তৰুণ ৰামফুকনকে আদিকৰি সৰহ ভাগ ৰাজবন্দীকেই যোৰহাট জেলত থৈছিল। ৱবদলৈদেৱৰ ভায়েক শ্ৰীযুত বিপিনচন্দ্ৰ বৰদলৈ সেই সময়ত জোৰহাটত আছিল। তেখেতে ৰাজনৈতিক সুখ সুবিধাৰ বাবে কিছু পৰিমাণে যত্ন লৈছিল। মাজে মাজে দুই তিনি মোন চিৰা, গাখীৰ ফল মূল পঠিয়াইছিল। কাপোৰ কানি যাক যি লাগে অনাই দি খবৰ খাবাৰ কৰিছিল। ককাইদেউয়েক নবীন বৰদলৈদেৱক মাটিৰ ভেটিত শুৱলৈ দিয়াত তেখেতৰ অসুখ হল, সেই বাবে ভায়েক বিপিন বৰদলৈৱে ভেটিটোৰ জোখাৰে এখন চাঠ কৈ তুলি কৰাই দিছিল। সেই সময়ত এ ক্লাচ কয়েদীয়েও মাটিৰ ভেটিত শুব লাগিছিল।

ৰাজনৈতীক বন্দী সকলে এই বিলাক সুখ সুবিধা পোৱাত কৰ্ত্তৃপক্ষৰ চকু পৰিল, আৰু এই বিলাক সকলো সুবিধাৰে মূল বৰদলৈ আৰু ফুকন বুলি জানি তেখেত সকলক যোৰহাট জে'লৰ পৰা স্থানান্তৰিত কৰিলে। বৰদলৈদেৱক চিলেট জে'ললৈ, আৰু ফুকন ডাঙৰীয়াক চিলচৰ জেললৈ স্থানান্তৰিত কৰিলে।

১৯২১ চনৰ কাৰাবাসৰ ভয়াবহতাত ভালে খিনি বন্দীয়ে স্বীকাৰ পত্ৰত চহী কৰি ওলাই আহিছিল। ভুক্তভোগী সকলৰ পৰা শুনা, পাহৰিব নোৱাৰা দুখ যাতনাৰ স্মৃতি।

১৯২১ চনৰ কাৰাবাসৰ লগত এতিয়াৰ কাৰাৰ তুলনা নহয়। আগৰ এ ক্লাচ এতিয়াৰ চি ক্লাচৰ দৰেই প্ৰায়। তেতিয়াৰ চি ক্লাচৰ ব্যৱস্থা এতিয়া খুনী কয়েদীৰো বোধ কৰো নহয়। কয়দী সকলৰ অনশনৰ ফলত জে'লৰ অৱস্থা বহুত উন্নত কৰা হৈছে।

যোৰহাট জে'লতেই ৰাজনৈতিক বন্দী সকল সৰহ ভাগ আছিল। তাতেই তেওঁলোকে কাৰাবাসৰ প্ৰথম অভিজ্ঞতা লাভ কৰে। সৰু সৰু লৰা বোৰে, প্ৰথম উৎসাহত জেললৈ গৈ পিচত দুখ যন্ত্ৰণাত অস্থিৰ হৈ, বহুতেই কান্দি কাটি বেজাৰে দুখে ম্ৰিয়মান হৈ পৰিছিল। বৰদলৈদেৱে সেই বিষয়ে লক্ষ্য কৰি লৰা বোৰক লৈ নানা ধৰণৰ খেল ধেমালি, গল্প সাহিত্য চৰ্চ্চা ইত্যাদিৰে কোমলমতি বন্দী সকলৰ কাৰাবাসৰ দুখ পাহৰাবলৈ চেষ্টা কৰিছিল। বৰদলৈ ফুকন দুয়োজনে প্ৰথমে আলচী ঠিক কৰিলে যে, কোণে বিলাতি "তাচ" এজোৰ হাতেৰে মোহাৰি ফালিব পাৰিব? প্ৰথমে বৰদলৈয়ে চেষ্টা কৰিলে

নোৱাৰিলে কেইপাতমান ৰল। পিচত ফুকনে একেবাৰেই বিলাতি তাচ জোৰ ফালি পেলালে। তাৰ পিচত আছিল শিকলি চিঙাৰ পাল। লৰাবোৰক ওখ জাপ, দীঘল জাপ ইত্যাদি খেলিবলৈ দিয়া হৈছিল। জাপ মাৰোতে পিচল খাই পৰি উমেশৰ আঠুটো ভাগিছিল। এই বিলাক শক্তি প্ৰতিযোগিতাত দেখা গৈছিল, উঠি অহা ডেকা সকলত কৈ বুঢ়া দুগৰাকীয়েহে প্ৰথম ঠাই অধিকাৰ কৰিছিল। বৰদলৈ আৰু ফুকনদেৱ দুয়োজনেই অতি শক্তিশালী লোক আছিল। সাহ পিত শক্তি কাৰো কম নাছিল। ফুকনদেৱৰ হাতী চিকাৰ কোনে নাজানে? বৰদলৈদেৱো কম চিকাৰী নাছিল।

১৯২৫ চনত বৰদলৈদেৱ ডিব্ৰুগড়ত আছিল। তেতিয়া শ্ৰীযুত বলিনাৰায়ণ বৰাই ব্যায়াম দেখুৱাইছিল মটৰ ৰখাইছিল শিকলি চিঙিছিল। বহুত তিৰোতা মানুহে তেওঁক হাতৰ আঙঠি সোলোকাই আশীৰ্ব্বাদ কৰিছিল। এই কথা শুনি বৰদলৈদেৱে কলে, "বাৰু মটৰ ৰখাব পাৰিলে যদি সোণৰ আঙটি পোৱা যায় মই ও চোন মটৰ ৰখাই দেখুৱাব পাৰো" এদিন তেখেতে শ্ৰীযুত প্ৰসন্নবৰুৱাই চলাইনিয়া মটৰ এখন পিচ ফালৰ পৰা গছত খোপনি ধৰি ৰখাই ষ্টাৰ্ট বন্ধ কৰি দিছিল।

তেতিয়া বোধ কৰো বৰদলৈদেৱৰ বয়স ৫১ বছৰ মান হব। চি ক্লাচৰ সশ্ৰম কয়েদীবোৰে ধান বনা শিল ভঙা, তেল পেৰা ইত্যাদি কঠোৰ পৰিশ্ৰমৰ কামবোৰ কৰিব লগা হৈছিল। অলপ ত্ৰুটি হলেই "গানিক্লথ" ( থৈলাৰ দৰে কাপোৰ ) পিন্ধাই

ভৰিত লোহা দি “শ্বেলত” থোৱাৰ ব্যৱস্থা আছিল। খাদ্য আছিল অতি জঘন্য, ধান তুঁহ মিহলি চাউলৰ ভাত কচু ঠাৰি সিজোৱা তৰকাৰী। ৰাতি পুৱা ভাতৰ মাৰ—পানীয়ে চাহৰ অভাব দূৰ কৰিছিল। এইয়ে আছিল খাদ্যৰ তালিকা। গধূলি ৬টা বজাত লোহাৰ থাল পাতি সেই ভাত তৰকাৰী খায় উঠিলে, এটাই বোৰ কয়দিকে গৰু গোহালীত সুমুৱাৰ দৰে এটা ঘৰত সুমুৱাই তলা দি যায়। এনে ধৰণৰ অসহনীয় কাৰাবাস, বেচিৰ ভাগ কুমলীয়া বয়সৰ কৰ্ম্মী সকলৰ ভাগতেই পৰিছিল। মাক বাপেকৰ আদৰৰ লৰা, পঢ়ি থকা ছাত্ৰ জীৱনৰ পৰা যম যন্ত্ৰণা তুল্য এই কাৰাবাসত কোমল স্বাস্থ্য নষ্ট কৰি জুকলা হ’ল। যেতিয়া জে’লৰ পৰা ওলাই আহে, একোটি প্ৰেত মূৰ্ত্তিৰ দৰে নিস্তেজ দেহ মন লৈ ওলাই আহে নিৰুৎসাহী ছাত্ৰৰ দল। সংসাৰী সকলে জুকলা দেহ মন লৈ ওলাই আহি ভগা চিগা সংসাৰৰ ভাগকুৱা চকাটো ঘূৰাবলৈ শৰীৰত শক্তিৰ নাটনি হৈ পৰে। এ ক্লাচ কয়দী বোৰৰ অলপ সুবিধা আছিল যেনে লিখা পঢ়া আৰু নিজৰ খৰছত বাহিৰৰ পৰা বস্তু অনাই খোৱা।

“চিলেট” জে’লত বৰদলৈদেৱৰ অসুস্থতা বাঢ়ে। সদায় ঘুঘুইয়া জ্বৰ আৰু শৰীৰৰ ওজন কমিবলৈ ধৰে। সেই বাবে তেখেতৰ খাদ্য তৈয়াৰ কৰিবলৈ এজন ৰাজনৈতিক হিন্দস্থানী বন্দী নিযুক্ত হৈছিল। তেওঁৰ নাম আছিল শীতল প্ৰসাদ সিং। তেওঁৰ যত্নত বৰদলৈদেৱ লাহে লাহে আৰোগ্য হবলৈ ধৰিলে।

বৰদলৈদেৱৰ জ্বৰ আৰু ডিঙিত এডোখৰ ঘা হৈছিল,

কোনো ৰকমেই ঘা ডোখৰ ভাল নোহোৱা হল। ঘাৰ পৰা তেজ পুজ ববলৈ ধৰিলে। শেষত ডাক্তৰ "ইনিচে" বিলাতলৈ গৈ ৰেডিয়াম ট্ৰিটমেণ্ট কৰিবলৈ অনুমতি দিলে। কিন্তু বৰদলৈদেৱ তাত সম্মত নহল। গুৱাহাটীৰ পৰা ডাঃ গুণীন্দ্ৰনাথ ৰায়ৰ হোমিওপ্যাথি দৰব নি খায় উপকাৰ পালে। কিন্তু বহু দিনলৈকে পনীয়া বস্তু খালে নাকেৰে ওলাই গৈছিল।

দীঘলীয়া কাৰাবাসৰ কাল ডোখৰতে তেখেতৰ নিজৰ শৰীৰৰ অসুস্থতাৰ বাজেও, ঘৰত বিপদৰ উপৰি বিপদে দেখা দিয়ে। পিতৃহীন মোৰ সৰু লৰা ৺পুতলাৰ আকস্মিক মৃত্যু হয়। এই পাচ বছৰীয়া "পুতলী" ককাক বৰদলৈৰ অতি আদৰৰ ধন আছিল। ককাকে তাৰ শুৱনী মুখখনি দেখি দেৱশিশু বুলি মাতিছিল। এই দাৰুণ শোকৰ আঘাটত তেখেতৰ ৰুগীয়া শৰীৰ তেনেই ভাগি পৰে। কাৰাবাসৰ পৰা এই সন্তপ্তা স্ত্ৰীয়েকলৈ ( নলিনী দেবী ) সান্তনা দি নানা সজ উপদেশপূৰ্ণ চিঠি দিছিল। সেই চিঠি বোৰ "চেতনাত" প্ৰকাশ হৈছিল। হৃদয়ৰ দুৰ্বাৰ শোক সহিব নোৱাৰি এটি "শোক শান্তি" নামক প্ৰবন্ধ লেখিছিল। "চেতনাত প্ৰকাশ হৈছিল। এই শোকৰ যন্ত্ৰনাই শ্ৰীযুতা মাতৃকো শয্যাশায়িনী কৰে। শ্ৰীযুতাৰ শৰীৰ ৰক্তহীন হৈ নেৰা নেপেৰা জ্বৰ হবলৈ ধৰে। ডাক্তৰে 'কেন্‌চাৰ' বুলি সন্দেহ কৰে, আৰু কলিকতালৈ নি অস্ত্ৰোপচাৰ কৰিবলৈ কয়। এই বিষয়ে বৰদলৈদেৱৰ মতামত শোধাত তেখেতে ডাঃ ইউনালক' (এ্যামেৰিকান হোমিওপ্যাথ) দেখুৱাবলৈ কয়।

কাৰণ পিতৃ বৰদলৈদেৱ হোমিওপ্যাথি চিকিৎসাত অতি বিশ্বাসী আছিল। পৰম করুণাময়ৰ কৃপাত শ্ৰীযুতা মাতৃদেৱী হোমিও-প্যাথী চিকিৎসাতে আৰোগ্য হয়। সেই সময়তে ডাঙৰ লৰা উমেশচন্দ্ৰ বৰদলৈয়ো কাৰাবাসত আছিল আৰু আঠুএটা ভাগি বহুদিন ভুগিব লগা হৈছিল। এই দেড়বছৰ কাল বৰদলৈদেৱৰ কাৰাবাসৰ ভিতৰতে, ঘৰ খনত শোক দুখ ৰোগ আৰু দাৰিদ্ৰ্যৰ হেচাত এটি বিকট অশান্তিয়ে ঠাই লয়।

## কাৰামুক্তি

দীঘলীয়া দেড়বছৰ কাৰাবাস ভোগ কৰি ৰুগীয়া আৰু নিস্তেজ শৰীৰ লৈ পিতৃ বৰদলৈদেৱ ঘৰলৈ উলটি আহিল। ঘৰৰ পৰা তেতিয়াও শোক ভৰা বিষাদৰ ছাঁ আতৰা নাই। সদৌ অসমৰ গুণগ্ৰাহী ৰাইজে সভা সমিতি পাতি অসংখ্য মানপত্ৰদি বৰদলৈদেৱক অভিনন্দিত কৰিলে। গুৱাহাটীৰ ঘৰত শৰীৰ টঙাই লবলৈ কিছু দিন বিশ্ৰাম কৰিলে। কিন্তু সমস্যা হল শৰীৰ টঙায় কেনেকৈ? ঘৰত মহা অৰ্থাভাৱ। অসুস্থ শৰীৰে শ্ৰীযুতা মাতৃয়ে কোনো মতে ঘৰখন চলাইছিল। লৰা দুটি নিবন্ধুৱা, পিতৃহীন পাঁচোটি সন্তানে সৈতে অনাথিনী কন্যাই আৰু মাউৰা ভাগিনীয়েক এটি 'কনক চন্দ্ৰ চাংকাকতি" এইয়ে পিতৃ বৰদলৈদেৱৰ পৰিয়াল।

'ইক্‌মিক কুকাৰত' ৰন্ধা বঢ়া কৰি কিছুদিন চলিল।

কাপোৰ কানিৰ ব্যয় সংকোচৰ কাৰণে এখন খাদৰৰ চুৰিয়া কাটি দুখন কৰি চুৰিয়াৰ দৰে পিন্ধিব পৰাকৈ লুঙ্গি চিলাই কৰি পিতৃ বৰদলৈদেৱে নিজে ব্যৱহাৰ কৰিছিল। তেখেতে জে'লত থাকোতে নিজে বহুত মিহি সূতা কাটিছিল, আৰু আমি পৰিয়ালৰ সূতা কাটি কাপোৰ বৈ কোনো মতে সংসাৰৰ কাপোৰৰ অভাৱ দূৰ কৰিব লগা হৈছিল। এনেকুৱা দিনো গৈছে, কটা খদ্দৰৰ চুৰিয়া কাটি গাৰুৰ গিলিপ, তলত পিন্ধা কুৰ্ত্তা সৰু লৰা ছোৱালীৰ কাপোৰসি কোনো মতে ভদ্ৰতা ৰক্ষা কৰিব লগাত পৰিছিল। সেই দিনৰ দাৰিদ্ৰ্য ঢাকিবলৈ কৰা যত্ন আজিও এটি মনৰ পীডা দায়ক স্মৃতি।

১৯২৩ চনৰ পৰা ১৯২০ চনলৈ পিতৃ বৰদলৈদেৱে ঘোৰ দাৰিদ্ৰ্যৰ লগত যুজিব লগা হৈছিল। সময় বুজি ধৰুৱা বোৰেও জুমুৰি দি ধৰিছিল, এদিন এটা ঘটনাৰ কথা পিতৃ বৰদলৈ দেৱৰ নিজ মুখে শুনিছিলো। তেখেতে কৈছিল "সেই দিনা হাত একেবাৰে শুদা, আৰামী চকি এখনত বহি ওপৰলৈ চাই ভাবি আছো। কেবাটাও ধৰুৱাই আহি জুলুম কৰিছেহি। ঘৰৰ খৰছৰ বাবে এটা পইছাও হাতত নাই। হঠাতে ভাব আহি, মনে মনে কলো ভগবান! সকলোৰে উপায় তুমি কৰা আজিৰ মোৰ উপায়ও তুমিয়েই কৰিবা। এই দৰে এটা নিৰ্ভৰতাৰ ভাৱ আহি মনটো পাতল কৰি পেলালে; মনৰ পৰা অশান্তিৰ ভাব আতৰি গল। নিৰ্ব্বিকাৰ ভাবে বহি আছো, এনেতে মোৰ নাতি লৰাটোৱে (পৱিত্ৰই) ফটা পুৰণি বেগ

এটা দিলেহি। সেই বেগটো বহুত বছৰ আগৰ পুৰণি, মই তাক কেতিয়াবাই পেলাই দিছিলোঁ। পুৰণি বেগটোলিৰিকি বিদাৰি চাই আছো ভিতৰৰ ফালে হাত সুমুৱাই দিলো হাতত এখন কাগজ লাগিল, টানি উলিয়াই দেখো যে এখন ৫০৲ টকাৰ নোট চেপেটা খাই সোমাই আছে। শুদা হাত, গধুলিকৈ লৰা ছোৱালী কিটাক কি উপায়েৰে খোৱাৰ ব্যৱস্থা হব ভাৱি পোৱা নাছিলো, এনে অৱস্থাত অতৰ্কিত ভাবে ৫০ টকা লাভ। ওপৰলৈ চাই দুই হাত জোৰ কৈ কলো, দয়াময়! তোমাৰ এই অতৰ্কিত দান! মৃৰত তুলি ললো সেই বেগটো অতি আদৰেৰে চিৰকাল লগত ৰাখিলো। এনে ভগবানৰ ইচ্ছা; সেই দিনাৰ পৰা মোৰ সেই বেগটো এদিনো সুদা নহল। কংগ্ৰেছৰ পৰা ওকালতি কৰিবলৈ অনুমতি পাই উকীল বোৰে এৰি যোৱা ওকালতি আকৌ আৰম্ভ কৰিলে, মইও ওকালতি আৰম্ভ কৰিলো. প্ৰায়েই কেচ্ পাবলৈ ধৰিলো, যদিও আগৰ আয় ঘূৰি নাহিল। সেই দিনাৰ পৰা ঈশ্বৰৰ অসীম কৃপাৰ ওপৰত মোৰ দৃঢ় বিশ্বাস অটুট হল।

১৯২৩ চনত বৰদলৈদেৱ ডিব্ৰুকলৈ যায় আৰু তাত তিনি বছৰ মান থাকে। ১৯২২ চনত স্বৰাজ্য পাৰ্টি গঠন হোৱাত কংগ্ৰেছৰ দুটা দল হয়। ফুকন ডাঙৰীয়া স্বৰাজ্য পাৰ্টিতে থাকি যায়। সেই বাৰ কংগ্ৰেছৰ তৰফৰ পৰা কোনো সক্ৰিয় পন্থা নথকাত বৰদলৈদেৱে জিৱণি লৈ ঘৰ গৃহস্থালি লৈ মন দিয়ে। এজন বিদেশী বন্ধুৰ পৰা টকা ধাৰ লৈ এখন বাগান

খুলিবলৈ যত্ন কৰে। লৰা দুটিৰ পঢ়া শুনাৰ বাবে আকৌ মন কান দিব লগা হয়। উমেশক মেডিকেল কলেজলৈ আৰু অপূৰ্ব্বক যাদবপুৰ ইনজিনিয়াৰিং কলেজলৈ পঢ়িবলৈ পঠিয়াই মন আৰু শৰীৰ টঙাই ভালকৈ থান থিত লাগিবলৈ নৌ পাওঁতেই সৰু জীয়েক ৺মৃণালিনী দেবীৰ শিৱসাগৰত আকস্মিক ভাবে মৃত্যু হয়। এটি শোক মাৰ নৌ যাওঁতেই আন এটি শোকে পিতৃ বৰদলৈদেৱৰ স্বাস্থ্য নষ্ট কৰিবলৈ ধৰিলে তেখেতে শোকৰ বোজা বুকুত বান্ধিলৈ ৺মৃণালিনীৰ মাউৰা সন্তান তিনটিক আনি শ্ৰীযুতা মাতৃদেবীৰ হাতত গটাই দিলেহি। দুই জীয়েকৰ মাউৰা সতি সন্ততিৰে পিতৃদেৱৰ সংসাৰৰ কৰ্ত্তব্য আৰু বাঢ়ি গল। নিজৰ লৰাৰ বাহিৰেও নাতি নাতিনী সকলোৰে লালন পালন আৰু শিক্ষাৰ ভাৰ তেখেতৰ গাত পৰিল ধাৰৰ বোজাত অস্থিৰ, আগৰ দৰে উপাৰ্জ্জন নাই। তলে তলে তেখেতৰ শৰীৰ কাহিল হবলৈ ধৰিলে। তেখেতে শৰীৰলৈ অলপো যত্ন নলৈছিল, সদায় কৰ্ম্ম ব্যস্ততাত আবদ্ধ হৈ থাকিবলৈ ভাল পাইছিল। ১৯২৬ চনত গুৱাহাটী কংগ্ৰেছৰ কাৰণে ডিব্ৰুগড়ত নাতিনিয়েকক বিয়া দি টালি টোপোলা বান্ধি নিজ ঘৰ গুৱাহাটীলৈ আকৌ উলটি আহিল।

দেশ মাতৃৰ আহ্বানে তেখেতক সকলো শোক পাহৰাই উতলা কৰি তুলিলে।

## অসমলৈ কংগ্ৰেছ নিমন্ত্ৰণ

কাণপুৰ কংগ্ৰেছত স্বৰ্গীয় মতিলাল নেহেৰুৰ আগত অসমত কংগ্ৰেছ পতাৰ সমস্ত ভাৰ গাতলৈ কংগ্ৰেছক অসমলৈ নিমন্ত্ৰণ কৰিবলৈ ওলাল বৰদলৈ ; ফুকনডাঙৰীয়াই হাক দিলে— "বৰদলৈ ! অসমত কংগ্ৰেছ পতা সহজ কথা নহব, এৰি পেলাওক, ইমান ডাঙৰ দায়ীত্ব লবলৈ আগ নাবাঢ়িব ।"

বৰদলৈয়ে কলে……"কিয় পাতিব নোৱাৰিম ফুকন মানুহে কৰিব নোৱাৰা কাম সংসাৰত কিবা আছেনে অসমে যদি কংগ্ৰেছ পতাৰ দায়িত্ব লবলৈ সাহ কৰিব নোৱাৰে, স্বাধীন হবলৈ আশা কৰে কেনেকৈ ? অসমত এবাৰ কংগ্ৰেছ পাতিবই লাগিব, নহলে অসমৰ সম্মান থাকে কত ? অসমীয়াৰ কাৰ্য্য শক্তিক বিশ্বাস কৰিব কোনো ? অসমত কংগ্ৰেছৰ অধিবেশন পাতিব পাৰিলেহে অসমেও ভাৰতৰ ভিতৰও এখন শ্ৰেষ্ঠ স্থান অধিকাৰ কৰিব পাৰিব, নহলে অসমক চিনে কোনে ? ফুকন ডাঙৰীয়া নিমাত হল। কৃষ্ণ কান্ত শৰ্ম্মা দেৱক আৰু ৰোহিনী কুমাৰ হাতীবৰুৱাক কংগ্ৰেছ নিমন্ত্ৰণ কৰাৰ ভাৰ দিলে। এই বিষয়ে কৃষ্ণকান্ত শৰ্ম্মা দেৱে এই দৰে লেখিছিল—

"১৯২৬ চনত গুৱাহাটীত কংগ্ৰেছ পতাত কৰ্ম্মবীৰ বৰদলৈ নথকা হলে "কানপুৰ" কংগ্ৰেছত ৰোহিনীকান্ত হাতীবৰুৱা আৰু এই অভাজনে কংগ্ৰেছ মহাসভা নিমন্ত্ৰণ কৰি অনাটো সম্ভৱ নহল হেতেন। কৰ্ম্মবীৰ বৰদলৈয়ে যদি স্বৰ্গীয় মতিলাল

নেহৰুৰ আগত অসমত কংগ্ৰেছ পতাৰ সমগ্ৰ ভাৰ নিজৰ গাত পাতি নললে হেতেন, অসমীয়া জাতিৰ ভাগ্যত কোনো কালে কংগ্ৰেছ অধিবেশন পতা হৈ নুঠিলেই হেতেন।"

## পাণ্ডুনগৰীত কংগ্ৰেছৰ অধিবেশন

১৯২৬ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীৰ পাণ্ডু নগৰীত কংগ্ৰেছ জাতীয় মহাসভাৰ ৪১শ অধিবেশন বহে। সি এটি অবৰ্ণনীয় দৃশ্য। অসমবাসীৰ এটি চিৰস্মৰণীয় সোনালী স্মৃতি। অসমীযাৰ বিপুল গৌৰৱৰ প্ৰতিষ্ঠান। প্ৰায় পাঁচ মাইল ব্যাপী সভাৰ ঠাই। সেই অৰণ্যৰ মাজত সকলো ব্যৱস্থাৰ আয়োজন কৰা হৈছিল। পানীকল, বিজুলী চাকিৰ সুন্দৰ ব্যৱস্থা প্ৰকাণ্ড অন্নছত্ৰ। নানা ধৰণৰ হোটেল, নানাৰকমৰ দোকান আৰু সৰ্ব্বভাৰতৰ বিস্তৃত প্ৰদৰ্শনীয়ে সভাৰ শোভা দুগুণে বঢ়াইছিল। সেই প্ৰদৰ্শনীত ভাৰতৰ নানান ঠাইৰ নানানতৰহৰ বস্তু আহিছিল। অগণন মটৰবাচ, মটৰ গাড়ীয়ে হেজাৰে হেজাৰে যাত্ৰী কঢ়িয়াইছিল। অগণন নৰনাৰীৰ বিপুল সমাগম। সভাৰ চাৰিপিনে চাৰিখন অসমৰ নগাওঁ খদ্দৰৰ প্ৰকাণ্ড বগা বাটঘৰ। মাজত অতিকায় বিৰাট নগাঁও খদ্দৰে তৈয়াৰী বিশাল কংগ্ৰেছ সভাৰ মণ্ডপ। বহা আসন ডেলিগেট সকলৰ আসন, সকলো নগাঁও খদ্দৰেৰে তৈয়াৰ কৰা হৈছিল। 'ৰেডক্ৰছছোচাইটিৰ' ডাক্তৰখানা, হাস্পাতাল, এহেজাৰ পাইখানা, চাৰিওপিনৰ বিৰাট দৃশ্যই

মানুহৰ মন এটি অভিনৱ ভাৱত উতলা কৰি তুলিছিল। কংগ্ৰেছ মণ্ডপৰ পৰা প্ৰায় আধা মাইল দূৰত ব্ৰহ্মপুত্ৰৰ পাৰতে ডেলিগেট সকলৰ জিৰণি বহা শাৰি শাৰি কৈ সজা হৈছিল। অলপ আঁতৰত নিৰলাকৈ মহাত্মাজীৰ কাৰণে সুন্দৰ বাহৰ এটি সজোৱা হৈছিল। কি যে মনোৰম দৃশ্য। মিলনৰ মহাতীৰ্থ পাণ্ডু নগৰীত "জাতীয় মহাসভা," "গুৱাহাটীৰ কংগ্ৰেছ"— অসমীয়া জাতিৰ এটি চিৰস্মৰণীয় গৌৰৱৰ স্মৃতিস্তম্ভ। অসমৰ বুৰঞ্জীত ই চিৰকাল সোনালী সোঁৱৰণী হৈ জিলিকি থাকিব। কংগ্ৰেছক নিমন্ত্ৰণ কৰোতে "বৰদলৈদেৱে মহাত্মাজীৰ আগত কৈ আহিছিল, বাপুজী! অকল অসমত কংগ্ৰেছেই হব, এনে নহয়, অসমৰ খদ্দৰেৰেই কংগ্ৰেছ মণ্ডপ তৈয়াৰ হব।" সেই প্ৰতিজ্ঞা ৰাখিবলৈ বৰদলৈদেৱে কপাহ সংগ্ৰহ কৰি নগাঁৱৰ গাঁৱে গাঁৱে স্বেচ্ছাসেৱক পঠিয়াই শিপিনি সকলক কপাহ বিতৰণ কৰিছিল। নগাঁৱৰ এই সুদক্ষা শিপিনী সকলৰ কৰ্ম্মশক্তি দেশাত্ব বোধ অসমৰ কংগ্ৰেছ মহাসভাৰ গৌৰৱময় স্মৃতিৰ লগত বিজড়িত আৰু স্মৰণীয় হৈ থাকিব। বৰদলৈদেৱৰ আৰু ফুকন-দেৱৰ বিপুল প্ৰেৰণাত কৰ্ম্মী সকলে দুখ ভাগৰ পাহৰি দেহে কেহে লাগি কংগ্ৰেছ মহাসভাৰ সকলো কামকে সুচাৰু ৰূপে সমাধা কৰিলে, এই সভাত বৰদলৈদেৱ জেনেৰেল চেক্ৰেটাৰী, ফুকনদেৱ অভ্যৰ্থনা সমিতিৰ চেয়াৰমেন্ আৰু শ্ৰীযুত গোপীনাথ বৰদলৈ ডাঙৰীয়া সহকাৰী সম্পাদক আছিল।

"নবীন স্মৃতীত" ফুকন ডাঙৰীয়াই এই দৰে লেখিছিল

"কংগ্ৰেছক নিমন্ত্ৰণ কৰাত মই উপস্থিত নাছিলো আগৰণুৱাহে কংগ্ৰেছ আনে তেখেতেই, মই অসমৰ অৱস্থালৈ চাই নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰিবলৈ বৰদলৈ আৰু 'চলিহা' ডাঙৰীয়াক বিশেষ অনুৰোধ কৰিছিলো। কিন্তু বৰদলৈ ডাঙৰীয়া অচল অটল দৃঢ় প্ৰতিজ্ঞ, "কংগ্ৰেছৰ লগত মৰো যদি সিও ভাল, কিন্তু কংগ্ৰেছ পাতিৱই লাগিব।" এই প্ৰতিজ্ঞাৰ পৰা মই ভণ্ডাই ভুলায়ো বিচলিত কৰিব নোৱাৰিলো, পৰিণামত আমাৰ কি অৱস্থা হৈছিল সকলোৱেই জানে, দেশৰ কাৰণে আত্মত্যাগ কৰিব পৰা যদি কোনোবা অসমত আছে তেন্তে সেই সকলৰ অগ্ৰগণ্য নবীনচন্দ্ৰই আছিল, যথাৰ্থতে তেখেত কৰ্ম্মবীৰেই আছিল।"

কংগ্ৰেছ মহা-সভা বহিল, অসংখ্য তিনি বৰণীয়া জাতীয় পতাকাই লুইতৰ বতাহত কোবখাই উৰি উৰি ঘোষণা কৰিছিল, আগত স্বাধীনতাৰ বিজয়বাণী, বিশাল ব্ৰহ্মপুত্ৰৰ পাৰত অসমৰ ঐতিহ্যময় পাণ্ডু ঘাটৰ কাষত, পাণ্ডু নগৰীত কংগ্ৰেছ বহাৰ লগে লগে, ভাৰতৰ নানা ঠাইৰ আৰু অসমৰ সকলো ঠাইৰ পৰা, যাত্ৰী সমাগম বাঢ়িবলৈ, ধৰিলে গুৱাহাটী নগৰৰ প্ৰতি ঘৰ আলহীৰে ভৰি পৰিল, দুৰণীবটিয়া যাত্ৰী সকলক এসাজ খুৱাবৰ কাৰণে, বৰদলৈদেৱৰ নিজাঘৰতো বাৰ জন ৰান্ধনী ৰাখি ৰন্ধা বঢ়াৰ বন্দৱস্ত কৰিছিল, আশ্ৰয় নোহোৱা যাত্ৰী সকলে এসাজ খাই ৰাতিতো জিৰনী লবলৈ, তেখেতৰ ঘৰৰ তল ভাগ এৰিদিছিল। প্ৰায় দুশ মান আলহীৰে খৰখন ভৰি পৰিছিল। ঘৰ নহয়, যেনিবা বিৰাট অতিথি শালাতহে পৰিণত হৈছিল,

বৰদলৈদেৱে নিজে কংগ্ৰেছৰ কেম্প্ এটিত টালিটোপোলা বান্ধি সেই তিনিও দিন পাণ্ডু নগৰীতে কটালে, ঘৰৰ এটাই বোৰ পৰিয়ালে, দহ এঘাৰ বজাত পাণ্ডু নগৰলৈ লৰধৰে। ঘৰত আলহী শোধাৰ সকলো বন্দোৱস্ত তেখেতে কৰি গৈছিল। ইপিনে প্ৰতিখন ট্ৰেনৰ আলহী অহা আহিয়েই আছে, খোৱাই খাইছে, যোৱা গৈছে, লেখ জোখ নাই। ইপিনে সেই কেইদিন বজাৰত শাক পাচলী আৰু আলুগুটি পাবলৈ নাই, পানীৰ অভাৱত ৰেলযাত্ৰী সকলে ৰেলৰ পৰা নামি আহি পানী নেপায়, জাকে জাকে ব্ৰহ্মপুত্ৰলৈ যাব লগা হৈছিল। পিতৃদেৱৰ বন্দৱস্ত মতে গাঁৱৰ পৰা কল পাত, কলডোনা, কোমোৰা, লাও, বেঙেনা আদি গাড়ীয়ে গাড়ীয়ে আহি আছিল। সেই বাবেহে আলহী সকলে কোনো মতে এমুঠি খাব পাৰিছিল, মানুহৰ ঘৰে ঘৰে অপাৰ আলহী, ইপিনে বস্তুৰ নাটনি, তথাপি কাৰো মনত বিৰক্তি বেজাৰৰ চিন নাই; কোনো মতে নাকে কানে গুজি কংগ্ৰেছলৈ যাব পাৰিলেই হ'ল। ৰ'দ বৰষুন, বাটৰ দূৰত্ব, একোৱেই মনক বাধাদিব নোৱাৰিছিলে। পানী কেচুৱা লৰালৈ জাকে জাকে মহিলা পুৰুষ মানুহৰ লানি নিচিগা ধাৰ, অসংখ্য বাচ অনবৰতেই চলাচল কৰিছিল।

শ্ৰীযুত প্ৰফুল্লৰাম বৰুৱা আৰু শ্ৰীযুত উমেশ চৌধাৰী সঙ্গীত সভাৰ সম্পাদক আছিল। প্ৰায় পঞ্চাচ জন মান চেমনীয়া লৰা ছোৱালীৰে গোৱা সমবেত সঙ্গীতৰ ধ্বনিও মানুহৰ কাণত নপৰিছিল, অতিকায় মণ্ডপ জুৰি জন সমুদ্ৰ ভেদকৰিবলৈ

কলকণ্ঠ সঙ্গীতো অসমৰ্থ হৈছিল। কাৰণ সেই সময়ত "লাউড্ স্পিকাৰ" নাছিল, সঙ্গীত ৰচনা কৰিছিল শ্ৰীযুত উমেশ চৌধাৰী আৰু অম্বিকা গিৰি ৰায় চৌধুৰীয়ে।

"স্বাগত স্বাগত ভক্ত সমাগত
সেৱক বৃন্দ সুধীৰ
ভবিষ্যত ভৰষা চেনেহী জননী
জগৎ জিলিকে আজি জলন্ত সত্য
অচেতন শত কোটি সন্তান মৰ্ত্ত্যৰ
ইযে হীন আয়োজন—জননীৰ।
—উমেশ চৌধাৰী

সভাআৰম্ভ হৈছিল এটি সামবেদ গীতেৰে—

"মৃৰাৎ সুখসপ্তম্ মৃৰয়া—ইয়া দেমি প্ৰস্ফুৰান্নি বাদৃতী, নদে মাতঃৱাদৃৱহা" ইত্যাদি—

আজিবন্দো কি ছন্দেৰে সমাগত বিৰাট
নৰনাৰায়ণ ৰূপ
পঙ্কিল পৰাধীন শঙ্কিত চিতমন
নাই ফুল চন্দন ধূপ—
—অম্বিকাগিৰি ৰায়চৌধুৰী

গীত—নবীন তৰুণে আজি সমৰ সাজেৰে সাজি ইত্যাদি।

দুদিন সভা অতি সুচাৰু ৰূপে সমাধা হল। সভাপতি আছিল "শ্ৰীনিবাস আয়েঙ্গাৰ" মহাত্মা গান্ধীকে আদি কৰি, ভাৰতৰ ৰত্নস্বৰূপ বিখ্যাত নেতা সকলে সভাৰ শোভা বঢ়াই

অসমৰ গৌৰৱ আৰু উজ্জ্বল কৰি গৈছে। তৃতীয় দিনা সভা ভঙাৰ পিচত, ধাৰাসাৰে বৰষুন দিয়ে আৰু সোনকালে সভাৰ সামৰণি হয়। সেই দিনা ৰাতি বাৰ বজাত ভাৰতৰ বিখ্যাত সঙ্গীত সাধক "বিষ্ণু দিগম্বৰে" ভাৰতীয় সঙ্গীতৰ ৰাখ্যা কৰে, সেই এটি অনুপম স্বৰ্গীয় দৃশ্য, এটি নাটকীয় দেৱদৰ্শনৰ স্মৃতিৰ দৰে নিশাগহীন হৈ আহিছে, বিৰাট মণ্ডপত জনসমুদ্ৰ নিৰ্ব্বাক নিস্পন্দ, এটি বেজি পৰিলেও শুনা যায়, এনে নিস্তব্ধতা, মাজৰ সভাপতিৰ মণ্ডপত শুভ্ৰবৰ্ণ ঋষি মূৰ্ত্তি, চুলিখিনি চুৰাকৈ বন্ধা। আলখোল্লাৰ দৰে এটি ঢিলা চোলাগাত, মণ্ডপৰ তলত জলতৰঙ্গ, আৰু চেতাৰৰ বাদ্য, ৰাখ্যা কৰিছে প্ৰথমে সুৰ-ৰাগেশ্ৰীৰ। ভাৰতীয় সঙ্গীত সাধকৰ ৰাগেশ্ৰী সুৰৰ ৰূপৰ, উৎপত্তি আৰু লয়ৰ ৰাখ্যা। নিশা ৰাৰবজাত হে ৰাগেশ্ৰী সুৰৰ পৰিপূৰ্ণ ৰূপ ফুটি উঠে তাৰ আগতে নহয়। অনন্তৰ পৰা কেনেকৈ ৰাগেশ্ৰীয়ে উৎপত্তি লাভ কৰি ব্ৰহ্ম সমুদ্ৰত বিলিন হয়। এয়ে আছিল সুৰ সাধকৰ সঙ্গীতত ৰূপ দান। কিমান বেলি শুনিছিলো মনত নাই, বোধ কৰো তন্দ্ৰাচ্ছন্ন ভাবত দেশ কাল সময়ৰ জ্ঞান নাছিল। সুৰ শেষ হল তন্দ্ৰা ভাঙ্গিল। ঋষি মূৰ্ত্তি নিৰ্ব্বাক্ নিশ্চল ধ্যানমগ্ন। অলপসময়ৰ ব্যৱধান পাৰ হ'ল। আকৌ সেই দিব্য জ্যোতিৰ্ময় ঋষি মূৰ্ত্তি ঠিয় হ'ল, আৰম্ভ কৰিলে "দৰবাড়ী কানাড়া", ভাৰতীয় সঙ্গীতৰ ভিতৰত অতি উচ্চাঙ্গৰ সঙ্গীত সাধকে যেতিয়া নিবিৰ সাধনাৰ পিচত আৰাধ্যৰ চৰণত সম্পুৰ্ণ আত্ম সমাহিত হৈ পৰে, প্ৰকৃত বিলয় অৱস্থা প্ৰাপ্ত হয়

সেয়ে দৰবাৰী কানাড়াৰ মূৰ্ত্ত ৰূপ। সম্পূৰ্ণ বিলিন আৰু সমাহিত সাধকৰ নিজত্বৰ অনুভূতি বিহীন হয়; সেই সময়ৰ অনুভূতিৰ বিকাশ দৰবাৰী কানাড়াৰ ৰূপ পৰিগ্ৰহ কৰি মূৰ্ত্ত হৈ উঠে সুৰ সাধকৰ সাধনাৰ মাজেদি। জগতক দিয়ে এটি সত্যৰ আভাস, সেই সুৰ, সেইৰূপ বাখ্যাই এটি অজানিত পথৰ সন্ধান যেন আনি দিয়ে। সেই সুৰ দুটাই হিয়াৰ মাজত এনে এটি গভীৰ ৰেখা পাত কৰিলে, যে এটি অসম্পূৰ্ণ বাগেশ্ৰীৰ তান কৰবাত শুনিলেও সকলো কাম পাহৰাই মনক সেই ফালেই টানি নিয়ে, আজি কালি পৰিপূৰ্ণ শুদ্ধ সুৰ অসমত শুনিবলৈ নাই, অসংখ্য সুৰৰ মিশ্ৰনত সুৰে আধুনিক ৰূপ লৈছে। প্ৰকৃত সুৰ সাধকৰ সাধনাও অসমত নাইকিয়া হৈছে। সঙ্গীত যোগ আশ্ৰয় কৰি অতীতত যি সকলে ভগবৎ প্ৰসাদ লাভ কৰিছিল, সেই সকলৰে যেন এটি প্ৰতিচ্ছৱি আধুনিক যুগতো কংগ্ৰেছৰ যোগেৰেই দেখাৰ সৌভাগ্য ঘটিছিল। সেই জনা সুৰ সাধকৰ কণ্ঠত এই সুৰ দুটিৰ প্ৰকৃত সত্যস্বৰূপ ফুটি উঠিছিল, আৰু যি স্বৰ্গীয় মূহুৰ্ত্তৰ সৃষ্টি কৰিছিল অসমৰ অতীত গৌৰৱৰ কংগ্ৰেছ মহাসভাৰ পূণ্য সোঁৱৰণী লৈ সি চিৰকাল অন্তৰৰ অন্তঃস্থলত বাজি থাকিব। গুৱাহাটী কংগ্ৰেছে সম্পূৰ্ণ সফলতাৰে সৈতে অসমক এখন গৌৰৱময় আসনত প্ৰতিষ্ঠিত কৰিলে বুলি কব পাৰি। কংগ্ৰেছৰ কৰ্ম্ম ব্যস্ততা আৰু সফলতাই বৰদলৈদেৱৰ সৰু জীয়েকৰ সদ্য শোক কিছু পৰিমাণে পাতল কৰিলে। কিন্তু কংগ্ৰেছৰ বহুল ব্যয়ভাৰত বৰদলৈদেৱৰ ঘৰ "শান্তিভৱন"

ফুকনদেৱৰ ঘৰ মাটী বন্ধকত পৰি নীলাম হয়। আৰু ৰোহিনী কুমাৰ হাতী বৰুৱাদেৱ দেৱলীয়া হব লগা হয়।—

# অসম কাউন্সিলত

## স্বৰাজ্য দলপতি বৰদলৈ

১৯২৫ চনত স্বৰাজ্য দল গঠন হোৱাৰ পিচত বৰদলৈদেৱ কাউন্সিলত সোমোৱা নাছিল।

১৯২৭ চনত তেখেত কাউন্সিলত সোমায়, আৰু স্বৰাজ্য দলৰ দলপতি হয়। কাউন্সিলৰ অধিবেশনৰ দৰ্শক সকলে, গৱৰ্ণমেণ্টৰ দুৰ্নীতিৰ বিৰুদ্ধে দিয়া, বাক যোদ্ধা বৰদলৈদেৱৰ ওজস্বিনী বক্তৃতাত মুগ্ধ নহৈ নোৱাৰিছিল। অসম কাউন্সিলত তেখেতে চিলেটত "কোৰান" ফলাৰ ঘটনা সম্পৰ্কে যি বক্তৃতা দিছিল, সেই বক্তৃতাত তেখেতৰ পৰৰ দুখত দৰদী হিয়াৰ সমবেদনা ব্যাকুল ভাবে মূৰ্ত্ত হৈ উঠিছিল। মৰ্ম্মস্পৰ্শী বক্তৃতাই চকু পানী উলিয়াইছিল।

## ঘঁাহকৰৰ প্ৰতিবাদ

অসম এছোচিয়েশ্যনৰ জেনেৰেল চেক্ৰেটৰী থকাদিনৰে পৰা বৰদলৈদেৱে ঘঁাহ কৰৰ প্ৰতিবাদ কৰি আহিছে। "চন্দ্ৰনাথ

শৰ্ম্মাৰ সগত সদায় একেলগ হৈ গোৱাল বিলাকৰ পক্ষ সমৰ্থন কৰি আহিছিল, পিচত কাউন্সিললৈ গৈ ঘঁাহকৰৰ বিৰুদ্ধে যুজ দিছিল।"

## টেনান্সি বিল আলোচনা

প্ৰজা যাতে অধিকাৰৰ পৰা বঞ্চিত নহয় সেয়ে আছিল তেওঁৰ জীৱনৰ লক্ষ্য, গোৱালপাৰাৰ টেনান্সি বিলৰ আলোচনাত তেওঁ বক্তৃতা আৰম্ভ কৰিছিল, "প্ৰজাৰ মাজত জন্ম, প্ৰজাৰ অন্নৰ দ্বাৰা পুষ্ট সেই বাবে প্ৰজাৰ সেৱা কৰিবলৈ মই বাধ্য।"

বৰদলৈদেৱে বক্তৃতা আৰম্ভ কৰিছিল—মই যেতিয়া চিলেট জে'লত ৰজাৰ আলহী তেতিয়া সুৰমা উপত্যকাৰ কমিশ্যনাৰ "মিঃ ব্লেষ্টাৰে" মোক শুধিলে "এতিয়া চেতনা হলনে? এই বৃটিচ শাসনকৰ্ত্তা সকলৰ মনোভাব হৈছে আমাক সঙ্গিনৰ আগেৰে চেতনা দিয়া। এই দৰে স্পষ্ট ভাষাৰে বৃটিশ শাসন কৰ্ত্তা সকলৰ দমন নীতিৰ সমালোচনা কৰোতে তেওঁ সদায় নিৰ্ভিক আছিল।

সেই সময়ত মন্ত্ৰী ৰেভাৰেণ্ড নিকোলচ ৰায়ৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাব (Vote of no confidence) তুলিছিল। "কৰ্ণেল স্মাইলক" আৰু বি, এন, ৰায়ে বৰদলৈদেৱৰ বক্তৃতা বৰ শলাগিছিল।

## মন্ত্ৰীপদ প্ৰত্যাখ্যান

অসম ব্যৱস্থাপক সভাত থকা কালত বৰদলৈদেৱক তুবাৰ মন্ত্ৰীপদ যাচিছিল, তেখেতে প্ৰত্যাখ্যান কৰে।

## কানি তদন্ত কমিটী

১৯২২ চনত অসমত কানি প্ৰচলন কৰা সম্পৰ্কে তদন্ত কৰিবলৈ কংগ্ৰেছৰ পৰা এটি কমিটি নিযুক্ত কৰা হৈছিল, ৰেভাৰেণ্ড চি, এফ, এন্দ্ৰুজ আছিল ইয়াৰ সভাপতি। বৰদলৈদেৱ এই কমিটীৰ সদস্য হৈ অসম কাউন্সিলত যথেষ্ট কাম কৰি সকলোৰে শলাগৰ পাত্ৰ হয়। ১৯৩৪ চনৰ মাৰ্চ্ছ মাহত ভাৰত গৱৰ্ণমেণ্টৰ পৰিষদৰ বাজেট আলোচনাত অসমত কানি প্ৰচলনৰ বিষয়ে তেখেতে এটি সুন্দৰ বক্তৃতা দিয়ে। ১৯১৫ চনৰ "অসম এচোছিয়েশ্যনৰ" সভাপতিৰ ভাষণতো তেখেতে কৈছিল "অসমৰ পৰা গৱৰ্ণমেণ্টে কানি মহল বোৰ তুলি দিয়ক, আমাৰ কানিয়া কেইটা নাখাই মৰি গলেও দেশ খন চলিব পাৰিব। ১৯১৫ চনৰ পৰা নবীন চন্দ্ৰ বৰদলৈদেৱে অসমৰ পৰা কানি তুলি দিবলৈ অশেষ যত্ন কৰি আহিছিল জীৱনৰ শেষ দিনলৈকে তেখেতে এই যত্ন এৰা নাছিল।

## বাইচ চনৰ ৰেইলওৱে ধৰ্মঘট

১৯২২ চনৰ জুন মাহৰ মূৰতে অসম বেঙ্গল ৰেইলওৱেত এটা বিৰাট ধৰ্মঘট আৰম্ভ হয়। তাৰ ফলত কংগ্ৰেছ আন্দোলনৰ ওপৰতো কম হেঁচা পৰা নাছিল।

চট্টগ্ৰামত ৰেইলওৱে কৰ্ম্মচাৰীক পুলিচে অপমান কৰাত গোটেই ৰেইলওৱে কৰ্ম্মী সকলে ধৰ্ম্মঘট আৰম্ভ কৰে। সেই ধৰ্মঘটত সহায় কৰিবলৈ, বঙ্গদেশৰ পৰা "দেশবন্ধু চিত্তৰঞ্জন দাসে" বৰদলৈ দেৱলৈ এই দৰে লেখিছিল "বৰদলৈ! ধৰ্ম্মঘট ৰক্ষা কৰাত আপুনি যথাসাধ্য যত্ন কৰিব বুলি মোৰ বিশ্বাস! মনুষ্যত্বৰ মৰ্য্যাদা ৰক্ষা কৰা প্ৰত্যেক মানুহৰে কৰ্ত্তব্য বুলি মই ভাবো, দেশীয় মানুহৰ দাবী ৰক্ষা কৰিবলৈ মই যথা সৰ্ব্বস্ব দান কৰিবলৈ প্ৰস্তুত!" সেই ধৰ্ম্মঘটত বৰদলৈদেৱে নিজ ব্যয়ত বহুত ঘৰ ভাৰা কৰি ধৰ্ম্মঘটী সকলক আশ্ৰয় দিয়ে, আৰু খোৱাৰ আৰু-চিকিৎসাৰ ব্যৱস্থা কৰি সকলো ৰকমে তত্বাবধানৰ ভাৰ লয়।

## বৰদলৈ দেৱৰ দ্বিতীয় কাৰাবাস

১৯২৯ চনত লাহোৰ কংগ্ৰেছত কাউন্সিল বৰ্জ্জনৰ প্ৰস্তাৱ গৃহীত হয়, তেতিয়া স্বৰাজ্য দলৰ নেতা বৰদলৈদেৱে পদত্যাগ কৰে, ১৯৩০ চনত আকৌ "আইন অমান্য" আন্দোলন আৰম্ভ হয়, তেখেতে তাত মুখ্যভাৱে যোগ নিদিলেও গৌন ভাৱে যোগ দিয়ে। আৰু তেখেতৰ কিছুমান ঘৰ ভলণ্টিয়াৰ কেম্পৰ বাবে দিছিল।

১৯৩২ চনত গুৱাহাটীৰ প্ৰদেশিক কংগ্ৰেছ অফিচৰ কম্পাউণ্ডত জাতীয় পতাকা উত্তোলন কৰাৰ অপৰাধত, বৰদলৈ দেৱৰ দ্বিতীয় বাৰলৈ কাৰাবাসলৈ যাব লগীয়া হয়।

১৯৩২ চনত আইন অমান্য আন্দোলনৰ নেতৃত্বত বৰদলৈৰ তিনি মাহ সশ্ৰম কাৰাদণ্ড হয়, তেখেতক ছিলেট্ জে'লত থৈছিল, ৰচি পকোৱা, মুঢ়া সজা আদি কাম কৰিবলৈ দিছিল, তেখেতে এই বোৰ কাম অতি সুন্দৰ ৰূপে কৰিছিল, আৰু বৰ আনন্দ পাইছিল, জে'লত থকা কালছোৱাত বহুত মিহি সূতা কাটিছিল, চৈধ্যখন ধূতিৰ বাণীসূতা নিজ হাতৰ কটা সূতাৰে হৈছিল।

## বৰদলৈৰ নিজৰ বিবৃতি

"১৯২৯ চনত মোৰ গুৱাহাটীত জে'ল হয়। মোক কিয় আৰু কেনেকৈ গ্ৰেপ্তাৰ কৰা হল তাকে মই কম, প্ৰথমবাৰত মই কংগ্ৰেছ অফিচৰ কম্পাউণ্ডত জাতীয় পতাকা উত্তোলন কৰিছিলো, তেনে কৰাত মই আৰু মোৰ বন্ধু যি সকল উপস্থিত আছিল, সেই সকলক পুলিচে বেঢ়ি ধৰে, আৰু ডি, এচ্, পি স্বয়ং তাত ইউনি ফৰ্ম্মেৰে এদল লাঠিৱালা কনিষ্ঠবললৈ হাজিৰ আছিল, মই তেখেতে প্ৰাইভেট কম্পাউণ্ডলৈ কি আইনৰ বলত আহিছে, আৰু জাতীয় পতাকা তোলা কিবা দোষৰ কামনে সুধিলো, উত্তৰত তেওঁ ১৪৪ ধাৰাৰ বলত তাৰৈ যোৱা বুলি কলে। আৰু কলে, আপোনাৰ কথালৈ মই কান নকৰো; ডেপুটি কমিশনাৰৰ হুকুম মই আপোনা-লোকক গ্ৰেপ্তাৰ কৰিম। আমাক সকলোকে গ্ৰেপ্তাৰ কৰিলে, আৰু জেললৈ নিলে। সম্ভবতঃ ডি, এচ্, পিয়ে ডেপুটী

কমিছনাৰক কলে আৰু ডেপুটি কমিছনাৰে শিলংলৈ 'টেলিগ্ৰাম' কৰিলে, ফলত দিনান্তে আমাক খালাছ দিয়া হল, ভাবিলো কৰ্ত্তৃপক্ষৰ সুমতি হ'ল, সাতদিন পিচত মোক পুনৰ গ্ৰেপ্তাৰ কৰিলে, আগৰ চাৰ্জ্জত নহয়। নতুন চাৰ্জ্জত, যেনে; মই স্বেচ্ছাসেৱক দলৰ নেতা, মই কেপ্তেইন নাছিলো। অৱশ্যে মই জিলা কংগ্ৰেছ কমিটিৰ সভাপতি আছিলো। মই এই আইনৰ ১৭ ধাৰাত পৰিলো।

মোৰ তিনিমাহ ফাটেক হয়। বিচাৰক জন মোৰ বন্ধু, তেখেত বৰ ভাল মানুহ আছিল। তেখেতে হুকুমত লেখিছে, মিঃ বৰদলৈ বহুত ৰাজহুৱা কামত সংশ্লিষ্ট আছে আৰু তেখেতৰ বক্তৃতাও দোষজনক নহয়, তথাপি তেখেত যেতিয়া অনুষ্ঠানৰ কৰ্ত্তা, তেতিয়া তেখেতক তিনিমাহ সশ্ৰম ফাটেক দিয়া হল, আৰু ছিলেট জেললৈ পঠিওৱা হ'ল।" মই অৱশ্যে দুবছৰৰ আশা কৰিছিলো, কিন্তু তিনি মাহতেই শেষ হ'ল। আগৰ বাৰত মোৰ ওঠৰমাহ ফাটেক হৈছিল, ছিলেট জেললৈ গৈ দেখিলোঁ যে, ডেকাসকল বিদ্ৰোহী হৈ উঠিছে, বন্দী বিলাকক কৰা অসৎ ব্যৱহাৰৰ কাৰণে তেনে অৱস্থাৰ সৃষ্টি হৈছে বুলি মই বুজিব পাৰিলোঁ। জে'ল চুপাৰিণ্টেণ্ডেণ্ট্ কৰ্ণেল সেন এজন বৰ ভাল মানুহ আছিল, তেখেতে মোৰ ওচৰলৈ আহি মোক সকলো ঘটনা বিচাৰ কৰি এটা সুমীমাংসা কৰিবলৈ কোৱাত মই লৰাবিলাকক মাতি আনি, জেললৈ আহিলে যে, জে'লৰ নিয়ম মানি চলিব লাগে, তাকে ভালকৈ বুজাই

কলোঁ, মহাত্মা গান্ধীয়ে জেলৰ নিয়ম মানি চলিবলৈ আমাক সকলোকে কৈছে। আৰু ময়ো তেনে কাম কৰিছোঁ। এই বুলি কোৱাত লৰা বিলাক শান্ত হল, আৰু সেই দিনাৰ পৰাই জে'লত কোনো গোলমাল নোহোৱা হল, মই নিজে দুটা মুঢ়া গুঠিছিলোঁ। সেই দুটা আজিও জেলৰ স্মৃতি-চিন স্বৰূপে মোৰ ওচৰতে আছে, ঘটনাক্ৰমে যদি মই তালৈ নগলোহেঁতেন, তাত আকৌ মাৰপিত হলহেতেন, এই লৰা বিলাকৰ ওপৰত ব্যৱহাৰ দেখি, মোৰ ভাব হল যে, ছিলেটটো এটা বিপ্লবী দলৰ সৃষ্টি হব, এদিন দেখিলো যে বাৰজন লৰাক জে'লাৰে শাস্তি স্বৰূপে "গানিক্লথ" পোন্ধৰদিন পিন্ধিবলৈ হুকুম দিছে, গানিক্লথ এবিধ ৰঙা দগধা ডাঠ থৈলা, কৰ্ত্তৃপক্ষই ভাবিব পাৰে যে, তেওঁলোকে দোষ কৰিছে দণ্ডলোৱা উচিত, কিন্তু মই তেওঁলোকক কব খোজো যে, তামাচাৰ চলতে এদিন তেওলোকে "গানি ক্লথ" চিলেটৰ দৰে গৰম ঠাইত পিন্ধিচালে কেনে লাগে বুজিব পাৰিব 'গানি ক্লথ' কি বস্তু। সেই লৰাহঁতে পোন্ধৰ দিন "গানিক্লথ" পিন্ধি গাৰ খজুৰতি আদিত কি কষ্ট ভুগিলে তাককৈ ওৰ পেলাব নোৱাৰি। হাজাৰ হলেও তেওঁ লোক শিক্ষিত আৰু সম্ভ্ৰান্ত বংশৰ, এই বিলাক দেখিশুনি বঙ্গদেশৰ অংশ ছিলেটতো যে বিপ্লবী দলৰ সৃষ্টি হব, মোৰ দৃঢ় ধাৰণা হ'ল, সেই সময়ত ছিলেটত কোনো চটৰবিষ্ট ঘটনা ঘটা নাছিল।"

এই দ্বিতীয় বাৰ কাৰাবাসত থাকোঁতে বৰদলৈদেৱৰ প্ৰথম বহুমূত্ৰ ৰোগৰ সূত্ৰ পাত হয়, তথাপি নিজৰ অসুস্থতা ভ্ৰুক্ষেপ

নকৰি, জে'লৰ নিৰ্দ্দেষিত হাতৰ কাম, সূতাকটা আৰু সময় উলিয়াই সাহিত্য সেৱাও কৰিছিল। দ্বিতীয় কাৰাবাসত থাকোতে তেখেতে "কৃষ্ণলীলা" আৰু অনিতা গেৰিবল্ডি, লেখি ছপা কৰে। ১৯৩২ চনত জে'লৰ পৰা মুক্ত হৈ আহি তেখেতে আকৌ জনহিতকৰ কামত আত্মনিয়োগ কৰে। লোকেল বোৰ্ডৰ চেয়াৰমেন নিৰ্ব্বাচিত হয়। আদি প্ৰতিষ্ঠান সেৱক সঙ্ঘ স্থাপন কৰে।

সকলৰা অপূৰ্ব্ব বৰদলৈক বিলাতলৈ "ফেৰাডে হাউচত" ইলেক্‌ট্ৰিক ইংঞ্জিনিয়াৰিং পঢ়িবলৈ পঠিয়াই। ডাঙৰ লৰা উমেশ বৰদলৈৰ বিয়া পাতি, বোৱাৰী ঘৰলৈ আনে। বহুদিন দুখ শোক কাৰাবাসৰ পিচত এইবাৰ বৰদলৈদেৱৰ ঘৰ খনত অলপ সুখ সন্তোষৰ জিলিকনি পৰাত জীৱনৰ এই শেষ কাল খিনি তেখেতে কেইবছৰ মান শান্তিত কটাবলৈ পালে।

## ভাৰত ব্যৱস্থাপৰিষদত কৰ্ম্মবীৰ বৰদলৈ

১৯৩৬ চনত ভাৰত গৱৰ্ণৰজেনেৰেলৰ ইণ্ডিয়ান লেজিচ লেটিভ এচেম্বলীৰ সদস্য নিৰ্ব্বাচনৰ প্ৰতিযোগিতাত, অসমৰ দুই নেতা ফুকন আৰু বৰদলৈৰ তয়াঁ ময়া যুজ লাগে। ১৯২৩ চনৰ পৰা ফুকন ডাঙৰীয়া ইণ্ডিয়ান লেজিচ্‌ লেটিভ্‌ এচেম্বলীৰ সদস্য হিচাবে আছিল। ১৯৩৪ চনত এই সদস্য পদৰ কাৰণে নবীনচন্দ্ৰ বৰদলৈদেৱ কংগ্ৰেছৰ পৰা প্ৰাৰ্থী হ'ল। ইয়াৰ আগতে স্বৰ্গীয় মদন মোহন মালব্যজীৰ কংগ্ৰেছ নেচনেল

পাৰ্টিত দেশভক্ত ফুকন ডাঙৰীয়াই যোগ দিয়ে, আৰু এই কংগ্ৰেছ নেচনেল্ পাৰ্টিৰ পৰা তেখেতে সদস্যপদ প্ৰাৰ্থী হয়। অসমত সৰহ সংখ্যক লোকৰে কংগ্ৰেছ মহাসভাত বিপুল আস্থা; খুব কম সংখ্যক লোকহে নেচনেল পাৰ্টিৰ সমৰ্থক আছিল। নিৰ্ব্বাচনত বিপুল ভোটাধিক্যত বৰদলৈদেৱ কংগ্ৰেছৰ পৰা ভাৰত ব্যৱস্থা পৰিষদৰ সদস্য নিৰ্বাচিত হয়।

সেই ৰণৰ কঠোৰ পৰিশ্ৰমত বৰদলৈ দেৱৰ পৰি অহা শৰীৰ ভাগি পৰে। তেখেতৰ চিৰকালেই নিজৰ শৰীৰলৈ যত্ন নাছিল। কৰ্ত্তব্যৰ আহ্বানত তেখেতে নিজৰ শৰীৰলৈ পাহৰি গৈছিল, সেই চেলু লৈ তেখেতৰ ভগ্ন স্বাস্থ্য সোনকালেই ভাগি পৰিল। প্ৰতিদন্দিতাৰ ক্ষেত্ৰত তেখেতে শক্তি পৰীক্ষাৰ সম্মুখীন হব লগা হল। আৰু ঘূনীয়া জীৰ্ণ দেহ মনত নতুন বল বান্ধি ঋণৰ বোজা লৈ ভ্ৰুক্ষেপ নকৰি, দেশ মাতৃৰ মঙ্গল কামনালৈ লক্ষ্য ৰাখি, যুজাৰু মনোভাব লৈ আকৌ কৰ্ম্মক্ষেত্ৰত জপিয়াই পৰিল। এফালে পৰিষদ আৰু আনফালে লোকেল বোৰ্ডৰ কাম—সমানে চলাবলৈ ধৰিলে।

পৰিষদত বৰদলৈদেৱৰ কৃতিত্ব নিচেই অলপ দিনতেই প্ৰকাশ পালে। গৱৰ্ণমেণ্টৰ দুৰ্নীতি আৰু দেশৰ অভাৱ অভিযোগ বিলাক ফঁহিয়াই দেখুৱাই, যুক্তি পূৰ্ণ চোকা কথাৰে গৱৰ্ণমেণ্টক প্ৰত্যেকটি বিষয়তে পেপুৱা লগাই জয়ী হৈ দেশৰ কল্যাণকৰ কাম বিলাকত নিজৰ যোগ্যতা দেখুৱাবলৈ তেখেতৰ সৰহ দিন নালাগিল।

১৯০৮ চনৰ ফৌজদাৰী সংশোধনী বিল তুলি দিবলৈ বৰদলৈদেৱে যি সাৰুৱা বক্তৃতা দিছিল, সেই বক্তৃতা শুনি গোটেই ভাৰতবৰ্ষৰ তেখেতে শলাগ পাইছিল। তেখেতৰ তেজ্বী বক্তৃতাৰ কোবত গবৰ্ণমেণ্টৰ পৰাজয় ঘটে, কংগ্ৰেছ জয়ী হয়, এই সফলতাই তেখেতক বিচক্ষণ ভাৰতীয় নেতা সকলৰ ঠাই লৈ আগে বঢ়াই নিয়ে গৱৰ্ণমেণ্টৰ মুখপত্ৰ "ষ্টেটচ্‌মেন্" কাগজে ৰবদলৈ ডাঙৰীয়াৰ বক্তৃতাটি গোটেই হুবহু ছপাইছিল—আৰু বহু প্ৰশংসা কৰিছিল। শ্ৰীযুত শৰৎচন্দ্ৰ বসুক বিনা বিচাৰে আটক কৰি ৰখাৰ বাবে গৱৰ্ণমেণ্টৰ দলৰ লগত কংগ্ৰেছ দলৰ পৰা ঘোৰতৰ তৰ্ক বিতৰ্ক হয়, সেই বিতৰ্কৰ ভাৰ সম্পুৰ্ণ ভাবে বৰদলৈদেৱেই লয়, আৰু তেখেতৰ অকাট্য যুক্তি আৰু তেজস্বী বক্তৃতাত গৱৰ্ণমেণ্ট দল পৰাজিত হোৱাত ভাৰতব্যাপী এই সফলতাৰ জয়বাণীত কৰ্ম্মবীৰৰ প্ৰশংসা বৈ বৈ যায়।

১৯৩৩ চনৰ মাৰ্চ্চ মাহত পৰিষদৰ বাজেট আলোচনা সম্পৰ্কে অসমৰ অভাৱ অভিযোগৰ কথা উল্লেখ কৰি কানি নিবাৰণৰ বিষয়ে বৰদলৈদেৱে এটি সুন্দৰ যুক্তি পূৰ্ণ সাৰুৱা বক্তৃতা দিছিল। পৰিষদৰ দিল্লীত বহা অধিবেশন শেষ কৰি ঘৰলৈ আহে। ঘৰত এমাহ জিৰাই আকৌ "চিমলা" অধিদেশনত যোগ দিয়ে গৈ। তেখেত দিল্লীত থকা কালত "কোটাৰ" ৰজাৰ লগত বন্ধুত্ব হয়। কোটাৰ ৰজাই বৰদলৈদেৱক "কোটালৈ" নিমন্ত্ৰণ কৰে আৰু ৰজাই ৰবদলৈ দেৱক আদৰ অভ্যৰ্থনা জনাই অপ্যায়িত কৰে।

# ভাৰত ব্যৱস্থা পৰিষদত বৰদলৈ

## অসমত পেট্ৰল কেৰোচিন শুল্কৰ আয়ৰ দাবী

( চমুবিবৰণী )

১। নতুন দিল্লী ১৯ জানুৱাৰী পৰিষদত কংগ্ৰেছী সদস্য ৺নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই, অসমৰ পেট্ৰল আৰু কেৰোচিনৰ শুল্কৰ বাবে উঠা সমুদায় টকা অসমক দিব লাগে বুলি পৰিষদত এটা প্ৰস্তাব দাঙি ধৰে। পৰিষদত দিয়া বিবৃতিত তেখেতে কয় "এতিয়া আমাক কব লগীয়া কথা এয়ে যে অসমৰ বাবে ( চৰভেন্‌চন ) কমিটীয়ে দেড় কোটি টকা মঞ্জুৰ কৰিবই লাগিব ! নহলে নতুন সংস্কাৰৰ পাচত প্ৰাদেশিক অপৰিহাৰ্য্য কাম বোৰেই চলা টান হব। এই টকা অসমে দাবী কৰিবৰ বিশেষ কাৰণ আছে সেই কথা সকলো সম্মিলনে সভা সমিতি এচোছিয়েশ্যনে দেখুৱাই আহিছে।
অসমৰ অবস্থা কিছু টনকীয়াল কৰিবলৈ হলে শ্ৰীহট্ট জিলা খন অসমৰ পৰা বাদ দিব লাগিব।

সেই কথা কমিটিয়ে বুজা উচিত। শ্ৰীহট্ট জিলা খনৰ যে বছৰি পোন্ধৰ ষোল্ল লাখ টকা ঘাটি পৰি থাকে, সেই কথা অসম গৱৰ্ণমেণ্টে কমিটীক বুজাই দি শ্ৰীহট্ট খন বাদ দিবলৈ ধৰিছেনে নাই ? সেই কথা আমি জানি থোৱাটো

অপৰিহাৰ্য্য। আমাক লাগে ৰাজহ বাঢ়িব পৰা এখন প্ৰদেশ। টেটুত কলগ্ৰহ লৈ বাহিৰৰ ঢোকা ভেজাৰে সদায় ভৰি থাকিবৰ ইচ্ছা নাই। সেই বাবেই আমাক পেট্ৰলৰ টকা খিনি লাগে। লোকৰ মুখলৈ চাই বৰ্ত্তি থকাত কৈ নিজৰ হাতেৰে আচুৰি পিছুৰি খাবলৈহে আমি ইচ্ছা কৰো।”

৺বৰদলৈ ডাঙৰীয়াই আন এটা প্ৰস্তাৱত শ্ৰীযুত শৰৎচন্দ্ৰ বসুক পৰিষদত যোগ দিবলৈ নিদিয়াৰ কাৰণে সভাৰ কাৰ্য্য স্থগিত ৰখাৰ দাবী কৰে। শ্ৰীযুত বসুক বন্দী কৰি ৰাখি নিৰ্ব্বাচন সমষ্টীৰ সৰ্ব্ব সাধাৰণৰ ৰাজনৈতিক অধিকাৰ খৰ্ব্ব কৰিছে বুলি এই কাৰ্য্যৰ প্ৰতিবাদ কল্লে পৰিষদৰ কাৰ্য্য স্থগিত ৰাখিবলৈকো বৰদলৈ ডাঙৰীযাই প্ৰস্তাব ডাঙি ধৰে। ৯৫ মিনিট তুমুল আলোচনাৰ পিচত পৰিষদ সভাত এই প্ৰস্তাব ৬৪—৪৮ ভোটত গৃহীত হয়। ভোট দিয়াৰ সময়ত মিঃ জিন্না আৰু তেওঁৰ দলৰ দহ জন নিৰপেক্ষ আছিল।

## বক্তৃতাৰ প্ৰশংসা

১৯৩৮ চনৰ ফৌজদাৰী সংশোধনী আইন তুলি দিব লাগে বুলি “মিঃ বি দাসে” যিখন বিল ডাঙি ধৰিছিল সেই বিল সম্পৰ্কত বৰদলৈ দাঙৰীয়াই বিলখন সমৰ্থন কৰি এটি আবেগময়ী মৰ্ম্মস্পৰ্শী বক্তৃতা দিছিল। তেখেতৰ বক্তৃতাৰ বিষয়ে দিল্লীত খুব আলোচনা হৈছিল “চাৰ মোদিয়ে” তেখেতৰ

মতৰ লগত নিমিলিলেও বক্তৃতা খুব সুন্দৰ হৈছে বুলি প্ৰশংসা কৰিছিল। সৰ্ব্ব সাধাৰণৰ মাজতো বৰদলৈদেৱৰ বক্তৃতাই এটি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ২৪।৯।৩৫ তাৰিখে যিদিনা বৰদলৈদেৱে পুনৰ বক্তৃতা আৰম্ভ কৰিবৰ কথা হৈছিল, সিদিনা লৈ দৰ্শক সকলে এচেম্বলীৰ প্ৰবেশ পত্ৰ বিচাৰি উদগ্ৰীব হৈ ফুৰিছিল। সেই দিনা দৰ্শকৰ গেলেৰীত খুব ভীৰ হৈছিল। বৰদলৈ দেৱে বক্তৃতা আৰম্ভ কৰিছিল—

"ছাৰ, যদিও মই বঙালী নহওঁ, তথাপি মই জীৱনৰ বহুখিনি সময় বঙ্গদেশত কটাইছো, সেইবাবে মই এজন নিৰপেক্ষ দৰ্শক হিচাবে কেনেকৈ বঙ্গদেশৰ আত্মা জৰ্জ্জৰিত হৈছে, সেইটো ভালদৰে চাবৰ সুবিধা পাইছো। কিন্তু বঙ্গদেশৰ ঘটনা লৈ আৰম্ভ কৰাৰ আগতে মই মোৰ অসম প্ৰদেশৰ কিছুমান ঘটনাৰ কথা উল্লেখ কৰিম। আৰু দেখুৱাম কেনেকৈ পুলিচ আৰু ম্যাজিষ্ট্ৰেটে আইন আৰু শৃঙ্খলাৰ নামত বেআইনি আচৰণ কৰে।

তেনে অসংখ্য ঘটনাৰ কেইটামান মথোন মই উল্লেখ কৰিম। অসমত অৰাজকতা বা বিপ্লৱৰ কথা ইয়াৰ আগয়ে কেৱে নাজানিছিল। কিন্তু "অমৃতসৰৰ" নিষ্ঠুৰ হত্যাকাণ্ডৰ ফলত ভাৰতবৰ্ষ জুৰি যি আন্দোলনৰ সৃষ্টি হল, অসমেও সেই আন্দোলনৰ পৰা বাদ পৰি থাকিব নোৱাৰিলে। তাৰ পাচত কি অন্যায় অত্যাচাৰ আৰম্ভ হল, তাৰে কিছুমান মই ইয়াতে উল্লেখ কৰিম—যেতিয়া মই যোৰহাট জে'লত আছিলো,

কিছুমান হিন্দু আৰু কিছুমান মুছলমান স্বেচ্ছাসেৱকে একলগে যোৰহাট চহৰৰ পৰা ছয় মাইল দূৰৈত বাহৰ পাতি আছিল। মুছলমান বিলাকে "কোৰাণ শৰিফ" পঢ়ি আছিল, আৰু হিন্দু সকলে পূজা সেৱা কৰিছিল। এনেতে এদল গুৰ্খা আহ ঘৰটো বেঢ়ি ধৰি জুই লগাই পুৰি পেলায়। আৰু বেচেৰা স্বেচ্ছাসেৱক কেইজনে কোনো মতে প্ৰাণ ৰক্ষা কৰি তাৰপৰা ওলাই আহিব পাৰিছিল। পুলিচ কৰ্ম্মচাৰী জন আছিল মিঃ ঘোষ। তেতিয়া তেখেতক কিয় একো দণ্ড দিয়া নহল? ডেপুটি মেজিষ্ট্ৰেট জন ইউৰোপীয়ান আছিল, আৰু মেদিনীপুৰ জিলা মেজিষ্ট্ৰেট মিঃ গ্ৰিফিথচ্‌"ৰ দৰেই বক্তা আছিল—ইয়াৰ বাহিৰেও অসংখ্য কংগ্ৰেছ অফিচ গুৰ্খা লগাই পুৰি পেলায়। এই বিলাক গৃহদাহ অপৰাধ ( Arson Case ) নহয়নে?

উত্তৰ লক্ষীমপুৰত এজন স্বেচ্ছাসেৱকে বিয়াৰ হোম কৰিবলৈ বহোতেই পুলিচে গৈ তেওঁক গ্ৰেপ্তাৰ কৰাত, নিজৰ ফটো এখন বিয়াথলিত থৈ পুলিচৰ লগত যাব লগা হৈছিল। পুলিচে তেওঁক বিয়া কৰোৱা সময় খিনিও ৰেহাই নিদিলে। এই বিলাক ক্ষেত্ৰত ১৯০৮ চনৰ আইন ঠিক মতে প্ৰয়োগ কৰা হৈছিল নে? কোনে ইয়াৰ ধাৰা বিলাকৰ অপব্যৱহাৰ কৰি দিলে? স্বেচ্ছাসেৱক বিলাকেনে? মই ভাঙি কওঁ! যে অসমৰ স্বেচ্ছাসেৱক বিলাকে কোনেও হিংসাৰ আশ্ৰয় লোৱা বুলি, নাইবা পুলিচক মৰা বুলি কব নোৱাৰে। তথাপি তেওঁলোকৰ ওপৰত এনে অত্যাচাৰ কৰা হৈছিল কিয়?

যেতিয়া মই এই বিলাক ঘটনা শুনিছিলো তেতিয়া যোৰহাট জেলত ; জেলত মোৰ ভাব হল কিয় বঙ্গদেশত বিপ্লববাদীৰ সৃষ্টি হৈছে। সম্ভবতঃ অসমীয়া মানুহ বঙালীৰ দৰে ভাৱপ্ৰৱণ নহয়, সেই কাৰণেই বোধ কৰো অসমত বিপ্লববাদৰ সৃষ্টি নহল। মই আৰু এটা উদাহৰণ ইয়াতে দিব খোজো। ১৯২১ চনত এজন চিভিলিয়ান কৰ্ম্মচাৰীয়ে এদল গুৰ্খা লৈ “বকোলৈ” জৰিমনা আদায় কৰিবলৈ গৈছিল। “বকো” অসহযোগ আন্দোলনৰ কেন্দ্ৰ ( strong hold ) আছিল। যি সকলে জৰিমনা আদায় কৰিলে ভালেই হল, কিন্তু যি সকলে জৰিমনা আদায় কৰিবলৈ সন্মত নহল, তেওঁলোকক ৰাতি নৈৰ পানীত বান্ধী ৰখা হৈছিল। আৰু দিনত হাত কেৰেয়া দি জৰিমনা নিদিয়া লৈকে সুৰ্য্যৰ মুখে ঠিয় কৰাই ৰখা হৈছিল। ( Shame Shame শব্দ ), এই বিলাক অত্যাচাৰ কৰিবলৈ ১.০৮ চনৰ আইনত আছেনে ? তাৰ পাছত ছিলেটত এজন পুলিচ সবইনিস্পেক্টাৰ এদল গুৰ্খা লগতলৈ গৈ এজন মুছলমানৰ ঘৰত সোমাই, ঘৰ দুৱাৰ সম্পত্তি নষ্ট কৰাৰ বাহিৰেও “কোৰান” এখনো ফালি পেলাইছিল। এই বিলাক কথা মোৰ নিজা নহয় ; ১৯২৪ চনৰ অসম কাউন্সিলৰ কাৰ্য্য বিবৰণীত পাব। গতিকে ১৯০৮ চনৰ সদ্ব্যৱহাৰ কৰা হৈছেনে ? যেতিয়াই শাসক সকলৰ হাতত এই অতিৰিক্ত ক্ষমতা দিয়া হৈছে তেতিয়াই তেওঁলোকে তাৰ যথেষ্ট অসদ্ব্যৱহাৰ কৰি আহিছে। এই ১৯০৮ চনৰ আইন অসমৰ ওপৰত বজ্ৰ পৰাদি পৰিছিল।

যদিও অসমত তেনে আইন প্ৰয়োগৰ কোনো আৱশ্যকতা নাছিল।

গৱৰ্ণমেণ্টে আইন আৰু শৃঙ্খলাৰ নাম লৈ, বিনা বিচাৰে নীৰিহ লোক কিছুমানক আটক কৰি ৰাখিছে, সেই ডেকা সকলে আজি একো বিচৰা নাই, মাত্ৰ বিচাৰিছে ন্যায় বিচাৰ। তাকে নকৰি আজি গৱৰ্ণমেণ্টে হৃদয় বিদাৰক দৃশ্যৰ সৃষ্টি কৰিছে। মাকে পুতেকলৈ, পুতেকে বাপেকলৈ, ঘৈনীয়েকে গিৰিয়েকলৈ সদায় চকু পানী টুকি দিন নিয়াব ধৰিছে। এনে অত্যাচাৰ কৰিও গৱৰ্ণমেণ্টে প্ৰজাসকলক ৰাজভক্ত হবলৈ কবলৈ আগ বাঢ়ে কোন সাহে?" তেতিয়া সকলোৰে চকুত চকুলোৰে দেখা দিছিল। তেখেতে এঠাইত কৈছিল

"সিদিনাখন আমি অধিক সংখ্যক ভোটত ফৌজদাৰী আইন সংশোধনী বিল অগ্ৰাহ্য কৰিলো, কিন্তু কি হল? বৰলাট বাহাদুৰে বিশেষ ক্ষমতাৰ বলত ইয়াক certify কৰিলে। সভাপতি মহোদয়, আমাৰ অৱস্থা কি? কিয় আমি ইয়ালৈ আহিছো? আমি নিজে অপমানিত হবলৈ ইয়ালৈ আহিছো নেকি? আমি ইয়াত যি কওঁ কিতাপত আৱদ্ধ হৈ থাকিবলৈকে কওঁ নেকি? মই আপোনাকো স্পষ্ট ভাষাৰে কওঁ, যে এই বিলাক দমন নীতিৰ অৱলম্বনে আপনালোকক একো উপকাৰ নকৰে, আপনালোকে নিজক সংস্কাৰ কৰক, আপনালোকে মনোভাব সলনি কৰক, নহলে প্ৰজাই যেনেকৈ ভোগ কৰিছে, আপনালোকেও ঠিক তেনেকৈয়ে ভোগ কৰিব লাগিব।" কংগ্ৰেছ

সদস্য দলৰ ভিতৰত বিপুল আনন্দধ্বনি উঠে। বৰদলৈদেৱৰ বক্তৃতাৰ পিচত, হোম মেম্বাৰে বক্তৃতা দিওঁতে—হোম মেম্বাৰৰ কথাই কথাই ধৈৰ্য্যচ্যুতি ঘটিছিল ।

## বনুৱা নিৰ্ব্বাচক সমষ্টি

অসমৰ ডিলিমিটেশ্যন কমিটীৰ ৰিপোৰ্ট সম্পৰ্কে কেন্দ্ৰীয় পৰিষদত বৰদলৈদেৱৰ বক্তৃতা দিওঁতে কয়—

"অসমৰ ভোট নিৰ্দ্ধাৰণৰ বিবেচনাৰ কাৰণে এটা ডিলিমিটেশ্যন কমিটি পতা হৈছিল। আৰু তাত বনুৱা চাৰি জনক আসন দিবলৈ ঠিক কৰা হয়। চাহ বাগিছা আৰু কাৰখানাত বনুৱা আছে বুলি আমি জানো। আৰু বাহিৰৰ পৰা গৈ চাহ বাগিছাৰ সিদ্ধান্ত মতে চাহ বাগিছাৰ ভিতৰৰ বনুৱা বিলাকে তেওঁলোকৰ মাজৰ পৰা এজন "মুখী" প্ৰতিনিধি বাচি দিব লাগে। প্ৰতি বাগিছাৰ বনুৱাৰ মাজৰ পৰা বাছনীত উঠা, "মুখী" বিলাকে তেওঁ লোকৰ মাজৰ পৰা এজন "মুখী" বাচিব। ফলত বাচনীত উঠা বনুৱা জন চাহ বাগিছাৰ মালিকৰ বশৱৰ্ত্তী হব। অসমৰ চাহ বাগিছাৰ কথা জনা লোক মাত্ৰেই জানে যে প্ৰতিখন চাহ বাগিছাই একোখন ৰাজ্য। কোনেও মেনেজাৰ বা সহকাৰী মেনেজাৰৰ বিনা অনুমতিত বাগিছাৰ ভিতৰলৈ সোমাব নোৱাৰে। কুলী মহৰী কেৰাণী এটাই বিলাক মেনেজাৰৰ হাতৰ মুঠিত। তেতিয়া হলে এই চাৰিটা আসন "মেনেজাৰক" দিয়া উপহাৰৰ পিচিনা হব। ইউৰোপীয়ান প্লেণ্টাৰে আৰু আন বিলাকে যথেষ্ট আসন লাভ কৰিছে। বনুৱা বিলাকে কোনো

কাম মুকলি মুৰিয়া কৈ কৰিব নোৱাৰিব ই দেখা দেখি কথা। বাহিৰৰ পৰা গৈ চাহ বাগিছাৰ কল ঘৰত আৰু চাহ বাগানত কাম কৰা বনুৱা বিলাকক ভোটাৰৰ তালিকাত ধৰা হোৱা নাই। কেৱল বাগিছাৰ ভিতৰৰ বনুৱা বিলাকেহে ভোট দিব পাৰিব। এই কথা চাই বৰ ডাঙৰ অন্যায় কৰা হৈছে”

বৰদলৈদেৱে ৰাজনীতিৰ চিন্তাৰ বাহিৰেও অসমৰ কৃষক আৰু চাহ বাগিছাৰ দুৰ্ভগীয়া বনুৱা বোৰৰ কাৰণে গোৱাল বোৰৰ ঘাঁহ কৰৰ কাৰণে সদায় চিন্তা কৰি আৰু এই বিষয়ে গৱৰ্ণমেণ্টৰ কামৰ প্ৰতিবাদ কৰি আহিছে। অসমৰ চাহ বাগিছাৰ বনুৱা সম্পৰ্কে India কাকতত তেখেতে এটি সুন্দৰ আৰু সাৰুৱা ইংৰাজী প্ৰবন্ধ লেখিছিল।

## কেন্দ্ৰীয় চৰকাৰত অসমীয়াৰ চাকৰীৰ দাবী

বৰদলৈদেৱৰ বক্তৃতা :

“অসমৰ পুৰণি সভ্যতা সাহিত্য আৰু কৃষ্টিৰ কথা উল্লেখ কৰি, এশ বছৰৰ আগতে মাথোন ইংৰাজ শাসনৰ তলত অহা “অসমলৈ” আন আন মানুহ দলে দলে গৈ, চাকৰি বেহা বেপাৰ আদিত সকলোতে এক চেতিয়া আধিপত্য বিস্তাৰ কৰি বহা আৰু বৰ্ত্তমানে ভাৰত গৱৰ্ণমেণ্টৰ তলতীয়া চাকৰি বিলাকত অসমীয়াৰ প্ৰতি এটি নিৰ্দ্দিষ্ট সংখ্যাৰ চাকৰি ৰিজাৰ্ভ কৰাৰ কথা গবৰ্ণমেণ্টে বিচাৰ কৰি চাবনে বুলি বৰদলৈদেৱে পৰিষদত

প্ৰশ্ন কৰে। প্ৰশ্নোত্তৰত ভাৰত গৱৰ্ণমেণ্টৰ হোম মেম্বাৰ "ছাৰ হেনৰী ক্ৰেইকে" কয়, "তেখেতে অসমৰ পুৰণি ইতিবৃত্ত সম্বন্ধে কোনো মত প্ৰকাশ কৰিবলৈ প্ৰস্তুত নহয়। তথাপি তেখেতে স্বীকাৰ কৰে যে অসমীয়া জাতি বুৰঞ্জী আৰু সাহিত্যৰে এটা সুকীয়া জাতি। আৰু বিদেশীয়ে কোনো বিভাগৰে একচেতিয়া আধিপত্য বিস্তাৰ কৰা সম্পৰ্কে সেইটো অতিৰঞ্জিত বুলি তেখেতে কয়। অৱশ্যে যি সময়ত অসম প্ৰদেশ ইংৰাজৰ হাতলৈ আহে, সেই সময়ত অসমৰ লোক সংখ্যা নিচেই তাকৰ, আৰু প্ৰদেশখন তেনেই অপৰিমাৰ্জ্জিত অৱস্থাত আছিল। সেই সুবিধাতে বহুতো বিদেশী তালৈ গৈ বেপাৰ বাণিজ্য চাকৰি আদি লৈ বসবাস কৰি থকা কথা তেখেতে স্বীকাৰ কৰে। আৰু অসমীয়াক অসমীয়া বুলি চাকৰি আদিৰ সুবিধা দিয়া গবৰ্ণমেণ্টৰ নীতি বিৰুদ্ধ বুলি কয়। কিন্তু সংখ্যালঘিষ্ঠ সম্প্ৰদায়ক লোক সংখ্যা অনুপাতে যিমান চাকৰি পাব পাৰে সিমান পাবলৈ তেওঁলোকৰ বিধি সঙ্গত দাবী আছে বুলি স্বীকাৰ কৰিবলৈ বাধ্য হয়। আৰু যি বিলাক চাকৰিত local area basis অত মানুহ লোৱা হয়, সেই বিলাকত অসমীয়া মানুহে আনুপাতিক ভাগ পাবলৈ কেন্দ্ৰীয় গৱৰ্ণমেণ্টৰ, যেই সেই বিভাগৰ কৰ্ত্তৃপক্ষ সকলৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে আৰু এই মৰ্ম্মে অসম unemployment কমিটীৰো নিৰ্দ্দেশ দিবলৈ হোম মেম্বাৰ বাধ্য হয়।

ভাৰতৰ ব্যৱস্থা পৰিষদত বৰদলৈদেৱে যি প্ৰতিভাৰ পৰিচয় দিলে, ভাৰতৰ প্ৰবীন বিশেষজ্ঞ নেতা সকলে বুজিব পাৰিলে।

যে অসমক আৰু উপেক্ষা কৰি আওকান কৰি থাকিবৰ উপাই নাই। পিচ পৰা উপেক্ষিত অসমতো ভাৰতীয় বিচক্ষণ নেতা সকলৰ সমকক্ষ লোক আছে। সেই বাৰেই অসমৰ নবীন চন্দ্ৰক তেখেত সকলে কেন্দ্ৰীয় কংগ্ৰেছ ওয়াৰ্কিং কমিটীৰ সদস্য মনোনীত কৰি সম্মানেৰে ভূষিত কৰিবলৈ মাতিছিল। বৰদলৈ-দেৱৰ অন্তিম শয্যাত পৰি থকাত দিল্লীৰ পৰা ওয়াৰ্কিং কমিটীৰ সদস্য পদ পোৱা বাতৰি আহিল। কিন্তু ঈশ্বৰৰ ইচ্ছা অন্যৰূপ তেখেতে বহু সম্মানিত কেন্দ্ৰীয় কাৰ্য্যকৰী সভাৰ ভাৰ লৈ গঠন কামত আত্মনিয়োগ কৰিবলৈ সময় নেপালে। এই সময়ত তেখেতৰ কৰ্ম্মময় জীৱনৰ সামৰনীৰ আহ্বান আহিল। এদিন বৰদলৈদেৱে এটা বক্তৃতাত কৈছিল—"দেশ জননীৰ মুক্তিৰ চেষ্টা কোনেও ইচ্ছা কৰি কৰিব নোৱাৰে, এই মুক্তি দেশ জননীৰ মুক্তিৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। ই এখন "জগন্নাথৰ ৰথ" কোনেও চলাব নোৱাৰে ই নিজে চলে, সময়ে দেশ মাতৃকাৰ সেৱক বাচি উলিয়াই। আৰু মুক্তি পথলৈ এই ৰথ আপুনি চলি যায়।"

# চতুৰ্থ অধ্যায়

"হে বীৰ জননীৰ যজ্ঞ সভা কৰিলা শুৱৰণী
সানিলা ৱেদীত প্ৰেম আপোন প্ৰাণৰ
সুৰঞ্জিত কৰি থৈ কাল বুৰুঞ্জীত
লেখি গলা মাতৃ নাম কৰ ধ্যানৰ"

## কৃষক সভাত সভাপতি বৰদলৈ

১৯৩৩ চনত যোৰহাটত অসমৰ সৰ্ব্ব প্ৰথম কৃষক আৰু ৰায়ত সম্মিলনত, নবীনচন্দ্ৰ বৰদলৈদেৱে সভাপতিৰ আসন গ্ৰহণ কৰিছিল। সভাপতিৰ অভিভাষণ খনিয়ে কৃষক সম্প্ৰদায়ৰ অৰ্থে কিমান খিনি আন্তৰিকতা পূৰ্ণ ভাৱধাৰাৰ সৃষ্টি কৰিছিল, সেই সময়ৰ বাতৰি কাকতৰ পাতত আজিও জিকিকি আছে।

## ৺বৰদলৈদেৱৰ বন্ধু বান্ধৱ

বৰদলৈদেৱ অতি সৰবৰহী লোক আছিল বুলি সকলোৱে কয়, যেয়ে তেখেতৰ অন্তৰৰ চিনাকী পাই, লৰাৰ পৰা বুঢ়ালৈকে সকলো তেখেতৰ বন্ধু হৈ পৰে, বিশিষ্ট লোক সকলৰ ভিতৰত তেখেতৰ বন্ধুত্ব লাভ যি সকলৰ ভিতৰত হৈছিল সেই সকলে অতি আন্তৰিকতাৰে বৰদলৈ দেৱক ভাল পইছিল।

ছাত্ৰ জীৱনৰ বন্ধু বান্ধৱৰ বাহিৰেও কৰ্ম্মক্ষেত্ৰত পৰিণত বয়সত

কলিকতা, দিল্লী, ৰাজপুতানা, ইউৰোপ আদি ঠাইত আৰু ভাৰতৰ বহু ঠাইত তেখেতৰ বন্ধু বান্ধৱ আছিল, কলিকতাৰ 'প্রেচিডেন্সী' কলেজত পঢ়া কালত চাৰ হৰিনাথ দে, আৰু যতীন্দ্র মোহন সেনগুপ্ত তেখেতৰ অতি অন্তৰঙ্গ বন্ধু আছিল। বৰদলৈদেৱৰ কলিকতাত আইন ব্যৱসায় কৰাৰ সময়ত, ডক্তৰ ৰাজেন্দ্র প্রসাদৰ লগত সমব্যৱসায়ী হিচাবে বিশেষ বন্ধুত্ব হৈছিল। পিচত একেলগেই ৰাজনীতি ক্ষেত্ৰত আকৌ দুয়ো একে বাটৰে বাটৰুৱা হৈ লগলাগিলহি। ৰাজেন্দ্ৰ প্ৰসাদ অসমলৈ কেবাবাৰো গৈছিল, আৰু তেখেত সদায় বৰদলৈৰ ঘৰতেই আলহী হৈছিল। ডক্তৰ প্ৰসাদৰ আত্মজীৱনীত তেখেতে নবীনবৰদলৈৰ বিষয়ে কেবাঠাইতো উল্লেখ কৰিছে! দুয়োজনৰ অতি অন্তৰঙ্গতা আছিল। তেখেতে এঠাইত লেখিছিল, যে তেখেতে নবীনবৰদলৈক অসমলৈ কংগ্ৰেছ নিবলৈ মানা কৰিছিল, কিন্তু বৰদলৈয়ে মুগুনি কংগ্ৰেছ পাতিলে, আৰু পিচত ধাৰ ঋণ লাগি দিগদাৰিত পৰিব লগীয়া হল। বৰদলৈদেৱৰ বিয়োগ বাতৰি পাই তেখেতে বৰদুখেৰে সমবেদনা জনাইছিল।

চাৰ আশুতোষ মুখোপাধ্যায়, আৰু দেশবন্ধু চিত্তৰঞ্জন দাসে বৰদলৈদেৱক বৰ ভাল পাইছিল। আলি ভাই দুজনৰ লগতো তেখেতৰ বন্ধুত্ব আছিল, বিশেষকৈ মহম্মদ আলি বৰদলৈদেৱৰ বিশেষ বন্ধু আছিল। মিঃ ৰেভাৰেণ্ড এন্দ্ৰুজ, অমৃতলাল ঠক্কৰ বাপা, গোবিন্দবল্লভ পান্থ, ডাঃ দেশমুখ, আচফ আলি, কোৰেটাৰ ৰজা, আজাদ শোভানী, ৰঙ্গস্বামী,

বিপিন পাল ইত্যাদি ভালেমান কংগ্ৰেছ সদস্যৰ লগত তেখেতৰ অতি বন্ধুত্ব হৈছিল। দিল্লীলৈ গলে, বৰদলৈদেৱ সদায় আচফ আলিৰ ঘৰত আলহী হৈছিল। অকনা আচফ আলিয়ে বৰদলৈদেৱক বৰ আদৰ সাদৰ কৰিছিল।

## শিৱসাগৰ ছাত্ৰ সম্মিলনত সভাপতি বৰদলৈ

১৯২৫ চনৰ শিৱসাগৰ ছাত্ৰ সম্মিলনত সভাপতি বৰদলৈয়ে ছাত্ৰ সকলক সম্বোধন কৰিছিল—"মোৰ মৰমৰ বন্ধু, আৰু আইদেউ সকল! আজি কুমলীয়া অলপ বয়সীয়া তোমালোকক বন্ধু বুলি মাতিবলৈ কিমান ভাল লাগে মই কব নোৱাৰো। মই বৰ গৌৰবেৰে কওঁ আজিও মোৰ ছাত্ৰ জীৱন, মোৰ জীৱনৰ মধ্যাহ্নত ছাত্ৰবাস, আৰু ছাত্ৰ সকলৰ লগত সদাই সম্বন্ধ, আৰু আজি জীৱনৰ অপৰাহ্নত, মোৰ দেশৰ ছাত্ৰ বিলাকক লৈয়ে মোৰ জীৱনৰ খেলা। হে মোৰ দেশ বাসী সকল! হে মোৰ ভবিষ্যত আশা ভৰসাৰ পাত্ৰ সকল, আৰু মোৰ সুজলা সুফলা জনমৰ ঠাই অসম! মোক আকিঞ্চন বুলি শত ত্ৰুটি মাৰ্জ্জনা কৰা।" এই বুলি ছাত্ৰ সকলক সম্বোধন কৰি তেখেতৰ ছাত্ৰ সকললৈ অকৃত্ৰিম স্নেহৰ চানেকী দেখুৱাইছিল।

ছাত্ৰ সমাজৰ লগত বৰদলৈদেৱে সদায় এটি স্নেহ পূৰ্ণ সৌহাৰ্দ্দ্যৰ ভাব ৰাখিছিল, তেখেতে আৰু এঠাইত কৈছিল,

উঠি অহা কুমলীয়া বোপাই হঁত! তোমালোকৰ কোমল অন্তৰ এনেয়ে দেৱ ভাবেৰে ভৰা। জীৱনৰ এই শিক্ষাৰ সমস্ত সকলো শিক্ষাৰ ওপৰ শিক্ষা এই অহিংসা দেৱভাব। ভাৰতৰ ভবিষ্যত, জগতৰ ভবিষ্যত তোমালোকৰ হাতত, এই দৰে সকলো বিষয়তে আন্তৰিকতাৰে তেখেতে সংযোগ ৰাখিছিল যি কোনো নিৰ্দ্দিষ্ট পন্থা দেখুৱাই ছাত্ৰ সকলক উৎসাহেৰে পৰিচালিত কৰিব পাৰিছিল। সেই সময়ত আজিৰ দৰে ছাত্ৰ সমাজত বিভিন্ন দলৰ সৃষ্টি হোৱা নাছিল। ছাত্ৰ সন্মিলনে যি পথ দেখুৱাইছিল সেই পথেই সংগঠিত ছাত্ৰ শক্তি আগ বাঢ়িছিল। সেই সময়তো ছাত্ৰ সকলৰ ভিতৰত দুটা বাট আছিল, এটা দলে গতানুগতিক ভাবে পঢ়ি শুনি পাচ কৰি ৰাজ ঘৰৰ উচ্চ বিষয়া হোৱাৰ আশা লৈ ৰাজনৈতিক আন্দোলনৰ পৰা আতৰি আছিল। আন দলটোৱে দেশৰ মুক্তি কামী নেতা সকলৰ অনুগামী হৈ দুখ দাৰিদ্ৰ্য বৰণ কৰি পৰিয়ালৰ বিৰাগ ভাজন হৈও দেশৰ মুক্তি আন্দোলনত যোগ দিছিল।

আজিৰ প্ৰগতি যুগৰ ছাত্ৰ শক্তি যদিও সংগঠিত, কিন্তু বহু দলত বিভক্ত হৈ পৰিছে। তথাপি ছাত্ৰ শক্তি আজি জাগ্ৰত, আৰু সাম্ৰাজ্য মোহ মুক্ত। সাম্ৰাজ্য বাদী শোষণৰ বিৰুদ্ধে দেশত সুগঠিত শাক্তিশালী ছাত্ৰ শক্তি যে এটি অজেয় শক্তিত পৰিণত হৈছে, তাৰ কোনো সন্দেহ নাই।

জাগ্ৰত জনতাৰ বাহিৰেও, ঐক্য বদ্ধ মুক্তি কামী জাগ্ৰত উদ্বুদ্ধ ছাত্ৰ জাগৰণৰ প্ৰতিক্ৰিয়াই ভাৰতৰ স্বাধীনতা ঘোষণা

আৰু ওছৰ চপাই আনিলে। দেশত যেতিয়াই ছাত্ৰ শক্তি জাগ্ৰত হয়, তেতিয়াই যুগৰ পৰিৱৰ্ত্তনৰ সূচনা হয়, আজি ভাৰতৰ জাগ্ৰত ছাত্ৰ শক্তি যে প্ৰতিক্ৰীয়াশীল, সাম্ৰাজ্য বাদৰ ঘোৰ বিৰোধী এই কথা গোটেই পৃথিবীয়ে অনুভৱ কৰিছে। সাম্ৰাজ্যবাদী কুটনীতিক সকলেও ভাৰতৰ শোষণৰ লোভ এৰি আঁতৰি যাবলৈ বাধ্য হৈছে। বৰদলৈ দেৱে আৰু এঠাইত কৈছিল—"দেৱশিশু সকল, তোমালোকৰ অমূল্য স্বৰ্গ ৰাজ্যৰ পৰা অহা প্ৰেম ৰাজ্যত ঠাই পোৱাৰ যোগ্য মই কোনো মতেই নহয় তোমালোক যি যুগত উপজিচা, সি এটা বিশেষ যুগ, প্ৰত্যেকে ভাবি লবা, জগতৰ ভবিষ্যত ৰচয়িতা তোমালোক। তোমালোকৰ চৰিত্ৰ, তোমালোকৰ মহত্ব, তোমলোকৰ ত্যাগৰ ওপৰত ভাৰতৰ তথা অসমৰ জাতীয়তা নিৰ্ভৰ কৰিছে।"

তেখেতে আবেগত আপোন পাহৰা হৈ ছাত্ৰ সকল কৈছিল "মোৰ দেশৰ ধ্ৰুব প্ৰহ্লাদ স্বৰূপ তপস্বী বালক সকল। মোৰ অন্তৰৰ গভীৰ শ্ৰদ্ধা মই বিনয় নম্ৰ মস্তকে তোমালোকক জনাও।" এই সম্মিলনতে বৰদলৈদেৱে মাতৃবন্দনা কৰিছিল।

তেখেতৰ কোমল গভীৰ অনুভূতিৰ অশুভদৃষ্টি লৈ, দেশ মাতৃকাৰ বন্দনা "অ মোৰ সুজলা সুফলা শস্য শ্যামলা জনমৰ ঠাই অসম, মোক আকিঞ্চন বুলি মোৰ শত দোষ মাৰ্জ্জনা কৰা। মই যে মোৰ লাঞ্ছিতা হতভাগিনী দুখুনী জন্মভূমি আইত বাজে একো নাজানো। মনত পৰিবৰে পৰা ভাল পাওঁ মোৰ জন্ম দাত্ৰী আইক।

বৰ ভাল পাওঁ মোৰ দেশৰ বুকেদি বৈ যোৱা উদাৰ বহল ব্ৰহ্মপুত্ৰ নৈ খনক। বৰ উলাহেৰে, বৰ আনন্দেৰে চাই থাকো, মোৰ দেশৰ উত্তৰে দক্ষিণে থকা উন্নত শিৰ, শ্যামল তৰু লতাৰে ভৰা পৰ্ব্বত শ্ৰেণী। বৰ তৃপ্তি পাওঁ মোৰ দেশৰ কেতেকী, পাটমাদৈ, কুলিৰ মাত শুনি। বৰ ভাল পাওঁ মই মোৰ দুখীয়া ভাই—ভনী বিলাকৰ সহজ সৰল জীৱন। এটাইতকৈ ভাল পাওঁ মোৰ সাত পুৰুষীয়া ভগা পঁজাটিক। মোৰ আই বুঢ়ী আইয়ে জহ কালি চোতালত পাটি পাৰি বিছনিৰে বিছি বিছি কত সাধু কৈছিল, মই আকাশৰ লক্ষ তৰাৰ ফালে চাই আত্মহাৰা হৈ গৈছিলো। মোৰ জননী! তুমি যে মোৰ স্নেহশীলা আইৰো জননী।

মুক্তিত হেনো মানুহৰ বৰ আনন্দ, স্বৰ্গ হেনো বৰ সুন্দৰ স্বৰ্গত স্বৰগ বাসীয়ে কি কৰে কব নোৱাৰো. মৰ্ত্ত্যত যে মোৰ হিয়াৰ গোটেই খিনি আনন্দ, মোৰ প্ৰাণৰ গোটেই খিনি প্ৰেম, মোৰ মনৰ সকলো মধু স্মৃতি, মোৰ বাল্য কালৰ আনন্দ, যৌৱনৰ প্ৰণয় বাৰ্দ্ধক্যৰ বন্ধুত্ব, সকলোখিনি মোৰ জন্ম ভূমি আই! তোমাৰ লগত যাপি থোৱা। জাতীয় গৌৰবেৰে মোৰ দেশ মণ্ডিত। শৰতৰ জোনাকে মোৰ দেশ সপোন ৰাজ্যত পৰিণত কৰে। বাৰিষাৰ জৰ জৰ বৰষুন ধাৰে মোৰ দেশত কত বিৰহ গাঁথা গাই যায়। বসন্তও মোৰ দেশ ৰূপে ৰসে গন্ধে গীতে সমুজ্জল হৈ উঠে। হেমন্তৰ শ্যামল ক্ষেত্ৰৰ মাজে মাজে পকা ধানে সোনালী পথাৰ শুৱণী কৰি, মোৰ

হিয়াৰ মাজেদি সুখৰ ঢউ খেলি যায়। দুখুনী জনম ভূমি আই মোৰ! তুমিয়ে মোৰ স্বৰ্গ, তুমি মোৰ মোক্ষ, তুমিয়ে মোৰ জগদ্ধাত্ৰী, দশদিকক দশ ভুজ কল্পনা কৰি অসুৰ ভাৱক বিনাশিনী "দুৰ্গে," বুলি হিন্দুৱে তোমাক জ্যোতিৰ্ম্ময়ী মাতৃমূৰ্ত্তি ৰূপে পূজা কৰে। তোমাতে যে প্ৰকৃতিৰ ৰূপ দেখি, হিন্দুৱে তোমাক মায়া ৰূপিনী,—

"নমস্তে জগৎচিন্ত্যমান স্বৰূপে, নমস্তে মহা যোগিনী জ্ঞান ৰূপে" বুলি ধ্যান কৰে। তোমাকে ঈশ্বৰ বাসনা বুলি অনুভৱ কৰে। সেই দিনাখন তোমাৰ ক্ষুদ্ৰ ৰূপ মোৰ ক্ষুদ্ৰ পঁজাটিৰ পৰা বাঢ়ি গৈ বিৰাট আকাৰ ধাৰণ কৰে। সেই দিনাখন আই, তুমি এচিয়া, ইউৰোপ আমেৰিকা সকলো খিনি তোমাৰ বিৰাট শৰীৰৰ একোনত ঠাই দিয়া। সেই দিনা খন আই, তোমাৰ ভকত সন্তানে, তোমাৰ মাজেদি মূৰ্ত্ত ঈশ্বৰ বাসনাৰ মূৰ্ত্ত ৰূপ দেখা পায়। হিন্দু, মুছলমান খৃষ্টিয়ান বা হান সকলো তোমাৰ প্ৰেমত বন্ধ। মুছলমান ভাই সকলে "তুৰ্কীৰ" এক ধৰ্ম্মত গৌৰবত গৌৰবান্বিত হব পাৰে। আজি খৃষ্টিয়ান ভায়ে প্ৰতীচৰ উন্নতিত মহা সন্তোষ লাভ কৰিব পাৰে, কিন্তু গোটেই দিনৰ পৰিশ্ৰমৰ পিচত, বহু দুখ সুখ মনোবেদনা বিফলতাৰ পিচত মুছলমান, খৃষ্টিয়ান ভায়ে ক্লান্ত দেহে ক্লান্ত মনে শান্তিৰ নিমিত্তে কলৈ যায়? তেতিয়া তেওঁৰ কেৱল সেই বাঁহে বেৰি খালেৰে ঘেৰা পঁজাটিৰ ফালেহে যায়। ঘৰত দুখুনী মাতৃয়ে মাটিৰ চাকিটি জলাই, সন্তানৰ শুশ্ৰূষাৰ কাৰণে স্মিত মুখে

অপেক্ষা কৰি আছে—তেতিয়া ভাই অসমীয়া মুছলমান বা খৃষ্টিয়ান, সেই আইক 'মাদাৰ,' বা মেহেৰ বান বুলিতো তিমান সুখ নোপোৱা তেতিয়া মধুৰ আই, সম্বোধনটি যে হিয়া তলিৰ পৰা মুখ ভৰি ওলাই আহে। তেতিয়া তোমাৰ তুৰ্কী বা লণ্ডন চহৰলৈতো মনত নপৰে। তেতিয়া তোমাৰ পঁজাৰ মজিয়াত যে এখনি কঠপাৰি তোমাৰ শ্ৰান্ত দেহটি পেলাই দি অসীম শান্তি অনুভৱ কৰা, সেই কন অনুভূতিয়ে যে তোমাৰ দেশ মাতৃকাৰ প্ৰেমৰ অনুভূতি। সেই মজিয়াত তোমাৰ পতিব্ৰতা পত্নীয়ে হৃদয়ৰ প্ৰেম গোটেই খিনি দি তোমাক শুশ্ৰূষা কৰে। সেই পঁজাতেই তোমাৰ মধুৰ কণ্ঠৰ কলধ্বনি তুলি লৰা ছোৱালী ডাঙৰ দীঘল হয়। তুমি সেই গাঁৱতে সৰু পজা এটি পবিত্ৰ মছজিদ পাতি খোদা তালাক অহৰ্নিশে উপাস্য কৰি, ভাই মুছলমান! তুমি কিয়ামতৰ দিনলৈ তৈয়াৰ হোঁৱা। ভাই খৃষ্টিয়ান! তুমি প্ৰভু যীশু খৃষ্টৰ বিশ্ব জোৰা প্ৰেম অনুভৱ কৰা। সেই বাবেই ভাই সকল! জন্মভূমি তোমাৰ শ্ৰেষ্ঠ সাধন ভূমি" *

---

* শিৱসাগৰ ছাত্ৰ সম্মিলনৰ সভাপতিৰ অভিভাষণৰ পৰা উদ্ধৃত।

# মহাত্মাজীৰ ২১ দিন অনশন ব্ৰত উপলক্ষে

বৰদলৈদেৱে বক্তৃতাত কৈছিল—

"মানুহ জনমে, মৰে, খায়, ফুৰে, কাম কৰে, আহে আৰু যায়। এই দৰে লক্ষ লক্ষ মানুহ মৰ জগতত পোহৰত পোকে জিক্ মিক কৰাদি, খন্টেক জিক্‌মিক্ কৰি অনন্ত সমুদ্ৰত বুৰ মাৰে। কাৰো লেখ কোনেও নলয়। কিন্তু বহু শতাব্দীৰ পিছত একোজন মহাজন মহামানৱ আহি জগতত এচাটি পোহৰদি তাৰ ৰশ্মি দিগদিগন্তত বিকীৰ্ণ কৰি শত শতাব্দী ব্যাপ্ত কৰি থৈ যায়। এনে মানুহ যিটো যুগত জনমে সেই যুগেই ধন্য; আজি ভাৰতত গান্ধী যুগ; এই মহামানৱটিৰ মহান কাৰ্য্য আজি প্ৰায় ৩০ বছৰে শুনি অহা গৈছে। বয়সৰ লগে লগে তেওঁৰ মহামানৱত্ব আজি ফুটি উঠিছে, আজি ভাৰতৰ মহাব্ৰত! ভাৰতৰ মহান ঋষিয়ে ২১ দিন মহান ব্ৰত ধৰি নিজৰ যন্ত্ৰনাৰে, নিজৰ দুখেৰে, নিজৰ তেজেৰে হিন্দু মুছলমানৰ ভিতৰত সৌহাৰ্দ্দ্য স্থাপন কৰিবলৈ যত্নবান। অন্তৰ্য্যামী জনে ভক্তৰ এই ত্যাগ, এই আত্ম বলিদান নীৰৱে চাই আছে। ভাই হিন্দু, ভাই মুছলমান! ভাই খৃষ্টিয়ান! ভাই জৈন বুদ্ধ! আঁহা আজি ভক্তিভৰে ভগবানক ধন্যবাদ দিওঁ আৰু প্ৰাৰ্থনা কৰোহঁক, মহাত্মাৰ অহিংস ব্ৰত সুসিদ্ধ হওক। জগতত শান্তি স্থাপিত হওক।" এই অহিংসা দেৱ ভাৱৰ ভাৰত জননীৰ নিজ সন্তানৰ ভিতৰত অমিল হলেতো গা কৰিব নোৱাৰিব।

.সই দেখি কবিয়ে কৈছে—হিংসা দ্বেষ ক্ষুদ্র স্বাৰ্থ এৰি ভাৰত সন্তানে যি দিনা সমস্বৰে মাতৃ প্ৰেমৰ ভৰপুৰ হিয়া পৰা "আই" বুলি মাতিব, সেই দিনাহে জগৎ বাসীৰ শ্ৰৱণ পুৰ পৰিব।"

## কংগ্ৰেছ সোনালী জয়ন্তী

১৯৩৫ চনৰ অক্টোবৰ মাহত সিমলাৰ অধিবেশনত যোগ দি উলটি আহি, বৰদলৈদেৱে কংগ্ৰেছৰ বছৰীযা সোনালী জয়ন্তী উৎসৱৰ আয়োজনত যোগ দিলেহি। নগাঁৱৰ পৰা গোটেই পৰিযাল বোৰক গুৱাহাটীলৈ লৈ আহি, মটৰ যোগে গোটেই অসম পৰিভ্ৰমণ কৰে। সোনালী জয়ন্তী উৎসৱৰ উপলক্ষে ৰাইজক সজাগ কৰা আৰু ধন তোলাই আছিল তেখেতৰ উদ্দেশ্য। শেষ বাৰৰ কাৰণে মৰমৰ অসমৰ কেউখন জিলা ঘূৰি আত্মীয় স্বজন সকলোকে চাই চিতি মাত বোল লগাই, জয়ন্তী উৎসৱত যোগ দিলেহি। জয়ন্তী উৎসৱ উপলক্ষে বৰদলৈদেৱৰ গভীৰ কণ্ঠৰ আৱেগময়ী শেষ বক্তৃতা ৰাইজলৈ আগ বঢ়াই জননীৰ পূজাৰ শেষ অৰ্ঘ্য ৰচনা কৰি, কৰ্ম্মময় জীৱনৰ কৰ্ম্ম সমাপন কৰিবলৈ সাজু হল।

কংগ্ৰেছ সোনালী জয়ন্তী উপলক্ষে বৰদলৈদেৱৰ ৰাইজলৈ শেষ বাণী—"গোৱাল পাৰাত" বিৰাট ৰাজহুৱা সভাত বৰদলৈ-দেৱ সভাপতি আছিল। বৰদলৈদেৱক গোৱাল পাৰা ৰাইজে এখন মান পত্ৰ দি সম্বৰ্দ্ধনা জনায়। শ্ৰীযুতা বৰদলৈয়ো সেই

সভাত উপস্থিত আছিল। তেখেতক বাইজে এটি ফুলৰ তোৰা দি সম্বৰ্দ্ধনা জনায়।

## সোনালী জয়ন্তী উপলক্ষে গোৱাল পাৰা ৰাজহুৱা সভাত ৰবদলৈ দেৱৰ বক্তৃতা।

"সুজলা সুফলা শস্য শ্যামলা মাতৃভূমি মূৰ্ত্ত! ভক্তই তাক দেখা পায়। চিতোৰেশ্বৰীয়ে মহাৰাণা প্ৰতাপ সিংহক দেখা দিছিল, ই কবিৰ কল্পনা নহয়। আমি ভাৰত সন্তান শতধা বিচ্ছিন্ন, হিংসা দ্বেষ কপটতা আৰু কাজিয়াত জৰ্জ্জৰিত। তেওঁ লোকে মাতৃক উপযুক্ত ভাবে আহ্বান কৰিব জনা নাই। সেই কাৰণে মাতৃ মূৰ্ত্তিকো দেখিবলৈ পোৱা নাই। উপযুক্ত ভাবে আন্তৰিকতাৰে কবিয়ে "একবাৰ তোৰা মা বলিয়ে ডাক" বোলাৰ দৰে, আজিৰ সন্তানে মাতৃক আহ্বান কৰিবলৈ শিকক। আজিৰ দিন অতি পবিত্ৰ দিন, মঙ্গলময় বিধাতাৰ ইচ্ছাত আজি মুছলমান ভাই সকলৰ প্ৰাচীন জাতীয় উৎসৱ ঈদ গাহ" আৰু ভাৰতৰ সৰ্ব্ব শ্ৰেষ্ঠ ৰাজনৈতিক প্ৰতিষ্ঠান কংগ্ৰেছৰ সোনালী জয়ন্তী একেদিনাই অনুষ্ঠিত হৈছে। এই দিনত জাতীয় উন্নতিৰ পৰিপন্থী, সম্প্ৰদায় আৰু শ্ৰেণীগত হিংসা দ্বেষ, প্ৰেমৰ মন্দাকিনী ধাৰাত ভাহি যাওক। দেশাত্মবোধৰ পৱিত্ৰ মন্ত্ৰত

---

১। কৰ্ণবীৰ—কবিতা—অসমবাইজ—মুক্তিনাথ।

দীক্ষিত হৈ আমি দেশমাতৃকাৰ সেৱাত আত্মনিয়োগ কৰো। সেয়ে হলেই আমি আইৰ উজ্জ্বল পবিত্ৰ প্ৰসন্ন মুখ দেখিবলৈ পাম। আমাৰ প্ৰাণত আদ্যাশক্তি সনাতনী আয়ে যে অনন্ত শক্তি দিব। আৰু আমাৰ গন্তব্য পথো সুগম হৈ পৰিব।"

## কংগ্ৰেছ সোনালী জয়ন্তী উপলক্ষে কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱৰ শেষ ৰাজহুৱা বক্তৃতা

"অৰ্দ্ধ শতাব্দীৰ পূৰ্ব্বে কোনোবা এদিন কিবা শুভ মুহুৰ্ত্তত ভাৰতৰ মহাপ্ৰাণ মহৰ্ষী কেইজন মানৱ মনত জাগি উঠিছিল—জীবন্ত ভাৰত মাতাৰ প্ৰতিমূৰ্ত্তি। সন্তানৰ দুখ দৈন্য দূৰ কৰিবলৈ বাট দেখুৱাই দিছিল, সেই মাতৃ মুৰ্ত্তিয়ে স্বাধীনতাৰ ফালে "সেই স্বাধীনতাৰ অভিযান ১৯২১ চনত টনকীয়াল হৈ চিতোৰৰ "কালী ভৈৰবী মূৰ্ত্তিয়ে ৰজাক দেখাদি কোৱাৰ দৰে ভাৰত সন্তানক কলে —"ম্যয় ভুখা হুঁ।" ১৯১৯ চনলৈকে গৱৰ্ণমেণ্টৰ ওচৰত প্ৰাৰ্থনা, কান্দোন কাটোন আৰু চকুৰ পানীৰে নিবেদন কৰিও যেতিয়া দেখিলে যে, দুৰ্ব্বলৰ কান্দোন, শক্তিমানৰ ওচৰত কেৱল উপহাঁসৰ হে কথা। ভাৰত মাতাৰ প্ৰিয় সন্তান, স্বাৰ্থত্যাগী ধৰ্ম্মাত্মা চিৰ সত্যবাদী মহাত্মা গান্ধীয়ে ভাৰতমাতাৰ দুখ দৈন্য নিবাৰণৰ কাৰণে স্বাৰ্থ বলিদান ব্ৰত আৰম্ভ কৰিলে। সেই ব্ৰতৰ বৈশিষ্ট এই যে নিজৰ শৰীৰ, নিজৰ স্বাৰ্থ, নিজৰ অৰ্থ

লিপ্সা, সম্পদৰ আকাঙ্ক্ষা ত্যাগ কৰি যদি ভাৰত সন্তানে আত্ম বলিদান দি পাপৰ লগত যুজ কৰিব পাৰে, তেন্তে অস্ত্র শস্ত্র বন্দুক কামান এই বিলাকৰ শক্তি তাৰ ওচৰত তুচ্ছ। সেই মহাবাণী প্ৰচাৰিত হলতেই সমস্ত ভাৰতত দিগ্ দিগন্ত ব্যাপী "বন্দেমাতৰম" মন্ত্ৰৰ ধ্বনিত আকাশ বতাহ ভাৰত মৰ্ত্ত্য মুখৰিত হৈ উঠিল। সহস্র সহস্র সন্তানৰ সেই অসীম দুখ—কাৰাবৰণ, প্ৰহাৰ দেশবাসীৰ ওচৰত মালা চন্দন হৈ উঠিল। বৃটিছ সিংহই নখে দাতে চিৰাচিৰ কৰিব জানে, যুদ্ধ দিলে যুদ্ধ কৰিব জানে, কিন্তু সত্যৰ দাবী কৰি যেতিয়া দুৰ্ব্বলে মৃত্যুমুখী হৈ পৰম সাহেৰে সেই সিংহৰ আগত ঠিয় দিছিল, আৰু যেতিয়া তাৰ ভিতৰত সেই সিংহৰ আগত সহস্র সহস্র দেশসেৱক ধৰাশায়ী হৈছিল—তথাপি মুখত হাঁহিৰে "বন্দেমাতৰম" মাতেৰে চৌদিক প্ৰতিধ্বনিত কৰিছিল, তেতিয়া বৃটিছ সিংহ বিমোৰত পৰিছিল। দেশক ভাল পোৱা ডেকা দলে ইহকাল পৰকাল সকলো আশা ভৰষা জলাঞ্জলি দি সেই যুজত জাপ দি পৰিছিল। জে'ল স্বৰাজ আশ্ৰম বিলাকত কত বীৰ শিশুৱে, কত ৰাতি উজাগৰে হাতত দান্দা বিড়ীলৈ ভৰিত শিকলি লৈ ভীষণ গৰমত নিশাটো মছৰ কামোৰ খাই কেৱল মুখত "বন্দেমাতৰম্" আৰু মহাত্মা গান্ধী কি জয় ধ্বনি কৰি ৰাতি পুৱাই দিছিল। কত বীৰ শিশুৱে পিঠিত বেতৰ আঘাত লৈ বহুত সময়ত অনশনত কত ৰাতি কটাই দিছিল, তথাপি দেশ মাতৃকাৰ মুখলৈ চাই লক্ষ্যভ্ৰষ্ট হোৱা নাছিল। তাকে দেখি চিলেট জে'লত থাকোতে, সেই সুকুমাৰ

স্বেচ্ছাসেৱক সকলৈ চাই মোৰ মনত স্বতঃ ভাবে জাগি উঠিছিল এটা কবিতা—যুবক বৃন্দলৈ চাই গাইছিলো—

“নমো নমো নমো সাধনা দীপ্ত
বীৰ কৰ্ম্মীৰ দল।
নমো নমো যাৰ চৰণ পৰশে
পূত ধৰণী তল।
অত্যাচাৰীৰ বিষম লাঞ্ছনা
কত বিনিদ্ৰ ৰাতি
কত অপমান কত অত্যাচাৰ
ল’লা বীৰ মূৰ পাতি। ইত্যাদি

এই দৰে মোৰ অন্তৰৰ ভক্তি নিবেদন কৰি, ঈশ্বৰক প্ৰাৰ্থনা কৰিছিলো, তেওঁলোকৰ কল্যাণৰ অৰ্থে, এই সকলেই কংগ্ৰেছৰ উৎকৃষ্ট দান। এই সকল স্বাধীনচেতা আজিও আছে। স্বাধীনতা যাৰ অন্তৰত এবাৰ সোমাল তেওঁ চিৰ স্বাধীন।

ভাৰতৰ মুমলী জী—অসমমাতৃকা ভাৰতৰ পৰা বিচ্ছিন্ন নহয়! সমগ্ৰ ভাৰতৰ প্ৰাকৃতিক ঐশ্বৰ্য্য সম্পদেৰে বিভূষিতা বীৰ সন্তান সকলৰ বীৰত্ব কাহিনীৰে ভৰপুৰ, বিপুল বুৰঞ্জী কাহিনীৰে ভৰপুৰ বিশাল ব্ৰহ্মপুত্ৰ নদ যাৰ বুকেদি অসীম সাগৰলৈ বৈ গৈছে, প্ৰত্যেক কংগ্ৰেছ কৰ্ম্মীৰ গৌৰবান্বিতা জননীৰ ফালে চাওঁতেই ভাৰতৰ মুমলীজীয়ৰা অসম মাতৃকাক ভাৰত মাতাৰ কোলাত দেখা পাইছিল অসমৰ গৌৰব অক্ষুণ্ণ ৰাখিব লাগিব, “অসম কাতোকৈ পিচ পৰিব নোৱাৰে” এই বিশ্বাস

শিৰত লৈ অসমীয়া ধনী দুখীয়া গাঁৱলীয়া খেতিয়ক কোনো বাদ পৰা নাছিল। মাত্র দুজন মান হলেও বঙালী লৰাইয়ো এই ৰূপে যোগ দি বঙালীৰ গৌৰব ৰক্ষা কৰিছিল। বাকী সকলে পইচা কড়ি উপাৰ্জ্জন কৰি চৰকাৰৰ ঘৰত ভালৰি বোলাবলৈ যত্ন কৰিছিল। বহুত নেতৃত্বাভিমানী পুৰুষে এই বিলাক বিষয়ত পিচ হুঁহকি কংগ্রেছক আৰু মহাত্মাক বহুত উপলুঙা কৰিছিল। কিন্তু দেশবাসীয়ে অজ্ঞান ভাই সকলৰ এই কথালৈ আওকান কৰি তেওঁলোকক বুকুত সুমুৱাই ৰাখিছিল। এয়ে কংগ্রেছৰ মাহাত্ম্য। নিন্দা উপলুঙাই কংগ্রেছ কৰ্ম্মীক নাপায়গৈ। কংগ্রেছে মুক্ত বাহু মুক্ত হৃদয়ে আহ্বান কৰিছে, ইংৰাজ আৰু আন সকলো বিদেশীকে এই জাতীয় যুদ্ধত যোগ দি ভাৰতৰ স্বাধীনতা আনিবলৈ।

সুখে দুখে জয়ে পৰাজয়ে আজি কংগ্রেছ ৫০ বছৰীয়া প্ৰৌঢ়! কংগ্রেছৰ মৃত্যু নাই···নাই। যেতিয়ালৈকে স্বৰাজ নাহে, তেতিয়ালৈকে কংগ্রেছৰ যুজৰো অন্ত নপৰে। কংগ্রেছে স্বাৰ্থত অন্ধ হৈ ভাই ভাইৰ বিৰোধ নলগায়। আহা ভাইহঁত আজি কংগ্রেছৰ সোনালী জয়ন্তীত হৃদয়ৰ ৰক্ত ৰাগেৰে ৰঞ্জিত কৰি, চকুৰ পানীৰ ভিতৰেদি ভক্তিৰ অৰ্ঘ্যেৰে সম্বৰ্দ্ধনা কৰো। আহাঁ ভাই, আজি জাহৰী ত্রিৰঙ্গ লহৰীৰ তলত থিয় দি কংগ্রেছৰ শক্তি উপলব্ধি কৰো। আৰু ঈশ্বৰক প্ৰাৰ্থনা কৰো, যেন ভাৰতৰ এই ত্রিৰঙ্গ পতাকাৰ তলত থিয় দি দেশ মাতৃকাৰ গৌৰবৰ কাৰণে অকাতৰে প্ৰাণ দিব পাৰোঁ। "হৃদয় শোণিতে দিমহে, দিমহে ৰাজীৱ চৰণ ৰাজি।"

কংগ্ৰেছ সোনালী জয়ন্তীত বৰদলৈ দেৱৰ আৱেগ কম্পিত জলদ গম্ভীৰ কণ্ঠৰ এই বক্তৃতাৰ শেষ বেশ অসমৰ আকাশে বতাহে প্ৰতিধ্বনি তুলি মিলি গল। আজীৱন মাতৃ সেৱকৰ শেষ অৰ্ঘ্য স্মৃতিৰ তলিত গোট খাই পৰি ৰল মাতৃ চৰণত। চিৰ গৌৰৱময়ী মুক্তি প্ৰতীক ত্ৰিৰঙ্গ পতাকাৰ তলত কৰ্ম্মবীৰে যি ব্ৰত গ্ৰহণ কৰিছিল, সুদীৰ্ঘ কাল মনে প্ৰাণে সেই ব্ৰত উদ্‌যাপন কৰি আকৌ সগৌৰবে সেই মহিমাময় পতাকাৰ তলতে জীৱনৰ কৰ্ম্ম সামৰি সমাধিত শেষ যাত্ৰা পথতো সেই পতাকাই বাট দেখুৱালে। আন্তৰিকতা আছিল বৰদলৈদেৱৰ বিশেষত্ব। তেখেতে যি কামকে কৰে, মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰি, হৃদয় ভৰা তীব্ৰ প্ৰেৰণা লৈ আগ বাঢ়ে। সহজ সৰল প্ৰাণ খোলা আৱেগময় ভাৱৰ তীব্ৰতাই নিজে অভিভূত হৈ, আনকো অভিভূত কৰিব পাৰিছিল।

## অসমীয়া সাহিত্যত কবি বৰদলৈ

মাতৃপূজা পূৰ্ণ কৰিছিল ষোড়শোপচাৰে কবি বৰদলৈয়ে হিয়া ভৰা মাতৃক বন্দনাৰ সঙ্গীতেৰে। ছাত্ৰাৱস্থাৰে পৰা সাহিত্যৰ প্ৰতি আৰু বিশেষ কৈ মাতৃভাষাৰ প্ৰতি বৰদলৈদেৱৰ প্ৰৱল অনুৰাগ আছিল। স্কুলীয়া ছাত্ৰৰ অবস্থাৰ পৰাই ৰচনা কৰা গীত বিলাকতত সুৱলা ৰচনাভঙ্গী কৱিত্ব শক্তি আৰু সঙ্গীতানুৰাগৰ পৰিচয় পোৱা যায়। বৰদলৈদেৱ নিজে এজন

সুগায়ক আৰু কবি আছিল, ভাৱ প্ৰৱনতা তেখেতৰ প্ৰতি কথাতে আৰু কাৰ্য্যত প্ৰকাশ পাইছিল। কিন্তু সেই ভাৱ প্ৰৱনতা পাতল নাছিল, অতি গভীৰ, সুৱলা আৰু মৰ্ম্মস্পৰ্শী ব্যঞ্জনা আছিল তেখেতৰ সাহিত্যৰ বিভূতি। এই বিষয়ে শ্ৰীযুত পদ্মধৰ চলিহাই লিখিছিল—"বৰদলৈৰ দৰে সৰ্ব্বতোমুখী প্ৰতিভা সম্পন্ন পুৰুষ অসমত সতকাই নহব মুপজিব, তেখেত একাধাৰে এজন নিঃস্বাৰ্থ দেশ প্ৰেমিক, বিচক্ষণ ৰাজনীতিজ্ঞ, এজন নিৰ্ভীক মুক্তি যোদ্ধা, আৰু তদুপৰিত্ত তেখেত আছিল মাতৃভাষাৰ এজন একনিষ্ঠ দেশসেৱক।* বৰদলৈ ডাঙৰীয়াৰ প্ৰত্যেকটি বক্তৃতাতে, প্ৰত্যেকখনি অভিভাষণতে প্ৰতি প্ৰৱন্ধত তেখেতৰ অসাধাৰণ কৱিত্ব শক্তি আৰু, সাহিত্য প্ৰতিভা জিলিকি উঠিছিল, ভাৱ প্ৰৱনতা তেখেতৰ বক্তৃতা অভিভাষণ বা আন আন ৰচনাৰ এটি বিশেষত্ব আছিল। ভাৱ আৰু ভাষাৰ সুমধুৰ সমাবেশেৰে এখনি সুন্দৰ সপোন ৰাজ্যৰ সৃষ্টি কৰাৰ শক্তি বৰদলৈৰ বাহিৰে অসমৰ আন কোনো বক্তাৰ গাত নাই বুলিলে অত্যুক্তি কৰা নহব।

ছাত্ৰাৱস্থাৰ পৰাই বৰদলৈৰ গাত সাহিত্যৰ প্ৰতি আৰু বিশেষকৈ মাতৃভাষাৰ প্ৰতি প্ৰবল অনুৰাগ আছিল। ডেকা বয়সতে তেখেতে ৰচনা কৰা গীত বিলাকত তেখেতৰ সুৱলা

---

* ( অসমীয়া—শ্ৰীযুত পদ্মধৰ চলিহা ) কবিতা অসমবাইজ ৰাধানাথ হাজৰিকা।

ৰচনাভঙ্গী, কবিত্ব শক্তি আৰু সঙ্গীতানুৰাগৰ পৰিচয় পোৱা যায়. সংগীতত তেখেতৰ বিশেষ ৰাগ আৰু ব্যুৎপত্তি আছিল। তেখেতে ৰচা "জয়মতী" নাটকৰ গান—"প্ৰেম মিলনে নবীনা নবিনে", শুভলগ্নে পূৰ্ণবীৰ্যে উদ্ধাৰা ধৰনী, উঠা বীৰমণি", ইত্যাদি সেই সময়ত ৰচনাৰ সুন্দৰ চানেকী, সেই কালতে তেখেতে "জয়মতী" নামে এখন গদ্য নাটক লিখিছিল, আৰু গুৱাহাটী প্ৰমুখ্যে কেইবা ঠাইতো অভিনীত হৈছিল। দুৰ্ভাগ্য বশতঃ সেই নাটখতি হাতে লিখা অৱস্থাতে হেৰাই গল। তাৰ পিচত তেখেতে "গৃহলক্ষ্মী" নামৰ আন এখনি ওখ ধৰণৰ সৰু শিক্ষাপ্ৰদ সামাজিক নাটক প্ৰকাশ কৰে। সেই নাটক খনিও অসমৰ ভালেমান নাটঘৰত অভিনীত হৈছিল, তেনে ধৰণৰ নাটক জাতীয় চৰিত্ৰ গঠনৰ বাবে লাগতিয়াল আছিল। 'গৃহলক্ষ্মী' নাটকৰ গীত—"এনে জোনালী সুখময়ী নিশা, বিৰহে দগ্ধ তনু" প্ৰভৃতি গীত কবিত্বপূৰ্ণ ৰচনা ভঙ্গীৰ সুন্দৰ চানেকী।

বৰদলৈ ডাঙৰীয়াই তেখেতৰ স্বৰ্গীয় পিতৃ দেৱতা ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই সঙ্কলন কৰা এখনি পুৰণি পুথি প্ৰকাশ কৰি অসমীয়া সাহিত্য ভঁৰাল চহকী কৰে। তাহা নখনত 'জোনাকী', 'বিজুলী' আদি কাকতত তেখেতৰ প্ৰৱন্ধ কবিতা আদি ওলাইছিল। বৰ্ত্তমান যুগৰ 'বাঁহী', 'আৱাহন', অসম বান্ধৱ', 'অসমীয়া' আদি কাকততো মাজে মাজে তেখেতৰ প্ৰৱন্ধাদি ওলাইছে। 'অসম বান্ধৱত' প্ৰকাশ হোৱা "শিশুৰ

হাঁহি” নামৰ কৱিতাটো অসমীয়া কাব্য সাহিত্যৰ এটি অমূল্য ৰত্ন। আৰু ই কেইবাখনো পাঠ্য পুথি আৰু কাব্য প্ৰতিভা কাব্য সংগ্ৰহত ঠাই পাইছে।

৺বৰদলৈদেৱৰ ‘শ্যাম বৰণীয়া, অসমআই ধুনীয়া” গীতত অসমৰ নিভাজ সুৰৰ জাতীয় সঙ্গীত, এই গীতটিত বৰদলৈদেৱৰ জন্মভূমি অসম আইৰ প্ৰতি অকৃতিম মৰম সুন্দৰ ৰূপে ফুটি উঠিছে, স্বদেশ প্ৰেমিক বৰদলৈৰ ভিতৰত কবি বৰদলৈৰ অন্তৰ্নিহিত ভাবৰ মধুৰতা বিকশিত হৈ উঠিছে।

“৺বৰদলৈ ডাঙৰীয়াই অসমৰ সাহিত্য ভৰাললৈ ভালেখিনি দান দিছে। আইন অমান্য আন্দোলনৰ সম্পৰ্কৰ অপৰাধত কাৰাদণ্ডত দণ্ডিতহৈ শ্ৰীহট্ট জেলত থকা সময়ত, তেখেতে দেড় বছৰীয়া কাৰাবাসৰ ভিতৰতে, ৰুগীয়া শৰীৰেৰে এখন দুখন নহয় সাতখনকৈ বহুমূলীয় গ্ৰন্থ ৰচনা কৰে, তাৰ ভিতৰত “অনিতা গেৰিবল্ডি” আৰু অমৃত্ৰাক্ষৰ ছন্দেৰে লিখা ভক্তিমূলক পঞ্চাঙ্কীয়া নাটক “কৃষ্ণলীলা” ছপা হৈ ওলাইছে। সেই নাটক খনিৰ প্ৰত্যেকটি গীতেই একোটা বহুমূলীয়া মুকুতা স্বৰূপ প্ৰাত্যকটিৰ ভাৱ, ভাষা আৰু সুৰৰ সমাবেশ সুগায়কে গালে কানত মৌ বৰষে, হিয়া জুৰ পৰে।

গোপ বালকে গোৱা—এৰিদে দুৱাৰ এৰিদে দুৱাৰ,

এৰিদে দুৱাৰ দুৱৰী

তঁহতৰ ৰজা কৃষ্ণ বলোৰাম

আমৰ প্ৰাণৰো প্ৰাণ

বৃন্দাবনত শুনালে আমাক
বাঁহীৰ মধুৰ তান।

আকৌ এঠাইত গোপ বালকে গাইছে—

আঁহা প্ৰাণ কাণু, দেখাদিয়া ভাই
এবে প্ৰাণ যায়, বিৰহে কাতৰ তনু
ইমান মৰম বেথা একে তিলকতে
সকলো এৰিলা, পাহৰি সকলো কথা।

আকৌ এঠাইত গোপিনী সকলে গাইছে—

যমুনাৰে বালি জোনাকত ৰূপালী
তাতে কেতেকীয়ে মাতে।

এই বিলাক সঙ্গীতে অসমীয়া সাহিত্যত যাউতী যুগীয়া ঠাই পাব বুলি ডঠি কব পাৰো। 'কৃষ্ণলীলাৰ' দৃশ্য কেইটা মান সৰু লৰাই 'সন্মিযা সম্মিলনীত' তুৱাৰকৈ অভিনয় কৰি দৰ্শক মণ্ডলীক মুগ্ধ কৰিছিল। এবাৰ বৰদলৈ ডাঙৰীয়াই নিজে চাই সন্তোষ পাই প্ৰত্যেকটি ভাৱৰীয়াকে একোখন "কৃষ্ণলীলা" আৰু "সন্ধিয়াৰ সুৰ" উপহাৰ দিছিল।"

কৃষ্ণলীলাৰ প্ৰত্যেকটি সঙ্গীতেই ভাৱপূৰ্ণ গোপিনী সকলৰ প্ৰিয়তম শ্ৰীকৃষ্ণৰ প্ৰতি অনুৰাগ পূৰ্ণ গীত বিলাকত, ভগৱান আৰু ভক্তৰ প্ৰীতিবন্ধনক এখনি বাস্তৱ জগতলৈ লৈ আহে। বৃন্দাবনৰ লীলা খেলাত মত্ত গোপিনী সকলে গাইছে—

গীত :— আহিলা যেতিয়া মোহন আলহি
মধুৰ মাধুৰী বিলাই,

শুৱলা মাতেৰে মাতি সুখৰ সপোন পাতি
প্ৰেম জুই প্ৰানত জলাই !

শ্ৰীকৃষ্ণৰ সখ্য প্ৰীতিৰ চিনাকী ৰূপে, গোপবালক সকলৰ প্ৰিয় বন্ধু শ্ৰীকৃষ্ণক ভালপোৱাৰ অন্তৰৰ আবেগৰ সোঁত বৈ গৈছে আৰু "কৃষ্ণলীলা"ৰ সঙ্গীতৰ ভাবৰ ব্যঞ্জনাই ভক্ত আৰু ভগৱানৰ ভিতৰত স্থাপন হোৱা এটি প্ৰীতিময় সম্বন্ধৰ আদৰ্শ ফুটাই তুলিবলৈ কৰা যত্ন লেখকৰ সফল হৈছে বুলি কব পাৰি। বাৎসল্য সখ্য, দাস্য আৰু মধুৰ ভাৱৰ ভক্তিৰ বিকাশৰ যি সমন্বয়, আৰু মধুৰ ভঙ্গীমাৰ সৃষ্টি হৈছে, সি সচাকৈয়ে অতুলনীয়, গোপবালক বিলাকৰ শ্ৰীকৃষ্ণকৈ সখ্য ভাৱৰ ভিতৰেদি এটি ভক্তি মিশ্ৰিত সম্ভ্ৰম ভাৱ, আৰু যশোদাৰ সন্তান বাৎসল্যভাৱ, শ্ৰীকৃষ্ণৰ মাতৃলৈ উদ্দেষি গোৱা গীতত সন্তানৰূপি শ্ৰীকৃষ্ণৰ ভক্তি মিশ্ৰিত আৱেগ নিজৰি পৰিছে। লেখকৰ মাতৃমূৰ্ত্তিৰ মাজত দেশ মাতৃৰ ৰূপ যেন অনুভৱ কৰিছে—

আই অ' চেনেহী সাদৰী আই অ'
গৌৰৱ মণ্ডিত মাতৃ মন্দিৰত
চৰণত দিয়াঠাই অ'
অকৃতি সন্তানে মাতে হাতে জুৰি
ক্ষমা শোক মোহ এৰি
জনমে জনমে সেই প্ৰেম সুধা
পাঁও যেন প্ৰাণ ভৰি।

এই পুথি খনিৰ বাহিৰেও, তেখেতে ওখ ধৰণৰ বহু পুথি

ৰচনা কৰে। শিৱসাগৰ ছাত্ৰ সম্মিলনত দিয়া সভাপতিৰ অভিভাষণ খনি এখন সুন্দৰ ৰচনা। ৺বৰদলৈদেৱৰ অসমীয়া ভাষাৰ ওপৰত ব্যুপত্তিৰ বাবে তেওঁতক কলিকতা বিশ্ববিদ্যালয়ৰ আই, এ পৰীক্ষাত অসমীয়াৰ পৰীক্ষক নিযুক্ত কৰা হৈছিল। কেইবা বছৰো তেওঁতে সেই কাম সুন্দৰৰূপে সম্পাদন কৰিছিল

## ব্যঙ্গ ৰচনা

৺বৰদলৈদেৱে ডেকাবয়সতে "কেণাৰাম ঢোল" নামে দি বাঁহীত কিছুমান খুহুটিয়া কথা লেখে। পুৰণি পুথি "দীপিকা ছন্দ" বৰদলৈৱে সঙ্কলন কৰি উলিয়াই। দীপিকাছন্দৰ প্ৰাচীনত্ব সম্বন্ধে "পণ্ডিত "পদ্মনাথ বিদ্যাবিনোদ'' যি নতুন লিখা বুলি কৈছিল তাক বৰদলৈদেৱে পুৰণি সাহিত্য বুলি প্ৰমাণ কৰে। (বুৰঞ্জী গবেষণা)

শৰাই ঘাটৰ যুদ্ধৰ বৰ্ণনাত দৈৱজ্ঞজনৰ বিষয়ে উপলুঙা কৰি ৺হেমচন্দ্ৰ গোস্বামী দেৱে যি প্ৰবন্ধ লেখিছিল, তাৰ প্ৰতিবাদ কৰি ৺বৰদলৈদেৱে প্ৰথমে লিখে, যুক্তি আৰু ব্যাখ্যাৰে সেই কলঙ্ক দূৰ কৰে। স্বৰ্গীয় হেমচন্দ্ৰদেৱৰ দ্বাৰা পৰিচালিত (শঙ্কৰী মতত প্ৰাধান্য স্থান) অসমত চৈতন্যদেৱৰ প্ৰাধান্য প্ৰতিষ্ঠা কৰিবলৈ যি আন্দোলন হয়, সেই আন্দোলনৰ বিপক্ষে ৺সাহিত্য-

ৰথী বেজবৰুৱাৰে সৈতে তাৰ তীব্ৰ প্ৰতিবাদ কৰে। আৰু অসমত শঙ্কৰী মতৰ প্ৰাধান্যত দেখুৱাই সেই আন্দোলন বন্ধ কৰিবলৈ কৰা যত্ন সফল হয়।

নবীনচন্দ্ৰই গোটেই জীৱন দেশ মাতৃকাৰ সেৱাৰ ভিতৰেদি ভাষা জননীকো গৌৰবান্বিতা কৰি গৈছে।

## নবীন অসমলৈ নবীন চন্দ্ৰৰ বাণী।

নবীনচন্দ্ৰ আছিল একাধাৰে কবি আৰু সঙ্গীতজ্ঞ। ছাত্ৰাবস্থাতেই তেখেতে সঙ্গীত চৰ্চ্চা কৰিছিল, ভাল বাঁহী বজাব পাৰিছিল। ভাৱপূৰ্ণ সঙ্গীতত তেখেতে নিজে আত্মহাৰা হৈ আনকো আত্মহাৰা কৰিব পাৰা শক্তি আছিল। আধুনিক সঙ্গীতৰ বাহিৰেও কীৰ্ত্তন, ঘোষা, বৰগীত তেখেতৰ অতি প্ৰিয় আছিল, অপূৰ্ব্ব ভাবাবেগ পূৰ্ণকণ্ঠে কৃষ্ণভক্তিপূৰ্ণ গীত গাই নিজে কান্দি আনকো কন্দুৱাই ছিল। নিজৰ লৰাছোৱালীক তেখেতে বৰ যত্নেৰে সঙ্গীত শিকাইছিল। বৰদলৈৰ ঘৰ খন গধূলী সদায় সঙ্গীত মুখৰিত হৈ থাকে। 'অসম সাহিত্য সভায়' তেখেতক দুবাৰ সঙ্গীত শাখাৰ সভাপতিৰ পদ যাচিছিল। কিন্তু তেখেতে ৰাজনৈতিক কামৰ পৰা অৱসৰ নাপাই গ্ৰহণ কৰিব নোৱাৰিলে, সাহিত্য আৰু সঙ্গীতেই বৰদলৈদেৱৰ হিয়াৰ চানেকী। শিশুকালৰে পৰা ভক্তিমতী মাতৃৰ শিক্ষা আৰু

আদর্শ ই বৈষ্ণৱ ঐতিহ্যপূর্ণ কৃষ্ণ প্ৰেম, আৰু পবিত্ৰ ভগবৎ ভক্তিত তেওঁৰ শিশু অন্তৰ ভৰপুৰ হৈ উঠিছিল—মাকৰ মুখৰ পৰ শিকিছিল "আত্মবৎ সৰ্ব্বভূতেষু" সেই বাবেই তেখেতৰ হৃদয আছিল আকাশৰ দৰে উদাৰ আৰু নিৰ্ম্মল। নিৰ্ম্মল অন্তৰত দেশাত্ম বোধ জাগি উঠিছিল মূৰ্ত্ত মাতৃভূমিৰ পৰশত আত্মনিবেদনৰ ভাব লৈ ; সেই বাবেই তেখেতে সঙ্গীত ৰচনাত প্ৰাণৰ সমাবেশ কৰিব পাৰিছিল। "তেখেত অকল জাতীয় আন্দোলনৰ নেতাই নাছিল, তেখেত জাতীয় সাহিত্য আৰু সঙ্গীতৰো এক প্ৰকাৰে গুৰিয়াল। আজিলৈ অসমৰ জাগৰণৰ পথৰ ৺লক্ষ্মীধৰ শৰ্ম্মাৰ বাহিৰে বোধ কৰো নবীন চন্দ্ৰ বৰদলৈৰ নিচিনা নাট্যকাৰ সৃষ্টি হোৱা নাই, *কৰ্ম্মবীৰ নবীন চন্দ্ৰৰ ব্যক্তিত্ব আছিল অসমৰ জাতীয় আন্দোলনৰ এটা আপুৰণীয়া সম্পত্তি, দেশৰ দুখ গুচোৱাই তেওঁৰ জীৱনৰ উদ্দেশ্য আছিল।

গোৱাল পাৰাৰ ৰাজহুৱা সভাৰ সভাপতিৰ আসনৰ পৰা তেওঁৰ শেষ বক্তৃতাত এই দৰে বৰ্ণাইছিল—

সুজলা সুফলা শস্য শ্যামলা মাতৃমূৰ্ত্তি ! মূৰ্ত্ত। ভক্তই তাক দেখা পায়। চিতোৰেশ্বৰীয়ে মহাৰাণা প্ৰতাপ সিংহক দেখা দিছিল ই কবিৰ কল্পনা নহয়" ভক্ত সুলভ গদ গদ চিত্তে তেওঁ এই মাতৃ মূৰ্ত্তিৰ পুজাৰ বাবে দেশবাসীক উদাত্তকণ্ঠে বিশেষ কৈ

* কৰ্ম্মবীৰ নবীন চন্দ্ৰৰ জাতীয় সঙ্গীত, শ্ৰীযুত চক্ৰেশ্বৰ ভট্টাচাৰ্য্য (বাঁহী) ২৪ মাৰ্চ্চ ১৯৪৬ সন, ৪১শ সংখ্যা

ডেকা অসমলৈ তেখেতে আবেগকম্পিত সুৰেৰে—আহ্বান কৰিছিল—

ডেকা গাভৰুৰ দল, বীৰ বীৰাঙ্গনা দল,
নতুন তেজেৰে ৰাঙলী ৰূপহী কৰহি ধৰণীতল
খোজৰ ভৰত কপোক ধৰণী,
তৰুণ চকুত জলোক অগনি
শত সহস্ৰ মৃত্যু নেওচি বল আগুৱাই বল—ইত্যাদি

তেওঁ অতি আবেগময় অন্তৰেৰ মাতৃমূৰ্ত্তি গঢ়ি লৈছিল, সমগ্ৰ দেশৰ এটি ছবি, হৃদয়ত অলপ অস্পষ্ট হলেও তেওঁৰ কল্পনাই চুকি পাইছিল সেই কল্পনাৰে তেওঁৰ মাতৃ মূৰ্ত্তিলৈ লক্ষ্য কৰি গাইছিল—

"আই ঐ চেনেহী শুৱনী আই ঐ
কেনেকৈ পুজিম তোক
মন্দিৰ দুৱাৰ ৰোধ কৰি
সমাধান দে ঐ মোক
শত সহস্ৰ নবীন পূজাৰী, দুৱাৰতে আছে বৈ
আই ঐ দুয়াৰতে আছে বৈ
ভক্তি কুসুমে নৈবেদ্য সজাই
তৰুণ তেজেৰে কৰণি ভৰাই
মাতৃ-মন্ত্ৰ জপিছে সঘনে
পূজা মতলীয়া হৈ ॥

পৰাধীনা মাতৃৰ বন্ধনৰ দুখে প্ৰেমিক সন্তানৰ আৱেগ

সঙ্গীতৰ প্ৰতি ছত্ৰে ৰূপ লৈ আত্মবিকাশ কৰিছে। মাতৃৰ দুখ ঘুচাব নোৱাৰি প্ৰাণ তেওঁৰ অহৰ্নিশ কান্দিছিল কাতৰ প্ৰাণেৰে তেওঁ গাইছিল "বন্দেমাতৰম্" তেওঁ দুৰ্গাপূজাত এবাৰ স্তুতি কৰিছিল,

"নিত্যানন্দ কৰী বৰাভয় হৰি সৌন্দৰ্য্য ৰত্নাকৰা
নিৰ্দ্ধূতাখিল ঘোৰ পাবন কৰি প্ৰত্যহ মাহেশ্বৰী
প্ৰালেয়াচল বংশ পাবন কৰী কাশী পুৰাবিধৰী
ভিক্ষাং দেহি (স্বৰাজং দেহি) কৃপাৱলম্বন কৰী মাচাৰ্ণ
পূৰ্ণেশ্বৰী—ইত্যাদি—

ভিক্ষাং দেহি ৰ ঠাইত তেখেতে (স্বৰাজ্যং দেহি বুলি সেৱক সকলক লৈ গাইছিল আৰু গাওঁতে তেওঁৰ চকুৰ পানী ধাৰাসাৰে বৈ গৈছিল। দশ দিক্ জুৰি দশ ভুজা ৰূপে তেওঁ মাতৃ মূৰ্ত্তিক চিন্তা কৰিছিল। স্বৰাজ আশ্ৰমৰ শত শত সুকুমাৰ সেৱকৰ নিৰ্য্যাতন দেখি বৰদলৈদেৱৰ কোমল পিতৃহৃদয় কান্দি গাই উঠিছিল। কাৰাৰুদ্ধ সেৱক সকলৈ উদ্বেগ কৰি তেওঁ গাইছিল।

"নমো নমো সাধনা দীপ্ত,
বীৰ কৰ্মীৰ দল
নমো নমো যাৰ চৰণ পৰশে
পূত ধৰণী তল।
অত্যাচাৰৰ অসীম যাতনা
অকথ্য অপমান

ক্ষুদ্ৰ মানৱৰ অসীম ভাৱনা
তুচ্ছ কৰিলা জ্ঞান ?
হাতত শিকলি ভৰিত নিগড়
কত বিনিদ্ৰ ৰাতি
কাৰা ৰক্ষীৰ কতনো প্ৰহাৰ
ললা বীৰ মূৰ পাতি ।
মাতৃৰ ভকত মাতৃৰ চকুলো
ভাতৃৰ অনাহাৰ
দেখি তুলি ললা অহিংস ব্ৰত
স্বাধীনতা সাধনাৰ
পয়ত্ৰিশ কোটি ভাই ভনীটিয়ে
গাই ভাৰতৰ জয়
সাগৰ খলকে পৃথিবী চমকে
গৌৰা মাতৃৰ জয় ।”

মনে মনে অভিভূত হৃদয়েৰে এই প্ৰৌঢ় জনে সুকুমাৰ সেৱক সকলক বন্দনা কৰিছিল। সঙ্গীতৰ প্ৰত্যেকটি কথা তেখেতৰ প্ৰাণময় সহানুভূতি আৰু হিয়া ভৰা চেনেহৰ চিনাকী। পিচত নীল আকাশত জোনৰ দৰে যি ভাৰতৰ পতাকা উৰিবলৈ আজি বাৰ বছৰৰ আগতে স্বাধীনতাৰ পুজাৰীৰ প্ৰথম “পতাকা” বন্দনা প্ৰাণত মূৰ্ত্ত হৈ উঠিছিল, সেই যে আজি স্বাধীন ভাৰতত নীল আকাশত জোনৰ দৰে তিনিবৰণীয়া পতাকা বিজয় গৌৰৱ লৈ

পায়োভৰে” ভাৰতৰ সৰগী সমীৰণত কপি কপি “প্ৰতি ঘৰে ঘৰে আজি ভাৰতৰ স্বাধীন পতাকা উৰিছে! “শত বজ্ৰাঘাত মেঘৰ গাজনি ধুমুহা বতাহ শিৰত লৈ” মূৰ ওখ কৈ এই “ত্ৰিৰঙা লাহৰী” উৰিছে। এই পতাকাৰ তলত কত অপূৰ্ণ হৃদয়ৰ আশা আকাঙ্ক্ষা আৰু বুকুৰ ৰঙা তেজ গোট মাৰি এই পতাক'ৰ দণ্ড আৰু দৃঢ় কৰি তুলিছে; স্বাধীন ভাৰতৰ তথা স্বাধীন অসমৰ শিৰত বৰষিছে অতীতত লীন হোৱা বীৰ হৃদয়ৰ শুভ কামনাৰ নিৰ্ম্মাল্য আকাশে বতাহে প্ৰতিধ্বনিত হৈছে, অশৰীৰি প্ৰাণৰ আকুল স্বাধীন অসম আগ বাঢ়া!

## ৺বৰদলৈদেৱৰ ব্যক্তিত্ব

৺বৰদলৈদেৱৰ ব্যক্তিত্বৰ স্বৰূপ ফুটি উঠিছে, দেশ বাসীয়ে বৰদলৈক দিয়া “কৰ্ম্মবীৰ” উপাধিৰ পৰাই। বৰদলৈদেৱৰ জীৱন এটি প্ৰকৃত কৰ্ম্মযোগীৰ জীৱন। গীতা ভক্ত বৰদলৈয়ে গীতোক্ত আহিৰেই জীৱনক গঠন নিয়ন্ত্ৰন আৰু পৰিচালনা কৰিছিল। জীৱনত গীতাৰ নিৰ্দ্দেশিত—কৰ্ম্মযোগৰ নিষ্কাম কৰ্ম্মত আত্মনিয়োগ, ফলাফলৰ কামনা বিহিন হৈ কৃষ্ণভক্ত বৰদলৈয়ে হৃদয়ত অন্তৰ্য্যামী শ্ৰীকৃষ্ণৰ প্ৰেৰণা লৈ আগ পাচ নুগুণি ভগৱানৰ নিৰ্দ্দেশ বুলি যি কোনো কৰ্ম্ম-ক্ষেত্ৰতে দ্বিধাহীন ভাৱে জপিয়াই পৰিব পাৰিছিল, ভগৱানৰ ওপৰত নিৰ্ভৰ কৰি

ফলা ফললৈ আওকান কৰি ভগৱানৰ কৰ্ম্মবুলি তেখেতে যি কোনো কঠিন কামতেই হাত দিছিল, তাতেই জয়ী হৈছিল, শাস্ত্ৰোক্ত বাক্য, মতে সকলো জীৱকে তেখেতে ভগৱানৰ স্বৰূপ বুলি ভাবিবলৈ চেষ্টা কৰিছিল, সেইবাবেই তেখেতৰ বহল হৃদয়ত সুখী দুখী সকলোলৈকে সমান প্ৰেমৰ ভাগ দিব পাৰিছিল, মানুহক খুৱাই তেখেতে আনন্দ পাইছিল, ভাৰতীয় শ্ৰেষ্ঠ নেতা সকলে তেখেতৰ নিৰ্ম্মল হৃদয়ৰ স্পষ্ট আৰু তেজস্বী যুক্তি, পূৰ্ণ বাগ্মীতা আৰু চৰিত্ৰ মধুৰতাত মুগ্ধ হৈ, তেখেতক চিৰ গৌৰৱেৰে পৰিপূৰ্ণ উপাধিৰে ভূষিত কৰিলে "অসমৰ মুকুট বিহীন সম্ৰাট" নামেৰে। একাধাৰে একেজন মানুহৰ ভাগ্যতে দেশবাসীৰ ইমানবিলাক উপাধি দান কেইজনৰ ভাগ্যতে ঘটে? দেশে তেখেতক ইন্দ্ৰজিতৰ দৰে তৰ্ক যোদ্ধা, বিশ্বামিত্ৰৰ দৰে খঙাল, বশিষ্ঠ ঋষিৰ দৰে ক্ষমাশীল আৰু জন্মভূমিৰ গৌৰৱত সুমেৰু সমান উচ্চশিৰ দেখুৱা অপ্ৰতিদ্বন্দ্বী নায়ক বুলি সৰ্ব্বোচ্চ সম্মান দান কৰিছে।

শ্ৰীযুত মহাদেৱ শৰ্ম্মাই লিখিছে, "বৰদলৈদেৱ ধাৰ্ম্মিক পুৰুষ, সকলোৱে জানে, কিন্তু তেখেতৰ ধৰ্ম্মভাৱ সঙ্কীৰ্ণ আচাৰ ব্যৱহাৰ আদিত আৱদ্ধ নাছিল, তেখেতে ব্ৰাহ্মণ্য ধৰ্ম্মৰ নীতি সান্ধ্য আহ্নিক আদি ৰীতি মতে কৰিছিল, তেখেতৰ আদৰ্শ ধৰ্ম্ম জ্ঞানানুসৰণ। গীতোক্ত কৰ্ম্ম যোগীৰ জীৱন বৰদলৈদেৱৰ আদৰ্শ আছিল। সেই বাবেই তেখেতে কৰিব পাৰিছিল নিঃস্বাৰ্থ দেশসেৱা, পৰোপকাৰ, অন্যায়ৰ প্ৰতিকাৰ, আৰু সেই কাৰণেই

বৰদলৈদেৱৰ মন আছিল, আকাশৰ দৰে উদাৰ মহান শুদ্ধ নিস্পৃহ। ধন, সম্পত্তি একোলৈকে তেখেতৰ মোহ নাছিল। মুহূৰ্ত্ততে কৰ্ত্তব্য স্থিৰ কৰি, আগ গুৰি নাভাবি কৰ্ম্মক্ষেত্ৰত জপিয়াই পৰিব পাৰিছিল। ধৰ্ম্ম বা সম্প্ৰদায়ত কৈ তেখেতে মানৱজাতি আৰু স্বদেশক ওখ আসন দিছিল। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলোৱে তেখেতৰ পৰা বিপদত সহায় লাভ কৰিছিল। তেখেতে প্ৰত্যেক মানৱৰ ভিতৰত যেন দেখা পাইছিল নৰনাৰায়ণ।

সুসাহিত্যিক শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা ডাঙৰীয়াই তেখেত Reformsৰ কামত বিলাতৰ পৰা ঘূৰি অহাৰ পিচত সুধিছিল, যে তেখেতেনো বিলাতত কি বিশেষত্ব দেখিলে বৰদলৈয়ে উত্তৰ দিছিল "মানৱৰ ভিতৰত নৰনাৰায়ণ মূৰ্ত্তি বিলাতত উপলব্ধি কৰিলো", মানে, তেখেতে দেখিলে মানৱত্বৰ প্ৰকৃত সম্মান, তেখেতে সন্তান সন্ততি আত্মীয় স্বজনক উপদেশ দিছিল— নৰনাৰায়ণ আৰু দেশতকৈ ডাঙৰ দেৱতা নাই। কৰ্ত্তব্যতকৈ ডাঙৰ ধৰ্ম্ম নাই, ১৯২৮ চনত জুলাই মাহত 'কাৰ্জ্জন' হলত বহা একতা সভাৰ বাৰ্ষিক অধিবেশনত সভাপতিৰ আসনৰ পৰা দেশ বন্ধুৰে" কোৱা তেখেতৰ চিৰ প্ৰিয় বাক্য শাৰী আৰম্ভনীতে কৈছিল সেই কথা শাৰী হৈছে—

"The service of country and nationality is service of humanity. Service of humanity is worship of God''

জীৱনৰ শেষ ছোৱাত তেখেতৰ কোমল অন্তৰৰ দয়া ভাৱ, সমদৰ্শন ভাৱ আৰু বিয়পি গৈছিল, মানুহৰ বিপদ দুৰ্দশা তেখেতে সহিব নোৱাৰিছিল, সৰু ডাঙৰৰ ব্যৱধান তেখেতৰ মনত নাছিল, স্কুলীয়াছাত্ৰ, কলেজীয়াছাত্ৰ, গাঁৱলীয়া সমাজ, কৈৱৰ্ত্ত সমাজ, হৰিজন সমাজ য'তে বিচাৰে ত'তে বৰদলৈক পাবই, বীৰোচিত পৌৰুষক তেখেতে শ্ৰদ্ধা কৰিছিল। ক্ষত্ৰিয়ৰ দৰে শৌৰ্য্য সাহ, নিজৰ শক্তিৰ ওপৰত অটল বিশ্বাসেই আছিল তেখেতৰ ভিতৰৰ এটি চিত্তাকৰ্ষক প্ৰতিভা।

"বৰদলৈদেৱে অসমৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰি গৈছে, তাৰ ঘাই বিশেষত্ব কি? এজন নিৰ্ভিক যোদ্ধা! বৰদলৈ বুলিলে আমি অকল ৺নবীনচন্দ্ৰ বৰদলৈকে বুবুজো আমাৰ চকুৰ ওপৰত ফুটি উঠে এটি বীৰোদাপ্ত, উন্নতশিৰ তেজোজ্জ্বল ছবি। আমাৰ অন্তৰত জাগি উঠে কৰ্ম্মৰ প্ৰেৰণা, আৰু হৃদয় শ্ৰদ্ধাত ভৰিউঠে। যাৰ স্মৃতি মাত্ৰে মানুহক প্ৰেৰণা দিয়ে তেওঁ নিজে কিমানখিনিলৈকে কৰ্ম্ম প্ৰচেষ্টাৰ ভিতৰত আৱদ্ধ ৰাখিবৰ শক্তি পাইছিল ভাৱি চাওক। দেশে সেই কাৰণে আজি হাহাকাৰ কৰি কব লগাত পাৰিছে, "কৰ্ম্মবীৰ নবীনচন্দ্ৰ আজি নাই"—

দেশৰ যিমান বিলাক সমস্যাই দেখাদিছে সেই বোৰ সমাধান কৰাত দেখিব বৰদলৈদেৱ আছেই। সৰু ডাঙৰৰ ব্যৱধান নাই। যতে বিচাৰে বৰদলৈদেৱক পাবই, সম্প্ৰতি আমাৰ দেশৰ যি সাম্প্ৰদায়িক বিৰোধ ভাৱ অসমীয়া আৰু অনা অসমীয়াৰ

মাজত দেখা দিছে, তাৰ মূলিভূত কাৰণ বিশ্লেষণ কৰি ৰোগ শয্যাৰ পৰাই যি মুকলি চিঠিৰ জৰিয়তে কলিকতাৰ "আনন্দ বাজাৰ" পত্ৰিকাত প্ৰথম প্ৰকাশ কৰিলে, তাত অন্তদৃষ্টি কিমান আছে পঢ়িলে বুজা যায়, সেই চিঠিখনে যে উভয় দলকে মীমাংসাত সহায় কৰিব তাক পঢ়িলে বুজা যায়।

আন্তৰিকতাৰে কোনো কথা অনুভৱ নকৰিলে প্ৰকৃত তথ্য প্ৰকাশ কৰিব নোৱাৰি। বৰদলৈ দেৱৰ জীৱনৰ প্ৰথম লক্ষ্য আছিল এই আন্তৰিকতা। যি কথাত ধৰিব, মৰি মুজি লাগিব। এই আছিল তেখেতৰ স্বভাৱ ·····

সৰু কালৰে পৰা সুখত উঠি, নিজে সুখত থাকিবৰ যোগ্য হৈয়ো, দেশৰ কাৰণে তেখেতে কি কষ্ট কে বৰণ নকৰিলে? তথাপি অবিচলিত চিত্ত, কৰ্ত্তব্য কাম নিয়ম মতে কৰি যাবই।

পৰৰ দুখত কোমল হলেও, কৰ্ত্তব্যৰ সময়ত কোমল হৈ তেখেতে কেতিয়াও জীৱনত লক্ষ্য ভ্ৰষ্ট হোৱা নাই। কেতিযাবা কৰবাত কিবা অলপমান ত্ৰুটি দেখিলে কেতিয়াও সহ্য নকৰে। তেখেতৰ স্বভাৱ সুলভ স্পষ্ট বাদীতাৰে ভাল বেয়া বিচাৰ নকৰি মুখৰ ওপৰত কৰ লগা কথা নিঃসঙ্কোচে কৈ পেলায়।······

আবেদন নিবেদনৰ যুগতো বৰদলৈ দেৱৰ সংযোগ কংগ্ৰেছত আছিল। তেতিয়া আছিল সেৱক হিচাপে, যেতিয়া কৰ্ম্ম পন্থা অৱলম্বন কৰি কংগ্ৰেচৰ জৰিয়তে ভাৰতত স্বাৱলম্বী

হিচাপে নিজক যোগ্যবান কৰিবলৈ চেষ্টা কৰিছিল। সেই প্ৰচেষ্টাত অসম পাছ পৰা নাই, বৰঞ্চ আনদেশৰ তুলনাত অসমে শ্ৰেষ্ঠ স্থান অধিকাৰ কৰিছিল। সেই প্ৰচেষ্টাৰ যি সকল আছিল তাৰ অন্যতম জনপ্ৰিয় নেতা আমাৰ কৰ্ম্মবীৰ বৰদলৈ ডাঙৰীয়া। কাৰ্য্যক্ষমতাৰ উপৰিও বৰদলৈ দেৱৰ আছিল উদাৰ প্ৰকৃতি। এই উদাৰতাৰ কাৰণেই তেখেতে সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰিছিল। ছাত্ৰ সমাজ, হৰিজন সমাজে উদাৰতাৰ কাৰণেই তেখেতক ভাল পাইছিল। গৰীব দুখীয়াই বৰদলৈৰ পৰা আৰ্থিক সহায়, আতুৰ বিপন্নয় সাহায্য আৰু পৰামৰ্শ সমানে পাই আহিছিল, সেইকাৰণেই তেখেত আছিল সৰ্ব্বজন প্ৰিয়। অকপট, সৰল স্বভাৱত সকলোৱেই মুগ্ধ হৈছিল।

## দেশৰ সম্মান জনক আসনত বৰদলৈদেৱ

সেই কাৰণেই দেশ বাসীয়ে তেওঁক মূৰত তুলি লৈছিল। অসম বাসীয়ে তেওঁক দিব পৰা কি শ্ৰেষ্ঠ সম্মানকে দিবলৈ বাকী থৈছিল? যুবক সকলৰ প্ৰাদেশিক ছাত্ৰ সম্মিলনৰ সভাপতি পদ, চহা গাঁৱলীয়া জন সাধাৰণৰ প্ৰাদেশিক ৰায়ত সভাৰ সভাপতি পদ, বয়সস্থ আৰু ৰাজনৈতিক সকলৰ প্ৰাদেশিক অনুষ্ঠান "অসম এচোছিয়েশান" আৰু অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি, চেক্ৰেটৰীৰ পদ স্বৰাজ্য দলৰ



দেশ নেতা কৰ্ম্মবীৰ ৺বৰদলৈ

দলপতিৰ পদ নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সদস্য, শেষত নিজ যোগ্যতাৰ বলত “নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ” কাৰ্য্যকৰী কমিটীৰ সদস্য হৈও যাব পাৰিলে। অসম বাসীয়ে এজন অসম-বাসীক দিব পৰা এই সকলো পদ কৰ্ম্মবীৰ নবীন চন্দ্ৰক আগ্ৰহেৰে অৰ্পণ কৰিছিল। ভাৰতৰ ৰাজনীতি ক্ষেত্ৰত, ভাৰতৰ স্বৰাজ যুদ্ধত কৰ্ম্মবীৰ নবীনচন্দ্ৰ এজন প্ৰধান বীৰ বুলি সুদৃঢ় ভাবে প্ৰতিষ্ঠিত হৈছিল। নবীনচন্দ্ৰৰ প্ৰতিভা ভাৰতৰ বাচকবনীয়া ৰাজনীতিবিদ সকলেও সুন্দৰকৈ হৃদয়ঙ্গম কৰিছিল। সেই বাৰেই ভাৰতৰ জাতীয় যজ্ঞৰ হোতা মহাত্মা গান্ধীয়েও এসময়ত কংগ্ৰেছৰ গঠনতন্ত্ৰ তৈয়াৰ কৰাৰ নিচিনা অতি জটিল আৰু গুৰুতৰ কাম সম্পাদন কৰিবলৈ বাচি উলিয়াইছিল ৺নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়া আৰু ৰঙ্গস্বামী আয়েঙ্গাৰক। এই দুই ৰাজনীতিবিদে, কংগ্ৰেছৰ যি নিয়মাবলী ৰচনা কৰিছিল, সেই নিয়মাবলীয়েই প্ৰায় সম্পূৰ্ণ অপৰিৱৰ্ত্তিত ভাবে “বম্বে কংগ্ৰেছৰ” আগলৈকে চলিছিল।

কলিকতা কংগ্ৰেছত বঙ্গদেশৰ গৱৰ্ণমেণ্টৰ দমন নীতিৰ প্ৰতিবাদ কৰি দিয়া তেখেতৰ অখণ্ডনীয় যুক্তি বজ্ৰ গম্ভীৰ বক্তৃতা, এতিয়াও দেশবাসীৰ কানত বাজি আছে। কংগ্ৰেছ পাৰ্লিয়ামেণ্টৰী বৰ্ডৰ সদস্য হিচাপে, ব্যৱস্থা পৰিষদৰ কংগ্ৰেছ দলৰ এজন মুখিয়াল সদস্য স্বৰূপে. পৰিষদৰ এজন নিৰ্ভিক সদস্য আৰু গুৰু গম্ভীৰ বক্তা হিচাবে, কৰ্ম্মবীৰ নবীনচন্দ্ৰৰ অভাৱ, ভাৰতৰ সুসন্তান কংগ্ৰেছ দলে—পদে পদে অনুভব

কৰিছে। কৰ্ম্মবীৰ নবীনচন্দ্ৰৰ ঠাই কোনে উপযুক্তভাবে পূৰণ কৰিব ? দেশৰ কাৰণে কি কঠোৰ কষ্ট, কি সহিষ্ণুতা অৱলম্বন কৰিছিল, কি অতুল স্বাৰ্থ ত্যাগ কৰি পিচত দাৰিদ্ৰ বৰণ কৰিছিল, দেখিলে আচৰিত হব লাগে। নবীনচন্দ্ৰ আছিল কথাত আৰু কামত কায়মনো বাক্যে এক বিধৰ নেতা। তেওঁ আনক যিটো কৰিবলৈ কৈছিল, নিজে তাক আগতে কৰি দেখুৱাইছিল। নিজে যি কাম কৰিব নোৱাৰিছিল, সেই কাম তেওঁ আনকো কৰিবলৈ কোৱাৰ আগতে বহুবাৰ ভাবি চাইছিল। আনক বিলাসিতা পৰিত্যাগ কৰিবলৈ কৈ তেওঁ আগতে নিজৰ শ' শ' টকাৰ বিলাতী কাপোৰ বিলাতীপোছাক জুই লগাই পুৰি দগধা মোটা কাপোৰ পিন্ধি দেখুৱাইছিল। আনক সূতা কাটিবলৈ কৈ নিজে আগতে সূতা কাটি দেখুৱাইছিল। উকীল সকলক ওকালতী স্থগিত কৰিবলৈ কৈ নিজে নিজৰ যথেষ্ট ধন সম্পদ কংগ্ৰেছৰ কামত ব্যয় কৰি, নিজৰ মাহে মাহে হাজাৰ হাজাৰ টকা আয় হোৱা ওকালতী ত্যাগ কৰি কাৰাবৰণ কৰে। লৰাক স্কুল কলেজ এৰিবলৈ অনুৰোধ কৰাৰ আগতে নিজৰ লৰাক স্কুল কলেজ এৰুৱাইছিল। কৰ্ম্মবীৰ নবীনচন্দ্ৰৰ ঘৰখন আছিল যেনিবা দুখাৰ্ত্তৰ আশ্ৰম ভৱন। অভাৱ-গ্ৰস্তৰ অভাৱ মোচনৰ কেন্দ্ৰ। সিফালে লাগে তাৰ গিৰীহঁতৰ অৱস্থা যিয়েই নহওক। নিজৰ আৰ্থিক অৱস্থা নিতান্ত বেয়া, ধাৰ প্ৰায় ডিঙিৰ গুৰিলৈকে হৈছে, এনে অৱস্থাতো দানবীৰ নবীন চন্দ্ৰই ধাৰ কৰি আনি অভাৱগ্ৰস্ত

যোগ্যজনক আৰ্থিক সহায় কৰা আমি নিজে দেখিছোঁ, আৰু তেনে ঘটনা এটা নহয় দুটা নহয় বহুত। কংগ্ৰেছ সেৱীসকলক দলে দলে ভোজখুওৱা জলপান খুওৱাটো তেখেতৰ ক্ষেত্ৰত সাধাৰণ ঘটনা আছিল।

নিজে ঘোৰ অসহযোগী, চৰকাৰী স্কুল কলেজ বৰ্জ্জন কৰি অসহযোগ আন্দোলনত যোগ দিবলৈ তেওঁ আহ্বান কৰিছে, তেখেতৰ নিজৰ লৰাই কলেজ এৰি আহিছে, এনেতে এজন দুখীয়া বি, এ পৰীক্ষাৰ্থী ছাত্ৰই গৈ বৰদলৈৰ আগত উপস্থিত। কলেজৰ বি, এ পৰীক্ষাৰ প্ৰায় ৫০৲ টকা সেই দিনাই আদায় কৰি দিব লাগে নহলে তেওঁৰ সকলো শেষ হয়। কি দুৰন্ত সাহেৰে ছাত্ৰজন বৰদলৈৰ ওচৰত এনে এটা দেখাতে অসম্ভৱ অনুৰোধ লৈ ঠিয় হ'ল কব নোৱাৰি। কৰ্ম্মবীৰ বৰদলৈয়ে অতি গম্ভীৰ আৰু শান্তভাৱে ছাত্ৰজনৰ মুখলৈ চাই সুধিলে, "তুমি তো এজন বৰ তীক্ষ্ণ জ্ঞান বিবেকপূৰ্ণ ছাত্ৰ, সকলো কথা ভাবি বুজি মোক এই সহায় বিচাৰিছাতো? ছাত্ৰজনে উত্তৰ দিলে যে তেওঁ সকলো কথা বুজিয়েই সেই সহায় বিচাৰিছে। বৰদলৈ ডাঙৰীয়াই কলে, "তেন্তে তোমাৰ লগত আৰু আলোচনা নকৰোঁ।" এই বুলি সেই ছাত্ৰ জনক অবিলম্বে সেই অৰ্থ সাহায্য দি তেওঁৰ মঙ্গল কামনা কৰিলে। এক হিচাপে ই দুৰ্ব্বোধ্য কাৰ্য্য, কিন্তু পিছৰ কালৰ এক ঘটনাৰ প্ৰসঙ্গত বৰদলৈ ডাঙৰীয়াই দিয়া এটি কৈফিয়তৰ পৰা তেখেতৰ এই কাৰ্য্যৰ যুক্তি কিছু বুজিব পৰা গল।

১৯৩৫ চনৰ ব্যৱস্থা পৰিষদৰ নিৰ্ব্বাচনৰ সময়। অসমৰ কোনো এখন বাতৰি কাকতৰ জৰিয়তে বৰদলৈ ডাঙৰীয়াৰ বিপক্ষক সমৰ্থন কৰি বৰদলৈৰ যিমানপাৰে দোষ উলিয়াবলৈ চেষ্টা কৰি এটা অভিযোগ আনিছে। "তেখেতে ১৯২৬ চনৰ অসহযোগ আন্দোলনৰ সময়ত বহুত স্ক কলেজৰ ভাল ভাল লৰাৰ ভবিষ্যত নষ্ট কৰিলে, সিহঁতক নানা উত্তেজনা মূলক আৰু ভাৱপ্ৰবণ কথাৰে স্কুল কলেজ বৰ্জ্জন কৰাই পিচত নিঃসহায় অৱস্থাত এৰি দিলেহি" ইত্যাদি। এই অভিযোগৰ উত্তৰত বৰদলৈ ডাঙৰীয়াই আমাক ব্যক্তিগত ভাৱে কৈছিল "মই নো কাকতৰ লগত এই কথালৈ কি তৰ্ক বিতৰ্ক কৰিম? মোক এই দৰে অভিযোগ দি তেওঁলোকে মোৰ প্ৰতি নিতান্ত অন্যায় কৰিছে। মই কোনো ছাত্ৰকে অযথা উত্তেজনা-মূলক কথাৰে প্ৰতাৰিত কৰি স্কুল কলেজ বৰ্জ্জন কৰোৱা নাছিলোঁ। স্কুল কলেজ এৰি আহি দেশৰ কাম কৰাৰ বিনিময়ত তেওঁলোকৰ ভবিষ্যতৰ ব্যৱস্থা কৰি দিম বুলিও কোৱা নাছিলোঁ। মই আহ্বান কৰিছিলোঁ পদানতা মাতৃভূমিৰ সেৱা কৰিবলৈ, শৃঙ্খলা বন্ধ দেশমাতৃৰ মুক্তিৰ কাৰণে সন্তানক যুদ্ধ কৰিবলৈ, যদি তেওঁলোকৰ কাৰবাৰ প্ৰাণত দেশৰ এই অৱস্থাৰ কাৰণে কান্দে। কিন্তু এই যুদ্ধ যে সহজ নহয়, ই দীৰ্ঘকালব্যাপি চলিব আৰু ইয়াত অপাৰ দুখ কষ্ট আছে সেই কথা মই বাৰে বাৰে কৈছিলোঁ। যি সকল ছাত্ৰৰ জন্মভূমিৰ কাৰণে অন্তৰ কান্দি উঠাত স্কুল কলেজ এৰি আহি, জননীৰ সেৱাত আত্ম নিয়োগ কৰি কষ্ট ভুগিছে, মোৰ

বিশ্বাস সেই সকলে কেতিয়াও এই কষ্টৰ কাৰণে আপত্তি বা অনুতাপ নকৰে। যি সকলৰ অন্তৰ এই দুৰবস্থাই পৰশ কৰা নাছিল, আৰু যি সকলে স্কুল কলেজ বৰ্জ্জন কৰিবলৈ ইচ্ছুক নাছিল, সেই সকলক মই স্কুল কলেজ এৰিবলৈ কেতিয়াও টানি ধৰা নাছিলোঁ। বৰং তেওঁলোকৰ মঙ্গল কামনা কৰি দুই এক্ক পৰাত সহায়হে কৰিছিলোঁ।" তৎক্ষণাৎ আমাৰ মনত পৰিছিল উপৰোক্ত ছাত্ৰজনৰ কথালৈ। আৰু তেখেতক সেই কথা কৈ মনত পেলাই দিলোঁ, উদাৰমতি বৰদলৈয়ে উত্তৰ দিলে, "নুলিয়াবা দেও এতিয়া সেইবোৰ কথা, তেওঁ এতিয়া হাকিম মানুহ শুনিলে কৰবাত বেয়া পাব।" ইতিমধ্যে উক্ত ছাত্ৰজন ই, এ, চি হৈ গৈছিল।

অসম আইৰ এই অদ্বিতীয় সন্তানজনে "অমৃতসৰ কংগ্ৰেছৰ" পৰাই প্ৰায় দুকুৰি বছৰ কাল কংগ্ৰেছৰ সেৱা কৰি নিখিল ভাৰতীয় ৰাজনীতি ক্ষেত্ৰত অসমক সন্মানজনক স্থান দি গৈছে।

## চৰিত্ৰ আলোচনা

সেই সময়ত চাৰিটা ৰাজনৈতিক মোকৰ্দ্দমা (১২৪ ক আৰু ১০৮ ধাৰাৰ) এই উপলক্ষে বৰদলৈদেৱ গৈছিল আচামীৰ পক্ষ সমৰ্থন কৰিবলৈ। মোকৰ্দ্দমা কেইটাত তেজপুৰত যথেষ্ট চাঞ্চল্য

দেখা গৈছিল। কুৰি বাইচ মাইল দূৰৰ পৰা কংগ্ৰেছ সেৱক সকল ৰাতি থকাকৈ আহিও মোকৰ্দ্দমা চাইছিল।

স্বাভাবিকতে বৰদলৈদেৱ যোৱাত সেৱক সকলে তেখেতক সম্মান জনাবলৈ ফুলৰমালা লৈ আগবাঢ়ি গল। স্বৰ্গীয় পৰমানন্দ আগৰৱালাৰ ঘৰৰ বহল চোতালত থিয়হৈ অভিবাদন জনালে। উত্তৰত বৰদলৈ ডাঙৰীয়াই সেই সেৱক সকলক ধন্যবাদ দিয়াৰ কথাই নাই বৰং ফুলৰ মালা দলিয়াই টান কথাহে শুনাই দিলে। তেওঁবিলাকৰ প্ৰতি তেনে কঠোৰ ব্যৱহাৰত আমি আটায়ে বৰ বেয়া পালোঁ। আমাৰ আলহী হিচাবে তেখেতক আমি পোনপাটীয়াকৈ একো কবও নোৱাৰিলো। পিচত তেখেত যাবৰ সময়ত ভিতৰুৱাকৈ সোধাত তেখেতে কলে, "সেৱক সকল যেন কৰ্ত্তব্য কামত কঠোৰ হব পাৰে, সেই বাবে মই কোনো কোমল মাত দিয়া নাই, যাক ভাল পাম তাক প্ৰয়োজন হলে টান কথাও শুনামতো", এনে আন্তৰিকতা, স্পষ্টবাদিতা, সৰল স্বভাব, কেইজনৰ গাত ? তেখেতে সেৱক সকলক টান কথা কোৱাৰ কাৰণ হৈছে, তেখেত দেশপূজ্য নেতা হলেও, তেখেত গৈছিল মোকৰ্দ্দমাৰ উকিল হিচাবে, মোকৰ্দ্দমাৰ উকিলক সম্মান জনোৱাতো, দেশৰ সম্মানৰ অঙ্গ নহয়। কোনো ৰাজহুৱা কামত তেখেত যোৱা নাছিল, সেৱক সকলৰ যাতে সময়াসময়ৰ কৰ্ত্তব্য জ্ঞান জাগৰিত থাকে সেই

১। শ্ৰীযুত মহাদেৱ শৰ্ম্মা—১৯৩৬ (প্ৰতিভা) ২০ ফেব্ৰুৱাৰী

শিক্ষা দিবলৈ বৰদলৈদেৱে কংগ্ৰেছ সেৱকক তেনে ব্যৱহাৰ কৰিছিল” বৰদলৈ দেৱৰ তিৰোধানত—“নবীনস্মৃতি” ফুকন দেৱৰ বিবৃতিত তেখেতে লেখিছিল—মই এবছৰ আন্দোলনত যোগ দিয়া নাছিলোঁ, সেই বাবে বৰদলৈয়ে মোক প্ৰায় ঠাট্টা বিদ্ৰূপ কৰে, মই ফালৰি কাটি ফুৰোঁ। পিচত এদিন মোক তেখেতে সাৱট মাৰি ধৰি কলে, “ফুকন ? আপুনি যোগ দিয়ে যদি দিয়ক নহলে মই ও এৰি দিম।” মই শেষত সন্মত হবলৈ বাধ্য হলো। তেখেতৰ পৰা বিশেষ উদগনি নোপোৱা হলে, মোৰ অসহযোগত যোগ দিয়া নহলহেতেন। যোগ দিওৱাৰ বাবে মই তেখেতৰ ওচৰত চিৰ ঋণী। তেওঁৰ ঐকান্তিকতা আৰু আগ্ৰহ মোৰ এতিয়াও মনত আছে। আৰু মনত আছে, আগেয়ে বিদ্ৰূপ কৰি শেষত তেওঁৰ ফলিয়া কৰিবৰ চেষ্টা কৰা বাবে তেওঁৰ অকপট আক্ষেপ। কৰ্ম্মক্ষেত্ৰত সেই দিনাৰ পৰা মই তেওঁৰ অনুগামী হলোঁ। মই অনুগামী হলোঁ হয়, কিন্তু তেখেতে মোক কাৰ্য্য ক্ষেত্ৰত সদায় সকলো কথাতে আগবঢ়াই দি চলিছিল।

তেখেতৰ অলপেতে টিঙিচ্ কৰে খং উঠিছিল, কিন্তু সেই খং নিমিষতে নুমাই যায়। শত্ৰু হওক মিত্ৰ হওক নিজৰ দুখ নিবেদন কৰিলেই তেওঁ পমি গৈছিল। যদিও কৰ্ম্মত তেওঁ দৃঢ় আৰু ধীৰ, তথাপি প্ৰকৃতিত তেখেত শিশু সদৃশ

---

২। জনপ্ৰিয় বৰদলৈ—শ্ৰীমহাদেব শৰ্ম্মা (প্ৰতিভা) ১৯৩৩ চন ফেব্ৰুৱাৰী

আছিল। শত্ৰুভাবে তেখেতক জয় কৰা টান আছিল, কিন্তু মিত্ৰভাবে তেখেতক বশ্য কৰা সহজ আছিল। কিন্তু উদাৰতাত শত্ৰুক জয় কৰিব পৰা শক্তি "ভগবন্তই" তেওঁক দিছিল। এচেম্বলিৰ নিৰ্ব্বাচন লৈ বহুতে আমাৰ মাজত মনোমালিন্য হৈছিল বুলি ভাবিছিল। কিন্তু সেইটো সৰ্ব্বতোভাবে মিছা। তেখেত দিল্লীত থাকোতে মই এবাৰ গৈছিলোঁ, তেখেত মোক দেখা মাত্ৰকে ডিঙিত সাৱটি ধৰি কত যে সমাদৰ জনালে, মনত পৰিলে শোকে খুন্দা মাৰি ধৰে। ১৯৩০ চনত মই তেখেতক কাউন্সিললৈ গৈ মন্ত্ৰীপদ লবলৈ বিশেষকৈ অনুৰোধ কৰিছিলোঁ। মোৰ অভিপ্ৰায় আছিল, তেখেত ভিতৰত থাকিব, মই বাহিৰত থাকিম। কিন্তু তেখেতে তাত মান্তি নহল। উলটি মোক হে যাবলৈ ধৰিলে। তৰ্ক যুক্তিৰ পিচত মই যাবলৈ সম্মত হোৱাত, তেখেতে অলপ ভাবি গুণী কলে "আমি বুঢ়া দুজন নোসোমোৱাই ভাল। চোৱচোন ক'ৰ পানী কলৈ যায়।" মই সেই কথাতে মান্তি হবলৈ বাধ্য হলোঁ।

এজনে বুঢ়া বয়সত মটৰ চলোৱা বেয়া বুলি কলে, কেৱা মাত্ৰকে তেওঁ অগ্নি শৰ্ম্মা হৈ উঠিল; "কিহৰ বুঢ়া কিহৰ বুঢ়া দেখিছা হে? তোমাৰ দৰে জুহালৰ কাষত বহি উম লৈ থাকিলেহে হব, মই নোৱাৰো তেনেকৈ থাকিব। বিচনাত এই

---

'নবীন স্মৃতি'—দেশভক্ত তৰুণ ৰাম ফুকন—অসমীয়া—১৯৩৬ চন ফেব্ৰুৱাৰী।

দৰে পৰি থকাতকৈ মৃত্যুৱেই ভাল।" মৃত্যু শয্যাত শুই মোক এই কথাষাৰ কৈছিল। কোনে ভাবিছিল যে ভগবন্তে তাতেই তথাস্তু বুলিব। অসমৰ দুৰ্কপাল! এনে সময়ত এনেকুৱা বীৰ সন্তান তিৰোহিত হ'ল।

দাতা কৰ্ণই নিজ পুত্ৰক দান দিয়াৰ দৰে, অসমী আয়ে তেখেতক শ্ৰেষ্ঠ দান স্বৰূপে আগ বঢ়াই দিলে তেওঁৰ সুযোগ্য পুত্ৰ কৰ্ম্মবীৰ নবীনক। শোকাতুৰা জননী আজি ম্ৰিয়মানা, কিন্তু দানৰ গৌৰবত ধন্যা। কৰ্ম্মনিষ্ঠ নৰদেহা ধৰিত্ৰীৰ কোলাত থৈ, অক্ষয় কীৰ্ত্তি "নবীনচন্দ্ৰই" মাতৃ কোলাত আশ্ৰয় ল'ল। তেখেতৰ পুণ্যাত্মাই অসমক ধন্য পৱিত্ৰ আৰু শ্ৰীসম্পন্ন কৰি ৰাখক এয়ে আমাৰ কামনা। তেখেতৰ পুণ্য স্মৃতি ৰক্ষাৰ কাৰণে সদৌ অসম-বাসীয়ে যত্ন কৰা উচিত।"

৺বৰদলৈদেৱৰ ব্যক্তিত্বই তেখেতৰ বিৰোধে আচৰণ কৰা জনৰো কি দৰে হৃদয় জয় কৰিছিল তাৰে তুফাকি ৺মাধব বেজবৰুৱাই শ্ৰদ্ধাঞ্জলিত লিখিছিল :—"মই তোমাৰ কৰ্ম্মৰ মহিমা বুজি নেপাইছিলোঁ। আৰু সদায় বিৰোধিতা কৰিছিলোঁ। যদিও মোৰ নীতি বিষয়ত প্ৰতিদন্দী আছিলা, তথাপি কৰ্ম্ম বিষয়ত তুমি মোৰ গুৰু, চিৰগুৰু! হে গুৰু, যেতিয়াই তোমাৰ লগত কাৰ্য্য পদ্ধতি আৰু নীতি নিয়মৰ বিষয়ে মাত মাতি প্ৰতিবাদ জনাওঁ, তেতিয়াই তুমি 'বিশ্বামিত্ৰৰ' দৰে খংকৰি উচাৎ মাৰি কৈ উঠা "তোমাৰ লগত মই তৰ্ক নকৰোঁ"। পিচ মুহূৰ্ত্ততে আকৌ 'বশিষ্ঠৰ' দৰে শান্ত হৈ ক্ষমা বুদ্ধি পৰামৰ্শ দিয়া। এয়েই

তোমাৰ কৰ্ম্মৰ মহিমা। এয়েই তোমাৰ কৰ্ম্ম জীৱনৰ আদৰ্শৰ সোণৰ কলচি। হে দেৱ! তৰ্ক যোদ্ধা হিচাবে ঢাল তৰোৱাল লৈ আগৰে পৰা সুসজ্জিত হৈ নাথাকিও, উপস্থিত ক্ষেত্ৰত তোমাৰ মুখ অস্ত্ৰেৰে বিপক্ষক স্তম্ভিত কৰি শত্ৰুপক্ষক পেপুৱা লগাই বিজয়ী হৈছিলা। তেনে বুকু ফিন্দোৱা বীৰ মূৰ্ত্তি আজি প্ৰত্যেক অসমীয়াৰ আদৰ্শৰ প্ৰতিক স্বৰূপ!”

সোনাৰাম দত্ত ডাঙৰীয়াই বেদনা ভৰা কণ্ঠেৰে লিখিছিল—১৯৩১ চনত চিলেট জে'লত একে লগে বাস কৰা কথা সুঁৱৰি কৈছিল—“যি জন মহাপুৰুষ প্ৰকৃততে মহান সি জনৰ মহত্ব সৰু সৰু কথা বিলাকৰ দৈনন্দিন ঘটনা বিলাকৰ মাজে দিয়ে ফুটি উঠে। চিলেট জে'লত ভালেমান কম বয়সীয়া চিলটীয়া ৰাজবন্দীক প্ৰখৰ ৰদত ঘাঁহ উঘলা কামত লগোৱা দেখি, ৺বৰদলৈ ডাঙৰীয়াই সহিব নোৱাৰিলে জে'লৰ অধ্যক্ষৰ লগত যুক্তি তৰ্কেৰে যুজি, সেই কামৰ পৰা বন্দী বিলাকক অব্যাহতি দিয়ালে। আৰু তাৰ উপৰিও লৰা বিলাকক নিজৰ তত্বাবধানত লৈ ৰামায়ণ, মহাভাৰত, ৰাজস্থান, আদিৰ পৰা নানা শিক্ষা দিবলৈ ধৰিলে। তেখেতে জে'লৰ পৰা মুক্তি লাভ কৰাৰ আগতে এনে দিহা লগাই থৈ আহিল যে কোমল বয়সীয়া লৰা বিলাকৰ নিমিত্তে জে'লৰ ভিতৰতে ৰীতিমতে এখন স্কুল স্থাপিত হল। ৺বৰদলৈ ডাঙৰীয়া যিমান দিন জেলত আছিল সকলো ৰাজ বন্দীৰ বুকু ডাঠ হৈ আছিল ”

শ্ৰীযুত কুলধৰ চলিহাই লিখিছিল

"কলিকাতাত থাকোতে অসমীয়া লৰাৰ মেছত কলেৰা হোৱাত, লৰা বিলাকে বৰ ভয় খাইছিল, সেই সময়ত বৰদলৈদেৱে পিতাই পুত্ৰক অভয় দিয়াৰ দৰে অভয় দি নিজে গৈ লৰা বোৰৰ লগত মেছত আছিল গৈ। লৰাবোৰে তেখেতৰ উপস্থিতিত বৰে সাহেৰে থাকিব পাৰিছিল। সেই বাবেই তেখেতে গোটেই অসম জুৰি পিতৃৰ দৰে সন্মান লাভ কৰিব পাৰিছিল"

ভুলাভাই দেশায়ে লেখিছিল—"বৰদলৈ ডাঙৰীয়াৰ দুটা মহৎ গুণ আছিল এই যে তেখেত বৰ স্পষ্টবাদী আৰু অতি উচ্চ শ্ৰেণীৰ দেশ সেৱাত তৎপৰ আছিল।

বৰদলৈ ডাঙৰীয়া মৃত্যুৰ সময়লৈকে অসমৰ "মুকুট বিহীন ৰজা আছিল।"

৺শৰদিন্দু নাথে লিখিছিল—

"বৰদলৈ ডাঙৰীয়াৰ এটি ডাঙৰ গুণ আছিল, যে তেখেতে যিহকে কৰিবলৈ সঙ্কল্প কৰিছিল, তাকেই ততালিকে কৰিছিল। কোনো এটা বিষয় লৈ বেচি গবেষণা কৰা তেখেতৰ স্বভাৱ বিৰুদ্ধ আছিল। প্ৰকৃত যুজাৰুৰ দৰে কৰ্ম্মক্ষেত্ৰত জপিয়াই পৰিছিল। পিচলৈ যিয়েই নহওক শত সহস্ৰ বাধা বিঘিনি চকুৰ আগত দেখিও, পাচ নুহুহকি, অৰ্জ্জুনে পাৰ্থ সাৰথি শ্ৰীকৃষ্ণক আগত লৈ কোনো বাধা বিঘিনিকে গণ্য

---

১। শ্ৰীযুত সোনাৰাম দত্ত—অসমীয়া—১৯৩৬চন

১। শ্ৰীযুত কুলবীৰ চলিহা—অসমীয়া—১৯৩৭ চন

নকৰিছিল, আৰু হেলা ৰঙে সকলো বিপদ অতিক্ৰম কৰিছিল। পৰম কৃষ্ণ-ভক্ত বৰদলৈদেৱেও হৃদয়ত পাৰ্থ সাৰথি "গোপালক" লৈ সকলো কামতে বিনা দ্বিধাৰে জপিয়াই পৰিব পাৰিছিল। আৰু সদায় তেখেতৰ ভগৱানৰ ওপৰত দৃঢ় বিশ্বাসৰ ফলত সকলো কাৰ্য্যতে জয়ী হ'ব পাৰিছিল। ভয় নোৱাৰিম বা নহৱ এই কথা তেখেতে বিশ্বাস নকৰিছিল। আনৰ কামতো এনে ভাব আশা কৰিছিল। উদাৰতা আৰু শিশুৰ দৰে সৰলতা আছিল তেখেতৰ অঙ্গৰ ভূষণ। এদিনৰ এটা কথা মনত পৰিছে; এদিন কোনো কাৰণত অসমৰ কোনো এজন বিশিষ্ট ডেকাই তেখেতক ( Uncultured ) বুলিছিল। কিন্তু তেখেতে তাৰ পিচ মুহূৰ্ত্ততে সেই ডেকা জনৰ উপকাৰ কৰিবলৈ আনক কৈছিল। এনেকুৱা সক সুৰা ঘটনা তেখেতৰ জীৱনত বহুত পোৱা যায়। ইপিনে নিজে নেখাই আনক খুওৱা বা আনৰ কষ্ট দেখিলে, তেখেতৰ প্ৰধান নিন্দুক হলেও তেওঁ থিৰে থাকিব নোৱাৰি সেই জনক সকলো প্ৰকাৰে সহায় কৰি বিপদৰ পৰা উদ্ধাৰ কৰা সকলোৰেই জানে।"

আৰু এটি ঘটনাৰ কথা তেখেতৰ মুখেই শুনা—

এচেম্বলিৰ ইলেক্‌সনৰ সময়ত দেশত দুটা দল হোৱাৰ গতিকে তেখেতৰ বিপক্ষে বহুতে নানা নিন্দাবাদ কৰি তেখেতক দেশৰ আগত হেয় কৰিবলৈ চেষ্টা কৰিছিল। এজন বিশিষ্ট

---

১। ৺শৰদিন্দুনাথ, মিলন—১৯৩৬ চনত

নাম জলা গোঁসাইএ বৰদলৈৰ যিমান পাৰে শত্ৰুতা কৰিছে। গোঁসাই জন মৌজাদাৰ আছিল। এবছৰৰ পিচত চৰকাৰী কিস্তি শোধাব নোৱাৰি মৌজা যাওঁ যাওঁ হ'ল। গোঁসায়ে টকা বিচাৰি তেখেতৰ সকলো বন্ধুৰ ওচৰতে হাত পাতি বিফল হৈ, বাৰ লাইব্ৰেৰীত মূৰে কপালে হাত দি বহি আছে, বৰদলৈয়ে দেখি ওচৰ চাপি শুধিলে; কি গোঁসাই; কি হ'ল? গোঁসায়ে নিজৰ অথন্তৰৰ কথা কলে, তেতিয়া সৰল মতি বৰদলৈয়ে কলে "কতা? মোক তো আপুনি এই বিষয়ে একো কোৱা নাই?" তেতিয়া গোঁসায়ে সেমেনা সেমেনি কৈ কলে! বৰদলৈ! মই আপোনাৰ ওচৰ চাপিবৰ বাট থোৱা নাই নহয়। "সেইটো কি কথা? মোক কেতিয়াবা শত্ৰুতা কৰিছিল বুলি মই আপোনাক সহাই নকৰিম নে?" এই বুলি বৰদলৈয়ে ততালিকে এজন মাৰোৱাৰীলৈ নিৰ্দ্দিষ্ট টকা গোঁসাইক ধাৰে দিবলৈ, নিজে জামিন হৈ চিঠি দিলে। কাৰণ বৰদলৈৰ নিজৰ হাত উদং। গোঁসায়ে এই কাণ্ড দেখি কিছু পৰ স্বৰগ পৰা মানুহৰ দৰে থৰ হৈ থাকিল, পিচত হঠাৎ বৰদলৈৰ ভৰিত পৰি হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। আৰু কবলৈ ধৰিলে, বৰদলৈ! আপুনি মানুহ নহয়; আপুনি দেৱতা! মই আপোনাক চিনি পোৱা নাছিলো; উঃ মই আপোনাৰ কত শত্ৰুতা কৰিছো, তাৰ প্ৰতিশোধ আপুনি এই দৰে দিলে; আজি এই বিপদৰ পৰা মোক আপুনি নিজে ধাৰৰ বোজা লৈ ৰক্ষা কৰিবলৈ আগ বাঢ়ি আহিল। মই এই পাপৰ পৰাচিত

কেনেকৈ কৰিম? বৰদলৈয়ে গোঁসাইক সাৱটি ধৰি মৰমেৰে কলে? "গোঁসাই বেজাৰ নকৰিব। আপোনাৰ লৰা তিৰোতা বিপদৰ পৰা উদ্ধাৰ হৈ থাই বাচিব, এয়ে মোৰ ঋণ পৰিশোধ।" সেই গোঁসাই জনে পিচত বৰদলৈ দেৱক দেৱতাৰ দৰে ভক্তি কৰিছিল।"

অসমৰ নিঃস্বাৰ্থ দেশ সেৱক, আদিৰে পৰা জীৱনৰ শেষলৈকে একেৰাহে দেহে কেহে দেশ সেৱা কৰি যোৱা ৺কৃষ্ণনাথ শৰ্ম্মা ৺বৰদলৈ দেৱৰ সোঁ হাতৰ দৰে আছিল। তেখেতে লিখিছিল "অসম দেশৰ পুৰুষ সিংহ এই জন দেশনেতাৰ আহ্বানত অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে, অসংখ্য দেশ সেৱক আৰু দেশ সেৱিকা সকলে কঠোৰ নিৰ্য্যাতনৰ ধুমুহা অকাতৰে মূৰ পাতি লৈছিল। কানি বৰবিহৰ বিৰুদ্ধে, অসমীয়া জাতিৰ স্বাৰ্থ ৰক্ষাৰ অৰ্থে, ৺বৰদলৈদেৱে সকলোতে সিংহৰ দৰে যুজ দিছিল। স্বৰ্গীয় লালা লাজপৎ ৰায়, মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন, ৰাজেন্দ্ৰপ্ৰসাদ প্ৰভৃতি ভাৰতীয় ধ্ৰুবতৰা ৰূপি নেতা সকলে জাতীয় আন্দোলনৰ নিজ নিজ দেশৰ শিতানত ঠিয় হৈ যি দৰে জাতীৰ দায়ীত্ব গ্ৰহণ কৰিছিল, অসমৰ অসম কেশৰী "বৰদলৈয়েও সেই দৰে জাতিৰ মুক্তি সংগ্ৰাম পৰিচালনা কৰিছিল জাতিৰ শিতানত ঠিয় হৈ।

দেশ মাতৃকাৰ নিঃস্বাৰ্থ ভাবে সেৱা এইয়ে তেখেতৰ জীৱনৰ আদিৰ পৰা অন্তলৈকে আছিল একেটা ধ্যান। ডেকা দলৰ ভিতৰত তেখেতৰ প্ৰতি থকা অগাধ ভক্তি আৰু স্নেহ ভাষাৰে

প্ৰকাশ কৰিব নোৱাৰি। ৺বৰদলৈদেৱৰ আগত কংগ্ৰেছৰ বিৰুদ্ধে কবলৈ কাৰ সাহ আছিল ? কংগ্ৰেছ ভলন্টিয়াৰ বোৰক ইমান ভাল কোনে পাইছিল ? তেওঁলোকৰ বিৰুদ্ধে কৈ তেওঁৰ আগত কোনেও সাৰিব নোৱাৰিছিল। জাতিৰ পিতৃ স্বৰূপ বৰদলৈয়ে কংগ্ৰেছ কৰ্ম্মী বোৰক পুত্ৰ তুল্য স্নেহ কৰিছিল।

চৰকাৰৰ ঘৰৰ উচ্চ বেতন পোৱা ইংৰাজ কৰ্ম্মচাৰীৰ ওচৰত বৰদলৈদেৱে নিৰ্ভিক ভাৱে কংগ্ৰেছৰ হৈ সিংহ গৰ্জ্জনেৰে প্ৰতিবাদ কৰিবলৈ আছিল আগৰণুৱা। এনে এজন মানুহ নোলাব যি বৰদলৈৰ পৰা স্নেহ পোৱা নাই। এনে এজন কংগ্ৰেছ কৰ্ম্মী নোলাব যি তেওঁৰ পৰা দাবি খোৱা নাই, আৰু পাচত বৰদলৈদেৱৰ স্নেহ ভৰা কথাৰে আপোন পাহৰা হৈ বৰদলৈদেৱৰ আগত ক্ষমা ভিক্ষা কৰিব লগা হোৱানাই।

এই অভাজনৰ ১৯২১ চনৰ পৰাই, ৺বৰদলৈৰ সহকৰ্ম্মী হিচাবে কংগ্ৰেছৰ কামত ফুৰিবলগা হৈছিল। গুৱাহাটী কংগ্ৰেছৰ সময়ত খাদী তৈয়াৰ কৰাত আগৰণুৱা আছিল ৺বৰদলৈ। কানপুৰ কংগ্ৰেছত মহাত্মাৰ আগত কৈছিল যে অসমৰ খদ্দৰেৰেই অসমৰ কংগ্ৰেছ মহাসভা পতা হব, প্ৰকৃততে ৺বৰদলৈদেৱৰ মহান প্ৰেৰণা আৰু যত্নতেই গুৱাহাটী কংগ্ৰেছৰ মণ্ডপৰ পৰা বহা আসনলৈকে অসমীয়া খদ্দৰেৰে ভৰিগৈছিল, ৺বৰদলৈ আছিল অসম কংগ্ৰেছৰ প্ৰাণ স্বৰূপ ! অসম ৰায়ত সভাৰ প্ৰাণ স্বৰূপ বিৰোধী গৱৰ্ণমেণ্টৰ প্ৰবল প্ৰতিদ্বন্দী ৺বৰদলৈক ভাৰতীয় নেতা সকলে চিনিছিল—অসমৰ মুকুট বিহীন সম্ৰাট স্বৰূপে।”

"মুক্তি কামী সৈনিক দল, লক্ষ্য স্বাধীনতা, স্বাধীনতাৰ বাটত আগ বাঢ়োতে যেতিয়া অৱসাদে সৈনিক দলক অধিকাৰ কৰিবহি—তেতিয়া "নবীনৰ" নবীন ভাব ভাষাই সোঁৱৰাই দিব আগবাঢ়া! আগবাঢ়া! চিৰ শক্তিৰ স্থল স্বাধীনতা—আগবাঢ়ি চাবা নবীনৰ নবীনত্বৰ উজ্জ্বল চানেকী অসমী আইৰ ইতিহাসৰ উজ্জ্বল চানেকী অসমী আইৰ ইতিহাসত উজ্জ্বল হৈ থকা দেখিবলৈ পাবা। নবীনৰ নবীনত্বই দিব অসমক নবীন বেশ—"

শ্ৰীযুক্ত হৰিনাৰায়ণ বৰুৱা—অসমবাইজ

# পঞ্চম অধ্যায়

"জয় ভেৰী বাজি দেখোঁ হ'ল আজি হঠাতে নীৰৱ
অমানিশা অন্ধকাৰে ঢাকি দিলে উষাৰ গৌৰৱ"

"মুক্তিনাথ''

## বিবিধ জনহিতকৰ কামত কৰ্ম্মবীৰ বৰদলৈ

স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈদেৱৰ জীৱন চিৰকাল। জন হিতকৰ কামত নিয়োজিত আছিল। স্কুলীয়া ছাত্ৰ জীৱনৰ পৰাই তেখেতে স্বদেশৰ কল্যাণ চিন্তাত নিৰত হৈ দেশৰ প্ৰত্যেকটি আলৈ আহুকাললৈ মন দি দেশ জননীৰ সেৱা ব্ৰত সাধনত তৎপৰ হৈ আছিল। বিশেষ কৈ অসম জননীৰ পিচ পৰা অৱহেলিত অৱস্থাই তেখেতক সদায় মনত পীড়া দিছিল, সেই হে আমি দেখিবলৈ পাওঁ, বৰদলৈৰ ছাত্ৰ অৱস্থাৰ পৰাই দেশৰ ওপৰত চোকা চকু, স্কুলীয়া জীৱনতে ভাষা জননীৰ সেৱাৰ কাৰণে যত্ন লৈ সাহিত্যৰ যোগে অসমীয়া ভাষাৰ উন্নতিত আত্ম নিয়োগ কৰা। বৰদলৈ দেৱে কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত পঢ়ি থাকোতেই অসমত এটা কলেজৰ অভাৱ মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰে, আৰু এই বিষয়ে যত্ন কৰিবলৈ ধৰে।

## কটন কলেজ স্থাপনত

সহপাঠি ছাত্ৰ ৺লক্ষেশ্বৰ শৰ্ম্মা আৰু ৺ভূধৰ চৌধুৰীৰে সৈতে লগ হৈ গুৱাহাটীত এটি কলেজ স্থাপনৰ চেষ্টা কৰে, আৰু তাৰ বাবে আন্দোলন চলায়। অসমৰ দুই এজনে কলেজ স্থাপনৰ বিৰুদ্ধে আছিল, কিন্তু বৰদলৈদেৱে তেওঁ লোকৰ কথা নুশুনিলে। গুৱাহাটীলৈ গৈ ৺কনকলাল বৰুৱাৰে সৈতে ৺দেশহিতৈষী ৺মানিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ লগত পৰামৰ্শ কৰি গৱৰ্ণমেণ্টলৈ টানি লিখালিখি কৰিবলৈ ধৰে, আৰু গোটেই অসমৰ জনমত সংগ্ৰহ কৰি আবেদন টনকিয়াল কৰি পেলালে। সমূহীয়া মত লৈ "চাৰ হেনৰী কটনক" দেখা কৰি কলেজ স্থাপনত বিশেষ জোৰ দিবলৈ ধৰে। ফলত তেখেত সকলৰ সনিৰ্ব্বন্ধ অনুৰোধ আৰু চেষ্টাতেই "চাৰ হেনৰী কটনে গুৱাহাটীত কলেজ এটি স্থাপন কৰে আৰু "কটনৰ" নামতেই "কটন কলেজ" স্থাপন কৰা হয়। তেতিয়াৰে পৰা ১৯২১ চনৰ অসহযোগ আন্দোলনৰ আগলৈকে নবীনচন্দ্ৰ বৰদলৈদেৱ কটন কলেজৰ কাৰ্য্যকৰী কমিটীৰ মেম্বাৰ আছিল।

## অসম বিশ্ববিদ্যালয়ৰ দাবী

১৯১৭—১৯১৯ চনৰ নবীনচন্দ্ৰ বৰদলৈদেৱে কলিকতা ইউনিভাৰ্সিটী কমিটীৰ আগত সাক্ষ্য দিয়ে। ১৯১৮ চনত

১। বৰদলৈদেৱৰ নিজা ডায়েৰীৰ পৰা—উদ্ধৃত।

যেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ "চেডলাৰ" কমিশন গুৱাহাটীলৈ আহে, তেতিয়া নবীনচন্দ্ৰ বৰদলৈ দেৱে বুজাই বঢ়াই অসমৰ গুৱাহাটীত এটা স্বকীয়া বিশ্ববিদ্যালয় দাবী কৰে। অসম প্ৰদেশ শিক্ষা বিষয়ত কলিকতা বিশ্ববিদ্যালয়ৰ মুখাপেক্ষী হৈ নাথাকি নিজস্ব ভাবে গুৱাহাটীতে বিশ্ববিদ্যালয় পতা উচিত হব, উক্ত কমিশ্যনৰ আগত সাক্ষী স্বৰূপে বৰদলৈদেৱে বুজাই কৈছিল।

"As I belong to Assam, and as the Schools there are under the Calcutta University, I would suggest that a small University be established at Gauhati, to make the province autonomous,"

( Vide Calcutta University Commission's Report Vol IX. )

ভবিষ্যতত অসমত বিশ্ববিদ্যালয় স্থাপিত হলে আমৰণ দেশজননীৰ একনিষ্ঠ সেৱক নবীনচন্দ্ৰ বৰদলৈদেৱৰ অপূৰ্ণ সপোন ফলিযাব। অসমত বিশ্ববিদ্যালয়ৰ অভাৱ নবীনচন্দ্ৰ বৰদলৈদেৱেই প্ৰথম অনুভৱ কৰে, আৰু প্ৰথম চেষ্টা কৰে॥

## গুৱাহাটী আৰ্ল ল কলেজ স্থাপনত

১৯১৩ চনত নবীনচন্দ্ৰ বৰদলৈদেৱ আৰু তৰুণ ৰাম ফুকন দেৱে দুয়ো যুক্তি কৰি গুৱাহাটিত ল কলেজ এটা স্থাপন কৰিবলৈ যত্ন কৰে। দুয়োজনেই শিলঙ লৈ গৈ "আৰ্ল চাহাবক" দেখা কৰি, গুৱাহাটীত ল কলেজ এটা লাগে বুলি টানি ধৰে আৰু লেখালেখি কৰে, আৰু তেওঁলোকৰ যত্ন সফল হয়।

আচলতে দোধোৰ মোধোৰত পৰি "আৰ্ল চাহাবে" বৰদলৈক এটা নোট খুজিলে, আৰু বৰদলৈদেৱে এটা নোট তৈয়াৰ কৰি দিলে, আৰু সম্ভৱতঃ বৰদলৈৰ সেই নোটডোৰ কাৰণেই আৰ্ল চাহাবে বাধ্য হৈ গুৱাহাটীত এটা ল কলেজ স্থাপন কৰিলে। ল কলেজৰ স্কীম খন বৰদলৈদেৱে নিজেই তৈয়াৰ কৰি দিয়ে তেখেত কিছুদিন ল কলেজৰ লেক্ চাৰাৰ হৈও আছিল।

## উত্তৰ গুৱাহাটী ৺কমলদেৱ ইনষ্টিটিউচন্

উত্তৰ গুৱাহাটীত উচ্চ ইংৰাজী স্কুল এখন নথকাত উত্তৰ গুৱাহাটীৰ ছাত্ৰ সকলে বৰ অসুবিধাৰে নৈ পাৰ হৈ গুৱাহাটীৰ হাই স্কুলত পঢ়িব লগাত পৰিছিল। ৰব পুৱাতে আধাপেটি ভাত খাই ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ আহি ছাত্ৰ সকলে গুৱাহাটীৰ স্কুলত পঢ়েহি। বাৰিষা ভৰা ব্ৰহ্মপুত্ৰৰ ডকা চাকনৈয়াত জাপ দি মাক বাপেকৰ বুকুৰ ধন কুমলীয়া ছাত্ৰ সকলে বিদ্যা শিক্ষাৰ কাৰণে জীৱন বিপন্ন কৰি পঢ়িবলৈ অহা দৃশ্য অতি অসহনীয় আছিল। কত জন ছাত্ৰই অকালতে ব্ৰহ্মপুত্ৰৰ বুকত জীবন হেৰুৱাইছে। বাৰিষা ছাত্ৰ সকল অহা যোৱাৰ সময়ত মাক বাপেক ঘৰৰ পৰিয়ালে চুলিৰ আগত জীৱ বান্ধি কাতৰ চকুৰে ব্ৰহ্মপুত্ৰৰ পাৰত শাৰি শাৰি ঠিয় হৈ চাই থকা দৃশ্য দেখি, বৰদলৈদেৱৰ কোমল হিয়া সদায়

---

২। বৰদলৈদেৱৰ নিজা ডায়েৰীৰ পৰা

কান্দিছিল। আৰু উত্তৰ গুৱাহাটীত এটা স্কুল স্থাপনৰ সদায় সুযোগ বিচাৰিছিল। এনে সময়তে এটি সুযোগ আহিল। তেখেতে নিজে কোৱা শুনিছিলো।

আঁউনী আটি সত্ৰাধিকাৰ প্ৰভু কমলাদেৱে গোস্বামীদেৱে উত্তৰ গুৱাহাটীত সত্ৰ পাতি কিছুদিন আছিল। কিবা এটি ডাঙৰ স্নান যোগত প্ৰভু ঈশ্বৰে তীৰ্থ লৈ যাবলৈ মন মেলিলে। সত্ৰাধিকাৰ সকল ৰেল জাহাজত যোৱাৰ নিয়ম নাই, সেই বাবে তেখেতে জাহাজ ভাৰা কৰি যাবলৈ মন কৰিলে। এই বিষয়ে জিলাৰ হাকিমক মাতি নি উত্তৰ গুৱাহাটীৰ "ফেৰি জাহাজ" খন কোম্পানীৰ এজেণ্টৰ লগত বন্দবস্ত কৰি দিবলৈ খাটিলে। জিলা হাকিম আৰু কেবা গৰাকীও গন্য মান্য লোকে এই বিষয়ে বহুত যত্ন কৰিও জাহাজ নাপালে। কাৰণ এজেণ্টে সকল ভাৰাতেই সন্তুষ্ট নহয়, ফেৰিৰ দৈনিক ভাৰাৰ লোকচান কৰিবলৈ ইচ্ছা নকৰে। প্ৰভু ঈশ্বৰে নিৰাশ হৈ বৰ বেজাৰ পালে। এনেতে উত্তৰ গুৱাহাটীৰ কোনোৱা এগৰাকী ভদ্ৰলোকে কলে! এই কাম যদি কৰিব পাৰে ৺নবীন বৰদলৈয়েহে কৰিব পাৰিব। গোঁসাই ঈশ্বৰে বৰদলৈক মতাই নি এই বিষয়ে কলে, বৰদলৈদেৱে তৎক্ষণাত পাৰিম বুলি গাত ললে। গোঁসাই ঈশ্বৰে হাঁহি মাৰি কলে, "ইমান সহজ নহয় বৰদলৈ, মই জিলা হাকিম আৰু কেইবা গৰাকীও গন্যমান্য মানুহৰ হতুৱাই যত্ন কৰিও নেপালো" বৰদলৈয়ে কলে! "প্ৰভু ঈশ্বৰ, আপুনি মাথোন কওক আপোনাক জাহাজ কোন দিনা

লাগে, আপুনি চাব নিৰ্দ্দিষ্ট দিনত আপোনাৰ ঘাটত জাহাজ লাগিবহি।” ইপিনে বৰদলৈদেৱে এজেণ্টক লগ ধৰি জাহাজ ভাৰালৈ খুজিলে, এজেণ্টে আগৰ দৰেই অসম্মত হল। তেতিয়া বৰদলৈদেৱে নাৱেৰে ফেৰিৰ বন্দবস্ত কৰিবলৈ গাত লোৱাত, এজেণ্টে জাহাজ ভাৰালৈ দিয়াত সন্মত হল।

বৰদলৈদেৱে ততালিকে নাৱৰ প্ৰধান বিষয়া সকলক মাতি আনি পঞ্চাচ খন নাৱেৰে ফেৰি পাৰ কৰাৰ বন্দবস্ত কৰি পেলালে। কাৰণ নাৱৰ গৰাকী বিষয়া সাতোলা সকল বৰদলৈ দেৱৰ বৰ অনুগত আছিল। গৱৰ্ণমেণ্টৰ লগত যুজি তেওঁ বিলাকক নৈ বিল ডাকি দিয়াত বৰদলৈদেৱে সদায় সহায় কৰিছিল। নানা মেল মোকৰ্দ্দমা কাজিয়া পেচাল ভাঙি বুদ্ধি পৰামৰ্শ দি নিজৰ পৰা আৰ্থিক সহায় দি কৈৱৰ্ত্ত সন্মিলন পাতি দিছিল। তেখেত সকলৰ নাম ঘৰত প্ৰায়েই ৰাইজ গোটাই তেখেতে সমাজৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে উপদেশ দি দেহে কেহে যত্ন কৰিছিল। ৺বৰদলৈদেৱৰ আদেশ তেওঁলোকে বেদবাক্যৰ দৰে মানিছিল। এই সকলৰ প্ৰধান নাৱৰ বিষয়া সকলে জাহাজ ঘূৰি নহালৈকে নিয়মতে মাৰ নাওঁ বান্ধি ফেৰি দিবলৈ প্ৰস্তুত হল। এজেণ্টক মাৰ নাওঁ গতাই দি ৰবদলৈদেৱে নিৰ্দ্দিষ্ট দিনত ফেৰি জাহাজ গোঁসাই ঘাটত বন্ধাই দিলে। গোঁসাই ঈশ্বৰে সেই জাহাজ লৈ তীৰ্থ যাত্ৰা কৰিলে।

এই বিষয়ত গোঁসাই ঈশ্বৰ ইমান সন্তুষ্ট হৈছিল যে বৰদলৈক সাৱতি ধৰি কবলৈ ধৰিলে, “বৰদলৈ! আপুনি মোৰ

পৰম বন্ধু ! আজিৰ পৰা আপুনি মোক বন্ধু বুলি ভাবিব। আপোনাৰ সন্তোষৰ কাৰণে মই কি কৰিব পাৰোঁ কওক।” বৰদলৈদেৱে কলে প্ৰভু ঈশ্বৰ ! মোক একো নেলাগে, তথাপি আপোনাৰ নাম যদি যাউতী যুগীয়া কৰি ৰাখিব খোজে, উত্তৰ গুৱাহাটীত এটি হাই স্কুল স্থাপনত সহায় কৰক। গোঁসাই ঈশ্বৰে দহ হাজাৰ টকা স্কুলৰ কাৰণে দান কৰিলে। সেই দহ হাজাৰ টকা মূল কৰি আৰু ৰাইজৰ কিছু ধন তুলি গোঁসাই ঈশ্বৰৰ নামে “কমলদেৱ ইনষ্টিটিউচন’ হাই স্কুল উত্তৰ গুৱাহাটীত বৰদলৈদেৱে স্থাপন কৰে। সেই স্কুলৰ আৰম্ভৰে পৰা ৺বৰদলৈ দেৱ জীৱনৰ সামৰণী পৰালৈকে সভাপতি হৈ আছিল। শ্ৰীযুত বৰুীন্দ্ৰ কুমাৰ বৰুৱাক চেক্ৰেটৰী পাতি, ভায়েক শ্ৰীযুত গিৰীশ চন্দ্ৰ বৰদলৈ বি, এচ চিক পোনতে হেড মাষ্টৰ পাতি স্কুল আৰম্ভ কৰে। শ্ৰীযুত তপেশ্বৰ শৰ্মা, শ্ৰীযুত লক্ষেশ্বৰ বৰুৱা, বি, এল শ্ৰীযুত ধনীৰাম তালুকদাৰ, বি, এচ ছি এ প্ৰথমে শিক্ষকতা কৰি স্কুলৰ আৰম্ভনী কৰে। সকলো ৰাইজৰ সমবেত যত্নত বৰদলৈদেৱৰ উৎসাহত “কমলদেৱ ইনষ্টিটিউচন সোন কালেই এখন সুন্দৰ হাই স্কুলত পৰিণত হ’ল। বৰদলৈদেৱে এই স্কুল লাইব্ৰেৰীত নিজৰ বহুত বহুমূলীয়া কিতাপ আৰু চকি বেঞ্চি মেজ দান কৰে। তেখতে এই স্কুল খনিক বৰ মৰমেৰে সদায় উন্নতিৰ কাৰণে চকু দিছিল।

## কামৰূপ একাডেমী স্কুল

১৯৩১ চনৰ কানিংহাম চাৰকুলাৰ জাৰি হয়। বহুত আত্মাভিমানী ছাত্ৰই চৰকাৰী স্কুল বয়কট কৰে। যি সকল ছাত্ৰই স্কুল বৰ্জ্জন কৰিছিল সেই সকলে দেশৰ কাম নকৰো বুলি লিখিত প্ৰতিশ্ৰুতি (undertaking) নিদিয়া লৈকে স্কুলত সোমাবলৈ নিদিয়াৰ বাবে বহুত আত্মাভিমানী ছাত্ৰ অন্তৰত আঘাত পাই পঢ়াশুনাৰ সামৰনী পেলাব লগা হয়। বৰদলৈদেৱে বাবু কালিচৰণ সেন ডাঙৰীয়াৰ লৈতে আপ্ৰাণ চেষ্টা কৰি এখন জাতীয় স্কুল কামৰূপ একাডেকী নাম দি লৰালৰিকৈ স্থাপন কৰে। এই স্কুল প্ৰথমে ৰিহাবাৰীৰ ওছৰত পতা হয়। পিচত এই স্কুল শ্ৰীযুত কেশব কান্ত ডাঙৰীয়াই দিয়া ভেটিত স্থাপন হয়। বৰুৱা দেৱে আন বিষয়তো যথেষ্ট সহায় কৰে। এই স্কুল খন স্থাপন হোৱাত কানিংহাম চাৰ্কুলাৰৰ স্কুল বৰ্জ্জন কাৰী ছাত্ৰ সকলৰ শিক্ষাৰ কাৰণে সুযোগ হয়। নিজৰ জাতীয় স্কুল পাই ছাত্ৰ সকলৰ শিক্ষা আকৌ আগ বাঢ়ে। গৱৰ্ণমেণ্টৰ স্কুল বৰ্জ্জনকাৰী ছাত্ৰ সকলৰ ভিতৰত মোৰ মাজু লৰা ৺পবিত্ৰপ্ৰাণ চাংকাকতি ও আছিল। কামৰূপ একাডেমী স্কুলৰ মেনেজিং কমিটিৰ সভ্যৰ বাব বৰদলৈদেৱৰ গাত মৃত্যু দিনলৈকে আছিল। বাবু কালীচৰণ সেন ডাঙৰীয়াই পিছত কামৰূপ একাডেমীৰ পৰা আঁতৰি স্বকীয়া বঙালী স্কুল পাতে, আৰু তেখেতৰ যত্ন আৰু প্ৰচাৰৰ ফলতে জিলাই জিলাই স্বকীয়া বঙালী স্কুল স্থাপন হয়।

## উত্তৰ গুৱাহাটি আনন্দ লাইব্ৰেৰী

উত্তৰ গুৱাহাটীত এটি লাইব্ৰেৰী স্থাপনৰ বাবে ৺নবীনচন্দ্ৰ বৰদলৈদেৱে নিজা মাটিৰ এক অংশ দান কৰে। লাইব্ৰেৰীলৈ নিজৰ বহুতো মূল্যবান কিতাপ দান কৰে। তাত 'বুক অব নলেজ' 'এনচাইক্লোপেডিয়া' দুটা ভলিউম আৰু আন আন ভালেখিনি মূল্যবান কিতাপ দান কৰে।

## কুমাৰ ভাস্কৰ নাট্য মন্দিৰ

বৰদলৈদেৱে ১৯০৭ চনত গুৱাহাটিত আইন ব্যবসায় কৰিবলৈ নিগাজী কৈ বহি প্ৰথমেই গুৱাহাটীৰ অসমীয়া সমাজত সজ অনুষ্ঠান পাতিবলৈ মন কৰে প্ৰথমে নিজৰ মাটিতে ক্লাব পূজা ঘৰ থিয়েটাৰ সজাই প্ৰথম অসমীয়া বাৰোৱাৰী দুৰ্গা পূজা কাকুৱা আদি প্ৰচলন কৰে। লগতে থিয়েটৰ ঘৰ সজাই, অসমীয়া স্থানীয় ডেকা লৰা খিনিক উৎসাহিত কৰি থিয়েটৰ পাতে .তিয়াৰে পৰা উজান বজাৰত বাৰোৱাৰী পূজা আৰু থিয়েটাৰৰ প্ৰচলন হয়। কিছু দিন পিচত ৰাইজে ধন তুলি বৰ্ত্তমান কুমাৰ ভাস্কৰ নাট্য মন্দিৰ পূজাৰ ঘৰ সজায়। নাটমন্দিৰৰ মাটী খিনিৰ নিজা লিজ সত্ব এৰি দি ৺বৰদলৈদেৱে নাট মন্দিৰৰ ভেটী স্থাপনত সহায় কৰে।

## অসম খাদিপ্ৰতিষ্ঠান

বাণিজ্যত অসমক বাট দেখুৱাবলৈ বৰদলৈদেৱৰ যত্নৰ ফল অসম খাদি প্ৰতিষ্ঠান আৰু অসম সেৱাশ্ৰম স্থাপন হয়।

নগাঁৱৰ শিপিনী সকলৰ পৰা কপাহ দি খদ্দৰ বোৱাই আনি অসমীয়া খদ্দৰৰ খাদি প্ৰতিষ্ঠান স্থাপন কৰে। আৰু অসম সেৱক সঙ্ঘ গঠন কৰে।

## নগাঁৱৰ বান পানীত

১৯১৯ চনৰ আৰু ১৯৩৪ চনৰ নগাওঁ বান পানীত আৰু ১৯০০ চনৰ কামৰূপৰ বান পানীত প্ৰবীণ নবীনচন্দ্ৰ বৰদলৈয়ে নিজৰ জীৱন ৰিপন্ন কৰি বিপন্ন অঞ্চল বোৰত নাৱেৰে ঘুৰি ঘুৰি ডেকাৰ দৰে আতুৰ আৰু বিপদগ্ৰস্থ দেশবাসীক সহায় কৰি ফুৰিছিল। তেখেতৰ অনুপ্ৰেৰণা আৰু উৎসাহ দেখি দেশৰ বহু সেৱক বাধ্য হৈ তেখেতৰ সহকৰ্ম্মী হব লগা হৈছিল। কাৰণ পকা চুলি টকলা মুৰ লৈ শাওন ভাদ মহীয়া জুই যেন ৰদত চুচি নাওঁত উঠি উলুৱনী ইকৰানীৰ মাজে মাজে বুৰ যোৱা গাওঁ বোৰলৈ এই বুঢ়া জনে নিজে গৈ সাহায্য কৰি ফুৰা দৃশ্য দেখি ডেকা দলে যোগ নিদি পাৰে কেনেকৈ ?

## উত্তৰ গুৱাহাটিৰ কৈৱৰ্ত্ত সম্মিলন

বঙালী জালোৱাই বৰ জাল পেলাই "ব্ৰহ্মপুত্ৰত" মাছ ধৰা ব্যৱসায় অসমীয়া জালোৱাৰ হাতৰ পৰা একচেতিয়া কৈ লোৱাৰ সূচনা দেখি, অসমীয়া জালোৱাৰ সকলক গোট খুৱাই তেওঁ লোকক ব্যৱসায়ৰ উন্নতিৰ কাৰণে এটি কৈবৰ্ত্ত ব্যবসায়ী সম্মিলন পাতি দিয়ে। ডাঙৰ জাল কিনিবলৈ পুজি নোহোৱাত নিজৰ পৰা ৫০০৲ টকা দি প্ৰথম পুজি বান্ধি দি জালোৱা সকলক সঙ্ঘ

বন্ধ হৈ মাছৰ ব্যবসায় যাতে বিদেশী জালোৱাৰ হাতলৈ নেযায় তাৰ বাবে বুদ্ধি পৰামৰ্শ আৰু সম্মিলন টনকিয়াল কৰিবলৈ উৎসাহ দিয়ে।

## লোকেল বোৰ্ডৰ চেয়াৰমেন

১৯৩২ চনৰ পৰা কামৰূপৰ লোকেল বোৰ্ডৰ চেয়াৰমেন ৰূপে দুবাৰ নিৰ্ব্বাচিত হয়। ১৯৩৬ চনলৈকে জীবনৰ সামৰনীৰ সময়লৈকে নিজৰ ৰুগীয়া শৰীৰলৈ আওকান কৰি গাঁৱে গাঁৱে ঘূৰি ৰাইজৰ অভাৱ অভিযোগ বিচাৰ কৰি অভাৱ পুৰণৰ বাবে দেহে কেহে যত্ন কৰে। লোকল ৱোৰ্ডৰ নীচেই তাকৰীয়া পুজি লৈয়েই কামৰূপ চাৰ্কোলত, তেখেতৰ যত্ন আৰু উদ্দিপনাত বহুত নতুন ডিস্পেন্‌চাৰী, অসংখ্য প্ৰাইমেৰী স্কুল, নাদ, পুখুৰী দলং ইত্যাদি গঢ়ি উঠিল। আগৰ অনভিজ্ঞ স্কুল পণ্ডিত সকলৰ অক্ষমতা লক্ষ্য কৰি প্ৰাইমেৰী স্কুলত মাইনৰ পাছ কৰা শিক্ষক লোৱাৰ নিয়ম কৰে। 'হাজো' হয়গ্ৰীৱ মাধৱৰঠান, হিন্দুৰ এখন ডাঙৰ প্ৰখ্যাত তীৰ্থ স্থানৰ, বাহিৰেও মুছলমান ভাই সকলৰ পৱিত্ৰ তীৰ্থ "পোৱা মক্কা" আছে। হজৰ সময় অশেষ মুছলমান যাত্ৰীতাতও সমাগম হয়। বৌদ্ধধৰ্মী সকলে—হয়গ্ৰীৱ মাধৱক তীৰ্থ বুলি মানে। 'হাজো', অতীতত বৌদ্ধবিহাৰ আছিল বুলি প্ৰবাদ আছে। তীব্বতৰ লামা সকলে তেওঁলোকৰ পৰ্ব্ব বিলাকত মমবাতি জলাই, তীৰ্থ পৰ্য্যতন কৰে। এনে হেন 'হাজো' তীৰ্থৰ বাট অতি অগম্য আছিল। কাৰণ হাজোলৈ

যোৱা বামৰ বাটত প্ৰকাণ্ড 'আগীয়া ঠুটি' পৰ্ব্বতে বাধা দান কৰিছিল। ব্ৰহ্মপুত্ৰৰ বাটেৰে যোৱাও বাৰিষা নিৰাপদ নাছিল। সেই আহুকাললৈ লক্ষ কৰি ৱৰদলৈদেৱ লোকেল বোৰ্ডৰ চেয়াৰমেন থকাতেই ডিনামাইট দি সেই পাহাৰ টো ফালি হাজোলৈ মটৰ যাব পৰা আলিবাট উলিয়াই। তেতিয়াৰে পৰা যাত্ৰী সকলৰ হাজোলৈ যোৱা সুচল হৈ পৰিল। ৰোগ শয্যাত পৰি থাকোতেও তেখেতৰ চকুত টোপনি নাছিল। ভাইচ চেয়াৰমেন শ্ৰীযুত সিদ্ধিশৰ্ম্মা ডাঙৰীয়াক গৱৰ্ণমেণ্টৰ পৰা পোৱা টকা গাঁৱত কি উপায়েৰে খৰছ কৰিব তাৰ উপদেশ দিছিল। সপোনে সচিতে অসমীআইৰ মূৰ্ত্তি আছিল তেখেতৰ জীৱনৰ ধ্যান! অসমৰ সুখ সমৃদ্ধি আছিল জীৱনৰ সাধন।

---

# শেষ অধ্যায়

## ৺বৰদলৈদেৱৰ মটৰ দুৰ্ঘটনা

১৯৩৬ চনৰ জানুৱাৰী মাহ মাঘৰ বিহুলৈ আৰু তিন দিন আছে। সেই দিনা দেওবাৰ। পুৱাতে উঠি পিতৃ দেৱে শ্ৰীযুতা মাতৃক কোৱা শুনিলো, তেখেত শিলঙলৈ যাব। পুৰণি চাকৰ নেপালী গুৰুং তৈয়াৰ হৈ উঠিল। আঠ মান বজাত লৰা লৰিকৈ চাহ খাই পিতৃ বৰদলৈদেৱ শিলঙলৈ যাত্ৰা কৰিলে। ঘটনা চক্ৰত ড্ৰাইভাৰৰ কিবা আসোঁৱাহ হোৱাত তেখেতে নিজেই মটৰ চলাই যাব লগা হ'ল। ঘৰত কৈ গল সেই দিনাই গধূলি উলটি আহিব। সেই দিনা আছিল চন্দ্ৰগ্ৰহণ"। গধূলি আঠ মান বজাত শ্ৰীযুত অমিয়কুমাৰ দাস আৰু ৺হেমচন্দ্ৰ বৰুৱা দুয়ো আহি খবৰ দিলেহি বৰদলৈদেৱৰ বাটত মটৰ দুৰ্ঘটনা হৈছে। "কলে ভয় নকৰিব, তেখেতৰ গাত বিশেষ আঘাত লগা নাই আৰু তেখেতে আন মটৰত আহিব লাগিছে।" মূহুৰ্ত্ততে এই বাতৰি গুৱাহাটী বিয়পি গ'ল। দলে দলে মানুহ আহি ঘৰ ভৰি পৰিল। ঘৰৰ পৰিয়ালে ভয় আৰু উৎকণ্ঠাৰে বাটলৈ চাই আছে, কিছু সময়ৰ পিচত দূৰৈত ঘন ঘন মটৰৰ হৰ্ণ শুনি তেখেত নিৰাপদে আহি পালেহি ভাবি সকলো আশ্বস্ত হল। তেখেতে পোনে পোনে ঘৰলৈ

নাহিল। লগত যোৱা জখম হোৱা উকীল জনক ডাঃ দাসৰ হাস্পাতাললৈ নি ঘা বিলাকত বেণ্ডেজ কৰাই লৈ তেওঁক ঘৰত থৈ হে উভতিল। নিজৰ শৰীৰত কি হল খবৰেকে নকৰিলে। ডাঃ দাস ডাঙৰীয়াই বাৰে বাৰে শোধাতো একো নাই অলপ মূৰত আৰু আঠুত দুখ পাইছো বুলি ক'লে। কপালত অলপ উখহা দেখা গৈছিল। কিন্তু আঠুত পট্টিৰ তলত অলপ ছাল গৈছিল। সেই টো গমকে ধৰিব নোৱাৰিলে। গোটা খোৱা ৰাইজে তেখেতক উৎসুক ভাবেৰে কুশল প্ৰশ্ন কৰিলে, তেখেতে সকলোকে সুস্থ আৰু প্ৰফুল্ল মুখেৰে সকলো ঘটনা বিবৰি কলে। ৰাতি দহ বাজিল, সকলো ঘৰা ঘৰি গল। ডাঃ হৰেকৃষ্ণ দাস ডাঙৰীয়া আৰু ডাঃ ভুবনেশ্বৰ বৰুৱাই ভালেখিনি সময়লৈকে তেখেতৰ লগত কথা পাতি আছিল। ভাবিব নোৱাৰিলে কুটিল নিয়তিৰ গতি!

পিতৃদেৱ ভিতৰ সোমাই কানি কাপোৰ সোলোকাই হাত মুখ ধুলে, পট্টি আৰু মোজা সোলোকোৱাত দেখিলে আঠুতোত অলপ ছাল গৈছে। উমেশে চাই দৰব জাতি লগাই দিলে, পিতৃদেৱে সেই দিনা একোকে নেখালে অলপ "ওভালটিন" খাই ভাগৰুৱা ভাবে শুই পৰিল। পিচ দিনা পুৱা সুস্থ ভাবেই আন দিনৰ দৰে উঠি দৈনন্দিন কাম কাজ কৰা দেখা পাই, সকলোৰে মন সুস্থ হল। সেই দিনা উমেশ মফঃচললৈ গল।



নলিনী বালা দেবী

## শেষ শয্যাৰ স্মৃতি

পিতৃদেৱৰ অন্তিম শয্যাৰ ৩৬ দিনৰ ডায়েৰী—সেই দিন মাঘ বিহু! পুৱতি বেলিকাতে উঠি পিতৃদেৱে 'মেজি' পোৰা চাইছে। আমাৰ বাৰীৰ ভিতৰতে লৰা বোৱে মেজি সাজি নিশা বং ধেমালিৰে ভোজ ভাত খাই, মেজিত জুই দি হৰিধ্বনী দিছে। ৰাতি পুৱাই উঠি গৈ লৰা বোৰে বং কৰা চাইছে। সেই বাৰৰ মাঘ বিহুত গুৱাহাটীত বৰ জাৰ পৰিছিল। পুৱাৰে পৰা বিহুৰ আয়োজনত সকলো ব্যস্ত! পিতৃদেৱে পুৱা চাহ খাই উঠি শ্ৰীযুতা আইক কোৱা শুনিলো, "হেৰা, বিহু খাবলৈ আনক মাতা নামাতা—মোৰ সন্ন্যাসী লৰা দুটাক মাতিবলৈ নাপাহৰিবা দেও" (শ্ৰীযুত অমিয় কুমাৰ দাস আৰু ৺হেমচন্দ্ৰ বৰুৱা) এই দুজন আজীৱণ ত্যাগী দেশ সেৱক অবিবাহিত কংগ্ৰেছ কৰ্ম্মীক পিতৃদেৱে নিজৰ লৰাৰ দৰে মৰম কৰিছিল। শ্ৰীযুত দাসে এতিয়াহে বিয়া কৰাইছে।

দুপৰীয়া গা ধুই সন্ধ্যা আহ্নিক কৰি গোপাল সেৱা কৰি আহি তেখেতৰ দৈনন্দিন কৰ্ম্ম ৺দেউতাকৰ ৺ৰমত সেৱা কৰি. মাকৰ ফটত সেৱা কৰিলে। বৰ ককায়েককো সেৱা কৰি আহিলেগৈ। দুপৰীয়া বৰ বিমৰ্ষ মনেৰে খাবলৈ বহিল। আমি তেখেতক বিমৰ্ষ দেখি মনতে ভাবিলো, বোধকৰো ঘৰত এজনো লৰা নাছিল, উমেশ মফঃ চলত, অপূৰ্ব্ব বিলাতত, নাতিয়েক উপেন কলিকতাত। মাত্ৰ লগত খাবলৈ বহিল

৺মাখন ( পবিত্ৰ )। একো কথা বতৰা নপতা কৈ তেখেতে খাই উঠি গল। তুপৰীয়া তেখেতে ঘা ডোখৰ অলপ বিষাইছে বুলি কৈছিল, তেখেত বহি থাকিব নোৱাৰে, সেই বিষোৱা ঘা লৈয়েই আবেলি ফুৰিবলৈ ওলাই গ'ল।

সেই দিনা গধুলি ফুৰি আহিও তেখেতে ৰীতি মতে অফিচত বহি নিশা বাৰ বজালৈকে লেখা পঢ়া কৰি আছিল। কিন্তু মাজ নিশাৰ পৰা তেখেতৰ বিষ বেচি হল, জ্বৰ উঠিল। পিচ দিনা পুৱা তেখেতে লাখুটি লৈহে উঠিব পাৰিছিল।

ডাঃ হৰেকৃষ্ণ দাস, ডাঃ ভুবনেশ্বৰ বৰুৱা নিজৰ কাম কাজ পেলাই থৈ ৰাতিয়ে দিনে চিকিৎসা আৰু শুশ্ৰূষা কৰিবলৈ লাগি গল। তথাপি সেই দিনাৰ পৰা ৰোগ ক্ৰমাৎ বেচি হবলৈ ধৰিলে, অলপো শাম নাকাটিলে। তুই তিন ঠাইত অস্ত্ৰোপচাৰ কৰা হল, সেই সময়ত অবিকৃত মুখে যন্ত্ৰণা সহি থকা দৃশ্য আজিও চকুৰ আগত জিলিকি আছে। ডাক্তৰে শোধে "বৰদলৈ! তুখ পাইছে?" তেখেতে কয় কি বিশেষ তুখ?" ডাক্তৰ আচৰিত হয়, "ধন্য আপোনাৰ সহ্য শক্তি; এই শক্তিৰ গুণতেই আপুনি ভাল হ'ব।" শৰীৰত আগৰে পৰা "বহুমূত্ৰ" ৰোগে আশ্ৰয় কৰি আছিল, ৰোগলৈ ভ্ৰূক্ষেপ নকৰি, শৰীৰ স্বাস্থ্য একোলৈকে কান নকৰি জীৱনত তেখেতে মাথোন কামকেই কৰি গ'ল সুযোগ পাই পূৰ্ব্বৰ ৰোগেও ভয়ঙ্কৰ মূৰ্ত্তি ধৰিলে। সামান্য ছাল যোৱা ঠাইতেই, Cellulites আৰম্ভ হল।

দেউতাই কয় "ডাক্তৰ, মোক অলপমান উঠিব পৰা কৰি দিয়ক ছোন, মই নিজেই ভাল হ'ম। শুই থকা মোৰ অসহ্য! আপোনালোকে জানেই, মই শুই থকা মানুহ নহওঁ! কত কাম মোৰ পৰি আছে। দিল্লীৰ পৰা নেতা সকলে পৰিষদৰ অধিবেশনলৈ সোনকালে যাবলৈ মোলৈ চিঠি দিছে। মোক কোনো মতে যদি আপোনালোকে দিল্লী পোৱাই দিব পাৰে, মই ভাল হৈ যাম।" সেই সময়ত অসমৰ আৰু এটা নতুন বিপদে দেখা দিছিল, বঙালী সকলে অসমত বঙ্গভাষাভাষী বেচি বুলি প্ৰমাণ কৰি অসমক বৃহত্তৰ বাংলাত পৰিণত কৰিবলৈ তীব্ৰ ষড়যন্ত্ৰ চলাইছিল। এই বিলাকৰ প্ৰতিবাদ কৰিবলৈ পিতৃদেৱে সাজু হৈ আছিল, ইপিনে যিমানেই দিন যায়, সিমানেই বিচনাত পৰি চট্‌ফটনীত তেখেত তত নাইকিয়া হয়। এই ৰোগ শয্যাত পৰাৰ আগতে "অসমত বঙাল খেদা আন্দোলন" নামৰ প্ৰবন্ধ এটি আনন্দবাজাৰ পত্ৰিকালৈ লেখিছিল। পিতৃদেৱৰ নৰিয়া পাটি নহৈ যেনিবা, নানা ৰাজনীতি সমালোচনাৰ এখন মেল হে বহিছিল। তেখেতৰ ওচৰত অসমৰ নেতৃস্থানীয় সকলৰ আলোচনা সমান ভাবে চলিছিল। তাৰ উপৰিও তেখেতক চাবলৈ অহা লেঠাৰি নিচিগা মানুহৰ অন্ত নাই। পুৰুষ মহিলা সকলৰ আগমনত ঘৰ ভৰি থাকে। তাৰ উপৰিও নানা লেঠাৰ নানা সম্পৰ্কলৈ কত জনে আহি তেখেতৰ লগত আলোচনা কৰি মতামত লৈ যায়হি তাৰ লেখ জোখ নাই। শক্তিয়ে পৰালৈকে বিচনাতে চেয়াৰ দি তেখেতক বহুওৱা

হৈছিল, চেয়াৰত বহি সকলোৰে লগত হাঁহি মাতি ৰং ধেমালি কৰি তেখেতে কথা বতৰা পাতি আছিল। আৰু সহকৰ্ম্মী সকলক ভাগে ভাগে উপদেশ দি, কামৰ ভাৰ গতাই দিছিল। দিল্লীৰ পৰা তেখেতৰ বন্ধু ডাঃ দেশমুখে তাঁৰ কৰি শুধিলে তেখেতক চাবলৈ আহিবনেকি? তেখেতে আহিবলৈ হাক দি পঠিয়ালে, লেখিলে "মই অলপতে আপোনালোকক লগ ধৰিমগৈ; আপুনি আহিব নালাগে।"

অসমৰ প্ৰত্যেক জিলা গাওঁ বোৰত পিতৃদেৱৰ আৰোগ্য কামনা কৰি নাম ঘৰে ঘৰে হৰিকীৰ্ত্তন হবলৈ ধৰিলে।

তেখেতৰ বেমাৰৰ বাতৰি পাই ভাৰতবৰ্ষৰ এটাই বোৰ নেতাই টেলিগ্ৰাম দি বাতৰি লৈছিল। আৰু আৰোগ্য কামনা কৰি চিঠি দিছিল।

তেখেতৰ চেক্ৰেটৰী ৰমেশ চাংকাকতিয়ে ওচৰতে বহি, তেখেতৰ আদেশ মতেই সকলোলৈকে নিয়মিত ভাবে উত্তৰ দি আছিল। পিতৃদেৱক শুশ্ৰুষা কৰিবলৈ পৰিয়ালৰ বাহিৰেও তেখেতৰ মৰমৰ পাত্ৰ সহকৰ্ম্মী সকলে অতি আগ্ৰহেৰে আগবাঢ়ি আহিছিল আৰু ৰাতি পৰ দিছিলহি।

শ্ৰীযুত নৰনাৰায়ন গোস্বামী, শ্ৰীযুত অমিয় কুমাৰ দাস, এই দুজনে কেইবা নিশাও তেখেতৰ সেৱাত কটাইছিল। দিনে ৰাতিয়ে পুৰুষ মহিলাৰে ঘৰ ভৰি আছিল। ঘৰত বেমাৰ যেন নলগা হৈছিল। এটি যেন উৎসৱ অনুষ্ঠান হে হৈছে।

পিতৃদেৱৰ ওচৰত সকলো সময়তে আই মই আৰু উমেশ

থাকোহঁক, তেখেতে আমি তিনিও ওছৰত থাকিলে বৰ ভাল পাইছিল। সৰু ভাই অপূৰ্ব্ব তেতিয়া "বিলাতত।" তাৰ চিঠিৰ কাৰণে পিতৃদেৱ সদায় উৎসুক হৈ থাকে। আমাক তিনিওকে তেখেতে নিৰলে পালে বেলেগে উপদেশ দিছিল। কেতিয়াবা তেখেতে নিজে নিজেই কয়, "মই বৰ শক্তিৰ অহঙ্কাৰ কৰিছিলো, সেই বাবেই ঈশ্বৰে মোক শক্তিৰ গৰ্ব্ব চূৰ্ণ কৰিবলৈ এনে শাস্তি দিছে।" কেতিয়াবা কয় "মই আজি কিছুমান দিনৰ পৰা এটা আশঙ্কা কৰি আহিছিলো। কিবা এটা যেন মোৰ পিচে পিচে ঘুৰি ফুৰে,—কিবা এটা পৰিৱৰ্ত্তন যেন মোৰ ঘটিব এনে এটা মনে মনে মই অনুভৱ কৰিছিলো।"

কেতিযাবা মোক মৰমেৰে চকু চল ছলিয়া কৈ কয় "আই! তই মন মন মাৰি আছ দেখোন। তাই মোৰ ছোৱালী; শত সহস্ৰ বিপদতো তই মূৰ ডাঙি থাকিব পাৰিবি বুলি মোৰ বিশ্বাস।"

আইৰ লগত নানান ধেমেলীয়া কথা কৈ হহুৱাবলৈ চেষ্টা কৰে। উমেশক কয় "বাছা, তই মোৰ ওছৰত থাকিলে মোৰ গাটো বৰ ভাল পাওঁ।" খন্তেক কৈ তলকা মাৰে, সৰু সৰা অপুলৈ মনত পাৰ, শোধে "অপুৰ চিঠি পাইছনে?" তেখেতে অন্তিমত তাক দেখা নাপালে।

দেউতা বেমাৰত পৰিবৰ পৰা তেখেতৰ বিছনাৰ আগতে এখন ওঙ্কাৰৰ ভিতৰত থকা গোপাল মূৰ্ত্তিৰ ছবি থাপনা পাতি থোৱাইছিল। নিচেই পুৱাতে আৰু সন্ধিয়াৰ সময়ত সদায়

ধুপ দীপ দি দেউতাই প্ৰাৰ্থনা কৰিছিল। পুৱতি নিশাতে গোটেই চাকি বোৰ জলাই দি ধুপ ধুনাৰে সুৰভিত কৰি, নিৰলে নিস্তব্ধ ব্ৰহ্মমুহূৰ্ত্তৰ কাল ডোখৰ তেখেতে কটায় গভীৰ উপাসনাত নিমগ্ন হৈ।

বহুত পৰ ধ্যান কৰাৰ পিচত প্ৰাৰ্থনা কৰে, চকুৰ পানিৰে দুগাল ভিজি যায়। প্ৰাৰ্থনাৰ সময়ত সকলোকে আঁতৰাই পঠিয়ায়। আমি দূৰৰ পৰা শুনো "জগতৰ পাপ অমঙ্গল সকলো দূৰ কৰি শান্তি আনা প্ৰভু। শান্তি আনা। মোৰ সকলো গৰ্ব্ব চূৰ্ণ কৰি তোমাৰ চৰণ তললৈ টানি নিয়া অহঙ্কাৰ দূৰ কৰা প্ৰভু! অজ্ঞানীৰ অহঙ্কাৰ দূৰ কৰা," প্ৰাৰ্থনাৰ মাজেৰে ৰাতি পুৱায়, পোহৰ হয়! এটা ৰাতিৰ অসীম ৰোগৰ যাতনা লৈ ব্ৰহ্মমূহুৰ্ত্তৰ সৰগী পুৱতি মলয়া বৱলৈ ধৰে। পৱিত্ৰ প্ৰাৰ্থনাৰ চকুৰ পানিৰে ধোৱা আত্মপ্ৰসাদে ৰোগ প্ৰপীড়িত দেহত যেন সান্তনাৰ পৰশ বুলাই যায়। পুৱাৰ পোহৰত তেখেতে খন্তেকৰ বাবে হলেও নৰিয়াৰ দুখ পাহৰি যায়। মুখত হাঁহি ফুটি উঠে। নতুন আৰোগ্যৰ আশা আহি বুকত বল যোগায়। জীৱন জোৰা কৰ্ম্মব্যস্ততাৰ মাজত ডুব গৈ: হৃদয়ৰ চিৰ আৰাধ্যৰ লগত নিবিড় সংযোগ ৰখাৰ বিমল শান্তি, আৰাধনাৰ সময় সুযোগ তেখেতে পোৱা নাছিল; যদিও তেখেতৰ প্ৰাণ সদায় সকলো কৰ্ম্মতে চিৰ আৰাধ্যৰ চৰণতে সমৰ্পিত আছিল। সেয়েহে সকলো কৰ্ম্মব্যস্তাৰ শেষত, ৩৬টি দিন ৰোগশয্যাত পৰি অনন্ত পথ যাত্ৰী মনে বিচাৰিছে

জীৱন জোৰা আৰাধ্যৰ সান্নিধ্য, বিচাৰিছে সৰ্ব্ব সন্তাপ হাৰীৰ প্ৰেম সুকোমল কোলাৰ আশ্ৰয়, শিশুৰ দৰে অসহায় ভাবে সাৰটি লবলৈ বিচাৰিছে চিৰ কাণ্ডাৰীৰ নিৰ্ভুল নিৰ্দ্দেশ।

নিচেই পুৱাতে থাপনাত দিবলৈ ককায়েকে (প্ৰবোধচন্দ্ৰ) নিজৰ বাগিছাৰ পৰা গোলাপ ফুলৰ তোৰা দুটা লৈ আহে। "৺গোপাল মূৰ্ত্তি" খনিৰ দুয়ো কাষে দুটা ফুলদানীতে সজাই দিযে। দেউতাই কয় "ককাইদেউ! তই মোক সদায় সৰগৰ বাট দেখুৱাব, সৰুতে যেনেকৈ ভাল বেয়াৰ বাট দেখুৱাইছিলি। ককায়েকৰ চকু ছলছলিয়া হৈ উঠে ভায়েকক কেচুৱা লৰাক শোধাৰ দৰে শোধে "মাকু! (দেউতাৰ মতানাম) তোক আৰু কি লাগিব কছোন? আঙ্গুৰৰ সিৰাপ খাবিনে? কি খাবৰ মন যায়?" ভায়েকে কয়; "ককাইদেউ? একো নালাগে, মাথোন সদায় এই দৰে ডাঙৰ ডাঙৰ গোলাপেৰে নিজ হাতে দুটা ফুলৰ তোৰা আনি দিবি। এই ফুলৰ গোন্ধে মোক সকলো দুখ পাহৰাই এখন বেলেগ ৰাজ্যলৈ লৈ যায়।" আমি আঁতৰৰ পৰা এই দুজন বুঢ়া ভাই ককাইৰ কথা শুনি থাকো, চকুৰ পানিও টোকো। কাৰণ আমি ভবা নাছিলো, যে দেউতা আৰু ভাল নহব।

মানুহৰ যেতিয়া সকলো ইন্দ্ৰিয় শক্তি বিকল হয়, ষষ্ঠেন্দ্ৰীয় মনৰ শক্তি তেতিয়া দুগুণ কৰ্ম্মক্ষম আৰু বেগবান হয়। কল্পনা প্ৰৱণ মনত ভাৱৰ সোঁত বয়। অনুভূতি অতি তীব্ৰ হৈ পৰে। বহুদিন নৰিয়া পাটিত পৰি থাকি স্বভাৱতে কল্পনা প্ৰৱণ

কবি প্ৰকৃতি পিতৃদেৱৰ মনত হয়তো কত সুন্দৰ অনুভূতি জাগি উঠিছিল কোনে জানে? সেই বাবেই শৰীৰ দুৰ্ব্বল হোৱাৰ লগে লগে, তেখেতৰ কথা বোৰো আবেগময় আৰু কোমল ভাৱপূৰ্ণ হৈ উঠিছিল।

পুৱাতে ধুপ-ধুনা ফুলৰ সুগন্ধত, পৱিত্ৰ প্ৰাৰ্থনাৰ পৰশ লাগি লঘু অন্তৰৰ কৰ্ম্মময় কঠোৰ জীৱনে ঢাকি থোৱা সুকুমাৰ ভাৱৰ পাৰি এটি হিয়াত ফুটি উঠে। চিৰ ইপ্সিতৰ কাষলৈ গোটেই জীৱন জোৰা পৱিত্ৰ আৱেগ লৈ আগ বাঢ়ি যায়। তেখেতৰ ভাবময় তনু—মনে জড় দেহ এৰি কুসুম গন্ধি সৰগী সমীৰৰ সতে গতি কৰে,—উৰ্দ্ধ আলোকৰ অভিমুখে অনন্ত যাত্ৰাপথ বিচাৰি।

সময় যাৰ ওচৰ চাপে, ঈশ্বৰে যাক কোলাত তুলি লবলৈ ইচ্ছা কৰে, সেই জনৰ ৰোগৰ গতিয়ে এনে এটি বাট লয়, যাক শত চেষ্টাতো ঘুৰাব নোৱাৰি। এই খিনিতেই বিশেষজ্ঞ চিকিৎসক হতভম্ব হয়; বিশ্বশক্তিৰ ওচৰত ক্ষুদ্ৰ মানব শক্তি পৰাজিত হয়। মানুহৰ শক্তিৰ অহঙ্কাৰ চূৰ্ণ হয়। ইয়াকেই বোলে নিয়তি।

দেউতাৰ বেমাৰে ভালৰ ফাললৈ আহিও এনে এটি গতি ললে। বেমাৰ অলপ ভাললৈ অহাত সকলোৰে মনত আশাৰ সঞ্চাৰ হৈছিল, কিন্তু দৈব দুৰ্বিপাক কোনে খণ্ডাব পাৰে? এদিন নিশা ভূমিকম্প হয়, ভূমিকম্পত সাধাৰণতে দুমহলীয়া ঘৰ বেচিকৈ জোকাৰে। জোকাৰনীত ওপৰৰ এখন ডাঙৰ নক্সা

তললৈ সৰি পৰি যায়। সেই শব্দতেই দেউতাৰ দুৰ্ব্বল কলিজাত চক খাই। পিচ দিনাৰ পৰা ৰোগে জটিল ভাব ধাৰণ কৰে। তেখেত ক্ৰমাত দুৰ্ব্বল আৰু সেতা হবলৈ ধৰিলে। ভাল হব বুলি ইমান দিনে যি আশা ৰাখি ভয়ঙ্কৰ ৰোগৰ লগত যুদ্ধ কৰিছিল, সেই আশা শিথিল হৈ পৰি মনত নিৰাশাই ঠাই ললে।

ডাক্তৰৰ আদেশ মতে মানুহে তেখেতক দেখা কৰা বন্ধ কৰি দিয়া হ'ল। উৎকণ্ঠিত বন্ধু বান্ধৱৰ সান্ত্বনাৰ বাবে প্ৰতিদিনৰ অৱস্থা ডাক্তৰে বাজৰ ঘৰত "বুলেটিন" কৰি থোৱাৰ ব্যৱস্থা কৰা হল। অসমৰ নগৰে নগৰে তেখেতৰ আৰোগ্যৰ বাবে ৰাইজে কৰা আকুল প্ৰাৰ্থনাৰ সদায় খবৰ আহিবলৈ ধৰিলে। কিন্তু ঈশ্বৰৰ ইচ্ছা অন্যৰূপ!

ৰোগপাটিত পৰি থাকোতেও তেখেতে অসমৰ সমস্যা বিলাকৰ কাৰণে সদায় চিন্তা কৰিছিল। ভাবিছিল ভাল হৈ পৰিষদত যোগ দি প্ৰতিকাৰ কৰিব। কিন্তু এতিয়া বুজিব পাৰিলে, যে তেখেত আৰু ভাল নহয়, শেষ বাৰ অসমৰ প্ৰিয় নেতাৰ চকুৰ আগত জিলিকি উঠিল অসমৰ মূৰ্ত্ত ছবি! পানীত বুৰ যাবলৈ ধৰা মৰণ-পথিকে যেনেকৈ কুটা এডালি দুই হাতেৰে সাৱটি ধৰে, সেই দৰে অসমৰ গুৰিয়ালে শেষ বাৰলৈ কৰা অসমৰ মুক্তি চেষ্টাৰ আকুলতাই হৃদয় বিদাৰক দৃশ্যৰ সৃষ্টি কৰিছিল। মাত তেতিয়া থোকাথকি, জীৱনী শক্তি ভাগৰি পৰিছে। দুপৰীয়া তেখেতৰ চেক্ৰেটৰীক মাতি

পাঠিয়ালে, কলে "লেখা, গোবিন্দবল্লভ পান্থলৈ; অসমথন গল নহয়!" ভঙাভঙা মাতেৰে ইংৰাজীতে কৈ গল, বুজিব পৰা নগল। আজন্ম মাতৃ সেৱকৰ অন্তিম শয্যাৰ পৰা স্বদেশ মাতৃৰ কল্যান চিন্তাৰ শেষ অৰ্ঘ্য পূৰ্ণ নহল। মৰণ-শিতানত-জলদ গম্ভীৰ কণ্ঠস্বৰ মৃত্যুৱে হৰি নিলে। তথাপি এটি অৱশ কণ্ঠৰ থোকাথুকি মাতৰ শেষ চেষ্টাৰ আকুলতা দেখি সকলোৱে চকু পানী টুকিবলৈ ধৰিলে। ভাগৰি পৰিল; বুজিব পাৰিলে নিজৰ অক্ষমতা। দুচকুৱেদি দুধাৰি চকুলো বৈ গ'ল।

ডাঃ হৰেকৃষ্ণ দাস ডাঙৰীয়াই ওচৰতে বহি হাত দুখন আলফুল কৈ লৈ আছে। কলে "ডাক্তৰ। I havo lost my voice" ছিলছলীয়াচকুৰে ডাক্তৰ দাস ডাঙৰীয়াই উত্তৰ দিলে "দুখ নকৰিব। দুৰ্ব্বল হৈছে নহয়, যাৰ কাম তেওঁ কৰিব।"

ডাঃ হৰেকৃষ্ণ দাস ডাঙৰীয়া, কংগ্ৰেছৰ নীৰব আৰু ত্যাগী সেৱক। তেখেত ৺দেউতাৰ অতি আপোন বন্ধু। তেখেত আৰু নীৰব দেশসেৱক ডাঃ ভুবনেশ্বৰ বৰুৱা ডাঙৰীয়া দুয়ো জনেই ৺দেউতাৰ নৰিয়াৰ প্ৰথম দিনাৰ পৰাই ঘৰ দুৱাৰ এৰি দিনে ৰাতিয়ে সকলো সেৱা শুশ্ৰুষাৰে, প্ৰকৃত বন্ধু আৰু পুত্ৰ ৰূপে যত্ন লৈছিল।

সকলোত কৈ সহিব নোৱাৰা দৃশ্য হৈছিল, মাতৃদেবীৰ নিৰ্ব্বাক নিশ্চল পাষাণ প্ৰতিমাৰ দৰে ভৰিৰ কাষত বহি থকা মূৰ্ত্তিখনি। মুখত মাত নাই, অন্তৰৰ সকলো চিন্তাই যেন বাট

হেঁকুৰাইছে। হৃদয়ৰ দুৰ্ব্বহ বেদনাবোৰ বুকুৰ তলিত গোট মাৰি উঠিছে। কিবা সুধিলে কয় "মই একো কবনোৱাৰোঁ।"

যোৱাৰ আগদিনা পুৱা "উমেশক" সাৰটি ধৰি কলে "বাছা! মই আৰু ভাল নহওঁ তোক বহুত বিপদত, বহুত ঋণত পেলাই থৈ যাব লগা হল" সেই দিনা চিৰ প্ৰফুল্ল মুখ খনিত যেন মৰণৰ কলা ছাঁ এটি বিয়পিবলৈ ধৰিছিল! সেই দিনা নিশা মই ওচৰতে বহি আছোঁ। শেষ নিশা প্ৰাৰ্থনাৰ সময় ওচৰ চাপিল, কিন্তু প্ৰাৰ্থনাৰ আয়োজন নহল। চকু মেলি ওপৰলৈ চালে, মোৰ হাত খন ধৰি ওপৰলৈ দেখুৱালে, কলে "কেনে সুন্দৰ," কি দেখিলে কব নোৱাৰোঁ; মুখত এটি তৃপ্তিৰ হাহি ফুটি উঠিল।

ৰাতি পুৱাল। সময় ওচৰ চাপি আহিল। ডাঙৰ বৰুৱা সেই নিশা ঘৰলৈ যোৱা নাছিল, ওচৰতে আছিল। তেখেতে চাই এটি দীঘল হুমুনিয়া পেলাই শেষ ইনজেকসন্ এটা দি কলে:—"দেউতা! এই দেৱ শৰীৰত কত নো আঘাত কৰিলোঁ, পুত্ৰক ক্ষমা কৰিব" এই বুলি কৈ ভৰিত ধৰি হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। আৰু উঠি গৈ বাৰাণ্ডাত ধাচ কৰে বৰুৱা ডাঙৰীয়া পৰি গ'ল। ঘৰত হাঁহাকাৰৰ ৰোল উঠিল। বাহিৰত আকুল উৎকণ্ঠা লৈ অপেক্ষ-মান জনতাক ৺দেউতাই নিজেই আহিবলৈ ইঙ্গিত দিলে। সকলো বন্ধু বান্ধব প্ৰিয় জনে আহি শেষ বাৰলৈ সেৱা কৰি, মাত লগাই চকুৰ পানীৰে বিদায় দিলে। সকলোকে সেই সময়তো

প্রীতিপূর্ণ চাহনিৰে মুখত হাঁহি বিৰিঙাই শেষ বিদায় মাগিলে। নাতিনীয়েক "ৰাণী" ওচৰলৈ আহি মুখখনত হাত বুলাই দিছে ; তাইক এটা আঙুৰ দিবলৈ আঙুলীয়াই দেখুৱাই দিলে। মুখলৈ চাই হাঁহিলে।

অলপ পিচত মোৰ মুখলৈ চাই কিবা এটি ইঙ্গিত কৰিলে। মোৰ মনত পৰিল, গীতাভক্ত পিতৃদেৱৰ চিৰ সাধনাৰ ধন গীতা পাঠৰ ইঙ্গিত ! গীতা লৈ লৰালৰি কৈ একাদশ অধ্যায়ৰ "বিশ্বৰূপ দৰ্শন," পাঠ কৰি, মোৰ জীৱনৰ দেৱোপম পিতৃদেৱতাৰ শেষ কৰ্ত্তব্য সমাধা কৰিলোঁ। সম্পূৰ্ণ সজ্ঞান অৱস্থাত, শেষ নিশ্বাস পেলোৱাৰ আগতে, "শান্তিভৱনৰ" শেষ শয্যা এৰি ছোতালৰ বেল গছৰ তলত, মাটিৰ কোলাত শুই উদাৰ আকাশৰ পুৱা সমিৰণৰ লগত কৰ্ম্মবীৰৰ শেষ নিশ্বাস মহাকাশৰ লগত মিলি গ'ল। শ্ৰীযুত নৰনাৰায়ন গোস্বামীদেৱে "ওঁম্ নমোনাৰায়নায়" বুলি এচলু গঙ্গাজল মুখত দি বিদায় দিলে। তিল কাঞ্চন বৈতৰণী পাৰ আদি মৃত্যু মঙ্গল সমাধাৰ সতে দহ বাজি সাত মিনিট যোৱাত মহাপুৰুষৰ প্ৰাণবায়ু মাঙ্গলিক বাদ্যৰ লগে লগে মহাকাশত মিলি গল। শেষ বাৰ চাই লবলৈ বিপুল জন সমাগম হবলৈ ধৰিলে।

জীৱনৰ আঁৰ কাপোৰ খনিৰ আঁৰত একোটি দিনৰ জ্বালাময়ী স্মৃতিৰ ছবিয়ে মানুহৰ অন্তস্থল ভেদী যি দ সাঁচ বহুৱাই, সেই সাঁচ মোচ নাখায়। স্মৃতি ! তুমিয়েই মানুহ জীৱনত গঢ় দিয়া, অপ্ৰতিহত তোমাৰ শক্তি,—অসীম তোমাৰ অধিকাৰ !

উজ্জ্বল হোৱা, উজ্জ্বল হৈ উঠা মোৰ মানস পটত, মোৰ জীৱনৰ "স্মৃতি তীৰ্থৰ" শেষ স্মৃতিৰেখা ধুই দিওঁ, এই অযোগ্যাৰ অশ্ৰুনীৰে ॥

## অভুত পূৰ্ব্ব শৱযাত্ৰা আৰু অন্ত্যেষ্টী ক্ৰিয়া

ডবা শঙ্খ বাদ্যৰ লগে লগে, চাৰিও পিনে বিজুলী বেগেৰে কৰ্ম্মবীৰৰ মহা প্ৰয়ানৰ খবৰ বিয়পি গল। ঘণ্টা দিয়েকৰ ভিতৰতেই চাৰিও ফালৰ পৰা হিন্দু মুছলমান অনুন্নত হৰিজন আদি কৰি, জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে বিপুল জনতা সমাগম হবলৈ ধৰিলে। খাচি, নগা, গাৰো ছাত্ৰকে আদি কৰি কটন কলেজ ল কলেজ আৰু স্কুলৰ ছাত্ৰ ছাত্ৰী সকল আহি উপচি পৰিল হি। দোকান পোহাৰ স্কুল কলেজ সকলো বন্ধ হৈ গল।

নিদাৰুণ বাতৰি গোটেই নগৰ আৰু সমগ্ৰ ভাৰতত বিজুলী বেগেৰে বিয়পী পৰিল। নগৰৰ সকলো অঞ্চলৰ পৰা, ধনী দুখীয়া সৰু বৰ জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে বিপুল জনতা "শান্তিভৱনৰ" আগত সমবেত হল হি। গোটেই নগৰ বিষাদৰ ক'লা ডাৱৰে ঢাকি পেলালে। দলে দলে নানা জনে আহি স্বৰ্গীয় মহাপুৰুষৰ প্ৰতি হৃদয়ৰ শেষ শ্ৰদ্ধাঞ্জলী অৰ্পণ কৰিলেহি, ফুলৰ মালা আৰু ফুলেৰে কৰ্ম্মবীৰৰ মৃতদেহ ঢাকি পেলালে।

হেজাৰ হেজাৰ জনতাই পুষ্প শয্যাত শুৱাই মহা সমাৰোহেৰে, চাৰি কাণে তিনি বৰণীয়া জাতীয় পতকা বান্ধি দি শান্তিভৱনৰ আগত ফটো তুলিলে। আৰু মহা সমাৰোহেৰে

"শান্তিভৱন" এৰি কৰ্ম্মবীৰে চিৰকাললৈ মহাযাত্ৰা কৰিলে। ৰাইজে জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে শৱাধাৰ বহন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত, ঘৰৰ হাউলীলৈকে সমাজ নিয়ম মানি, ৰাজ আলিত ৰাজহুৱা ৺নবীন চন্দ্ৰক ইচ্ছানুযায়ী ৰাইজক শৱাধাৰ বহন কৰিবলৈ দিয়া হ'ল। পৰিয়াল বৰ্গৰ ভাতৃ সকলৰ একান্ত ইচ্ছা অনুসাৰে তেখেতৰ অন্তেষ্টী ক্ৰিয়া, পিতাকৰ (মাধববৰদলৈ) অন্তেষ্টী ক্ৰিয়াৰ ঠাই নিজ জনম-ভূমী, উত্তৰ গুৱাহাটীৰ পৱিত্ৰ অশ্ব ক্লান্তৰ পাদপীঠ বিষ্ণুপদৰ নামনিত সমাধা কৰিবলৈ স্থিৰ কৰা হয়।

ত্ৰিবৰ্ণ ৰঞ্জিত বিৰাট জাতীয় পতাকা আগত লৈ জাতীয় যুদ্ধৰ অগ্ৰগণ্য নেতা ; আজীৱন যোদ্ধা সেনাপতি কৰ্ম্মবীৰ নবীন চন্দ্ৰৰ শৱযাত্ৰা নগৰৰ মাজেদি পৰিভ্ৰমণ কৰি, ফাঁচি বজাৰ জাহাজ ঘাট অভিমুখে ৰাওনা হল।

এঘাৰ বজাত শৱ যাত্ৰা ৰাওনা হ'ল, সেই বিৰাট শৱ যাত্ৰাত সমদলৰ আগত জাতীয় পতাকা লৈ কংগ্ৰেছ দল, তেওঁ বিলাকে জাতীয় সঙ্গীত গাই গৈছিল। তাৰ পিচত কৈৱৰ্ত্ত সকলে সংকীৰ্ত্তন কৰি গৈছিল, পিচত হৰিজন সকলে খোল তাল লৈ হৰিসংকীৰ্ত্তন কৰি গৈছিল, মাজত শৱাধাৰ পিচত জনস্ৰোত। শৱযাত্ৰা আগ বঢ়াৰ লগে লগে, উজান বজাৰ, পান্ বজাৰ, ফাঁচি বজাৰৰ দোকান বিলাক বন্ধ হৈ গ'ল। বাটত পত্থলীয়ে পত্থলীয়ে উৎসুক জনতা, আৰু মহিলা সকলে ফুল আখৈ দি স্বৰ্গীয় মহান আত্মালৈ কৰ যোৰে নমস্কাৰ

জনাইছিল। সমদলত মহিলা আৰু ছাত্ৰী সকলেও যোগ দিছিল। শৱযাত্ৰা উজান বজাৰ, পান বজাৰ, ফাঁচি বজাৰ, ভৰলু মুখেদি ঘুৰি ফাঁচি বজাৰ ঘাটেৰে নামি অশ্বক্লান্ত উদ্দেশ্যে যাত্ৰা কৰিলে। মৰমৰ জন্মভূমি! মৰমৰ ওপজা ঠাই, যি ঠাইত জীৱনৰ কৈশোৰৰ স্বপ্নলীলা, যৌৱনৰ সুখছবি, বাৰ্দ্ধক্যৰ শান্তিভূমি, জীৱনৰ প্ৰতিটি ঘটনাৰ, প্ৰতিটি আশাৰ বিকাশৰ সৌধ গঢ়ি উঠিছিল, দেহৰ প্ৰতি বিন্দু তেজৰ তোপাল যি ঠাইৰ প্ৰতিধুলিকনাৰ ওছৰত ধৰুৱা, সেই মৰমৰ গুৱাহাটী নগৰ, জীৱনৰ শেষ বাৰলৈ প্ৰদক্ষিণ কৰি গুৱাহাটীৰ পচিম ঘাটেদি জনমা ঠাইলৈ চিৰ বিদায় মাগি, নশ্বৰ জীৱনৰ মাটিৰ সজাটিক "বিষ্ণুপদৰ" শেষ সমাধিত উছৰ্গা কৰিবলৈ আগ বাঢ়িল॥

ব্ৰহ্মপুত্ৰৰ পাৰত সেই দিনা বিপুল জনসমাগমৰ দৃশ্যই এটি অভিনৱতাৰ সৃষ্টি কৰিছিল। ফেৰি ষ্টীমাৰ আৰু নাৱেৰে অসংখ্য জনস্ৰোত সিপাৰলৈ যাবলৈ ধৰিলে। শৱাধাৰ এখন নাৱত তুলি দি, তাত বিশিষ্ট লোক সকল তিনি বৰনীয়া জাতীয় পতাকা উৰাই বিজয়ী যাত্ৰী স্বৰূপে কৰ্ম্মবীৰৰ শৱ যাত্ৰাত আগ বাঢ়িল। বিপুল জনতাও লগে লগে আগুৱাই গ'ল। ইমান ডাঙৰ শৱযাত্ৰা অসমত কেতিয়াও হোৱাৰ কথা শুনা নাযায়। সিপাৰে উত্তৰ গুৱাহাটীৰ ৰাইজে কাঠ আৰু চন্দন কাঠ আনি চিতা সজাই অপেক্ষা কৰি হৰিধ্বনী দি বৈ আছে। অশ্বক্লান্তৰ পাদ পীঠত শৱাধাৰ থৈ শেষ বাৰলৈ শোকাতুৰ জনতাই ৰাইজৰ মৰমৰ কৰ্ম্মবীৰৰ মৃত্যু মলিন মুখখনি শেষ বাৰলৈ চাই পুষ্পাঞ্জলী

দিলে। বৰ পুতেক "উমেশচন্দ্ৰই" পিতাকৰ ঔৰ্দ্ধদৈহিক সমাধা কৰিলে। চন্দন সুগন্ধি চিতাজুই জলি উঠিল। গগন পৱন ভেদি হৰিধ্বনীৰে আকাশ লঙ্ঘিলে, বিশাল ব্ৰহ্মপুত্ৰৰ অস্তাচলৰ নিজান পাৰত জড় দেহৰ শেষ পৰমাণুটি চিৰ আৰাধ্যা মাতৃভূমিৰ কোমল কোলাত মিলাই দি, এই অসমতে জনমি এই অসমৰ কোলাতে চকু মুদি, কৰ্ম্মবীৰে কৰ্ম্ম শেষ কৰি চিৰ কাললৈ সমাধি আশ্ৰয় কৰিলে সকলো শেষ হ'ল, চিতা শান্তি স্বৰূপে হঠাতে আকাশৰ পৰা ধাৰাসাৰে বৰষুন বৰষি চিতা জুই নুমাই দিলে। তাৰ পিচতেই পচিমৰ পিনে ৰাঙলী বেলিয়ে আকৌ ভূমুকি মাৰি মহান আত্মাক আদৰি লৈ অস্তাচলত বুৰ মাৰিলে। শেষ বাৰলৈ তৃষিত আত্মাই যেন তেজোময় অস্তমিত ৰথৰ পৰা জনমভূমি লৈ চাই কৈ গল, "বিদায় জনম ভূমি বিদায় !"

"সন্ধিয়াৰ আকাশক ঢাকিলে কলিয়া মেঘে
এন্ধাৰে আৱৰি ধৰি গ্ৰাসিলে অসম
ডাৱৰৰ সুৰুঙাই জুমি চাবা ধ্ৰুৱতৰা
আলোকত দেখা পাবা পথ অনুপম"

৺গনেশ গগৈ

## অনন্ত জীৱনী

ক্লান্ত হ'লা কৰ্ম্মবীৰ !
কৰ্ম্মময় জীৱন যুজত
লে'ৱা দেৱ চিৰ শান্তি
লৌহিত্যৰ নিজান তীৰত
ওঁম্ শান্তি

**সমাপ্ত**

---

অসমীয়া—১৯৩৬ চন

## কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ মহাপ্ৰয়াণত, সদৌ ভাৰতৰ চিঠি, টেলিগ্ৰাম, শোকসভা।

( ১ )

বৰদলৈদেৱৰ মৃত্যু সংবাদ পাই, সুদূৰ পঞ্জাবৰ পৰা মহীয়সী অমৃত কাউৰ আহি বৰদলৈদেৱৰ সন্তপ্ত পৰিয়ালৰ লগত শোকৰ ভাগ লয়হি। অশ্বক্লান্তলৈ গৈ বৰদলৈদেৱৰ চিতা ভস্মত পুষ্পাঞ্জলী কৰি দুটুপি স্নেহৰ চকুলো পেলাই শ্ৰদ্ধা জনায়। শ্ৰাদ্ধ স্থলত উপস্থিত থাকি শ্ৰদ্ধা জ্ঞাপন কৰে। আদ্যশ্ৰাদ্ধ উপলক্ষ্যে হোৱা গুৱাহাটিত বিৰাট ৰাজহুৱা সভাত বক্তৃতা দিয়ে।……

( ২ )

সভাপতি আছিল প্ৰবীন দেশভক্ত তৰুণ ৰামফুকন ডাঙৰীয়া। এই সভাত বিশিষ্ট নেতা সকলে বৰদলৈৰ উপযুক্ত স্মৃতিৰক্ষাৰ কাৰণে বক্তৃতা দিয়ে। এই সভাত মহীয়সী অমৃত কউৰৰ বক্তৃতা বৰ প্ৰাণস্পৰ্শী হৈছিল। তেখেতে হিন্দী ভাষাত বক্তৃতা দিছিল, আৰু তেখেতৰ বক্তৃতা শুনি সকলোৰে চকুলো টুকিছিল। প্ৰথমতে তেখেতে বৰদলৈদেৱৰ অসীম গুণাৱলীৰ কথা বৰ্ণনা কৰে, আৰু পিচত কয়—"বৰদলৈদেৱ অকল অসমৰে নাছিল, সমগ্ৰ হিন্দুস্থানৰ গৌৰৱৰ ধন আছিল। দেশৰ মঙ্গলৰ তেখেত ঈশ্বৰ প্ৰেৰিত দূত আছিল। তেখেত অকল অসমৰে নেতা নহয়, সমগ্ৰ ভাৰতৰ মান্য আছিল। দেশৰ হকে যুঁজ কৰাৰ পিচত ভগবানে তেখেতক নিজ কোলালৈ জিৰনীৰ অৰ্থে মাতি নিলে। পৃথিবীত জন সমাজৰ সাহায্যাৰ্থে যি লোকৰ আৱশ্যক, ঈশ্বৰো তেনে লোকৰ প্ৰতি আগ্ৰহ। হিন্দুস্থানৰ মুক্তিৰ অৰ্থে আমাৰ কাৰ্য্য আৰু ত্যাগৰ প্ৰতি বৰদলৈজীৰ আত্মাই নজৰ ৰাখিব। সামৰণীত আকৌ বৰদলৈৰ সাদৃশ্য বীৰৰ জন্ম হবলৈ ঈশ্বৰৰ ওচৰত আশীৰ্ব্বাদ ভিক্ষা কৰিছিল। বক্তৃতা প্ৰসঙ্গত তেখেতে কান্দি পেলাই তেতিয়া তেখেতে কৈছিল, কিছুদিনৰ আগতে কলিকতাত মই বেমাৰী অৱস্থাত পৰি থাকোতে বৰদলৈ ডাঙৰীয়াই মোক দেখা দি উৎসাহ দিয়ে। মোৰ দুৰ্ভাগ্য সেইজন পুৰুষক মই আৰু দেখিবলৈ, কথা বতৰা পাতিবলৈ নাপালোঁ।"

তাৰ পিচত তেখেতে শ্ৰীযুতা বৰদলৈ লৈ এখন চিঠি দিছিল—

Mrs. Barodloi,

"Bande Mataram"

How can I express my deep sympathy in your great bereavement? I was simply stunned to learn the news of Sjt Bardolois death. Nobody knows that the end of the great warrior was so near. Dear Sister, the whole country mourns with you for the loss of a true lover of liberty. It was he who gave the Mont-ram of Congress in Assam.

হিন্দীৰ পৰা ভাঙনি—

( ৩ )

অমৃতবাজাৰ পত্ৰিকাৰ সংবাদ দাতাই পৰিষদৰ কংগ্ৰেছ দলপতি মিঃ ভূলাভাই দেশাইক সাক্ষাৎ কৰাত তেখেতে কয়— মই আমাৰ সহকৰ্ম্মী বৰদলৈ ডাঙৰীয়াৰ মৃত্যুৰ বাতৰিত মৰ্ম্মাহত হৈছো। এসপ্তাহৰ আগতো তেখেত ক্ৰমাৎ ভাললৈ আহিছে, আৰু তেখেতে পৰিষদত আমাৰ লগত যোগ দিবহি পাৰিব বুলি আশা কৰিছিলোঁ। বৰদলৈ ডাঙৰীয়াৰ দুটী মহৎ গুণ আছিল এই যে, তেখেত বৰ স্পষ্টবাদী। আৰু অতি উচ্চ শ্ৰেণীৰ দেশসেৱাত তৎপৰ আছিল। বৰদলৈ ডাঙৰীয়া মৃত্যুৰ সময়লৈকে অসমৰ মুকুট বিহীন ৰজা আছিল।

বৰদলৈৰ মৃত্যুত অকল আমি পৰিষদৰ সদস্য সকলেই এজন বিশিষ্ট সহযোগী বন্ধু হেৰুৱা নাই ; তেখেতৰ মৃত্যুত ভাৰতে ক্ৰমান্বয়ে বেছি জটিল আৰু তীব্ৰতৰ হৈ অহা মুক্তি যুদ্ধত এজন একনিষ্ঠ সেৱক হেৰুৱালে।……

মিঃ ভুলাভাই দেশাই—দিল্লী

( ৪ )

কৰ্ম্মবীৰৰ মৃত্যুত ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰপ্ৰসাদৰ বিবৃতি।

মিঃ বৰদলৈৰ মৃত্যুত দেশে এজন বাহ্যাড়ম্বৰ-হীন দৃঢ় সঙ্কল্প আৰু স্বাৰ্থত্যাগী দেশ সেৱক নেতা হেৰুৱালে। আৰু তেখেতৰ বন্ধুবৰ্গই এনে এগৰাকী অতিশয় অমায়িক আৰু বিশ্বস্ত সহকৰ্ম্মী হেৰুৱালে—যি গৰাকীৰ ওপৰত তেওঁলোকে সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব পাৰিছিল। তেখেতৰ মৃত্যুত অসমৰ ৰাজহুৱা জীৱনৰ যি বিলাক ক্ষতি হ'ল সেই বিলাক পুৰাবলৈ কষ্ট সাধ্য হব। তেওঁৰ শোক সন্তপ্ত পৰিয়ালে এই বুলি সান্তনা লব পাৰে যে সদৌ দেশেই তেওঁলোকৰ সমদুঃখী হৈছে। তেখেতৰ সৈতে মোৰ আজি ২৫ বছৰ কাল বন্ধুতা, আৰু তেখেতে স্বদেশ প্ৰেমৰ কাৰণে কিমান স্বাৰ্থত্যাগ আৰু দুৰ্গতি ভোগ কৰিছে মোৰ ভাল কৈ জনা আছে।

( ৫ )

"দেশ প্ৰেমিক বৰদলৈদেৱৰ সন্তপ্ত পৰিয়ালক আমাৰ সমবেদনা জ্ঞাপন কৰিবা।"

মহাত্মা গান্ধী আৰু চৰ্দ্দাৰ পেটেল

( ৬ )

পণ্ডিত মদন মোহন মালব্যজীয়ে জনাইছে :—

বৰদলৈদেৱ স্বৰ্গী হৈছে বুলি জানি ব্যথিত হৈছো। সন্তপ্ত পৰিয়ালক সমবেদনা জনাইছো।

( ৭ )

কংগ্ৰেছ মহাসভাৰ সভাপতি বাবু ৰাজেন্দ্ৰপ্ৰসাদে জনাইছে :—

বৰদলৈদেৱৰ মৃত্যু সংবাদত মৰ্ম্মাহত হৈছো। মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলো।

( ৮ )

শ্ৰীযুত গোবিন্দবল্লভ পাণ্ডে জনাইছে :— \

"বৰদলৈদেৱৰ তিৰোধানত আমাৰ পুৰাব নোৱাৰা ক্ষতি হল, অতি কৈ বেজাৰ পালোঁ। আন্তৰিক সমবেদনা জনালো।

( ৯ )

এ, ভি, ঠক্কৰ দেৱে জনাইছে :—

"আপোনাৰ দেউতাক ঢুকোৱা সংবাদ পাই অতীব শোক পাইছো—মোৰ সমবেদনা জানিব।" ( উমেশলৈ )

( ১০ )

শ্ৰীযুত ভুলাভাই দেশায়ে ( কংগ্ৰেছ পাৰ্লিয়ামেণ্টৰা বোৰ্ডৰ গুৰিয়াল ) জনাইছে :—

বৰদলৈদেৱৰ শোকাবহ মৃত্যুত ব্যৱস্থা পৰিষদৰ কংগ্ৰেছ দলৰ নিভাজ শোক আৰু সমবেদনা জনাওঁ। কংগ্ৰেছ দলে তেখেতৰ অভাৱ বৰকৈ অনুভৱ কৰিছে।

( ১১ )

অসমৰ গৱৰ্ণৰৰ পৰা শোকৰ বাতৰি আহিছে।

"তোমাৰ দেউতাৰাৰ মৃত্যুত আন্তৰিক সমবেদনা জানিবা।"

( উমেশ লৈ )

অনাৰেবল পি চি দত্ত।

ৰায় বাহাদুৰ কনকলাল বৰুৱা

সভাপতি মৌলবী ফিজমুৰ আলি

দেশভক্ত ফুকন ডাঙৰীয়া

ছাৰ ছৈয়দ মহম্মদ ছাদুল্লা সাহাব

শ্ৰীযুত জ্যোতিষ দাস এম, বি

দীল্লিৰ পৰা, আব্দুল মতিন চৌধুৰী

বসন্তকুমাৰ দাস

টি বিভেদ কৰ্ণাক ( পুলিচ বিভাগৰ অৱসৰপ্ৰাপ্ত ইংৰাজ কৰ্ম্মচাৰী ) তেখেতে জনাইছে—অসমৰ কল্যাণৰ কাৰণে অক্লান্ত ভাবে ব্যৱস্থাপক সভাৰ বাহিৰে ভিতৰে বৰদলৈদেৱে কাম কৰি গৈছে, তেখেতৰ বিয়োগত অসমৰ যথেষ্ট ক্ষতি হ'ল। মই তেখেতক সদায় নিঃস্বাৰ্থ দেশসেৱক বুলিয়েই জানো আৰু সেই ভাবেই মই তেখেতক সদায় স্মৰণ কৰিম। এই বৰদলৈদেৱৰ আদৰ্শ লবলৈ সকলো স্বদেশ প্ৰেমিক ডেকাই আপ্ৰান চেষ্টা কৰা কৰ্ত্তব্য।

( ১৩ )

কলিকতা হাইকোৰ্টৰ বাৰ এছোছিয়েশ্যনে মিঃ চি চি বিশ্বাস

মহাশয়ৰ সভাপতিত্বত শোকসভা পাতি সন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়।

ভাৰতীয় ব্যৱস্থা পৰিষদৰ প্ৰশ্নোত্তৰত ছাৰ নৃপেন্দ্ৰ সৰকাৰে মাননীয় বৰদলৈ ডাঙ্গৰীয়াৰ মৃত্যুৰ বাতৰি জ্ঞাপন কৰে। আইন সচীবে বক্তৃতা প্ৰসঙ্গত শোক প্ৰকাশ কৰি কয়— যে স্বৰ্গীয় বৰদলৈ ডাঙ্গৰীয়াৰ ওপৰত তেওঁৰ নিৰ্ব্বাচক সকলৰ প্ৰগাঢ় শ্ৰদ্ধা আৰু বিশ্বাস আছিল। শ্ৰীযুত ভুলাভাই দেশায়ে বৰদলৈ ডাঙৰীয়াৰ কৰ্ম্মময় জীৱনৰ প্ৰশংসা কৰি কয় যে ৺বৰদলৈৰ চৰিত্ৰবল, সাহসিকতা আৰু কাৰ্য্যতৎপৰতাত অসাধাৰণ লোক আছিল। তেখেতৰ নিচিনা সাহসী আৰু দেশ প্ৰেমিকৰ সংখ্যা বিৰল।

ইণ্ডিপেণ্ডেণ্ট্ দলৰ পক্ষৰ পৰা মিঃ আব্দুল মতিন চৌধুৰীয়ে কয় স্বৰ্গীয় বৰদলৈ অসমৰ জনহিতকৰ কাৰ্য্যত অগ্ৰগণ্য পুৰুষ আছিল। শ্ৰীযুত আনেই কয় যে বৰদলৈৰ মৃত্যুত দেশে এজন নিঃস্বাৰ্থ দেশ সেৱক হেৰুৱালে। য়ুৰোপীয় দলৰ নেতা ছাৰ "লেছলি হাতছলেও" স্বৰ্গীয় বৰদলৈৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। মিঃ বসন্ত কুমাৰ দাসে কয় স্বৰ্গীয় বৰদলৈয়ে দেশৰ কাৰণে অনেক দুখ ভোগ ত্যাগ স্বীকাৰ কৰিছিল। সভাপতি মহোদয়ে কয় শ্ৰীযুত বৰদলৈ পৰিষদৰ এজন অসাধাৰণ কৰ্ম্মতৎপৰতা আৰু নিৰ্ভিক সদস্য আছিল। শেষত স্বৰ্গীয় বৰদলৈ ডাঙৰীয়াৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ নিমিত্তে পৰিষদৰ অধিবেশন স্থগিত ৰখা হয়। মিঃ অখিল দত্ত—মিঃ

বৰদলৈৰ ডাঙৰীয়াৰ মৃত্যু মোৰ পক্ষে বজ্ৰপাতৰ দৰে হৈছে। মই ভাবিব পৰা নাছিলো যে তেখেত ইমান সোনকালে স্বৰ্গবাসী হব। স্বাধীনতা যুজত তেখেত নিৰ্ভিক যোদ্ধা আছিল। তেখেত যদি পৰিষদত উপস্থিত থাকিব পাৰিলে হেতেন তেন্তে মিঃ দাসৰ ফৌজদাৰী আইন সংশোধনী বিলে অন্যৰকম গঢ় লবলৈ বাধ্য হল হেতেন। তেখেতৰ অকাল মৃত্যুত পৰিষদ আৰু গোটেই দেশেই ক্ষতিগ্ৰস্ত হৈছে। মিঃ সত্যমূৰ্ত্তি—মিঃ বৰদলৈৰ স্বৰ্গাৰোহণত মই যে কিমান দুখ পাইছো তাক মই ভাষাৰে প্ৰকাশ কৰিবলৈ অক্ষম। ১৯১৯ সনৰ পৰা তেখেতৰ লগত মোৰ জনা শুনা। "মণ্টেগু চেমচফোৰ্ড" সংস্কাৰৰ সময়ত তেখেতৰ লগত মোৰ বিশেষ বন্ধুত্ব স্থাপন হয়। কংগ্ৰেছৰ কামত তেখেত মোৰ এজন সহকৰ্ম্মী আছিল। পৰিষদত তেখেত এজন কংগ্ৰেছৰ দীৰ্ঘ স্থানীয় নেতা আছিল। তেখেতৰ নিচিনা সৎসাহসী, চৰিত্ৰবান, কৰ্ত্তব্যপৰায়ন আৰু দৃঢ় সংকল্প স্বদেশ নেতাৰ স্থান পুৰোৱা তেনেই সহজ নহব। সন্তপ্ত পৰিয়াললৈ মই সহানুভূতি জনালো।

( ১৫ )

দেশ পুজা যাৰ ধৰ্ম্ম, দেশ যাৰ দেৱতা, দেশৰ উপকাৰেই যাৰ কৰ্ত্তব্য তেনে জন বীৰৰ জন্ম পৃথিবীত খুব কমেই হয়। আমাৰ অতি আপোনাৰ আদৰ্শনীয় কৰ্ম্মবীৰ নবীনচন্দ্ৰ আছিল তাৰে ভিতৰৰে এজন। ডাঙৰ বংশত জন্মি সৰুৰে পৰা

আলাস বিলাসত ডাঙৰ হৈও, তেনে হেন বীৰ পুৰুষ এজনে সকলো দৈহিক সুখ ত্যাগ কৰি কঠোৰ জীৱন নিয়াব পৰাটো একো আচৰিত নহয়। কাৰণ দেৱভূমি ভাৰতৰ ত্যাগেই মহামন্ত্ৰ আৰু সেই কাৰনেই আজি ভাৰত পৃথিবীৰ আদৰ্শনীয়। অতীত যুগৰ ৰামচন্দ্ৰৰ বুদ্ধৰ—আদিৰে পৰা বৰ্ত্তমান যুগৰ মহাত্মা গান্ধী চিত্তৰঞ্জনলৈকে সকলোৰে মহামন্ত্ৰ ত্যাগ, আৰু এই কাৰনেই ৺নবীনচন্দ্ৰ আজি অসমৰ তথা ভাৰতৰ অতি আদৰণীয় হব পাৰিছিল।······উদাৰতা আৰু শিশুৰ দৰে সৰলতা আছিল তেওঁৰ অঙ্গৰ ভূষণ। ( 'মিলন' )

( ১৬ )

স্বাধীনতা প্ৰিয়তা, নিৰ্ম্মল সততা, আৰু উদ্দেশ্য কৰ্ত্তব্য পৰায়ণতাই স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈক দেশবাসীৰ ইমান জনপ্ৰিয় নেতা কৰি তুলিছিল। ( 'এডভান্স' )

( ১৭ )

অপূৰ্ণতা ত্ৰুটি অজ্ঞতা আৰু কুসংস্কাৰাচ্ছন্ন এই ভাৰতক ভাল পাই যি সকলে দেশ সেৱাত আত্মনিয়োগ কৰে, যি সকলে এই হতভাগ্য জাতিৰ পুনৰুত্থানৰ ব্ৰতকেই জীৱনৰ ব্ৰতৰূপে গ্ৰহণ কৰে, নবীনচন্দ্ৰ সেই মহাপ্ৰাণ ভাৰত সন্তান সকলৰ অন্যতম। ( আনন্দবাজাৰ )

( ১৮ )

মিঃ বৰদলৈৰ মৃত্যুত অসমে আৰু ভাৰতে এজন ঘাই নেতা আৰু স্বাধীনতাৰ যুজত কঠোৰ যোদ্ধা হেৰুৱালে দেশ বাসীৰ উন্নতিৰ নিমিত্তে মিঃ বৰদলৈয়ে একো কৰিবলৈ বাকী ৰখা নাছিল। ( অমৃতবাজাৰ )

( ১৯ )

স্মৃতিয়ে অসমীয়া জাতিৰ নতুন প্ৰাণ নবীন উদ্দিপনা দিয়ক আমাৰ এয়ে কামনা। প্ৰবীন বৰদলৈদেৱৰ চিৰ নবীন উৎস কৰ্ম্ম-সাধনাৰ ফিৰিঙ্গতিয়ে তৰুণ অসমৰ প্ৰাণত জাতীয় জুই নজলাবনে? এই ভাৱ শোক সন্তপ্ত প্ৰাণৰ মাজেদি ভাঁহি উঠিছে। "শোক জৰ্জ্জৰিত তৰুণ" ( তৰুণ )

( ২০ )

বৰদলৈদেৱৰ বিয়োগত দেশ জুৰি বিননিয়ে খলক লগাইছে। নিলগিয়া পৰৰ মুখতো সন্তানৰ তাপ বিৰিঙ্গি ওলাইছে। অসীম ধৈৰ্য্যশীল ভাৰত নেতাও অধৈৰ্য্য হৈছে।......বিয়োগ বিননিৰ বিস্তৃতি চাইয়েই বুজিব লাগে। ৺নবীনচন্দ্ৰ বৰদলৈ অসমত ভাৰতত কিমান আদৰৰ পাত্ৰ আছিল। সদিয়াৰ পৰা ধুবুৰীলৈ এক কণ্ঠে এক সুৰেৰে তোলা কান্দোনৰ ধ্বনিয়েই অযাচিতে বুজাইছে ৺নবীনচন্দ্ৰ বৰদলৈ অসমীয়া ৰাইজৰ কি যে মৰমৰ মিত্ৰ আছিল। কান্দিব আটায়ে পাৰে; কিন্তু কন্দুৱাব পাৰে কেই জনে? আজি অসমীয়াক বিয়াকুল হৈ কন্দালৈ চাই কবি

"তুলসীদাসৰ" এষাৰ নীতি বচনলৈ মনত পৰিছে। তুলসী তুমি যেতিয়া জগতলৈ আহি ভূমিষ্ঠ হৈছিলা তেতিয়া তুমি কান্দিছিলা ; কিন্তু আন সকলোৱে হাঁহিছিল। এতেকে এনে দৰে তুমি চলা যাতে তুমি হাঁহি হাঁহি যাবাগৈ আন সকলোৱে কান্দি মৰিব। মানুহ গুণ গৌৰবৰ অধিকাৰী হলেই লোকপ্রিয় হব নোৱাৰে, সেই গুণ গৌৰব দেশৰ আৰু দহৰ কাৰণে জন সাধাৰণৰ উপকাৰত লগাব পাৰিলেহে সাৰ্ব্বজনীন অযাচিত প্রেম লাভ কৰিব পাৰি।……তৰুণ সমাজে নবীন নবীন নবীনচন্দ্র সৃষ্টি কৰিবলৈ স্বাভাৱিক উদগণি লাভ কৰিব।

( 'অসমবন্তি' )

# পৰিশিষ্ট

## বৰদলৈদেৱৰ চাৰিটি বক্তৃতা

## আসাম ছাত্র-সম্মিলনৰ নৱম অধিবেশনৰ সভাপতিৰ অভিভাষণ

### সভাপতি—শ্ৰীযুক্ত নবীনচন্দ্ৰ বৰদলৈ

মৰমৰ ছাত্র-বন্ধুসকল, সমবেত ভদ্ৰমণ্ডলি, আৰু আইদেউসকল! আজি মোৰ জীৱনৰ এটা বিশেষ দিন। বহু কাৰণত আজিৰ দিনটো মোৰ পক্ষে এটা বিশেষ দিন বুলি বৰ্ণনা কৰিছো। কিন্তু এই দিনটো মোৰ পক্ষে সুখৰ হলেও আজি যাৰ নিমিত্তে এই আসনখানি অতি আদৰেৰে আপোনালোকে পাতিছিল, তেখেত অনুপস্থিত থকাত নিঃকিন অনুপযুক্ত মই, তেখেতৰ আসনখানি বৰ ভয়েৰে, বৰ সন্তৰ্পনেৰে হে গ্ৰহণ কৰিলো। শ্ৰীযুক্তা নাইডু মোৰ বন্ধু, তেখেতক মই বৰ ভালকৈ চিনি পাওঁ, আৰু তেখেতৰ গুণ-গৰিমাও মই খুব বঢ়িয়াকৈ জানো। তেখেতক ইয়াত পায়ো হেৰুৱাটো নিশ্চয় দুৰ্ভাগ্যৰ কথা। মই আশা কৰো, ভবিষ্যতে তেখেত এই আসামলৈ এবাৰ আহি আসামবাসীৰ গৌৰৱ ৰক্ষা কৰিবহি।

শ্ৰীযুক্তা নাইডু আসামলৈ কেলেই নাহিল তাক আপনালোকে সকলোৱে নিশ্চয় জানে। যোৱা ৩ সপ্তাহ

ভাৰতৰ—জগতৰ—এটা ঘোৰ আশঙ্কা, ঘোৰ ভয়, আৰু মহান গৌৰৱৰ দিন। মানুহ জন্মে, মৰে, খায়, ফুৰে, কাম কৰে, আহে আৰু যায়। এইৰকমে লক্ষ লক্ষ মানৱ মৰজগতত, পোহৰত পোকে জিকিমিকি কৰাদি, ক্ষন্তেক জিকিমিকি কৰি অনন্ত সমুদ্ৰত ডুব মাৰে। কাৰো লেখ কোনেও নলয়। কিন্তু বহু শতাব্দীৰ পিছত এজোন মহাজন মহামানব আহি জগতত এক ঝলক পোহৰদি তাৰ ৰশ্মি দিগ-দিগন্তত বিকীৰ্ণ কৰি শত শতাব্দী ব্যাপ্ত কৰি থৈ যায়। এনে মানুহ যিটো যুগত জন্মে সেই যুগেই ধন্য—সেই যুগৰ মানুহেই ধন্য। আজি ভাৰতত গান্ধি-যুগ। এই মহামানৱটিৰ মহান কাৰ্য্য আজি প্ৰায় ৩০ বছৰৰপৰা শুনি অহা গৈছে। বয়সৰ লগে লগে তেওঁৰ ভিতৰৰ মহামানৱত্ব আজি ফুটি উঠিছে। আজি ভাৰতৰ মহাব্ৰত। ভাৰতৰ মহান ঋষিয়ে ২১ দিন মহাব্ৰত কৰি নিজৰ যন্ত্ৰণাৰে, নিজৰ দুঃখেৰে, নিজৰ তেজেৰে হিন্দু-মুছলমানৰ ভিতৰত সৌহৰ্দ্দ্য স্থাপন কৰিবলৈ যত্নবান। অন্তৰ্য্যামীজনে ভক্তৰ এই ত্যাগ, এই আত্মবলিদান নীৰবে চাই আছে। ভাই হিন্দু, ভাই মুছলমান, ভাই খৃষ্টিয়ান ভাই জৈন, বুদ্ধ! আহাঁ, আজি ভক্তিভৰে-ভগৱানক ধন্যবাদ দিওঁ আৰু প্ৰাৰ্থনা কৰোহঁক—মহাত্মাৰ অহিংসাব্ৰত সুসিদ্ধ হওক, জগতত শান্তি স্থাপিত হওক। এই উৎকণ্ঠাৰ দিনত মহাত্মাৰ মহা প্ৰিয় নিজ জীয়াৰীৰ নিচিনা শ্ৰীযুক্তা নাইডু যদিওবা আমাৰ ইয়ালৈ আহিব নোৱাৰিলে, সেইবাবে আমি তেখেতৰ ওপৰত কোনো অভিমান

ৰথা নাই। কেৱল আশা ৰাখো যেন ভাল দিনত তেখেত এদিন আহি যায়হি। এই খিনিয়েই মোৰ বক্তব্যৰ পাতনি। তাৰ পিছত নিজৰ সম্বন্ধে দুআষাৰমান কথা আপোনালোকৰ অনুমতি লৈ কম।

**আত্ম-নিবেদন**—হে মোৰ প্ৰিয়তম বন্ধু আৰু আইদেউ-সকল! আজি কুমলীয়া অলপ বয়সীয়া তোমালোকক, বন্ধু বুলি মাতিবলৈ কিমান ভাল লাগে মই কব নোৱাৰোঁ। বৰ গৌৰবেৰে কওঁযে আজিও মোৰ ছাত্ৰ জীবন শেষ হোৱা নাই। মোৰ জীৱনৰ আদিত ছাত্ৰ-জীবন, মোৰ জীৱনৰ মধ্যাহ্নত ছাত্ৰবাস, আৰু ছাত্ৰসকলৰ লগতে সদাই সম্বন্ধ; আৰু আজি জীৱনৰ অপৰাহ্নত মোৰ দেশৰ ছাত্ৰবিলাকক লৈয়ে মোৰ জীৱনৰ খেলা! হে মোৰ দেশবাসীসকল, হে মোৰ দেশৰ ভবিষ্যত আশা-ভৰসাৰ পাত্ৰসকল হে মোৰ সুজলা সুফলা শস্য-শ্যামলা জনমৰ ঠাই আই অসম! মোক অকিঞ্চন বুলি বোৰ শত ত্ৰুটি মাৰ্জ্জনা কৰা! মোৰ শত অপৰাধ দোষ এৰি দিয়া— মই যে অতি দীন, অতি দুৰ্ব্বল! মই যে মোৰ পতিতা, হতভাগিনী দুখুনি আইভিন্ন একো নাজানো! মনত পৰিবৰেপৰা ভাল পাওঁ মোৰ জন্মদাত্ৰী আইক; বৰ পাল পাওঁ মোৰ দেশৰ সুনীল আকাশ, নিৰ্ম্মল বতাহ, বৰ ভাল পাওঁ মোৰ দেশৰ বুকেদি বৈ যোৱা উদাৰ বহল ব্ৰহ্মপুত্ৰ নৈখনক; বৰ উলাহেৰে, বৰ আনন্দেৰে চাই থাকো মোৰ দেশৰ উত্তৰে দক্ষিণে থকা উন্নতশিৰ, শ্যামল তৰু-লতাৰে ভৰা পৰ্ব্বতশ্ৰেণী।

বৰ তৃপ্তি পাওঁ মোৰ দেশৰ কেতকী, পাতমাদৈ, কুলিৰ মাত শুনি ; বৰ ৰং পাওঁ মোৰ দুখীয়া ভাই-ভনীবিলাকৰ সৰল সহজ জীৱন। এটাইতকৈ ভাল পাওঁ মোৰ সাত পুৰুষীয়া ভগা পঁজাটিক। মোৰ আই বুঢ়ীআয়ে জহকালি চোতালত পাটি পাৰি বিছনিৰে বিচি বিচি কত সাধুকথা কৈছিল! মই সাধুকথা শুনি শুনি অনিমেষ নেত্ৰে আকাশৰ লক্ষ লক্ষ তৰাৰ ফালে চাই চাই আত্মহাৰা হৈ গৈছিলো। মোৰ পঁজাৰ ভগা জলঙাৰ ভিতৰে যেতিয়া উষাই নিজ ৰূপৰ অলপমান মোৰ নয়নত আনন্দ দিবলৈ পাঠিয়াই দিছিল, সাৰ পায়ে তাক দেখি আনন্দত বিভোৰ হৈ মোৰ দুখুনী আইৰ ডিঙিতে সাবট মাৰি ধৰি বালসুলভ কত কথা কৈছিলো! হে মোৰ জননী জন্মভূমি! তুমি যে মোৰ সেই স্নেহশীলা আইৰো জননী। মোৰে দৰে আই তোমাৰ ধূলিত বাগৰি, তোমাৰ ধূলিত উমলি, মোৰ পিতৃপুৰুষ সকলো মানুহেই সুখে-দুখে দিন কটাই দিছিল। মুক্তিত হেনো মানুহৰ বৰ আনন্দ, স্বৰ্গ হেনো বৰ সুন্দৰ ; স্বৰ্গত স্বৰগবাসীয়ে কি কৰে কব নোৱাৰো ; মৰ্ত্যত যে মোৰ হিয়াৰ গোটেইখিনি আনন্দ মোৰ প্ৰাণৰ গোটেইখিনি প্ৰেম, মোৰ মনৰ সকলো মধুস্মৃতি, মোৰ বাল্য কালৰ আনন্দ, যৌবনৰ প্ৰণয়, বাৰ্দ্ধক্যৰ বন্ধুত্ব, সকলোখিনি মোৰ জন্মভূমি আই, তোমাৰে লগত সানি থোৱা। জাতীয় গৌৰবেৰে যে মোৰ দেশ মণ্ডিত! শৰতৰ জোনাকে মোৰ দেশ সপোন-ৰাজ্যত পৰিণত কৰে, বাৰিষাৰ ঝৰ ঝৰ বৰষুণৰ ধাৰে যে মোৰ দেশত কত

কত বিৰহগাঁথা গাই যায়, বসন্তত যে মোৰ দেশ ৰূপে ৰসে গন্ধে গীতে সমুজ্জ্বল হৈ থাকে, হেমন্তৰ শ্যামল ক্ষেত্ৰৰ মাজে মাজে পকা ধানে সোণালী ৰহন সানি থৈ দিয়ে মোৰ হিয়াৰ মাজেদিও কত সুখৰ ঢৌ খেলি যায়! এই হেন আইক কিমান ভাল পাওঁ তাক ভাষাৰে বৰ্ণাব নোৱাৰো। মোৰ দুখুনী জননী জন্মভূমি! তুমিয়ে মোৰ স্বৰ্গ, তুমিয়ে মোৰ মোক্ষ, তুমিয়ে মোৰ জগদ্ধাত্ৰী। তোমাৰে দশ দিকক দশভূজ কল্পনা কৰি অসুৰ ভাবক বিনাশকাৰিণী দুৰ্গে বুলি হিন্দুৱে তোমাৰে জ্যোতিৰ্ম্ময়ী মাতৃমূৰ্ত্তি পূজা কৰে! তোমাতে যে প্ৰকৃতিৰ ৰূপ দেখি হিন্দুৱে তোমাক মায়াৰূপিণী "নমস্তে জগৎচিন্ত্যমান স্বৰূপে নমস্তে মহাযোগিনী জ্ঞানৰূপে" বুলি ধ্যান কৰে—তোমাকে ঈশ্বৰ-বাসনা বুলি অনুভব কৰে। সেই দিনাখন তোমাৰ ৰূপ মোৰ ক্ষুদ্ৰ পঁজাটিৰপৰা বাঢ়ি বাঢ়ি গৈ বিৰাট আকাৰ ধাৰণ কৰে! সেইদিনাখন আই, তুমি এছিয়া য়ুৰোপ, আমেৰিকা সকলো খিনি তোমাৰ বিৰাট শৰীৰৰ এটা কোণত কেৱল ঠাই দিয়া। সেই দিনাখন ভকত সন্তানে তোমাৰ মাজেদি মূৰ্ত্ত ঈশ্বৰ-বাসনাৰ বিশ্বৰূপ দেখা পায়। এয়ে হিন্দু-সন্তানৰ কল্পনা। মুছলমান খৃষ্টিয়ান বা আন সকলো তোমাৰ প্ৰেমত বন্ধ। আজি মুছলমান ভায়ে একধৰ্ম্মী হিছাপে তুৰ্কিৰ গৌৰৱত গৌৰবান্বিত হব পাৰে, আজি খৃষ্টিয়ান ভায়ে প্ৰতীচ্যৰ খৃষ্টিয়ান-বিলাকৰ উন্নতিত মহা সন্তোষ লাভ কৰিব পাৰে; কিন্তু সমস্ত দিনৰ পৰিশ্ৰমৰ পিছত—বহু দুখ, বহু মনোবেদনা বহু বিফলতাৰ

পিছত মুছলমান খৃষ্টিয়ান ভায়ে ক্লান্ত দেহে ক্লান্ত মনে শান্তিৰ নিমিত্তে কলৈ যায় ? তেতিয়া তেওঁৰ ধ্যান কেৱল সেই বাঁহে বেৰিথকা খালেৰে ঘেৰা পঁজাটিৰ ফালেহে যায়। ঘৰত দুখুনী মাতৃয়ে মাটিৰ চাকি জলাই সন্তানটিৰ শুশ্ৰূষাৰ নিমিত্তে স্মিতমুখে অপেক্ষা কৰি আছে ; ঘৰ পায়ে যেতিয়া নেই মহিমা-ময়ী জননীৰ দুখক্লিষ্ট মুখত এটি আনন্দৰ এটি আদৰৰ এটি সহানুভূতিৰ জেউতি দেখা পোৱা, তেতিয়া ভাই অসমীয়া খৃষ্টিয়ান বা মুছলমান—সেই আইক mother বা 'মাদাৰে মেহেৰবান' বুলিতো তিমান সুখ নোপোৱা। তেতিয়া মধুৰ "আই" সম্বোধনটি যে হিয়াৰ তলিৰপৰা মুখ ভাৰ ভৰি ওলায়। তেতিয়া অট্টালিকাৰে পৰিপূৰ্ণ তুৰ্কী বা লণ্ডন ছহৰলৈতো মনত নপৰে। তেতিয়া যে তোমাৰ পঁজাৰ মজিয়াত এখনি কঠ পাৰি তাতে শ্ৰান্ত দেহটি বিস্তাৰ কৰি দি অসীম শান্তি অনুভৱ কৰা ! সেইকণ অনুভূতিয়ে যে তোমাৰ দেশ-মাতৃকাৰ প্ৰেমৰ অনুভূতি ! সেই মজিয়াত তোমাৰে পতিব্ৰতা পত্নীয়ে হৃদয়ৰ প্ৰেম গোটেইখিনি দি তোমাক শুশ্ৰূষা কৰে, সেই পঁজাতেই যে তোমাৰ মধুৰ কণ্ঠৰ লৰা-ছোৱালী ডাঙৰ-দীঘল হয় ! সেই গাৱঁৰে ক্ষুদ্ৰ কুটীৰ এটিক পবিত্ৰ মছজিদ পাতি তাতে খোদা তালাক অহৰ্নিস উপাসনা কৰি, ভাই মুছলমান, তুমি কিয়ামতৰ দিনাখনৰ সেই পৰীক্ষালৈ তৈয়াৰ হোৱা , ভাই খ্ৰীষ্টিয়ান, তুমি প্ৰভু যীশুখ্ৰীষ্টৰ বিশ্ব-জোৰা প্ৰেম অনুভৱ কৰা। কাজেই জন্মভূমি তোমাৰ শ্ৰেষ্ঠ বাসভূমি।

**শিৱসাগৰ**—এই শিৱসাগৰ সাগৰৰ পাৰত আজি এই মহা সমাৰোহ। বহুতে কয় শিৱসাগৰ পাছপৰা এচুকীয়া ঠাই। শত ৰাজকীৰ্ত্তিৰে, শত গৌৰৱেৰে মণ্ডিত এই ঠাই যে অসমীয়াৰ বৰ গৌৰৱৰ ঠাই! শিৱসাগৰৰ পাৰত সৌৱা শিবদৌল আজি ঠিয় দি অসমীয়া পূৰ্ব্বপুৰুষসকলৰ কীৰ্ত্তি ঘোষণা কৰিব লাগিছে। জয়সাগৰৰ জয়দৌল বা পুখুৰী আজি অট্টালিকা হিছাপে সুন্দৰ নহয়, সি যে পবিত্ৰ কীৰ্ত্তিস্বৰূপে অমৰ! সি যে অসমীয়াৰ বৰ আদৰৰ স্মৃতি—আসাম বাসীৰ বৰ গৌৰৱৰ ধন! শিৱসাগৰবাসি, এই শিৱসাগৰ কবিৰ ভাষাৰে "স্বপ্ন দিয়ে তৈৰি স্মৃতি দিয়ে ঘেৰা।" এই শিৱসাগৰত মোৰ পূৰ্ব্বপুৰুষসকলে বহু পুৰুষ বাস কৰি মোৰ পক্ষে তীৰ্থস্থান কৰি থৈ গৈছে, তাত আজি আপোনালোকক সম্ভাষণ কৰিবলৈ পাইছো, ই মোৰ পৰম সৌভাগ্যৰ বিষয়। এই শিৱসাগৰ আসাম-মাতৃকাৰ শিৰৰ মুকুট। সমবেত ছাত্ৰমণ্ডলি! বৰ উলাহৰে—বৰ আনন্দেৰে—আজি আহি এই মাতৃপূজাত এই শিৱসাগৰত লগ লাগিছাঁহি। আহাঁ, সমবেত সন্তানমণ্ডলি আহাঁ! ভক্তিভৰে জন্মভূমিৰ উদ্দেশে নমস্কাৰ কৰোহঁক। আহাঁ ভাই হিন্দু মুছলমান জৈন খৃষ্টিয়ান! এবাৰ পৰস্পৰে পৰস্পৰৰ প্ৰতি নিভাঁজ নিষ্কপট অন্তৰেৰে অন্তৰৰ প্ৰেম জনাই মাতৃভূমিৰ নাম লওঁহঁক। কবিৰ ভাষাৰে কওঁ—"একবাৰ তোৰা মা বলিয়ে ডাক জগৎজনেৰ শ্ৰবণ জুড়াক" বুলি। এই কথাষাৰৰ সত্যতা বৰ্ণে বৰ্ণে অনুভৱ কৰিবৰ কথা। ই অতি

সত্য। আজি সমগ্ৰ জগৎ উদ্‌গ্ৰীৱ উৎকৰ্ণ হৈ ভাৰতৰ মুখৰ ফালে চাই আছে। ভাৰতৰ Spiritual force ৰ দ্বাৰা অৰ্থাৎ ভাৰতৰ সাত্ত্বিক শক্তিৰ দ্বাৰাই জগতৰপৰা পশু-ভাবৰ তিৰোহিত কৰিবলৈ। জাৰ্ম্মনীয়ে ঘোৰ গোলা-গুলি বৰ্ষণ কৰি যি কৰিবপৰা নাছিল, সাত্ত্বিকভাৱেৰে কাকো নামাৰি নিকিলাই তাতকৈ বেচি কাম কৰিলে।

যুদ্ধপ্ৰিয় জাৰ্ম্মানীৰ ভাৰতৰপৰা এয়ে প্ৰথম শিক্ষা। কিন্তু এই অহিংস দেৱভাবে ভাৰত-জননীৰ নিজ সন্তানৰ ভিতৰত অমিল হলেতো গা কৰিব নোৱাৰে। সেইদেখি কবিয়ে কৈছে— হিংসা দ্বেষ ক্ষুদ্ৰ স্বাৰ্থ এৰি ভাৰত-সন্তানে যিদিনাখন সমস্বৰে মাতৃ-প্ৰেমেৰে ভৰপূৰ হিয়াৰপৰা "মা" বুলি মাতিব সেই দিনাখনেই জগতবাসীৰ শ্ৰৱণ জুৰাব।

বুঢ়া শালিকাই মাত নলয়। অতীত অতীত হৈ গৈছে। কিন্তু উঠি অহা কুমলীয়া বোপাইহঁত। তোমালোকৰ কোমল অন্তৰ এনেয়ে দেৱভাবেৰে ভৰা। জীৱনৰ এই শিক্ষাৰ সময়ত সকলো শিক্ষাৰ ওপৰ শিক্ষা এই অহিংসা দেৱভাৱ। ভাৰতৰ ভবিষ্যত, জগতৰ ভবিষ্যত তোমালোকৰ হাতত। যি চাম মানুহ গ'ল, বিধাতাৰ ইচ্ছা পূৰ্ণ কৰি মজলীয়া মানুহ ( mediocres ) অনন্তত লয় পালে, আৰু পাব। তোমালোক কিন্তু যি যুগত যি দিনত উপজিছা, সি এটা বিশেষ যুগ। প্ৰত্যেকে ভাবি লবা—জগতৰ ভবিষ্যত ৰচয়িতা তোমালোক। তোমালোকৰ চৰিত্ৰ, তোমালোকৰ মহত্ব, তোমালোকৰ ত্যাগৰ ওপৰত

আসামৰ—ভাৰতৰ···জাতীয়তা নিৰ্ভৰ কৰিছে। এই দিনত নিশ্চেষ্ট হৈ থাকিলে নহব। এই দিনত অন্ধবিশ্বাস লৈ চলিলেও নহব। তোমালোকে ভাৰতৰ এটা ঘোৰ ভাবৰ আবৰ্ত্তনৰ মাজেদি যাব লাগিছা। তোমালোকৰ ভিতৰত বহুতে দেশ-সেৱা ব্ৰত, লৈ নিজৰ ভবিষ্যতৰ বহু আশাত, বহু ভৰষাত জলাঞ্জলি দি অসীম যাতনা লাঞ্ছনা আৰু অপমানৰ বোজা মূৰত লৈ শেষত কাৰাবৰণ পৰ্য্যন্ত কৰি অহিছা। মই সেইবিলাক তপস্যা নামেহে অভিহিত কৰো। যিসকলে এই ৰকমে সেই ভোগ ভূগি আহিছাহঁক, তপস্বী বালক সকল! মোৰ অন্তৰৰ গভীৰ শ্ৰদ্ধা মই বিনয়-নম্ৰমস্তকে তোমালোকক জনাওঁ! যিবিলাকে অন্তৰত ত্যাগৰ ভাব নোহাৱাকৈ হুজুগত পৰি দুখৰ মাজেদি গৈ ওলাই আহি এতিয়া নিজকে আৰু আনকো ধিক্কাৰ দিছাহঁক, সেইসকলৰ ওচৰত মই অতি দীনভাৱে ক্ষমা প্ৰাৰ্থনা কৰিছো। সেইসকলৰ দুঃখদুৰ্দ্দশাৰ বাবে আমিয়ে দায়ী। ভগৱানৰ ওচৰতো প্ৰাৰ্থনা কৰাহঁক—দয়াময়েও মোক আৰু মোৰ সহ-কৰ্ম্মীসকলক যেন ক্ষমা কৰে। যিবিলাকে অসহযোগ আন্দোলন অসাৰ বুলি ভাবি তাৰ ঘোৰ আকৰ্ষণতো ঠিক থাকি কৰ্ত্তব্য-জ্ঞানেৰে নিজৰ কাম কৰি আছিলাহঁক, সেই সকলেও আজি মোৰ ধন্যবাদ গ্ৰহণ কৰাহঁক। যি কাজ কৰিছিলো, সেই কাজৰ বাবে মই অলপো লজ্জিত নহওঁ, বৰঞ্চ মোৰ ভিতৰৰ মহামানৱটি যে দুদিনৰ নিমিত্তে ফুটি ওলাইছিল, তাৰ বাবে নিজকে নিজে ধন্যবাদ দিছো। তাতোকৈ ধন্যবাদ দিছো আজি

তোমালোকক, কাৰণ মোৰ দেশৰ ধ্ৰুব-প্ৰহ্লাদস্বৰূপ তোমালোকে—মোৰ নিচিনা নিঃকিন অকামিলা মানুহক আজি তোমালোকৰ অন্তৰৰ প্ৰেম-ৰাজ্যৰ এই আসন খনি অধিকাৰ কৰিবলৈ দিয়াত। বোধকৰো তোমালোকৰ কোমল হিয়াত মোৰ পাপ-অহঙ্কাৰ অপৰাধবিলাকে দকৈ সাঁচ বহুবাব নোৱাৰিলে। "মধুমিচ্ছন্তি ষট্পদাঃ"। তোমালোক মধুকৰৰ দৰেই জগতত সত্যস্বৰূপ মধু-অন্বেষী। বোধকৰো ভাবিছা—মই অন্ততঃ মোৰ দুঃখুনী আই জন্মভূমিক বৰ ভালপাওঁ। সেই দেখিয়েই আইৰ নিষ্পাপ সন্তান তোমালোকে মোক আজি এই ওখ আসন দিছা। দেৱশিশুসকল! তোমালোকৰ অমূল্য স্বৰ্গৰাজ্যৰপৰা লগত লৈ অহা প্ৰেম-ৰাজ্যত ঠাই পোৱাৰ যোগ্য মই কোনমতেই নহওঁ। কিন্তু দুৰ্ব্বল হলেও, দুখীয়া হলেও, নিৰ্ব্বোধ হলেও—এইখিনি আজি বুকু ফুলাই কম যে মই মোৰ আইক বৰ ভালপাওঁ। জ্ঞানীসকলে, ধাৰ্ম্মিক সকলে, বীৰসকলে আইক বহু বস্তুদি, বহু ৰকমে পূজা কৰে। মোৰ তো একো নাই। মই সাঁচি থৈ দিছো মোৰ চকুৰ পানীটোপ, আৰু মোৰ হিয়াৰ প্ৰেমপূত ডাঠ তেজটুপি। কৰ্ম্মহীন, জ্ঞান হীন মই—এতিয়া মোৰ আন গান নাই, কাৰণ গানৰ উৎস শুকাই গল। কেৱল হৃদয়-তলিত সুজলা সুফলা মূৰ্ত্তি গঢ়ি থৈ দিছো, আৰু এটা সুৰেৰ একাষাৰ কথা দিনে-ৰাতিয়ে হৃদয়-তন্ত্ৰীত বাজি আছে—"হৃদয়-শোনিতে দিমহে দিমহে ৰাজীৱ চৰণ ৰাজি"। তেনে শুভদিন মোৰ জীৱনত আহে নাহে—কব

নোৱাৰো, কিন্তু সেয়ে মোৰ উচ্চতম আকাঙ্ক্ষা। এয়ে মোৰ আত্ম-নিবেদনৰ অধ্যায়ৰ শেষ। এতিয়া মই বৰ্ত্তমান যুগ আৰু ছাত্ৰ-জীবন সম্বন্ধে দুআষাৰমান কথা কম!

ভাৰতত সত্ত্ব, ৰজ, তম তিনিও গুণবিশিষ্ট মানুহ চিৰকাল আছিল, আজিও আছে। কিন্তু সকলো জ্ঞান-গৰিমাৰ চৰম লক্ষ সাত্বিকতা। সত্ত্বগুণী মানুহৰ লক্ষণ সম্বন্ধে বিবেচনা কৰা মোৰ বক্তব্যৰ মাজত নহয়। কিন্তু ঘোৰ সমৰানলত প্ৰবৃত্ত অৰ্জ্জুনে নিজ বীৰত্বেৰে লক্ষ লক্ষ প্ৰাণী ধ্বংস কৰিও সাত্বিক বুলি খ্যাত। সাত্বিক-গুণী হলেই যে এধা-মৰা এলেহুৱা হব লাগিব তেনে নহয়। ত্যাগী হলেই যে কৰ্ম্ম ত্যাগ কৰিব লাগিব সেয়ে নহয়। সকলো কৰ্ম্মকে কৰ্ত্তব্য-বোধেৰে কৰি ফলাফল বিভুৰ হাতত এৰি দিব পাৰিলেই সকলো শেষ। গীতাত শ্ৰীভগৱানে "কৰ্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন" বুলি যে কৈছিল তাৰো তাৎপৰ্য্য সেয়ে। জ্ঞান-বুদ্ধিৰে যিটো কৰ্ত্তব্য বুলি জানা সেইটো কৰ্ত্তব্য-বুদ্ধিৰে কৰি যাব লাগে। তাকে নিৰ্লিপ্তভাৱে কৰিব লাগে। যতে আসক্তি, ততে বন্ধন—ততে দুঃখ। ভাৰত ঘোৰ ত্যাগৰ ঠাই আছিল, কিন্তু আলস্যৰ ঠাই কোনো দিনাই নাছিল। ঋষিসকল মহাত্যাগী আছিল, কোনো বিষয়তে তেখেতসকলৰ আসক্তি নাছিল; কিন্তু তেখেতসকলে কৰ্ত্তব্য-বোধেৰে পঢ়াশালি পাতি বহু শিষ্যক জ্ঞানশিক্ষা দিছিল—জগতৰ কল্যাণৰ অৰ্থে দিনে-ৰাতিয়ে চিন্তা কৰিছিল। সেই দিনাখনৰ ভাৰত আজি আমাৰ গৌৰৱৰ আৰু কল্পনাৰ ধন মাত্ৰ।

ভাৰতৰ মহাসমৰত ধৰ্ম্ম আৰু অধৰ্ম্মৰ যুদ্ধত ক্ষত্ৰিয় অৰ্জ্জুনে যেতিয়া শোকত অধীৰ হৈ যুজ নকৰো বুলিছিল, তেতিয়াও ভগৱানে কৈছিল, "হে অৰ্জ্জুন! ধৰ্ম্মযুদ্ধ ক্ষত্ৰিয়ৰ কৰ্ত্তব্য; নিৰ্লিপ্তভাবে, কৰ্ত্তব্য-বোধেৰে যুজ কৰি অধৰ্ম্ম-যুদ্ধকাৰী শত্ৰুক বিনয় কৰা।" কাজেই ভাৰত তপস্যাৰ ভূমি হলেও কৰ্ম্মৰো ভূমি।" এই ভাৰতত ছাত্ৰসকলক নানাৰকম শিক্ষা দিয়া হৈছিল। শ্ৰীকৃষ্ণ ভগৱানে প্ৰথমে সান্দীপনী ঋষিৰ ঘৰত ব্ৰহ্মচৰ্য্য অৱলম্বন কৰি শাস্ত্ৰৰ তত্ত্ব:যোগৰ মৰ্ম্ম আৰু নানা ৰকম জ্ঞানকৰী বিদ্যা শিকিছিল। তাৰ পিছত হে ক্ষত্ৰিয়ৰ অৰ্থকৰী অস্ত্ৰবিদ্যা শিকিছিল। কি অৰ্থকৰী কি জ্ঞানকৰী কোনো বিদ্যায়ে ব্ৰহ্মচৰ্য্য নহলে সুসিদ্ধ নহয়। বস্তুতঃ পুৰণি ভাৰতত সকলো বিদ্যাৰ আদিতে যোগাভ্যাস আছিল। "যোগশ্চিত্ত-বৃত্তি নিৰোধঃ"। চিত্তবৃত্তি নিৰোধ কৰিব নোৱাৰিলে মনৰ একাগ্ৰতা নাহে, আৰু একাগ্ৰতা নহলে সিদ্ধি নহয়। এই একাগ্ৰতা (Self-discipline) আত্মসংযম নহলে হব নোৱাৰে। আত্মসংযম অভ্যাস নহলে নহয়। অভ্যাস নিয়মমতে নকৰিলে নচলে, আৰু নিয়ম জ্ঞানীজনৰমুখে নিশিকিলে নহয়। এই কাৰণেই গুৰুগৃহত মহাৰাজ ৰাজেশ্বৰৰ লৰা হলেও সংযম শিক্ষা কৰিবলৈ বাধ্য হৈছিল। ভাবি চাওক, যদুকুলমণি শ্ৰীকৃষ্ণই খৰিলুৰি মাটিত শুই কেচা কল আৰু আৰৈচাউলৰ ভাত এবেলা খাই চিত্তবৃত্তি নিৰোধ কৰিবলৈ শিকিছিল আৰু জ্ঞানকৰি বিদ্যা শিকিছিল। যোগত যিমান উৎকৰ্ষতা হয়,

**অৰ্থকৰী** বিদ্যাতো তিমানেই হৈছিল। এদিন দ্ৰোণাচাৰ্য্যই ছাত্ৰবিলাকৰ ধনুবিদ্যা পৰীক্ষা কৰিবলৈ কুৰু-পাণ্ডৱৰ সকলোখিনি শিকাৰু লগলগাই লৈ এজোপা গছৰ তললৈমাতি নিলে। গছৰ ওপৰত এটা চৰাই পৰি আছিল। প্ৰত্যেক শিষ্যক সেই চৰাইৰ চকুলৈ কাঁৰ টোৱাবলৈ দিলে। প্ৰথমে যিজন আহিল সেইজনে কাঁৰ টোওঁৱাৰ পিছত সুধিলে 'কি দেখিছা ?' সেই জনে কলে—'চৰাইটো দেখিছো'। আৰু ভালকৈ চোৱাঁ' বুলি কোৱাত তেওঁ কলে—'মোৰ তীৰডাল আৰু চৰাইটো দেখিছো'। দ্ৰোণে সেইজনক আঁতৰি যাবলৈ কলে। এইৰকমে জনে জনে যত শিষ্য আহিল সকলোৱে একে উত্তৰ দিলে। সৰ্ব্বশেষত আহিল অৰ্জ্জুন। অৰ্জ্জুনেও সেইৰকমে বাণ টোঁৱালে। দ্ৰোণে সুধিলে—'কি দেখিছা' ? অৰ্জ্জুনে কলে—"মোৰ বাণৰ আগটো আৰু চৰাইৰ চকুটো'। দ্ৰোণে সুধিলে—'চৰাইটো দেখিছা নে নাই ?' অৰ্জ্জুনে উত্তৰ দিলে—'চকুটো ভিন্ন মই একো দেখা নাই' এই খিনিয়ে যোগফল—(Concentration)—একাগ্ৰতা। আন সকলো চিত্তবৃত্তি নিৰোধ কৰি অকল ধ্যেয় বস্তুত মনোবৃত্তি সংযোগ কৰিব পাৰিলেই যোগ হয়। ব্যক্তিগতভাবে এইৰকম যোগ যি সকলে কৰিব পাৰে, তেওঁলোকে সকলোতে কৃতকাৰ্য্য হব পাৰে। জাতিগতভাৱেও সেয়ে। ৰুছিয়াৰ লগত যুদ্ধ কৰোতে সমস্ত জাপানী জাতিটোৱে এইৰকম যোগ কৰিছিল; সেই দেখিয়েই ঘোৰ যুদ্ধত কৃতকাৰ্য্য হৈছিল। জগতৰ যত যত

মহাপুৰুষ হৈ গৈছে, সকলোৱে যোগ অভ্যাস কৰিহে কৃতকাৰ্য্য হৈ গৈছে। মহাপুৰুষ যীশুখ্ৰীষ্ট, ৰছুল মহম্মদ, বুদ্ধদেৱ, চৈতন্যদেৱ, শঙ্কৰদেৱ সকলোৰে যোগৰদ্বাৰা নিজৰ দেহ মন, নিজৰ আয়ত্ত কৰি লৈহে ঈশ্বৰৰ লগত (communion) সংযোগ হব পাৰিছিল। 'যোগ' মানে কোনো বিশেষ ক্ৰম বা বিশেষ ধৰ্ম্মমতৰ কথা মই কোৱা নাই। মই কৈছো যে সংযম আৰু একাগ্ৰতা এই দুটা আমাৰ ছাত্ৰসকলৰ পূৰ্ণমাত্ৰাই থাকিব লাগিব। নাথাকিলে কেতিয়াও তেওঁলোক জীবনত কৃতকাৰ্য্য হব নোৱাৰে—প্ৰকৃত মানুহ বোলাব নোৱাৰে।

মোৰ কোৱাৰ উদ্দেশ্য এই যে সংযম সকলো যুদ্ধ সকলো মহৎ কামৰ প্ৰথম অধ্যায়। আপোনালোকে বোধ কৰো নেজানে যে জগত-বিখ্যাত Boxing Champion অৰ্থাৎ ঘোঁচা ঘোঁচি কৰা মানুহবিলাকৰ একোজন trainer চালক থাকে। ঘোঁচা ঘোঁচি প্ৰতিদ্বান্দতাৰ এবছৰমানৰ আগৰেপৰা trainer জনে champion জনক চলাবলৈ ধৰে। কি কি খালে তেওঁৰ চকুৰ তেজ নাইবা মাংসপেশীৰ বল কমিব পাৰে, সেইবোৰ বুজি লৈ তেওঁৰ খোৱা বস্তুৰপৰা সেইবোৰ একেবাৰে আঁতৰাই থয়। ঠিক কিমানখিনিত কিমান পৰ ব্যায়াম কৰিলে আৰু ফুৰিলে শৰীৰৰ elasticity অৰ্থাৎ তৎক্ষণাৎ ইফালে সিফালে ঘূৰাৰ ক্ষমতা বাঢ়ে, তিমান পৰহে সেইবিলাহ কাম কৰিবলৈ দিয়ে। স্ত্ৰী-সংসৰ্গ এই এবছৰ একেবাৰে মানা। মনটোত ভয়, ক্ৰোধ, উত্তেজনা যাতে নাহে, তাৰ চেষ্টা দিনে-ৰাতিয়ে হৈ থাকে;

তেহে লাহে লাহে তেওঁ এবছৰৰ মূৰত ঠিক Pugilist ঘোঁচা-যুজাৰু হব পাৰে। ঘোৰ-দৌৰৰ ঘোঁৰা আৰু Jockey চালকৰো একেই দশা। এইবিলাকো যোগ। সংযমেই যোগৰ প্ৰাণ, সাৰ্থকতাৰ প্ৰধান উপাদান। হে মোৰ প্ৰিয় ছাত্ৰ-বন্ধুসকল! সকলোৰ মূল এই সংযম-শিক্ষা বৰ্ত্তমান ধৰণৰ ছাত্ৰ জীৱনত তোমালোকৰ কিমান দূৰ হৈছে নিজ অন্তৰত বিচাৰি চোৱাহঁক।

**শিক্ষা কি?**—পূৰ্ব্ব কালত প্ৰথমে ঋষিগৃহত জ্ঞান আৰু ব্ৰহ্মচৰ্য্য শিক্ষাৰ পিছত প্ৰত্যেকে একোটা উদ্দেশ্য লৈ কাৰ্য্য কৰিছিল। শিক্ষাদিক্ষাৰ পিছত সংস্কাৰাদি শেষ কৰি ব্ৰাহ্মণ-কুমাৰে যাজন-যজন অধ্যয়ণ অধ্যাপণ গৃহস্থাশ্ৰম আৰু শেষত তপস্যা আৰাধনাদি কৰিছিল। ক্ষত্ৰিয়-কুমাৰে যুদ্ধবিদ্যা, ৰাজকাৰ্য্য ইত্যাদি শিকি সৈনিকৰ ব্যৱসায় ৰাজ্য-চালনা ইত্যাদি কৰিছিল, আৰু দৰ্কাৰ হলে দেশৰ নিমিত্তে ধৰ্ম্মৰ নিমিত্তে সম্মুখ সমৰত প্ৰাণ দিছিল। বৈশ্য-কুমাৰে জ্ঞান-উপাৰ্জ্জনৰ পিছত অৰ্থকৰী বিদ্যা কিছুদিন কোনো শ্ৰেষ্ঠীৰ লগত থাকি শিক্ষা কৰি, ব্যৱসায়-বাণিজ্য কৰি নিজৰ দেশখন ধনে-বস্তুৰে ভৰপুৰ কৰি দিছিল। কিন্তু আজি আমাৰ দেশত শিক্ষা ঠিক কঠালৰ আমসত্ত্ব হোৱা নাই নে? স্কুল-কলেজত শিক্ষা হয় জ্ঞানকৰী বিদ্যা লৰাই শ্যেক্সপীয়াৰ, কালিদাস, মলেয়াৰ, গেটেৰ কাব্য পঢ়ে, মাৰ্টিনিউৰ দৰ্শন পঢ়ে, জ্যামিতি ত্ৰিঃকোণামিতি পঢ়ে আৰু কত যে মাতিব নোৱাৰা নামৰ কিতাপ পঢ়ে তাৰ সীমা-সংখ্যা

নাই। তাৰ পিছত এটা ডিগ্ৰী লৈয়েই হয় উকীল, নহয় ডাক্তৰ, কেৰাণী নাইবা মাষ্টৰ কামলৈ দৰ্খাস্ত কৰে। প্ৰফেছাৰ হাকিম ইত্যাদি কাম অতি বিৰল। কেৰাণী, মাষ্টৰে এই দুৰ্দ্দিনত অন্ন-চিন্তা কৰোতে কৰোতে ইফালে সংসাৰ বাঢ়ি যায়। ঘোৰ দাৰিদ্ৰ্যৰ পীড়নত শেক্সপীয়াৰ মিল্‌টন কেনি উৰি যায়, তাৰ ঠিক নাই। শিকিবৰ দিন কেটাত অৰ্থকৰী একো নিশিকিলে, কাজেই জীৱন ভাৰময় হয়। আমাৰ কৃতবিদ্য মানুহৰ ভিতৰত প্ৰায় শতকৰা ৯৯টাৰ এই দশা। কাজেই যি শিক্ষা স্কুল-কলেজত হৈছে, সেই শিক্ষাক অৰ্থকৰী বিদ্যা বুলিব নোৱাৰি। পূৰ্ব্বকালত জ্ঞানকৰী বিদ্যা যি সকলে শিকিছিল, সেইসকলে আশ্ৰম নাইবা তপোবন পাতি দাৰিদ্ৰক নিত্য সহায় কৰি উচ্চ আকাঙ্ক্ষাক একেবাৰে মনৰপৰা বিসৰ্জ্জন দি কেৱল জ্ঞান চৰ্চ্চাতে মগ্ন হৈছিল। আজি কিন্তু জগতৰ অশেষ পৰিবৰ্ত্তনৰ পিছত সেইৰকম জীৱন সম্ভৱপৰ নহয়। তথাপি যিসকলে জ্ঞানকৰী বিদ্যা চৰ্চ্চা কৰে, সেইসকলে হয় দেশৰপৰা চিৰজীৱন স্বচ্ছলতাৰে কটাবলৈ কোনো সুবিধা পাব লাগে। নহলে সেইসকলৰ ঘৰত খাবলৈ থাকিব লাগে। সেইসকলৰ দ্বাৰা নিশ্চয় জগতৰ বহুত কল্যান-সাধন হয়। কাৰণ জ্ঞান জগতৰ অশেষ মঙ্গলকাৰী—শাশ্বত। কিন্তু যাৰ ঘৰত চক্ষু বহাই চাউলৰ নিমিত্তে দুখীয়া আই-বোপাই ভাই-ভনী বহি আছে সেই জন পাছ' কৰি আহি যেতিয়া উকীল হৈ ৫।৬ বছৰলৈকে শুদা হাতে শুকান মুখেৰে কাছাৰিৰপৰা ঘৰলৈ ঘূৰি

আহে, তেতিয়া একোটা ঘোৰ (tragedy) করুণ-ৰসাত্মক অভিনয় দিনে দিনে অভিনীত হৈ থাকে। যেতিয়া বিশ্ব-বিদ্যালয়ৰ ভালকৈ 'পাছ' কৰা লৰাই হাতত, দৰ্খাস্ত লৈ অফিছে অফিছে ঘূৰি ফুৰে, অথচ এটা চাকৰি দুবছৰ চেষ্টাৰ ফলতো নিমিলে, তেতিয়া মাক-বাপেক ইত্যাদি আশাধাৰী জীৱসকলৰ যে কি দুঃখ হয় আৰু কৃতবিদ্যজনৰ হিয়াত যে কি হাহাকাৰ উপস্থিত হয়, তাক অন্তৰ্য্যামীজনেহে জানে। ইয়াৰ প্ৰতিকাৰ কি?—ইয়াৰ কিবা প্ৰতিকাৰ আছে নে। প্ৰাচ্য আৰু প্ৰতীচ্য দুয়োটা বেলেগ। যদিও Anglo-Indian সকলৰ মৰমৰ কবি Rudyard Kipling এ কৈছে East is East and West is West the twain shall never meet—প্ৰাচ্য প্ৰাচ্যই আৰু প্ৰতীচ্য প্ৰতীচ্যই এই দুয়োটাৰ কেতিয়াও মিল হব নোৱাৰে, তথাপি মোৰ মনেৰে পূব আৰু পশ্চিমৰ মিলন অসম্ভৱ নহয়। পূবে যদি নিজৰ পূবত্ব ৰাখি পশ্চিমৰ ওখ ভাবখিনি লব পাৰে, পশ্চিমৰ কাৰ্য্য-পদ্ধতিৰ আভাষখিনি লৈ তাকে নিজৰ কৰি লব পাৰে, তেন্তে প্ৰাচ্য আৰু প্ৰতীচ্যৰ মহামিলন সেইখিনিতে হব পাৰে, আৰু ভাৰতৰো বহুত উপকাৰ হব পাৰে। ভাবি চাওক, য়ুৰোপত অতি ডাঙৰ ডাঙৰ মানুহ বেপাৰী আজি কাগজৱালা লৰা, কাইলৈ ইঞ্জিন্ চফা কৰা কাৰিকৰ, আৰু পৰ্শুই পাৰ্লিয়ামেণ্টৰ মেম্বৰ হৈ তাৰ পিছত Prime minister বা প্ৰধান মন্ত্ৰী। প্ৰধান মন্ত্ৰীজনে গৌৰৱ কৰে যে এজন মিস্ত্ৰিৰ তলত তেওঁ বাধ্য হৈ মিস্ত্ৰিৰ কাম

শিকি লাহে লাহে তেওঁ নিজৰ অৱস্থা ভাল কৰিছিল। অৱস্থা ভাল কৰিবলৈ ইঞ্জিত ড্ৰাইভাৰৰ apprentice হবলৈ তেওঁ লাজ কৰা নাছিল। Lord Reading আছিল Cabin boy অৰ্থাৎ জাহাজৰ কেবিন-বেহাৰা। আজি তেওঁ সেই কথা কবলৈ লাজ নাপায়। কিন্তু আমাৰ দেশত এনে দিনো দেখিছো—কেঞা বুলিলে বৰ ঘৃণাৰ পাত্ৰ। ২০৲ টকীয়া কেৰাণীৰ ঘৰ 'ড'ঙৰীয়াৰ ঘৰ, কিন্তু লক্ষপতি মাৰোৱাৰী-বাবু 'কেঞা-বাবু' মাত্ৰ। এই ঘৃণাৰ কাৰণ কাকো দোষ দিব নোৱাৰি। ই এটা ideal বা ভাবৰ বিপৰ্য্যয়। প্ৰতীচ্যই আহি পূবক জোকাৰি পেলোৱাৰ আগতে জীৱন আছিল সহজ, সৰল। ঘৰত সূতাকটা খনীয়া, চুৰিয়া চেলেঙ্গ দুখন দুখন হলেই ডাঙৰীয়াৰ বছৰৰ কাপোৰ হল। পথাৰত ধান, খাল-বিলত নিজে মৰা মাছ; বাৰীৰ শাক কচু ঢেকিয়াৰে তেখেতসকলৰ পেট ভৰিছিল। নিজৰ নিজৰ ঘৰতে Self-sufficient অৰ্থাৎ সকলো বস্তু উৎপন্ন হৈছিল। বাটৰ মূৰে মূৰে দোকানো নাছিল। ভাৱো নাছিল বেছি, উপাৰ্জ্জনো নাছিল বেছি। টকাত ১ মোণ চাউল, আধামোণ গাখীৰতো সহজ কথা আছিল। ১০৲ টকা হলেই এখন গৃহস্থী বেছকৈ চলিছিল। কাজেই সেই দিনত বামুণে আজৰি সময়ত সাঁচিপাতত পুথি লেখিছিল। আনে আনেও সুখে-শান্তিৰে নিজৰ অভাৱ নিজে পুৰ্ণ কৰি জীৱন-যাত্ৰা নিৰ্ব্বাহ কৰিছিল। তেতিয়া সাউদ হোৱাটো সম্মানৰ কথা হলেও, ডাঙৰীয়া বা পণ্ডিতসকলে নিজক সাউদতকৈ সম্মানী বুলি ভাবিছিল।

অভাৱে তেওঁলোকক তিমান পীড়ন কৰা নাছিল। কিন্তু আজি প্ৰতীচ্যই আহি প্ৰাচ্যৰ ভিতৰত নিজৰ দাবি অকল যে জেতা-বিজেতা বাবে চলাইছে এনে নহয়। আজি পশ্চিমৰ সভ্যতাই পূবৰ সভ্যতাৰ ওপৰত আক্ৰমণ কৰিছেহি। পূব চিৰকাল Conservative অৰ্থাৎ ৰক্ষণশীল। সেইদেখিয়েই প্ৰতীচ্যই নিগ্ৰো জাতিক বা ফিলিপাইন জাতিক নিজস্ব কৰি লোৱাদি প্ৰাচ্যক বলে পৰা নাই। ফলতঃ দুয়োৰো সংমিশ্ৰনত এটি হাস্যৰসোদ্দীপক সভ্যতাৰ সৃষ্টি হব লাগিছে মাত্ৰ। মোৰ বিশ্বাস এই মিলনৰ যিখিনি কুফল, আৰু কিছুদিন চলিয়ে অন্ত হব। তাৰ পিছতে এই মহামিলনৰ সুফল দেখা যাব। যিদিনাখনেই আমি আমাৰ কাৰ্য্যবিলাকৰ Crudity অৰ্থাৎ অসামঞ্জস্য বুজিব পাৰিমহঁক, সেই দিনাখনেই আমাৰ উৰ্দ্ধগতি আৰম্ভ হব। আমাৰ ভিতৰত সম্প্ৰতি পোষাকপৰিচ্ছদ, চলন-ফিৰণ, কথা কোৱা, সামাজিকতা ৰক্ষা কৰা আদিও ইমান হাস্যকৰ কিছুমান কাম দেখা যায় যে তাক উল্লেখ নকৰি নোবাৰি। হয়তো বা বামুণৰ লৰাই পবিত্ৰ শিখা ৰাখে, পূজাত শিখা বন্ধনৰ কাৰণে সমাজত তেখেতক শুচি-সংযতভাৱে খাবলৈ নিদিলেও বৰ বেজাৰ পায়। এইখিনি পূৰণি ৰক্ষণশীল সভ্যতাৰ প্ৰাদুৰ্ভাৱ। কিন্তু সেইজনেই যেতিয়া টিকনিডাল আনক দেখুৱাবলৈ লাজ কৰি মূৰৰ লগত আঁচৰি থৈ দিয়ে, তাৰ ওপৰত 'হেট' এটা পিন্ধে—যাক হেট নামেৰে অভিহিত অৰিলে সেই অঙ্গাভৰণটিক লাজ দিয়া হয় মাত্ৰ—ইফালে-সিফালে চাই

ৰেলৰ refreshment-room বা জলপান-খোৱা কুঠৰীত দড়ীয়া ঠাকুৰে দিয়া জলপানটিও খায়, সেইজন মানুহৰ কাৰ্য্যই নিশ্চয় মনত ভক্তিৰ উদ্রেক নকৰে। আমি পিছত কৰা কামখিনিক বৰ ভাল নোবোলো। আগৰখিনিৰো দিন এতিয়া নাই। ফলত এটা সৰ্ব্বজনীন্ উদাৰতা আহিব লাগিব, কিন্তু সেয়ে খকজা নহৈ নিমজ হব লাগিব। আকৌ ধৰক, কৃতবিদ্য ডেকাই কথা কওঁতে মুখত চেলেউটি একটীয়াকৈ হু'পি প্ৰত্যেক একোআষাৰ কথাতে অন্ততঃ শতকৰা ৫০টাকৈ ইংৰাজী কথা সুমুৰালে সেইটো কি অপভাষা (jargon) হয় তাক তেখেত-সকলে উপলব্ধি নকৰে। আই পোপাই ককাইদেউ ভাইটি ভনীটি কেনে সুমধুৰ আখ্যা! কিন্তু আজিকালি কথা কওঁতে কোৱা হয়=যথা, বুজিছানে মোৰ father এ এনে কৰিলে, এখেত মোৰ mother, মোৰ sistor এ বেছ ছবি আঁকিব পাৰে, ইত্যাদি। এইটো ভাষা চীনদেশীয়বিলকৰ Pigeon English ৰ ( পাৰচৰাইৰ ইংৰাজী ) দৰে Pigeon-ঈঙ্গ অসমীয়া বুলিব পাৰি। ইয়ো প্ৰাচ্যৰ ওপৰত প্ৰতীচ্যৰ আক্ৰমণ মাত্ৰ। পূৰ্ব্বে আমাৰ সমাজত কাপোৰৰ ওপৰত ভদ্ৰতা নিৰ্ভৰ কৰা নাছিল, ভদ্ৰতাৰ ওপৰতহে কাপোৰে নিৰ্ভৰ কৰিছিল। আমাৰ ভাষাত এটা বিয়া নাম আছে, যথা :—"বামুনৰ উত্তমে ফোঁটেলগুণে, হোমৰে উত্তমে ধোৱাঁ"। পুৰণি দিনত বামুণৰ চেষ্টা আছিল ফোঁটটি ভালকৈ লৈ লগুণডালি চুচি-মাজি চকচকীয়া কৰি লৈ কান্ধত চেলেঙ্গ কাপোৰখনি

আৰু চুৰিয়া খনি ; মূৰত দীঘল চুলি তাকে চুচি-মাজি-এটি ফুল আৰু এটা তুলসীপাত শিখাত বান্ধি লোৱা। মই অসহযোগ আন্দোলনৰ ভিতৰত কামৰূপৰ ভিতৰত ফুৰোতে নলবাৰীৰপৰা কিছু দূৰত এজন থুলন্তৰ মহন্তক লগ পালো। লগত এটি লগুৱাই এখন ভাৰ লৈ গৈছে। তেখেতে খুব আঁটি আঁটি এযোৰ বিলাতী বুট পিন্ধিছিল। বুটজোৰ নতুন, সেয়ে ভৰি কাটিছিল ; কাজেই তেখেতে খোৰাইছিল। বুটৰ ওপৰত এযোৰ বৰ ডাঠ মোজা। তাৰ ওপৰত এখন বৰ পাতল বিলাতী ধুতি—তাৰ ওপৰত ৰঙীন কামিজ আৰু ওপৰত এটি গৰম কোট। মূৰত বেছ শকট টিকনি, কিন্তু সম্মুখৰফালে এলবাৰ্ট ফেশ্যন। চোকা ৰ'দ, মই মূৰত জাপি এটা লৈ আহিছিলো। মানুহজনক খামি-জামি একেবাৰে “হাইৰান্ পাৰছান” হোৱা দেখি আৰু তাতে খোৰোৱা দেখি সুধিলো—আপুনি ক'ৰ মানুহ ক'লৈ যায় বুলি। তেখেতে কলে যে তেখেত লক্ষীম-পুৰৰফালৰ মানুহ নল্‌বাৰীৰ ওচৰৰ বামুণ এঘৰত এজনী ছোৱালী দিছে, তাতে মিতিৰ খাবলৈ যাব। কামৰূপীয়া গাৱঁলীয়া বামুণৰ ঘৰত সেই সুসৰ্জ্জিত মূৰ্ত্তি দেখি চাগৈ সকলো-অবাক হৈ গৈছিল ; আৰু তেওলোকে মনে মনে ভাবিছিল এয়ে আজিকালি ভদ্ৰতাৰ পৰিচায়ক। এই খিনিয়েই হৈছে পোষাক সম্বন্ধে Serio-comic বা হাঁহিউঠা গহীন ভাব। কিন্তু তেখেতৰ অবস্থা সেই সময়ত নিশ্চয় tragic অৰ্থাৎ করুণ ৰসাত্মক হৈছিল। ই প্ৰতীচ্যৰ প্ৰাচ্যৰ ওপৰত আধিপত্য বিস্তাৰৰ

চেষ্টাৰ এটা নমুনা। সামাজিকতা ৰক্ষা কৰা সম্বন্ধেও সেই ৰূপ। আজি কালি বিয়াৰ নিমন্ত্ৰণলৈ হেট নেক্‌টাই পিন্ধি যোৱা আলহীও দেখা পোৱা যায়। চাৰিওফালৰ মানুহে হাঁ কৰি এই কৃতবিদ্য ডাঙৰীয়াসকললৈ চাই যায়।

এয়ে আজিকালি ভদ্ৰ-পোষাক বুলি মনক প্ৰবোধ দিয়ে ; ভাবে যে ডাঙৰ মানুহ, ৰজাই দিয়া পোষাক, সেইদেখি পিন্ধিছে। আৰু কোনোৱে তেওঁলোকক দেখি মনে মনে কুইনান্ খোৱা যেন পায়। কিন্তু পিন্ধাটো জন-নিৰ্ব্বিকাৰ। একেইতো হিন্দুৰ ঘৰৰ বিয়া, তাতে পোষাকটি এটি চুটি চোলা, টান ঠেঙ্গা আৰু তৈয়াৰি আসামত শিক্ষা পোৱা দৰ্জ্জিৰ বা চাঁদনীৰ দৰ্জ্জিৰ হাতেৰে। দৃশ্যটি যে Seriotragi-comic হৈ পৰে অৰ্থাৎ গহীন হাস্যৰসমিশ্ৰিত করুণ ৰসাত্মক ব্যাপাৰ হৈ পৰে তাত কোনো সন্দেহ নাই। এইটোও প্ৰাচ্যৰ ওপৰত প্ৰতীচ্যৰ আক্ৰমনৰ ফল। এইৰকমে খোৱা-লোৱা, প্ৰেম-প্ৰীতি কৰা, পঢ়া-শুনা সকলোতে এটা 'খাপছাৰা' সংমিশ্ৰন দেখা যায়। লগুণ লবই লাগিব, কিয়নো বামুণৰ লৰা। কিন্তু সন্ধ্যাৰ মন্ত্ৰ মুখস্থ কৰা বৰ tedious—আমনিকৰ। সন্ধ্যা কৰিবলৈ কোৱাটো এটা ৰীতিমত অত্যাচাৰ। ইও পূব আৰু পশ্চিমৰ সংমিশ্ৰনৰ ফল।

প্ৰিয় ছাত্ৰ আৰু ছাত্ৰী বন্ধুসকল! তোমালোকে এই আদহীয়াক খং নকৰিবা। কিন্তু এই দুয়োটা সভ্যতাৰ কোবত তোমালোকৰ আজি ভাব, ভাষা, পোষাক চৰিত্ৰ কিবা এটা আদৰাঙ্গী ভাবত পৰিপূৰ্ণ হৈ গৈছে। কোনো কোন ঠাইত

প্ৰাচ্যই চেৰাবৰ মতলব হে কৰিছে। অতিশয় বিলাসৰ ভাব, সুখ-লিপ্সা প্ৰতীচ্যৰ। সেয়ে আহি তোমালোকক আৰু সকলো জন সাধাৰণক অধিকাৰ কৰিছেহি। “ঘৰত নাই কণটো, বৰ সবাহলৈ মনটো।” আমাৰ অৱস্থা আজি ঠিক সেয়ে। য়ুৰোপত দেখি আহিলো তাতো কাৰো তৰনি নাই ; শ্ৰমিকদলৰ দৰমহা ক্ৰমে সপ্তাহত ৬০।৭০ টকা পৰ্য্যন্ত হৈছেগৈ, তথাপি তেওঁলোকক খাবলৈ নাটে।

## এ. এছ্‌. এল্‌. ক্লাবত দিয়া বক্তৃতা

ছাত্ৰসকল !

আজি বহুবছৰৰ মুৰত এ. এছ. এল্ ক্লাবৰ সভাত থিয় হবলৈ পাই বৰ আনন্দিত হৈছো। এ. এছ. এল্. ক্লাবৰ বালিখোলাত ভাতৰান্ধি খাই যোৱা সকলৰ ভিতৰত মইয়ো এজন। আমাৰ সেই খোলা এতিয়াও মলিন হোৱা নাই, নতুন নতুন নাৱৰীয়া আহি ইয়াক পৰিষ্কাৰ কৰি ৰাখিছে। যি উদ্দেশ্যত ইয়াৰ জন্ম, এতিয়াও ই তাক পাহৰিব পৰা নাই। এতিয়াও সি সেই উদ্দেশ্য-লক্ষ্য আগত ৰাখি চলা দেখি মই বৰ সন্তোষ পাইছো। আৰু সেই লক্ষ্য আমাৰ আগত আছে দেখিহে ইয়াত থিয় দি কবৰ কথাৰ অভাৱত পৰা নাই বুলি কৈছো।

আমাৰ লৰাকালত বঙ্গালী ভাষাই অসমত প্ৰাধান্য বিস্তাৰ কৰিছিল। তেতিয়াৰ শিক্ষিত অসমীয়া মাত্ৰেই বঙ্গালী ভাষা

কথা কৈ গৌৰৱ অনুভৱ কৰিছিল। ঠিক এই সময়তেই যি সময়ত বঙ্গালী ভাষাক অতি উৎকৃষ্ট ভাষা বুলি অসমীয়াই নিজৰ ভাষাকে গণ্য নকৰিছিল, তেতিয়া জোনাক নামৰ অসমীয়াকাকত ওলাই অসমীয়া ভাষাৰ চৰ্চ্চা কৰিবলৈ ধৰে আৰু ইয়াৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। তেতিয়া স্বদেশ প্ৰেমৰ ঢৌআহি গোটেই অসম খলক লগায়। অসমীয়া ডেকাতৰপৰ মনত আত্মসম্মানৰ ভাব জাগি উঠে। আৰু সেই ডেকা সকলে নিজৰ ভাষাৰ উন্নতিৰ অৰ্থে বদ্ধপৰিকৰ হয়। স্বৰ্গীয় লম্বোদৰ বৰা আৰু স্বৰ্গীয় সত্যনাথ বৰা ডাঙৰীয়াৰ প্ৰতিভাৰ বলত অসমীয়া ভাষাৰ জোৰ বাঢ়ি উঠিল।

## বিলাতত ৺বৰদলৈ

## অসমৰ চাহ বাগিছাৰ বনুৱা সম্পৰ্কে প্ৰবন্ধ

৺বৰদলৈ ডাঙৰীয়াই ইংৰাজীত অসমৰ চাহ বাগিছাৰ বনুৱা সম্পৰ্কে 'India' বোলা কাকত এখনত এটি প্ৰবন্ধ লিখিছিল। সেই প্ৰবন্ধৰো ভাঙনি তলত দিয়া হল :—

বিফৰ্মছৰ জয়েণ্ট পালিয়ামেণ্টে কমিটিৰ ওচৰত শ্যাৰ জে, ডি, বৌছৰ প্ৰশ্নোত্তৰত শ্যাৰ আৰ্কডেলে কয় যে বহুত মানুহ আসামলৈ আহিছে আৰু চাহ বাগিছালৈ আহি তাত্তে

বসতি কৰি লৈছেহি। তেওঁলোক এটা বুধিয়ক আৰু লেখত লব লগীয়া সম্প্ৰদায় হয় নে নহয় সেইটো বিচাৰ কৰা তেনেই উজু কাম নহয়। এইটো নিশ্চয় যে ষিবিলাকে চাহ বাগিচাৰ প্ৰভু সকলৰ হাতৰ পৰা মুকলি হৈ অসমীয়া মানুহৰ সংসৰ্গলৈ আহিব পাৰিছে, বেছি উপাৰ্জ্জন কৰিব পাৰিছে আৰু সভ্য হব ধৰিছে। তেওঁলোকৰ বহুতেই ধৰ্ম্ম-গুৰু সকলৰ শিষ্য হব ধৰিছে আৰু মদ খোৱা এৰি ভালকৈ থাকিব ধৰিছে। কিন্তু এইটো যেন কোনেও ধৰি নলয় যে চাহ বাগিছাত কাম কৰি তেওঁলোকৰ এই উন্নতি সম্ভবপৰ হৈছে। বাগিছা এৰি আহোতে কৰবৈল গলে তেওঁলোকে ধন আৰু নৈতিক বল লৈ নাহে। বাগিছাৰ পৰা ওলাই আহি স্বাধীনতাৰ মুকলি বতাহৰ সোৱাদ লৈ সস্তাত মাটী পাই আৰু স্থানীয় মানুহৰে সৈতে লগ লাগি থাকি তেওঁলোক ভাল হবলৈ ধৰে। এনেদৰে বসতি কৰি থকা মানুহৰ সংখ্যা বৰ বেছি নহয়। চাহ বাগিছাত কাম কৰা বনুৱাৰ সংখ্যা ১০ লাখ হব। অধিক সংখ্যক চাহ বাগিচাই ইংৰাজৰ হাতত আৰু এই য়ুৰোপীয় মেনেজাৰ সকলেই চলায়। উচ্চ সভ্যতা পোৱা প্ৰভুসকলে এই চাহ বাগিচাৰ বনুৱা বিলাকৰ মানসিক, নৈতিক আৰু আৰ্থিক উন্নতিৰ বাবে কি কৰিছে, সেইটো মন কৰিব' লগীয়া। এই বিলাকৰ বেছিভাগ মানুহেই উৰিষ্যা, ছাওঁতাল পৰগণা আৰু ছোট নাগপুৰৰ পৰা আহিছে। এই বিলাক মানুহক সৰহকৈ উপাৰ্জ্জন কৰিব পাৰিব আৰু সুখত থাকিব পাৰিব বুলি আশা দেখুৱাই আসামলৈ নিয়া হয়।

আহোতে বেচেৰাইঁতে অন্তৰত এটা উদ্যম লৈ আছে। বাটত আহোঁতে পিন্ধিবলৈ কাপোৰ আৰু খাবলৈ ভাত দিয়া হয়। জাহাজত গান গাই সিহঁতে ৰং ধেমালি কৰি আছে। মুখত আনন্দৰ জেউতি চৰে। চাহ বাগিছাত সোমোৱাৰ লগে লগে হে সিহঁতৰ দুৰ্গতিৰ আৰম্ভ হয়।

চাহ বাগিছা এখন সৰু চহৰৰ নিচিনা। বেবেকৰ দৰে ঘৰৰ শাৰীত কুলি থাকিব লাগে। মেনেজাৰসকলৰ প্ৰকাণ্ড বঙলা আৰু সহকাৰী কাৰ্য্যকাৰক সকলৰ ভাল ভাল ঘৰ তাত দেখিবলৈ পোৱা যায়। কোনো মানুহেই আন কি পুলিছেও মেনেজাৰৰ বিনা অনুমতিত এই ৰাজ্যত সোমাব নোৱাৰে। মেনেজাৰে ইচ্ছা কৰিলে এই ৰাজ্যৰ ভিতৰত কুলীক মাৰি পেলাবও পাৰে। অভদ্ৰ ব্যৱহাৰও কৰিব পাৰে, আনকি তেওঁৰ ইচ্ছা হলে শয়ে শয়ে কুলীৰ ছোৱালীক 'মাইকী' কৰি ৰাখিব পাৰে। তথাপিও তেওঁৰ এই কাৰ্য্যত বাধা দিবলৈ, নাইবা কোনো প্ৰশ্ন সুধিবলৈ কাৰো সাধ্য নাই। ইয়াৰ বাহিৰেও মেনেজাৰ সকলৰ কদৰ্য্য আচৰণত সিহঁতৰ দুৰ্গতিৰ সীমা নোহোৱা হয়। যদি বৃটিশঃলৈ ভয় আৰু তেওঁলোকৰ বন্দুক, পিস্তল আদিলৈ মানুহৰ ভয় নেথাকিলহেতেন আৰু জিলাৰ বিচাৰক আৰু পুলিছবিলাক এই মেনেজাৰসকলৰ হুকুমৰ দাস মাথোন বুলি মানুহৰ ধাৰণা নাথাকিলহেতেন, তেন্তে এই বিলাক সৰুসুৰা ৰাজ্যত মাৰপিট এটা দৈনন্দিন ঘটনা হলহেতেন। এই মানুহবিলাকে দেশত খাবলৈ নাপাই অনাই বনাই থাকি চাহ বাগিছালৈ আহি

থাকিবলৈ ঘৰ পায়, খাবলৈ ভাত পায়, আৰু ইহতক ইয়াত বিশেষ যত্ন লোৱা হয় বুলি কোৱা শুনা যায়। থাকিবলৈ যেনেকুৱা ভাল ঘৰ দিয়া হয় তালৈ মন কৰিলে সকলো বুজিব পাৰি গৰমকালি একোটা সৰু ঘৰত ইমান বিলাক কুলী থাকিবলৈ দিয়া হয় যে সিহঁত একুৰা জুইত সিজাৰ নিচিনা হয়। ডাক্তৰী সাহায্য যি দিয়া হয় সি কেৱল বাগিচাৰ গৰাকী সকলৰ সুবিধাৰ নিমিত্তেহে। এনে ভাবে তদাৰক লোৱা হয়, যাতে কুলী বিলাকে নমৰি কোনোমতে জীয়াই থাকে। পোন্ধৰ বৰ্গফিট আয়তনৰ ঘৰ এটাত একোটা পৰিয়ালক থাকিবলৈ দিয়া হয়। এইবিলাক কথা বাহিৰৰ পৰা অনুমান কৰিলেহে দেখা যায়। এতিয়া ভিতৰুৱা ভাৱে এওঁলোকৰ আৰ্থিক, নৈতিক আৰু মানসিক উন্নতিৰ বিষয়ে ছবকাৰী ৰিপোর্ট বিলাকৰ পৰা অলপ উন্মুকিয়াই চোৱা যাওক।

১৯১৭-১৮ সনৰ শেহত মুঠ কুলীৰ সংখ্যা ৯৪০,৩৬৮ আছিল আৰু মুনিহৰ এশজনত এক্টমতে ভৰ্ত্তি হোৱা তিৰোতাৰ সংখ্যা ৪১-৬২ আৰু এই মতে ভৰ্ত্তি নোহোৱা তিৰোতাৰ সংখ্যা ৪৮.৫০ আছিল। গড় হিছাবে প্ৰত্যেক মতা কুলীৰ মাহিলী দৰমহা ৮/৬ পাই অৰ্থাৎ বৰ্ত্তমান হাৰে ১৬ শ্বিলিং আৰু মাইকী কুলীৰ ৭৷৷/৬ পাই অৰ্থাৎ ১৫ শ্বিলিং আছিল। ইং১৯১৭-১৮ সনত মঠ মৃত্যু সংখ্যা ২১৯৬১ আৰু আগৰ বছৰত ২৪৮৯০ দেখা গৈছিল।

দোষ আৰু বিচাৰৰ হিছাপত ৬ দফা দেখা যায়। এই-

বিলাকত মেনেজাৰসকলক আক্রমণ কৰাৰ বাবে কুলী বিলাকক দোষী সাব্যস্ত কৰা হৈছিল। ১৭২ জন বাগিচা এৰি পলৰীয়া। এই বিলাকৰ ভিতৰত ৪৭ জনৰ গ্রেপ্তাৰী বিৰুদ্ধে ৱাৰেণ্ট বাহিৰ হৈছিল আৰু ২৬ জনক ফাটেক দিয়া হৈছিল।

কুলীবিলাকৰ প্রায ২০০,০০০ লৰা ছোৱালীৰ শিক্ষা সম্পর্কে আসামৰ ডি, পি, আই বাহাদুৰে ১৯১৭-২৮ সনৰ ৰিপোর্টত (২১ পৃঃ) এই মর্ম্মে লিখি গৈছে।

“শিক্ষা চাহ-বাগিছাবোৰত লাহে লাহে পাছ হুহকি গৈছে। পোনতে ১৪৯ খন স্কুল আছিল আৰু ছাতৰৰ সংখ্যা ৩৬১৫ আছিল। কিন্তু স্কুলৰ সংখ্যা ১৪২ খনলৈ কমি আহে আৰু ছাত্ৰৰ সংখ্যাও কমিগৈ ২৮৮৮ ত পৰে।

## বিলাতত ৰৰদলৈ

(সকলো বোৰ নিম্ন প্রাইমেৰী স্কুল) তৃতীয় শ্রেণীৰ স্কুলৰ হে সংখ্যা কমি আহিছে। এই স্কুল বিলাক চাহ খেতিয়ক সকলে চলায়!

ওপৰৰ কথাৰ পৰা ভাল দৰে বুজা যায় যে কুলী বিলাকে মাহে ২৬ শ্বিলিং দর্ম্মহাত কাম কৰে। তেওঁলোক নিজেই নিৰক্ষৰ। তেওঁলোকৰ লৰা ছোৱালীয়ে শিক্ষা নেপায়, আৰু চাহ খেতিয়ক সকলেও এই বিষয়ে কোনো ৰকমৰ যত্ন নলয়। কাৰণ তেতিয়াহলে অসমীয়া আৰু বঙালী সকলৰ নিচিনা শিক্ষিত হৈ

এনেকুৱা সামান্য দৰ্ম্মহাত কাম।কৰিবলৈ সিহত মান্তি নহব পাৰে।

ছাহ বাগিছাৰ হিসাব চালে ভাল দৰে বুজিব পাৰি যে কোটি কোটি পাউণ্ড মুলধন খটাই চাহ বাগিছাৰ গৰাকী সকলে শতকৰা ১০০ পাউণ্ডৰ ১৫০ পাউণ্ডকে প্ৰত্যেক বছৰে লাভ কৰে এই বিলাক কথাই যেন বৃটিশ বন্নুৱা সকলৰ আৰু সৰ্ব্ব সাধাৰণৰ চকু মুকলি কৰি দিয়ে। এক পিয়লা চাহ খাই তেওঁলোকে যি এটা নতুন আনন্দ পায়, সেই চাহ পিয়ালাই, তৈয়াৰী কৰা বন্নুৱাক আৰ্থিক নৈতিক আৰু মানসিক উদ্গতিৰ কোনো আনন্দ দিব নোৱাৰে।

India November 14—1914 N. C. Bardoloi.

14, Harietta St. Covent garden.

London. W. C.

# ১৯০৮ সনৰ ফৌজদাৰী আইন সংশোধনী বিল

পৰিষদত দিয়া বক্তৃতা—

(ক) সভাপতি মহোদয়, আজি এই ফৌজদাৰী আইন সংশোধনী বিলৰ আলোচনাৰ সুযোগ লৈ ইমান দিনে বিলখনে কেনেকৰে শাসন সম্পৰ্কে কাৰ্য্য কৰি আহিছে তাকে মই

ব্যক্তিগতভাৱে যিখিনি জানো সেইখিনি ভাঙি ধৰাত বোধ কৰোঁ বিপক্ষ দলৰ সুদীৰ্ঘ আৰু বিৰক্তিকৰ বক্তৃতাৰ পাছত মোক ক্ষমা কৰিব। মাননীয় আইনসচীব ডাঙৰীয়াই এই বিলৰ আলোচনাৰ আৰম্ভ কৰি দিল্লীত কৈছে। সভাৰ আগত প্ৰশ্ন হৈছে—১৯০৮ সনৰ আইন তুলি দিয়া হবনে নহব। এই আইন প্ৰবৰ্ত্তাই থকাৰ ন্যায়তঃ কিবা যুক্তি আছেনে নাই?" আৰু তেতিয়া মাননীয় আইনসচীব ডাঙৰীয়াই তেখেতৰ বক্তৃতা বঙ্গদেশৰ ঘটনাৱলীতেহে আৱদ্ধ ৰাখিছিল আৰু কৈছিল যে তেখেতৰ বঙ্গদেশৰ ঘটনাৱলী ভালদৰে অবগত আছে আৰু অইন প্ৰদেশত কি ঘটনা ঘটিছে সেই বিষয়ে তেখেতৰ জনা নাই। ছাৰ যদিও মই বঙালী নহও, তথাপি মই মোৰ জীৱনৰ বহুখিনি সময় বঙ্গদেশত কটাইছো আৰু ১৮৯৩ সনৰ পৰা ১৯১৫ সনলৈ বঙ্গদেশতে আছিলো। সেই কাৰণে মই এজন নিৰপেক্ষ দৰ্শক হিছাবে কেনেকৈ বঙ্গদেশৰ আত্মা জৰ্জ্জৰিত হৈছে সেইটো ভালদৰে চাবৰ সুবিধা পাইছিলো আৰু বঙ্গদেশৰ ওপৰত কেনেকৈ এই কেইবছৰে নিষ্ঠুৰ ভাৱে অত্যাচাৰ তাকো দেখি আছো। কিন্তু বঙ্গদেশৰ ঘটনা লৈ আৰম্ভ কৰাৰ আগতে মই মোৰ অসম প্ৰদেশৰ কিছুমান ঘটনাৰ কথা উল্লেখ কৰিম আৰু দেখুৱাম কেনেকৈ পুলিছ আৰু মেজিষ্ট্ৰেটে আইন আৰু শৃঙ্খলাৰ নামত বে-আইনী কৰে। তেনে অসংখ্য ঘটনাৰ কেইটামান মাথো মই ইয়াত উল্লেখ কৰিম। অসমত অৰাজকতা নাইবা বিপ্লৱৰ কথা ইয়াৰ আগেয়ে কেতিয়াও নাজানিছিল। কিন্তু

অমৃতছৰত এজন উচ্চ ইউৰোপীয় মিলিটেৰী কৰ্ম্মচাৰীয়ে মতা তিৰোতা, আৰু লৰাছোৱালীৰ ওপৰত নিৰ্দ্দয়ভাবে গুলী চলাই হত্যা কৰা ঘটনাৰ পাছত যেতিয়া সমগ্ৰ ভাৰতবৰ্ষ জুৰি আন্দোলন সৃষ্টি হ'ল—অসমেও সেই আন্দোলনৰ পৰা বাদ পৰি বাহিৰত থাকিব নোৱাৰিলে। ইয়াৰ আগেয়ে ঘটনাৰ ঢাল আন ফালে গৈছিল।

ছাৰ, মই নিজে এজন ৰাজভক্ত পৰিয়ালৰ মানুহ, আৰু মই নিজেও ৰাজভক্ত আছিলো। আৰু মই খোৱা লোৱা পিন্ধা উৰা সকলো বিষয়তে ছাহাব আছিলো। কিন্তু যেতিয়া মই সেই নিষ্ঠুৰ ঘটনাৰ কথা শুনিলো, আৰু যেতিয়া মই ডাঃ ৰবীন্দ্ৰনাথ ঠাকুৰৰ বিবৃতি আৰু তেখেতৰ নাইট উপাধি ইস্তফা দিয়া পঢ়িলো তেতিয়াই মই ছাহাবি চলন ফুৰনৰ ধৰণ এৰি পেলালো। আৰু তেতিয়াই মোৰ জ্ঞান হল যে যিমানেই শাসকৰ চলন ফুৰন অনুকৰণ নকৰক কিয়—A slave is a a slave (দাস সদায়ে দাসেই) (শুনক শুনক) তেতিয়াই মহাত্মা গান্ধীয়ে নেতৃত্ব লবলৈ ওলাই আহে আৰু কয় যে এটা পৰাধীন জাতিৰ পক্ষে তাৰ ওপৰত কৰা অন্যায় অত্যাচাৰৰ প্ৰতিকাৰ কৰিবলৈ আইন অমান্য, অসহযোগ, অহিংস অসহযোগত বাহিৰে আৰু অন্য উপাই নাই।

(শুনক, শুনক) মই আজিও অহিংস অসহযোগত সম্পূৰ্ণ আস্থাবান। মই এজন মহাত্মা গান্ধীৰ সামান্য সেৱক আৰু মই অহিংসাত সম্পূৰ্ণ বিশ্বাস কৰো। আৰু মোৰ বিশ্বাস

গৱর্ণমেণ্টৰ আৰু বঙালী কিছুমানৰ দ্বাৰা অনুষ্ঠিত হিংসা কাৰ্য্যৰ বাবে যি সকলে বেচি অনুভৱ কৰে ; তেওঁলোকৰ ভিতৰৰ ময়ো এজন। মই যি সকলে হিংসা কাৰ্য্য কৰে তেওঁলোকৰ প্ৰশংসা নকৰো ; মোৰ মতে ঘাটক ঘাটকেই ; তেওঁলোক প্ৰশংসাৰ যোগ্য নহয়। কিন্তু কথা হৈছে তেওঁলোকে নৰহত্যা কৰে কিয় ?

মই প্ৰথমতে মোৰ অসম প্ৰদেশ লৈয়ে আৰম্ভ কৰিম।

১৯২১ সনৰ হঠাতে এদিন দেখো অসম গেজেটত গোটেই প্ৰদেশ জুৰি স্বেচ্ছাসেৱক সঙ্ঘ বিলাক বে-আইনী ঘোষণা কৰা হৈছে। সেই জাননী গেজেটত প্ৰকাশ হোৱাৰ পিছৰ পৰাই অত্যাচাৰ আৰম্ভ হল। দলে দলে মানুহ ফাটেকলৈ পঠোৱা হল। নেতা সকলক সকলোকে ফাটেকত দিয়া হ'ল। তাৰ পিছত কি অন্যায় অত্যাচাৰ অনুষ্ঠিত হল, তাৰে কিছুমান মই ইয়াতে উল্লেখ কৰিম।

যেতিয়া মই যোৰহাট জেইলত আছিলো কিছুমান হিন্দু আৰু কিছুমান মুছলমান স্বেচ্ছাসেৱকে, একে লগে যোৰহাট ছহৰৰ পৰা ৪ মাইল মান দূৰৈত বাঁহৰ পাতি আছিল। মুছলমান বিলাকে কোৰাণ ছৰিফ পঢ়ি আছিল। আৰু হিন্দু সকলে পূজা সেৱা কৰিছিল। এনেতে এদল গুৰ্খা আহি ঘৰটো বেঢ়ি ধৰি জুই লগাই পুৰি পেলাই। আৰু বেছেৰা স্বেচ্ছাসেৱক কেইজনে কোনো মতে প্ৰাণ ৰক্ষা কৰি তাৰ পৰা ওলাই আহিব পাৰিছিল।

পুলিছ কৰ্ম্মচাৰী মিঃ ঘোষ আছিল। তেখেত এই কাৰণৰ বাবে নহয়—আন কোনো কাৰণত কামৰ পৰা ডিচমিচ হয়, আৰু ফাটেকলৈ যায়।

এই কৰ্ম্মচাৰী জন আৰু ডেপুটি মেজিষ্ট্ৰেট জনক তেতিয়া কিয় একো দণ্ড দিয়া নহল? ডেপুটি মেজিষ্ট্ৰেট জন ইউৰোপীয় আছিল। আৰু মেদিনীপুৰ জিলাৰ মেজিষ্ট্ৰেট "মিঃ গ্ৰিফিথ ছৰ" নিচিনাই বক্তা আছিল। তেখেতে সেই ঘৰ পোৰাৰ সময়ত জিলাতেই আছিল। ইয়াৰ বাহিৰেও অসংখ্য কংগ্ৰেছ অফিছ গুৰ্খা বিলাকে ভাঙ্গি পেলাই আৰু জুই লগাই পোৰে। এই বিলাক গৃহ দাহৰ অপৰাধ (Arson Case) নহয়নে? এনেকুৱা অসংখ্য ঘটনাৰ আবৃত্তি কৰিব পাৰি। উত্তৰ লক্ষীম পুৰত এজন স্বেচ্ছাসেৱকে বিয়াৰ হোম কৰিবলৈ বহোতেই পুলিছে গৈ।তেওঁক গ্ৰেপ্তাৰ কৰাত দৰাজনে ভাবী ঘৈণীয়েকৰ কাষত নিজৰ ফটো এখন থৈ পুলিচৰ লগত যায়। পুলিছে তেওঁক বিয়া কৰাবৰ সময় খিনিও ৰেহাই নিদিলে। এই বিলাকত ১৯০৮ সনৰ আইন ঠিক মতে প্ৰয়োগ কৰা হৈছিল নে? কোনে ইয়াৰ ধাৰা বিলাকৰ অপব্যৱহাৰ কৰি দিলে? স্বেচ্ছাসেৱক বিলাকে নে?

মই ডাঠি কওঁ যে কেনেও অসমৰ স্বেচ্ছাসেৱক বিলাকে হিংসাৰ আশ্ৰয় লোৱা বুলি নাইবা পুলিচক মৰা বুলি কব নোৱাৰে। তথাপি তেওঁ বিলাকৰ ওপৰত এনে অত্যাচাৰ কৰা হৈছিল কিয়? যেতিয়া মই এই বিলাক শুনিছিলো তেতিয়া

মই যোৰহাট জেইলত। জেলত মোৰ ভাব হল কিয় বঙ্গদেশত বিপ্লববাদীৰ সৃষ্টি হৈছে? সম্ভবতঃ অসমীয়া বিলাক বঙ্গালীৰ নিচিনা ভাবপ্ৰবন নহয়, সেই কাৰণেই বোধকৰো অসমত বিপ্লববাদৰ সৃষ্টি নহল। মই আৰু এটা উদাহৰণ ইয়াতে দিম।

১৯২১ সনত এজন চিভিলিয়ান কৰ্ম্মচাৰীয়ে এদল গুৰ্খা লৈ "বকো" লৈ জৰিমনা আদায় কৰিবলৈ গৈছিল। বকো অসহযোগ আন্দোলনৰ কেন্দ্ৰ (Strong hold) আছিল। যি সকলে জৰিমনা আদায় কৰিলে—ভালেই, কিন্তু যি বিলাকে জৰিমনা আদায় কৰিবলৈ সম্মত নহল তেওঁলোকক বাতি নৈৰ পানীত ডুবাই ৰখা হৈছিল। আৰু দিনত হাত কেৰেয়া দি জৰিমনা নিদিয়া-লৈকে সুৰুযমুখে ঠিয় কৰাই ৰখা হৈছিল। ( Shame, Shame )। এই বিলাক অত্যাচাৰ কৰিবলৈ ১৯০৮ সনৰ আইনত আছেনে? তাৰ পিছত চিলেটত এজন পুলিচ সাব-ইনিস্পেক্টৰে এদল গুৰ্খা লগত লৈ গৈ এজন মুছলমানৰ ঘৰ সোমাই ঘৰ দুৱাৰ সম্পত্তি নষ্ট কৰাৰ বাহিৰেও কোৰান এখনো ফালি পেলাইছিল। এখন বাতৰি কাকতত এনেকৈ কোৰান ফালিছে বুলি লিখাত কাকতৰ সম্পাদকে কেছাৰীত জবাব দিব লগা হল। অৱশ্যে সেই সময়ত এজন ন্যায় বিচাৰক থকাত তেওঁ ঘটনাৰ ঠাইলৈ গৈ তদন্ত কৰি ঘটনা সত্য পোৱাত সম্পাদক জনক খালাছ দিয়ে।

এই উপলক্ষে অসম কাউন্সিলত এটি গৰিহনাৰ প্ৰস্তাবো

পাছ কৰা হৈছিল। তাৰ পাছত বিখ্যাত "কামাইঘাট স্যুটিং কেছ"। কনেষ্টবল এজনক ইউৰোপীয় I. C. S. অফিচাৰ এজনে কথা মুখুনাত গুলিয়াই মৰা হৈছিল বুলি কোৱা হয়। তাকে লৈ ভয়ানক অত্যাচাৰ আৰম্ভ হৈছিল। তাৰ পাছত সেই জন কৰ্ম্মচাৰীৰ বিৰুদ্ধে দেৱাণী মোকৰ্দ্দমা কৰিবলৈ দিয়া হৈছিল। কিন্তু মোকৰ্দ্দমা কৰাৰ আগতেই কৰ্ম্মচাৰী জন ভাৰতবৰ্ষ এৰি গুচি যায়; আৰু মোকৰ্দ্দমা কৰা নহল। এই বিলাক কথা মোৰ নিজা নহয়। ১৯২৪ সনত অসম কাউন্সিলৰ কাৰ্য্য বিবৰণীতে এই সকলো কথা পাব। সেই কাউন্সিলত মোৰ বন্ধু শ্ৰীযুত বসন্তকুমাৰ দাসো এজন সভ্য আছিল। এই সকলো বিলাক কথা কাউন্সিলত দাঙি ধৰা হৈছিল। আৰু সুৰমা উপত্যকাৰ আৰু গুৱাহাটিৰ ডেপুটি কমিশ্যনাৰ সেই সময়ৰ চীফ চেক্ৰেটৰী মিঃ বেন্টিংকে এইবিলাক কোনো কথাকে মুই নকৰিছিল। তেখেতে নিজেই পাছত কৈছিল "যি সময়ত এই ঘটনা অনুষ্ঠিত হৈছিল তেতিয়া নেতা সকল জেলত। তেতিয়া আমাৰ কি কৰো কি নকৰো এনে অৱস্থা হৈছিল। গতিকে মই অনুৰোধ কৰো "গতস্য শোচনা নাস্তি" সেই বিলাক পাহৰি পেলাওক। এই হৈছিল তাৰ উত্তৰ। গতিকে মই সোধো ১৯০৮ সনৰ আইনৰ সদ্ব্যৱহাৰ কৰা হৈছেনে? যেতিয়াই শাসকৰ হাতত এটা অতিৰিক্ত ক্ষমতা দিয়া হৈছে, তেতিয়াই তেওঁবিলাকে তাৰ যথেষ্ট অসদ্ব্যৱহাৰ কৰি আহিছে। এই ১৯০৮ সনৰ আইন অসমৰ ওপৰত বজ্ৰ

পৰাদি পৰিছিল। যদিও অসমত তেনে আইন প্ৰয়োগৰ কোনো আৱশ্যকেই নাছিল। অসহযোগ আন্দোলনৰ সময়ত এই আইন ব্যাপক ভাবে ব্যৱহাৰ কৰা হৈছিল। তাৰ পাছত অসহযোগ আন্দোলনে শাম কাটিলে, কিন্তু ১৯৩০ সনত যেতিয়া সমগ্ৰ ভাৰতবৰ্ষ জুৰি আন্দোলন আৰম্ভ হল—অসমতো আন্দোলন লাগি উঠিল। মই যদি সেই সময়ৰ এটা বা দুটা ঘটনাৰ কথা আপোনালোকৰ আগত দাঙ্গি ধৰো আপোনালোকে নিশ্চয় জিকাৰ খাই উঠিব।

অসম কাউন্সিলৰ Oppositionৰ ডেপুটি লীডাৰ বাবু ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰী এজন ডাঙৰ জমিদাৰ আৰু জনপ্ৰিয় লোক। তেখেতে আৰু মোৰ মাননীয় বন্ধু মিঃ বসন্ত কুমাৰ দাসে সেই সময়ত এটা শোভা যাত্ৰাৰ নেতৃত্ব কৰি গৈছিল। বাটতে পুলিছে তেওঁলোকক বাট ভেটা দিয়ে। আৰু বহুতকে ৰেগুলেশ্যন লাঠিৰে নৰ্দ্দমাত বগৰাই দিয়ে। মোৰ বন্ধু আৰু চৌধুৰীক তেওঁলোকৰ ডিঙ্গিত মেৰাই লোৱা চাদৰত ধৰি টানিনি এখন মটৰ লৰিত ভৰাই গ্ৰেপ্তাৰ কৰি জেললৈ লৈ যায়। তেওঁলোকৰ অপৰাধ তেওঁলোকে শোভাযাত্ৰা এটি পৰিচালনা কৰিছিল। এই বিলাক ১৯০৮ সনৰ আইন সম্মত নে? তেওঁলোকৰ বিচাৰ হল আৰু প্ৰত্যেককে ছবছৰ কৈ সশ্ৰম কাৰাদণ্ড দিয়া হল। তেওঁলোকে জেলত থকা কালত কি ঘটিল তাকে কম। সেই জেলতে বহুতো সম্ভ্ৰান্ত পৰিয়ালৰ লৰা কয়দী হৈ আছিল।

এজন ওৱাৰ্ডাৰে তেওঁলোকক অপমান কৰাত তেওঁলোকে ওৱাৰ্ডাৰৰ বিৰুদ্ধে জেইলাৰৰ ওছৰত গোচৰ কৰিবলৈ জেলৰ দুৱাৰ মুখলৈ আহে। হঠাতে পগলা ঘন্টি বজাই দিয়া হয়। তেতিয়া ওৱাৰ্ডাৰ আৰু এদল পুলিছে জেলৰ ভিতৰলৈ সোমাই আহি তেওঁলোকৰ ওপৰত মাৰধৰ আৰম্ভ কৰিলে। ফলত কাৰো হাত ভাঙিল, কাৰো মুৰ ফাটিল, কোনো খোৰা হল। ১৯৩২ সনত মোৰো গুৱাহাটিত জেল হয়। মোক কিয় আৰু কেনেকৈ গ্ৰেপ্তাৰ কৰা হল তাকো মই কম। প্ৰথম বাৰত মই কংগ্ৰেছ অফিছৰ প্ৰাইভেট কম্পাউণ্ডত জাতীয় পতাকা উত্তোলন কৰিছিলো। তেনে কৰাত মই আৰু মোৰ বন্ধু যি সকল তাত উপস্থিত আছিল; সেই সকলোকে পুলিছে বেঢ়ি ধৰে আৰু ডি. এছ. পি. স্বয়ং তাত য়ুনিফৰ্ম্মেৰে সৈতে এদল লাঠিওৱাল কনেষ্টবল লৈ হাজিৰ আছিল। মই তেখেতে প্ৰাইভেট কম্পাউণ্ডলৈ কি আইনৰ বলত আহিছে আৰু জাতীয় পতাকা তোলা কিবা দোষৰ কামনে তাকে সুধিলো।

উত্তৰত তেওঁ ১৪৪ ধাৰাৰ বলত তালৈ যোৱা বুলি কলে আৰু কলে; "আপোনাৰ কথালৈ মই কাণ নকৰো ডেপুটি কমিশ্যনাৰৰ হুকুম, মই আপোনালোকক গ্ৰেপ্তাৰ কৰিম"। আমাক সকলোকে গ্ৰেপ্তাৰ কৰিলে; ফলত দিনান্তে আমাক খালাছ দিয়া হল।

ভাবিলো কৰ্ত্তৃপক্ষৰ অলপ সুমতি হল। সাতদিন পাছত মোক পুনৰ গ্ৰেপ্তাৰ কৰিলে আগৰ চাৰ্জ্জত নহয়। নতুন

চাৰ্জ্জত—যেনে মই স্বেচ্ছা সেৱক দলৰ নেতা। মই কেংগ্ৰেছইন নাছিলো, অৱশ্যে মই জিলা কংগ্ৰেছ কমিটিৰ সভাপতি আছিলো। মই এই আইনৰ ১৭ ধাৰাত পৰিলো—আৰু মোৰ তিনিমাহ ফাটেক হয়। বিচাৰক জন মোৰ বন্ধু আছিল। তেখেতে হুকুমত লিখিছে যে—মিঃ বৰদলৈ বহুত ৰাজহুৱা কামত সংশ্লিষ্ট আছে, আৰু, তেখেতৰ বক্তৃতাও দোষ জনক নহয়; তথাপি তেখেত যেতিয়া অনুষ্ঠানৰ কৰ্ত্তা তেতিয়া তেখেতক তিনিমাহ সশ্ৰম ফাটেক দিয়া হল। আৰু চিলেটজেললৈ পঠোৱা হল।

মই অৱশ্যে দুবছৰৰ আশা কৰিছিলো। কিন্তু তিনি মাহতেই শেষ হল। আগৰ বাৰত মোৰ ১৮ মাহ ফাটেক হৈছিল। ছিলেটলৈ গৈ মই দেখিলো যে ডেকা সকল বিদ্ৰোহী হৈ উঠিছে। ওপৰত উল্লেখ কৰা মাৰপিটৰ কাৰণে তেনে অৱস্থা উদ্ভৱ হৈছে বুলি মই জানিব পাৰিলো। জেল ছুপাৰিণ্টেণ্ডেণ্ট "কৰ্ণেল সেন" এজন বৰ ভাল মানুহ। তেখেতে মোৰ ওচৰলৈ আহি মোক সকলো ঘটনা বিচাৰি এটা সুমিমাংসা কৰিবলৈ কোৱাত, মই লৰা বিলাকক মোৰ ওচৰলৈ মাতি আনি জেললৈ আহিলে যে জেলৰ নিয়ম মানি চলিব লাগে তাকে বুজাই কলো। মহাত্মা গান্ধীয়ে জেলৰ নিয়ম মানি চলিবলৈ আমাক সকলোকে কৈছে, আৰু মই ও কোৱা কাম কৰিছো। এই বুলি কোৱাত লৰা বিলাক সাম্য হল। আৰু সিদিনাৰ পৰাই—জেলত কোনো গোলমাল নোহোৱা হল।

ময়ো নিজে জেলত দুটা মুঢ়া বান্ধিছিলো। আৰু সেই দুটা আজিও স্মৃতি চিহ্ন ৰূপে মোৰ ওছৰতে আছে। ঘটনাক্রমে মই যদি তালৈ নগলো হেতেন, এটা মাৰপিট আকৌ যে হল হেতেন নিশ্চয়। এই লৰাবোৰৰ ওপৰত কৰা ব্যৱহাৰ দেখি তেতিয়া মোৰ ভাৱ হল যে ছিলেটতোবিপ্লবী দলৰ সৃষ্টি হব। এদিন দেখিলো ১২ জনমান লৰাক জেইলাৰক কিবা কোৱা বুলি ১৫ দিনলৈ গাণিক্লথ (থৈলা) পিন্ধিবলৈ হুকুম দিছে। সম্ভবতঃ আমাৰ বিপৰীত দলৰ ভদ্রলোকসকলে নাজানে গাণিক্লথ নো কি বস্তু! তেওলোকে ভাবিব পাৰে যে দোষ কৰিছে দণ্ড পোৱা উচিত। কিন্তু মই তেওঁলোকক কব কব খোজো যে আন কি তামাচাৰ ছলতেই এদিন ছিলেটৰ নিচিনা গৰম ঠাইত "গানিক্লথ" তেওলোকে পিন্ধি কেনে লাগে চালে বুজিব পাৰিব "গানিক্লথ" কি বস্তু। সেই লৰাহতে ১০ দিন "গানিক্লথ" পিন্ধি গাৰ খজুৱতি আদিত কি কষ্ট ভুগিলে তাক কৈ শেষ পেলাব নোৱাৰি। হাজাৰ হলেও তেওঁলোক মানুহ শিক্ষিত আৰু সম্ভ্রান্ত বংশৰ। এই বিলাক দেখিশুনি বঙ্গদেশৰ অংশ ছিলেটতো যে বিপ্লব দলৰ সৃষ্টি হব সেইটো মোৰ ধাৰণা হ'ল ; সেই সময়ত ছিলেটত কোনো বৈশিষ্ট্য ঘটনা ঘটা নাছিল। আৰু এটা ঘটনাই মোক strike কৰিছিল। অসম উপত্যকাৰ যি সকল লোকৰ জেল হৈছিল তেওঁলোকৰ ম্যাদ কমদিনীয়া আছিল —**মোৰ নিচিনা এজন পুৰণা দাগীকো মাত্র তিনিমাহৰ ফাটেক দিছিল।** কিন্তু

ছিলেটত গৈ যি দেখিলো সি ভয়ানক। ১৬।১৭ বছৰীয়া ছোৱালী আৰু কোলাত কেচুৱা লৈ অহা সম্ভ্ৰান্ত উকীল আদিৰ মহিলা সকলক ২ বছৰকৈ ফাটেক দিয়া হৈছে।

এজন উকীলৰ ঘৈনীয়েক গৰাকীক ডুবছৰ ফাটেক দিয়া হৈছিল, তেখেতৰ কোলাত এটি কেচুৱা। 'বেছেৰা বাপেক জনে লৰাটো ৰাখিব নোৱাৰি জেলত দি যায় আৰু নিতৌ কাছাৰীৰ পৰা আহি এবটলকৈ গাখীৰ লৰাটোৰ কাৰণে দিয়েহি। এই বিলাক মনুষ্যোচিত নে? এইটোৱেই কেৱল এনেধৰণৰ ঘটনা নহয়, এনে ঘটনা অনেক। ছিলেটত কম দণ্ড হোৱা কাৰো নাছিল, সকলোৰে ডুবছৰ, তিনিবছৰ ফাটেক হৈছিল। বহুত ঠাইত ইউৰোপীয়ান কৰ্ম্মচাৰীয়ে পুলিছৰ হতুৱাই মাৰধৰ আদিও কৰিছিল। সিদিনাখন বক্তৃতাৰ কোবত জোৰ কৰি মেদিনীপুৰৰ জিলা মেজিষ্ট্ৰেট মিঃ গ্ৰিফিথছে কৈছে যে কংগ্ৰেছ স্বেচ্ছাসেৱক সকলে প্ৰথমতে অহিংসাৰেই কাম আৰম্ভ কৰে আৰু হিংসাৰে কাম শেষ কৰে। মই সুধিব খোজো, এনে কৈ কিমান জনে আনকি বঙ্গদেশতে পুলিছৰ মূৰ ভাঙ্গিছে। এজনো তেনে নোলাব, কিন্তু হিংস্ৰক বৃত্তি অৱলম্বিত হয় অন্য পক্ষৰ পৰা।

যদিও এনেকুৱা কথা কৈ থাকিলে থাকিব পাৰি, তথাপি মই অসমৰ কথা এৰি এতিয়া বঙ্গদেশৰ কথালৈহে আহিম। মই বঙ্গদেশত ১৮৯৩ সনৰ পৰা ১৯১৫ সনলৈ আছিলো— আগখণ্ডত ছাত্ৰ হিছাবে আৰু পাছৰ ডোখৰ ব্যৱহাৰজীৱি

হিছাবে। মই সদায় বঙ্গদেশত থকা কালত বঙ্গদেশৰ ওপৰত অত্যাচাৰে দেখি আহিছো। মই সদায় terrorism ঘিন কৰো। মোৰ মতে বঙ্গদেশৰ বৰ্ত্তমান অৱস্থাৰ সৃষ্টি হয় বঙ্গ-ভঙ্গ দিনৰ পৰা। বঙ্গদেশৰ জনমতৰ বিৰুদ্ধে বঙ্গদেশকে দুভাগ কৰা হৈছিল চাৰিও ফালে সভাসমিতিত এই নীতিৰ প্ৰতিবাদ কৰা হৈছিল। কিন্তু গৱৰ্ণমেণ্টে সেই কথাত কৰ্ণপাত নকৰিলে আৰু জনমতৰ ওপৰত কুঠাৰঘাট কৰি বঙ্গ-ভঙ্গ কৰিলে ফলত স্বদেশী আন্দোলনৰ সূত্ৰপাত হ'ল, বিলাতী বস্তু বৰ্জ্জন কৰিবলৈ সকলোকে অনুৰোধ জানোৱা হল। ইংৰাজবিলাক শাসক তেওঁলোকৰ বন্দুক কামান আছে—তেওঁলোকে ক্ষমতাৰ অহঙ্কাৰত বেছেৰা প্ৰজাসকলে কি বিচাৰিছে তালৈ ভ্ৰুক্ষেপ নকৰিলে, কিন্তু প্ৰজাসকলে তেওঁলোকৰ ওপৰত কৰা অন্যায় বিচাৰৰ প্ৰতীকাৰ পাবলৈ হিংসালৈ নগৈ স্বদেশী আন্দোলন চলালে। তেওঁলোকে প্ৰত্যেক দোকানে দোকানে গৈ পিকেটিং আৰম্ভ কৰিলে। প্ৰকৃততে কবলৈ গলে ভাৰতীয় সকলৰ মাজত স্বদেশীভাব সেই আন্দোলনৰ পৰাই আহে। বেয়াৰ পৰা সুফল ফলিল। প্ৰত্যেকজন বঙালী, তেওঁ চাকৰিয়ে কৰক বা পুলিছ হওক তেওঁৰ অন্তৰত স্বদেশীভাব আছেই আছে। আপুনি বঙ্গদেশৰ যলৈকে ইচ্ছা তলৈকে যাওক দেখিব স্বদেশীভাৱ সকলো মানুহৰ অন্তৰতেই বিৰাজবান। "স্বদেশী কিনক" এইয়ে সকলোৰে মন্ত্ৰ। এই গবৰ্ণমেণ্টৰ শাসনৰ তলত বঙালীসকলে নানাৰকম অত্যাচাৰ লাঞ্ছনা ভোগ কৰি আহিছে। আন্দোলন-

কাৰী সকলক দলে দলে নিৰ্দ্দয় ভাৱে মাৰ পিট কৰি জেলত দিয়া হৈছিল। এই বিলাক কি কাৰণে কৰা হৈছিল? গবৰ্ণমেণ্টৰ নীতি হল কেনেকৈ দেশৰ এদল মানুহক আৰু দলৰ বিপক্ষে থিয় কৰাব পাৰি; ছাৰ বেমফিল্ডফুলাৰ সেই সময়ত বঙ্গদেশৰ গবৰ্ণৰ আছিল। তেওঁ পূৰ্ব্ববঙ্গৰ মুছলমান সকলক তেওঁৰ favourite wines বুলি অভিহিত কৰিছিল। এনেকৈয়ে হিন্দুমুছলমানৰ মাজত ভেদ ভাৱৰ সৃষ্টি হল। বহুতো ঠাইত মৰামৰি আৰু ডকাইতি হব ধৰিলে। সেই সময়তে এই Terrorismৰ ভাৱ মানুহৰ অন্তৰত বিয়পি পৰিল ইয়াৰ আগতে ইংৰাজ বিলাকে বঙ্গালীবিলাকক ভীৰু কাপুৰুষ বুলি কৈ অহা বুলি বোধকৰোঁ ল' মেম্বাৰকে আদি কৰি সভ্যসকলে মোক ক্ষমা কৰিব। মই যেতিয়া St. Xavier কলেজৰ ছাত্ৰ, তেতিয়া এদিন দেখিলো যে এজন য়ুৰোপীয়ানে ডেৰশমান বঙ্গালী ছাত্ৰক সম্বোধন কৰি বঙ্গালী বাবুসকলক মই জোতাৰে লঠীয়াই পেলাব পাৰোঁ বুলি কলে আৰু বঙ্গালী ছাত্ৰ সকলে কোনো প্ৰতিবাদেই নকৰিলে কিন্তু বৰ্ত্তমানে যদি ১০০জন ছাহাবে এজন বঙ্গালীকো তেনে কথা কয় তেনেহলে বঙ্গালী ছাহাব বিলাকক শুদাই নেৰে। ঘটনাৰ পৰিবৰ্ত্তন এনেদৰেই হৈছে। আৰু এইটো কৰিলে কোনে? গবৰ্ণমেণ্টে তেওঁলোকৰ অত্যাচাৰৰ দ্বাৰা বঙ্গালীৰ প্ৰাণত জাতীয় বোধৰ সৃষ্টি কৰিলে এই যুৱকবিলাকে ইংৰাজী সাহিত্য পঢ়ি ইংৰাজৰ আওভাওবিলাক বুজি অনুপ্ৰাণিত হ'ল আৰু দেশৰ উদ্ধাৰৰ কাৰণে গুপ্ত সভা আদি পাতিবলৈ আৰম্ভ

কৰিলে। মুছলমান গুণ্ডা কেইজনমানে হিন্দু গুণ্ডাক আগেয়ে আক্ৰমণ কৰিলে আক্ৰান্তসকলৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ অইন উপায় একোৱেই নাছিল। কিন্তু বৰ্ত্তমানে আৰু তেনে নহয়। আজি সকলোৱে লাঠী আৰু তৰোৱাল খেলাত পাৰ্গত! বৰ্ত্তমানৰ বঙ্গালীসকল আগৰদিনৰ বঙ্গালীতকৈ সাহসী আৰু পাৰ্গত। গবৰ্ণমেণ্টে এই জাগ্ৰত ভাৱৰ গতি ভাললৈ ঢাল খুৱাব নোৱাৰিলে বৰং ক্ৰমাৎ অত্যাচাৰ আৰু অনাচাৰ কৰি সেইবিলাকক বেয়াৰ ফাললৈহে ঢাল লবলৈ বাধ্য কৰিছে। আৰু সেই কাৰণেই বিপ্লবাদৰ স্বৃষ্টি হৈছে। আমি মাজে সময়ে হত্যাৰ কথা শুনো। এইটো কোনেও অস্বীকাৰ নকৰে। মই ও কওঁ মানুহ হত্যা হৈছে—এনাৰ্কিজম বঙ্গদেশত আছে। মই সেইবাবে দুঃখিত। মহাত্মা গান্ধীৰ এজন সেবক হিচাবে মই হিংসা কাৰ্য্যৰ প্ৰতিবাদ কৰোঁ। কিন্তু তেওঁলোকৰ কাৰ্য্যতকৈ গবৰ্ণমেণ্টৰ কাৰ্য্যৰ বাবে মই বেছি দুঃখিত, কাৰণ গবৰ্ণমেণ্টে প্ৰজাৰ অভাব অভিযোগলৈ চাই তাৰ প্ৰতীকাৰ কৰিব নিবিচাৰে; বৰং জোৰ কৰি সকলোকে দমাই ৰাখিব খোজে। ক্ষুদিৰামৰ মৰ্কৰ্দ্দমাৰ উল্লেখ কৰা হৈছে। আপুনি যদি মকৰ্দ্দমাৰ ইতিবৃত্ত বিচাৰি যায় দেখিব গুৰুতৰ ঘটনা আছে। সম্ভৱতঃ কিংছফোৰ্ডক মাৰিবলৈ চেষ্টা কৰাৰ কাৰণ আছিল। তেওঁৰ আদেশত এজন মানুহক ৰাজহুৱা ভাবে বেত দিয়া হৈছিল। মোৰ বিশ্বাস সংসাৰত এনে বহুত মানুহ আছে যি সকলে ভাবে যে বেত খোৱাতকৈ মৰাই ভাল। ব্যক্তিগত হিছাবে ময়ো সেই

বুলি ভাবো। মই হত্যা নকৰিব পাৰোঁ; কিন্তু হয়তো আত্মহত্যা কৰিম—নাইবা আন কোনো উপায়েৰে জীৱন শেষ কৰিম। এনেকুৱা মনোবৃত্তিৰ মানুহ আছে—যিসকলে ৰাজহুৱা ভাবে অন্যায় অত্যাচাৰ তেওঁলোকৰ ওপৰত কৰা সহিব নোৱাৰে আৰু সেয়ে—তাৰ প্ৰতিকাৰ কৰিবলৈ প্ৰাণটাকি চেষ্টা কৰে।

( ষোৱা ১৫ ছেপ্তেম্বৰৰ দিনা ব্যবস্থা পৰিষদত শ্ৰীযুত বৰদলৈ ডাঙৰীয়াই আগৰদিনাৰ তেখেতৰ অসমাপ্ত বক্তৃতা সমাপ্ত কৰি তলত দিয়া বক্তৃতা দিয়ে—

সভাপতি মহোদয়, ইয়াত আগৰ দিনা মই বঙ্গবিচ্ছেদৰ কথা কৈ থাকোতেই সেই দিনালৈ সভা স্থগিত হৈছিল। এতিয়া মই মোৰ মন্তব্য শেষ কৰিম। সেই বঙ্গবিচ্ছেদৰ সময়ত এবাৰ বৰিশালত এখন ডাঙৰ সম্মিলন বহিছিল। ৺সুৰেন্দ্ৰ নাথ বানাৰ্জ্জি, ৺চিত্তৰঞ্জন দাস, অৰবিন্দ ঘোষ প্ৰভৃতি বঙ্গদেশৰ প্ৰায় সকলো খ্যাতনামা আৰু সম্মানিত নেতা সকল উপস্থিত আছিল। এই সম্মিলন এখন সম্পূৰ্ণ আইন সঙ্গত সভা আছিল। কিন্তু এই সম্মিলনত উপস্থিত উপৰোক্ত নেতাসকলক মাৰ কিল আৰু অপমান কৰি সভা ভাঙ্গি দিয়া হৈছিল।

বৰিশাল সম্মিলনীৰ কথা আগেয়ে ১৯০৮ সনৰ ফৌজদাৰী সংশোধনী আইন বদ কৰাৰ সম্পৰ্কত কোৱা হোৱা নাই। ফৌজদাৰী আইন সংশোধনী বিলৰ আলোচনা সম্পৰ্কেই কোৱা হৈছিল। মই এতিয়া দেখুৱাব খোজো যে ১৯০৮ চনৰ

ফৌজদাৰী আইন যুক্তিসঙ্গত নহয় আৰু সেই প্ৰসঙ্গতে এই বিষয়ে দুই এটা নিজ মন্তব্য কৰি যাম। মই কব খুজিছো যে বঙ্গৰ অশান্তি আৰু বিক্ষোভৰ বাবে অকল বঙ্গদেশৰ যুবক সকল দায়ী নহয়; গবৰ্ণমেণ্টেও অৱস্থা বুজি ব্যৱস্থা কৰিব নোৱাৰি, ভ্ৰান্তভাবে কাৰ্য্য পৰিচালনা কৰি সেই অশান্তি বৃদ্ধি কৰিছে।

বঙ্গৰ অশান্তিৰ কাৰণে দায়ীবুলি বিশ্বাস হোৱা আনকেইটা-মান ঘটনাৰ কথা এতিয়া মই উল্লেখ কৰিম। মনেৰে অশান্তি বা বিক্ষোভৰ তেনে মূল কাৰণ বিলাক নিৰ্ম্মূল কৰা হৈছে। মই কওঁ মূল কাৰণবিলাক কেতিয়াও নিৰ্ম্মূল কৰা হোৱা নাই; শাখা কাৰণবোৰ গুচোৱা হৈছে যদি হব পাৰে। আনহাতে মূলশিপা আগতকৈ তললৈ যাব লাগিছে।

তেন্তে এই মূলবিলাক কি? মই সংক্ষেপে এই বিষয়ৰ মোৰ ধাৰণাৰ বিষয়ে অলপ কৈ যাম। এইটো জনাকথা যে বঙ্গবিচ্ছেদ কৰটো বৃটিশ ৰাজনীতিজ্ঞসকলৰ অদূৰদৰ্শীতাৰ পৰিচায়ক হৈছিল। গবৰ্ণমেণ্টে সেই সময়ত বহুত আন্দোলন কাৰীৰ মতি গতি পৰিবৰ্ত্তন কৰিবলৈ সমৰ্থ হ'ল হয়; কিন্তু তেওঁলোকে বঙ্গবিচ্ছেদ ৰদ কৰাৰ আগতে যিবিলাক আন্দোলনকাৰীয়ে বিপ্লববাদমূলক নীতিৰ আশ্ৰয় লৈছিল আৰু আইন অমান্য কৰিছিল, সেই মানুহ বিলাকৰ কি হ'ল। তেওঁলোকক মাত্ৰ অপৰাধী লোকৰ দৰে ধৰিবান্ধি আনিবৰ ব্যৱস্থা কৰাই নহয়, বনৰীয়াজন্তু চিকাৰ কৰিবলৈ বিচৰাৰ দৰে গবৰ্ণমেণ্টে গোটেই ভাৰতত বিচাৰি খেদি ফুৰিব ধৰিলে। তাৰ

পিছতো গবৰ্ণমেণ্টে তেওঁলোকৰ প্ৰতি অলপ দয়া প্ৰদৰ্শন কৰি তেওঁলোকৰ অন্তৰ জয় কৰিবলৈ চেষ্টা নকৰিলে আৰু দেশত শান্তি স্থাপন কৰিবলৈ নিবিচাৰিলে। মই গুৱাহাটীৰ এটা ঘটনাৰ কথা জানো। বঙ্গবিচ্ছেদ ৰদ কৰাৰ পিছত গুৱহাটীত এটা ঘৰত কেইজনমান বঙ্গালীয়ে তাত ব্যবসায় কাৰবাৰ কৰি জীবিকানিৰ্ব্বাহ কৰি আছিল তেওলোকক বিপ্লববাদী বুলি কোনেও ঘূণাক্ষৰেও নাজানিছিল। এদিন হঠাৎ এজন ডিটেক্টিভ কেইজনমান স্থনীয় পুলিছৰ সৈতে তেওলোকক গ্ৰেপ্তাৰ কৰিবলৈ উপস্থিত হল। ৰাতি ঘোৰ সজ্ঘৰ্ষৰ পিছত তেওঁলোকৰ কেইজনমানক গ্ৰেপ্তাৰ কৰা হল আৰু এটা স্পেছিল ট্ৰিবিউনেল বিচাৰত তেওঁলোকৰ কঠোৰ কাৰাদণ্ড হয়। এতিয়া মই কবখোজো যে গবৰ্ণমেণ্টে যদি তেওঁলোকৰ প্ৰতি বিদ্বেষভাব পৰিত্যাগ কৰি নিজ কাৰ্য্যব্যবসায় কৰি জীবিকা নিৰ্ব্বাহ কৰিবলৈ ৰত হোৱা সেই মানুহ কেইটাক শান্তিত থাকিবলৈ দিলেহেতেন তেন্তে সিহঁতৰ অন্তৰ স্থায়ীভাবে পৰিবৰ্ত্তন হলহেতেন আৰু সিহঁত দায়িত্বশীল নাগৰিকত পৰিণত হলহেতেন। মই সেই দেশৰ আন এজন মানুহক কেইবা বছৰৰো পিছত এখন কংগ্ৰেছৰ সভাত লগ পাইছিলো আৰু তেও কি কৰিছে অনুসন্ধান কৰি জানিব পাৰিলো তেওঁ তেতিয়া খাদিৰ কামকৰে আৰু হিংসাৰ ভাব তেওঁ অন্তৰৰ পৰা একেবাৰেই পৰিত্যাগ কৰিছে আৰু মহাত্মা গান্ধীৰ প্ৰেৰণাত তেওঁৰ দিন সুকলমেই চলিছে। এইদৰেই গবৰ্ণমেণ্টে বনৱীয়া-

অন্তৰ দৰে খেদি লৈ ফুৰিবি শান্তিতে থাকিব দিলে আগেয়ে এসময়ত বিপ্লববাদমূলক আন্দোলন সংশ্লিষ্ট থকালোকেও পিচত শান্ত প্ৰকৃতি ধাৰণ কৰি অহিংস আৰু শান্তিপ্ৰিয় লোক হৈ উঠিব পাৰে। কিন্তু তেওঁলোকৰ প্ৰতি তেনে ব্যৱস্থা অবলম্বন কৰাৰ পৰিবৰ্ত্তে আজি পুলিছে তেওঁলোকক এঠাইৰ পৰা অইন ঠাইলৈ খেদি ফুৰিছে।

দেশত অশান্তি বৃদ্ধিৰ এটা কাৰণৰ কথা ওপৰত কোৱা হৈছে! জালিওয়ানৱালাবাগৰ বিখ্যাত হত্যাকাণ্ড। এই ঘটনাই ভাৰতৰ ইমুৰৰ পৰা সি মুৰলৈকে—চঞ্চল কৰি তুলিলে। কিন্তু সেই ঘটনাৰ ওৰ নপৰিল। ইয়াৰ পিছত ডায়াৰ ফাণ্ডে দেশৰ বিক্ষোভ আৰু বৃদ্ধি কৰিলে।

এই "ডায়াৰ ফাণ্ড" কি? সেই ভয়ঙ্কৰ অত্যাচাৰৰ ফলত জেনেৰেল ডায়াৰৰ বিচাৰৰ সময়ত তেওঁক সহায় কৰিবলৈ এই ফাণ্ড গোটোয়া হয়।

এই ফাণ্ডলৈ বৰঙ্গনি দিছিল কোনে? ইউৰোপীয়ান ঘাইকৈ বে-সৰকাৰী য়ুৰোপীয়ান সকলে আৰু এংলো ইণ্ডিয়ান সকলে। এই কথাই ভাৰতীয়ৰ মনত চাঞ্চল্যৰ সৃষ্টি কৰা নাছিল নে?

গৱৰ্ণমেণ্টে যেতিয়া এনে এটা অনুস্থানক এই ১৯০৮ সনৰ ফৌজদাৰী আইনৰ বলত বে আইনী ঘোষণা কৰিছিল নে? সেই ফাণ্ড সংগ্ৰহকাৰ্য্য ভাৰতীয় সকলৰ আত্মসন্মান আৰু মনুষ্যত্বৰ প্ৰতি অপমানজনক নাছিলনে? এজন কৰ্ম্ম-

চাৰীয়ে ভাৰতীয়ৰ ওপৰত ইমান অত্যাচাৰ কৰিছে আৰু সেই কাৰণে গৱৰ্ণমেণ্টে সৰ্ব্বসাধাৰণৰ বিক্ষোভ নিবাৰণৰ কাৰণে— তেওঁৰ বিষয়ে এটা বিচাৰ কৰিব খোজা দেখি এই দেশত থকা যুৰোপীয়ান আৰু এংলো ইণ্ডিয়ান সকলে তেওঁক বচাবৰ কাৰণে ধনেৰে সহাই কৰিছে। ই ঘোৰ আপত্তি জনক কথা নহয়নে ? ভাৰতত অসহযোগ আন্দোলন প্ৰবৰ্ত্তন কৰাৰ ইও এটা প্ৰধান কাৰণ ; মাননীয় আইন সচিব ডাঙৰীয়াই প্ৰমাণ কৰিবলৈ বিচাৰিছে যে বিপ্লৱবাদী সকলো কংগ্ৰেছৰ সভ্য হয় আৰু কংগ্ৰেছপন্থী সকলো বিপ্লববাদী হব পাৰে। তেখেতে এই কথা প্ৰমাণ কৰিবলৈ ৫৫টা ঘটনাৰ কথা উল্লেখ কৰিছে। মই ভালকৈ জানো যে মহাত্মা গান্ধী বঙ্গদেশ আৰু অসমলৈ যাওতে, এই কথা সচানে —এই বিষয়ে পুঙ্খানুপুঙ্খ ৰূপে অনুসন্ধান কৰিছিল। আৰু বিপ্লববাদী আন্দোলনৰ ভূ পোৱা বহুত লোকৰ সৈতে ভালকৈ আলোচনা কৰিছিল। তেখেতে হিংসাবাদী সকলৰ হিংসাৰ ভাৱ পৰিত্যাগ কৰি, অহিংস অসহযোগ নীতি গ্ৰহণ কৰিবলৈ দঢ়াই দঢাই অনুৰোধ কৰে। আৰু এই নীতি হিংসা নীতিতকৈ বেচি সফল আৰু কাৰ্য্যকৰী বুলি ন কৈ কয়। তাৰ ফলত বহুত হিংসা বাদীয়ে অহিংস অসহযোগ ব্ৰত অবলম্বন কৰি—মহাত্মাৰ ভক্ত হয়। এয়ে প্ৰকৃত কথা।

স্বৰ্গীয় বিপিনচন্দ্ৰ পালে এদিন বজ্ৰস্বৰে ঘোষণা কৰা কথা মোৰ এতিয়াও মনত আছে। মই অসহযোগী নহওঁ ; কিন্তু

অসহযোগ আন্দোলন দমন কৰিবলৈ কঠোৰতা অবলম্বন নকৰিবা; কৰিলে তাৰ পৰা অনিষ্ট হব। কিন্তু গৱৰ্ণমেণ্টে এই উপদেশ বানীলৈ অলপো কান নকৰিলে। আৰু ১৯২১ সনৰ অহিংস অসহযোগ আন্দোলন অতি কঠোৰ দমন নীতিৰে দমন কৰিবলৈ ধৰিলে।

এনে অৱস্থাত মই সুধিব খোজো, যে নিৰিহ জনসাধাৰণৰ মনত চাঞ্চল্য উপস্থিত নহবনে? তেওঁলোকে এই ১৯০৮ সনৰ ফৌজদাৰী আইন সত্ত্বেও নিজৰ অধিকাৰ লাভৰ কাৰণে বে-পৰোৱা ভাবে আইন অমান্য আন্দোলনৰ কাৰণে অগ্ৰসৰ নহবনে? অসহযোগ বা আইন অমান্য আন্দোলন দমন কৰিবলৈ ১৯০৮ সনৰ ফৌজদাৰী আইনৰ নিচিনা দমন নীতি প্ৰৱৰ্ত্তন সমুলি যুক্তি সঙ্গত পন্থা নহয়। ই দুষ্ট চিকাৰীয়ে উমনিত পৰি থকা হাঁহজনী কলৈকো পলাই নোযোৱাৰ সুবিধা লৈ তাইৰ ওপৰত নিদাৰুণ ভাবে গুলি চলোৱাৰ নিচিনা কথা।

কংগ্ৰেছে সদায় খোলাখুলি ভাবে কাম কৰিব লাগিছে। কংগ্ৰেছৰ সদস্য সকলৰ নাম বিলাক কংগ্ৰেছৰ ৰেজিষ্টাৰ ভুক্ত, কংগ্ৰেছ অফিছ বিলাক সদায় খোলা আছে। আৰু পুলিছে এই সুবিধা বিলাক পাই এই ১৯০৮ সনৰ আইনৰ নিচিনা কঠোৰ দমন নীতিৰ সহায় লৈ কংগ্ৰেছক নানা ৰকমে জোৰ জুলুম কৰি পৰোক্ষভাবে বিপ্লববাদ বা হিংসাবাদ দমন কৰিবলৈ হলেও এই আইন ফল দায়ক হবনে? গৱৰ্ণমেণ্টক

এই আইনে অলপো সহায় কৰিবনে? হিংসা বাদী সকলে কোনো কাম খোলাখুলি ভাবে বা ধৰা পৰা কৈ কৰেনে?

মাননীয় আইন সচীব ডাঙ্গৰীয়াই কলে যে হিংসাবাদী অনুস্থানৰ সদস্য সকলৰ নাম ৰেজিষ্টাৰ ভুক্ত কৰা হয়। আৰু এনে নামৰ লিষ্টি আগয়ে পোৱা হৈছে। তেখেতে কৈছে যে এই কথা আদালতত প্ৰমাণ হৈ গৈছে। গতিকে এই কথা মিছা বুলি মই কব নোৱাৰো। কিন্তু এই বিষয়ে হলে মোৰ ঘোৰ সন্দেহ আছে। যি নহওক গৱৰ্ণমেণ্টে এই বিষয়ে জনমত সদায় উপেক্ষা কৰি আহিছে। বছৰি কংগ্ৰেছ মহাসভাৰ অধিবেশন হয়, কংগ্ৰেছে নানান বিষয়ে আলোচনা কৰি দেশৰ আৰু গৱৰ্ণমেণ্টৰ ভালৰ কাৰণে আবেদন জনায়, সুচিন্তিত অভিমত আৰু প্ৰস্তাব গ্ৰহণ কৰে। কিন্তু গৱৰ্ণমেণ্টে সেই মতে অলপো কাম নকৰে। কংগ্ৰেছৰ প্ৰস্তাব বিলাক গৱৰ্ণমেণ্টে সদায় দলিয়াই পেলাই আহিছে। এনে অৱস্থাত মহাত্মাই আৰু কোনো গত্যন্তৰ নেদেখি আইন অমান্য আন্দোলন প্ৰৱৰ্ত্তন কৰে আৰু প্ৰসিদ্ধ দাণ্ডি যাত্ৰাৰে সেই আন্দোলনৰ সুত্ৰপাত হয়। এই আন্দোলনৰ আগতে ঢাকাত যি ভীষণ কাণ্ড ঘটিছিল সেই বিষয়ে মোৰ বন্ধু মাননীয় ডেপুটী প্ৰেছিডেণ্টে কৈছে এই পৰিষদৰ সৰকাৰী সদস্য, বৰ্ত্তমান মেদিনীপুৰ জিলাধিপতি মিঃ গ্ৰিফিথছ্ তেতিয়া ঢাকাত আছিল। মই জানিব খোজো তেখেতে সেই সময়ত ঢাকাৰ সেই ভীষণ মাৰপিট নিবাৰণৰ কাৰণে আৰু

তেওঁলোকৰ ধনসম্পত্তি অত্যাচাৰী লুণ্ঠনকাৰী সকলৰ পৰা ৰক্ষা কৰিবৰ কাৰণে কি কৰিছিল ?

মিঃ গ্ৰিফিথছ :—

সভাপতি মহোদয়,—মই এই বিষয়ে জনাব খোজো যে মই সেই সময়ত পুৰা চাৰি দিন আৰু চাৰি ৰাতি কংগ্ৰেছ হিন্দু সকলক মুছলমান সকলৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাত ব্যস্ত আছিলো।

শ্ৰীযুত বৰদলৈ :—

হিন্দুৱেই হওক বা মুছলমানেই হওক লুণ্ঠনকাৰী আৰু গুণ্ডা বিলাক লুণ্ঠনকাৰী আৰু গুণ্ডাই। এই দুৰ্বৃত্ত বিলাক বৰ দুখীয়া আৰু অলপ ছল পালেই সিহঁতে লুণ্ঠন আৰু উপদ্ৰৱ আৰম্ভ কৰে। কিন্তু মই সুধিছো এই কথাহে যে, ঢাকাৰ লুণ্ঠন আৰু মাৰপিটৰ সময়ত ঢাকাত অনেক ঘৰত জুই জ্বলি থকা অৱস্থাত মিঃ গ্ৰিফিথছে কি কৰিছিল ? কিমানক তেওঁ ৰক্ষা কৰিছিল ?

আমি এই বিষয়ে সেই সময়ত কাকতে পত্ৰে যি বিলাক বিবৰণ পাইছিলো মোৰ বন্ধু মাননীয় ডেপুটি প্ৰেছিডেণ্ট ডাঙৰীয়াই সেই বিষয়ে এই সভাত আগেয়েই কৈছে। সেই সময়ত ঢাকাত কি কাণ্ড ঘটিছিল কোনে নেজানে ?

দুজনী সাহসী ছোৱালীয়ে বহুত পৰ লুণ্ঠনকাৰী বিলাকৰ লগত সঙ্ঘৰ্ষ কৰি সিহঁতৰ আক্ৰমণ প্ৰতিহত কৰি নিজৰ ঘৰ ৰক্ষা কৰিছিল। তেতিয়া পুলিছ ক'ত আছিল ? লুণ্ঠনকাৰী

বিলাকে আহি অসংখ্য দোকান লুটি পুটি ঘৰ বিলাকত জুই লগাই দি অনেক লাখপতি ধনাঢ্য লোকক ক্ষন্তেকৰ ভিতৰতে বাটৰ ভিখাৰীত পৰিণত কৰা অৱস্থাত মোৰ মাননীয় বন্ধু মিঃ গ্রিফিথছ কলৈ গৈছিল ?

আমাৰ ইউৰোপীয়ান বন্ধু সকলেই বা তেতিয়া ক'ত আছিল ? মাননীয় ডেপুটি প্রেছিডেণ্ট ডাঙৰীয়াই সেই বিষয়ে এই সভাত আগয়েই কৈছে। মই মোৰ নিজৰ জ্ঞানৰ পৰাও কেইটা মান কথা কব পাৰো। এজন ভদ্রলোকক পুলিছে মাৰিছিল। এজন অবসৰ প্রাপ্ত ভাৰতীয় ডিষ্ট্রিক্ট মেজিষ্ট্রেটক তেওঁৰ লৰা তিৰুতাৰ সাক্ষাততে এই দৰে মৰাটো লাজৰ কথা নহয় নে ? এনে ঘটনাৰ পিছত সেই ভদ্রলোক জনৰ পুতেক জীয়েক বা তিৰুতাৰ এই গবর্ণমেণ্টৰ প্রতি শ্রদ্ধা থাকিবনে ? এনে ঘটনাই বঙ্গৰ হৃদয় বিদির্ণ কৰিলে। কেউফালে দুখাৰ্ত্তৰ আৰ্ত্তনাদ শুনা গল। গুণ্ডাৰ দৰে সিহঁতৰ অত্যাচাৰ, সিহতৰ হিংসা বাদ মূলক কাৰ্য্য অবাধে চলাবলৈ ধৰিলে। গৱৰ্ণমেণ্টে যদি তেতিয়া পিড়িত জন সাধাৰণৰ ৰক্ষা কৰিবলৈ ততালিকে ব্যৱস্থা কৰিলেহেতেন তেতিয়া বাতৰি কাকত বিলাকৰ গৱৰ্ণমেণ্টৰ প্রতি শ্রদ্ধা অটুট ৰল হেতেন। বঙ্গ যথেষ্ঠ নীপিড়িত হৈছে, আৰু সেই কাৰণেই বঙ্গালী আজি এনে অদম্য আৰু একা চেকা হৈ উঠিছে। এতিয়া মই চট্টগ্রামৰ ঘটনাৰ বিষয়ে দুআষাৰ কওঁ। আমাৰ লাজৰ বিষয় যে তাত বিপ্লববাদী সকলে কেই জন মান মানুহ মাৰিলে। আমি

অহিংসাবাদী : আমি কেতিয়াও হিংসাবাদ বা হত্যাৰ সমৰ্থন নকৰো। কিন্তু লাজৰ বিষয় আমোলাতন্ত্ৰই উক্ত বিপ্লবী কাণ্ডৰ ফলত বিপ্লববাদী সকলক বিভিষিকা দেখুৱাবৰ মনেৰে দোষী নিৰ্দ্দোষী বিচাৰ নকৰাকৈ—সন্দেহৰ ওপৰতে বহুত নিৰিহ লোকৰ ওপৰত উৎপীড়ন কৰিবলৈ ধৰিলে।

শ শ জনক ধৰি বান্ধি বঙ্গৰ পৰা নিৰ্ব্বাসন কৰা হয়। তেওঁলোকৰ নিৰ্দ্দোষীতা প্ৰমাণ কৰিবলৈ কোনো বিচাৰ কৰা নহয়।

"মই কওঁ গৱৰ্ণমেণ্টৰ পক্ষে একৰকমৰ বিপ্লববাদ ( Terrorism ) অৱলম্বন। এনে হতভাগা অনেক ৰাজবন্দীৰ দুৰবস্থাৰ মই উদাহৰণ দিব পাৰো। তেওঁলোকৰ একোজনে নিৰ্য্যাতনতে মৰিছে। একোজনে আত্মহত্যা কৰিছে। একোজন বেমাৰত আৰু সুচিকিৎসাৰ অভাৱত মৰিছে। কোনোবাজন বলিয়া হৈছে। আৰু বাকী সকলে নানান দুৰবস্থাত কটাইছে। আৰু ইফালে তেওঁলোকৰ ঘৰত মাক বাপেক ককাই ভাই— বাই ভনী লৰা তিৰুতাই হাহাকাৰ কৰি দিন কটাইছে। গৱৰ্ণমেণ্টৰ ওচৰত তেওঁ বিলাকৰ সুবিচাৰৰ কাৰণে নানান ৰকমৰ আবেদন জনাইছে। কেতিয়াও এই ৰাজবন্দী সকলক মানুহৰ দৰে ব্যৱহাৰকে কৰা হোৱা নাই। তেন্তে তেওলোকৰ ককাই ভাই ইষ্ট কুটুম্ব সকল যথেষ্ট ৰাজভক্ত প্ৰজা হব বুলি আশা কৰিব পাৰিনে ?

. দুই তিনি হজাৰ বঙ্গালী যুবকৰ আজি এনে দুৰ্দ্দশা। এই

দুই তিনি হাজাৰৰ লগত তেওঁ লোকৰ ককাই ভাই বাই ভণী ইষ্ট কুটুম্ব সকলক ধৰক আৰু ভাবি চাওক বঙ্গৰ কিমান লোক আজি প্ৰপীড়িত। গৱৰ্ণমেণ্টে এই প্ৰপীড়িন সকলৰ সাহায্যৰ কাৰণে কিমান কি কৰিছে ?

চট্টগ্ৰামৰ পিছত মেদিনীপুৰৰ ঘটনালৈ আহক: মেদিনী পুৰৰ ঘটনা বহুত। কণ্টাই মহকুমাৰ অসহযোগী সকলে লোন তৈয়াৰ কৰিবলৈ যাওঁতে পুলিছে তেওঁলোকক কেনেকৈ মাৰিছিল; আৰু কেইজন মানক ভীষণ ভাবে আহত কৰিছিল সেই বিষয়ে আমি বাতৰি কাকতত সকলোৱে পাঢ়ছো। সেই দিনা মেদিনীপুৰৰ ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেট ডাঙৰীয়াই কৈছে যে আইন অমান্যকাৰী সকলে প্ৰথমতে অহিংস নীতি মতেই পিকেটিং আদি আৰম্ভ কৰে আৰু পিছত হিংসাবাদত তেওঁ-লোকৰ কাৰ্য্য সমাপন কৰে। মই তেওঁক সুধিব খোজো কিমান সৈন্য, পুলিছ কৰ্ম্মচাৰী আৰু কিমান য়ুৰোপীয়ানক এই পিকেটাৰ সকলে মাৰি জখম কৰিছে? কিমান অসহযোগীক পুলিছক আক্ৰমণ কৰা অপৰাধক শাস্তি দিয়া হৈছে ?

মিঃ গ্ৰিফিথছৰ—

মোৰ জিলাত ১৩৯ (?) জনক

শ্ৰীযুত বৰদলৈ—

শুনি সন্তোষ পালো; কিন্তু মই ভালকৈ জানো যে অসহযোগ আন্দোলন আন্দোলনকাৰী সকলৰ পক্ষৰ পৰা সম্পূৰ্ণ অহিংস-ভাবে চলিব লাগিছে। অহিংসবাদী সকলে তেওঁলোকৰ

নিৰুপদ্ৰব কাৰ্য্যক্ষেত্ৰত আন পক্ষৰ পৰাহে মাৰ কিল খায়। তেওঁলোক ইয়াৰ উত্তৰত মাত্ৰ "মহাত্মা গান্ধীকি জয়" বা "বন্দেমাতৰম্" বুলি এষাৰি জয়ধ্বনি দিয়ে। তাৰ ফলত তেওঁ লোকক বেচি কৈ কোবোৱা হয়। বহুদেশত এনে ঘটনা বহুত ঘটিব লাগিছে।

১৯৩০ সনত এই বিলাক ঘটনা ঘটিছিল। কংগ্ৰেছ অফিচ বিলাক বন্ধ কৰি দিয়া হৈছিল। তাৰ মাল বস্তু বিলাক সকলো লৈ যোৱা হৈছিল। কিন্তু তথাপি কংগ্ৰেছৰ কাৰ্য্য বন্ধ নহল। মই নিজে জানো যে কলিকতাৰ এখন সভাত লাঠি চালনা কৰা হৈছিল আৰু তাৰ ফলত বহুতো মানুহ আহত হৈছিল।

কিন্তু পিছ দিনাৰ কাকতত দেখিলো যে উক্ত লাঠি চালনাক ( Mild lathi charge ) বুলিহে প্ৰকাশিত হৈছে Mild lathi charge কি মই নাজানো, হয়তো—ছৰকাৰী কৰ্ম্মচাৰী সকলৰ দ্বাৰাও ই উৎসাহিত হব পাৰে। নহলে ইয়াক Mild lathi charge বুলি উল্লেখ কৰা নহলহেতেন। মই কৈ আহিছো যে বঙালী বৰ ভাৱ প্ৰবন। যেতিয়া তেওঁলোকে আন একো উপাই নাপায়, তেতিয়া তেওঁ বিলাকে বিপ্লব বাদৰ ফালে ঢাল খায়।

মেদিনীপুৰত হোৱা হত্যাকাণ্ডৰ কথা উল্লেখ কৰা হৈছে। মেদিনীপুৰত তিনজন ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেট হত্যা কৰাত আমি দুখ পোৱা নাইনে? সঁচা কথা কবলৈ গলে, যেতিয়া মই কাগজত সেই হত্যাকাণ্ডৰ কথা পঢ়িবলৈ পালো—আৰু বিধবাৰ করুণ কাহিনী শুনিবলৈ পালো—তেতিয়া মই কান্দি পেলালো।

শেষত বৰ বেজাৰ লাগিল। আৰু প্ৰত্যেকেই ইয়াৰ কাৰণে বেজাৰ কৰিছে। কিন্তু আমাৰ বিপৰীত ফালে থকা বন্ধু সকলে ভাবে যে—আমি কথা আৰু কামত একে নহওঁ। তেওঁলোকে ভাবে উক্ত হত্যাকাণ্ডৰ বাবে কেৱল তেওঁলোকেহে দুঃখিত, আন কোনো নহয়। যদি তেওঁলোকে তেনে ভাবে—তেন্তে তেওঁলোকৰ নিজৰ মনোভাবো তেনে। দূৰবৰ্ত্তী জেলত আৱদ্ধ হৈ থকা ৰাজবন্দী সকলৰ মাক ঘৈণীয়েকে লৰা পৰা বা স্বামীৰ নিমিত্তে মৰ্ম্মবেদনা পোৱাৰ কথা তেওঁলোকে ভাবে নে? যি সকলক এতিয়া বিনা বিচাৰত জেলত আটক কৰি থোৱা হৈছে—তেওঁলোকে সেই সকলৰ কথা ভাবেনে? আপোনালোকে সেই বিলাকৰ কাৰণে বেজাৰ নেপাই, আপোনালোকে তেওঁলোকৰ সুবিচাৰ নকৰে। আপোনালোকে কি বিচাৰে?

মোৰ সৰু কালত বৃটিশ ৰাজক ৰাম ৰুলি কোৱা শুনিছিলো। কিয় তেওঁলোকে ৰামৰাজ বুলিছিল? কিন্তু এতিয়া তেওঁলোকে কি কি দেখিছে! বৃটিশ প্ৰজাই ন্যায় নো কি বস্তু তাক পাহৰিলে।

এজন সদস্য—বৰ্ত্তমান ৰাবন ৰাজ চলিছে। (হাঁহিৰ ৰোল)

প্ৰজাক লাগে কি। তেওঁলোকক লাগে ন্যায় বিচাৰ, ন্যায়ৰ বাহিৰে তেওঁলোকক একো নেলাগে? আপোনালোকৰ আইন আদালত আছে, মাননীয় আইন সচিবৰ দৰে আপোনা-

লোকৰ পাৰদৰ্শী কাউন্সিল আছে। আপোনালোকৰ বাতৰি যোগনীয়া আছে, চোৰাং-চোৱা আছে—সকলো ৰাজবন্দীক আদালতত বিচাৰ কৰক আৰু বিচাৰত দোষী পালে শাস্তি দিয়ক তাত কোনেও একো নকব। এতিয়াও ডকাইতি হত্যা আদিৰ নিমিত্তে দিনে দিনে ফাঁচি, দ্বীপান্তৰ ফাটক আদি শাস্তি হব লাগিছে ; কোনোবাই এই বিলাকৰ বিষয়ে কিবা কৈছেনে ? এতিয়াও এই ৰাজবন্দী বিলাকৰ আপোনালোকে বিচাৰ নকৰে কিয় ? যদি তেওঁলোকক দোষী পায় তেন্তে শাস্তি দিয়ক। এই বিলাক কাৰণত আপোনালোকে বঙ্গদেশৰ শান্তি স্থাপন কৰিব পাৰিবনে ? নোৱাৰে। দয়া ব্যৱহাৰৰ দ্বাৰাইহে বঙ্গক শান্ত কৰিব পৰা হব। যদি বঙ্গক শান্ত কৰিব খুজিছে তেন্তে বঙ্গৰ ৰাজবন্দী বিলাকৰ বিচাৰ কৰক। বিচাৰত দোষী পালে শাস্তি দিয়ক। আৰু দোষী নেপালে এৰি দিয়ক।

সভাপতি মহোদয় !

বঙ্গৰ গবৰ্ণৰ বাহাদুৰে সেই দেশৰ কিছুমান নিবনুৱা ডেকাক —বিশেষকৈ ৰাজবন্দী আৰু বিপ্লববাদী সকলক কিছুমান মাটি দিবলৈ চেষ্টা কৰিছে। কিন্তু সি সন্তোষ জনক হবনে। ৰাজ-বন্দী সকলৰ ভিতৰত এনে কিছুমানো আছে যি খাবলৈ নাপায় নমৰে। মই আগতেই কৈ আহিছো, সেই বন্দী বিলাকৰ বিচাৰ কৰক। আপোনালোকে আপোনালোকৰ পুলিচ চোৰাং চোৱা পিছত লগাই আদালতত মোকৰ্দ্দমাৰ সৃষ্টি নকৰিব। সি

শেষত বৰ বেজাৰ লাগিল। আৰু প্ৰত্যেকেই ইয়াৰ কাৰণে বেজাৰ কৰিছে। কিন্তু আমাৰ বিপৰীত ফালে থকা বন্ধু সকলে ভাবে যে—আমি কথা আৰু কামত একে নহওঁ। তেওঁলোকে ভাবে উক্ত হত্যাকাণ্ডৰ বাবে কেৱল তেওঁলোকেহে দুঃখিত, আন কোনো নহয়। যদি তেওঁলোকে তেনে ভাবে—তেন্তে তেওঁলোকৰ নিজৰ মনোভাবো তেনে। দূৰবৰ্ত্তী জেলত আৱদ্ধ হৈ থকা ৰাজবন্দী সকলৰ মাক ঘৈণীয়েকে লৰা পৰা বা স্বামীৰ নিমিত্তে মৰ্ম্মবেদনা পোৱাৰ কথা তেওঁলোকে ভাবে নে? যি সকলক এতিয়া বিনা বিচাৰত জেলত আটক কৰি থোৱা হৈছে—তেওঁলোকে সেই সকলৰ কথা ভাবেনে? আপোনালোকে সেই বিলাকৰ কাৰণে বেজাৰ নেপাই, আপোনালোকে তেওঁলোকৰ সুবিচাৰ নকৰে। আপোনালোকে কি বিচাৰে?

মোৰ সৰু কালত বৃটিশ ৰাজক ৰাম বুলি কোৱা শুনিছিলো। কিয় তেওঁলোকে ৰামৰাজ বুলিছিল? কিন্তু এতিয়া তেওঁলোকে কি কি দেখিছে! বৃটিশ প্ৰজাই ন্যায় নো কি বস্তু তাক পাহৰিলে।

এজন সদস্য—বৰ্ত্তমান ৰাবন ৰাজ চলিছে। (হাঁহিৰ ৰোল)

প্ৰজাক লাগে কি! তেওঁলোকক লাগে ন্যায় বিচাৰ, ন্যায়ৰ বাহিৰে তেওঁলোকক একো নেলাগে? আপোনালোকৰ আইন আদালত আছে, মাননীয় আইন সচিবৰ দৰে আপোনা-

লোকৰ পাৰদৰ্শী কাউন্সিল আছে। আপোনালোকৰ বাতৰি যোগনীয়া আছে, চোৰাং-চোৱা আছে—সকলো ৰাজবন্দীক আদালতত বিচাৰ কৰক আৰু বিচাৰত দোষী পালে শাস্তি দিয়ক তাত কোনেও একো নকব। এতিয়াও ডকাইতি হত্যা আদিৰ নিমিত্তে দিনে দিনে ফাঁচি, দ্বীপান্তৰ ফাটক আদি শাস্তি হব লাগিছে ; কোনোবাই এই বিলাকৰ বিষয়ে কিবা কৈছেনে ? এতিয়াও এই ৰাজবন্দী বিলাকৰ আপোনালোকে বিচাৰ নকৰে কিয় ? যদি তেওঁলোকক দোষী পায় তেন্তে শাস্তি দিয়ক। এই বিলাক কাৰণত আপোনালোকে বঙ্গদেশৰ শান্তি স্থাপন কৰিব পাৰিবনে ? নোৱাৰে। দয়া ব্যৱহাৰৰ দ্বাৰাইহে বঙ্গক শান্ত কৰিব পৰা হব। যদি বঙ্গক শান্ত কৰিব খুজিছে তেন্তে বঙ্গৰ ৰাজবন্দী বিলাকৰ বিচাৰ কৰক। বিচাৰত দোষী পালে শাস্তি দিয়ক। আৰু দোষী নেপালে এৰি দিয়ক।

সভাপতি মহোদয় !

বঙ্গৰ গবৰ্ণৰ বাহাদুৰে সেই দেশৰ কিছুমান নিবনুৱা ডেকাক —বিশেষকৈ ৰাজবন্দী আৰু বিপ্লববাদী সকলক কিছুমান মাটি দিবলৈ চেষ্টা কৰিছে। কিন্তু সি সন্তোষ জনক হবনে। ৰাজ-বন্দী সকলৰ ভিতৰত এনে কিছুমানো আছে যি খাবলৈ নাপায় নমৰে। মই আগতেই কৈ আহিছো, সেই বন্দী বিলাকৰ বিচাৰ কৰক। আপোনালোকে আপোনালোকৰ পুলিচ চোৰাং চোৱা পিছত লগাই আদালতত মোকৰ্দ্দমাৰ সৃষ্টি নকৰিব। সি

দিনা অলপতে এটা মোকৰ্দ্দমাত মেজিষ্ট্ৰেটে ধৰা পেলাইছে যে —পুলিছে এটা ৰিভলভাৰ নে বোমা পেলাই থৈছিল। সৰ্ব্ব সাধাৰণক উত্তেজিত কৰাৰ নিমিত্তে কিছুমান প্ৰতিনিধি আছে। আপোনালোকে সেই বিলাকৰ পৰা সাবধান হৈ চলিব। মুকলি আদালতত ৰাজবন্দী বিলাকৰ বিচাৰ কৰিলেহে বঙ্গদেশত আপোনালোকে শান্তি স্থাপন কৰিব পাৰিব।

যদি নকৰে—আৰু দমন নীতি অৱলম্বন কৰি গৈ থাকে, তেন্তে খন্তেকৰ নিমিত্তে সামৰিক আৰু বেসামৰিক কৰ্ত্তৃপক্ষৰ সহায়ত এই আন্দোলন দমাব পাৰিব। প্ৰজাক দমন কৰিবলৈ আপোনালোকে নতুন নতুন আইন কৰিব পাৰে—কিন্তু এনে এটা সময় আহিব লাগিছে যেতিয়া বঙ্গদেশৰ প্ৰতি ঘৰে ঘৰে পুলিছ ৰখীয়া থব লাগিব।

এতিয়াও আপোনালোকে বঙ্গৰ গাঁৱে গাঁৱে পুলিছৰ মাৰ্চ্চ্ কৰাই সৰ্ব্বসাধাৰণক ভয় দেখুৱাব লগা হৈছে, এতিয়াও আপোনালোকে সান্ধ্য আইন জাৰি কৰিছে, ব্যক্তি বিশেষক চিনাকী কাকত দিছে। আপোনালোকে বঙ্গৰ সৰ্ব্বসাধাৰণৰ প্ৰতি সম্মান লাঘবৰ একো কৰিবলৈ বাকী থোৱা নাই। কিন্তু শেষত এনে এদিন আহিব যিদিনা এজন বঙ্গালী ডেকাৰ ঘৰৰ সমুখত এজন চোৰাংচোৱা, এজন সৈনীক ৰাখিব লাগিব। সেই কাৰণে মই কওঁ যে এনে ধৰণৰ উত্তেজক কাৰ্য্যৰ পৰা একো উপকাৰ নহব। আপোনালোকে এনে আইন উত্থাপন নকৰিব। সিদিনা খন আমি অধিক সংখ্যক ভোটত ফৌজদাৰী আইন সংশোধনী

নিল অগ্রাহ্য কৰিলো, কিন্তু কি হল ? বৰলাট বাহাদুৰে বিশেষ ক্ষমতাৰ বলত ইয়াক ( certify ) কৰিলে।

সভাপতি মহোদয় !

আমাৰ অৱস্থা কি ? কিয় আমি ইয়ালৈ আহিছো ? আমি নিজে নিজে অপমানিত হবলৈকে ইয়ালৈ আহিছো নে কি ? আমি ইয়াত যি কওঁ সি কেৱল কিতাপত আৱদ্ধ হৈ থাকিবলৈকে কওঁ নেকি ? মই আপোনালোকক স্পষ্ট ভাবে কওঁ যে এই বিলাক দমন নীতিৰ অৱলম্বনে আপোনালোকৰ একো উপকাৰ নকৰে। আপোনালোকে নিজক সংস্কাৰ কৰক। আপোনালোকে আপোনালোকৰ মনোভাব সলনি কৰক। নহলে প্ৰজাই যেনেকৈ ভোগ কৰিছে, আপোনালোকেও ঠিক তেনেকৈ ভোগ কৰিব লাগিব।

( কংগ্ৰেছ সদস্য সকলৰ মাজত বিপুল আনন্দধ্বনি )

( খ )

ছিমলা ২৪ চেপ্তেম্বৰ—

আজি পুনৰ ১৯০৮ সনৰ ফৌজদাৰী সংশোধনী ৱিল তুলি দিব লাগে বুলি কৰা, শ্ৰীযুত বি. দাসৰ বিলৰ আলোচনা হয়। পোন প্ৰথমতে শ্ৰীযুত বৰদলৈ দেৱেই আলোচনা মুকলি কৰে। শ্ৰীযুত বৰদলৈৰ বক্তৃতা আগৰ দিনৰ অসমাপ্ত অৱস্থাত ৰোৱাৰ পৰা আৰম্ভ হয়। বৰদলৈ দেৱৰ বক্তৃতা বৰ মৰ্ম্মস্পৰ্শী হৈছিল। চিটাগাং, বৰিশাল, মেদিনীপুৰ, কলিকতা আদি ঠাইত পুলিছৰ

দিনা অলপতে এটা মোকৰ্দ্দমাত মেজিষ্ট্ৰেটে ধৰা পেলাইছে যে —পুলিছে এটা ৰিভলভাৰ নে বোমা পেলাই থৈছিল। সৰ্ব্ব সাধাৰণক উত্তেজিত কৰাৰ নিমিত্তে কিছুমান প্ৰতিনিধি আছে। আপোনালোকে সেই বিলাকৰ পৰা সাবধান হৈ চলিব। মুকলি আদালতত ৰাজবন্দী বিলাকৰ বিচাৰ কৰিলেহে বঙ্গদেশত আপোনালোকে শান্তি স্থাপন কৰিব পাৰিব।

যদি নকৰে—আৰু দমন নীতি অৱলম্বন কৰি গৈ থাকে, তেন্তে খন্তেকৰ নিমিত্তে সামৰিক আৰু বেসামৰিক কৰ্ত্তৃপক্ষৰ সহায়ত এই আন্দোলন দমাব পাৰিব। প্ৰজাক দমন কৰিবলৈ আপোনালোকে নতুন নতুন আইন কৰিব পাৰে—কিন্তু এনে এটা সময় আহিব লাগিছে যেতিয়া বঙ্গদেশৰ প্ৰতি ঘৰে ঘৰে পুলিছ ৰখীয়া থব লাগিব।

এতিয়াও আপোনালোকে বঙ্গৰ গাঁৱে গাঁৱে পুলিছৰ মাৰ্চ্ছ কৰাই সৰ্ব্বসাধাৰণক ভয় দেখুৱাব লগা হৈছে, এতিয়াও আপোনালোকে সান্ধ্য আইন জাৰি কৰিছে, ব্যক্তি বিশেষক চিনাকী কাকত দিছে। আপোনালোকে বঙ্গৰ সৰ্ব্বসাধাৰণৰ প্ৰতি সন্মান লাঘবৰ একো কৰিবলৈ বাকী থোৱা নাই। কিন্তু শেষত এনে এদিন আহিব যিদিনা এজন বঙ্গালী ডেকাৰ ঘৰৰ সমুখত এজন চোৰাংচোৱা, এজন সৈনীক ৰাখিব লাগিব। সেই কাৰণে মই কওঁ যে এনে ধৰণৰ উত্তেজক কাৰ্য্যৰ পৰা একো উপকাৰ নহব। আপোনালোকে এনে আইন উত্থাপন নকৰিব। সিদিনা খন আমি অধিক সংখ্যক ভোটত ফৌজদাৰী আইন সংশোধনী

বিল অগ্রাহ্য কৰিলো, কিন্তু কি হল ? বৰলাট বাহাদুৰে বিশেষ ক্ষমতাৰ বলত ইয়াক ( certify ) কৰিলে।

সভাপতি মহোদয় !

আমাৰ অৱস্থা কি ? কিয় আমি ইয়ালৈ আহিছো ? আমি নিজে নিজে অপমানিত হবলৈকে ইয়ালৈ আহিছো নে কি ? আমি ইয়াত যি কওঁ সি কেৱল কিতাপত আৱদ্ধ হৈ থাকিবলৈকে কওঁ নেকি ? মই আপোনালোকক স্পষ্ট ভাবে কওঁ যে এই বিলাক দমন নীতিৰ অৱলম্বনে আপোনালোকৰ একো উপকাৰ নকৰে। আপোনালোকে নিজক সংস্কাৰ কৰক। আপোনালোকে আপোনালোকৰ মনোভাব সলনি কৰক। নহলে প্ৰজাই যেনেকৈ ভোগ কৰিছে, আপোনালোকেও ঠিক তেনেকৈ ভোগ কৰিব লাগিব।

( কংগ্ৰেছ সদস্য সকলৰ মাজত বিপুল আনন্দধ্বনি )

( খ )

ছিমলা ২৪ চেপ্তেম্বৰ—

আজি পুনৰ ১৯০৮ সনৰ ফৌজদাৰী সংশোধনী বিল তুলি দিব লাগে বুলি কৰা, শ্ৰীযুত বি. দাসৰ বিলৰ আলোচনা হয়। পোন প্ৰথমতে শ্ৰীযুত বৰদলৈ দেৱেই আলোচনা মুকলি কৰে। শ্ৰীযুত বৰদলৈৰ বক্তৃতা আগৰ দিনৰ অসমাপ্ত অৱস্থাত ৰোৱাৰ পৰা আৰম্ভ হয়। বৰদলৈ দেৱৰ বক্তৃতা বৰ মৰ্ম্মস্পৰ্শী হৈছিল। চিটাগাং, বৰিশাল, মেদিনীপুৰ, কলিকতা আদি ঠাইত পুলিছৰ

অত্যাচাৰৰ অভিযোগ, সাধাৰণ পুলিছৰ সন্দেহতে ৩০০০ হেজাৰ ডেকাক বিনা বিচাৰে আটক কৰি ৰখা, হিজলি চিটাগাঙত বিচাৰ কৰি বহুতৰ আইন আৰু শৃঙ্খলাৰ নামত প্ৰাণনাশ কৰা কথা বাস্তবিকতে বৰ প্ৰাণত লগা হৈছিল। তেখেতে যেতিয়া কৈছিল, 'গৱৰ্ণমেণ্টে আইন আৰু শৃঙ্খলাৰ নাম লৈ বিনা বিচাৰে নিৰীহ লোক কিছুমানক বন্দী কৰি ৰাখিছে, সেই ডেকা সকলে আজি একো বিচৰা নাই। মাত্ৰ বিচাৰিছে ন্যায় বিচাৰ। তাকে নকৰি গৱৰ্ণমেণ্টে আজি হৃদয় বিদাৰক দৃশ্যৰ সৃষ্টি কৰিছে। মাকে পুতেকলৈ, পুতেকে বাপেকলৈ, ঘৈনীয়েকে গিৰিয়েকলৈ সদায় চকুপানী টুকি দিন নিয়াব ধৰিছে। এনে অত্যাচাৰ কৰিও গৱৰ্ণমেণ্টে প্ৰজা সকলক ৰাজভক্ত কৰলৈ আগ বাঢ়ে কোন সাহে ?"

তেতিয়া সকলোৰে চকুত চকুলো দেখা দিছিল।

---

বৰদলৈ দেৰে আধা ঘণ্টা বক্তৃতা দিয়াৰ পিছত হোম মেম্বাৰৰ বক্তৃতা আৰম্ভ হয়। হোম মেম্বাৰৰ কথাই কথাই ধৈৰ্য্য চ্যুতি হৈছিল, আৰু বহুতো সময়ত তেখেতৰ ব্যৱহাৰ লৈ সভাত তৰ্ক উপস্থিত হৈছিল। সভাপতিৰ কলিওতো আজি বহুত সভ্যৰ অসন্তুষ্ট হোৱা দেখা গৈছিল।

হোম মেম্বাৰৰ বক্তৃতাৰ পাছত মৌঃ চৌকত আলি আৰু

শ্ৰীযুত অমৰেন্দ্ৰনাথ চট্টোপাধ্যায়ে বক্তৃতা দিয়ে। তাৰ পাছ মিঃ ভুলাভায়ে হোমমেম্বাৰৰ ব্যৱহাৰত দুখ প্ৰকাশ কৰি বিল বিষয়ে সংক্ষেপে দু আষাৰ কয়।

—ভোটত বিল খন ৬৫—৬০ ভোটত গৃহিত হয়। কংগ্ৰেছ দলে এই জয় বিপুল জয়ধ্বনিৰে গ্ৰহণ কৰে।

———

ত্যাচাৰৰ অভিযোগ, সাধাৰণ পুলিছৰ সন্দেহতে ৩০০০ হেজাৰ ডকাক বিনা বিচাৰে আটক কৰি ৰখা, হিজলি চিটাগাঙত বিচাৰ ৰি বহুতৰ আইন আৰু শৃঙ্খলাৰ নামত প্ৰাণনাশ কৰা কথা বাস্তবিকতে বৰ প্ৰাণত লগা হৈছিল। তেখেতে যেতিয়া কছিল, 'গৱৰ্ণমেণ্টে আইন আৰু শৃঙ্খলাৰ নাম লৈ বিনা বিচাৰে ৰীহ লোক কিছুমানক বন্দী কৰি ৰাখিছে, সেই ডেকা সকলে াজি একো বিচৰা নাই। মাত্ৰ বিচাৰিছে ন্যায় বিচাৰ। তাকে কৰি গৱৰ্ণমেণ্টে আজি হৃদয় বিদাৰক দৃশ্যৰ সৃষ্টি কৰিছে। াকে পুতেকলৈ, পুতেকে বাপেকলৈ, ঘৈনীয়েকে গিৰিয়েকলৈ দায় চকুপানী টুকি দিন নিয়াব ধৰিছে। এনে অত্যাচাৰ কৰিও ৱৰ্ণমেণ্টে প্ৰজা সকলক ৰাজভক্ত কৰলৈ আগ বাঢ়ে কোন াহে?"

তেতিয়া সকলোৰে চকুত চকুলো দেখা দিছিল।

---

বৰদলৈ দেৰে আধা ঘণ্টা বক্তৃতা দিয়াৰ পিছত হোম মেম্বাৰৰ বক্তৃতা আৰম্ভ হয়। হোম মেম্বাৰৰ কথাই কথাই ধৈৰ্য্য চ্যুতি হৈছিল, আৰু বহুতো সময়ত তেখেতৰ ব্যৱহাৰ লৈ .ভাত তৰ্ক উপস্থিত হৈছিল। সভাপতিৰ কলিঙতো আজি বহুত সভ্যৰ অসন্তুষ্ট হোৱা দেখা গৈছিল।

হোম মেম্বাৰৰ বক্তৃতাৰ পাছত মোঃ চৌকত আলি আৰু

শ্ৰীযুত অমৰেন্দ্ৰনাথ চট্টোপাধ্যায়ে বক্তৃতা দিয়ে। তাৰ পাছত মিঃ ভুলাভায়ে হোমমেম্বাৰৰ ব্যৱহাৰত দুখ প্ৰকাশ কৰি বিলৰ বিষয়ে সংক্ষেপে দু আষাৰ কয়।

—ভোটত বিল খন ৬৫—৬০ ভোটত গৃহিত হয়। কংগ্ৰেছ দলে এই জয় বিপুল জয়ধ্বনিৰে গ্ৰহণ কৰে।

———

# বৰদলৈ দেৱৰ গ্ৰন্থাৱলী

প্ৰকাশিত—

"কৃষ্ণলীলা" ( নাটক) অমৃতাক্ষৰ ছন্দৰ কাব্য

"অনিতা গেৰিবল্ডি "

"গৃহলক্ষ্মী নাটক',

অপ্ৰকাশিত—

**কবিতাপুথি**—আইন কলেজৰ ছাত্ৰ হৈ থাকোতে লিখা। ১৮৯৯ চনত লিখা—বহু কবিতা আলোচনীত প্ৰকাশিত।

**জাতীয় সঙ্গীত**—ছিলেট জেইলত থকা কালত লিখা।

**'হাতেম তাই'**—প্ৰথম খণ্ড গল্পৰ কিতাপ ১৯২২ চনত জেইলত থকাত উৰ্দ্দুৰ পৰা অনুবাদিত—

**'তৰুণ কাঞ্চন'** ( নাটক ) ৩২ চনত লিখা শেষ হয়। সেক্সপীয়েৰৰ Troibus and Cresida নাটকৰ অনুবাদ। ছিলেট জেইলত থাকোতে লিখা।

**বিষাদ কাহিনী**—( নাটক ) ছিলেট জেইলত থাকোতে লিখা। ছেক্সপীয়েৰৰ "King Lear' নাটকৰ অনুবাদ। ৮।৭।৩২ তাৰিখে লিখা শেষ হয়।

**দজ্জুৰী দমন**—(নাটক) ছেক্সপীয়েৰৰ "Tamming of the Shrew" নাটকৰ অনুবাদ। ছিলেট জেইলত থাকোতে লিখা; ৮।৭।৩২ তাৰিখে শেষ হয়।

**প্ৰশান্ত শান্তি** ( উপন্যাস )—ছিলেট জেইলত লিখা।

**ঈছপৰ সাধু**—কলিকতাত ওকালতী কৰা সময়ত প্ৰায় ১৯১৪ পৰা ১৯১৮ চনৰ ভিতৰত লিখা।

# বৰদলৈ দেৱৰ বংশাৱলী

কান্যকুব্জৰ পৰা অনাই অসমত বৰদলৈ বাবদি ব্ৰহ্মোত্তৰ মাটি বৃত্তি দিয়া বাৰ ঘৰ বেদজ্ঞ জ্যোতিষী ব্ৰাহ্মণৰ ভিতৰৰ এঘৰ ৰুদ্ৰখড়ি বৰদলৈ নবীনচন্দ্ৰ বৰদলৈৰ পূৰ্ব্ব পুৰুষ।

৺ৰুদ্ৰখড়ি বৰদলৈ
|
ৰঙ্গাচৰণ বৰদলৈ
|
নাৰায়ণ
|
ৰত্নেশ্বৰ
|
কল্পনাথ
|
মাধবচন্দ্ৰ
|
প্ৰবোধচন্দ্ৰ | নবীনচন্দ্ৰ | বিপিনচন্দ্ৰ | গিৰিশচন্দ্ৰ

নবীনচন্দ্ৰ
|
পত্নী হেমন্ত কুমাৰী দেৱী
|
পুত্ৰ: উমেশচন্দ্ৰ, অপূৰ্ব্বচন্দ্ৰ
কন্যা: নলিনী দেৱী, ৺মৃণালিনী দে

# বৰদলৈ দেৱৰ গ্ৰন্থাৱলী

প্ৰকাশিত—

"কৃষ্ণলীলা" (নাটক) অমৃতাক্ষৰ ছন্দৰ কাব্য

"অনিতা গেৰিবল্ডি"

"গৃহলক্ষ্মী নাটক',

অপ্ৰকাশিত—

**কবিতাপুথি**—আইন কলেজৰ ছাত্ৰ হৈ থাকোতে লিখা। ১৮৯৯ চনত লিখা—বহু কবিতা আলোচনীত প্ৰকাশিত।

**জাতীয় সঙ্গীত** --ছিলেট জেইলত থকা কালত লিখা।

**'হাতেম তাই'**—প্ৰথম খণ্ড গল্পৰ কিতাপ ১৯২২ চনত জেইলত থকাত উৰ্দ্দু ৰ পৰা অনুবাদিত—

**'তৰুণ কাঞ্চন'** (নাটক) ৩২ চনত লিখা শেষ হয়। সেক্সপীয়েৰৰ Troibus and Cresida নাটকৰ অনুবাদ। ছিলেট জেইলত থাকোতে লিখা।

**বিষাদ কাহিনী**—(নাটক) ছিলেট জেইলত থাকোতে লিখা। ছেক্সপীয়েৰৰ "King Lear' নাটকৰ অনুবাদ। ৮।৭।৩২ তাৰিখে লিখা শেষ হয়।

**'দন্দুৰী দমন**—(নাটক) ছেক্সপীয়েৰৰ "Tamming of the Shrew" নাটকৰ অনুবাদ। ছিলেট জেইলত থাকোতে লিখা; ৮।৭।৩২ তাৰিখে শেষ হয়।

**প্ৰশান্ত শান্তি** (উপন্যাস)—ছিলেট জেইলত লিখা।

**ঈছপৰ সাধু**—কলিকতাত ওকালতী কৰা সময়ত প্ৰায় ১৯১৪ পৰা ১৯১৮ চনৰ ভিতৰত লিখা।

# বৰদলৈ দেৱৰ বংশাৱলী

কান্যকুব্জৰ পৰা অনাই অসমত বৰদলৈ বাবদি ব্ৰহ্মোত্তৰ মাটি বৃত্তি দিয়া বাৰ ঘৰ বেদজ্ঞ জ্যোতিষী ব্ৰাহ্মণৰ ভিতৰৰ এঘৰ ৰুদ্ৰখড়ি বৰদলৈ নবীনচন্দ্ৰ বৰদলৈৰ পূৰ্ব্ব পুৰুষ।

৺ৰুদ্ৰখড়ি বৰদলৈ
|
ৰঙ্গাচৰণ বৰদলৈ
|
নাৰায়ণ
|
ৰত্নেশ্বৰ
|
কল্পনাথ
|
মাধবচন্দ্ৰ
|
প্ৰবোধচন্দ্ৰ — নবীনচন্দ্ৰ — বিপিনচন্দ্ৰ — গিৰিশচন্দ্ৰ

নবীনচন্দ্ৰ
|
পত্নী হেমন্ত কুমাৰী দেবী
|
পুত্ৰ: উমেশচন্দ্ৰ, অপূৰ্ব্বচন্দ্ৰ
কন্যা: নলিনী দেবী, ৺মৃণালিনী দেব